# লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আলোচনী

ত্ৰয়তিংশতম সংখ্যা ।। ২০১৮-১৯, ২০১৯-২০ বৰ্ষ

## ।। সূ. চী. প. ত্ৰ ।।


স ম্পা দ কী য়

**প্ৰবন্ধ ঃ**

- **প্ৰকৃতিৰ নিয়ম-শৃংখলা আৰু মানৱ সভ্যতা** ।। সুৰভি গগৈ ।। **১৩**
- **প্ৰাচীন ভাৰতীয় শিক্ষা সূত্ৰ আৰু বৰ্তমান সমাজত ইয়াৰ প্ৰয়োজনীয়তা** ।। ৰিকুশ্ৰী চেতিয়া ।। **১৫**
- **বৰ্তমান সময়ত আমি কিমান যুক্তিবাদী** ।। ৰৌজলিন আলী ।। **১৭**
- **হুঁচৰিত প্ৰচলিত নিয়ম আৰু পৰম্পৰা** ।। মৌপিয়া গগৈ ।। **২০**
- **অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ গৌৰৱোজ্জ্বল বিহু** ।। কবিতা ফুকন।। **২৩**
- **সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা** ।। ময়ূৰী তামুলী ।। **২৫**
- **অসমৰ পৰম্পৰাগত ধৰ্মীয় উৎসৱ বোকা ভাওনা** ।। কৰিশ্মা বৰুৱা ।। **২৮**
- **আমাৰ সমাজ আৰু ধৰ্ষিতা মহিলা** ।। পল্লৱী বৰা ।। **৩০**
- **পুৰুষতান্ত্ৰিক সমাজত তুমি অনন্যা নাৰী** ।। প্ৰণিষা বৰা।। **৩১**
- **ঢকুৱাখনাৰ ফাট বিহু** ।। দিপ্তী গগৈ।। **৩৩**
- **ভোগালীৰ আনন্দ**।। দিব্যাশ্ৰী সোণোৱাল।। **৩৫**
- **নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা** ।। গৰিয়সীময়ী ভূঞা।। **৩৭**
- **ঐতিহাসিক পটভূমিত কন্দলী থান** ।। প্ৰাংগণা গোস্বামী।। **৩৮**
- **বৰ্তমানৰ প্ৰেক্ষাপটত নাৰী** ।। ৰিকৃষ্ণা এছ বৰা।। **৪০**
- **যুৱ উচ্ছৃংখলতা ঃ এক সামাজিক ব্যাধি** ।। আছিফা শ্বামচি।। **৪১**
- **মাতৃভাষাৰে শিক্ষা** ।। নমিতা শইকীয়া।। **৪২**
- **বৰ্তমান সময়ত নাৰী শিক্ষাৰ গুৰুত্ব** ।।দৰ্শনা শইকীয়া।। **৪৪**
- **আধুনিকতাৰ গ্ৰাসত সোণালী শৈশৱ** ।। কৌমুদী দেৱী।। **৪৫**
- **অসমীয়া ভাষা-সংস্কৃতিলৈ ড° মহেশ্বৰ নেওগৰ অৱদান** ।। কবিতা ফুকন ।। **৫৯**
- **সৎ-অসতৰ উচ্চতৰ ঐক্য সাধনেই জীৱন** ।। ৰিকুশ্ৰী চেতিয়া ।। **৬১**
- **ড্ৰাগ্‌ছ ঃ এক সামাজিক সমস্যা** ।। নিপুমণি বৰুৱা ।। **৬২**
- **পদ্মশ্ৰী ডাঃ ইলিয়াছ আলী** ।। গৰিমা বৰুৱা ।। **৬৩**
- **সপোনৰ ৰহস্য** ।। ৰিছা ফুকন ।। **৬৫**
- **টোপনিৰ আৱশ্যকতা আৰু সময়সীমা** ।। পম্পী ভাগৱতী ।। **৬৬**
- **ভাৰতৰত্ন ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন** ।। আছিফা শ্বামচি ।। **৬৭**
- **অসমীয়াৰ জুহাল** ।। পল্লৱী বৰা ।। **৬৮**
- **ভাৰতৰ জলমানৱ** ।। ময়ূৰী তামুলী ।। **৬৯**
- **যাদৱ পায়েং ঃ অকলেই এখন অৰণ্য সৃষ্টি কৰা মানুহজন** ।। আফৰুজা চুলতানা হাজৰিকা ।। **৭১**
- **চিঠি ঃ এক নষ্টালজিয়া** ।। কংকনা বৰুৱা ।। **৭৩**
- **Misery of the present education system** ।। Namasya S Khandayatray ।। **৭৪**
- **সংস্কৃতি আৰু সাজপাৰ** ।। ছাফিয়া গগৈ ।। **৭৫**
- **Impact of social networking sites on our lives** ।। Bidisha Bhattacharya ।। **৯২**
- **ধ্বংসৰ পথত মানৱ জাতি** ।। অনিকা শইকীয়া।। **৯৪**
- **মানসিক স্বাস্থ্য আৰু আমি** ।। ছাফিয়া গগৈ।। **৯৪**
- **জীৱন জিন্দাবাদ** ।। দৰ্শনা শইকীয়া।। **৯৬**
- **জীৱনৰ প্ৰকৃত ৰংবোৰ** ।। অনামিকা শৰ্মা।। **১২০**
- **সোণাৰুৰে থুপাথুপি হালধীয়া ফুল** ।। অলকা সেনাপতি।। **১২১**
- **Corona Virus and Health Department of Assam** ।। Bidisha Bhattacharya ।। **১২৩**
- **Euthanasia** ।। Bhaswati Borah ।। **১২৪**
- **Vedic Mathematics : Tricks for Fast Calculation** ।। Hiranmoyee Sarmah ।। **১২৫**
- **Impact of games on today's youth** ।। Anindita Boruah ।। **১২৬**
- **বৰগীত** ।। মীৰা দাস ।। **১২৮**
- **मान सम्मान रक्षा के संग्राम में नारी** ।। লিনাজোতি শৰ্মা ।। **১৩৪**
- **লকডাউন** ।। জেসমিনা বেগম।। **১৩৫**
- **हिन्दी के विकास में वेब मीडिया का योगदान**।। ৰিতিকা দত্ত।। **১৩৬**

**অতিথি লেখা ঃ**

- **असम में हिंदी की स्थिति** ।। डॉ. नंदिता दत्त ।। **১৩২**

**বিশেষ লেখা ঃ**

- **অসমীয়াৰ জাতীয় সংকট আৰু যুৱ প্ৰজন্মৰ ভূমিকা** ।। চৈয়দা পাৰবিনা চুলতানা, পম্পী ভাগৱতী, আশাজ্যোতি ভূঞা, প্ৰিয়ংকা বুঢ়াগোহাঁই, ৰৌজলিন আলী, গৰিমা বৰুৱা, আফৰুজা চুলতানা হাজৰিকা।। **৪৭ - ৫৮**
- **সাম্প্ৰতিক সমাজ ব্যৱস্থাত আধুনিক গণমাধ্যমৰ ভূমিকা** ।। ইন্দ্ৰাণী খাউণ্ড, ধৰিত্ৰী বৰুৱা, কৌমুদী দেৱী, ময়ূৰী তামুলী, মুনমী শৰ্মা, অন্বেষা দত্ত, পল্লৱী গগৈ, মেঘনা বৰুৱা, বিদিশা ভট্টাচাৰ্য, ত্ৰিবেণী পায়েং।। **৭৭ - ৯১**

- **অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ** ।। ভাস্বতী বৰা, আছিফা শ্বামচী, নীহাৰিকা দত্ত, ৰিছা ফুকন, কৰিশ্মা বৰুৱা, ভায়লিনা শইকীয়া, ধৰিত্ৰী বৰুৱা, ৰিকৃষ্ণা এছ বৰা, ৰৌজলিন আলী, লাকী বৰুৱা, আশাজ্যোতি ভূঞা, এঞ্জেলা চাংমাই, মমি নাথ, মূৰ্চনা ভূঞা, অন্বেষা দত্ত, ইছনাৰা বেগম, ছাফিয়া গগৈ, নয়নমণি শইকীয়া, পল্লৱী বৰা, কৌমুদী দেৱী, কল্যাণী দত্ত, জিউমণি তালুকদাৰ, হাবিবা আখতাৰ বেগম, বিদিশা ভট্টাচাৰ্য, বৰ্ষা কোঁৱৰ, সুধৃতি বিশ্বকৰ্মা, মেঘনা বৰুৱা, নমস্যা এছ খাণ্ডেয়াত্ৰে, বিদিশা কলিতা, আফৰুজা ৰহমান ।। **৯৮ - ১১৯**

**গল্প ঃ**

- **সন্তান** ।। হাবিবা আখতাৰ বেগম ।। **১৩৮**
- **আই, যাগৈ যা** ।। ধৰিত্ৰী বৰুৱা ।। **১৪০**
- **চিতাত ভগৱান** ।। শিখামণি গগৈ ।। **১৪২**
- **অনুভৱৰ দলিচাত** ।। পূজা ভট্ট ।। **১৪৪**

**চুটিগল্প ঃ**

- **অনুভূতি, বিষাদ** ।। আছিফা শ্বামচি ।। **১৪৬-১৪৭**
- **জীৱন নদীৰ সিপাৰে** ।। আশাজ্যোতি ভূঞা ।। **১৪৮**
- **সংগ্ৰাম** ।। মৃগাক্ষী গগৈ ।। **১৪৯**
- **আত্মসন্তুষ্টি** ।। অংকিতা শইকীয়া ।। **১৫০**
- **সোঁৱৰণী** ।। কাজল হাজৰিকা ।। **১৫১-১৫৩**
- **সখা দামোদাৰ** ।। দৃষ্টি দৰ্শনা বৰুৱা ।। **১৫৪**
- **The tuition master** ।। Namasya S Khandayatray ।। **১৫৬**
- **Patient always pays** ।। Parboti Das ।। **১৫৭**

**অণুগল্প ঃ**

ৰিছা ফুকন, আছিফা শ্বামচি, ছাফিয়া গগৈ, ৰিকৃষ্ণা এছ বৰা, বিজয়লক্ষ্মী দুৱৰা, চৈয়দা পাৰবিন চুলতানা, কৰিশ্মা বৰুৱা, কৌমুদী দেৱী, কল্যাণী দত্ত, এমী মেহজাফী হুছেইন, নমস্যা এছ খাণ্ডেয়াত্ৰে ।। **১৫৮ - ১৬৩**

**অনুভৱ লেখা ঃ**

- **আমৈপুৰাণ ১-২** ।। কৌমুদী দেৱী ।। **১৬৪**
- **যৌৱনৰ তিনিটা বসন্ত এল জি চিৰ বাকৰিত** ।। কংকনা বৰুৱা ।। **১৬৬**
- **এৰি অহা দিনবোৰ** ।। ড° দেৱকান্ত পাংগিং ।। **১৬৭**
- **The Street Vendor** ।। Mamoni Pegu ।। **১৬৯**

**গ্ৰন্থ আলোচনা ঃ**

- **দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা** ।। ইন্দ্ৰাণী খাউণ্ড ।। **১৭০**
- **Gabriel Garcia Marquez's One Hundred Years of Solitude** ।। Namasya S Khandayatray ।। **১৭২**
- **The Canterville Ghost** ।। Kajal Hazarika ।। **১৭৩**
- **ঈয়াৰুইঙ্গম ঃ এখন সফল উপন্যাস** ।। কৌমুদী দেৱী ।। **১৭৫**
- **মৰিয়ম আষ্টিন আৰু হীৰা বৰুৱা** ।। মমী নাথ ।। **১৭৭**
- **হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ'** ।। কবিতা ফুকন ।। **১৮০**
- **কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা'** ।। প্ৰণামী বৰুৱা ।। **১৮২**
- **য়েচে দৰজে ঠংচিৰ 'শৰ কটা মানুহ'** ।। মুনমী শৰ্মা ।। **১৮৪**
- **ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে'** ।। কৌমুদী দেৱী ।। **১৮৬**
- **ড° সাগৰ বৰুৱাৰ 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসম'** ।। অৰ্চনা বৰুৱা ।। **১৮৯**

**কবিতা-লিমাৰিক ঃ**

পূৰ্বাশ্ৰী বৰা, ৰিতুমণি পাৰে, কৃষ্ণা ছেত্ৰী, হিমাদ্ৰী সোণোৱাল, লিজা কোঁৱৰ, ৰশ্মি শইকীয়া, মিনাক্ষী শইকীয়া, কাকুমণি নেওগ, উদ্দিপ্তা বৰা, বৰ্ণালী ভূঞা, উপাসনা বনিয়া, জ্যোতি বৰুৱা, পম্পী ভাগৱতী, ইন্দ্ৰাণী খাউণ্ড, প্ৰাংগণা গোস্বামী, ধৰিত্ৰী বৰুৱা, বিদিশা গগৈ, স্মৃতিৰেখা নাথ, ৰিকুশ্ৰী চেতিয়া, দিপ্তী গগৈ, ৰিছা ফুকন, হাবিবা আখতাৰ বেগম, লস্মীতা বৰা, অলকা সেনাপতি, দৰ্শনা শইকীয়া, বেবী দত্ত, জেচমিন গগৈ, উপাসনা বনিয়া, ধৰিত্ৰী বৰুৱা, মনীষা দলে, কাশ্মিৰী শইকীয়া, কৌমুদী দেৱী, ছাফিয়া গগৈ, কৰিশ্মা বৰুৱা, গায়ত্ৰী চাংমাই, অনিন্দিতা বৰুৱা, যমুনা বৰুৱা, জেচমিন বেগম, বিনয়া দেৱী, মেঘনা শিল, হৰ্ষিতা কৌশিক, হিমাশ্ৰী হাতীবৰুৱা, নমস্যা এছ খাণ্ডেয়াত্ৰে, পুনম দাস, জেনিফাৰ হুছেইন, ত্ৰিবেণী পায়েং, পাৰ্বতী দাস, ইচনাৰা বেগম, মৌচুমী কোঁৱৰ ।। **১৯৩ - ২১৬**

**চলচ্চিত্ৰ আলোচনা ঃ**

- **কেলেণ্ডাৰ - এটা জীয়া কাহিনী** ।। জেচমিন গগৈ ।। **২১৮**
- **দ্য এক্সিডেন্টেল প্ৰাইম মিনিষ্টাৰ ঃ এটি আলোচনা** ।। আছিফা শ্বামচি ।। **২২০**
- **URI : The Surgical Strike** ।। Namasya S Khandayatray ।। **২২১**
- কথানদী ।। **মমী নাথ** ।। **২২২**

**সম্পাদকীয় প্ৰতিবেদন ঃ ২২৫ - ২৩৮**



সম্পাদকীয়

# বৰ্তমান পৰিস্থিতি আৰু আমি

সমগ্ৰ বিশ্ব এতিয়া গভীৰ সংকটত। বিশ্বজুৰি খলকনি তোলা ক'ৰণা মহামাৰীয়ে আমাৰ গণতান্ত্ৰিক জীৱন বিপদত পেলাইছে। চীনৰ য়ুহান চহৰৰ এখন মাংসৰ বজাৰৰ পৰা গোটেই বিশ্বজুৰি বিয়পি পৰা ক'ৰণা মহামাৰীয়ে স্তব্ধ কৰি তুলিলে সম্পূৰ্ণ দৈনিক জনজীৱন। বৰ্তমান সময়ত মহামাৰীয়ে বিকশিত দেশসমূহৰ সকলো দিশৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পেলাইছে। তেনেক্ষেত্ৰত ভাৰতবৰ্ষৰ দৰে এখন উন্নয়নশীল দেশৰ ১৩০ কোটি জনতাৰ ক্ষেত্ৰত এই মহামাৰীৰ সৈতে মোকাবিলা কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। তথাপিও ভাৰতবৰ্ষৰ সমূহ জনতাই এই প্ৰত্যাহ্বান গ্ৰহণ কৰি প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰি মহামাৰীৰ সৈতে মোকাবিলা কৰিবলৈ সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে।


ক'ৰণা মহামাৰীৰ প্ৰতিৰোধৰ বাবে গোটেই বিশ্বৰ লগতে সমগ্ৰ ভাৰতবৰ্ষত দেৰিকৈ হ'লেও তলাবন্ধ ঘোষণা কৰা হ'ল। তলাবন্ধ ঘোষণাৰ লগে লগে বিদ্যালয়-মহাবিদ্যালয়, বিশ্ববিদ্যালয়, দোকান-বজাৰ সকলো স্তব্ধ হৈ পৰিল। সময়ে সময়ে তলাবন্ধৰ মাজত প্ৰয়োজন অনুসৰি দোকান-বজাৰ খুলি দিয়া হৈছিল যদিও শিক্ষানুষ্ঠানসমূহ সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ বাবে শৈক্ষিক ক্ষেত্ৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিছে। এই সংকটৰ মাজতে আৰম্ভ হৈছিল অনলাইন পাঠ্যক্ৰমৰ। এই পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কিমান ফলপ্ৰসূ হৈছে সেয়া সময়ে ক'ব।

উন্নত দেশসমূহত এই অনলাইন পাঠ্যক্ৰম ব্যৱস্থা আছিল অতি পুৰণি, গতিকে তেওঁলোকৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বিশেষ সমস্যাৰ সৃষ্টি হোৱা নাছিল। কিন্তু উন্নয়নশীল ৰাষ্ট্ৰ ভাৰতবৰ্ষত এই অনলাইন পাঠ্যক্ৰম ব্যৱস্থা আছিল সম্পূৰ্ণ নতুন। সমগ্ৰ বিশ্বৰ সৰ্বমুঠ ১৫৬ কোটি শিক্ষাৰ্থীৰ ৩২ কোটি শিক্ষাৰ্থী ভাৰতবৰ্ষৰ। গতিকে এই শিক্ষাৰ্থীসকলৰ বাবে অতি কমসময়তে নতুন অনলাইন পাঠ্যক্ৰম গ্ৰহণ কৰাটোত কিছু সমস্যাই দেখা দিছে। প্ৰথম সমস্যাটো আছিল এই পাঠ্যক্ৰমৰ বাবে শিক্ষক আৰু শিক্ষাৰ্থীসকলক প্ৰয়োজন হৈছিল এটা এনড্ৰয়ত ফোন আৰু ইণ্টাৰনেটৰ। গতিকে দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু গ্ৰাম্যাঞ্চলৰ লোকসকলৰ বাবে এই ব্যৱস্থা আৰু কঠিন হৈ পৰিছে। তাৰপিছতো অনলাইন পাঠ্যক্ৰম পূৰ্ণগতিত চলিছে যদিও বহুতো শিক্ষাৰ্থীয়ে এই পাঠ্যক্ৰম গ্ৰহণৰ পৰা বঞ্চিত হৈছে। ইয়াৰ মাজতে অনলাইন পাঠ্যক্ৰম গ্ৰহণ কৰিব নোৱাৰি হতাশাগ্ৰস্ত হৈ চুবুংছাৰ নাৰ্জাৰী নামৰ এজন শিক্ষাৰ্থীয়ে আত্মহত্যাৰ দৰে পথ বাছি লোৱা ঘটনাই এই বিষয়টোৰ প্ৰতি সকলোকে আৰু চিন্তিত কৰি তুলিছে।

আমেৰিকাৰ দৰে উন্নত ৰাষ্ট্ৰসমূহত শিক্ষাৰ ক্ষেত্ৰত মহামাৰীৰ প্ৰভাৱৰ পৰিমাণ কম যদিও অৰ্থনৈতিক ক্ষেত্ৰত মহামাৰীয়ে ভয়ংকৰ প্ৰভাৱ পেলাইছে। গতিকে অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতৰ দৰে এখন উন্নয়নশীল দেশৰ ১৩০ কোটি জনতাৰ ওপৰত ইয়াৰ প্ৰভাৱৰ ভয়াৱহতা অকল্পনীয়। বৰ্তমান বিদ্যালয়-মহাবিদ্যালয়, দোকান-বজাৰ, যাতায়াতৰ ব্যৱস্থাসমূহ পুনৰ আৰম্ভ কৰা হৈছে যদিও এই মহামাৰীৰ পৰা আমি সম্পূৰ্ণৰূপে মুক্ত হোৱা নাই।

বিশ্বৰ সমূহ বিজ্ঞানী এতিয়া এই মহামাৰীৰ প্ৰতিষেধক উদ্ভাৱনত ব্যস্ত হৈ আছে। গতিকে যেতিয়ালৈকে প্ৰতিষেধকৰ নিশ্চিত উপায় উদ্ভাৱন নহয় তেতিয়ালৈকে আমি সম্পূৰ্ণ নিয়ম মানি সৰ্তক আৰু সজাগ হৈ থকা উচিত।

**জয়শ্ৰী ফুকন, আস্থা সন্দিকৈ**





# প্ৰকৃতিৰ নিয়ম-শৃংখলা আৰু মানৱ সভ্যতা

**সুৰভি গগৈ**
প্ৰাণী বিজ্ঞান বিভাগ

কিন্তু চিন্তা কৰিবলগীয়া কথা হ'ল, যিখন বিশ্বব্ৰহ্মাণ্ডৰ স্থিতি বিজ্ঞানীসকলে সৌ সিদিনাহে উপলব্ধি কৰিছে, সেইখন বিশ্বব্ৰহ্মাণ্ডৰ কথা মাধৱদেৱে তথা ধৰ্মপুৰুষসকলে অনুধাৱন কৰিলে কেনেকৈ?

মহাপুৰুষ মাধৱদেৱৰ বিৰচিত নামঘোষাত এফাঁকি ঘোষা আছে— 'অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।' আপুনি হৰি বুলি কওক, যীশু বুলি কওক, আল্লা বা কিবা শক্তি বুলি কওক— যি নামেৰেই মাতক বা ভাবক, তাত আনৰ ক'বলগা একো নাই। বিশ্বব্ৰহ্মাণ্ডৰ অধিকাৰী থকা-নথকাক লৈ তৰ্ক কৰিব পাৰি, কিন্তু অনন্ত কোটি ব্ৰহ্মাণ্ড যে আছে, সেই লৈ কাৰো মাজত মতপাৰ্থক্য নাই। আজিৰ বিজ্ঞানীসকলৰ দৃষ্টিত ই এক ধ্ৰুৱসত্য। কিন্তু চিন্তা কৰিবলগীয়া কথা হ'ল, যিখন বিশ্বব্ৰহ্মাণ্ডৰ স্থিতি বিজ্ঞানীসকলে সৌ সিদিনাহে উপলব্ধি কৰিছে, সেইখন বিশ্বব্ৰহ্মাণ্ডৰ কথা মাধৱদেৱে তথা ধৰ্মপুৰুষসকলে অনুধাৱন কৰিলে কেনেকৈ?

শত-সহস্ৰকোটি নক্ষত্ৰৰ আদি ক'ত, অন্ত ক'ত আদিবোৰ জ্ঞাত হৈছে যদিও কিছুসংখ্যক কথা আজিও সাঁথৰ হৈ আছে। বিজ্ঞানীসকলে বহু চেষ্টা কৰি ৰহস্য উদ্‌ঘাটন কৰিবলৈ যত্ন কৰি আছে। প্ৰকৃতিয়ে সদায় নিয়ম-শৃংখলা অটুট ৰাখে। কোনো কাৰণতে নিয়ম-শৃংখলা ভঙা নাই আৰু কেতিয়াও নাভাঙিবও। প্ৰকৃতিয়ে এই মনোমোহা পৃথিৱীত সুন্দৰভাৱে নিজ কৰ্তব্য, নিয়ম পালন কৰি থাকে। কিন্তু, আমি জীৱশ্ৰেষ্ঠ মানৱে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ চলাই প্ৰকৃতিৰ ভাৰসাম্য নষ্ট কৰিছোঁ।

উন্নত বুদ্ধি-বৃত্তি আৰু স্বাৰ্থপৰ স্বভাৱটোৰ কাৰণেই মানুহে যুগ যুগ ধৰি প্ৰকৃতিৰ ওপৰত ধ্বংসকাৰ্য চলাই আহিছে। সেই কাৰণেই প্ৰকৃতিবিদসকলে মানুহে কি কৰা উচিত আৰু কি কৰা অনুচিত, সেই লৈ সদায় সাৱধানবাণী শুনাই আহিছে।

মানুহে নিজৰ সুখ-সমৃদ্ধি বৃদ্ধি কৰিবলৈ গৈয়েই হাবিৰ গছ-বন উদং কৰিছে। কিন্তু তেওঁলোকৰ এই সুখ-সমৃদ্ধি কিমান স্থায়ী? কিমান স্থায়ী তেওঁলোকৰ সভ্যতা?

গছ-গছনিৰ সংখ্যা কমি অহাৰ লগে লগে বায়ুমণ্ডলত বৃদ্ধি পাই আহিল কাৰ্বন-ডাই অক্সাইডৰ লগতে ধোঁৱা আৰু ধূলি। যাৰ ফলত গোলকীয় উত্তাপ বৃদ্ধি পাইছে। ঠাণ্ডাত যথেষ্ট ঠাণ্ডা, গৰমত উৎকট গৰম— এইবোৰ প্ৰকৃতিৰ ওপৰত চলোৱা অত্যাচাৰৰ ফল। আগন্তুক পঞ্চাছ বছৰমানৰ ভিতৰত কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰা বাঢ়ি দুগুণ হ'ব। গতিকে তেনে এক বিষাক্ত বায়ুমণ্ডলত উদ্ভিদ, প্ৰাণী বা মানুহ জীয়াই থাকিব পাৰিবনে নোৱাৰে সেইটোৱেই হ'ল বৰ্তমানৰ আটাইতকৈ ডাঙৰ প্ৰশ্ন।

কিছুদিন পূৰ্বে বিজ্ঞানীসকলৰ তত্ত্বমতে যান-বাহন, কল-কাৰখানাৰ ধোঁৱা, গোলকীয় উত্তাপ অত্যধিক পৰিমাণে বৃদ্ধি পোৱাৰ বাবে বায়ু প্ৰদূষণে বিশ্বৰ তৃতীয় বৃহৎ মৃত্যুৰ কাৰণ হিচাপে স্বীকৃতি লাভ কৰিছে। গড়ে সাত মিলিয়ন জন ব্যক্তিৰ বছৰি মৃত্যুৰ কাৰণ বায়ু প্ৰদূষণ। বায়ু প্ৰদূষণৰ লগতে পানী প্ৰদূষণ আৰু শব্দ প্ৰদূষণৰ মাত্ৰাও যথেষ্ট বৃদ্ধি পাইছে। বনাঞ্চল ধ্বংসৰ ফলত প্ৰদূষণৰ মাত্ৰা দুগুণে বৃদ্ধি পাইছে। আমাক পিতৃ-মাতৃয়ে জন্ম দিয়ে, কিন্তু জীয়াই ৰাখে গছ-গছনিয়ে। এই গছ-গছনিৰ পৰাই আমি আমাৰ জীৱনৰ প্ৰয়োজনীয় চাৰিবিধ সম্পদ পাওঁ— খাদ্য, আশ্ৰয়, বস্ত্ৰ আৰু যি জীৱন যাপনৰ বাবে প্ৰয়োজনীয় সম্পদ। গছ-গছনিয়েই আমাৰ উশাহত লোৱা বায়ুখিনি বিশুদ্ধ কৰি ৰাখে, আমাৰ খোৱা পানীখিনি পৰিষ্কাৰ কৰি লয় আৰু শস্যৰ কাৰণে প্ৰয়োজন হোৱা মাটিও সাৰুৱা কৰে। কিন্তু স্বাৰ্থপৰ জীৱশ্ৰেষ্ঠ মানুহে প্ৰকৃতিক অত্যাচাৰ কৰি ভাৰসাম্য বিনষ্ট কৰে।



ভাৰতবৰ্ষৰ ভৱিষ্যৎ ৰাজনীতিৰ ভাৰসাম্যত ওলমি থকা নাই, ওলমি আছে প্ৰাকৃতিক ভাৰসাম্যৰ ওপৰত। প্ৰকৃতিৰ বিভিন্ন শক্তি আৰু সিবিলাকৰ মাজত থকা ভাৰসাম্যতেই আমাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। এতিয়াৰ পৰা কেইবাশ বছৰ মানৰ পিছত আমাৰ পাৰ্থিৱ পৃথিৱীখনে কেনে ৰূপ ল'ব, সেইটো নিৰ্ভৰ কৰিব আমি কেনে ধৰণে ভূমি সংৰক্ষণ কৰোঁ, পাৰ্থিৱ পৃথিৱীখনক কিমান অক্ষত অৱস্থাত ৰাখোঁ।

ভাৰতবৰ্ষৰ ভৱিষ্যৎ ৰাজনীতিৰ ভাৰসাম্যত ওলমি থকা নাই, ওলমি আছে প্ৰাকৃতিক ভাৰসাম্যৰ ওপৰত। প্ৰকৃতিৰ বিভিন্ন শক্তি আৰু সিবিলাকৰ মাজত থকা ভাৰসাম্যতেই আমাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।

সামূহিক চিন্তাৰ অবিহনে প্ৰদূষণ ৰোধ কৰিব নোৱাৰি। কোনো কোনোৱে ভাবে যে তেওঁ যদি নিজৰ ঘৰখন, নিজৰ খাদ্যখিনি নিজৰ পানীখিনি বা নিজৰ চুবুৰীটো প্ৰদূষণমুক্ত কৰিব পাৰে, তেন্তে তেওঁৰ কোনো সমস্যাই নাথাকিব। সকলোৱে তেনেকৈ ভাবিলে পৰিৱেশ নিকাকৈ ৰখাটো একো ডাঙৰ কথা নহয়। কিন্তু বেছিভাগ লোকেই তেনেকৈ নাভাবে। মানুহৰ নিজৰ চেষ্টা আৰু কৰ্মৰ ফলতে পৰিৱেশ নিকা কৰি ৰাখিব পাৰি। সম্পদৰ সমবিতৰণ নহ'লে, সকলোৱে সমানে ভোগ কৰিবলৈ নাপালে, পোৱাসকলেও সেই সম্পদ বেছিদিন ভোগ কৰিব নোৱাৰিব। ব্যক্তিগতভাৱে নিজৰ বা পৰিয়ালৰ ভৱিষ্যৎ সুখ-সম্ভোগৰ কথা কল্পনা কৰাসকলে এটা কথা জনা উচিত যে সামূহিক উন্নতিৰ অবিহনে কাৰো ভৱিষ্যৎ নিৰাপদ নহয়।

# প্ৰাচীন ভাৰতীয় শিক্ষা সূত্ৰ আৰু বৰ্তমান সমাজত ইয়াৰ প্ৰয়োজনীয়তা

**ৰিকুশ্ৰী চেতিয়া**
অসমীয়া বিভাগ

শিক্ষা বুলিলে সাধাৰণতে ব্যক্তি এজনৰ নৈতিক আৰু মানসিক উৎকৰ্ষ সাধনৰ প্ৰণালীকে বুজা যায়। ইয়াত বিষয়গত দিশৰ উপৰি মানুহ এজনৰ চাৰিত্ৰিক তথা ব্যক্তিত্ব বিকাশ সাধন হয়। কেৱল বিষয়গত দিশেৰে পৰিচালিত হ'লেই সম্পূৰ্ণ শিক্ষিত বুলি ক'ব নোৱাৰি। নৈতিক প্ৰমূল্যসমূহেও তাত অগ্ৰাধিকাৰ পোৱাটো নিতান্তই অপৰিহাৰ্য।

ভাৰতবৰ্ষৰ প্ৰাচীনতম শিক্ষা এনে এক গৌৰৱোজ্জ্বল ঐতিহ্যৰেই মহিমামণ্ডিত, য'ত নৈতিক প্ৰমূল্যসমূহে সদায়েই অগ্ৰাধিকাৰ লাভ কৰি আহিছিল। সেই সময়ত প্ৰচলিত সংস্কৃত ভাষা, যাক কোৱা হৈছিল এক সংস্কাৰিক অৰ্থাৎ 'ৰিফৰ্মড লেংগুৱেজ' বুলি তাৰেই অৱলম্বনত ৰচিত হৈছিল ভাৰতীয় সভ্যতাৰ কালজয়ী গ্ৰন্থসমূহ যেনে— বেদ, উপনিষদ, ইতিহাস-পুৰাণ, ধৰ্মগ্ৰন্থ, স্মৃতিগ্ৰন্থ ইত্যাদি, য'ত সংৰক্ষিত হৈছিল ভাৰতবৰ্ষৰ চিৰন্তন সংস্কৃতি। কথিত আছে— 'ভাৰতবৰ্ষস্য প্ৰতিষ্ঠে যে সংস্কৃত সংস্কৃতিস্তথা।' সেই সময়ছোৱা আছিল ভাৰতৰ সাংস্কৃতিক ইতিহাসৰ ধৰ্মযুগ।

বেদ উপনিষদ, স্মৃতিগ্ৰন্থ, ধৰ্মগ্ৰন্থবোৰৰ যি অমূল্য জ্ঞান ভাণ্ডাৰ সঞ্চিত হৈ আছিল সেইসমূহৰ শ্ৰৱণ-মনন আৰু নিৰ্দিব্যাসৰণৰ দ্বাৰা সমৃদ্ধ হৈছিল প্ৰাচীন ভাৰতীয় শিক্ষা। সেই সময়ৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰচলন আছিল 'গুৰুকুল প্ৰথা'ৰ। এজন ব্ৰহ্মনিষ্ঠ গুৰুৰ সমীপত থাকি বেদ-বেদাংগ আদি বিভিন্ন বিষয়ৰ শিক্ষা গ্ৰহণ কৰা হৈছিল।



'গুৰুকুল শিক্ষা' মানৱ জীৱনৰ সৰ্বতোমুখী শিক্ষা আছিল। আশ্ৰমৰ গহীন পৰিৱেশত তথা প্ৰকৃতিৰ সাহচৰ্যত থাকি ছাত্ৰ জীৱনৰ বুদ্ধিসত্ত্বাৰ বিকাশ সাধিত হৈছিল। ছাত্ৰসকলক কঠোৰ অনুশাসনৰ মাজেৰে সত্য, ন্যায় আৰু আদৰ্শৰ পথত সু-প্ৰতিষ্ঠিত হ'বলৈ নৈতিকতাৰ পাঠ পঢ়ুওৱা হৈছিল। দৰাচলতে শিক্ষা আৰু জীৱন সেই সময়ত অভিন্ন আছিল। শিক্ষা আছিল জীৱনৰ পথ প্ৰদৰ্শক আৰু সি আছিল আধ্যাত্মিকতাৰ ভেটিত গঢ় লোৱা এক সোপান। মানৱ জীৱনৰ ধৰ্মাৰ্থ, কাম, মোক্ষ, ৰূপ চাৰি পুৰুষাৰ্থৰ ভিতৰত পৰম পুৰুষাৰ্থ তথা মোক্ষ লাভেই আছিল শিক্ষাৰ চৰম উদ্দেশ্য আৰু এই মোক্ষ লাভৰ বাবে দৰকাৰ হৈছিল এক দুৰন্ত আত্মসংযম তথা নিৰলস চেষ্টা। ঋক বেদত পোৱা যায় 'সংগচ্ছধ্বং সংবদ্ধং সং বো মনাংসি জানতাম' (১০.১৯১.২), য'ত গুৰু অৰ্থাৎ আচাৰ্যই কেৱল বেদ সংৰক্ষণৰ ওপৰতেই গুৰুত্ব দিয়া নাই, আমি গুৰু আৰু শিষ্য, উভয়ৰেই জীৱন জ্ঞানৰ পোহৰেৰে উদ্ভাসিত হোৱাৰ বাবে প্ৰাৰ্থনা জনাইছোঁ। ভাৰতীয় পৰম্পৰাই গুৰু বা আচাৰ্যসকলৰ বাবে এক অতি উচ্চস্থানৰ নিৰ্দেশ কৰিছে। মনুস্মৃতিত আচাৰ্যক পৰমাত্মাৰ স্বৰূপ বুলিও কোৱা হৈছে— 'আচাৰ্যো ব্ৰহ্মণো মূৰ্তি' (২.২২৬)। স্বামী বিবেকানন্দই কোৱাৰ দৰে 'My idea of education is gurugrha-vasa. One should live his very boyhood with one whose character like blazing fire and should have before him a living example of the highest teaching.' মানৱ জীৱন সেই সময়ত চাৰি আশ্ৰমৰ ডোলেৰে বান্ধ খাই আছিল আৰু আশ্ৰমভেদে মানুহৰ কৰণীয় ধৰ্মও ভিন্ন ভিন্ন ৰূপে বিভাজিত আছিল। এই চাৰি আশ্ৰমৰ মাজেদিয়েই অৱশেষত মানুহ মোক্ষপ্ৰাপ্তিৰ দিশে অগ্ৰসৰ হৈছিল। আধ্যাত্মিক, আধিভৌতিক, আধিদৈৱিক দুখত্ৰয়ৰ চিৰনিবৃত্তিৰ হেতু মানুহে জন্ম-মৃত্যুৰে বন্ধন পাৰ কৰি চিৰমুক্তি লাভ কৰিবলৈ বাঞ্ছা কৰিছিল। মনুসংহিতাত মনুৱে জীৱনৰ ব্যক্তিগত বিভিন্ন কৰ্তব্যৰাজি পালনৰ হেতু চাৰি আশ্ৰমধৰ্মৰ যথা ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ, সন্ন্যাস আৰু সামাজিক কৰ্তব্যৰাজি পালনৰ অৰ্থে সমাজৰ চাৰিপ্ৰকাৰৰ বৰ্ণাশ্ৰম ধৰ্মৰ যথা ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। প্ৰত্যেক আশ্ৰমতেই বিভিন্ন প্ৰকাৰৰ সংস্কাৰৰো ব্যৱস্থা প্ৰাচীন কালত আছিল। যিয়ে ব্যক্তি এজনৰ দৈহিক, মানসিক তথা আধ্যাত্মিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে প্ৰেৰণা যোগাইছিল।

ছাত্ৰ জীৱনতেই এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ প্ৰথম স্তৰ অৰ্থাৎ ব্ৰহ্মচৰ্য আশ্ৰমত ভৰি দিছিল। ব্ৰহ্মচৰ্য শব্দৰ প্ৰকৃত অৰ্থ হৈছে ভাব-চিন্তা, কথা-বতৰা আৰু কাম-কাজ সকলোতেই সু-শৃংখল। ব্ৰহ্মচৰ্য আশ্ৰমত ছাত্ৰই পালন কৰিবলগীয়া নীতি-নিৰ্দেশনাবোৰ সৰ্বস্থান-কালৰ বাবেই আদৰণীয় আৰু স্পৃহনীয়।

ব্ৰহ্মচাৰীসকলক তপস্যা আৰু শ্ৰদ্ধাৰে যুক্ত হৈ এক শ্ৰমনিষ্ঠ জীৱন অতিবাহিত কৰিবলৈ অনুপ্ৰেৰণা যোগোৱা হৈছিল। কাৰণ, তপস্যা আৰু নিষ্ঠাৰ দ্বাৰাইহে তেওঁলোকে ব্ৰহ্মবিদ্যা লাভ কৰিবলৈ সমৰ্থ হ'ব পাৰিছিল। অথৰ্ব বেদত পোৱা যায়— 'তং ব্ৰহ্মনা তপস্যা শ্ৰমেপানয়েনং মেখলয়াসিনাখি' (৬.১৩৩.৩) অৰ্থাৎ গুৰুৱে ব্ৰহ্মচৰ্য, তপস্যা আৰু শ্ৰমৰ মেখেলা বন্ধনৰ দ্বাৰা বান্ধিলোঁ। ইয়াত মেখেলা বন্ধনৰ তাৎপৰ্য হ'ল কঁকালত টান মাৰি টঙালি বন্ধা কাম অৰ্থাৎ কিবা এটা কৰাৰ আগতে মন স্থিৰ কৰি পূৰ্ণতা তৈয়াৰ কৰা। এনেদৰে বিদ্যা-শিক্ষা লাভ কৰাৰ পিছত ছাত্ৰসকল স্নাতক হৈ উঠি গৃহস্থাশ্ৰমত প্ৰৱেশৰ হেতু স্ব-গৃহলৈ প্ৰত্যাৱৰ্তন কৰিছিল আৰু এই প্ৰত্যাৱৰ্তন কালতেই গুৰুৱে ছাত্ৰসকলক উদ্দেশ্যি দিয়া সমাৱৰ্তন উপদেশ বৰ্তমান যুগতো স্থান-কাল-পাত্ৰভেদে সকলো লোকৰ বাবেই উপাদেয় তথা অতিকৈ বিচৰণীয়। এই উপদেশসমূহ তৈত্তিৰীয় উপনিষদৰ শিক্ষাৱল্লী চালে ভালধৰণে আয়ত্ত কৰিব পৰা যাব। সেয়েহে হয়তো 'Education in Ancient India' গ্ৰন্থখনত কোৱা হৈছে— 'Student ship in ancient India was evalved into a science or an art of life which did not admit of any change according to age or elime but was taken to be of universal validity.' ইয়াৰ উপৰি মনু সংহিতাত আন কিছুমান নৈতিক প্ৰমূল্যৰ কথা কোৱা হৈছে, যিবোৰ ছাত্ৰসকলৰ বাবে অতিকৈ অনুকৰণীয়। উদাহৰণস্বৰূপে— ধৈৰ্য, ক্ষমা, আত্ম তথা ইন্দ্ৰিয় সংযম, চুৰ কৰা প্ৰবৃত্তিৰ পৰা নিবাৰিত হোৱা, জ্ঞান তথা সত্যৰ প্ৰতি অনুৰাগী হোৱা, ক্ৰোধৰ দমন ইত্যাদি।

কিন্তু, বৰ্তমানৰ শিক্ষা কেৱল কিছুমান তথ্যৰ বিষয়ে জ্ঞান আৰু অনুসন্ধানতেই সীমিত হৈ পৰিছে। সেয়া কেৱল জীৱিকা-নিৰ্বাহৰ বাবে প্ৰয়োজন হৈ পৰা এক পথস্বৰূপ, তাৰ আৰু ব্যক্তিগত তথা সমাজ জীৱনৰ পূৰ্ণতাৰ প্ৰতি চকু দিয়াৰ যেন অৱকাশ নাই। সেয়েহে হয়তো এই শিক্ষাই মানৱ জীৱনত হতাশা, অপৰাধবোধৰ জন্ম দি বিভিন্ন প্ৰকাৰৰ সামাজিক ব্যাধিৰ সৃষ্টি কৰিছে। শিক্ষা আৰু জীৱন এক সুকীয়া সুকীয়া অংশৰূপে পৰিগণিত হৈছে। বৰ্তমানৰ এই শিক্ষাই জীৱনৰ আত্মপ্ৰত্যয় আৰু নৈতিক মানসিক সন্তুষ্টি দান কৰিব পৰা নাই আৰু সেয়েহে ই এক আংশিক প্ৰক্ৰিয়া ৰূপেহে পৰিগণিত হৈছে। কিন্তু আমি নিশ্চয়কৈ প্ৰাণহীন শিক্ষাক ভাৰতীয় চিৰন্তন নৈতিক প্ৰমূল্যসমূহেৰে উদ্দীপ্ত কৰি তুলিব লাগিব। কাৰণ, কেৱল ভাৰতবৰ্ষহে সেই অমূল্য সম্পদসমূহেৰে সমৃদ্ধ দেশ, যাৰ বাবে পাশ্চাত্য দেশবোৰক সামৰি গোটেই পৃথিৱীয়ে ভাৰতবৰ্ষৰ ফালে মুখ ঘূৰায়। ভাৰতবৰ্ষৰ এক শ্ৰেষ্ঠ দাৰ্শনিক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ ভাষাত— 'We have developed nuclear instruments to the highest extent. But ethically we are stil backward. Nuclear trains and ethical economics, science and transport have done their job what we have to do is to give a soul to this world which has found itself a body. We have to give a conscience to this world and we congive it if we are truely Indian.'




# বৰ্তমান সময়ত আমি কিমান যুক্তিবাদী

**ৰৌজলিন আলী**
প্ৰাণী বিজ্ঞান বিভাগ

সাম্প্ৰতিক সময়ত আমি যি পথেৰে আগবাঢ়ি গৈ আছোঁ আমি নিজেই নাজানো সেই পথৰ অন্ত ক'ত? কিন্তু এটা কথা ভালদৰে জানিছোঁ যে আমাক যিকোনো উপায়েৰে এটা বিলাসী জীৱন যাপনৰ প্ৰয়োজন। আমি জানো, আমাক লাগে এটা দামী ম'বাইল, এখন দামী বাইক বা স্কুটী আৰু দামী দামী কাপোৰ-কানিৰ লগতে বন্ধু-বান্ধৱীৰ লগত ঘূৰি ফুৰিবলৈ হাতত শতাধিক টকা। সেয়া হ'লেই আমাৰ জীৱনটো সাৰ্থক হোৱা বুলি অনুভৱ কৰোঁ।

বৰ্তমান সময়ত পৰিয়ালৰ, সমাজ ব্যৱস্থাত থকা অনুষ্ঠান-প্ৰতিষ্ঠানবোৰতো সততা, নিষ্ঠা, মূল্যবোধ, যুক্তিবাদিতা, কৰ্মস্পৃহা আদি একোতেই গুৰুত্ব নাই। একাংশ লোকে অনৈতিকভাৱে অৰ্জন কৰা ধনেৰে নিজা বেশেৰে লৈ জীৱনটো উপভোগ কৰাই জীৱনৰ লক্ষ্য বুলি ভবাৰ ফলত সমাজখনৰ সকলো দিশতে অশান্তিয়ে গা কৰি উঠিছে। ইয়াৰ উপৰি আজিকালি সংঘটিত প্ৰায়ে গুৰি শিপা নথকা কিছুমান আন্দোলনে কলীয়া ডাৱৰৰ অৱস্থান কৰাৰ দৰে সকলোতে ছানি ধৰিছে। ফলস্বৰূপে কোনোটো আন্দোলনেই নিৰ্দিষ্ট গতিত গৈ লক্ষ্যত উপনীত হ'ব পৰা নাই।

বৰ্তমান সময়ত আমি কিমান যুক্তিবাদী? —এই প্ৰশ্নৰ উত্তৰত পোৱা যায় এটা বৃহৎ আকাৰৰ শূন্য। কিয়নো যুক্তিবাদী বুলিলে কোনো এটা বিষয়বস্তুৰ ওপৰত প্ৰকৃত জ্ঞান লাভ কৰি শুদ্ধভাৱে যুক্তিযুক্ততা প্ৰতিপন্ন কৰাই সমাজখনক সংস্কাৰৰ দিশে ধাৱমান কৰাকেই বুজা যায়। কিন্তু বৰ্তমান সময়ত অধিকাংশ লোক ইয়াৰ ব্যতিক্ৰম হোৱা দেখা গৈছে। সাম্প্ৰতিক সময়ত অসমৰ বিভিন্ন দিশত যেনে— সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, বৌদ্ধিক, ৰাজনৈতিক আদি দিশসমূহক কেন্দ্ৰ কৰি সময়ে সময়ে বিভিন্ন আন্দোলন যেনে— ভাষা আন্দোলন, মাধ্যম আন্দোলন, ছবছৰীয়া অসম আন্দোলন আদিৰ সূচনা হোৱা দেখা যায়। এই আন্দোলনসমূহৰ যিটো ফলাফল, তাৰ ভাল যিমান প্ৰভাৱ পৰিছে সমান্তৰালভাৱে বেয়াৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। ইয়াৰ একমাত্ৰ কাৰণ হ'ল যুক্তিবাদিতাৰ অভাৱ আৰু লগতে অসমীয়া মানুহৰ মানসিকতা আৰু আৱেগ। অসমৰ বিভিন্ন প্ৰেক্ষাপটত বিভিন্ন দিশসমূহৰ যুক্তিবাদিতাৰ প্ৰাসংগিকতা ফঁহিয়াই চালে দেখা যায় যে— প্ৰথমতে, সামাজিক আন্দোলন। মানুহ সমাজপ্ৰিয়। সেয়েহে প্ৰতিজন মানুহ আত্মমুখী হোৱাৰ বিপৰীতে সমাজমুখী হোৱা উচিত। নিজৰ পেছাগত বৃত্তিৰ উপৰি সমাজৰ প্ৰতি থকা যি দায়বদ্ধতা, সেই দিশত গুৰুত্ব দি সমাজখনক আগবঢ়াই নিয়াটো প্ৰত্যেকৰে দায়িত্ব। উদাহৰণস্বৰূপে—সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা একমাত্ৰ কাঠৰ ব্যৱসায়ী আছিল। যি একেলগে সাহিত্য চৰ্চা কৰি সাহিত্য জগতখনৰ বৰঘৰ শুৱনি কৰি নিজে এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছিল। এইসকল পুৰোধা ব্যক্তিক অনুকৰণ কৰি আগবাঢ়ি গ'লেহে সামাজিক আন্দোলনৰ দ্বাৰা সমাজ সংস্কাৰৰ সুফল লাভ কৰিব পাৰি।



দ্বিতীয়তে, সাংস্কৃতিক আন্দোলন। ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ দৰে অসমতো ভক্তি আন্দোলনৰ সূচনা হৈছিল। এই আন্দোলনত সকলো জাতি-উপজাতি, কৃষ্টি-সংস্কৃতি সাঙুৰি একত্ৰিত কৰি লোৱা হৈছে। আজিকালি একাংশই সাংস্কৃতিক আন্দোলন কেৱল সংস্কৃতিৰ পূজাৰীগৰাকীৰ নামত এদিন নাম-কীৰ্তন গাই এসোপামান মাহ-প্ৰসাদ খোৱাটোৱেই মূল হৈ পৰাৰ ফলত বৰ্তমানৰ শিশু সমাজে এই সাহিত্য-সংস্কৃতিৰ গূঢ়াৰ্থ বুজাত অসুবিধাৰ সন্মুখীন হৈছে। আজিৰ সমাজত সস্তীয়া আধুনিক গীত পৰিৱেশন কৰা শিশুৰ সংখ্যাৰ তুলনাত শংকৰ-মাধৱৰ বিৰচিত সুন্দৰ লয়-তালৰ বৰগীত পৰিৱেশন কৰিব জনা শিশুৰ সংখ্যা তেনেই নগণ্য। সেয়েহে শিশুসকলৰ মনত সৰুৰে পৰা সাংস্কৃতিক আন্দোলনৰ বীজ ৰোপণ কৰাত গুৰুত্ব দিব লাগে। শংকৰ-মাধৱৰ স্বকীয় প্ৰতিভাৰে আন্দোলন কৰি যি সাহিত্য-সংস্কৃতিৰ ভেটি অসমক দি থৈ গ'ল, জ্যোতি-বিষ্ণুৰ দৰে পুৰোধা ব্যক্তিসকলে কৃষ্টি-সংস্কৃতিৰ বাবে যি আন্দোলন কৰি আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰি দিলে, তেনে আন্দোলনক সাৰোগত কৰি আগবাঢ়ি যোৱাটোৱেই হ'ব আমাৰ সাংস্কৃতিক আন্দোলনৰ মূল উদ্দেশ্য।

তৃতীয়তে, বৌদ্ধিক আন্দোলন। সাম্প্ৰতিক সময়ত সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰাটো আংশিকভাৱে ভাল বুলি ভবা সেই মানুহবোৰক সৰ্বসাধাৰণ মানুহে জাতিটোৰ উন্নতিৰ স্বাৰ্থত শেষ ভৰসা হিচাপে বাছি লয়। কিন্তু বৰ্তমান সময়ত বৌদ্ধিক জগতখনলৈ যদি চকু ফুৰাওঁ, তেতিয়া দেখা যায় ভাল বুলি ভবা একাংশই ভণ্ড আৰু ভ্ৰষ্টাচাৰীৰ কবলত পৰি সাধাৰণ মানুহে সহ্য কৰিব নোৱাৰা কৰ্মত লিপ্ত হয়, যাৰ ফলত তেওঁলোক হৈ পৰে দিশহাৰা, দিক্‌ভ্ৰান্ত। বিগত বছৰত অসমৰ সংগীত নাটক অকাডেমী বঁটা পোৱা এগৰাকী ভদ্ৰ মহিলাই মদৰ বটলটো লৈ আন এগৰাকী ভদ্ৰ মহিলাৰ সৈতে মদৰ বটল 'চিয়াৰ্ছ' কৰি ফটো দিয়া দেখিবলৈ পোৱা গৈছে। এয়াই যদি আমাৰ মানসিকতা হয়, তেনেহ'লে বৌদ্ধিক আন্দোলন কৰি সমাজত কোনে সংস্কাৰৰ বাট দেখুৱাব? বিশিষ্ট বুদ্ধিজীৱী হোমেন বৰগোহাঞিদেৱ তথা বিদগ্ধ পণ্ডিত ড° নগেন শইকীয়াদেৱৰ দৰে লোকসকলে সাম্প্ৰতিক অসমৰ ভাষিক জাতীয়তাবাদীৰ প্ৰতি অহা ভাবুকিৰ বাবে উদ্বিগ্নতা প্ৰকাশ কৰিছে। ককা নীলমণি ফুকনে আইৰ মুখত ভাষা হেৰাই যাব বুলি কান্দি উঠিছে, কিয়নো অসমৰ জনগণে নিজকে অসমবাসী বুলি জীয়াই ৰখাতকৈ নিজকে হিন্দু বা মুছলমান হিচাপে জীয়াই ৰাখিব বিচাৰিছে।

চতুৰ্থতে, অৰ্থনৈতিক আন্দোলন। অসমৰ অধিকাংশ লোক কৰ্মবিমুখ, পৰনিৰ্ভৰশীল আৰু সাংঘাতিক আৱেগসৰ্বস্ব। যাৰ ফলত অসমৰ অৰ্থনীতি এতিয়াও আন ৰাজ্যৰ তুলনাত বহু পৰিমাণে দুৰ্বল। উদাহৰণস্বৰূপে— বৰ্তমান অসমত জিলা আছে তেত্ৰিছখন। ইয়াৰ ভিতৰত কেৱল যদি পঁচিছখন জিলাৰ দ্ৰুত উন্নয়ন ঘটে, বাকী আঠখন জিলাৰ আংশিক উন্নয়ন হয়— তেন্তে অসমৰ অৰ্থনৈতিক উন্নয়নত প্ৰভাৱ পৰাটো নিশ্চিত। শেহতীয়াকৈ যোৱা ২০১৮ বৰ্ষৰ ২৫ ডিচেম্বৰত নৱনিৰ্মিত বগীবিল দলং উদ্বোধন হোৱাৰ লগে লগে ধেমাজি, লখিমপুৰৰ বজাৰখন ডিব্ৰুগড়, তিনিচুকীয়াৰ খাদ্যবস্তুৰে

ভৰি পৰিছে। কিন্তু ধেমাজি, লখিমপুৰৰ নিবনুৱা যুৱক বা অন্য ব্যক্তিৰ তেনে মানসিকতা দেখা নগ'ল। গতিকে আমি সূক্ষ্ম বিষয়বোৰো ভালদৰে পৰ্যবেক্ষণ কৰি অৰ্থনৈতিক আন্দোলনক সুচল কৰি তুলিব লাগিব। তেতিয়াহে অসম আকৌ উন্নতিৰ পথত আগবাঢ়িব।

পঞ্চমতে, ৰাজনৈতিক আন্দোলন। ওপৰত উল্লিখিত আটাইবোৰ আন্দোলনৰ তুলনাত ৰাজনৈতিক আন্দোলন হৈছে আটাইতকৈ শক্তিশালী আন্দোলন। কিয়নো, একাংশ প্ৰভাৱশালী নেতাই দিনক ৰাতি আৰু ৰাতিক দিন কৰিব পাৰে। অসমৰ জনসাধাৰণৰ শেঁতা পৰা মুখৰ সন্মুখত যিসকল নেতাই অসমখনক নেতৃত্ব দিয়ে, জনগণক আগবঢ়াই লৈ গৈছে, তেওঁলোক হ'ব লাগিব জাতিৰ স্বাভিমানত, ৰাইজৰ স্বাৰ্থত নিজকে উৎসৰ্গিত কৰা একোজন শক্তিশালী মনৰ অধিকাৰী ব্যক্তি। কিন্তু পৰৱৰ্তী সময়ত শেহতীয়াকৈ ঘোষণা কৰা নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৬ই অসমীয়া জাতিক মষিমূৰ কৰিব বুলি ৰাইজ শংকিত হৈছে, অসমৰ অৱস্থা বৰ্তমানৰ ত্ৰিপুৰাৰ দৰে হোৱাৰ পূৰ্ণ সম্ভাৱনায়ো ৰাইজক আতংকিত কৰি তুলিছে। তাৰ পাছতো চৰকাৰ নিমাত। এয়াই যদি নেতাসকলৰ চিন্তাধাৰা হয়, তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থৰ কাৰণে নীতি-নিয়ম সলনি কৰিব বিচাৰে, ৰাইজ কিদৰে আগবাঢ়ি যাব? এই জটিল সন্ধিক্ষণত অসমৰ নৱ প্ৰজন্মৰ ভূমিকা হ'ব লাগিব উল্লেখনীয়। নৱ প্ৰজন্মই মনত ৰাখিব লাগিব যে অতীতৰ অসমত বিশেষকৈ ছাত্ৰ সমাজেই অসমৰ আন্দোলনৰ গুৰি ধৰিছিল। এনেদৰে সক্ৰিয় অংশগ্ৰহণ কৰি কু-সংস্কাৰ আঁতৰাই জনসাধাৰণক উৎপাদনমুখী আৰু কৰ্মসংস্কৃতিক আকোঁৱালি ল'বলৈ উৎসাহ যোগাব পাৰিব। গতিকে বৰ্তমান সময়ত আমি কিমান যুক্তিবাদী সেয়া ওপৰৰ দিশসমূহৰ পৰাই সহজে অনুমেয়।

যুক্তিহীন আন্দোলনসমূহে সামাজিকভাৱে, এক শ্ৰেণীৰ লোকক আন্দোলনৰ নামত কেৱল আন্দোলন কৰিয়েই জীৱনটো পাৰ কৰাবলৈ বিচাৰে। এই কাৰ্য একাংশৰ ব্যৱসায়ত পৰিণত হৈ উঠিছে। কৰ্মসংস্কৃতিৰ পৰা আঁতৰি অহাৰ লগতে উপযুক্ত শিক্ষাৰে শিক্ষিত নোহোৱাৰ কাৰণে নিবনুৱা সমস্যাৰ সৃষ্টি কৰি সমাজ তথা দেশখনত অহৰ্নিশে নতুন নতুন সমস্যাৰ সৃষ্টি কৰি আন্দোলন কৰিবলৈ আগবাঢ়ে।

বৌদ্ধিকভাৱে এনে আন্দোলন চলোৱা নেতাসকলে ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ লোকসকলক বলিৰ পঠা সজাই ন্যস্তস্বাৰ্থ সিদ্ধি কৰিবলৈ উঠি-পৰি লাগে। ফলস্বৰূপে এনে আন্দোলনে ছাত্ৰ জীৱনক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰে।

অৰ্থনৈতিকভাৱে এনে যুক্তিবাদী আন্দোলনৰ বিপৰীতে যুক্তিহীন আন্দোলনৰ ফলত সমাজ তথা দেশত অৰ্থনৈতিক দিশতো বিৰূপ প্ৰভাৱ পৰা দেখা যায়। জধে-মধে আন্দোলনসমূহ কৰাৰ ফলত দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ পেটত মাধমাৰ পৰাৰ লগতে চৰকাৰী কাৰ্যালয়সমূহো আৰু উৎপাদনক্ষম উদ্যোগসমূহো অৰ্থনৈতিকভাৱে লোকচান হয়।

ৰাজনৈতিকভাৱে অপৰিপক্ক, অদূৰদৰ্শী লোকসকল এনে যুক্তিহীন আন্দোলনৰ প্ৰভাৱত প্ৰভাৱান্বিত হৈ হাতত ৰাজদণ্ড পোৱাৰ ফলত দেশখনত নানা বিশৃংখলতাই গা কৰি উঠা দেখা যায়। কাৰণ, তেওঁলোক ৰাজনৈতিক দিশত সম্পূৰ্ণভাৱে অনভিজ্ঞ।

এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ হাতেৰে দমন কৰিবলৈ চেষ্টা কৰিব লাগে। এইক্ষেত্ৰত ন্যায়ালয়ে তীক্ষ্ণ নজৰ ৰখা উচিত যে যিকোনো বন্ধ-সংস্কৃতি বা আন্দোলন যেতিয়াই-তেতিয়াই কৰিব নোৱাৰে —তাৰ প্ৰতি উপযুক্ত অধ্যাদেশ জাৰি কৰিব লাগে। অসমৰ এনে পৰিস্থিতিত যুৱ প্ৰজন্মৰ বিশেষ ভূমিকা আছে। মোৰ দৃষ্টিত যুৱ প্ৰজন্মৰ কৰণীয় হ'ব লাগিব এনেধৰণৰ—

(১) অসমৰ নৱ প্ৰজন্ম ৰাজনৈতিকভাৱে সচেতন হোৱাৰ লগতে ৰাজনৈতিক দলৰ প্ৰলোভনত ভোল নগৈ জাতিৰ হকে নিজৰ স্থিতি সবল কৰি ৰাখিব পাৰিব লাগিব।

(২) অসমৰ নতুন প্ৰজন্মই দিল্লী-দিছপুৰৰ চক্ৰান্তক উপলব্ধি কৰি এই চক্ৰান্তসমূহক প্ৰতিহত কৰাৰ কৌশল কৰিব লাগিব।

(৩) বৰ্তমান সময়ত দেশৰ সাম্প্ৰদায়িকতাই বেয়াকৈ পোখা মেলিছে। ই দেশৰ নতুন প্ৰজন্মৰ মাজতো শিপাইছে আৰু এইটোৱে জাতি আৰু দেশৰ বাবে বিপদৰ স্ফুলিংগ কঢ়িয়াই আনিব। গতিকে যুৱ প্ৰজন্মই ধৰ্মীয় গোড়ামি বাদ দিব লাগিব।

(৪) অৰ্থনৈতিক নিয়ন্ত্ৰণক নিজৰ হাতত ৰাখিব পৰাকৈ নতুন পুৰুষ আত্মনিৰ্ভৰশীল হ'ব লাগিব। বিদেশীক ভাতে মৰাৰ ক্ষেত্ৰত ব্ৰহ্মাস্ত্ৰ হ'ব এই অৰ্থনৈতিক নিয়ন্ত্ৰণৰ নিজৰ হাতত থকাৰ সুবিধাটো। তাক গ্ৰহণ কৰিবলৈ স্ব-নিৰ্ভৰশীল হোৱাৰ দিশত কাম কৰিব লাগিব।

শেষত ৰাজপথৰ আন্দোলনবোৰক ৰাজপথতে শেষ নকৰি তাক নিজ কৰ্ম, ব্যৱহাৰৰ যোগেদি পৰিস্ফুট কৰিব লাগিব। এনেয়েও বৰ্তমান যুগ হৈছে সামাজিক মাধ্যমৰ যুগ, গতিকে ইয়াতো জাতিৰ হকে নিজৰ চিন্তাক প্ৰকাশ কৰিব লাগিব। তেতিয়াহে বৰ্তমান সময়ত প্ৰতিটো কাৰ্যক যুক্তিৰে চালি-জাৰি চাই যুক্তিবাদিতাৰ ওপৰত তিষ্ঠি থাকিব পাৰিম।

মুঠৰ ওপৰত সকলো মানুহৰ মানসিকতা পৰিৱৰ্তন কৰি শুদ্ধ জ্ঞান-দৰ্শনেৰে অভিজ্ঞ হৈ একতাৰ মনোভাব গঢ়ি তুলি যুক্তিবাদিতাৰ প্ৰাসংগিকতাক হৃদয়ংগম কৰি সমাজখনক আগবঢ়াই লৈ যোৱাটোৱেই প্ৰতিজন ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত।

সদৌ শেষত মই ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ এফাঁকি কবিতাৰে মোৰ ক্ষুদ্ৰ জ্ঞানেৰে ঢুকি পোৱা লিখনিটো সামৰিব বিচাৰিছোঁ।

'বাজক ডবা বাজক শংখ বাজক মৃদং খোল
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।।'

# হুঁচৰিত প্ৰচলিত নিয়ম আৰু পৰম্পৰা

**মৌপিয়া গগৈ**
বুৰঞ্জী বিভাগ

সমাজ আৰু সংস্কৃতিয়ে সাহিত্যৰ বাটেৰে, একোটা জাতিসত্ত্বাই প্ৰগতিৰ বাটেৰে ধাৱমান হয়। সংস্কৃতি আৰু সাহিত্য হৈছে একোটা জাতিৰ অনন্য পৰিচয়। সেই দিশৰ পৰা চালে দেখা যায় বিহু অসমীয়া মহাজাতিৰ অতুল্য অভিধা। ইয়াক বাদ দি জাতীয় জীৱনৰ সংস্কৃতিৰ ভেটি বিকলাংগস্বৰূপ। বিহুৱে অসমীয়া জাতিসত্ত্বাৰ অভিধা চহকী কৰিছে। বিহু বুলিলে প্ৰত্যেক অসমীয়াৰে গা-মন সাতখন-আঠখন কৰে। পৃথিৱীৰ চুকে-কোণে থকা হাজাৰ-বিজাৰ জাতি-জনগোষ্ঠীৰ যেনেকৈ নিজা নিজা সাংস্কৃতিক উপাদান, নানা উৎসৱ-পাৰ্বণ আছে, ঠিক তেনেকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ব্ৰহ্মপুত্ৰ মহানদৰ দুয়োপাৰে বিস্তাৰিত হৈ থকা অসম ভূমিত বাস কৰা লোকসকলৰ বাবে বিহু এক অমূল্য লোক-সংস্কৃতিৰ উপাদান।



বিহু অসমীয়া জাতিৰ বাপতিসাহোন এক কৃষি উৎসৱ। বিহুত কৃষিৰ সৈতে সম্পৰ্ক থকা প্ৰতিটো কাৰ্য-কৰ্মই প্ৰকৃতিত হোৱা দেখিবলৈ পোৱা যায়। সেয়ে বিহু ভাল হ'লে, খেতি ভাল হয় বুলিও কোৱা হয়। আমাৰ তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহুটো বেছি আকৰ্ষণীয়। ইয়াক আকৰ্ষণীয় কৰাত হুঁচৰিয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

**হুঁচৰিৰ উৎপত্তি ঃ-**

বহাগৰ হুঁচৰি অনুষ্ঠানটো অতি পুৰণি। হুঁচৰি ল'ৰা-বুঢ়া-ডেকাৰ সমূহীয়া অনুষ্ঠান। হুঁচৰিয়ে মুকলি পথাৰৰ পৰা বিৱৰ্তনৰ মাজেদি আহোম ৰাজদৰবাৰত প্ৰৱেশ কৰি ৰাজকীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। হুঁচৰি কেতিয়া সৃষ্টি হৈছিল তাৰ সঠিক চন-তাৰিখ পোৱা নাযায় যদিও আহোম ৰজা ৰুদ্ৰসিংহ স্বৰ্গদেউৰ পৰৱৰ্তী সময়ত হুঁচৰিৰ সৃষ্টি হৈছিল বুলি ধাৰণা কৰা হয়। সেই সময়ত ৰজাক প্ৰশস্তি জনাই নানা বিহুনাম ৰচিত হৈছিল। ইয়াৰ পিছৰ পৰ্যায়ত বিহুৱে পুনৰ বিৱৰ্তনৰ মাজেদি অন্যান্যসকলকো উৎসাহিত কৰা যেন ধাৰণা কৰা হয়।

**হুঁচৰি শব্দৰ অৰ্থ ঃ-**

হেমকোষত থকা অনুসৰি হুঁচৰি শব্দৰ অভিধানিক অৰ্থ হৈছে 'বহাগৰ বিহুত জুম বান্ধি ঘৰে ঘৰে গৈ ঢোল আদি বাদ্য বজাই গৃহস্থৰ মংগল কামনা কৰি গোৱা গীত।' ইয়াৰ পৰা প্ৰতীয়মান হয় যে বহাগ বিহুত গৃহস্থৰ ঘৰে ঘৰে গৈ গোৱা মংগলজনক সংগীতানুষ্ঠানেই হৈছে হুঁচৰি।

হুঁচৰিৰ বৈশিষ্ট্য আৰু উদ্দেশ্যলৈ লক্ষ্য ৰাখি তাহানিৰ দূৰদৰ্শী আৰু গম্ভীৰ, চিন্তাশীল অনাখৰী পূৰ্বপুৰুষে বিহুক হুঁচৰি হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ যাওঁতে কিছু সংস্কাৰ কৰিহে হুঁচৰিৰ ৰূপ প্ৰদান কৰে। বিভিন্ন বয়সৰ সৰু-ডাঙৰ সকলোৰে উমৈহতীয়া সামাজিক অনুষ্ঠান হোৱাৰ বাবে তেওঁলোকে হুঁচৰিক মাৰ্জিত, শালীনতাপূৰ্ণ আৰু আশীৰ্বাদসূচক অনুষ্ঠানত পৰিণত কৰে।

**বিহু আৰু হুঁচৰি ঃ-**

বিহু মৰা আৰু হুঁচৰি গোৱাৰ ধৰণ-কৰণলৈ লক্ষ্য কৰিলে দুয়োটাৰে মাজত পাৰ্থক্য বিচাৰি পোৱা যায়। বৰ্তমান এচামে এই হুঁচৰি শব্দটোৰ লগত বিহু শব্দটো সংযোজন কৰি বিহু-হুঁচৰি নামেৰে নামাংকিত কৰিছে যদিও ইয়াৰ দুয়োটাৰে পৰিৱেশন পদ্ধতি বেলেগ বেলেগ হোৱা দেখা যায়। বিহু মাৰোঁতে কোনো সু-নিৰ্দিষ্ট নিয়ম-নীতি বা নীতিগত আৰম্ভণি আৰু সামৰণি থকা দেখা নাযায়। বাদ্যাদি নোহোৱাকৈও কেৱল হাত চাপৰি বজাই, বিহুনাম গাই, কিৰিলি মাৰিও বিহু মাৰিব পৰা যায়। কিন্তু হুঁচৰি গাবলৈ হ'লে পূৰ্বপুৰুষে দি যোৱা ৰীতি-নীতিসহ ঘোষা-পদ, আৰম্ভণি, সামৰণি, ঢোল-তাল-পেঁপা আদি বিহু বাদ্যসমূহ থাকিবই লাগিব আৰু লগতে সাংস্কৃতিক সাজ-পাৰো পৰিধান কৰিব লাগিব। হুঁচৰি ঘূৰি ঘূৰি গোৱা হয়। কিন্তু ঘূৰি ঘূৰি বিহু মৰা দেখা নাযায়।

**হুঁচৰিৰ উদ্দেশ্য আৰু লক্ষ্য ঃ-**

হুঁচৰি উদ্দেশ্যধৰ্মী হোৱা দেখা পোৱা যায়। বছৰেকৰ বিহুত ৰাইজে প্ৰতি ঘৰে ঘৰে পদধূলা দি, বছৰটোৰ সকলো অপায়-অমংগল আঁতৰি গৃহস্থ প্ৰমুখ্যে ঘৰখনৰ সকলো প্ৰাণীৰে সকলো দিশতে পৰম মংগলময় হোৱাৰ



কামনাৰে আশীৰ্বাদ দিয়াই হৈছে হুঁচৰিৰ মূল উদ্দেশ্য আৰু লক্ষ্য। হুঁচৰি কেৱল পুৰুষৰ অনুষ্ঠান হোৱা দেখা যায়। মধ্যযুগৰ পৰাই হুঁচৰিত ভক্তিৰ ধাৰাটো প্ৰৱাহিত হৈ আহিছে। মহাপুৰুষ শংকৰদেৱৰ বিৰচিত 'কীৰ্তন' পুথিৰ ঘোষা-পদেৰে, মংগলময় হৰিধ্বনিৰে হুঁচৰি আৰম্ভ কৰা হয় বাবে হুঁচৰি ভক্তিমূলক হিচাপে গণ্য কৰা হয়। গৃহস্থৰ চোতালত জ্যেষ্ঠ, জীয়ৰী-বোৱাৰী, মিতিৰ-কুটুম আদিৰ আগত হুঁচৰি পৰিৱেশন কৰা হয় বাবে হুঁচৰিক মাৰ্জিত, গাম্ভীৰ্যপূৰ্ণ আৰু শালীনতাপূৰ্ণ হিচাপে গণ্য কৰা হয়। হুঁচৰিৰ সামৰণিত ৰাইজে মূৰৰ চুলি ছিঙি গৃহস্থক বছৰটো



হুঁচৰি উদ্দেশ্যধৰ্মী হোৱা দেখা যায়। বছৰটোত গৃহস্থক কুশলে থাকিবলৈ, ধন-ধান, মান-যশ আৰু গৰু-ম'হৰ বংশ বৃদ্ধি হ'বলৈ আশীৰ্বাদ দিয়াই হৈছে হুঁচৰিৰ উদ্দেশ্য।



কুশলে থাকিবৰ বাবে, গো-ধন আদিৰ বংশ বৃদ্ধিৰ বাবে আশীৰ্বাদ দিয়ে। এই আশীৰ্বাদত ব্যৱহাৰ কৰা শব্দ-ব্ৰহ্মাই দেহ, আত্মা আৰু পৰমাত্মাৰ সন্ধান দিয়ে বাবে হুঁচৰিক আধ্যাত্মিক হিচাপে গণ্য কৰিব পাৰি।

হুঁচৰি উদ্দেশ্যধৰ্মী হোৱা দেখা যায়। বছৰটোত গৃহস্থক কুশলে থাকিবলৈ, ধন-ধান, মান-যশ আৰু গৰু-ম'হৰ বংশ বৃদ্ধি হ'বলৈ আশীৰ্বাদ দিয়াই হৈছে হুঁচৰিৰ উদ্দেশ্য। হুঁচৰি অনিমন্ত্ৰিত হোৱা দেখা যায়। হুঁচৰি গাবলৈ মাতিব লগা নহয়। গাঁৱৰ সমাজত সবল-দুৰ্বল, ধনী-দুখীয়াৰ কোনো বিভেদ নাৰাখি প্ৰতিঘৰতে ৰাইজে পদধূলা পেলায়। গৃহস্থক আশীৰ্বাদ দিয়াই হৈছে হুঁচৰিৰ মূল পৰম্পৰা আৰু বিশেষত্ব।

**'জয় ৰাম বোলা, জয় হৰি বোলা'ৰ তাৎপৰ্য ঃ-**

অনাখৰী চহা কৃষকে ইমান অৰ্থৱহ, ভাবগধূৰ শব্দ জানি বা নাজানি উচ্চাৰণ কৰিলেও 'জয় ৰাম বোলা, জয় হৰি বোলা'ৰে হুঁচৰি আৰম্ভ কৰা বিধি-ব্যৱস্থা দি গৈছে। ধাৰণা কৰা হৈছে যে শিৱই পাৰ্বতীক কৈছিল যে 'ৰা' শব্দ উচ্চাৰণত মুখখন মেল খাই অন্তৰত থকা পাপ ওলাই যায় আৰু পূণ্যখিনি ৰৈ যায় আৰু 'ম' বুলি উচ্চাৰণ কৰোঁতে মুখখনৰ ওঁঠখন জাপ খাই ওলাই যোৱা পাপসমূহ পুনৰ সোমাব নোৱাৰে আৰু অন্তৰত ৰৈ যোৱা পুণ্যখিনি ওলাই যাব নোৱাৰে। ইয়ে হৈছে দুটা অক্ষৰযুক্ত 'ৰাম' শব্দৰ মাহাত্ম্য। 'হৰি' শব্দৰ অৰ্থ হৈছে হৰণ কৰা। এই সংসাৰত যিমানবোৰ প্ৰাণী আছে এই সমস্ত প্ৰাণীয়েই তিনিটা তাপেৰে তাপিত। সেই তিনিটা তাপ হ'ল— আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক। জীৱসমূহক এই তিনি তাপৰ পৰা উদ্ধাৰ বা হৰণ কৰিব পাৰে কেৱল হৰিয়েহে। সেইবাবে হৰিক উচ্চাৰণ কৰা হয়।

**হুঁচৰিৰ সাজ-পাৰ ঃ-**

প্ৰাক্-স্বাধীনতা কালৰে পৰা আশী-নব্বৈ দশকমানলৈকে উজনিৰ গ্ৰাম্যাঞ্চলত হুঁচৰি গাওঁতে কোনো বিশেষ সাজ-পাৰ পিন্ধি হুঁচৰি গোৱাৰ বাধ্যবাধকতা নাছিল। কিন্তু হুঁচৰি দলৰ সকলো সদস্যই চুৰিয়া পিন্ধি মূৰত গামোচাৰে পাগ মৰা বাধ্যতামূলক আছিল। বয়সিয়াল ঢুলীয়াসকলৰ কোনো কোনোৱে হাত থকা বনিয়নৰ ওপৰত ক'লা ৰঙৰ বুকু ফলা, হাত কটা, জেপ থকা চোলা, মধ্য বয়সীয়াসকলে হাত কটা বগা কামিজ চোলা আৰু কম বয়সীয়াসকলে হাত দীঘল বনিয়ন পিন্ধি হুঁচৰি গোৱা দেখা গৈছিল। সেই সময়ছোৱাৰ প্ৰায় ষাঠিৰ উৰ্দ্ধৰ বয়সৰ ক'ৰবাত কেনেবাকৈ দুই-এজন ব্যক্তিয়েহে মুগা সূতাৰ হাতে বোৱা হাত দীঘল, বুকু ফলা তলে-ওপৰে জেপ থকা মুগা চোলা পিন্ধি হুঁচৰিত অংশ লৈছিল বুলি জানিব পৰা যায়।

পৰিতাপৰ কথা যে বৰ্তমান অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ একেবাৰে সংকটজনক অৱস্থা হৈ পৰিছে। কৃষ্টি-সংস্কৃতিক লৈ ব্যৱসায়-বাণিজ্য কৰা দেখা গৈছে, সংস্কৃতিক লৈ তৰ্ক-বিতৰ্কৰ সৃষ্টি হৈছে। তেনেস্থলত অসমীয়া জাতি-সংস্কৃতিলৈ পূৰ্বৰ সোণালী দিন ঘূৰি আহিবৰ বাবে নৱ প্ৰজন্মই আগবাঢ়ি আহি ব্যৱস্থা গ্ৰহণ নকৰিলে নিজ দেশতে ভগনীয়া হ'ব লগাত পৰিব।

**সংগ্ৰহ ঃ**
হুঁচৰি পৰম্পৰা আৰু প্ৰাসংগিকতা ঃ মুক্তিনাথ বৰগোহাঁই

‘বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰ মৌ মিঠা মাত
বিহুৰ বা লাগি বিহুৰা ককাইৰ ঐ
দেওধনী লাগিছে গাত।’

সংস্কৃতি জাতীয় জীৱনৰ বোৱঁতী সুঁতি। এই সুঁতিয়ে কঢ়িয়াই ফুৰে অতীত, বৰ্তমান আৰু ভৱিষ্যতক। অসম বাৰেৰহণীয়া সংস্কৃতিৰ মিলনভূমি। এই মিলনভূমিৰ প্ৰাণকেন্দ্ৰ বিহু। ই অসমীয়াৰ সামাজিক তথা অৰ্থনৈতিক জীৱনৰ বুনিয়াদ।

সৃষ্টিৰ সফলতাত কৃতকাৰ্যতাৰ আনন্দত অন্তৰত অনন্ত অনুভূতি হিয়া উজাৰি সুললিত, সু-শ্ৰাব্য ভাষাৰে সুকুমাৰ অংগী-ভংগীৰে প্ৰকাশ কৰাটোৱেই মানুহৰ সহজাত প্ৰবৃত্তি। নৃত্য-গীত এই সহজাত সুকুমাৰ প্ৰবৃত্তিৰে মূৰ্ত প্ৰকাশ আৰু এই প্ৰকাশৰ নিদৰ্শনেই বিহুৰ উৎপত্তিৰ উৎস।

‘বিহু’ অসমীয়াৰ জাতীয় উৎসৱ। এক কথাত ক’বলৈ গ’লে বিহুৱেই অসমীয়া জাতিৰ প্ৰাণৰ প্ৰতিটো স্পন্দন, প্ৰতিটো বিশ্বাস-প্ৰশ্বাস, প্ৰতিটো অনুভূতি, জীৱনৰ কামনা-বাসনা, আগ্ৰহ, হেঁপাহ বিহুৰ বুকুতেই চিৰপ্ৰৱাহিত, চিৰপ্ৰতিফলিত হৈ আছে। বিহুৰ লগত অসমীয়া জাতিৰ প্ৰাণ এনেভাৱে সাঙোৰ খাই আছে যে বিহুক বাদ দি অসমীয়া জাতিৰ কৃষ্টি, সংস্কৃতি, সভ্যতা আনকি সাহিত্যৰ বৰ মজিয়াখনো উৰুঙা হৈ পৰিব। অসমীয়া জাতিৰ দাপোণস্বৰূপ বিহু প্ৰধানকৈ তিনিটা— (১) বহাগ বিহু বা ৰঙালী বিহু, (২) কাতি বিহু বা কঙালী বিহু আৰু (৩) মাঘ বিহু বা ভোগালী বিহু।

# অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ গৌৰৱোজ্জ্বল বিহু

**কৱিতা ফুকন**
অসমীয়া বিভাগ



বিহু শান্তি, শক্তি আৰু মুক্তিৰ প্ৰতীক। অনাদি কালৰেপৰা বিহুৱেই বহন কৰি আনিছে অসমীয়া জাতিৰ ইতিহাস তথা সভ্যতাৰ সাক্ষী। বিহুৱে মানৱ সমাজক সমন্বয়ৰ এনাজৰীৰে ঐক্যবদ্ধ কৰি ৰাখি অসমক 'সাংস্কৃতিক ৰাজধানী' হিচাপে স্বীকৃতি দিয়াৰ লগতে অসমীয়া জাতিৰ সংস্কৃতি আৰু সভ্যতাৰ বৰমজিয়াখন দখল কৰি ৰাখিছে।

॥ ॥ ॥

বসন্ত ঋতুৰ আগমন। আমে মলিয়ায়, কঁঠালে মুচি পেলায়, কেতেকী, মইনা, সখিয়তীৰ কাকলিয়ে প্ৰকৃতিৰ বুকুত তোলে ছন্দৰ মূৰ্চ্ছনা, অস্ফুট সংগীতৰ সুৰদি লালিমাই প্ৰকৃতিৰ বুকুত তোলে মৃদু হিল্লোল। মিঠা মিঠা সুবাসেৰে ভৰা, স্নিগ্ধ কোমল কপৌফুলৰ পাপৰিৰ মনৰ বতৰা, অসংখ্য ভোমোৰাৰ থূপ খোৰা মৃদু গুঞ্জন —এয়াই যেন বহাগ, বসন্ত ঋতুৰ অলেখ প্ৰতিশ্ৰুতি। শিপিনীৰ মাকোৰ খিট্‌খিটনি, গৰকাৰ দপ্‌দপনি আৰু ঢেঁকীৰ শব্দই যেন এক সুৰ-সমলয়ৰ সৃষ্টি কৰে। এই নিৰিবিলি পৰিৱেশতে ডেকা-গাভৰুৰ মন উৰা মাৰে শুকান গছৰ সেউজী ৰহন সনাৰ প্ৰতিশ্ৰুতি দিয়া বসন্ত ঋতুৰ উন্মুক্ত আকাশলৈ। প্ৰকৃতিৰ এই বিপুল পয়োভৰৰ সময়তে চ'তৰ সংক্ৰান্তিৰ দিনা আৰম্ভ হয় ব'হাগ বিহু।

প্ৰকৃতিৰ অনবদ্য সম্ভাৰেই জাক্‌জমকীয়া অসমীয়া বুকুৰ বিহুও প্ৰাকৃতিক পৰিৱেশৰ লগতেই ওতপ্ৰোতভাৱে জড়িত। শৰতৰ সুনিৰ্মল ৰিব্‌ ৰিব্‌ বা মৃদু মধুৰ পৰশে প্ৰকৃতিৰ বুকুৰ মনোৰম সেউজীয়া ৰূপেৰে বসুন্ধৰাক সেউজীয়া দলিচাই সজাই থুপি থুপি ফুলৰ মালাৰে মনোৰম কৰি তোলাৰ সময়তে আহিনৰ সংক্ৰান্তিৰ দিনা কাতি বিহু হয়।

পথাৰৰ সোণ বৰণীয়া লখিমী আহি ঘৰ সোমাই অসমীয়াৰ ওঁঠত শান্তিৰ সাৰ্থকতাৰ হাঁহি বিৰিঙাই তোলে আঘোণ-পুহ মাহত কৃষিকাৰ্যৰ কৃতকাৰ্যতাই অসমীয়াৰ মনলৈ গভীৰ প্ৰশান্তি আনি দিয়ে। প্ৰকৃতিৰ বুকু উদং হৈ যায়। প্ৰকৃতিৰ মহান অৱদানৰ স্বীকৃতি জনাই অনন্তজনলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াই, গুৰু-ভকতলৈ ন ধানৰ এমুঠি জলপানৰ দিহা কৰি অসমীয়া জাতিয়ে পুহৰ সংক্ৰান্তিৰ দিনা উদ্‌যাপন কৰে ভোগালী বিহু।

বিহু শান্তি, শক্তি আৰু মুক্তিৰ প্ৰতীক। অনাদি কালৰেপৰা বিহুৱেই বহন কৰি আনিছে অসমীয়া জাতিৰ ইতিহাস তথা সভ্যতাৰ সাক্ষী। বিহুৱে মানৱ সমাজক সমন্বয়ৰ এনাজৰীৰে ঐক্যবদ্ধ কৰি ৰাখি অসমক 'সাংস্কৃতিক ৰাজধানী' হিচাপে স্বীকৃতি দিয়াৰ লগতে অসমীয়া জাতিৰ সংস্কৃতি আৰু সভ্যতাৰ বৰমজিয়াখন দখল কৰি ৰাখিছে।



# সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

**ময়ূৰী তামুলী**
অসমীয়া বিভাগ

**আৰম্ভণি ঃ-**

মানুহ সামাজিক প্ৰাণী। সমাজ বাদ দি কোনো সভ্য মানুহেই আজিৰ জগতত জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰে। জীৱশ্ৰেষ্ঠ হিচাপে আমি আমাৰ জীৱনটোকে উন্নতিৰ পথত আগুৱাই নিবলৈ নিজৰ কৰ্তব্য সম্পৰ্কে সজাগ হ'ব লাগিব। আমি যদি আমাৰ কৰ্তব্যসমূহ পাহৰি পশুৰ দৰে আচৰণ কৰোঁ, তেনেহ'লে আমি আমাৰ জীৱনত কেতিয়াও সফলতা অৰ্জন কৰিব নোৱাৰিম। মানুহৰ মনৰ অন্তৰ্নিহিত শক্তিক সুস্থ আৰু সু-পৰিকল্পিতভাৱে পথ নিৰ্দেশ দি ভৱিষ্যৎ জীৱন যাপন কৰিব পৰাটোৱেই হ'ল শিক্ষা। শিক্ষাই ভুল আঁতৰ কৰি সত্যৰ প্ৰতিষ্ঠা কৰে। এই শিক্ষা আহৰণ কৰি ভৱিষ্যতে দেশ তথা জাতিৰ উন্নতিত বৰঙণি যোগাব পৰাটোৱেই ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত সফলতা। ই শিক্ষাৰে প্ৰকৃত উদ্দেশ্য।



**ছাত্ৰ সমাজৰ অংশ ঃ-**

সমাজৰ অংশস্বৰূপে ছাত্ৰসকলে কৰিবলগীয়া বহুখিনি আছে। প্ৰতিজন ছাত্ৰ সমাজৰে একো একোজন সদস্য আৰু ভৱিষ্যতৰ নাগৰিক, জাতিৰ ভৱিষ্যৎ কৰ্ণধাৰ। সেয়েহে ছাত্ৰসকলে সমাজ বাদ দি থাকিব নোৱাৰে আৰু সমাজেও ছাত্ৰসমাজক বাদ দি সুকীয়া এখন সমাজৰ কল্পনা কৰিব নোৱাৰে। ছাত্ৰ শব্দটোৰ লগত পিতৃ-মাতৃ, শিক্ষাগুৰু আৰু সমাজ — এই শব্দ তিনিটাৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। পিতৃ-মাতৃ, শিক্ষাগুৰু আৰু সমাজৰ প্ৰতি ছাত্ৰৰ গভীৰ দায়িত্ব আছে। পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ প্ৰতি এজন ছাত্ৰৰ অপৰিসীম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জীৱনৰ শেষ মুহূৰ্তলৈকে প্ৰৱাহিত হৈ থাকিব লাগে। পিতৃ-মাতৃৰ অবাধ্য হ'লে কোনো ছাত্ৰই জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে। যি ছাত্ৰ-ছাত্ৰীয়ে ঘৰৰ জ্যেষ্ঠজনৰ আদৰ্শ, পিতৃ-মাতৃৰ উপদেশবোৰ মানি চলাৰ লগতে তেওঁলোকক শ্ৰদ্ধা-ভক্তি কৰে, সেই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ উজ্জ্বল নোহোৱাৰ কাৰণ নাই। আজিৰ ছাত্ৰ-ছাত্ৰীৰ নৈতিক মূল্যবোধ শিক্ষাৰ অতি প্ৰয়োজন হৈ পৰিছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ গৰাহত পৰি মানৱীয় প্ৰমূল্যবোধ হেৰুৱাই মানুহেই জীৱশ্ৰেষ্ঠ মানৱৰ নামত কলংক সানিছে। কিছুমান অবাধ্য সন্তানে শাৰীৰিক, মানসিক যন্ত্ৰণাৰে আপোন পিতৃ-মাতৃৰ জীৱন দুৰ্বিষহ কৰি তুলিছে। অধ্যয়নেই ছাত্ৰৰ মূল কাম যদিও ইয়াৰ মাজেৰেও ছাত্ৰ-ছাত্ৰীসকলৰ সমাজৰ প্ৰতি কৰিবলগীয়া বহুখিনি আছে।



**ছাত্ৰৰ অমোঘ শক্তি ঃ-**

ছাত্ৰশক্তি এক প্ৰবল আৰু বিৰাট শক্তি। ছাত্ৰসকলৰ কল্পনাপ্ৰৱণ মন অসীম উচ্ছাস আৰু উদ্যমেৰে ভৰপূৰ। শক্তিৰ অফুঁৰন্ত ভাণ্ডাৰ। সমাজৰ সদাজাগ্ৰত প্ৰহৰী। প্ৰাণ-প্ৰাচুৰ্যৰে ছাত্ৰ সমাজ অসীম শক্তি আৰু সম্ভাৱনাৰ প্ৰতীক। নজনাটো জানিবলৈ, নেদেখাটো চাবলৈ, জ্ঞান লাভৰ তৃষ্ণাত তেওঁলোক ব্যাকুল। আনৰ সুখত সুখী, আনৰ দুখত দুখী এই ছাত্ৰ সমাজেই এদিন সমাজক নেতৃত্ব দিব, সমাজৰ গুৰুভাৰ নতশিৰে গ্ৰহণ কৰিব। এই ছাত্ৰ সমাজৰ সবল নেতৃত্বই এখন সমাজ তথা দেশক উন্নতিৰ শিখৰত দোপতদোপে উঠাত সহায় কৰিব। এই সমাজ অজেয়, এই সমাজৰ যি ঐক্যবদ্ধ শক্তি তাৰ তুলনা এই পৃথিৱীত নাই।

**ছাত্ৰৰ গুণ ঃ-**

'ছাত্ৰানাং অধ্যয়নং তপঃ' —এয়া ছাত্ৰ জীৱনৰ বাবে অমোঘ বাণী। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নেই তপস্যা তথা প্ৰধান কৰ্তব্য যদিও তাৰ লগত আনুষংগিক আৰু বহু কৰ্তব্য সাঙোৰ খাই আছে। সেই কৰ্তব্যসমূহ নিয়াৰিকৈ, সুচাৰুৰূপে সমাধা কৰিব পাৰিলেহে তেওঁলোকে নিজৰ জীৱনক গঢ় দিয়াৰ লগতে জীৱনলৈ আমূল পৰিৱৰ্তন আনিব পাৰে। তাকে কৰিবলৈ তেওঁলোকে কিছু সজগুণ আয়ত্ব কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে পিতৃ-মাতৃ, শিক্ষাগুৰু, সন্মানীয় ব্যক্তিসকলৰ পৰা জ্ঞান আহৰণ কৰি নিজকে এখন সমাজৰ বাবে দায়বদ্ধ বুলি বিবেচনা কৰি, পৰিকল্পিতভাৱে কিছু পৰিমাণে হ'লেও কৰিবৰ বাবে আগবাঢ়ি যোৱা উচিত। বৰ্তমান সময়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে কলেজীয়া জীৱনত ভৰি দিয়াৰ লগে লগে নিজৰ কৰ্তব্য পাহৰি নিজকে ভোগ-বিলাসৰ মাজত এৰি দিয়ে। পঢ়া-শুনাৰ প্ৰতি বেছি গুৰুত্ব দিয়াতকৈ এখন দামী বাইক আৰু এটা দামী ম'বাইলৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। দামী বাইক আৰু ম'বাইল থাকিলেহে আন ল'ৰা-ছোৱালীতকৈ উচ্চ বুলি ভাবে। তেওঁলোকে ভাবি নাচায় যে এই বিলাসী বস্তুবোৰতকৈ ভালদৰে পঢ়া-শুনা কৰি জ্ঞান লাভ কৰিলেহে জীৱনত সফলতা লাভ কৰিব পাৰিব। কিছুমান নিম্ন মানসিকতাৰ বলি হৈছে আজিৰ ছাত্ৰ সমাজ। প্ৰত্যেক কামৰে এটা ভাল আৰু এটা বেয়া দিশ থাকে। প্ৰতিটো দিশ চালি-জাৰি চাই আমি বাট বুলিব লাগিব। বৰ্তমান নৈতিক মূল্যবোধৰ অভাৱত নৱ প্ৰজন্মৰ বিবেচনা শক্তি হ্ৰাস পাবলৈ ধৰিছে। ফলস্বৰূপে নানা জঘন্য কামত লিপ্ত হৈছে নৱ প্ৰজন্ম। সমাজ ব্যৱস্থাত ইয়াৰ প্ৰভাৱ পৰাত

বিশৃংখলতাৰ সৃষ্টি হৈছে।

**ছাত্ৰই কৰিব পৰা কাম ঃ-**

ছাত্ৰৰ প্ৰধান কৰ্তব্য অধ্যয়ন। অধ্যয়নত ব্ৰতী হৈও সমাজৰ কল্যাণ সাধনত ছাত্ৰই মহৎ বৰঙণি যোগোৱাৰ থল আছে। সেয়েহে তেওঁলোকে সজভাৱে পৰিচালিত হ'ব লাগিব। অসম বানপানীৰ লীলাভূমি। অসমৰ বিভিন্ন ঠাইত প্ৰতি বছৰে বানপানীত লাখ লাখ মানুহ গৃহহীন হয়, লাখ লাখ মানুহে খাদ্যসংকটৰ সন্মুখীন হৈ মৃত্যুৰ ক্ষণ গণে। এনে দুৰ্যোগৰ সময়ত ছাত্ৰসকলে সেৱাৰ আদৰ্শ সন্মুখত লৈ সৰ্বহাৰাসকলক, দুৰ্গতসকলক নানা ধৰণে সহায় কৰিব পাৰে। তেওঁলোকে দলবদ্ধভাৱে গৈ বিপন্নসকলক উদ্ধাৰ কৰিব পাৰে। গাঁৱে-ভূঞে, নগৰে-চহৰে গৈ দান-বৰঙণি সংগ্ৰহ কৰি পীড়িতসকলক খাদ্য, কাপোৰ-কানিৰে সহায় কৰিব পাৰে। ভোকত এমুঠি আহাৰ, পিয়াহত এটোপা পানী, জাৰত এখনি বস্ত্ৰ দি সহায় কৰিব পৰাটো এক মহৎ মানৱীয় কাম। আজিৰ ছাত্ৰ সমাজে এই কাম অতি সহজে সমাধা কৰি লাখ লাখ মানুহক বিপদৰ পৰা উদ্ধাৰ কৰি মহানুভৱতাৰ পৰিচয় দিব পাৰে আৰু দিও আহিছে।

সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। বিহু, তিথি, উৎসৱ-পাৰ্বণ আদিত সহযোগিতা কৰি, ৰাইজৰ মাজত নতুনৰ আদৰ্শ দাঙি ধৰিব পাৰে, মিলনৰ-একতাৰ-সংহতিৰ আদৰ্শ দেখুৱাব পাৰে। মুঠতে ছাত্ৰশক্তি একত্ৰিত হৈ প্ৰবল উৎসাহ-উদ্দীপনা, প্ৰেৰণা লৈ সমাজৰ গঠনমূলক কামত আগুৱাই যাব পাৰে। যেতিয়া ছাত্ৰ সমাজ সেৱাৰ মনোভাবেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব, তেতিয়া সমাজেও উৎসাহ পাব, প্ৰেৰণা পাব আৰু ছাত্ৰশক্তিৰ নেতৃত্বত মহৎ কাৰ্য সম্পাদনৰ পাছত জীৱন উচৰ্গি আগবাঢ়ি যাব।



আজিৰ সমাজখন হৈছে সমস্যাজৰ্জৰ সমাজ। ছাত্ৰ সমাজে সেই সমস্যাৰ মুখামুখি হৈ সেই সমস্যা দূৰ কৰি নিজে সু-প্ৰতিষ্ঠিত হ'ব পৰাতেই জীৱনৰ সাৰ্থকতা লুকাই আছে। সমস্যা ওফৰাই পেলাবৰ বাবে ব্যক্তি হ'ব লাগিব এটা সাহসী মনৰ অধিকাৰী। সহ্য আৰু ন্যায়ৰ পথত খোজ দিবলৈ সাহসে আমাক উৎসাহ যোগায়। সাহসতে প্ৰতিভা, ক্ষমতা আৰু চমৎকাৰিতা নিহিত হৈ থাকে। এই সাহসৰ পৰাই যুক্তিবাদী মনৰো সৃষ্টি হয় আৰু এই যুক্তিবাদী গুণটো ছাত্ৰ সমাজত থিতাপি লোৱাৰ লগে লগে সমাজত সৃষ্টি হোৱা দুৰ্নীতিবোৰৰ বিপক্ষে যুদ্ধ দিবলৈ তেওঁলোকক মনোবল দিব। ছাত্ৰ জীৱনতে আয়ত্ব কৰিবলগীয়া উল্লেখনীয় গুণ এটা হৈছে আত্মবিশ্বাস। আত্মবিশ্বাস হৈছে এনে এক উপায় যিয়ে নিজৰ অন্তৰ্নিহিত দক্ষতা আৰু প্ৰতিভাক আনৰ আগত তুলি ধৰিবলৈ শক্তি দিয়ে। ফলত সমাজৰ পৰা যুৱ উচ্ছৃংখলতা দূৰ কৰাৰ পথ প্ৰশস্ত হয়।

**সামৰণি ঃ-**

মানৱ সম্পদৰ স্খলনে সমাজৰ পৰিৱেশ যেনেদৰে অধোগামী কৰি তুলিছে, তাৰ প্ৰতি লক্ষ্য ৰাখি আমি নৱ প্ৰজন্মই মানৱৰ অন্তৰত সজ গুণসমূহ ৰোপণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগে। বৰ্তমান এই প্ৰতিযোগিতাৰ যুগত আমাৰ দায়িত্ব আৰু কৰ্তব্যসমূহ পালন কৰি গ'লেহে এখন নিকা সমাজ গঢ়ি তোলাৰ লগতে সুন্দৰ জীৱন গঢ়ি তুলি নিজকে আদৰ্শৱান তথা নিষ্ঠাৱান হিচাপে জনসমাজত এক সুকীয়া পৰিচয় দাঙি ধৰাৰ লগতে সমাজখনৰ লগতে নিজৰো কল্যাণ সাধন কৰিব পাৰিম। এইক্ষেত্ৰত ছাত্ৰ সমাজৰ পথ প্ৰদৰ্শকসকলৰো দায়িত্ব অসীম। আজিকালি ব্যক্তিৰ তথা ছাত্ৰ সমাজৰ মনত স্বদেশপ্ৰেমৰ অভাৱ। অন্তৰত প্ৰকৃত স্বদেশপ্ৰেম থকা ব্যক্তিয়ে সততাৰ পথ বাছি লয়। এনে ব্যক্তি বা ছাত্ৰইহে সমাজ পৰিৱৰ্তন তথা এখন নিকা, সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত সমাজখনক আগুৱাই নিব পাৰে।

ছাত্ৰ সমাজে ভুল পথেৰে ভুলভাৱে পৰিচালিত হোৱাৰ পৰিণাম গুৰুতৰ। ছাত্ৰ সমাজৰ স্বতঃস্ফূৰ্ত জীৱনীশক্তি, কৰ্মপ্ৰেৰণা আৰু সৃজনী প্ৰতিভাক অতিশয় সাৱধানে পৰিচালনা কৰা উচিত। ই অবাটে যাব লাগিলে জাতিৰ, সমাজৰ, দেশৰ বিৰাট আৰু অপূৰণীয় ক্ষতি হ'ব।


# অসমৰ পৰম্পৰাগত ধৰ্মীয় উৎসৱ
# বোকা ভাওনা

**কৰিশ্মা বৰুৱা**
**প্ৰাণীবিজ্ঞান বিভাগ**

বৰলুইতৰ বিস্তীৰ্ণ ভূ-খণ্ডৰ দুয়োপাৰে যুগ যুগ ধৰি বাস কৰি অহা বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিভিন্ন ধৰ্মানুষ্ঠান, পূজা-পাৰ্বণ, আচাৰ-বিচাৰ, লোকবিশ্বাস আৰু ধৰ্মীয় অনুভূতিত গঢ়ি উঠিছে অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখন। নানা ভাব-ভাষা নানা সৃষ্টিৰ সমাহাৰত অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী হৈ আছে। অসমীয়া সংস্কৃতিৰ পথাৰত অসমীয়া লোক উৎসৱসমূহৰ এক বিশেষ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তাৰে বহুখিনি তাত্ত্বিক, নান্দনিক আৰু বহুখিনি ধৰ্মীয় অনুভূতিৰে বিশেষভাৱে জড়িত।

'বোকা ভাওনা' হৈছে আহোম যুগৰ পৰা পালন কৰি অহা জন্মাষ্টমীৰ লগত সম্বন্ধ থকা এক অন্যতম ধৰ্মীয় উৎসৱ। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পিছদিনা মূলতঃ পুৰুষসকলে এই উৎসৱ পালন কৰে। অভিধানিক অৰ্থত বোকা ভাওনাই পানীৰ লগত মিহলি হোৱা কোমল মাটিকে বুজায় যাৰ দ্বাৰা জন্মাষ্টমীৰ পাছৰ দিনা ধেমালি কৰা হয়।

প্ৰবাদমতে, কান্য কুঞ্জৰ 'বিশম্ভৰ দেৱ গোস্বামী'খ্যাত কংসৰ ভয়ত বসুদেৱে যেতিয়া কৃষ্ণক লৈ গভীৰ নিশা যমুনা নদী পাৰ হৈ গকুলত নন্দ-যশোদাৰ সন্তান হিচাপে থৈ আহিছিল, তেতিয়া গকুলবাসীয়ে নন্দ-যশোদাৰ, ৰাজনৰ সন্তানৰ আগমনত আনন্দত মতলীয়া হৈ বিভিন্ন দ্ৰব্য হাতত লৈ নন্দৰ ঘৰত উপস্থিত হৈছিল। তেতিয়া তেওঁলোক ইমানেই মতলীয়া হৈছিল যে নিজক পাহৰি আপোনমনে বোকাত লুতুৰি-পুতুৰি হৈ পৰিছিল আৰু ইজনে-সিজনক বোকা সানিছিল। সেইদিনাৰে পৰা এই দিনটোত বোকা ভাওনা প্ৰচলন হৈছে বুলি জনা যায়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি শ্ৰীমন্ত শংকৰদেৱে জন্মাষ্টমীৰ পিছৰ দিনা ভাওনাৰ মাধ্যমেৰে এই অনুষ্ঠানৰ পাতনি মেলিছিল বুলিও জনা যায়। তেতিয়াৰে পৰা



অসমৰ প্ৰায়বোৰ সত্ৰত আজিও এই অনুষ্ঠান বিৰাজমান। অতীতৰ এই অনুষ্ঠানৰ বাবে প্ৰয়োজন হোৱা মাটিখিনি বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰে শোধন কৰি লোৱা হয়। এই অনুষ্ঠানত ডেকা, ল'ৰা সকলোৱে অংশগ্ৰহণ কৰিব পাৰে।

পৰম্পৰাগত এই ধৰ্মীয় অনুষ্ঠানটো বৰ্তমান বহুখিনি লোপ পাইছে যদিও বৰপেটা সত্ৰ আৰু নগাঁৰৰ ব্ৰহ্মচাৰী সত্ৰত আজিৰ দশকতো এই উৎসৱত অংশগ্ৰহণকাৰীসকলৰ ভিৰ হয়। তেওঁলোকে বিশ্বাস কৰে যে এই উৎসৱত অংশগ্ৰহণ কৰাসকলৰ চৰ্মৰোগ নহয়। ঠাইবিশেষে এই উৎসৱক বিভিন্ন নামেৰে জনা যায়। অসমৰ বৰপেটা সত্ৰত এই উৎসৱক স্থানীয় লোকে পেঁকযাত্ৰা বুলি কয়। বৰপেটা সত্ৰৰ পৰম্পৰাগত ৰীতি অনুসৰি কীৰ্তনঘৰৰ ভিতৰত সত্ৰীয়া ৰীতি-নীতিৰে ক্ৰিয়া-কাৰ্য সম্পন্ন হোৱাৰ পিছতেই কেলিকদম গছৰ তলৰ টুপৰ চোতালত শিশু, চেমনীয়া, চেঙেলীয়া যুৱকে পেঁকযাত্ৰাত অংশগ্ৰহণ কৰি আনন্দত মতলীয়া হয়। টুপৰ চোতালতে নিৰ্দিষ্ট সীমাৰেখাৰ ভিতৰত তেল সানি বোকা-মাটিৰে পিছল কৰি তোলা হয় আৰু তাতে লুতুৰি-পুতৰি হৈ ল'ৰাবোৰে সাঁতোৰাৰ নিচিনাকৈ বাগৰা-বাগৰি কৰি এক সুকীয়া আনন্দ লাভ কৰা দেখা যায়।

পৰম্পৰাগত এই ধৰ্মীয় অনুষ্ঠানটো বৰ্তমান বহুখিনি লোপ পাইছে যদিও বৰপেটা সত্ৰ আৰু নগাঁৰৰ ব্ৰহ্মচাৰী সত্ৰত আজিৰ দশকতো এই উৎসৱত অংশগ্ৰহণকাৰীসকলৰ ভিৰ হয়। তেওঁলোকে বিশ্বাস কৰে যে এই উৎসৱত অংশগ্ৰহণ কৰাসকলৰ চৰ্মৰোগ নহয়।




'বোকা ভাওনা'ৰ নান্দনিক দৃশ্যই শাওণ-ভাদ মাহৰ পথাৰৰ পৰিৱেশটোৰ কথাই মনলৈ আনে। ইয়াৰ পৰাই অনুধাৱন কৰিব পাৰি যে বোকা ভাওনা মূলতঃ আছিল চহা আৰু কৃষিজীৱী মানুহৰ উৎসৱ।

কিছু কিছু ঠাইত বোকা ভাওনাৰ দিনটোত ভৱানীপুৰীয়া গোপাল আতা বিৰচিত 'জন্মযাত্ৰাৰ নন্দোৎসৱ' বা 'বোকা যাত্ৰা' নাটখন পৰিৱেশন কৰা হয়।

সমাজ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা এই উৎসৱে মানুহক সংস্কৃতিৰ প্ৰতি আৰু এখোজ আগুৱাই নিয়াৰ লগতে মানুহৰ মনত সাংস্কৃতিক-আধ্যাত্মিক ভাবধাৰাৰ জন্ম দিয়ে। কিন্তু আজিৰ যুগত বহুক্ষেত্ৰত এই উৎসৱবোৰ লোপ হ'বলৈ যোৱা দেখিবলৈ পোৱা যায়। ধৰ্মীয় উৎসৱৰ অংগস্বৰূপ এই বোকা ভাওনাক আধুনিকতাৰ বুকুত নিঃশেষ নকৰি জীৰ্ণ অৱস্থাটোক সজীৱ কৰি তুলি সংস্কৃতিৰ পথাৰখন আৰু আগবঢ়াই নিব পৰাটো আমাৰ উদ্দেশ্য হোৱা উচিত।

# আমাৰ সমাজ আৰু
# ধৰ্ষিতা মহিলা



**পল্লৱী বৰা**
ৰসায়ন বিজ্ঞান বিভাগ

আমাৰ সমাজ ব্যৱস্থাত দিনক দিনে মানুহৰ মানৱীয়তা হেৰাই যোৱা দেখা গৈছে আৰু কিছুমান মানুহ বনৰীয়া জীৱ-জন্তুৰ দৰে হৈ পৰিছে। যেনেদৰে বনৰীয়া মাংসাহাৰী প্ৰাণীয়ে খাদ্য খাবলৈ নাপালে কি খাওঁ, কি নাখাওঁ কৰি থাকে। বৰ্তমান সভ্য সমাজত এখন উলংগ ছবিহে প্ৰতিফলিত হৈছে। বৰ্তমান চলি থকা জঘন্য কাৰ্য ধৰ্ষণে বহু ছোৱালী বা মহিলাৰ জীৱন ধ্বংস কৰি তুলিছে। তাৰ আঁৰত আমাৰ সমাজ ব্যৱস্থাও দায়ী নোহোৱা নহয়। যেতিয়া এজনী এজনী ছোৱালী ধৰ্ষণৰ বলি হয় তেতিয়া বলাৎকাৰৰ দৃশ্য বা চিত্ৰ ছ'চিয়েল মিডিয়াত বিয়পাই পেলায় আৰু মানুহে মুখে মুখে প্ৰচাৰ কৰে। কিছুমান মানুহ আছে যিয়ে সেই ছোৱালীজনী বা মহিলাগৰাকীক দেখিলে ঘৃণাৰ চকুৰে চায়। কিন্তু কাক ঘৃণা কৰিব লাগে আৰু কৰে কাক ?

যদি ধৰ্ষিতা মহিলা এগৰাকীয়ে সকলো নিৰ্যাতন পাহৰি জীৱনত আগুৱাই যোৱাৰ বাবে চেষ্টা চলাই তেতিয়া তেওঁক সমাজে গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে। আনকি ছোৱালীজনীক বা মহিলাগৰাকীক বন্ধু-বান্ধৱীয়ে আগতে সিহঁতৰ লগত হাঁহি-ধেমালি কৰি থকা সেইজনী বান্ধৱী বুলি মানি ল'বলৈ বেয়া পায় বা তাইৰ লগত বন্ধুত্ব ৰাখিবলৈ নিবিচাৰে।

এগৰাকী ধৰ্ষিতা মহিলাক আমি ঘৃণাৰ চকুৰে চোৱাৰ সলনি আমাৰ মাজৰে এগৰাকী বুলি ভাবি আদৰি লৈ তেওঁক ভৱিষ্যৎ জীৱন আগুৱাই নিবলৈ বাট দেখুৱাব লাগে। তেতিয়াহে আমাৰ এখন সুস্থ-সবল সমাজ গঠিত হ'ব।

# পুৰুষতান্ত্ৰিক সমাজত তুমি
# অনন্যা নাৰী

---

**প্ৰণিষা বৰা**
গণিত বিভাগ

'নাৰী নিজেই এটা শক্তি
ইমানেই শক্তিশালী যে
নাৰীয়ে পুৰুষ জন্ম দিব পাৰে।'

নাৰী সৃষ্টিকাৰী, মমতাময়ী, ৰহস্যময়ী, ছলনাময়ী, প্ৰাণদায়িনী। নাৰী অবিহনে সৃষ্টিৰ কল্পনাই কৰিব নোৱাৰি। নাৰী এটা সুন্দৰ শব্দ, সুন্দৰ অনুভূতিপ্ৰৱণ শব্দ যাৰ অৰ্থ হৈছে ললনা, তিৰোতা, বণিতা, মহিলা ইত্যাদি। নাৰী শব্দটোত যেন সমস্ত সোমাই আছে। নাৰী হ'ব পাৰে কাৰোবাৰ জীয়াৰী, কাৰোবাৰ পত্নী, কাৰোবাৰ ভগ্নী, কাৰোবাৰ মাতৃ, কাৰোবাৰ বোৱাৰী। নাৰীৰ অভিধা ইয়াতকৈও বিশাল, যাক কেৱল সীমাহীন আকাশৰ লগতহে তুলনা কৰিব পাৰি। সেয়ে হয়তো নাৰী অৰ্ধ-আকাশ হিচাপে অলংকৃত।

সৃষ্টিৰ পাতনিৰে পৰা লক্ষ্য কৰিলে দেখা যায় ভগৱানে পুৰুষ আদমক সৃষ্টি কৰি থমকি ৰ'বলগা হৈছিল। কিয়নো সৃষ্টিৰ ধাৰা অব্যাহত ৰাখিবলৈ এগৰাকী নাৰীৰ নিশ্চয়কৈ প্ৰয়োজন। সেয়ে এগৰাকী নাৰী এজন আদমৰ অৰ্ধাংগিনী। আনহাতে ক'ব পাৰি যে ঈশ্বৰ হ'ল পুৰুষ আৰু প্ৰকৃতি হ'ল তেওঁৰ ভাৰ্যা। সেয়ে নাৰীক প্ৰকৃতি বুলিও কোৱা হয়। এগৰাকী নাৰীৰ প্ৰভাৱ সমাজত অপৰিসীম। বৈদিক, পুৰাণ, ৰামায়ণ, মহাভাৰতৰ যুগৰ পৰাই নাৰীয়ে এখন সুস্থ সমাজ গঠনত বহু অৱদান আগবঢ়াইছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। এগৰাকী নাৰীয়ে সৃষ্টি ৰক্ষাৰ্থে গৰ্ভত সন্তান ধাৰণ কৰি 'মা'ৰ মমতাৰে সন্তানক বুকুৰ উম দি লালন-পালন কৰি মানুহ হিচাপে গঢ় দিয়ে। সেয়ে কোৱা হয়— 'আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন?' সমস্ত গুণেৰে বিভূষিতা হৈও পুৰুষপ্ৰধান সমাজত নাৰী প্ৰায়ে অৱহেলিত। যি নাৰীৰ পৰা সন্তান সৃষ্টি হৈ সংসাৰ অব্যাহত আছে, সেই নাৰীৰ ভ্ৰূণ আজি দানৱৰ হাতত মৃতকৰ ৰূপত। যুগে যুগে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষে নাৰীৰ ওপৰত আধিপত্য স্থাপনৰ বাবে ধৰ্মৰ দোহাই দিয়াৰ পৰা আদি কৰি মনস্তাত্ত্বিক চাতুৰ্যৰে নানা কৌশল ৰচনা কৰি আহিছে। পুৰুষৰ আধিপত্যশীল মনোবৃত্তি, শোষণ, বঞ্চনা আৰু নাৰীক ভোগৰ, মনোৰঞ্জনৰ সামগ্ৰী বুলি মৰ্যাদা দিয়াৰ লগে লগে নাৰীৰ সমমৰ্যাদাৰ প্ৰসংগটোৰ



সাৰশূন্যতাক প্ৰতিপন্ন কৰিছে। কিছু কিছু মূধাফুটা ব্যক্তিৰ বক্তব্যত এইটো প্ৰতিফলিত হয় যে জন্মদায়িনী একো একোটা যন্ত্ৰ। যিয়ে নাৰী পুৰুষৰ মাজত এক শীতল যুদ্ধৰ পৰিৱেশ ৰচনাত ইন্ধন যোগাইছে। পিতৃপ্ৰধান সমাজ ব্যৱস্থাত সকলোবোৰ কঠিন আৰু কঠোৰ নীতি-নিয়ম বান্ধি দিয়া হৈছে নাৰীৰ বাবে। চৰিত্ৰহীন মানুহৰহে নৈতিক স্খলন হয় 'নাৰী'ৰ। এয়া কেনে হাস্যপদ কথা। ধৰ্ষিতা হিচাপে সমাজত সদাপৰিচিত নাৰী আৰু তাৰ বাবে দায়ীও সদায় নাৰী। 'চুটি কাপোৰৰ বাবে নাৰীৰ ধৰ্ষণ নহয়, দুৰ্বল হোৱাৰ বাবেহে নাৰীৰ ধৰ্ষণ হয়।' 'অশিক্ষিত হোৱাৰ বাবেও নাৰীৰ ধৰ্ষণ নহয়, নাৰীৰ ধৰ্ষণ হয় কাৰণে, সিহঁতে নাৰীক ধৰ্ষণ কৰে, সিহঁতৰ মানসিকতাই হ'ল নাৰী নামৰ জন্তু আৰু যন্ত্ৰটোক ধৰ্ষণ কৰা।'

সমাজে যেতিয়ালৈকে নাৰীক মানৱসত্বাৰূপে জ্ঞান কৰি প্ৰাপ্য মৰ্যাদা আকুণ্ঠচিত্তে প্ৰদান কৰিব নোৱাৰে, তেতিয়ালৈকে সৰ্বস্তৰৰ নাৰীৰ দুখ-দুৰ্গতি মোচন নহ'ব আৰু সমাজৰ প্ৰগতি স্থবিৰ হৈ ৰ'ব। এইক্ষেত্ৰত বিশেষভাৱে অনুভৱী পুৰুষ সমাজৰ সহমৰ্মিতাই নাৰীৰ ওপৰত চলি অহা অন্যায়, অবিচাৰ, উৎপীড়ন, নিপীড়নৰ অন্ত পেলাই পুৰুষৰ দৰে এটি পৰিপূৰ্ণ জীৱন যাপন কৰাত অৰিহণা যোগাব পাৰিব। পুৰুষপ্ৰধান সমাজ ব্যৱস্থাই গভীৰভাৱে বিশ্বাসী আৰু নাৰীক পণ্য দ্ৰব্যৰূপে গণ্য কৰি নাৰী হৃদয়ক পদাঘাত কৰা সমাজ সঁচাকৈয়ে আমাৰ বাবে লজ্জাজনক। নাৰী আৰু পুৰুষৰ মাজত দৈহিক গঠনৰ বাদে কোনো পাৰ্থক্য নাই। প্ৰতিগৰাকী নাৰীৰ মাজতে নিহিত হৈ আছে বিশাল প্ৰতিভাৰ ভাণ্ডাৰ। এই প্ৰতিভা বিকশিত হ'বৰ বাবে মাথোঁ প্ৰয়োজন উপযুক্ত পৰিস্থিতি, পৰিৱেশ আৰু সহমৰ্মিতা, যি পুৰুষতান্ত্ৰিক সমাজত মৌচাকৰ মৌ-মিঠা বিলাই সোণত সুৰগা চৰাব। নাৰী তুমি সঁচাই অনন্যা। পুৰুষে ভবাৰ দৰে নাৰী তুমি কেৱল যৌনসত্বা নহয়, পুৰুষৰ দৰে তুমিও এক মানৱ সন্ধ্যা। তুমিও লাভ কৰিবা পুৰুষৰ দৰে জীৱনৰ পূৰ্ণতা, নাৰী তুমি অনন্যা।

'নাৰী নহয়, শক্তি মই
কেতিয়াবা ছোৱালী, কেতিয়াবা পত্নী,
কেতিয়াবা জন্মদাত্ৰী মাতৃ মই,
কেতিয়াবা নিৰ্যাতিতা
কেতিয়াবা পূজিতা মই
হাঁহি-কান্দোনৰ সাগৰ মই
নাৰী নহয়, শক্তি মই।'



# ঢকুৱাখনাৰ **ফাট বিহু**

**দিপ্তী গগৈ**
অসমীয়া বিভাগ

ঢকুৱাখনাৰ ফাটবিহু অসমীয়া সংস্কৃতিৰেই আদিম ৰূপ। আহোমৰ দিনৰে পৰা আজিৰ দিনলৈকে এই বিহু ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত অক্ষত অৱস্থাত প্ৰাকৃতিক পৰিৱেশত জীয়াই আছে বাবেই ইয়াৰ এক আঞ্চলিক বৈশিষ্ট্য পৰিলক্ষিত হয়।

ঢকুৱাখনাৰ ফাটবিহু অসমীয়া সংস্কৃতিৰেই আদিম ৰূপ। আহোমৰ দিনৰে পৰা আজিৰ দিনলৈকে এই বিহু ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত অক্ষত অৱস্থাত প্ৰাকৃতিক পৰিৱেশত জীয়াই আছে বাবেই ইয়াৰ এক আঞ্চলিক বৈশিষ্ট্য পৰিলক্ষিত হয়।

ঢকুৱাখনাৰ ফাটবিহু ব'হাগ বিহুৰেই এটি ডাল হোৱা হেতুকেই ই ৰং-ৰহইচ আৰু আনন্দ-উল্লাসেৰে পৰিপূৰ্ণ প্ৰাণোচ্ছল সংস্কৃতিৰ প্ৰতীক। পূৰ্বতে ব'হাগ মাহৰ তিনিদিন, সাতদিন, এদিন, বাৰদিন বা কুৰিদিন পিছত ফাটবিহু অনুষ্ঠিত হয়। ফাটবিহুৰ দিনকেইটাত বৰষুণ হোৱাৰ বিশেষ নজিৰো নাই। সেয়ে ৰাইজৰ সমাগমো যথেষ্ট হয়। ইতিহাস আৰু ভাষা বিজ্ঞানৰ বিচাৰত ঢকুৱাখনাৰ ফাটবিহুৰ উৎপত্তি কাল ষোল্ল শতিকাৰ আগৰ যদিও এই বিহুৰ নাম ফাটবিহু হয় ষোল্ল শতিকাত। ১৯৪৮ চনত পোন প্ৰথমবাৰৰ বাবে ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ৰ খেলপথাৰত আনুষ্ঠানিকভাৱে ফাটবিহু অনুষ্ঠিত হয়।

ফাটবিহুৰ শেষৰ দিনা মহঘুলি চাপৰিৰ হাবিয়নিৰ মাজত চিকুণাই থোৱা বিহুখোলাত বিভিন্ন গাঁৱৰ পৰা অহা বিহুদলে বিহুনাম আৰু বিহুনাচ পৰিৱেশন কৰে। হুঁচৰি টকা বিহু, গাভৰু মিচিং বিহু, দেউৰী বিহু আদি বিভিন্ন ধৰণৰ বিহু পৰিৱেশন কৰা হয়। ফাটবিহুত অংশগ্ৰহণ কৰা বেছিভাগ বিহুদলৰে নাচোন ভংগী আৰু বিহুনাম অতি পুৰণি। কৃত্ৰিমতা আৰু বিকৃতকৰণৰ পৰা আজিও ফাটবিহু বহু দূৰত।

ফাটবিহু ঢকুৱাখনীয়াৰ প্ৰাণৰ উৎসৱ হোৱাৰ উপৰি ই সমন্বয়ৰো উৎসৱ। ফাটবিহুৰ বতৰত বিভিন্ন বিহুদলৰ উপৰি আহোম, চুতীয়া, কৈৱৰ্ত, কছাৰী, কলিতা, দেউৰী, মুছলমান, কোচ আদি জনগোষ্ঠীৰ লোকেৰে লোকাৰণ্য হৈ পৰে মহঘূলি চাপৰি। মহঘূলি চাপৰিৰ বিহুত ডেকা-গাভৰুৰ মনত প্ৰেমৰ নৈ বয়। কেতিয়াবা মন মিলিলে ডেকা-গাভৰুৰ যুটিয়ে বিহুতলীৰ পৰা পলাই ফাট মাৰি ক'ৰবালৈ গুচি যায়।

॥ ॥ ॥

ফাটবিহু ঢকুৱাখনীয়াৰ প্ৰাণৰ উৎসৱ হোৱাৰ উপৰি ই সমন্বয়ৰো উৎসৱ। ফাটবিহুৰ বতৰত বিভিন্ন বিহুদলৰ উপৰি আহোম, চুতীয়া, কৈৱৰ্ত, কছাৰী, কলিতা, দেউৰী, মুছলমান, কোচ আদি জনগোষ্ঠীৰ লোকেৰে লোকাৰণ্য হৈ পৰে মহঘূলি চাপৰি। মহঘূলি চাপৰিৰ বিহুত ডেকা-গাভৰুৰ মনত প্ৰেমৰ নৈ বয়। কেতিয়াবা মন মিলিলে ডেকা-গাভৰুৰ যুটিয়ে বিহুতলীৰ পৰা পলাই ফাট মাৰি ক'ৰবালৈ গুচি যায়।

ফাটবিহুৰ অপূৰ্ব স্ৰোতধাৰা বোৱাই আছে চাৰিকড়ীয়া নৈখনে। এই নৈখন সৰু অথচ মোহনীয়া নৈ। তাহানিতে এই নৈখন পাৰ হ'বলৈ ঘাটুৱৈক চাৰিটা কড়ি দিবলগা হৈছিল। সেয়ে ইয়াৰ নাম চাৰিকড়ীয়া। ঢকুৱাখনাবাসীৰ মনত এই নৈখনৰ দৰে চহকী নৈ এখনো নাই। ইয়াৰ পাৰতেই অসমীয়া কৃষ্টিয়ে অনন্য ৰূপ পাইছে।

ফাটবিহুৰ উৎপত্তি সম্পৰ্কে প্ৰচলিত মতবাদ—

(১) আহোম ৰজাৰ দিনতে ঢকুৱাখনাৰ চাৰিকড়ীয়াৰ পাৰৰ বিহু চাবলৈ বহু দূৰৰ পৰা ৰাইজ আহিল। হাজাৰ-বিজাৰ বিহুবলীয়া ৰাইজৰ সমাগম হোৱাত বিহুতলীত ফাট মেলিছিল। তেতিয়াৰ পৰাই ঢকুৱাখনাৰ বিহুৰ নাম ফাটবিহু হোৱা বুলি কোৱা হয়।

(২) একাংশ ৰাইজৰ মতে, ঢকুৱাখনাত বিহু চলি থাকোঁতে পূৰ্বতে কেতিয়াবা ঢোল ফাটিছিল, নাচি থাকোঁতে নাচনীৰ ৰিহা-মেখেলা ফাটিছিল, ঢুলীয়াই নাচনীক পলুৱাই নিওঁতে নাচনীৰ আঁচল ফাটিছিল আৰু বিহুনাম গাওঁতে মাত ফাটিছিল। সেই সূত্ৰে ঢকুৱাখনাৰ বিহুক ফাটবিহু বুলি চিনাক্ত কৰা হয়।

(৩) ঢকুৱাখনাৰে চাৰিকড়ীয়া নদীৰ পাৰত আহোমৰ দিনৰ এটা ফাট বা ঘাট আছিল বুলি জনা যায়। এই ফাটক পানী ফাট বুলিছিল। পানী ফাটত আহোমৰ ৰাজহ, বৰকাটলী আদি তোলা হৈছিল। চাৰিকড়ীয়াৰ সেই পানীফাটতেই বহাগ মাহত ৰাইজে একগোট হৈ বহাগ বিহু পাতিছিল। ফাটত অনুষ্ঠিত হোৱা বাবেই সেই বিহুক ফাটবিহু বুলিছিল।

(৪) এবাৰ হেনো বৰ খৰাং হৈছিল। খৰাঙত ম'হঘূলি চাপৰিৰ মাটিয়ে ফাট মেলিছিল। খৰাঙৰ পৰা ৰক্ষা পাবলৈ নিৰাময় উৎসৱ হৈছিল। সেই উৎসৱৰ পিছতেই মাটিৰ ফাট মেলা বন্ধ হয় আৰু পিছৰবাৰ বিহুৰ বতৰত ধুমুহা আহে। খৰাঙৰ চাপৰিৰ মাটি ফাট মেলা সময়ৰ পৰা প্ৰতিবছৰে বিহু অনুষ্ঠিত হয় বাবে ঢকুৱাখনাৰ বিহুক ফাটবিহু বোলা হয়।

(৫) আহোম ৰজাৰ দিনত এবাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বিহুদল এটাই শিৱসাগৰৰ ৰংঘৰলৈ বিহু প্ৰদৰ্শন কৰিবলৈ যায়। বিহু প্ৰদৰ্শনত কোনোবাই অনাহক বাধা প্ৰদান কৰাত ৰংঘৰৰ পৰা ফালৰি কাটি বা ফাটি আহি উত্তৰ পাৰৰ ৰাইজে বেলেগে বিহু পাতে। সেই বিহুকে পিছলৈ 'ফাটবিহু' নামেৰে নামকৰণ কৰিব খোজে।

এই আটাইবোৰ মতামত আৰু কাহিনী ঢকুৱাখনাৰ অঞ্চলত প্ৰচলিত হ'লেও আহোম ৰজাসকলৰ দিনত চাৰিকড়ীয়াৰ পাৰৰ পানীতেই যে ফাটবিহুৰ আৰম্ভণি ঘটিছিল সেই কথা ঢকুৱাখনাবাসীয়ে মানি লৈছে। ফাটবিহুৰ বিহুনামতো এই সম্পৰ্ক পোৱা যায়।

আহোম ফাটেৰে চেনেহৰ ফাটবিহু
কিনো চাবা পিৰিতিৰ ৰং
ঢোলৰ মাত শুনি ৰ'বকে নোৱাৰোঁ
দুৱাৰৰ কাটিলোঁ ডাং।



# ভোগালীৰ আনন্দ

**দিব্যাশ্ৰী সোণোৱাল**
অসমীয়া বিভাগ

পুহ আৰু মাঘৰ সংক্ৰান্তিৰ আগদিনা উৰুকা আৰু সংক্ৰান্তিৰ দিনা পালন কৰা হয় মাঘ বিহু। উৰুকাৰ দিনা মেজি, ভেলাঘৰ আদি সাজি বহু ঠাইত গোসাঁইঘৰত মাহ-প্ৰসাদ দিয়ে। ঠাইবিশেষে মাঘৰ বিহুৰ দিনাও দিয়া হয়। উৰুকাৰ দিনা গাঁৱৰ সকলোখিনি ৰাজহুৱা স্থানত ভোজ-ভাত খায়।

এই বিহুৰ অৰ্থ হ'ল— ব্ৰহ্মপূজা বা অগ্নি পূজা। উৰুকাৰ দিনা সজা মেজিটো বিহুৰ দিনা পুৱা গা-পা ধুই গাঁৱৰ জ্যেষ্ঠ ব্যক্তিয়ে জ্বলাই সেৱা-সৎকাৰ কৰে। মেজিৰ জুইকুৰাত মাহ গোট কৰাই, কাঠ আলু, মোৱা আলু, ৰঙা আলু, তিল, পিঠা-পনা, থুৰিয়া তামোল দি সকলোৱে সেৱা কৰে। মেজি জ্বলাই এই মন্ত্ৰৰে— 'অগ্নি প্ৰজলিতং বন্দে চতুৰ্বেদং হুতাশন সুবৰ্ণ বৰ্ণ মণ্ডলং জ্যোতি ৰূপায়তে নমঃ'। মেজিৰ ওচৰত থকাসকলে গায়— 'পুহ গ'ল মাঘ আহিল, অগ্নি দেৱতাৰ বল বাঢ়িল।' মেজি জ্বলোৱাৰ পাছত বাৰীৰ গছত ধান খেৰেৰে বান্ধে অধিক ফল লাগিবলৈ, ভঁৰাল, মূল ঘৰ আদিও বান্ধে খেৰেৰে অপায়-অমংগল দূৰ হ'বৰ বাবে। মাঘ বিহুত বিভিন্ন ধৰণৰ খেল-ধেমালি খেলা হয়। নানা তৰহৰ পিঠা-পনা, জা-জলপানেৰে আপ্যায়িত কৰা হয় আত্মীয়-কুটুমক। মাঘ বিহুৰ লগত প্ৰচলিত আছে ৰীতি-নীতি আৰু বিশ্বাস। এই মাঘ বিহুক মকৰ সংক্ৰান্তি বুলিও কোৱা

হয়। এই মকৰ সংক্ৰান্তিয়ে ভাৰতত এক বিশেষ স্থান লাভ কৰি আহিছে। হিন্দুসকলৰ পৱিত্ৰ উৎসৱ মকৰ সংক্ৰান্তি সমগ্ৰ দেশতে বিভিন্ন সংস্কৃতিৰ নিয়ম অনুযায়ী পালন কৰা হয়। এই উৎসৱক লৈ পুৰাণ, মহাভাৰত আৰু অন্যান্য ধৰ্মীয় শাস্ত্ৰত অলেখ কাহিনী, আখ্যান পোৱা যায়। জ্যোতিষ শাস্ত্ৰমতে মকৰ সংক্ৰান্তিৰ গুৰুত্বপূৰ্ণ অৰ্থ আছে। শব্দগতভাৱে 'মকৰ'ৰ অৰ্থ হ'ল— মকৰ কাল বা দক্ষিণায়ন আৰু সংক্ৰান্তিৰ অৰ্থ হৈছে পৰিৱৰ্তন মকৰ সংক্ৰান্তিৰ দিনাৰ পৰাই দিন ক্ৰমে দীঘলীয়া হ'বলৈ ধৰে। এই মকৰ সংক্ৰান্তিৰ দিনটোত যাগ-যজ্ঞ, তপ-জপ, স্নান-দান, তৰ্পণ আদি কৰিলে মোক্ষপ্ৰাপ্তি হয় বুলি বিশ্বাস কৰে হিন্দুসকলে। মহাভাৰতৰ আখ্যান মতে, এই পৱিত্ৰ দিনটোত পিতামহ ভীষ্মই দেহ ত্যাগ কৰিছিল। আন এক আখ্যান মতে, ভগৱান শ্ৰীকৃষ্ণই অসুৰসকলক হত্যা কৰি মণ্ডৰ পৰ্বতত জুই জ্বলাই দিছিল আৰু এই দিনটোৱে মানৱ জগতলৈ আন্ধাৰ দূৰ কৰি কঢ়িয়াই আনিছিল পোহৰ, ইও এক মকৰ সংক্ৰান্তিৰ প্ৰতীক। যি সময়ত আমি অসমত মাঘবিহু পালন কৰোঁ, সেই সময়তে ভাৰতৰ বিভিন্ন ৰাজ্যত অতি উলহ-মালহেৰে নিজস্ব নিয়ম-পৰম্পৰাৰে মকৰ সংক্ৰান্তি উদ্‌যাপন কৰা হয়।

উত্তৰ প্ৰদেশত মকৰ সংক্ৰান্তিক 'খিচিড়ি' বোলা হয়। গংগা, যমুনা, সৰস্বতীৰ সংগমস্থলী প্ৰয়াগ নামৰ ঠাইত মকৰ সংক্ৰান্তিৰ দিনা এমাহজোৰা মাঘী মেলা পাতে আৰু এই সংগমস্থলীত হিন্দুসকলে স্নান কৰে মাঘী পূৰ্ণিমাৰ দিনা। অন্যান্য স্থানৰ পৰাও বহু লোকৰ সমাগম ঘটে স্নান কৰাৰ বাবে।

পশ্চিম বংগত প্ৰচলিত এক আখ্যান মতে, কপিল মুনিৰ শাপত ভষ্মীভূত হোৱা ভগীৰথৰ ষাঠি হাজাৰ পূৰ্বপুৰুষক ভাগীৰথৰ তপস্যাত সন্তুষ্ট হৈ গংগাৰ এই স্থানতে মুক্তি দিছিল। সেইবাবে এই স্থান হিন্দুসকলৰ অতি পৱিত্ৰ। সেয়েহে গংগাত স্নান কৰিলে পাপ খণ্ডন হয় বুলি বিশ্বাস কৰে। গংগাৰ পাৰত মকৰ সংক্ৰান্তিত যি বৃহৎ মেলাৰ আয়োজন কৰা হয় তালৈ বহু দেশী-বিদেশী পৰ্যটক আহে।

গুজৰাটৰ এই উৎসৱত আকাশত বিভিন্ন ধৰণৰ চিলা উৰুৱাই সূৰ্যদেৱৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে। মহিলাসকলে বিভিন্ন ধৰণৰ মিঠাই তৈয়াৰ কৰে। তিলৰ লাডু এই দিনটোত বিনিময় কৰিলে ওচৰ-চুবুৰীয়াৰ লগত মধুৰ সম্পৰ্ক স্থাপন হয় বুলি বিশ্বাস কৰে। ঘৰচীয়া জীৱ-জন্তুক গা ধুৱাই পিঠা খাবলৈ দিয়ে আৰু জীৱ-জন্তুৰ মংগলৰ হকে পূজা পাতল কৰে।

কৰ্ণাটকতো মকৰ সংক্ৰান্তিত মহিলাসকলে তিল, নাৰিকল আৰু চেনিৰে তৈয়াৰী ইল্লু আৰু তিলৰ গুড়িৰে তৈল্লু আৰু বেল্লা আদি ভিন ভিন খাদ্য প্ৰস্তুত কৰে। এনেদৰে বিভিন্ন লোকাচাৰৰ মাজেৰে কৰ্ণাটকবাসীয়ে মকৰ সংক্ৰান্তি পালন কৰে। কৰ্ণাটকতো ইল্লু আৰু য়েল্লু মিটিৰ-কুটুম আৰু ওচৰ-চুবুৰীয়াৰ মাজত বিতৰণ কৰাৰ নিয়ম আছে। এনে কৰিলে তেওঁলোকৰ মাজত মিলা-প্ৰীতি অটুট থাকে বুলি বিশ্বাস কৰে।

তামিলনাডুত মকৰ সংক্ৰান্তি কৃষিজীৱী সমাজত অতি জনপ্ৰিয় উৎসৱ। এই উৎসৱক পোংগল বুলি কোৱা হয়। কোনো পাত্ৰত গাখীৰৰ সৈতে উতলোৱা ভাতৰ কল্লোল ধ্বনিৰ পৰা হোৱা শব্দকে পোংগল বুলি কোৱা হয়। এই মিঠা খাদ্য আমাৰ ইয়াৰ পায়সৰ সৈতে মিলি যায়। তামিলনাডুৰ ব্যক্তিসকলে ৱাডাই, মুৰুক্কু আদি বিভিন্ন ধৰণৰ মিঠাই তৈয়াৰ কৰে। এই উৎসৱৰ তৃতীয় দিনা ঘৰচীয়া জীৱ-জন্তুবোৰক ধুনীয়াকৈ সজায়। গৰু-ম'হৰ শিঙত সোণ-ৰূপেৰেও সুন্দৰভাৱে সজাই বিভিন্ন খাদ্য খুৱায়। তামিলনাডুৰ কৃষিজীৱী সমাজত এনেধৰণৰ পৰম্পৰা চলি আহিছে।

অন্ধ্ৰপ্ৰদেশত মকৰ সংক্ৰান্তি চাৰিদিন পালন কৰে। অন্ধ্ৰপ্ৰদেশত সকলোতকৈ ডাঙৰ উৎসৱ মকৰ সংক্ৰান্তি। তেলেগু ভাষাৰ এই উৎসৱক পেজ্যা পাওগা বোলা হয়। প্ৰথম দিনা ভোগী পাওগা বুলি কোৱা হয়। দ্বিতীয় সংক্ৰান্তি, তৃতীয় কানুমা আৰু চতুৰ্থদিনা মুক্কা নুমা বোলা হয়। প্ৰথম তিনিদিন নিৰামিষ ভোজন কৰে আৰু চতুৰ্থ দিনা সকলোৱে আমিষ ভোজন কৰে আৰু বিভিন্ন ধৰণৰ খেল-ধেমালি খেলে।

পাঞ্জাৱত লোহৰি বোলা হয় মকৰ সংক্ৰান্তিক আৰু আমাৰ মাঘবিহুৰ বহু ক্ষেত্ৰত সাদৃশ্য আছে পাঞ্জাৱৰ এই মকৰ সংক্ৰান্তিৰ লগত। সংক্ৰান্তিৰ আগদিনা ডাঙৰ মেজিসদৃশ জুই জ্বলাই মিতিৰ-কুটুম, বন্ধু-বান্ধৱ সকলো মিলি আনন্দ-উল্লাসৰ মাজেৰে 'লোহাৰি' আগুৰি থাকে। এই মেজিটোক 'লোহাৰি' বুলি কোৱা হয়। এই 'লোহাৰি' জুইত মিঠাই, তেল, চাউল আদি ঢালি দিয়া হয়। লোকবিশ্বাস মতে, যিমান সৰহকৈ তেল ঢলা হয় সিমান পুণ্য অৰ্জন কৰা হয়। ৰাতি ভোজ খায় আৰু ভোজত সৰিয়হ শাক, মাকৈৰ ৰুটি খোৱাৰ নিয়ম আছে। পিছদিনা মকৰ সংক্ৰান্তিৰ দিনটোক 'মাঘী' বুলি কয়।

কেৰেলাত আয়প্পা নামৰ এজন দেৱতাক ভক্তসকলে উনপঞ্চাছ দিন পূজা কৰি মকৰ সংক্ৰান্তিৰ দিনা সামৰণি মাৰে। মকৰ সংক্ৰান্তিৰ দিনা ডাঙৰ উৎসৱ অনুষ্ঠিত হয়। কেৰেলাত মকৰ সংক্ৰান্তি বেলেগ ধৰণে পালন কৰা হয়।

উৰিষ্যাতো মকৰ সংক্ৰান্তিৰ দিনা আমাৰ মাঘবিহুৰ দৰে পালন কৰে। উৰিষ্যাৰ জনজাতিসকলে খৰি আৰু খেৰেৰে জুই জ্বলাই নাচ-গান কৰে আনন্দ-উল্লাহেৰে আৰু সকলোৱে মিলি একেলগে ভোজ খায়। 'ভূয়া' নামৰ জনজাতিটোৱে উৰিষ্যাত মাঘ যাত্ৰা নামৰ এটা অনুষ্ঠান অনুষ্ঠিত কৰে। এইদৰে মকৰ সংক্ৰান্তিৰ পৱিত্ৰ দিনটোক ভাৰতবৰ্ষৰ বিভিন্ন স্থানত নিজৰ নীতি-নিয়মৰ মাজেৰে পালন কৰি অহা হৈছে।

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

**গৰিয়সীময়ী ভূঞা**
অসমীয়া বিভাগ

বহু হাজাৰ বছৰৰ আগতে নিজৰ মুনাফাৰ বাবেই হওক বা প্ৰকৃতিগত বা প্ৰবৃত্তিগত কাৰণতে হওক, মানুহে দলগতভাৱে বসবাস কৰাৰ ফলস্বৰূপেই সমাজৰ সৃষ্টি হৈছিল। এই সমাজৰেই এক উল্লেখযোগ্য উদ্ভাৱন হ'ল— 'শিক্ষা'। শিক্ষাৰ যোগেদিহে মানুহে জ্ঞানৰ পোহৰেৰে আলোকিত হৈ সহজাত প্ৰবৃত্তিসমূহৰ উন্নতি সাধন কৰিছিল।

এখন দেশ গঠন হয় ব্যক্তিক লৈ। এখন দেশৰ প্ৰগতিত পুৰুষ আৰু নাৰীৰ সমানেই গুৰুত্ব আছে আৰু সমানেই সংস্কাৰমূলক কাৰ্যাৱলীসমূহ গ্ৰহণ কৰে। পুৰুষৰ সমানে নাৰীৰো বিভিন্ন ক্ষেত্ৰত যোগ্যতা, ক্ষমতা আৰু প্ৰতিভা আছে। বিভিন্ন সময়ত নাৰী শিক্ষাৰ প্ৰসাৰ বিভিন্ন ধৰণে দেখা যায়।

বৈদিক শিক্ষা ব্যৱস্থাত নাৰীয়ে এক উচ্চ আসন লাভ কৰিছিল। এইসকল হৈছে— অপলা, লোপামুদ্ৰা, উৰ্বশী, সাবিত্ৰী, দেৱযানী, গাৰ্গী, লীলাৱতী আদি। নাৰীসকলক বৈদিক যুগত 'দেৱী'স্বৰূপে গণ্য কৰা হৈছিল।

বৌদ্ধ শিক্ষা ব্যৱস্থাত প্ৰথম অৱস্থাত মহিলাসকলক বৌদ্ধ বিহাৰত প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাছিল যদিও ভিক্ষুণীসকলৰ অনুৰোধমৰ্মে পৰৱৰ্তী সময়ত মহিলাসকলকো বৌদ্ধ বিহাৰত প্ৰৱজ্যা গ্ৰহণৰ জৰিয়তে প্ৰৱেশৰ অনুমতি দিয়ে। বৌদ্ধ শিক্ষা ব্যৱস্থাত অতি ধৰ্মপৰায়ণ নাৰীসকল যিসকলে সাংসাৰিক যন্ত্ৰণাৰ পৰা নিবৃত্তি পাব বিচাৰে, তেওঁলোককহে বৌদ্ধ ধৰ্ম আৰু বৌদ্ধ সংঘত শৰণ দিয়া হৈছিল। এই মহিলাসকলৰ মাজৰ পৰাই কবি, সাহিত্যিক, শিক্ষক, দাৰ্শনিক আৰু ৰাজনীতিবিদৰ সৃষ্টি হৈছিল।

মুছলমানসকলৰ ৰাজত্বকালত স্ত্ৰী শিক্ষাৰ অধিক অৱনতি হৈছিল। সৰ্বসাধাৰণ মহিলাৰ বাবে শিক্ষা এক অৱহেলিত বিষয় আছিল যদিও ৰাজকীয় আৰু সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীক ঘৰতে প্ৰয়োজনীয় শিক্ষা দিয়া হৈছিল। গুলবদন, ছালমা, চুলতানা, মমতাজ, ৰেজিয়া আদি মহিলাই বিভিন্ন বিষয় অধ্যয়নৰ জৰিয়তে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল।

ইংৰাজসকল আৰু খ্ৰীষ্টান মিছনেৰীসকল ভাৰতলৈ অহাৰ সময়ত ভাৰতত সাধাৰণ মহিলাসকলৰ শিক্ষা অৱহেলিত হৈ আছিল। ইংৰাজসকলে স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। কিন্তু খ্ৰীষ্টান মিছনেৰীসকলৰ কেইগৰাকীমানে মহিলাৰ বাবে 'জানানা স্কুল' স্থাপন কৰিছিল। ইংৰাজ মহিলাসকলে ১৮২০ চনত 'কলিকতা' ফিমেল জুভেনাইল ছ'চাইটী স্থাপন কৰি স্ত্ৰী শিক্ষাৰ প্ৰসাৰত অৰিহণা যোগাইছিল।

১৮৫৪ চনত চাৰ্লছ উডৰ প্ৰতিবেদনৰ যোগেদি চৰকাৰীভাৱে স্ত্ৰী শিক্ষাৰ প্ৰতি মনোযোগ দিয়া হৈছিল। সেই সময়ত ভাৰতত মুঠ ৬২৫খন ছোৱালী স্কুল আছিল। ১৯৩৭ চনত ইংৰাজে ৰাজ্যিক স্বায়ত্ত শাসন প্ৰদান কৰাৰ ফলত স্ত্ৰী শিক্ষাৰ অধিক প্ৰসাৰ লোৱাৰ সুবিধা পাইছিল। ১৯৪৭ চনত ভাৰত স্বাধীন হ'ল আৰু ১৯৫০ চনত ভাৰতৰ সংবিধান কাৰ্যকৰী হ'ল। ভাৰতীয় সংবিধানৰ ১৫(১) আৰু ১৬(১) আৰু ১৬(২) নং অনুচ্ছেদত স্ত্ৰী শিক্ষাৰ বিষয়ে উল্লেখ আছে।

বৰ্তমান যুগত নাৰী শিক্ষাৰ বহুল প্ৰচাৰ দেখা গৈছে। ভাৰতবৰ্ষৰ দৰে এখন দেশত বিশেষকৈ জাতিভেদ, কু-সংস্কাৰেৰে ভৰপূৰ এখন দেশ এগৰাকী নাৰীৰ নেতৃত্বত পৰিচালিত হোৱাটো অতি উল্লেখযোগ্য। যদিও পুৰণিকালত নাৰী শিক্ষাই প্ৰসাৰতা লাভ কৰা নাছিল লাহে লাহে নাৰীক শিক্ষিত কৰি তোলাটো লেখত ল'বলগীয়া কাম হৈ পৰিছে।

মহিলাসকলৰ সবলীকৰণৰ ক্ষেত্ৰত জৱাহৰলাল নেহৰুৱে কৈছিল— 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালটোকে শিক্ষিত কৰা।'

নাৰীয়েই হৈছে এটি শিশুৰ প্ৰথম শিক্ষক। এগৰাকী মাতৃয়েই শিশুক তত্ত্বাৱধান কৰে। পথ প্ৰদৰ্শক হিচাপে থিয় দিয়ে আৰু নিয়ন্ত্ৰণ কৰে। যদি এগৰাকী নাৰী শিক্ষিত হয়, তেন্তে সমগ্ৰ বংশটোৱেই শিক্ষিত হ'ব।

গতিকে দেখা গ'ল যে ঘৰৰ পৰিয়ালৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰলৈকে সকলো ক্ষেত্ৰতেই বিকাশত নাৰী শিক্ষা জড়িত হৈ আছে। সেয়ে নাৰীসকলক শিক্ষিত কৰি তোলাটো সমগ্ৰ দেশৰেই দায়িত্ব আৰু কৰ্তব্য।



# ঐতিহাসিক পটভূমিত কন্দলী থান

**প্ৰাংগণা গোস্বামী**
বুৰঞ্জী বিভাগ

শংকৰ-মাধৱৰ মহাপ্ৰয়াণৰ পিছত গোপাল আতাই ভক্তি ধৰ্ম প্ৰচাৰৰ সমস্ত দায়িত্ব বহন কৰিছিল। তেখেতৰ বাৰ আতাৰ যোগেদি ভৈয়ামত বসবাস কৰা সাধাৰণ জাতি আৰু জনগোষ্ঠীসকলক একত্ৰিত কৰি ধৰ্ম প্ৰচাৰ কৰা বুলি তেখেতসকলৰ চৰিতপুথিত উল্লেখ আছে।

বৈষ্ণৱী সংস্কৃতিৰ ধ্বজাবাহক লখিমপুৰ জিলাৰ এক সুকীয়া ঐতিহ্য আছে। অসমৰ মহাপুৰুষীয়া ধৰ্ম বা একশৰণ নাম ধৰ্ম প্ৰৱৰ্তনৰ এজন মূল হোতা তথা নামঘোষা, ভক্তি ৰত্নাৱলীৰ দৰে অনুপম গ্ৰন্থৰ সৃষ্টিকৰ্তা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে লখিমপুৰ জিলাৰ লেটেকুপুখুৰীত জন্মগ্ৰহণ কৰিছিল। এই স্থানৰে নাতিদূৰত ডিক্ৰং নদীৰ পূব প্ৰান্তত পাঁচআলিৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ আঁতৰত কন্দলী পুখুৰী অৱস্থিত। শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পিছত মাধৱদেৱক গুৰুৰূপে মানি লৈ গোপালদেৱে কালঝাৰ সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এই গোপাল আতাৰে বাৰ আতাৰ তিনিজন মুখ্য আতাক এই স্থানতে সমাধিস্থ কৰা হৈছিল। সেইসকল যথাক্ৰমে বৰ আতা যদুমণিদেৱ, গজলা আতা শ্ৰীশ্ৰীসৰু যদুমণিদেৱ আৰু মায়ামৰা সত্ৰৰ প্ৰতিষ্ঠাপক শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ। এই তিনিজনা আতাৰ সমাধিক্ষেত্ৰত এই যদুমণি থান। প্ৰায় দহপুৰা মাটিৰে এটা বিশাল পুখুৰীৰ পশ্চিম প্ৰান্তত এই থানক্ষেত্ৰ অৱস্থিত।

শংকৰ-মাধৱৰ মহাপ্ৰয়াণৰ পিছত গোপাল আতাই ভক্তি ধৰ্ম প্ৰচাৰৰ সমস্ত দায়িত্ব বহন কৰিছিল। তেখেতৰ বাৰ আতাৰ যোগেদি ভৈয়ামত বসবাস কৰা সাধাৰণ জাতি আৰু জনগোষ্ঠীসকলক একত্ৰিত কৰি ধৰ্ম প্ৰচাৰ কৰা বুলি তেখেতসকলৰ চৰিতপুথিত উল্লেখ আছে। এই ক্ষেত্ৰৰে নাতিদূৰত অৱস্থিত হেঙুলীয়া নামৰ ঠাইত বৰ আতা যদুমণিদেৱে বাহৰ পাতি আছিল। ঠিক ডিক্ৰং নদীৰ পূব প্ৰান্তত বৰ্তমানৰ গন্ধিয়াৰ প্ৰাচীন নাম আছিল গৌৰাংগ গাঁও। তাতেই গজলা আতা শ্ৰীশ্ৰীসৰু যদুমণিদেৱৰ বাহৰ আছিল। বদতিৰ সমীপৱৰ্তী সোৱণশিৰি নদীৰ কাষতে দেৱেযু নামৰ ঠাইত নাৰায়ণ আতাৰ বাহৰ আছিল। এই বাৰ আতাৰ যোগসূত্ৰ স্থাপন হৈছিল লখিমপুৰতেই। ১৫৫০ চনৰ পাছৰ পৰা এই গুৰুসকলে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰকাৰ্য চলাইছিল। পৰ্বত-ভৈয়ামত বসবাস কৰা সমূহ জাতি-জনগোষ্ঠীক একত্ৰিত কৰি

প্ৰাচীন প্ৰবাদ অনুসৰি, এই থানৰ মাহাত্ম্য লোকপ্ৰবাদ অনুসৰি বৰ্তমানেও চলি আহিছে। আজিও এই থানৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ নামত বিশেষ একো কৰিব পৰা নহ'ল। সি অতি পৰিতাপৰ কথা।

॥ ॥ ॥

বৈষ্ণৱী ধ্বজা বিস্তৃত ৰূপত প্ৰকাশ কৰাইছিল। সংস্কাৰমুখী দৃষ্টিভংগীৰে সকলো লোকক একত্ৰিত কৰি ভক্তিধৰ্মৰ পৰিসৰ বৃদ্ধি কৰিছিল। তাৰ প্ৰত্যক্ষ প্ৰমাণ বৰ্তমানৰ জনজাতীয় গাঁওসমূহত আজিও প্ৰৱাহমান। এই যদুমণি থানক জনজাতীয় লোকসকলে অতি শ্ৰদ্ধাৰে 'বাপৰ আতা থান' বুলিও স্বীকাৰ কৰে। কোনো কোনোৱে আকৌ 'বৰ আতা থান' বুলিও কয়। এই থানত বহু লোকে কৃষিকাৰ্যৰ প্ৰাক্‌মুহূৰ্তত ভোগ-প্ৰসাদ চৰাই কৃষিকাৰ্যৰ বিপদ-বিঘিনি দূৰ কৰিবলৈ কাতৰ প্ৰাৰ্থনা জনাই আহিছে। মায়ামৰা অনিৰুদ্ধদেৱৰ শিষ্য-প্ৰশিষ্যসকলে এই স্থানত থান নিৰ্মাণৰ যো-জা চলোৱাত বাকী আতাসকলৰ শিষ্য-প্ৰশিষ্যই গুৰুজনাৰ নামত সমৰ্পিত কৰিবলৈ টান পাই বাধা প্ৰদান কৰে। ফলত ইয়াৰ পৰা কিঞ্চিৎ ভূমি উঠাই নি এই থানৰে পূব প্ৰান্তৰ অনিৰুদ্ধদেৱৰ থান প্ৰতিষ্ঠা কৰা হয়। অনিৰুদ্ধদেৱৰ থানে বৰ্তমান সময়ত নিৰ্মাণৰ পূৰ্ণতা পাইছে। দুখৰ কথা যে একৈছ শতিকাৰ বৰ্তমানৰ সন্ধিক্ষণতহে বাকী গুৰু দুজনাৰ স্থানত নামঘৰ প্ৰতিষ্ঠা হৈছে। কিন্তু যোল্ল শতিকাৰ পৰাই যথাৰীতি অনুসৰি ইয়াত পূজা-অৰ্চনা চলি আহিছে। প্ৰাচীন প্ৰবাদ অনুসৰি, এই থানৰ মাহাত্ম্য লোকপ্ৰবাদ অনুসৰি বৰ্তমানেও চলি আহিছে। আজিও এই থানৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ নামত বিশেষ একো কৰিব পৰা নহ'ল। সি অতি পৰিতাপৰ কথা।

সেই বাৰ আতা যদুমণিদেৱৰ জ্যেষ্ঠ পুত্ৰ সনাতনৰ পৰাই দিহিং সত্ৰ, মাজু পুত্ৰ ৰতিকান্তৰ পৰা বাংশবাৰী সত্ৰ আৰু সৰু পুত্ৰ শ্ৰীকান্তৰ পৰা ন-মাটি সত্ৰই বৈষ্ণৱী ধ্বজা বহন কৰি আহিছে। মাজু পুত্ৰ ৰতিকান্তৰ পুত্ৰসকলৰ পৰাই ক্ৰমে গিৰিধৰ ধলৰসত্ৰ, নৰোত্তমৰ তেলপানী সত্ৰ, জগধৰৰ লেংদি সত্ৰ, ঘাৰমৰা প্ৰভৃতি কেইবাখনো সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। ঠিক তেনেদৰে গজলা আতা সৰু যদুমণিদেৱৰ পৰা চৌবিছখন গজলা সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। এই সত্ৰকেইখনত আৰ্হি-আদৰ্শৰ কিছু পাৰ্থক্য থাকিলেও বৈষ্ণৱী ভাবধাৰাৰ লগতে কৃষ্টি-সংস্কৃতিক বৰ্তমানেও সজীৱ কৰি ৰাখিছে। পাশ্চাত্য সংস্কৃতিয়ে এতিয়াও এই অঞ্চলক গ্ৰাস কৰিব পৰা নাই।

কন্দলী পুখুৰীটোৱেও ঐতিহাসিক বিশালতাৰ দিশত স্থান লাভ কৰিছে। এই বিশাল পুখুৰীটো নাৰায়ণপুৰৰ ৰাধাপুখুৰীসদৃশ কিন্তু আজিকোপতি চৰকাৰী পক্ষই এই ক্ষেত্ৰক বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহ'ল। পন্থগত মতবিৰোধৰ দোহাই দি বহু অভিজ্ঞ লোকে ইয়াৰ পৰা আঁতৰি থাকে। বৰ্তমানৰ ঔদ্যোগিকতাৰ যুগত বিশাল সম্ভাৱনাপূৰ্ণ এই ক্ষেত্ৰ সু-সংগবদ্ধভাৱে গঢ়ি তুলিলে পৰ্যটনৰো আকৰ্ষণীয় কেন্দ্ৰ হৈ পৰিব। কলেৱৰ বৃদ্ধি নকৰি এই ক্ষেত্ৰৰ চমু বিৱৰণ সংক্ষিপ্তভাৱে দাঙি ধৰিছোঁ। বিস্তৃত বিৱৰণৰ বাবে বৰ আতা, গজলা আতাৰ চৰিতপুথিত বিশদ বিৱৰণ পোৱা যাব। 'গজলা আতাৰ চৰিত'ৰ ৫৬নং পৃষ্ঠাত এই থানক্ষেত্ৰৰ বিৱৰণ উল্লেখ আছে।

এই থানক্ষেত্ৰই ভক্ত-বৈষ্ণৱসকলক আজিও নীতি-আদৰ্শৰ লগত বান্ধ খুৱাই ৰাখিছে। শংকৰদেৱৰ দিনৰ পৰা বৰ্তমান অৱস্থালৈকে বৈষ্ণৱী আন্দোলনৰ ধাৰা প্ৰৱাহিত হৈ আহিছে। এই ক্ষেত্ৰসমূহে দূৰ প্ৰবৃত্তিসমূহ দূৰ কৰি সৎ প্ৰবৃত্তিত থাকিবলৈ অনুপ্ৰাণিত কৰে। সেয়েহে এই থানসমূহৰ সংৰক্ষণ সাম্প্ৰতিক সময়ত প্ৰয়োজনীয় হৈ পৰিছে। ইতিহাস বিজড়িত এই ক্ষেত্ৰত পুৰাতাত্ত্বিক সমলৰো তথ্য জড়িত হৈ থকা পৰিলক্ষিত হয়।



**ৰিকৃষ্ণা এছ বৰা**
ৰসায়ন বিজ্ঞান বিভাগ

# বৰ্তমানৰ প্ৰেক্ষাপটত নাৰী

ভাৰতবৰ্ষই স্বাধীনতাই একসত্তৰ বছৰত ভৰি দিছে। ১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰ ভাৰতবৰ্ষই ইংৰাজসকলৰ পৰা মুক্তি পাইছিল অৰ্থাৎ স্বাধীনতা পাইছিল। কিন্তু স্বাধীন ভাৰতত আমি নাৰী সমাজ কিমান স্বাধীন। আজিৰ সমাজত প্ৰথম আৰু প্ৰধান প্ৰশ্ন সেয়াহে। মহাভাৰতৰ দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ পৰা বৰ্তমানলৈকে বহুত ক্ষেত্ৰতেই নাৰী অপমানিত হৈ আহিছে। আধুনিক আৰু শিক্ষিত এইখন সমাজত পদে পদে নাৰীৰ ওপৰত অত্যাচাৰ হৈ আহিছে, সেয়া লাগিলে শাৰীৰিকভাৱেই হওক বা মানসিকভাৱে।

ধৰ্ষণ, বৰ্তমান সমাজৰ এক দুৰন্ত ব্যাধি। ব্যাধি বুলি এইকাৰণেই লিখা হৈছে কাৰণ এই কাৰ্য সংঘটিত কৰা লোকসকল আচলতে একো একোজন মানসিক ৰোগত আক্ৰান্ত লোক। ২০১২ চনৰ ডিচেম্বৰ মাহৰ ১৬ তাৰিখৰ ভয়ংকৰ ৰাতিটো। সেই ৰাতিটোত নিৰ্ভয়া নামৰ ছোৱালীজনীৰ লগত হৈ যোৱা ঘটনাটো হয়তো পাহৰিব পৰা নাই কোনোৱে। তাৰ পাছত এটা এটাকৈ সংঘটিত হৈছে এনেকুৱা বৰ্বৰ ঘটনা। কেতিয়াবা যদি পাঁচমহীয়া এটি শিশু, অন্য কেতিয়াবা আশীৰ ঊৰ্দ্ধৰ এগৰাকী আইতা, প্ৰত্যেক দিনাই কোনোবা নহয় কোনোবা নাৰী ধৰ্ষণৰ চিকাৰ হৈ আহিছে। অতি পৰিতাপৰ বিষয় যে এইসকল নাৰীৰ দুখত দুখী হোৱাৰ সলনি, প্ৰতিবাদ কৰাৰ সলনি কিছুসংখ্যক লোকে এই ঘটনাৰ বাবে তেওঁলোকৰ সাজ-পোছাকক দায়ী হিচাপে ধৰে। এবাৰ এগৰাকী মহিলাই নিজৰ আঠমহীয়া ছোৱালীজনীৰ লগত হোৱা ধৰ্ষণ-কাণ্ডৰ পাছত মন্তব্য দিছিল যে মানি ল'লোঁ ধৰ্ষণ কাপোৰ নিপিন্ধাৰ ধৰণৰ বাবেই হয়, কিন্তু মইনো মোৰ আঠমহীয়া ছোৱালীজনীক কোন স'তে শাৰী পিন্ধাই থওঁ।

স্বাধীন ভাৰতৰ বাসিন্দা বুলি এনেধৰণৰ মানুহৰূপী পশুবোৰে নিৰ্লজ্জভাৱে নিজৰ স্বাধীনতা আদায় কৰিবৰ চেষ্টা কৰে। যাৰ ফলত অন্য দহজনী নাৰীৰ স্বাধীনতা কাঢ়ি লোৱা হয় মুক্তমনে ঘূৰি ফুৰাৰ। যিগৰাকী নাৰীয়ে জন্ম দিয়ে সেইগৰাকী নাৰীৰ তুল্য অন্য নাৰীকো নিজৰ মাৰ দৃষ্টিৰেই যদি চাবলৈ শিকে, তেতিয়া জানো এইবোৰ ঘটনা কমি নাযাব? কেৱল বাক্যত, কিতাপত বা মুখেৰেই নাৰী আৰু পুৰুষ সমপৰ্যায়ৰ বুলি ক'লেই নহ'ব। নাৰীকো পুৰুষৰ সমান স্বাধীনতা দিব লাগিব, উচিত সন্মানেৰে সন্মানিত কৰিব লাগিব। তেতিয়াহে আমি গৌৰৱেৰে ক'ব পাৰিম যে হয়, আমি স্বাধীন ভাৰতৰ স্বাধীন নাৰী।

# যুৱ উচ্ছৃংখলতা ঃ এক সামাজিক ব্যাধি


**আছিফা শ্বামচি**

ৰাজনীতি বিজ্ঞান বিভাগ


'সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰ মাতে
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।'

সুন্দৰ পৃথিৱীখন আজি নানা সমস্যাৰে জৰ্জৰিত। নানা সমস্যাই জুমুৰি দি ধৰা মানৱ সমাজৰ এক অন্যতম ভয়াৱহ সমস্যা হ'ল যুৱ উচ্ছৃংখলতা। যুৱ সমাজ দেশৰ ভৱিষ্যৎ, দেশৰ মূল চালিকাশক্তি। দেশৰ যুৱ সমাজক উপযুক্ত মানৱ সম্পদৰূপে গঢ় দিব পাৰিলে দেশ এখন শক্তিশালী হয়। ভাৰতৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশই হ'ল ৩৫ বছৰ অনূৰ্ধ্বৰ। ভাৰতত প্ৰায় ৬০০ মিলিয়ন যুৱক-যুৱতী আছে। এই যুৱ সমাজে নিশ্চিতভাৱে সমাজখন পৰিৱৰ্তন কৰিব পাৰিব। কিন্তু এই পৰিৱৰ্তন কোনে দিশে হৈছে সেয়া লক্ষণীয়।

দেশৰ জনসংখ্যাৰ এক বৃহৎ অংশ আগুৰি থকা যুৱ সমাজ আজি এক মাৰাত্মক ব্যাধিৰ দ্বাৰা আক্ৰান্ত, যাক আমি যুৱ উচ্ছৃংখলতা বুলি কওঁ। পৰিৱেশৰ প্ৰতিকূলতাত এচাম যুৱক-যুৱতীয়ে আত্মসংযম হেৰুৱাই সমাজত বিশৃংখল পৰিৱেশ সৃষ্টি কৰে। ইয়াকে যুৱ উচ্ছৃংখলতা বুলি কোৱা হয়। পুৱাৰ বাতৰি কাকতখন মেলিলেই চকুত পৰা হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ আদিৰ আঁৰৰ কাৰণ বহুক্ষেত্ৰত যুৱ উচ্ছৃংখলতা।

সাম্প্ৰতিক সময়ত আমাৰ ৰাজ্যখনত উচ্ছৃংখল যুৱ মানসিকতাই বাৰুকৈয়ে গা কৰি উঠিছে। আজিৰ যুৱ প্ৰজন্মৰ মাজত অপৰাধপ্ৰৱণতাৰ বীজ ইমান গভীৰলৈ শিপাইছে যে ইয়াক সম্পূৰ্ণৰূপে উভালি পেলোৱাতো প্ৰায় অসম্ভৱ হৈ পৰিছে। সৌ সিদিনা গুৱাহাটীৰ মাজমজিয়াত এখন আগশাৰীৰ মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীত অধ্যয়নৰত এজন ছাত্ৰই এটা ম'বাইল ফোনৰ বাবে এজনক নৃশংসভাৱে হত্যা কৰিলে। যোল্ল বছৰীয়া ছাত্ৰই পোন্ধৰ বছৰীয়া ছাত্ৰীক নিচাযুক্ত দ্ৰব্য সেৱন কৰাই ধৰ্ষণ কৰিছে। ইয়াৰোপৰি যুৱ অপৰাধৰ ঘটনাৰ বহুতো উদাহৰণ পোৱা যায়।

যুৱ উচ্ছৃংখলতা বৃদ্ধিৰ কাৰণ বিশ্লেষণ কৰিলে আমি পাওঁ যে, মূল্যবোধৰ শিক্ষা, নীতি শিক্ষাৰ অভাৱ, মদ-ভাং-ব্ৰাউন ছুগাৰ-হিৰ'ইন আদি নিচাযুক্ত দ্ৰব্য সেৱন, উপযুক্ত অনুশাসনৰ অভাৱ আদিয়ে যুৱ সমাজত উচ্ছৃংখল মনোভাবৰ সৃষ্টি কৰিছে। আজিৰ শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষা সম্বন্ধীয় পাঠ নাই বুলিব পাৰি। তদুপৰি আজিৰ যান্ত্ৰিক জীৱনত অতি ব্যস্ত অভিভাৱকসকলৰো সন্তানক নৈতিক, আধ্যাত্মিক শিক্ষা দিবলৈ সময়ৰ অভাৱ। গতিকে শিশুসকল বন্ধ কোঠাত হত্যা, লুণ্ঠন, ধৰ্ষণ, প্ৰেম আদিৰ কাহিনীভৰা ধাৰাবাহিক চোৱাত ব্যস্ত হৈ পৰে আৰু এইবোৰে অনুসন্ধিৎসু শিশুৰ মনত কেনে প্ৰভাৱ পেলায় সেয়া সকলোৰে বোধগম্য। এই প্ৰসংগত উল্লেখনীয় যে, যুৱ অপৰাধীসকলে অপৰাধৰ নানা কৌশল টিভিৰ ধাৰাবাহিক আৰু চিনেমাৰ পৰা আয়ত্ব কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি দিয়া কথাটো প্ৰায়ে বাতৰিযোগে প্ৰচাৰ হয়। সেয়ে চৰকাৰে শিশুৰ মানসিকতাত নঞৰ্থক প্ৰভাৱ বিস্তাৰ কৰা চিনেমা তথা ধাৰাবাহিকবোৰ প্ৰস্তুত কৰাত বাধা আৰোপ কৰিব লাগে। ইয়াৰ উপৰি উপযুক্ত নৈতিক শিক্ষাসমৃদ্ধ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ জৰিয়তে যুৱ উচ্ছৃংখলতাৰ সমস্যা কিছু পৰিমাণে সমাধান কৰিব পাৰি।

যুৱ উচ্ছৃংখলতাৰ বাবে কেৱল যুৱ সমাজেই দায়ী নহয়। ইয়াৰ বাবে দায়ী অভিভাৱকসকল আৰু সমাজখনো। গতিকে এই সমস্যাক কেৱল গৰিহণা দিয়াতকৈ ইয়াৰ স্থায়ী সমাধানৰ সন্ধান কৰা উচিত। যুৱ মানসিকতা বুলিলে মনলৈ আহে মহামতি অশোকৰ কথা। তেওঁ ইমানেই অত্যাচাৰী আছিল যে তেওঁক সমসাময়িক পণ্ডিতসকলে কল্কি অৱতাৰ, চণ্ডাশোক আদি নামেৰে মাতিছিল। সেই চণ্ডাশোকেই পাছলৈ ধৰ্মাশোক নাম লৈ ভাৰত, চীন তথা দক্ষিণ এছিয়াত শান্তিৰ বাণী প্ৰচাৰ কৰিছিল। বাল্মিকীৰ দৰে দস্যুৰ হাতত প্ৰাণ পাই উঠিছিল মানৱতাৰ প্ৰতীক ৰামচন্দ্ৰৰ দৰে চৰিত্ৰ তথা মহাকাব্য ৰামায়ণ। দিন-ৰাতি মদৰ ৰাগিত মতলীয়া হৈ থকা ওমৰ খায়ামৰ কলমত সৃষ্টি হৈছিল ৰুবায়তৰ দৰে প্ৰেমৰ কালজয়ী মহাকাব্য। সেই হেতুকে বৰ্তমানৰ উচ্ছৃংখল যুৱ সমাজ মানৱ সম্পদৰূপে গঢ় লৈ সমাজ তথা দেশখনক উন্নতিৰ শিখৰলৈ লৈ যাব বুলি আশা কৰাৰ থল আছে।



# মাতৃভাষাৰে শিক্ষা


**নমিতা শইকীয়া**

অসমীয়া বিভাগ


মাতৃ আৰু মাতৃভাষা একেটি মুদ্ৰাৰ ইপিঠি-সিপিঠি। এটা অস্তিত্ব আনটো অস্তিত্বৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি। একেদৰে মাতৃ আৰু মাতৃভূমিও একোটি মুদ্ৰাৰেই দুটা ফাল। দুয়োটাৰ সম্পৰ্ক অংগাংগী। এটিৰ অস্তিত্ব আনটিৰ সৈতে নিবিড়ভাৱে সংপৃক্ত। সংক্ষেপতে ক'বলৈ হ'লে, মাতৃ, মাতৃভূমি আৰু মাতৃভাষা একেটি অভিধাৰেই ভিন ভিন অভিব্যক্তি।

শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে অনেক আলোচনা আৰু সমীক্ষা হৈছে। তেনে প্ৰেক্ষাপটত এই কথা সৰ্বজনস্বীকৃত যে মাতৃভাষাই শিক্ষাৰ প্ৰকৃত মাধ্যম হোৱাটো বাঞ্ছনীয়। অন্ততঃ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত মাতৃভাষাৰ গুৰুত্ব আৰু কাৰ্যকাৰিতা অপৰিসীম। উচ্চ শিক্ষা বহুত পৰিমাণে নিৰ্ভৰ কৰে প্ৰাথমিক তথা মাধ্যমিক শিক্ষাৰ গুণগত দিশৰ ওপৰত। উচ্চ শিক্ষাৰ কক্ষপথত অৱস্থান কৰাৰ সময়ত এগৰাকী বিদ্যাৰ্থীয়ে বহু পৰিমাণে সাবালকত্ব লাভ কৰিবলৈ সক্ষম হয়। সাবালকত্ব প্ৰাপ্তিৰ সময়ত তেওঁলোক আত্মনিৰ্ভৰ হ'বলৈও শিকে। কিন্তু প্ৰাথমিক তথা মাধ্যমিক স্তৰত বিদ্যাৰ্থীসকলৰ মন তৰলাৱস্থাত থাকে। তেওঁলোকৰ মন-মেজাজ হয় অনুকৰণপ্ৰবল; লগতে কল্পনাবিলাসীও। এই বয়স স্তৰ অত্যন্ত স্পৰ্শকাতৰ তথা ঠুনুকা। শিক্ষণ প্ৰশিক্ষণৰ ক্ষেত্ৰত কিঞ্চিৎ দেৰি হ'লেই তাৰ পৰিণতি ভয়ংকৰ হয়। এনে প্ৰেক্ষাপটতেই মাতৃভাষাৰ গুৰুত্ব অপৰিসীম। বিশেষকৈ, প্ৰাক্-প্ৰাথমিকৰ পৰা প্ৰাথমিকলৈ আৰু প্ৰাথমিকৰ পৰা মাধ্যমিকলৈ মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰাটো এটা স্বাভিমানী জাতিৰ বাবে প্ৰথম আৰু প্ৰধান অনুকৰণীয়। মাতৃভাষাৰ মাধ্যমেৰে যিমানখিনিলৈ সম্ভৱ সিমানখিনিলৈ উচ্চ শিক্ষাৰ ফালে যোৱা বাটেৰেও অগ্ৰসৰ হোৱাৰ বাট পোনাব পাৰিলে আৰু মংগলজনক। উচ্চ শিক্ষাকো মাতৃভাষাৰ মাধ্যমেৰে সামৰিবলৈ কৰা চেষ্টাও অব্যাহত ৰাখিব লাগিব। আমাৰ দেশতেই হিন্দী বলয়ত উচ্চ শিক্ষা

হিন্দী তথা ইংৰাজী দুয়োটা ভাষাৰেই সম্ভৱ। দক্ষিণ ভাৰততো তেওঁলোকৰ নিজৰ মাতৃভাষাৰে উচ্চ শিক্ষা প্ৰদানৰো প্ৰৱণতা অব্যাহত আছে।

মাতৃভূমি, মাতৃভাষা আৰু নিজৰ মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু আন্তৰিকতা ঘাইকৈ নিৰ্ভৰ কৰে ব্যক্তিৰ স্বদেশ-স্বজাতি প্ৰীতিৰ ওপৰত। নিজৰ মাতৃ তথা মাতৃভূমিৰ প্ৰতি অনীহাপ্ৰৱণ জাতিয়ে এটা স্বাভিমানী জাতি হিচাপে কেতিয়াও জীয়াই থাকিব নোৱাৰে। তেনে জাতিৰ অস্তিত্বই ইতিহাসৰ চাকনৈয়াত বিলুপ্তি লাভ কৰে। স্বদেশপ্ৰেমী জাতিয়ে নিজৰ মাতৃভাষাৰ প্ৰতি অনীহা প্ৰকাশ কৰিবই নোৱাৰে।

ইউনেস্ক'ৰ দৰে শিক্ষাসদী সাংস্কৃতিক আন্তৰ্জাতিক প্ৰতিষ্ঠানটোৱে মাতৃভাষাৰ ওপৰত গুৰুত্ব দিয়াৰ সপক্ষে এক আদৰ্শগত ঘোষণা কৰি আহিছে। বিশ্বৰ প্ৰতিখন উন্নত দেশৰ শিক্ষা ব্যৱস্থালৈ চালে দেখা যায় যে, তেনেবোৰ দেশে সকলো স্তৰৰ শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ ওপৰতেই গুৰুত্ব দি আহিছে। আজিকালি আন্তৰ্জাতিক অৰ্থ ব্যৱস্থাৰ প্ৰভাৱৰ পৰা কোনোটো জাতিয়েই মুক্ত হ'ব নোৱাৰে। আমাৰ লক্ষ্য আৰু গন্তব্য সাগৰৰ বিশাল সলিল ধাৰাৰ ফালেহে। তেনে প্ৰৱণতাই প্ৰকৃতি প্ৰগতিৰ সূচক।

সাগৰগামী লক্ষ্য মাতৃভাষাৰ মাধ্যমেৰেও সম্ভৱ। বিশ্বৰ প্ৰতিটো জনগোষ্ঠীৰ প্ৰতিটো ভাষা বা উপ-ভাষাৰ ক্ষেত্ৰত এই কথা তাৎক্ষণিকভাৱে সম্ভৱ নহ'বও পাৰে। পিছে এনে ধ্যান-ধাৰণাৰে নিজৰ মন-মেজাজৰ লগতে উপযুক্তভাৱে ভাষাপ্ৰীতিক হাতে-কামে আগবঢ়াই নিব পাৰিলে সেয়াও সম্ভৱ।

যিবোৰ ভাষাই ইতিমধ্যে এক উন্নত স্তৰত উপনীত তথা বৌদ্ধিক তথা সাংস্কৃতিক জগতত এক মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে, তেনেবোৰ ভাষাক প্ৰাথমিক, মাধ্যমিক তথা উচ্চ শিক্ষাৰো মাধ্যমৰূপে ব্যৱহাৰ কৰিব পাৰি। আনহাতে, যিবোৰ ভাষা আপেক্ষিকভাৱে দুৰ্বল তেনেবোৰ ভাষাৰে অন্ততঃ প্ৰাথমিক বা মাধ্যমিক পৰ্যায়ৰ শিক্ষাদান কৰাত বাধা ক'ত? এনে ব্যৱহাৰৰ দ্বাৰা কোমল মনৰ কিশোৰ-কিশোৰীসকলৰ মন-মেজাজৰ বিষয়ৰ প্ৰতি আকৃষ্ট কৰিব পাৰি। মাতৃভাষাৰ মাধ্যমেৰে তেওঁলোকে মাতৃৰ সমীপ্য অনুভৱ কৰে। এনে সমীপ্যই তেওঁলোকৰ শিক্ষা আৰু শিক্ষণৰ প্ৰতি ওচৰ চপাই আনে। বিদেশী অথবা অইন কোনোবা জাতিৰ ভাষাৰ মাধ্যমেৰে আমি ভবা সূৰ্যৰ উদয় নহয়। এনে এক যুক্তিৰেও মাতৃভাষাৰ এই তথ্য প্ৰকাশ পাইছে যে, মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাৰ গুৰুত্ব অনুভূত। ইতিমধ্যে বিভিন্ন অধ্যয়ন আৰু গৱেষণাৰ মাজেৰেও এই তথ্য প্ৰকাশ পাইছে যে, মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰা ব্যক্তিসকলেহে অন্য অন্য ভাষাৰ শিক্ষণ প্ৰশিক্ষণকো সুন্দৰকৈ আয়ত্ব কৰিব পাৰে। এনে ধাৰণাৰ সপক্ষে আহি বাস্তৱ জীৱনত প্ৰত্যক্ষ কৰা অভিজ্ঞতাৰ ওপৰতেই নিৰ্ভৰ কৰিব পাৰে। আমি দেখিছোঁ, যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাতৃভাষাৰে শিক্ষা গ্ৰহণ কৰিছে, তেনে ছাত্ৰ-ছাত্ৰীসকলেহে ভৱিষ্যৎ জীৱনত ইংৰাজীৰ লগতে আন আন ভাষা সাহিত্যকো আয়ত্ব কৰি ল'ব পাৰিছে।

মাতৃভাষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মনত এক জাতীয় চেতনাৰ ভাব জাগ্ৰত কৰিব পাৰি। বিদেশী ভাষাৰ মাধ্যমেৰে এক দাসত্বৰ মানসিকতাৰ সৃষ্টি কৰিব পাৰি। বাস্তৱ ক্ষেত্ৰত সেইটোৱেই হৈছে আমাৰ স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ মধ্যবিত্তসকলৰ মনত এক বিশেষ ইংৰাজী-প্ৰীতি। বিশেষকৈ দুশ বছৰ ইংৰাজসকলৰ শাসনাধীন হোৱাৰ বাবে এইচাম লোকৰ মনৰ পৰা জাতীয় চেতনাৰ বিলুপ্তি ঘটিছে। তেওঁলোকৰ মনৰ ধাৰণা, মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাগ্ৰহণ কৰিলে আধুনিক ভাবাপন্ন হ'ব নোৱাৰে। এনে ধাৰণা এশ শতাংশই ভুল। এনে ধাৰণা এক দাস মনস্কৰ পৰাহে আহিছে। ব্ৰিটিছসকলে নিজৰ স্বাৰ্থত এচাম ভাৰতীয়ৰ মনত ৰোপণ কৰি যোৱা বীজ গোঁজে-গজালিয়ে বৃহদাকাৰ ৰূপ লাভ কৰিছে। ব্ৰিটিছসকল ভাৰতবৰ্ষলৈ অহাৰ পূৰ্বে ভাৰতীয়সকল তেন্তে অশিক্ষিতই আছিল? এনে ধাৰণা আমাৰ পৰনিৰ্ভৰশীল মানসিকতাৰ পৰাহে আহূত। আমি আমাৰ ইতিহাস চেতনাৰ পৰাও বঞ্চিত। ভাৰতীয় সাহিত্যৰ মণিকাঞ্চনবোৰে আধুনিক বিশ্বক এতিয়াও আলোকিত কৰি ৰাখিছে। ইউৰোপৰ প্ৰতিখন আধুনিক দেশৰ সাহিত্যৰ ওপৰত সংস্কৃত সাহিত্যৰ প্ৰভাৱ মন কৰিবলগীয়া। এই কথা আধুনিক বিশ্বৰ মহান পণ্ডিতসকলে মুক্তকণ্ঠে স্বীকাৰ কৰিছে। অথচ আমি এক আত্মবিস্মৃত জাতি হিচাপে জীৱন নিৰ্বাহ কৰিছোঁ। এনে আত্মবিস্মৃতিয়ে আমাৰ মাতৃভাষাপ্ৰীতিকো জৰাগ্ৰস্ত কৰিছে।

মাতৃভাষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মনত এক জাতীয় চেতনাৰ ভাব জাগ্ৰত কৰিব পাৰি। বিদেশী ভাষাৰ মাধ্যমেৰে এক দাসত্বৰ মানসিকতাৰ সৃষ্টি কৰিব পাৰি। বাস্তৱ ক্ষেত্ৰত সেইটোৱেই হৈছে আমাৰ স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ মধ্যবিত্তসকলৰ মনত এক বিশেষ ইংৰাজী-প্ৰীতি।



# বৰ্তমান সময়ত নাৰী শিক্ষাৰ গুৰুত্ব

দৰ্শনা শইকীয়া
ইংৰাজী বিভাগ

জৱাহৰলাল নেহৰুৱে কৈছিল— 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এগৰাকী ছোৱালীক শিক্ষা মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে প্ৰযোজ্য। শিক্ষিত নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একোটা সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা দেশ গঠন হোৱাটো সম্ভৱ। ভাৰতৰ গণতন্ত্ৰয়ো পুৰুষ-মহিলা উভয়ে শিক্ষিত হোৱাটোত গুৰুত্ব দি আহিছে। এখন দেশৰ নাৰীসকল শিক্ষিত হ'লেহে দেশখনৰ সৰ্বাংগীণ উন্নতি হয়। কিয়নো এগৰাকী মাতৃ জন্মদাত্ৰী হোৱাৰ লগতে সন্তানৰ প্ৰথম শিক্ষাদাত্ৰীও হয়। মাতৃগৰাকী শিক্ষিত হ'লেহে সন্তানক সঠিক পথ দেখুৱাই দিয়াত সক্ষম হ'ব।

নাৰী শিক্ষাৰ জাগৰণ অবিহনে সমাজ তথা দেশৰ প্ৰগতি অসম্ভৱ। নাৰীৰ স্থান ঘৰৰ চাৰিসীমাৰ ভিতৰত আবদ্ধ কৰি ৰখাৰ দিন এতিয়া উকলিল। আজিৰ কন্যা কাইলৈ ভৱিষ্যৎ প্ৰজন্মৰ জননী।



ভাৰতীয় সংবিধানত পুৰুষ-নাৰীৰ সমস্থান বুলি ঘোষিত হ'লেও এতিয়াও বাটে-পথে নাৰী শ্ৰমিকৰ সংখ্যাই অধিক। গোলকীকৰণৰ প্ৰভাৱে অধিকাংশ নাৰীক পাশ্চাত্য সংস্কৃতি আঁকোৱালি ল'বলৈ প্ৰৰোচিত কৰিছে। বহুজাতিক পাশ্চাত্যৰ সংস্থাবোৰৰ উৎপাদিত বিলাসী সামগ্ৰীবোৰ হাততে পোৱা কৰি দিয়াত এফালে ভোগবাদী সংস্কৃতিয়ে এচাম নাৰীক পণ্যলৈ পুনৰ ৰূপান্তৰিত কৰিছে। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ঢাক-ঢোল বজোৱাৰ সময়তে বিভিন্ন ঠাইত সতীদাহ, ডাইনী হত্যা, শিশুকন্যা বধ, কন্যা শিশুৰ ভ্ৰূণ হত্যা, ধৰ্ষণ, বলাৎকাৰ, যৌতুকৰ বাবে বোৱাৰী হত্যা আদি ঘটনাবোৰ ঘটিবলৈ ধৰিছে। এনেক্ষেত্ৰত কন্যা বৰ্ষ, ৮ মাৰ্চৰ নাৰী দিৱসৰ প্ৰাসংগিকতা উপহাস বুলি ক'লেও নিশ্চয় অত্যুক্তি কৰা নহ'ব।

নাৰীয়ে ভোগ কৰি অহা নেতিবাচক দিশবোৰৰ বিপক্ষে থিয় দিবলৈ প্ৰতিগৰাকী নাৰী হ'ব লাগিব উপযুক্ত শিক্ষাৰে শিক্ষিতা। শিক্ষাই দিয়া সজাগতাৰ জৰিয়তে নাৰীয়ে ভোগ কৰিবলৈ ওলাই আহিব লাগিব সাংবিধানিক স্বাধীনতা। কেৱল প্ৰাত্যহিক ঘৰুৱা কামতে নিজক আবদ্ধ নাৰাখি প্ৰতিগৰাকী নাৰীয়ে স্ব-আৰ্জিত শিক্ষাৰ দ্বাৰা সমজুৱাভাৱে শিল্প-বাণিজ্যত মনোনিৱেশ কৰিলে অৰ্থনৈতিক স্থিতি সবল হোৱাৰ লগতে সমাজৰো উন্নতি হ'ব। তেতিয়াহে নাৰী শিক্ষাৰ প্ৰাসংগিকতা প্ৰকৃতাৰ্থত সফল হ'ব। পুৰুষৰ লগতে নাৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে সমাজ, দেশ, জাতিৰ সৰ্বতোপ্ৰকাৰ উত্তৰণ সম্ভৱ।



# আধুনিকতাৰ গ্ৰাসত সোণালী শৈশৱ

**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ

এইটো কাৰ দ'ল??
ৰজাৰ দ'ল।
ভাঙিম নে নেভাঙিম??
নেভাঙিবি।
ক'লী কুকুৰ মাতিম নে নামাতিম?
নেমাতিবি
ক'লী ঔচ, বগী ঔচ...ধেকেছ...।

এখন চোতালত বহুকেইঘৰৰ বহুকেইটা শিশুৱে উমলি আছে। ৰজাৰ দ'ল খেলি খেলি আমনি লগাত এটাই কৈছে— 'ভাত ধেমালি খেলোঁ ব'ল...' লগে লগে সমৰ্থনৰ কিৰিলি আৰু এবুকু উৎসাহেৰে এখন নতুন নাটক আৰম্ভ...। নাৰিকলৰ কোৰোকাৰে কেৰাহী সাজি, সৰু সৰু শিলগুটিৰে চৌকা সাজি, ঘাঁহ পাত, বন আদিৰেই শাক ভাজি কোনোবা এজনীয়ে ভাত ৰান্ধিছে। মাকৰ পুৰণি চাদৰখন, বায়েকৰ দোপাট্টাখন অথবা কোনোবাজনীয়ে আকৌ ঘৰৰ গামোচাখনেই মেৰিয়াই লৈ কৈছে— 'মই মানে ভাত ৰান্ধি থাকিম...তহঁত দুজনী যেনিবা আলহী আহিবি... ই মানে মোৰ ল'ৰা আৰু...'

এয়াই আছিল আমাৰ শৈশৱ। আমাৰ আগৰ আপোন কৰি লোৱা স্মাৰ্টফোন, ভিডিঅ' গেম, টিভি অথবা আভিজাত্যৰ একমাত্ৰ প্ৰতীকস্বৰূপ হকে-বিহকে শিশুৰ ওপৰত জাপি দিয়া বহুকেইটা টিউচন। আমাৰ চকুৰ পচাৰতে লাহে লাহে হৈ থকা এনেসমূহ কাম-কাজে শিশুসকলৰ মানসিকতাত পেলোৱা প্ৰভাৱসমূহো লক্ষণীয়। যিটো বয়সত আমি মামা, মাহী, পেহীৰ ল'ৰা-ছোৱালী লগ হ'লেই কাগজৰ টুকুৰাৰে চোৰ-পুলিচ খেলিছিলোঁ, গোটেই ঘৰ-বাৰী পিটিপিটাই লুকা-ভাকু খেলিছিলোঁ, গধূলি ককা-আইতাৰ সাধু শুনিছিলোঁ সেইটো বয়সত আজিৰ শিশু লগ হ'লেই আলোচ্য বিষয় হৈ পৰে কোনে কোনটো গেমৰ কিমান লেভেল পাৰ কৰিলে, কাৰ ক'ত স্ক'ৰ বেছি হ'ল, অথবা কোনটো ম'বাইলৰ কি এপৰ ব্যৱহাৰকাৰী আটাইতকৈ বেছি। আপাতদৃষ্টিত সামান্য যেন লাগিলেও এয়া কিন্তু ভয়াৱহতাৰ চিন। এইসমূহে আমাৰ থলুৱা খেল-ধেমালিবোৰ লুপ্তপ্ৰায় অৱস্থালৈ লৈ যোৱাৰ লগতে মানুহৰ মাজত আৱেগৰ অভাৱ ঘটাইছে। তাহানিতে কেঁচুৱাক আহাৰ খুৱাবলৈ ব্যৱহাৰ কৰা— 'এইভাগ মাৰ, এইভাগ দেউতাৰ, এইভাগ ককাৰ...' আদি ধেমালিবোৰৰ ঠাই লৈছে এতিয়াৰ ইউটিউবে। যিয়ে পৰিয়ালৰ মৰম, চেনেহ, হেঁপাহ, শ্ৰদ্ধা আদিবোৰ পাহৰণিৰ গৰ্ভলৈ লৈ যোৱাৰ লগতে আজিৰ শিশুৱে বহু কথা জানিও নুবুজা হৈ আহিছে।

আচলতে এইসমূহ পৰিৱৰ্তনৰ বাবে শিশুসকলৰ ওপৰত দোষ জাপি দিয়াতো অনৰ্থক। শিশু বুলি ক'লেই মনলৈ আহে এখন নিষ্পাপ, নিষ্কলুষ মুখ যি আনে যি শিকায় বা দেখুৱায়, তাকে পালি যায়। প্ৰকৃতাৰ্থত দোষটো আমাৰ, জ্যেষ্ঠজনৰ, অভিভাৱকৰ...। যিয়ে আধুনিকতা, কৰ্মব্যস্ততা অথবা জেনেৰেশ্যন গেপৰ দোহাই দি শিশুসকলক কৃত্ৰিম মাধ্যমসমূহৰ লগত সম্পূৰ্ণৰূপে এৰি দিয়ে আৰু গৰ্বেৰে কয়— 'আমাৰ ইয়াক বা এইক আন একোৱেই ৰাখিব নোৱাৰে, ম'বাইলটো দি দিলেই শান্তি আৰু...।' অতি সাধাৰণভাৱে কোৱা এইখিনি কথাই অথবা চিন্তাই যে এসময়ত অতি বিপজ্জনক হ'ব পাৰে, সেয়া উপলব্ধি কৰাটো যথেষ্ট টান হৈ পৰে। সময়ৰ অগ্ৰগতিৰ লগে লগে আমিও হাঁহিমুখে আধুনিকতাৰ খোজত খোজ মিলাই যাব লাগিব। সেইবুলিয়ে আমাৰ ভৱিষ্যৎ প্ৰজন্মক মৰম, আব্দাৰ, চেনেহ, হেঁপাহ, আৱেগ আদিৰ পৰা বঞ্চিত কৰি নহয়। শিশুসকলক থলুৱা খেল-ধেমালি, ৰীতি-নীতি, পৰম্পৰা, নিজৰ দায়িত্ব, পঢ়া-শুনা আদিৰ মাজেৰে এটা অকৃত্ৰিম আৰু নিভাঁজ শৈশৱ কটাবলৈ দি জীৱন যুঁজত নামিবলৈ শিকাব লাগে। প্ৰতিযোগিতাৰ যুগ বুলি কেৱল প্ৰতিযোগিতাৰ মনোভাব সুমুৱাই নিদি খেল-ধেমালি, মিলা-প্ৰীতিৰে বন্ধা চেনেহ জৰীৰ বান্ধোনৰো স্থান হৃদয়ত ৰাখিবলৈ দিব লাগে। অন্যথা আমাৰ শৈশৱৰ খেল-ধেমালি, আনন্দ-স্ফূৰ্তিসমূহ কিছুদিনৰ পিছত কেৱল সাধুকথাতে সীমাবদ্ধ হৈ ৰ'ব। নতুন প্ৰজন্মৰ বাবে এইবোৰ হৈ পৰিব অসম্ভৱ... অকল্পনীয় আৰু অবিশ্বাস্য...।

## বিষয় ঃ
## অসমৰ জাতীয় সংকট আৰু যুৱ প্ৰজন্মৰ ভূমিকা

অসমৰ জাতীয় সংকট আৰু যুৱ প্ৰজন্মৰ ভুমিকা বৰ্তমান সময়ত এটা গুৰুত্বপূৰ্ণ বিষয়। অসমীয়া জাতিসত্বা বৰ্তমান নানা কাৰণত ভাগি পৰাৰ উপক্ৰম হৈছে। অৰ্থনৈতিক, সামাজিক, শৈক্ষিক, নিবনুৱা তথা প্ৰব্ৰজনৰ দৰে সমস্যা বৰ্তমান অসম আৰু অসমীয়াৰ বাবে এক অভিশাপ স্বৰূপ হৈ পৰিছে। এনেবোৰ সমস্যাৰ বাবে যুৱসমাজেই বেছিকৈ ভুগিবলগীয়া হয়। এনেবোৰ দিশক লৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলেনো কি ভাৱে সেইটো জনাটো সকলোৰে বাবে গুৰুত্বপূৰ্ণ, কাৰণ ছাত্ৰ-ছাত্ৰীৰ হাততেই থাকে ভৱিষ্যত সমাজ গঢ়াৰ ছাবিকাঠি। এনে এটা উদ্দেশ্য আগত ৰাখি ছাত্ৰীসকলৰ মাজত এলানী প্ৰবন্ধ লিখা প্ৰতিযোগিতা আৰম্ভ কৰা হৈছিল। ছাত্ৰীসকলৰ চিন্তাৰ তাৰে কিছু আভাস এই আলোচনীৰ মাজেৰে সকলোলৈ আগবঢ়াই দিয়া হৈছে ● ● ●



## বি শে ষ লে খা

# চৈয়দা পাৰবিনা চুলতানা

ৰাজনীতি বিজ্ঞান বিভাগ

জাতীয় সংকট বুলি ক'লে কোনো এটা জাতীয় ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি সৰ্বাত্মক দিশত প্ৰভাৱ বিস্তাৰ কৰা এক জ্বলন্ত সমস্যাক বুজায়। অসমীয়া জাতীয় সংকট বুলি ক'লে অসমত দেখা দিয়া বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যা, নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, গৰাখহনীয়াৰ সমস্যা আদিকে চিহ্নিত কৰিব পাৰি। এই সমস্যাবোৰে অসমীয়া জাতিটোক বহুবাৰেই সংকটত পেলাইছে যদিও সাম্প্ৰতিক সময়ত অসমীয়া জাতিটোক ধ্বংসৰ পথলৈ নিয়া অতি চৰ্চিত তথা বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰা সমস্যাটো হ'ল— বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যা।

বিদেশী অনুপ্ৰৱেশ হ'ল— ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ পৰা ধৰ্মীয় উৎপীড়ন, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন দিশত নিৰ্যাতিত হৈ অবৈধভাৱে নিজ জন্মস্থান এৰি বেলেগ দেশত সংস্থাপন লোৱা লোক।

ইয়াতে উল্লেখ কৰিব পাৰি যে বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যা এক আন্তৰ্জাতিক সমস্যা। আমেৰিকা, ইংলেণ্ড, ৰাছিয়া আদিকে ধৰি ইউৰোপ আৰু এছিয়াৰ কম-বেছি প্ৰায় সকলো ৰাষ্ট্ৰই অবৈধ বিদেশী অনুপ্ৰৱেশৰ সমস্যাত ভাৰাক্ৰান্ত।

একেদৰে ভাৰতবৰ্ষতো এনে সমস্যা যুগ যুগ ধৰি দেখা দি আহিছে আৰু ভাৰতৰ এক ৰাজ্য হিচাপে অসমো ইয়াৰ ভুক্তভোগী। অসমত এনে প্ৰব্ৰজনৰ ফলত বিপুল পৰিমাণৰ সস্তীয়া শ্ৰমিক উপলব্ধ হোৱাৰ যোগেদি অৰ্থনৈতিক বিকাশ আৰু পৰিৱৰ্তন আনিছে যদিও তাৰ লগে লগে অন্য কেতবোৰ স্পৰ্শকাতৰ বিষয় যেনে— জনগাঁথনিগত সমস্যা, খিলঞ্জীয়াৰ জাতিসমূহৰ অস্তিত্বৰ পৰিৱেশ প্ৰদূষণ, ভিন্ন ধৰণৰ ৰোগৰ বীজাণু, সামাজিক নিৰাপত্তাহীনতা আদিৰ বিকাশ ঘটাইছে। অৰ্থনৈতিকভাৱে পিছপৰা দেশসমূহৰ পৰা প্ৰব্ৰজিত হোৱাসকলৰ নিম্ন জীৱন ধাৰণৰ প্ৰক্ৰিয়া আৰু শ্ৰম, শোষণ আৰু নিজ দেশলৈ বলপূৰ্বক বিতাড়নৰ ফলত সকলোতকৈ বেছি ভুক্তভোগী হৈছে নাৰী আৰু শিশু। দক্ষিণ-পূব এছিয়াতেই বলপূৰ্বক অবৈধ অনুপ্ৰৱেশকাৰীৰ বিতাড়নৰ লোমহৰ্ষক উদাহৰণ আছে। বিগত দুই দশক আগতে ভূটানৰ পৰা বলপূৰ্বকভাৱে বিতাড়িত নেপালী জনগোষ্ঠীৰ লোক আৰু চলিত দশকতে অবৈধ অনুপ্ৰৱেশৰ অভিযোগত ম্যানমাৰত ৰহিঙীয়া মুছলমানক

বলপূৰ্বক উচ্ছেদৰ ফলত সংঘটিত মানৱ অধিকাৰ উলংঘনৰ দৃশ্যই সমগ্ৰ বিশ্বকে কঁপাই গৈছে।

বিগত কেইবাদশক ধৰি বিদেশী অনুপ্ৰৱেশৰ সমস্যাই অসমৰ ৰাজনীতি নিয়ন্ত্ৰণ কৰি আহিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰৰ সৈতে ভূমি আৰু নদী সীমান্তকে ধৰি প্ৰায় দুহাজাৰ কিলোমিটাৰ আন্তৰ্জাতিক সীমান্ত অঞ্চল। এই বিস্তীৰ্ণ সীমান্ত অঞ্চল এতিয়া বহু পৰিমাণে অসুৰক্ষিত। অসম-বাংলাদেশ সীমান্তৰ বেছি কিছু অঞ্চলৰ কাঁইটীয়া তাঁৰৰ ব্যৱস্থা আছে যদিও গো-ধনৰ অবৈধ চোৰাং সৰবৰাহ চলি থকা ঘটনাৰ আঁৰত এই কাঁইটীয়া তাঁৰৰ অসাৰতা পুতৌ লগাকৈ ওলাই পৰিছে। বিগত কেইবাদশক ধৰি এই সীমান্তৰে বিনা বাধাই উত্তৰ-পূবৰ বিদ্ৰোহী, আন্তৰ্জাতিক চোৰাং কাৰবাৰী, বাংলাদেশৰ ইছলামিক সন্ত্ৰাসবাদী, অপৰাধী আদিৰ আহ-যাহ স্বয়ং চৰকাৰী পক্ষই স্বীকাৰ কৰিছে। যদিও এইবোৰ ঘটনা দুয়োখন দেশৰ আভ্যন্তৰীণ সংঘাতৰ লগত জড়িত, তথাপি এইবোৰ ঘটনাই সীমান্তৰে অবৈধ অনুপ্ৰৱেশ চলি থকাকেই আওপকীয়াকৈ প্ৰমাণ কৰে।

অসমত বিদেশী অনুপ্ৰৱেশৰ সমস্যাৰ ৰাজনৈতিক কাৰণ বুলি ক'ব লাগিলে পোনতে ব্ৰিটিছে অসমক কৌশলেৰে ভাৰতৰ সৈতে সংযোগকৰণৰ কথা ক'ব পাৰি। এই সংযোগকৰণ দুই প্ৰকাৰৰ। প্ৰথম ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ব্ৰিটিছ আৰু বাৰ্মাৰ সৈতে হোৱা ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ভাৰতৰ সৈতে অসমৰ সংযোগকৰণ আৰু দ্বিতীয়তে গোৱালপাৰাৰ ক্ষেত্ৰত ১৮৮৯ চনত চিৰস্থায়ী বন্দোৱস্তিৰ জৰিয়তে ব্ৰিটিছৰ প্ৰত্যক্ষ ঔপনিৱেশিক ব্যৱস্থা স্থাপন। এই দুই প্ৰকাৰৰ সংযোগকৰণ আৰু উপনিৱেশ সমস্যাৰ বোজা ব'বলগীয়া হৈছে। অৰ্থাৎ ১৯৪৭ চনত ধৰ্মভিত্তিক দেশ বিভাজনে এই অনুপ্ৰৱেশৰ সমস্যাক অধিক ভয়াৱহ কৰি তুলিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাৰতৰ সংবিধান অনুসৰি বিদেশী চিনাক্ত আৰু বিতাড়নৰ দায়িত্ব সম্পূৰ্ণকৈ কেন্দ্ৰীয় চৰকাৰৰ অধীনত অথচ স্বাধীনতাৰ ইমান বছৰ পিছতো কোনো এখন কেন্দ্ৰীয় চৰকাৰেই এই সমস্যাক নিজৰ বুলি নাভাবিলে। আনকি চলে-বলে-কৌশলে অসমত বিদেশী অনুপ্ৰৱেশকাৰীক সংস্থাপনৰহে পোষকতা কৰা হ'ল। উল্লেখযোগ্য যে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈদেৱে নিজৰ শাসনকালতেই বিদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা ল'বলৈ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক অনুৰোধ কৰাত নেহৰুৱে উভতি ধৰিছিল আৰু বিদেশী প্ৰসংগ উলিয়ালে অসমলৈ কেন্দ্ৰীয় সাহায্য কৰ্তন কৰি দিয়াৰ ভাবুকি দিছিল।

**যুৱ প্ৰজন্মৰ ভূমিকাঃ**

এই বিদেশী সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা অপৰিহাৰ্য আৰু যেতিয়াৰ পৰাই এই সমস্যা ভয়ানক ৰূপত প্ৰকট হৈ পৰে, তেতিয়াৰ পৰাই অসমত বিভিন্ন সময়ত যুৱকসকলে বা যুৱপ্ৰজন্মই বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা দেখা যায়। উদাহৰণস্বৰূপে— আমি অসমৰ বিদেশী সমস্যা সমাধান কৰাৰ বাবে ১৯৭৯ চনত অসমত আৰম্ভ হোৱা অসম আন্দোলনৰ কথা ক'ব পাৰি।

অসম আন্দোলন হৈছে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধে কৰা অসমীয়া মানুহৰ আন্দোলন। ইয়াক স্বাধীন ভাৰতৰ অন্যতম শক্তিশালী আন্দোলন হিচাপে গণ্য কৰা হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে অসম আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে আন্দোলনৰ নেতাসকল আৰু ভাৰত চৰকাৰৰ মাজত হোৱা অসম চুক্তিমতে অসম আন্দোলনৰ অন্ত পৰে।

৮৫৫জন শ্বহীদৰ তেজৰ বিনিময়ত ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে অসম চুক্তি ৰূপায়ণ কৰা হয় আৰু এই অসম চুক্তিমৰ্মে ১৯৭১ চনৰ ২৪ মাৰ্চ তাৰিখৰ মাজনিশাক সময়সীমা হিচাপে ধৰি অসমত অনুপ্ৰৱেশকাৰীসকলক নাগৰিকত্ব দিয়াৰ ব্যৱস্থা কৰা হৈছে। যিসকল লোক ১৯৭১ চনৰ ২৪ মাৰ্চৰ আগত অসমত প্ৰৱেশ কৰিছে, তেওঁলোকৰ নাগৰিকত্ব প্ৰমাণ কৰিব আৰু তাৰ পিছত অহা প্ৰত্যেকজন হিন্দু-মুছলমান সকলোকে বিতাড়ন কৰা হ'ব বুলি এই চুক্তিত সন্নিৱিষ্ট কৰা হৈছে। এই অসম আন্দোলনৰ আধাৰত ১৯৮৫ চনত অসম গণ পৰিষদ নামৰ এটা আঞ্চলিক ৰাজনৈতিক দলৰ আৱিৰ্ভাৱ হয় যদিও এই ৰাজনৈতিক দলেও দহ বছৰৰ শাসনকালতো এই বিদেশী সমস্যাৰ সমাধান কৰিব নোৱাৰিলে। তাৰ পিছতো আৰু কেইবাটাও দল কংগ্ৰেছ, বিজেপিকে ধৰি বিভিন্ন ৰাজনৈতিক দলে চৰকাৰ গঠন কৰে। তেওঁলোকে অসমত ৰাজনৈতিক মুনাফাৰ কাৰণে এই বিদেশী সমস্যা সমাধান কৰিব কৰিব বুলি কৈছে যদিও আজিলৈকে তাৰ উচিত সমাধান হোৱা নাই।

অথচ আজিলৈকে নাগৰিকত্ব আইন সংশোধনৰ মাজেৰে হিন্দু-বাংলাদেশীক নাগৰিকত্ব দিবলৈ কেন্দ্ৰীয় চৰকাৰে চেষ্টা অব্যাহত ৰাখিছে। এইবোৰেই প্ৰমাণ কৰে যে অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ প্ৰতি কোনো আন্তৰিকতা ভাৰত চৰকাৰৰ নাই। অসমৰ জনগণৰ বাবে ইয়াতকৈ পৰিতাপৰ কথা আন একোৱেই হ'ব নোৱাৰে।

অসমত এই সমস্যা সমাধান কৰিব বুলি বিভিন্ন দলসমূহে কয় কিন্তু তাৰ ঠাইত তেওঁলোকে অসমত বিদেশী আনি সংস্থাপনৰ ব্যৱস্থাহে কৰি আছে। আজিও নাগৰিকত্ব আইন, ২০১৬-ৰ ওপৰত নিৰ্ভৰ কৰি ২০১৪ চনৰ ৩১ ডিচেম্বৰক ভিত্তিবৰ্ষ হিচাপে লৈ হিন্দু লোকসকলক অসমত সংস্থাপন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ কাৰণে যদি যুৱপ্ৰজন্মই বিৰুদ্ধাচৰণ নকৰে, তেতিয়াহ'লে অসমত এই বিদেশী সমস্যা কেতিয়াও সমাধান নহ'ব আৰু এইটোৱে অসমৰ জাতি, মাটি, ভেটি তথা খিলঞ্জীয়া লোকসকলৰ ভৱিষ্যৎ আৰু এটা সময়ত অসমৰ অসমীয়া ভাষা আদি সকলো দিশতে জৰাজীৰ্ণ অৱস্থাৰ সৃষ্টি কৰিব।

গতিকে ২০১৪ চনৰ ৩১ ডিচেম্বৰক ভিত্তিবৰ্ষ হিচাপে লৈ আফগানিস্তান, পাকিস্তান, বাংলাদেশ আদিৰ পৰা ধৰ্মীয় অৰ্থাৎ বিভিন্ন দিশত উৎপীড়নৰ বলি হৈ যি অবৈধ অনুপ্ৰৱেশকাৰীক সংস্থাপনৰ চেষ্টা চলাই আছে তাৰ বাবে অসমৰ যুৱ প্ৰজন্মই গণতান্ত্ৰিকভাৱে বিৰোধিতা কৰিব লাগিব যাতে এই সংশোধনী আইনৰ জৰিয়তে নতুনকৈ অসমত বিদেশীৰ বোজা জাপি দিব নোৱাৰে। এনেদৰেই অসমীয়া জাতীয় সমস্যাসমূহ সমাধান কৰিবলৈ যুৱপ্ৰজন্মই সচেতন হোৱাৰ লগতে অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰিব লাগিব। এয়াই অসমীয়াৰ সংকট সমাধান কৰাত যুৱপ্ৰজন্মৰ ভূমিকা।

ঃঃঃঃঃঃ


## পম্পী ভাগৱতী

ৰসায়ন বিজ্ঞান বিভাগ


'আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব,
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।'

ড° ভূপেন হাজৰিকাই গীতৰ দ্বাৰা বহু পূৰ্বেই অসমৰ জাতীয় জীৱনৰ ভৱিষ্যদ্বাণী কৰি থৈ গৈছে। অসমীয়া জাতি ভাৰতৰ অন্যান্য জাতিৰ লগত সমানে প্ৰগতিৰ পথত আগবাঢ়ি যোৱা এক সংস্কৃতিৱান জাতি। এই অসমীয়া জাতি নিজস্ব ঐতিহ্য-সংস্কৃতিৰে সকলোৰে মাজত পৰিচিত জাতি। আমাৰ এই অসমীয়া জাতীয় জীৱনৰ বৰ্তমান পৰিস্থিতি এক সংকটময় অৱস্থাৰ মুখামুখি হোৱা দেখা গৈছে। এই পৰিস্থিতিৰ লগত মুখামুখি হ'বৰ বাবে আমাৰ যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ সময় আহি পৰিছে।

অসমৰ জাতীয় সংকটৰ মূল কাৰণ হ'ল— বিদেশী সমস্যা, কৰ্মবিমুখিতা, আৱেগিক মনোবৃত্তি, ভৌগোলিকভাৱে ক্ৰমান্বয়ে জুৰুলা হৈ অহা অসমৰ ব্যৱস্থা। কেউফালে সাম্প্ৰদায়িক বিদ্বেষ, ৰাজনৈতিক বিদ্বেষ আৰু ভাষা বিদ্বেষে স্ফটিকায় ৰূপ লৈ অসমৰ সংহতি ধ্বংসৰ যজ্ঞ চলাইছে। গোষ্ঠীগত দ্বন্দ্বত বিদীৰ্ণ হৈছে জাতীয় সংহতি, ঐক্যবোধ হৈ পৰিছে বহুধাবিভক্ত। এইবোৰ প্ৰৱণতাই জাতীয় সংহতিৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰিছে। বাধাগ্ৰস্ত হৈছে জাতিৰ প্ৰগতি, কিয়নো সংহতিয়েই হৈছে সকলো হিতকাৰ্যৰ মূল— 'সংহতি হিত সাধিকা'। আজিৰ যুগত একত্ববোধেই জাতি এটাৰ প্ৰগতিৰ গতিপথ। সমঅধিকাৰ স্বীকাৰ কৰি লোৱাই হ'ল জাতিগত বিকাশত গণতান্ত্ৰিক সূঁতি, যাৰ সৰল অৰ্থ হ'ল জাতিগতসকলে বিশেষত্বখিনিক স্বীকৃতি দিয়ে। কিন্তু আমি আজি অসমীয়া জাতিৰ ক্ষেত্ৰত দেখিছোঁ কি? কোনো জনগোষ্ঠীৰ এটি অংশই সন্ত্ৰাসৰ পথ গ্ৰহণ কৰে

তেতিয়া, যেতিয়া গণতান্ত্রিক উপায়েৰে নিজৰ অভাৱ-অভিযোগৰ প্ৰতিকাৰ বা আশা-আকাংক্ষা পূৰণৰ পথ অৰণ্যৰোদনৰূপে প্ৰতিপন্ন হয়। যেতিয়া শান্তিপূৰ্ণ গণতান্ত্ৰিক উপায়েৰে বৈষম্য আৰু অন্যায়ৰ প্ৰতিকাৰ বা দাবী পূৰণ সম্ভৱ হৈ নুঠে, তেতিয়াই সন্ত্ৰাসবাদ আৰু হিংসাৰ অপেক্ষাকৃত সহজ, চমকপ্ৰদ আৰু আপাততঃ আশুফলদায়ক পন্থাটোৰেই আকৰ্ষণীয় হৈ উঠে। আন্দোলন হিংসাত্মক হৈ উঠাৰ পাছতহে আমাৰ অসমৰ বৰমূৰীয়াসকলৰ হুঁচ আহে। অৰ্ধসামৰিক বাহিনী, সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত বহু যুৱকৰ মৃত্যু হয় আৰু ইয়াৰ মাজত নিৰীহ, নিৰস্ত্ৰ জনসাধাৰণ নিৰ্যাতন, লঘু-লাঞ্ছনাৰ বলি হয়।

শেহতীয়া লোকগণনাত স্পষ্ট হোৱা মতে, অসমীয়াভাষী লোকৰ সংখ্যা ৪৮.৩৮% লৈ হ্ৰাস পোৱাৰ বিপৰীতে বাংলাভাষীৰ সংখ্যা ৮ ৰ পৰা ৩৯ শতাংশলৈ বৃদ্ধি পাইছে। অসমৰ ১২৬টা বিধানসভা সমষ্টিত ৪২টা ভাষিক সমষ্টিত সংখ্যালঘুৰ আধিপত্য প্ৰতিষ্ঠা হৈছে অৰ্থাৎ ৭৭টা সমষ্টিত প্ৰাৰ্থীৰ জয়-পৰাজয়ৰ ক্ষেত্ৰত প্ৰব্ৰজনকাৰীৰ ভোটে নিৰ্ণায়ক ভূমিকা পালন কৰে। তদুপৰি বৰ্তমান সময়ত এই বিধেয়ক আইনলৈ ৰূপান্তৰিত নৌহওঁতেই সংঘটিত চিলাপথাৰ-কাণ্ড, অসমত অসমীয়াৰ পৰিৱৰ্তে বঙালীৰ স্বাৰ্থ সুৰক্ষাৰ বাবে ৰাজনৈতিক নেতাসকলৰ তৎপৰতাই স্পষ্ট কৰি দিয়ে যে বৰ্তমান অসমত খিলঞ্জীয়া অন্তিম সংকটত।

ৰাজনৈতিক, ভাষিক সংকটৰ লগতে আজি আমাৰ সন্মুখত পুঁজিবাদী সমাজৰ সংকটসমূহ বা অৰ্থনৈতিক সংকটসমূহ বা অৰ্থনৈতিক সংকটসমূহে তীব্ৰৰূপে গা কৰি উঠিছে। আজি অঞ্চলে অঞ্চলে বিকাশৰ যি বৈষম্য, সি পুঁজিবাদী সভ্যতাৰে পৰিণতি। দেশৰ বিভিন্ন অংশৰ দৰে অসমতো অৰ্থনৈতিক বৈষম্যৰ প্ৰাদুৰ্ভাৱেই দিনকদিনে পৰিস্থিতি সংকটজনক কৰি তুলিছে। গতিকে আজিৰ দৃষ্টিভংগী স্বাভাৱিকতে হ'ব সংকীৰ্ণতাৰ ঠাইত উদাৰ মানৱতাবাদী, য'ত সকলো ভাষা-ভাষী, সকলো সৰু-বৰ জনগোষ্ঠী তথা ধৰ্মাৱলম্বী একগোট হ'ব। পৰস্পৰৰ লগত যোগাযোগ বা বিনিময়ৰ মাজেৰে আগবাঢ়িলে জাতীয় সংকট দূৰ হ'ব। সাৰ্থক জাতি এটা গঢ় লৈ উঠাৰ সম্ভাৱনা এখন শোষণহীন সমাজৰ মাজত নিহিত হৈ থাকে।

মহাপুৰুষ শংকৰদেৱে অসমীয়া জাতিক যি বান্ধোনেৰে বান্ধি থৈ গৈছে, সেই সমন্বয়ৰ আদৰ্শেৰে আগবাঢ়িলে অসমীয়া জাতিৰ সংকট দূৰ হ'ব বুলি আমি আশাবাদী।

আমাৰ অসমৰ লোকসকল কাৰ্যবিমুখ, সেই সুযোগতে বাহিৰৰ লোকে অসমত অৰ্থনৈতিক শোষণ আৰম্ভ কৰিছে। সংস্কৃতিৰ দিশতো আমি নিজস্বতা এৰি পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি ধাৱিত হৈছোঁ।

বৰ্তমান অসমৰ ভাষিক, অৰ্থনৈতিক, ৰাজনৈতিক সংকট দূৰ কৰিবৰ বাবে আমাৰ আজিৰ যুৱ প্ৰজন্মৰ সজাগ আৰু সচেতন হ'ব লাগিব। আমি আমাৰ প্ৰাপ্যৰ বাবে ৰাজপথত শ্ল'গান দিলেই নহ'ব। হাতে-কামে লাগি প্ৰাপ্য আদায় কৰাৰ দায়িত্ব যুৱ প্ৰজন্মৰ। তাৰোপৰি যুৱ প্ৰজন্মই জাতীয় সংকট মোচন কৰি অসমীয়া জাতিক গৌৰৱময় জাতি হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব। তেতিয়াহে যুৱ প্ৰজন্মৰ লগতে অনাগত প্ৰজন্মই নিজকে এক উন্নত জাতি হিচাপে গৌৰৱ কৰিব পাৰিব।

'বাজক ডবা, বাজক শংখ
বাজক মৃদং খোল
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম বোল।'

ঃঃঃঃঃঃ

## আশাজ্যোতি ভূঞা

অৰ্থনীতি বিভাগ

প্ৰায় তিনি লাখ আঠষষ্ঠি হাজাৰ জনসংখ্যাৰে অসম এখন বিশাল ৰাজ্য। এই ৰাজ্য প্ৰাকৃতিক, ঐতিহাসিক দিশৰ পৰাও অতি বৈচিত্ৰ্যপূৰ্ণ আৰু সুন্দৰ। এই ৰাজ্যতে বিভিন্ন জাতি, জনজাতি, উপজাতিয়ে বাস কৰি আহিছে। এই জাতিসমূহৰ মাজত আমাৰ অসমীয়া জাতিও অন্যতম। আমাৰ অসমীয়া জাতিটো বিভিন্ন জাতি-জনগোষ্ঠী

যেনে— আহোম, কছাৰী, বড়ো, চুতীয়া আদিৰ সমন্বয়ত গঠিত। তদুপৰি এই জাতিটোৰ বিভিন্ন ভাষা আৰু সংস্কৃতি আছে। উদাহৰণস্বৰূপে— আহোম, চুতীয়া আদিয়ে মেখেলা-চাদৰ পৰিধান কৰে আৰু তেওঁলোকে অসমীয়া ভাষাই ব্যৱহাৰ কৰে। আনহাতে, বড়োসকলে 'দখনা' পৰিধান কৰে আৰু বড়ো ভাষাই ব্যৱহাৰ কৰে। এনেদৰেই আমাৰ অসমীয়া জাতিটোক এখন বাগিচাত ফুলি থকা ফুলসমূহৰ দৰেই লাগে। কিন্তু এই জাতিটোৱেই অতীততো সংকটৰ সন্মুখীন হৈছিল আৰু বৰ্তমানো সংকটৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। ১৮২৬ খ্ৰীষ্টাব্দত ব্ৰিটিছসকল অসমলৈ অহাৰে পৰা ১৮৩৬ খ্ৰীষ্টাব্দলৈকে তেওঁলোকে চৰকাৰী কাম-কাজৰ পৰা ধৰি সকলোতে অসমীয়া ভাষাই ব্যৱহাৰ কৰিছিল যদিও ১৮৩৬ চনৰ পাছৰ পৰা চৰকাৰী কাম-কাজৰ বাদেও বিদ্যালয়সমূহতো অসমীয়া ভাষাৰ অপসাৰণ কৰা হয়। কিন্তু অসমীয়া ভাষাৰ পুনৰুদ্ধাৰৰ স্বাৰ্থত ১৯৮৮ চনত কলিকতাত পঢ়িবলৈ যোৱা এদল অসমীয়া ছাত্ৰৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা আদিৰ প্ৰচেষ্টাত গঢ় লৈ উঠিল 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ। যাৰ পৰা ১৯৮৯ চনত প্ৰকাশ পায় প্ৰথম অসমীয়া আলোচনী 'জোনাকী'। এই আলোচনীতে বহুত ন ন অসমীয়া কবি-সাহিত্যিকৰ আত্মপ্ৰকাশ ঘটে। তেওঁলোকেই লিখি উলিয়ায় ন ন গল্প, কবিতা, উপন্যাস আদি। এই ৰচনাসমূহ সাধাৰণ লোকে বুজিব পৰাকৈ সহজ-সৰল ভাষাত ৰচনা কৰা হ'ল। এইসমূহ প্ৰচেষ্টাৰ বলতেই অসমীয়া ভাষাটোৱে পুনৰ চৰকাৰী ভাষাৰূপে স্বীকৃতি পাবলৈ সক্ষম হয়। আকৌ ১৯৭৮ চনত পুনৰ অসমীয়া জাতিটোৱে নিজৰ ভাষা-সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত বিদেশী আন্দোলনত নামিব লগাত পৰে। এই আন্দোলনত বহু নিৰীহ লোকে নিজৰ প্ৰাণ আহুতি দিবলগীয়াত পৰিছিল। যিয়ে আজি আমাক প্ৰমাণ কৰি দিয়ে যে অতীততো আমাৰ জাতিটোৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত বহু যুৱকে প্ৰতিবাদ কৰিবলগীয়া হৈছিল যাৰ বাবে বহু যুৱকে নিজৰ প্ৰাণ আহুতি দিছিল। ঠিক একেদৰে বৰ্তমান সময়তো আমাৰ জাতিটোৱে নিজ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত বহু চেষ্টা কৰিবলগাত পৰিছে। বৰ্তমান সময়ত চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু নাগৰিকত্ব সংশোধনী বিধেয়কৰ আন্দোলনে তাকে সূচায়। বাৰে বাৰে অসমীয়া জাতিটোৱে নিজ অস্তিত্ব ৰক্ষাৰ বাবে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ, আন্দোলন আদি কৰিবলগীয়া হয়। বৰ্তমান সময়ত অসম চৰকাৰে হিন্দু-বাংলাদেশীসকলক অসমত সংস্থাপন দি অসমীয়া জাতিটোৰ অস্তিত্ব চিৰদিনৰ বাবে নিঃশেষ কৰিব বিচাৰিছে। গতিকে অসমীয়া যুৱ-ছাত্ৰসকলৰ দায়িত্ব হ'ব যে গণতান্ত্ৰিকভাৱে প্ৰতিবাদ কৰি এই বিধেয়কখন গৃহীত হ'বলৈ দিব নোৱাৰিব। তদুপৰি বৰ্তমান সময়ত অসমীয়া জাতিটোৰ আন এক সংকট হৈছে এয়ে যে আমাৰ পিতৃ-মাতৃসকলে নিজ সন্তানক অসমীয়া মাধ্যমত পঢ়ুৱাব নিবিচাৰে। কাৰণ, দৈনন্দিন কাম-কাজৰ পৰা চাকৰিলৈকে সকলোতে বেছিভাগ ইংৰাজী ব্যৱহাৰ হয়। লগতে আজিকালি অসমীয়া লোকসকলে নিজ সংস্কৃতিৰ পৰিৱৰ্তে বেছিভাগ চীনদেশীয় সংস্কৃতি আৰু ইউৰোপীয় সংস্কৃতিক আদৰি লোৱাহে দেখা যায়। উদাহৰণস্বৰূপে— অসমীয়া লোকসকলে বেছিভাগ চীনদেশীয় খাদ্য যেনে— চাউমিন, ফ্ৰাইড্ ৰাইচ্ আদি খাই ভাল পায়। আনহাতে, সাজপাৰৰ ক্ষেত্ৰতো ইউৰোপীয় সাজপাৰক আদৰি লোৱা দেখা যায়। যেনে— জিন্‌ছ, স্কাৰ্ট, টি-ছাৰ্ট আদি। এনেদৰেই অসমীয়া জাতিটোৰ ভাষা-সংস্কৃতি লাহে লাহে বিলুপ্ত হ'বলৈ ধৰিছে।

গতিকে যুৱ প্ৰজন্মৰ ভূমিকা এনে ধৰণৰ হ'ব যে, তেওঁলোকে বিজ্ঞাপন, আলোচনী আদিৰ জৰিয়তে মানুহৰ মাজত অসমীয়া সাহিত্য-সংস্কৃতিক প্ৰতিফলন ঘটাই জনপ্ৰিয় কৰি তুলিব লাগিব। তদুপৰি তেওঁলোকে বিভিন্ন সাহিত্যমূলীয় প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগিব। অন্যথা এই ভাষা-সংস্কৃতি আমাৰ মাজতেই এদিন হেৰাই যাব।

ঃঃঃঃঃঃ


## প্ৰিয়ংকা বুঢ়াগোহাঁই

পদাৰ্থ বিজ্ঞান বিভাগ


যুৱ প্ৰজন্ম হৈছে এখন সমাজৰ ভৱিষ্যৎ, এখন দেশৰো ভৱিষ্যৎ। ভৱিষ্যতে এখন সুস্থ সমাজ আৰু দেশ গঢ় লৈ উঠে যুৱ প্ৰজন্মৰ জৰিয়তে। প্ৰত্যেক জাতিৰ বাবে যুৱ প্ৰজন্মই হৈছে মানৱ সম্পদ। নিজ জাতি আৰু

দেশমাতৃৰ কাৰণে যুৱ সমাজে বহু যুগান্তকাৰী ঘটনাৰ সৃষ্টি কৰি আহিছে। জাতি তথা জননীৰ প্ৰতি প্ৰেম যুৱ প্ৰজন্মৰ মাজত থকা উচিত। জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ আজিৰ যুৱ প্ৰজন্ম জাতিৰ সংকট মোচনত ব্ৰতী হ'ব লাগিব।

আমাৰ দেশ বীৰ-বীৰাংগনাৰ দেশ। লাচিত বৰফুকন, কনকলতা, কুশল কোঁৱৰ আদি তাৰ উদাহৰণ। জাতিৰ কাৰণে, দেশৰ কাৰণে লাচিত বৰফুকনে নিজ মাতুল( মোমায়েক)ৰ শিৰশ্চেদ কৰিছিল।

জাতিৰ আজি সংকটৰ কাল। যুৱ প্ৰজন্ম হাত সাবটি বহি থকা উচিত নহয়। আমাৰ দেশত মানুহে ধৰ্ম, ভাষা, ৰীতি-নীতি আদিৰ পাৰ্থক্যৰ ওপৰত বিশেষ গুৰুত্ব দি অহা দেখা গৈছে। কিছুমান বিবাদকামী ব্যক্তিয়ে এনে বিষয়ৰ সুযোগ লৈ একোটা জাতিৰ মাজত সাম্প্ৰদায়িক বিভেদৰ সৃষ্টি কৰিছে। ভাষাগত বিভেদ, ধৰ্মগত বিভেদ আদিয়েও মূৰ দাঙি উঠিছে। ক্ৰমাগতভাৱে বাঢ়ি অহা এনে বিভেদ বা পাৰ্থক্যসমূহ যদি আগবাঢ়িবলৈ দিয়া হয়, তেনেহ'লে দেশৰ লগতে জাতিৰ অস্তিত্ব নোহোৱা হৈ যাব। ইয়াৰ বাবে যুৱ প্ৰজন্ম আগবাঢ়ি আহিব লাগিব। জাতীয় সংহতি অক্ষুণ্ণ ৰাখিব লাগিব। কিয়নো এই দেশ বিভিন্ন জাতি, জনজাতি, বিভিন্ন ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকৰ মিলনভূমি।

ব্যক্তিবিশেষে যেনেকৈ কিছুমান বৈশিষ্ট্য আছে, একোটা জাতিৰো তেনেকৈ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। শিল্পীপ্ৰৱণতা জাপানী জাতিৰ জন্মগত চৰিত্ৰ। পুৰণি আৰু নতুনৰ সমন্বয় সাধি আগবাঢ়ি যোৱাটো ব্ৰিটিছ জাতিৰ স্বভাৱ। নিত্য নতুনৰ প্ৰতি প্ৰবল ধাউতি আমেৰিকাবাসীৰ সদাজাগ্ৰত ধৰ্ম।

আৱেগিক ইচ্ছা হ'ল জাতীয়তাৰ মূলাধাৰ। জাতীয় বীৰ বীৰাংগনাসকলে তেওঁলোকৰ কৰ্মৰ আদৰ্শেৰে জাতিবোধক অনুপ্ৰাণিত কৰে, জাতিৰ সংকটময় মুহূৰ্তত একো একোজন ক্ষণজন্মা পুৰুষৰ জন্ম দিয়ে। কিন্তু আজিৰ যুৱ প্ৰজন্মই সেই আশাত নাথাকি প্ৰত্যেকজনেই জাতিৰ সংকটৰ সময়ত জাতীয় চেতনাবোধেৰে উদ্ভাসিত হৈ জাতিৰ কাষত থিয় দিব লাগে আৰু তেওঁলোকৰ হিতৰ বাবে ওলাই আহিব লাগে। জাতিৰ বিকাশ সাধন কৰিবলৈ জাতিৰ মাজৰ পৰা দৰিদ্ৰতা আৰু শোষণ সম্পূৰ্ণভাৱে নিৰ্মূল কৰিব পাৰিব লাগিব।

আজি আমাৰ দেশ, জাতি, মহাসংকটত যি সমাজ জীৱনত অৰ্থনৈতিক উন্নয়ন, জাতীয় সংহতি আজি বিনষ্ট হৈছে। যিসকল নেতা-বৰমূৰীয়া আজি শাসনৰ বাঘজৰী ধৰি আছে, তেওঁলোকে নিজ স্বাৰ্থৰ বাবে জাতিৰ স্বাৰ্থত পিঠি দিছে। জাতিৰ মাজত বিভেদৰ সৃষ্টি কৰি শাসন লাভৰ বাসনাত লিপ্ত হৈছে। সেয়ে আজিৰ যুৱ প্ৰজন্মই জাতীয় সংহতিৰ ভাব সকলোৰে মনত জগাই জাতিধ্বংসী এনেবোৰ কৰ্ম নিপাত কৰিবলৈ ওলাই আহিব লাগিব। দেশৰ সাধাৰণ জনতাৰ মাজত এনেবোৰ কৰ্মৰ বিৰুদ্ধে সচেতনতা আনিব লাগিব। জাতিৰ অবিহনে দেশ গঠন হ'ব নোৱাৰে। সুস্থ জাতিসত্তাইহে সুস্থ দেশ গঠন কৰে। স্বদেশ-স্বজাতিক ভাল পাবলৈ আজিৰ যুৱ প্ৰজন্মই পণ লোৱা উচিত।

ব্যক্তিগত স্বাৰ্থক জলাঞ্জলি দি ৰাজনীতিৰ মেৰপেঁচৰ উৰ্দ্ধত গৈ আজিৰ যুৱ সমাজে জাতিৰ বাবে সুস্থ-সবল জাতি গঠনৰ বাবে মাৰবান্ধি আগবাঢ়ি অহা উচিত। আজিৰ সংকটপূৰ্ণ অৱস্থাত জাতি আৰু দেশমাতৃয়ে যুৱ প্ৰজন্মৰ পৰা সেয়াই আশা কৰিছে।

ঃঃঃঃঃঃ

## ৰৌজলিন আলী

প্ৰাণী বিজ্ঞান বিভাগ

আমাৰ অতিকৈ মৰমৰ, অতিকৈ চেনেহৰ মাতৃভূমিখনৰ নাম হৈছে অসম। এই অসমৰ সুজলা-সুফলা মাটিৰ মৰম বিচাৰি অতীজতে বহুতো জাতি-উপজাতিৰ আগমন ঘটিছিল। পৰৱৰ্তী সময়ত সকলোৰে মাতৃভূমি হৈ পৰিছিল এইখনি শ্যামলী-সুষমা-নিৰুপমা দেশ। অসমৰ সাহিত্য-সংস্কৃতিক আগবঢ়াই নিয়া পুৰোধা ব্যক্তিসকল যেনে— জাতিৰ নায়ক 'লক্ষ্মীনাথ বেজবৰুৱা', 'সংগীতসূৰ্য ড° ভূপেন হাজৰিকা', 'অসম কেশৰী অম্বিকাগিৰী

ৰায়চৌধুৰী' আদিয়ে নিজৰ জন্মভূমিৰ অতুলনীয় দৃশ্যৰাজি উপলব্ধি কৰাৰ লগতে তেতিয়াই বৰ্তমানৰ অসমৰ পৰিস্থিতিৰ পৰিকল্পনা কৰি, জনগণক সজাগ কৰাৰ উদ্দেশ্যে কিছুমান কথা গীত-কবিতাৰ আকাৰে ৰচনা কৰি উলিয়াইছিল। গীতসমূহ যেনে— 'অ' মোৰ আপোনাৰ দেশ', 'আহ আহ ওলাই আহ', কবিতা যেনে— 'ধৰ ঝাডু ধৰ ভাই।' এই সকলোবোৰ আছিল তেওঁলোকৰ জাতিটোৰ প্ৰতি থকা মৰম আৰু শ্ৰদ্ধাৰ এক বলিষ্ঠ উদাহৰণ।

সাম্প্ৰতিক অসমত এনে ধৰণৰ সহজ-সৰল পৰিৱেশৰ বিপৰীতে বিভিন্ন দিশ যেনে— সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো প্ৰেক্ষাপটতে এক সংকটময় পৰিৱেশৰ সূচনা হোৱা পৰিলক্ষিত হৈছে অৰ্থাৎ অসমীয়া জাতিটোৰ প্ৰতি এক বৃহৎ প্ৰত্যাহ্বান আহি পৰিছে। বৰ্তমান সময়ত অসমীয়া শব্দটোৰ সংজ্ঞাক লৈ দ্বিমত আছে। তাৰ পাছতো বিষয়টোত আছে 'অসমীয়াৰ জাতীয় সংকট আৰু যুৱ প্ৰজন্মৰ ভূমিকা'। কোন অসমীয়া? 'প্ৰতিদিন টাইম'ৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া ডাঙৰীয়াৰ মতে, 'যি ভূমিপুত্ৰই নিজৰ ভাষাটোৰ লগতে সামগ্ৰিকভাৱে অসমৰ ভাষা-সংস্কৃতিৰ উন্নতিৰ হকে কাম কৰি যায় আৰু অসমীয়া ভাষাক মাতৃভাষা বুলি গ্ৰহণ কৰিছে বা নিজা নিজা জনগোষ্ঠীয় ভাষাখিনিক নিজৰ মাতৃভাষাৰূপে গণ্য কৰি আগুৱাই গৈছে, সেইখিনিয়েই অসমীয়া।' আজি এই অসমীয়া জাতিটোৰ সংকটাপন্ন অৱস্থা হোৱাৰ মূল কাৰণসমূহ ঐতিহ্যৰ পৰা ফঁহিয়াই চালে বহুতো দেখিবলৈ পোৱা যায়।

প্ৰথমতে, ১৯৭২ চনৰ পূব পাকিস্তানৰ সৃষ্টি— যাৰ ফলত বাংলাদেশৰ পৰা চৰকাৰৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ দেখা-নেদেখা বিভিন্ন মানুহৰ আগমন ঘটিছিল। ফলস্বৰূপে অসমখনে সেই বোজা কঢ়িয়াই শেষত জাতিটোৰ অস্তিত্ব বিপদাপন্ন হোৱা দেখা গৈছে।

দ্বিতীয়তে, এসময়ত অসম আৰু উত্তৰ-পূব ভাৰতৰ সাতখন ক্ষুদ্ৰ ৰাজ্য একেলগ হৈ 'বৰ অসম' গঠিত হৈছিল। পৰৱৰ্তী সময়ত জাত-পাত, ধৰ্ম-ভাষাৰ শ্ৰেণী বিভাজন হোৱাৰ ফলত প্ৰত্যেক জাতিয়ে নিজৰ নিজৰ দল-সংগঠন, স্বায়ত্তশাসিত পৰিষদ আদি গঠন কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বিভক্ত হৈ পৰিল। শেষত অসমৰ মুষ্টিমেয় কেইটামান জনগোষ্ঠীৰ সৈতে অসমৰ জনগাঁথনি দুৰ্বল হৈ পৰাত অসমখন সংকটৰ শীৰ্ষত উপনীত হৈছে।

তৃতীয়তে, অসমীয়াসকল কৰ্মবিমুখ, পৰনিৰ্ভৰশীল আৰু সাংঘাতিক আৱেগসৰ্বস্ব জাতি হোৱাটো সংকটৰ এটা অন্যতম কাৰকৰূপে পৰিগণিত হৈছে।

চতুৰ্থতে, ইংৰাজী-প্ৰীতি আৰু অসমীয়া-ভীতিয়ে জাতিটোক সংকটৰ দিশে আগবাঢ়ি যোৱাত অৰিহণা যোগাইছে।

পঞ্চমতে, নিজৰ জাতীয় সংস্কৃতিলৈ পিঠি দি পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট হোৱাটোৱে জাতিটোৰ অস্তিত্ব নাইকিয়া কৰাত সহায় কৰিছে।

শেহতীয়াকৈ ঘোষণা কৰা নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬, যিয়ে সমগ্ৰ অসমবাসীক জলাকলা খুৱাইছে। যোৱা ২৩ জানুৱাৰীৰ দিনা গুৱাহাটীৰ লতাশিল খেলপথাৰত নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ বাতিলৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা আৰু ত্ৰিছটা জনগোষ্ঠীয় সংগঠনৰ আহ্বানক্ৰমে 'খিলঞ্জীয়াৰ বজ্ৰনিনাদ' কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। এই কাৰ্যসূচীত অসমীয়া জাতিৰ ভাষা-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি বিপদাপন্ন কৰি তুলিব পৰা এই জাতিধ্বংসী বিধেয়কখনৰ বিৰুদ্ধে সমগ্ৰ জাতিটো গৰজি উঠা পৰিলক্ষিত হৈছে। অন্যথা অসমৰ চিন-মোকাম নাইকিয়া হোৱাৰ সম্ভাৱনাই অধিক।

বৰ্তমান অসমৰ সমাজ ব্যৱস্থাত আন এক ডাঙৰ সমস্যা হৈছে অসমৰ জনগণে নিজকে অসমবাসী বুলি কোৱাতকৈ হিন্দু-মুছলমানৰ যি ধৰ্মকেন্দ্ৰিক জাতীয়তাবাদ অৰ্থাৎ প্ৰতিযোগিতা চলিছে, তেনে প্ৰতিযোগিতাত নামি পৰিছে। যাৰ ফলত অসমত প্ৰকৃত মানুহ বৃদ্ধি হোৱাৰ বিপৰীতে হাত-ভৰি, চকু-কাণ থকা জনসংখ্যাৰহে বৃদ্ধি হোৱা দেখা গৈছে। ফলত অসমীয়া জাতিটো দ্ৰুতগতিত সংকটৰ মুখে আগবাঢ়িছে।

অসমৰ বিভিন্ন দিশসমূহৰ ভিতৰত উদাহৰণস্বৰূপে বৌদ্ধিক জগতৰ প্ৰতি যদি চকু ফুৰাওঁ, তেতিয়া দেখা যায় অসমৰ বৌদ্ধিক জগতখনত পৰৱৰ্তী সময়ত কেনেকুৱা পৰিৱেশৰ সূচনা হৈছে। কিয়নো, সাহিত্য-সংস্কৃতি কৰা মোটামুটিভাৱে ভাল বুলি ভবা সেই মানুহবোৰক সৰ্বসাধাৰণে জাতিটোৰ উন্নতিৰ স্বাৰ্থত শেষ ভৰসা হিচাপে বাছি লয়। তেওঁলোকে যেতিয়া ভণ্ডামি আৰু ভ্ৰষ্টাচাৰীৰ কৰলত পৰি জনসাধাৰণৰ হজম নোহোৱা কৰ্মত লিপ্ত হয় তেতিয়া সৰ্বসাধাৰণ দিক্‌ভ্ৰান্ত হৈ পৰে। কাৰণ, বিগত বছৰত অসমৰ সংগীত নাটক একাডেমী বঁটা

পোৰা এগৰাকী ভদ্ৰ মহিলাই মদৰ বটলটো লৈ আন এগৰাকী ভদ্ৰ মহিলাৰ সৈতে মদৰ গিলাচত 'চিয়াৰ্চ' কৰি ফটো দিয়া দেখিবলৈ পোৱা গৈছে। এয়াই যদি আমাৰ মানসিকতা হয়, তেনেহ'লে অসম কেনেকৈ সংকটৰ পৰা উদ্ধাৰ হ'ব?

অসমীয়া বৃহৎ জাতিটোৱে ভুগি থকা এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত প্ৰতিজন ব্যক্তিৰে প্ৰথম আৰু প্ৰধান দায়িত্ব হৈছে মানসিকতাৰ পৰিৱৰ্তন। প্ৰতিজন ব্যক্তিৰ মানসিক পৰিৱৰ্তন হ'ব লাগিব, তেতিয়াই এখন সুন্দৰ সমাজ গঢ় লৈ উঠিব। যেতিয়া এখন সমাজ ভাল হ'ব তেতিয়া এটা সংগঠন ভাল হ'ব আৰু যেতিয়া সংগঠন ভাল হ'ব তেতিয়া স্বতঃস্ফূৰ্তভাৱে এখন ৰাজ্য ভাল হ'ব। জাতিটোক সংকটৰ কবলৰ পৰা উদ্ধাৰ কৰাত প্ৰতিজন ব্যক্তিৰ দায়িত্ব আছে বুলি ভবা হয় যদিও বৰ্তমান যুৱ প্ৰজন্ম হৈছে মূল চালিকাশক্তি। এই চালিকাশক্তিটোৰ চিন্তাধাৰা যদি গঠনমূলক নহয়, তেন্তে বৰ্তমান নৱপ্ৰজন্মৰ কি হ'ব? বিশ্ব দৰবাৰত আমাৰ অস্তিত্বই বা কি থাকিব?

বৰ্তমান আমাৰ এক শ্ৰেণীৰ যুৱক-যুৱতীৰ চিন্তাধাৰাৰ লগতে কৰ্ম-কাণ্ড, মহাপ্ৰতাপী, জ্ঞানী, যোগী লংকাৰ ৰজা ৰাৱণৰ দৰে হোৱাৰ ফলত সমাজ ব্যৱস্থাটো অস্থিৰ হৈ পৰিছে।

মোৰ এই সীমিত জ্ঞানেৰে এইটো উপলব্ধি কৰিছোঁ যে ব্যৱসায়িক উদ্দেশ্যৰে ব্যক্তিগতভাৱে কাঠফুলাৰ দৰে গঢ়ি উঠা শিক্ষানুষ্ঠানবোৰে নৈতিকতালৈ পিঠি দি কেৱল এখন মাৰ্কশ্বীট আৰু এখন চাৰ্টিফিকেট তৈয়াৰ কৰাৰ ওপৰত গুৰুত্ব দিয়াত ছাত্ৰ-ছাত্ৰীসকল নিজাববীয়াকৈ চিন্তা কৰিব নোৱাৰা হোৱাৰ লগতে সৃষ্টিমূলক আৰু গঠনমূলক চিন্তাৰ অভাৱ পৰিলক্ষিত হৈছে। এটি শিশুক ঘৰখনে সৰুৰে পৰা মূল্যবোধৰ সম্যক জ্ঞান দিবলৈ অবিৰতভাৱে প্ৰয়াস কৰিব লাগে। শৈশৱৰ পৰা পাৰ্থিৱ জগতৰ প্ৰতি আকৰ্ষিত নকৰি প্ৰকৃত সুখ-শান্তিৰ জ্ঞান দিয়া উচিত। এই সম্পৰ্কত মহামানৱ মহাত্মা গান্ধীয়ে মন্তব্য আগবঢ়াইছিল—

'Wealth without works
Pleasure without conscience
Knowledge without character
Commerce without morality
Religion without sacrifies
Science without humanity
Politics without principles.'

এজন ছাত্ৰ সময়ত এজন উৎকৰ্ষিত ব্যক্তিলৈ ৰূপান্তৰ হ'বলৈ হ'লে শৈশৱৰ পৰা এটা বিশ্লেষণাত্মক, সৃষ্টিশীল, অনসন্ধিৎসু মনৰ লগতে শ্ৰদ্ধা আৰু প্ৰজ্ঞা থকাটো জৰুৰী বুলি উপনিষদতো উল্লেখ কৰিছে। গতিকে যুৱ সমাজে নৈতিকতা বজাই ৰাখি সময়ত যি সংকটময় পৰিৱেশৰ সূচনা হৈছে সেই সকলোবোৰ নাইকিয়া কৰি এখন সুন্দৰ-সবল, নিকা ৰাজ্যৰ জন্ম দিবলৈ প্ৰয়াস কৰিব লাগিব আমাৰ সুন্দৰ, সু-পৰিকল্পিত চিন্তাধাৰাৰে। সকলো দল-সংগঠন ওলাই আহি ৰাষ্টাত টায়াৰ জ্বলাই প্ৰতিবাদ কৰা, বন্ধ ঘোষণা কৰাৰ বিপৰীতে জনগণক সজাগ কৰি, বিষয়বস্তুৰ ওপৰত যুক্তিযুক্ততা প্ৰতিপন্ন কৰি সমাজখন অৰ্থাৎ অসমখনক সু-শৃংখলভাৱে আগুৱাই নিয়াতো চালিকাশক্তিৰ ভূমিকা গুৰুত্বপূৰ্ণ। নৱ প্ৰজন্মৰ মাজত জাতীয় চেতনাৰ ভাব জাগ্ৰত কৰা, প্ৰকৃত জাতীয়তাবোধ গঢ় দিয়া, ভাঙোনমুখী চিন্তাধাৰাৰ পৰিৱৰ্তে গঠনমূলক চিন্তাৰে সাহসী, দায়িত্বশীল, কঠোৰ পৰিশ্ৰমীৰ লগতে গুৰুজনাৰ নৈতিক কৰ্তব্য হোৱাটো একান্ত বাঞ্ছনীয়। যিহেতু বৰ্তমান যুগটো বিশ্বায়নৰ যুগ, প্ৰদৰ্শনৰ যুগ। কিন্তু তাৰ আগতে নিজক সভ্য জানি লোৱাটো, বুজি লোৱাটো প্ৰয়োজন। বিশ্বৰ অন্য সভ্যতাৰ লগত ফেৰ মাৰিবলৈ যোৱাৰ আগতে নিজ সভ্যতাৰ বুজ ল'ব লাগিব। নিজৰ সংস্কৃতিক জনা, চৰ্চা কৰাইহে প্ৰকৃত জাতীয়তাবাদ হ'ব আৰু বিশ্বায়নৰ যুগত তিষ্ঠি থকাৰ সম্বল হ'ব।

সেয়েহে মই যথেষ্ট আশাবাদী যে এই নৱ প্ৰজন্মই সঠিক সময়ত, সঠিক পথত, শুদ্ধ আৰু গঠনমূলক চিন্তাৰে সমাজ তথা দেশখনক বিশ্বদৰবাৰত জিলিকাই তুলিব, সুন্দৰৰ সেন্দূৰীয়া আলি গঢ় দিব লাগিব আমাৰ সুন্দৰ সৃষ্টিশীল চিন্তাধাৰাৰে। সদৌ শেষত মোৰ ক্ষুদ্ৰ মগজুৰে ঢুকি পোৱা লিখনিটি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৰৰ এফাঁকি কবিতাৰে সামৰিব বিচাৰিছোঁ।

'বাজক ডবা বাজক শংখ বাজক মৃদং খোল।
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।'

ঃঃঃঃঃঃ

# গৰিমা বৰুৱা

অৰ্থনীতি বিজ্ঞান বিভাগ


মানুহ সামাজিক প্ৰাণী। সমাজ হ'ল মানুহৰ সংঘবদ্ধ হোৱাৰ ইচ্ছাৰ এটা ৰূপ। সমাজ বাদ দি কোনো সভ্য মানুহেই আজিৰ জগতত জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰে। মানুহে অন্যান্য কেতবোৰ প্ৰাণীৰ দৰে অকলশৰীয়া জীৱন যাপন কৰিব নোৱাৰে আৰু কৰ্মৰ এক প্ৰসাৰ বা ব্যাপ্তি বিচাৰে। আদিম যুগৰ পৰাই এনেবোৰ কাৰণত মানুহে সংঘবদ্ধভাৱে বসবাস কৰিবলৈ শিকিছে আৰু এনেদৰেই জন্ম হৈছে সমাজৰ। যিদৰে মানুহে মিলি সমাজখন গঠন কৰে, সেইদৰে সমাজখনেও একো একোজন ব্যক্তিক গঢ় দিয়াত মুখ্য ভূমিকা পালন কৰে। সমাজ অবিহনে ব্যক্তিৰ বিকাশ অসম্ভৱ। সেয়েহে এখন সমাজৰ শান্তি-শৃংখলা আৰু সুখ-সমৃদ্ধি সু-নিশ্চিত কৰিবৰ বাবে সমাজখন সংগঠিত হোৱা বৰ আৱশ্যক। এইক্ষেত্ৰত এখন সুস্থ সমাজ গঠনত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা নুই কৰিব নোৱাৰি।

ছাত্ৰ-ছাত্ৰীসকলো সমাজৰ এটা বৃহৎ অংশ। প্ৰতিজন ছাত্ৰ সমাজৰ একো একোজন সদস্য, ভৱিষ্যতৰ নাগৰিক, জাতিৰ ভৱিষ্যৎ কৰ্ণধাৰ। সেয়েহে ছাত্ৰসকলে সমাজক বাদ দি থাকিব নোৱাৰে আৰু সমাজেও ছাত্ৰ সমাজক বাদ দি সুকীয়া এখন সমাজৰ কল্পনা কৰিব নোৱাৰে। যিহেতু ছাত্ৰসকল সমাজত থাকিবই লাগিব গতিকে সমাজৰ প্ৰতিও ছাত্ৰৰ কৰিবলগীয়া বহুখিনি আছে। ঘৰখনৰ কাৰণে যিদৰে চিন্তা কৰিব লাগিব, সেইদৰে সমাজখনৰ কাৰণেও চিন্তা কৰিবলগীয়া আছে।

ছাত্ৰ শক্তি প্ৰবল আৰু বিৰাট শক্তি। তেওঁলোক সমাজৰ সদাজাগ্ৰত প্ৰহৰী। স্বাধীনতা, শান্তি, প্ৰগতিৰ কল্যাণময় আদৰ্শৰ জিলিকনিয়ে তেওঁলোকৰ দৃষ্টিপটত জীৱন্তকৈ দাঙি ধৰে একোটা সৰ্বাংগসুন্দৰ, সুখ আৰু সমৃদ্বিৰে ভৰা মধুৰ জীৱন, একোখন সমৃদ্ধিশালী সমাজ, দেশ। সেয়েহে সমাজৰ অন্যায়, অসত্যতা দেখিলে তেওঁলোক হয় জ্বালামুখীৰ দৰে উগ্ৰ, তাৰ প্ৰতিকাৰ বিচাৰি তেওঁলোক হৈ পৰে অতিশয় অস্থিৰ, উত্তেজিত। আনহাতে ব্যথীৰ ব্যথাত তেওঁলোক হয় ব্যথাহত, দুখত হয় বেদনাহত, সুখত হয় আনন্দিত— এইখনেই ছাত্ৰ সমাজ, এয়াই ছাত্ৰৰ স্বৰূপ। এই ছাত্ৰ সমাজেই এদিন সমাজক নেতৃত্ব দিব, সমাজৰ গুৰুভাৰ নতশিৰে গ্ৰহণ কৰিব। এইখন অজেয় সমাজ, এইখন সমাজৰ যি ঐক্যবদ্ধ শক্তি, তাৰ তুলনা পৃথিৱীত নাই। এইখন সমাজে যেতিয়া বিৰাট সমাজলৈ সাংগঠনিক দৃষ্টিভংগী লৈ আগবাঢ়ি আহিব, তেতিয়া সুন্দৰ নহৈ নোৱাৰে।

বৰ্তমান আমাৰ ভাৰতবৰ্ষৰ দৰে ৰাষ্ট্ৰ এখনৰ মূল আদৰ্শ হ'ল গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা। গতিকে ছাত্ৰসকলেও এই প্ৰমূল্যসমূহক জীৱিত কৰি ৰখাৰ বাবে চেষ্টা কৰিব লাগিব। কিন্তু তাৰ অৰ্থ এইটো নহয় যে ছাত্ৰসকলে এনে আদৰ্শৰ নামত কেতবোৰ মানুহে কৰি যোৱা অন্যায় আচৰণকে ৰাষ্ট্ৰৰ আদৰ্শ বুলি গ্ৰহণ কৰি থাকিব। ছাত্ৰসকল হ'ল পুৱাৰ দহ বজাৰ সূৰ্যৰ দৰেই উদয়মান, তেজস্বী আৰু শক্তিমান। এয়েই হ'ল ন ন চিন্তাৰ পূৰণৰ সময়। সেয়েহে ছাত্ৰশক্তিয়ে নিজৰ উদ্ভাৱনাময় শক্তিৰে এনেবোৰ প্ৰমূল্যক সঠিক দিশ নিৰ্দেশনা দিবৰ বাবেও চেষ্টা কৰিব লাগিব। এইখিনিতেই এটা কথা উল্লেখনীয় যে বিশ্বৰ সকলো সমাজত ছাত্ৰশক্তি এক নিঃস্বাৰ্থ শক্তি। লোভ, ক্ষমতা আদিৰ পৰা স্বাভাৱিকতেই তেওঁলোক মুক্ত। সেয়েহে সকলোৰে নতুন সমাজ গঢ়াত ন্যূনতম ভূমিকা পালন কৰিব পাৰে আৰু এতিয়ালৈকে ছাত্ৰই এনে দায়িত্ব পালন কৰি আহিছে।

এই সকলোবোৰ দায়িত্ব থকা সত্ত্বেও এটা কথা ছাত্ৰসকলে সদায় মনত ৰাখিব লাগিব যে তেওঁলোকৰ জীৱনৰ মূল দায়িত্ব হ'ল অধ্যয়ন। অধ্যয়নত ব্ৰতী হৈও সমাজৰ কল্যাণ সাধনত ছাত্ৰই মহৎ বৰঙণি যোগোৱাৰ থল আছে। সেয়ে সজভাৱে তেওঁলোক পৰিচালিত হ'ব লাগিব। ছাত্ৰ হিচাপে তেওঁলোকে আজি যি আহৰণ কৰিব সেয়াই কাইলৈ সমাজখনৰ ভাল-বেয়া বা অধোগতি-প্ৰগতি নিৰ্ণয় কৰিব। ছাত্ৰসকলে নিজৰ চিন্তাৰ উৎকৰ্ষ সাধন কৰি বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰিব লাগিব। পৃথিৱীৰ জ্ঞান-বিজ্ঞানৰ বিচিত্ৰ অভিজ্ঞতাৰে নিজকে পুষ্ট কৰি ন ন গৱেষণাৰে সমাজক সমৃদ্ধ কৰিব লাগিব। পঢ়া-লিখাৰ লগতে মানৰ মনৰ বিভিন্ন দিশ যেনে— চিত্ৰ, ভাস্কৰ্য, কলা-সাহিত্য, সত্য, প্ৰেম, অহিংসা, পৰোপকাৰ, কৰ্তব্যনিষ্ঠা, নিয়মানুৱৰ্তিতা আদি প্ৰমূল্যসমূহকো ধৰি ৰাখিব লাগিব। ছাত্ৰসকলে এটা কথা মনত ৰাখিব লাগিব যে শিক্ষাৰ সৰ্বোচ্চ দায়িত্বটো হ'ল সামাজিক কল্যাণ।

ছাত্ৰ সমাজে সংগঠনমূলক কামতো নানাভাৱে অৰিহণা যোগাই সমাজক পথ প্ৰদৰ্শন কৰিব পাৰে। গাঁওবোৰৰ

যাতায়াত ব্যৱস্থা উন্নত নহয়, মানুহবোৰ স্বাস্থ্য ৰক্ষাৰ নীতি-নিয়মৰ প্রতি আগ্রহশীল নহয়, শিক্ষাৰ প্রতিও সম্পূর্ণ ধাউতি দেখা নাযায়, উন্নত প্রণালীৰে খেতি-বাতি কৰাৰ প্রতি মুঠেও লক্ষ্য নাই, গাঁওখনৰ উন্নয়নৰ চিন্তাও নাই। এইবোৰ ক্ষেত্রত সহজেই ছাত্র সমাজে পথ প্রদর্শন কৰিব পাৰে। আজিৰ সময়ত দলে-বলে গাঁৱলৈ গৈ গাঁওবাসীক একত্রিত কৰি লৈ আলি-পদূলিবোৰ মেৰামতিৰ দ্বাৰা ৰাইজৰ কি উপকাৰ হ'ব বুজাই হাতে-কামে মেৰামতি কৰি দেখুৱাই সামুহিক কামৰো আভাস দিব পাৰে আৰু উৎসাহো জগাই তুলিব পাৰে। ঘৰ-দুৱাৰ, আলি-পদূলি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত, পায়খানা আদিৰ ব্যৱহাৰ, খোৱাপানী বিশুদ্ধিকৰণ আদিৰ ওপৰত স্বাস্থ্য কেনেদৰে নির্ভৰ কৰে সেইবোৰ প্রত্যক্ষ উদাহৰণসহ ৰাইজক বুজাই দি সহায় কৰিব পাৰে। সমাজৰ পিছপৰা অৱস্থাৰ মূলতে শিক্ষাৰ অভাৱ। শিক্ষাই অজ্ঞান-আন্ধাৰ দূৰ কৰি সমাজক পোহৰৰ বাটলৈ লৈ যায়। মাজে মাজে নিৰক্ষৰ লোকসকলক গোটাই লৈ আখৰকেইটা চিনাকি কৰি দিব পাৰিলে মানুহে শিক্ষাৰো মোল বুজিব আৰু নিজৰ ল'ৰা-ছোৱালীকেইটাৰ শিক্ষাৰ প্রতিও মানুহ আগ্রহশীল হ'ব।

সমাজত প্রচাৰিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্রত ছাত্র সমাজে সক্রিয় ভূমিকা গ্রহণ কৰিব পাৰে। বিহু, তিথি-পার্বণ, উৎসৱ আদিত সহযোগিতা কৰি ৰাইজৰ মাজত নতুনৰ আদর্শ দাঙি ধৰিব পাৰে; মিলনৰ, একতাৰ সংহতিৰ আদর্শ দেখুৱাব পাৰে। সমবায়ৰ যুগ আৰম্ভ হৈছে পৃথিৱীত। বিদ্যালয়সমূহত সমবায়ৰ শিক্ষা দিয়া হৈছে। খেতি-বাতি, বেহা-বেপাৰ আদিৰ ক্ষেত্রত সমবায়ৰ ভূমিকাৰ বিষয়ে ছাত্রসকলে মানুহক বুজাই দি সন্মিলিত প্রচেষ্টাৰে সমাজৰ কেনেদৰে উন্নতি সাধন কৰিব পাৰে, তাৰ আদর্শ ছাত্রসকলে দেখুৱাব পাৰে।

মুঠতে ছাত্রশক্তি একত্রিত হৈ, প্রবল উৎসাহ-উদ্দীপনা, প্রেৰণা লৈ সমাজৰ সংগঠনমূলক কামত অগ্রসৰ হ'ব। সেৱাৰ মনোভাবেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব, তেতিয়া সমাজেও উৎসাহ পাব, প্রেৰণা পাব আৰু ছাত্রশক্তিৰ নেতৃত্বত মহৎ কার্য সম্পাদনৰ পাছত জীৱন উচর্গি আগবাঢ়ি যাব।

সামৰণিত এটা কথাই ক'ব পাৰি যে শিক্ষাই মানুহক কি দিয়ে। শিক্ষাই এজন মানুহক আন্ধাৰৰ পৰা মুক্ত কৰে, স্বাধীন আৰু সাহসী কৰে আৰু নতুনক আদৰি ল'বলৈ শিকায়। সেয়ে প্রকৃতভাৱে শিক্ষিত এজন ব্যক্তি কেতিয়াও কাৰো গোলাম নহয়। শিক্ষাৰো মূল উদ্দেশ্য সেয়েই— মানুহক সকলো অন্ধতা আৰু গোলামিৰ পৰা মুক্ত কৰা। সেয়ে ছাত্রৰ পৱিত্র কর্তব্য এইটোও যে তেওঁলোকেই শিক্ষাক স্বার্থান্বেষীসকলৰ কোপদৃষ্টিৰ পৰা বচাই ৰাখি জনকল্যাণৰ স্বার্থত ব্যৱহাৰ কৰিব লাগিব। এয়েই হ'ল ছাত্রৰ পৱিত্র কর্তব্য।

এই ক্ষেত্রত ছাত্র সমাজৰ পথ প্রদর্শকসকলৰো দায়িত্ব অসীম। ছাত্রসমাজক ভুল পথেৰে, ভুলভাৱে পৰিচালিত কৰাৰ পৰিণাম গুৰুতৰ। ছাত্র সমাজৰ স্বতঃস্ফূর্ত জীৱনীশক্তি, কর্মপ্রেৰণা, গতি আৰু সৃজনী প্রতিভাক অতিশয় সাৱধানেৰে পৰিচালনা কৰা উচিত। ই অবাটে যাব লাগিলে জাতিৰ, সমাজৰ, দেশৰ বিৰাট আৰু অপূৰণীয় ক্ষতি হ'ব।

ঃঃঃঃঃঃ

## আফৰুজা চুলতানা হাজৰিকা

অর্থনীতি বিভাগ

মানুহ সামাজিক প্রাণী। সমাজ বাদ দি কোনো মানুহেই আজিৰ জগতত জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰে। ছাত্রসকলো সমাজৰে এটা বৃহৎ অংগ। প্রতিজন ছাত্র সমাজৰে একো একোজন সদস্য, ভৱিষ্যতৰ নাগৰিক, জাতিৰ ভৱিষ্যতৰ কর্ণধাৰ। সেয়েহে ছাত্রসকলে সমাজ বাদ দি থাকিব নোৱাৰে আৰু সমাজেও ছাত্র-ছাত্রী, সমাজক বাদ দি সুকীয়া এখন সমাজৰ কল্পনা কৰিব নোৱাৰে। যিহেতু ছাত্র-ছাত্রীসকল সমাজত থাকিবই লাগিব। গতিকে সমাজৰ প্রতিও ছাত্র-ছাত্রীৰ কৰিবলগীয়া বহুখিনি আছে। ঘৰখনৰ কাৰণে যিদৰে চিন্তা কৰিব লাগিব, সেইদৰে সমাজখনৰ কাৰণেও চিন্তা কৰিবলগীয়া আছে।

ছাত্রশক্তি এক প্রবল আৰু বিৰাট শক্তি। ছাত্র-ছাত্রীসকলৰ কল্পনাপ্রৱণ মন অসীম উচ্ছাস আৰু উদ্যমেৰে ভৰপূৰ; শক্তিৰ অফুঁৰন্ত ভাণ্ডাৰ। উচ্ছল দেহ, উচ্ছল মন, বাহুত অসীম বল, মনত অসীম সাহস, চকুত তীব্র

উজ্জ্বল দৃষ্টি, বুকুত দিগন্তপ্ৰসাৰী কল্পনাৰ ৰঙীন ছবি, লক্ষ্য সাধনৰ প্ৰবল আগ্ৰহ। প্ৰাণ-প্ৰাচুৰ্যৰে ছাত্ৰ-ছাত্ৰীৰ সমাজ অসীম শক্তি আৰু সম্ভাৱনাৰ প্ৰতীক। তেওঁলোক সমাজৰ সদাজাগ্ৰত প্ৰহৰী। স্বাধীনতা, শান্তি, প্ৰগতিৰ কল্যাণময় আদৰ্শৰ জিলিমিলনিয়ে তেওঁলোকৰ দৃষ্টিপটত জীৱন্তকৈ দাঙি ধৰে একোটা সৰ্বাংগসুন্দৰ, সুখ আৰু সমৃদ্ধিৰে ভৰা মধুৰ জীৱন, একোখন সমৃদ্ধিশালী সমাজ, দেশ। সেয়েহে সমাজৰ অন্যায়, অসত্য দেখিলে তেওঁলোক হয় জ্বালামুখীৰ দৰে উগ্ৰ, তাৰ প্ৰতিকাৰ বিচাৰি তেওঁলোক হৈ পৰে অতিশয় অস্থিৰ, উত্তেজিত। আনহাতে, ব্যথীৰ ব্যথাত তেওঁলোক হয় ব্যথাহত। দুখত হয় বেদনাহত, সুখত হয় আনন্দিত। এইখনেই ছাত্ৰ সমাজ, এয়াই ছাত্ৰৰ স্বৰূপ, এই ছাত্ৰ-ছাত্ৰীৰ সমাজেই এদিন সমাজক নেতৃত্ব দিব। এইখন অজেয় সমাজ, এইখন সমাজৰ যি ঐক্যবদ্ধ শক্তি, তাৰ তুলনা পৃথিৱীত নাই। এইখন সমাজে যেতিয়া বিৰাট সমাজলৈ সাংগঠনিক দৃষ্টিভংগী লৈ আগবাঢ়ি আহিব তেতিয়া সুন্দৰ নহৈ নোৱাৰে।

ছাত্ৰ-ছাত্ৰীৰ প্ৰধান ব্ৰত অধ্যয়ন। অধ্যয়নত ব্ৰতী হৈও সমাজৰ কল্যাণ সাধনত ছাত্ৰই মহৎ বৰঙণি যোগোৱাৰ থল আছে। সেয়ে সজভাৱে তেওঁলোক পৰিচালিত হ'ব লাগিব। অসমৰ বিভিন্ন ঠাইত প্ৰতিবছৰে বানপানী হৈ লাখ লাখ মানুহ গৃহহীন হয়, লাখ লাখ মানুহ খাদ্যসংকটৰ সন্মুখীন হোৱাৰ লগতে মৃত্যুমুখত পৰে। এই দুৰ্যোগৰ সময়ত ছাত্ৰসকলে সেৱাৰ আদৰ্শ সন্মুখত লৈ সৰ্বহাৰাসকলক, দুৰ্গতসকলক নানাভাৱে সহায় কৰিব পাৰে। দুৰ্ভিক্ষ, অগ্নিকাণ্ড আদিৰ সময়তো ছাত্ৰ-ছাত্ৰীৰ সমাজে তেওঁলোকৰ অপৰিসীম শক্তিৰে বিপন্নসকললৈ সেৱা আগবঢ়াই দুৰ্গতসকলৰ অন্তৰত আশাৰ বন্তি জ্বলাব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে দান-বৰঙণিৰে সংগ্ৰহ কৰা সাহায্য লৈ যেতিয়া বিপদাপন্নসকলৰ ওচৰত উপস্থিত হ'ব, তেতিয়া তেওঁলোকে এই ভৰসা পাব যে বিপদত পৰিলে পৰিত্ৰাণ কৰিবলৈ তেওঁলোকৰ লগত এখন সমাজ আছে, সহানুভূতি জনাবলৈ, এযাৰ সাদৰী মাত দিবলৈ, সান্ত্বনাৰ বাণী শুনাবলৈ এখন সমাজে অহৰ্নিশে প্ৰচেষ্টা চলাই আছে। আজিৰ ছাত্ৰ সমাজে এইখিনি কাম অতি সহজে সমাধা কৰি লাখ লাখ মানুহক বিপদৰ পৰা উদ্ধাৰ কৰি মহানুভৱতাৰ পৰিচয় দিব পাৰে। সমাজৰ উদীয়মান সদস্য হিচাপে সমাজলৈ এইদৰে পাৰ্যমানে দান, সাহায্য আগবঢ়োৱাতো ছাত্ৰসকলৰ ভৱিষ্যৎ উজ্জ্বল কৰ্মময় জীৱনৰ নিদৰ্শন।

সমাজ সেৱাৰ অন্তৰ্গত এইবোৰ কামৰ উপৰি ছাত্ৰ সমাজে সংগঠনমূলক কামতো নানাভাৱে অৰিহণা যোগাই সমাজক পথ প্ৰদৰ্শন কৰিব পাৰে। আমাৰ গাঁওবোৰৰ যাতায়াত ব্যৱস্থা উন্নত নহয়, মানুহবোৰ স্বাস্থ্য ৰক্ষাৰ নীতি-নিয়মৰ প্ৰতি আগ্ৰহশীল নহয়, শিক্ষাৰ প্ৰতিও সম্পূৰ্ণ ধাউতি দেখা নাযায়, উন্নত প্ৰণালীৰ খেতি-বাতিৰ প্ৰতিও মুঠেও লক্ষ্য নাই, গাঁওখনৰ উন্নয়নৰ চিন্তাও নাই। এইবোৰ ক্ষেত্ৰত সহজেই ছাত্ৰ সমাজে পথ প্ৰদৰ্শন কৰিব পাৰে। আজৰি সময়ত দলে-বলে গাঁৱলৈ গৈ গাঁওবাসীক একত্ৰিত কৰি লৈ আলি-পদূলিকেইটা মেৰামতিৰ পৰা ৰাইজৰ কি উপকাৰ হ'ব বুজাই হাতে-কামে মেৰামতি কৰি দেখুৱাই সামূহিক কামৰো আভাস দিব পাৰে আৰু উৎসাহ জগাই তুলিব পাৰে। ঘৰ-দুৱাৰ, আলি-পদূলি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত, পায়খানা আদিৰ ব্যৱহাৰ, খোৱাপানীৰ বিশুদ্ধিকৰণ, ৰন্ধা-বঢ়াৰ প্ৰণালী আদিৰ ওপৰত স্বাস্থ্য কেনেভাৱে নিৰ্ভৰ কৰে, সেইবোৰ প্ৰত্যক্ষ উদাহৰণসহ ৰাইজক বুজাই দি সহায় কৰিব পাৰে। সমাজৰ পিছপৰা অৱস্থাৰ মূলতে শিক্ষাৰ অভাৱ। শিক্ষাই অজ্ঞান-আন্ধাৰ দূৰ কৰি সমাজক পোহৰৰ বাটলৈ লৈ যায়। মাজে মাজে নিৰক্ষৰ লোকসকলক গোটাই লৈ আখৰকেইটা চিনাকি কৰি দিব পাৰিলে মানুহে শিক্ষাৰো মোল বুজিব আৰু নিজৰ ল'ৰা-ছোৱালীকেইটাৰ শিক্ষাৰ প্ৰতিও মানুহ আগ্ৰহশীল হ'ব।

বৈজ্ঞানিক যুগত যন্ত্ৰৰ ব্যৱহাৰ, উপযুক্ত সাৰ আদি প্ৰয়োগ কৰি তাকৰীয়া মাটিতে সৰহ শস্য উৎপাদন কৰিব পাৰি। তাৰ মন্ত্ৰেৰে ছাত্ৰসকলে সমাজক উদ্বুদ্ধ কৰি তুলিব পাৰিব। ছাত্ৰসকলে কিতাপ, পুথি সংগ্ৰহ কৰি গাঁৱে গাঁৱে কম খৰচতে একোটা পুথিভঁৰাল প্ৰতিষ্ঠা কৰিব পাৰে। দহজন গোট খাই বাতৰি পঢ়াৰ, শুনাৰ, দুই-চাৰিটা আৱশ্যকীয় বিষয়-আলোচনাৰ উৎকৃষ্ট ঠাই পুথিভঁৰালবোৰ। পুথিভঁৰাল গঞা ৰাইজৰ জ্ঞান বিকাশৰ কেন্দ্ৰ।

**সমাজ সংস্কাৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ঃ-**

সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। বিহু, তিথি-পাৰ্বণ, উৎসৱ আদিত সহযোগিতা কৰি ৰাইজৰ মাজত নতুন আদৰ্শ দাঙি ধৰিব পাৰে, মিলনৰ একতাৰ সংহতিৰ আদৰ্শ দেখুৱাব পাৰে। খেতি-বাতি, বেহা-বেপাৰ আদিৰ ক্ষেত্ৰত সমবায়ৰ ভূমিকাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে মানুহক বুজাই দি সন্মিলিত প্ৰচেষ্টাৰে সমাজৰ কেনেদৰে উন্নতি সাধন কৰিব পাৰে তাৰ আদৰ্শ

ছাত্ৰ-ছাত্ৰীসকলে দেখুৱাব পাৰে।

মুঠতে ছাত্ৰ-ছাত্ৰীৰ শক্তি একত্ৰিত হৈ, প্ৰবল উৎসাহ-উদ্দীপনা, প্ৰেৰণা লৈ সমাজৰ সংগঠনমূলক কামত অগ্ৰসৰ হ'ব। সেৱাৰ মনোভাবেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব। তেতিয়া সমাজেও উৎসাহ পাব আৰু ছাত্ৰ-ছাত্ৰীৰ শক্তিৰ নেতৃত্বত মহৎ কাৰ্য সম্পাদনৰ পিছত জীৱন উচৰ্গি আগবাঢ়ি যাব।

বৰ্তমান যুগত বিদ্যালয়সমূহত স্কাউট, এন চি চি, এন এছ এছ আদিৰ যোগে ছাত্ৰ-ছাত্ৰীৰ শক্তিক সৃষ্টিমূলক, সংগঠনমূলক কামৰ শিক্ষা দিয়াৰ ব্যৱস্থা হৈছে। কিন্তু সমাজ সেৱাৰ সম্পৰ্কে উপযুক্ত শিক্ষা দিয়াৰ ব্যৱস্থা হোৱা নাই। সাৰ্বভৌম, গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত ছাত্ৰশক্তিক সেৱাৰ আৰু সংগঠনৰ কামত প্ৰয়োগ কৰি ছাত্ৰসকলক ভৱিষ্যৎ জীৱনত নেতৃত্বৰ বাবে উপযুক্ত কৰি তোলাৰ ব্যৱস্থা শিক্ষাৰ অংগ হোৱা উচিত।

এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সমাজৰ পথ প্ৰদৰ্শকসকলৰো দায়িত্ব অসীম। ছাত্ৰ-ছাত্ৰীৰ সমাজক ভুল পথেৰে, ভুলভাৱে পৰিচালিত কৰাৰ পৰিণাম গুৰুতৰ। ছাত্ৰ সমাজৰ স্বতঃস্ফূৰ্ত জীৱনীশক্তি, কৰ্মপ্ৰেৰণা, গতি আৰু সৃজনী প্ৰতিভাক অতিশয় সাৱধানে পৰিচালনা কৰা উচিত। ই অবাটে যাব লাগিলে জাতিৰ, সমাজৰ, দেশৰ বিৰাট আৰু অপূৰণীয় ক্ষতি হ'ব।

ঃ ঃ ঃ ঃ ঃ ঃ



"

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পিছতে ড° মহেশ্বৰ নেওগেই হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক সৰ্বভাৰতীয় পৰ্যায়ত পৰিচয় প্ৰদান কৰিবলৈ অহৰহ প্ৰচেষ্টা চলোৱা শংকৰী সাহিত্য সংস্কৃতিৰ একান্ত সাধক।

"



# অসমীয়া ভাষা-সংস্কৃতিলৈ ড° মহেশ্বৰ নেওগৰ অৱদান

**কবিতা ফুকন**
অসমীয়া বিভাগ

অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনক নিজ বৰঙণিৰে চহকী কৰি থৈ যোৱা অসামান্য পাণ্ডিত্যৰ অধিকাৰী ব্যক্তিগৰাকীয়েই আছিল ড° মহেশ্বৰ নেওগ। ড° মহেশ্বৰ নেওগ আছিল অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা, অসমৰ লিপিতত্ত্বৰ গৱেষণা কৰোঁতা, অসমৰ ধৰ্মৰ ইতিহাস ৰচনা কৰোঁতা আৰু অসমীয়া ভাষাৰ অভিধান ৰচনাৰে অসমীয়া ভাষাৰ নিকা ৰূপ কৰাৰ বাবে চিন্তা-চৰ্চা কৰোঁতা।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পিছতে ড° মহেশ্বৰ নেওগেই হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক সৰ্বভাৰতীয় পৰ্যায়ত পৰিচয় প্ৰদান কৰিবলৈ অহৰহ প্ৰচেষ্টা চলোৱা শংকৰী সাহিত্য সংস্কৃতিৰ একান্ত সাধক। মহাপুৰুষৰ বৰগীত আৰু সত্ৰীয়া নৃত্যক সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। তেওঁ ৰচনা কৰা 'শ্ৰীশ্ৰীশংকৰদেৱ' আৰু ডক্টৰেট ডিগ্ৰীৰ বাবে দাখিল কৰা 'শংকৰদেৱ এণ্ড হিজ টাইমছ' গ্ৰন্থ দুখন মহাপুৰুষ শ্ৰীমন্ত শকংৰদেৱৰ জীৱন, কৰ্ম আৰু বৈষ্ণৱ ধৰ্মৰ বিস্তৃত অধ্যয়ন আৰু তথ্যসমৃদ্ধ মূল্যৱান গ্ৰন্থ। তেওঁৰ আন কেইখনমান গ্ৰন্থ হ'ল-পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, অসমীয়া প্ৰেমগাথা, অসমীয়া সাহিত্যৰ ৰূপৰেখা, অসমীয়া গীতি-সাহিত্য, স্বৰৰেখাত বৰগীত, অসমৰ ধৰ্মৰ বুৰঞ্জীঃ আন্ধাৰ আৰু পোহৰ, আধুনিক অসমীয়া সাহিত্য, সাহিত্য সমীক্ষা আদি।



অতি অনুসন্ধিৎসু মন, বিশ্লেষণাত্মক দৃষ্টিভংগী আৰু বৈজ্ঞানিকৰ মনৰ অধিকাৰী ড° নেওগে অসমৰ বহু পুৰণি আৰু নতুন গ্ৰন্থৰ সম্পাদনাও কৰি গৈছে। তাৰ ভিতৰত ভক্তিপ্ৰদীপ, নামঘোষা, কীৰ্তন ঘোষা, গীতি ৰামায়ণ, শ্ৰীশ্ৰীবংশীগোপালদেৱৰ সংহতি, লৱ-কুশৰ যুদ্ধ, চকুলো আৰু মালচ, গুৰু চৰিত কথা, শ্ৰীহস্তমুক্তাৱলী, চাহাপৰী উপাখ্যান বা মৃগাৱতী চৰিত্ৰ, সঞ্চয়ন, অসমীয়া খণ্ড বাক্যকোষ, অশান্ত হিমালয় সীমান্তৰ আহ্বান, কৃষ্ণস্তোত্ৰ, বেজবৰুৱা পত্ৰলেখা, সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল, ভাগৱতী প্ৰসাদ বৰুৱা, অৰুণোদই আদি।

অসমীয়া ভাষাৰ নিকা ৰূপৰ প্ৰতি সদা সচেতন ড° মহেশ্বৰ নেওগৰ অসমীয়া ভাষাৰ আখৰ জোঁটনি সম্পৰ্কীয় এলানি ৰচনাৰ অতি মূল্যৱান সংকলন হ'ল-'নিকা অসমীয়া ভাষা'। তেওঁৰ সাৱলীল, ৰসাল গদ্যৰ স্বাক্ষৰ বহন কৰা ৰচনা হ'ল আত্মজীৱনী 'জীৱনৰ দীঘ আৰু বাণী'।

'আধুনিক অসমীয়া অভিধান' আৰু 'চন্দ্ৰকান্ত অভিধান' ড° মহেশ্বৰ নেওগৰ সম্পাদনাত প্ৰকাশিত অভিধান। চিন্তা গধুৰ গৱেষণাধৰ্মী কামৰ মাজত তেওঁ মনটোৰে জিৰণী লৈছিল কবিতাৰ কোমল কোলাত। Under One Sky, মুছাফিৰখানা, সঞ্চাৰিণী, দীপশিখা, ৰক্তকমল আৰু লাজবন্তী আদি কবিতা পুথি তাৰেই ফল। ড° মহেশ্বৰ নেওগৰ শিশু উপযোগী গ্ৰন্থ হ'ল 'ডাৱৰৰ সিপাৰে ধুনীয়া দেশ'। তেখেতৰ অন্যান্য ৰচনা যেনে-নিজৰা লগৰী,Sankardeva and His Predecessores, The Art of Painting in Assam,পবিত্ৰ অসম, ঋতু সুৰ (নাটক), The Bhakti Ratnakara of Sankardeva and History of the Concept of Bhakti, Anandaram Dhekial Phukan ইত্যাদি।

ড° মহেশ্বৰ নেওগৰ বিচৰণৰ ক্ষেত্ৰখন আছিল বৰ বহল। পুৰণি শিলালিপিৰ পৰা আধুনিক কবিতালৈকে, শাস্ত্ৰীয় নৃত্য গীতৰ পৰা লোকশিল্পলৈকে, প্ৰাচীন ভাস্কৰ্য স্থাপত্যৰ পৰা আধুনিক চিত্ৰশিল্পলৈকে, ভাষাতত্বৰ পৰা নৃতত্বলৈকে, পাশ্চাত্য তত্বৰ পৰা নন্দন তত্বলৈকে, ইতিহাসৰ পৰা দৰ্শন আৰু ধৰ্মলৈকে এই সকলো ক্ষেত্ৰতে বিচৰণ কৰি গ'ল অনায়াসে বিৰল দক্ষতাৰে। ড° নেওগৰ অধ্যয়নৰ সকলো বিষয়েই অসম, অসমৰ মানুহ, অসমীয়া ভাষা, অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ লগত জড়িত।

অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ নীৰৱ সাধনাত ড° মহেশ্বৰ নেওগৰ সমগ্ৰ জীৱন উৎসৰ্গিত হৈছিল। তেওঁৰ সৃষ্টিৰাজি কাৰো লগত তুলনা কৰিব নোৱাৰি। তেখেতৰ প্ৰতিটো কামেই আমাৰ জাতীয় জীৱনৰ বুৰঞ্জীত জিলিকি থাকিব। ড° মহেশ্বৰ নেওগক বাদ দি আধুনিক অসমৰ জাতীয় বৌদ্ধিক তথা সাংস্কৃতিক জীৱনৰ ইতিহাসৰ সম্পূৰ্ণতাৰ কথা ভাবিব নোৱাৰি।

# সৎ-অসতৰ উচ্চতৰ ঐক্য সাধনেই জীৱন

**ৰিকুশ্ৰী চেতিয়া**
অসমীয়া বিভাগ

আমাৰ বহুল প্ৰচাৰিত শব্দবোৰৰ মাজৰ দুটা শব্দ সৎ আৰু অসৎ। এই দুয়োটা শব্দই বহুল কৰিছে আমাৰ মনৰ স্থিৰতা, আকাংক্ষা, ব্যক্তিত্ব, নিজৰ শক্তিৰ সামৰ্থ্য। ইয়াৰ অৰ্থ এইটোৱেই যে আমি যদি নিজকে সুখী বুলি কওঁ, তেন্তে নিজকে সৎ বুলিও ক'ব পাৰোঁ। কাৰণ, সৎ লোকেই সুখী লোক, সত্য লোক বিনয়ী। সততাই হ'ল 'নৈতিক স্বচ্ছতা'। ইয়ে সমাজৰ বান্ধ।

প্লেটোৱে তেওঁৰ দৰ্শনত কৈছে— 'যি মানুহ সুখী তেৱেঁই সৎ।'

এই সৎ লোক ন্যায়ৱান, বিসংগতি, বিমুক্ত অৰ্থাৎ সংগীতপূৰ্ণ সংঘাত। এনে লোক স্বাভাৱিকতে প্ৰতাৰণাৰ বিৰোধী, এনে লোকৰ আচৰণ এনেভাৱে সংস্কৃতিময় যে তেওঁলোকে সদায় ভাল কামহে কৰিব। সামাজিক ব্যৱহাৰ, চাল-চলনতো এওঁলোকৰ কোনোখিনিতেই আঁৰ নালাগে। এনে আদৰ্শ ব্যক্তিয়ে জীৱনটো কলাশিল্পৰ ৰূপত নাইবা উৎকৃষ্ট বা মহান কামৰ সৌন্দৰ্য সৃষ্টিৰ বাবে আত্মনিয়োগ কৰিব জানে। কাৰণ, সৌন্দৰ্য জীৱনটোৰ অমৃতৰে নিশ্চিত পথ। এনে সৌন্দৰ্য সৃষ্টিৰে মৃত্যু হৈও মৃত্যুঞ্জয়ী হয় প্ৰতিজন লোক। জৰ্জ উইল হেলম ফ্ৰেডৰিক হেগেলে কৈছে— প্ৰত্যেক বস্তুৰে তাৰ নিজৰ বিপৰীত। জীৱনটো হৈছে সৎ-অসতৰ বিপৰীতমুখী শক্তিসমূহে ইটোৱে-সিটোৱে লগ লাগি উচ্চতৰ ঐক্য সাধনৰ কাৰণে কৰা এক অবিৰত প্ৰচেষ্টা মাথোঁ। আকাৰ্ছ অৱেলিয়াছে ক'বৰ দৰে কেৱল অপূৰণীয় ইচ্ছা-আকাংক্ষাই আমাৰ দুখৰ সৰহভাগ কাৰণ।

এক উদাৰ গতিশীল মুক্তি চেতনাৰ এধানি প্ৰেৰণা যোগাব পাৰে কেৱল যৌৱনেই। মাও চে টুঙৰ সেই অমৰ বাক্য— 'The world yours, as well as outs but in the final analysis it is youths. You young people full of  and vitality are in the bottom of life, like to Sun at eight or nine in the morning. Out hope tests on you.'

# ড্ৰাগ্‌ছ ঃ এক সামাজিক সমস্যা

**নিপুমণি বৰুৱা**
ৰাজনীতি বিজ্ঞান বিভাগ

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকাশক্তি হৈছে যুৱ সমাজ। কিন্তু সম্প্ৰতি এই যুৱ সমাজতেই বিভিন্ন কেৰোণ ধৰিবলৈ আৰম্ভ কৰিছে। ঘাইকৈ চৈধ্য বছৰ বয়সৰ পৰা ত্ৰিছ বছৰৰ অনূৰ্দ্ধ তথা অবিবাহিত যুৱক-যুৱতীৰে যুৱ সমাজ গঠিত। পৰিৱেশ-পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত বিপথে গতি কৰিছে আৰু উঠি অহা চামকো বিপথে যাবলৈ উদ্বুদ্ধ কৰিছে। বৰ্তমানৰ ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ সৈতে ফেৰ মাৰিবলৈ গৈ এচাম যুৱক-যুৱতীয়ে আকৌ কৃত্ৰিম সুখানুভূতি লাভৰ বাবে সমাজতে মাদক দ্ৰব্য গ্ৰহণ কৰিবলৈ লৈছে। এনে এক মাৰাত্মক বৰবিহস্বৰূপ মাদক দ্ৰব্য হৈছে ড্ৰাগ্‌ছ।



ড্ৰাগ্‌ছৰ আসক্তি বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এক ভয়াৱহ সমস্যা হিচাপে পৰিগণিত হৈছে, প্ৰথম অৱস্থাত বিশ্বৰ উন্নত দেশবিলাকত ড্ৰাগ্‌ছৰ আসক্তি প্ৰচুৰ আছিল যদিও পিছলৈ ই অনুন্নত আৰু উন্নয়নশীল দেশসমূহতো বিয়পি পৰে। ড্ৰাগ্‌ছ ব্যৱসায়ৰ লগত জড়িত হৈ আছে হাজাৰ হাজাৰ লোক আৰু বিলিয়ন ডলাৰৰ লেনদেন।

সাধাৰণতে ড্ৰাগ্‌ছ তৈয়াৰ হয় আফিঙৰ পৰা। অৱশ্যে ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অন্যান্য নিচাযুক্ত পদাৰ্থও সংযোগ কৰা হয়। বৰ্তমান বজাৰত উপলব্ধ এই মাৰাত্মক বৰবিহস্বৰূপ ড্ৰাগ্‌ছ বিভিন্ন প্ৰকাৰৰ পোৱা যায়, যেনে— এল এছ ডি, হেৰ'ইন, ক'কেইন, চাৰাচ আদি।

ড্ৰাগ্‌ছ সেৱনৰ ফলাফল অতি ভয়ানক। কাৰণ এনে অগ্ৰগতিৰ ফলত এজন লোক তিলতিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ে। বিশেষকৈ বেজিৰে ড্ৰাগ্‌ছ লোৱাৰ বাবে এইড্‌ছৰ লগতে বিভিন্ন ৰোগৰ বীজাণুৰ সংক্ৰমণ ঘটে। সেইদৰে দুৰ্বলতা, পেটৰ বিষ, ক্ষয় ৰোগ, হেপাটাইটিছ, শৰীৰৰ কঁপনি, অস্বাভাৱিক ৰক্তচাপ, যকৃতৰ বিভিন্ন ৰোগ, দৃষ্টিহীনতা, নিদ্ৰাহীনতা, আভোক আদি বিভিন্ন ৰোগৰ কাৰকে দেহত ঠাই লয়।

বৰ্তমান অসমত ড্ৰাগ্‌ছ আসক্তি প্ৰচুৰ নহ'লেও উঠি অহা যুৱচামৰ মাজত ক্ৰমশঃ ইয়াৰ প্ৰভাৱ বাঢ়ি আহিছে। বিশেষকৈ অসম পুলিচ, ৰে'লৰে পুলিচ আদিয়ে মাজে-সময়ে ড্ৰাগ্‌ছসহ ড্ৰাগ্‌ছ সৰবৰাহকাৰী ধৰা পৰাৰ কথা প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰ হৈ আহিছে। ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান কোঠত ড্ৰাগ্‌ছসহ আটক হৈছিল সুদূৰ নাইজেৰিয়াৰ এজন লোক।

সমাজৰ বুদ্ধিজীৱীসকলেও আগভাগ লৈ দেশ তথা আজিৰ ভৱিষ্যৎ প্ৰজন্মক দিক্‌দৰ্শন কৰি ড্ৰাগ্‌ছৰ দৰে বৰবিহবিধৰ প্ৰচলন ৰোধ কৰিবলৈ ওলাই অহা উচিত। চৰকাৰেও অধিক গুৰুত্ব প্ৰদান কৰি ড্ৰাগ্‌ছৰ প্ৰচলন সমূলঞ্চে নাশ কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত লোৱা দৰকাৰ, কাৰণ যুৱ মানসত এবাৰ ড্ৰাগ্‌ছৰ আসক্তিয়ে ঠাই ল'লে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য।



# পদ্মশ্ৰী ডাঃ ইলিয়াছ আলী


**গৰিমা বৰুৱা**
অৰ্থনীতি বিভাগ


ইছলামধৰ্মী লোকৰ মাজত বিশেষকৈ চৰ-চাপৰি এলেকাৰ লোকৰ মাজত প্ৰচলিত ভ্ৰান্ত ধাৰণা দূৰ কৰি জনবিস্ফোৰণ নিয়ন্ত্ৰণৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টা গ্ৰহণ কৰি অহা ৰাজ্যখনৰ জ্যেষ্ঠ শৈল্য চিকিৎসক, অধ্যাপক ডাঃ ইলিয়াছ আলীলৈ ২০১৯ বৰ্ষত আগবঢ়োৱা হয় পদ্মশ্ৰী সন্মান। জনবিস্ফোৰণৰ আঁৰৰ মূল কাৰণ, চৰ-চাপৰি এলেকাৰ মহা ব্যাধিস্বৰূপ বাল্যবিবাহ আৰু বহুবিবাহৰ বিৰুদ্ধে ২০০৯ বৰ্ষতো ডাঃ আলীয়ে যি সংগ্ৰামৰ আৰম্ভণি কৰিছিল, সেই সংগ্ৰাম স্বীকৃত হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ত।

১৯৫৫ চনৰ ৯ আগষ্টত দৰং জিলাৰ ছিপাঝাৰত মোপেলী (তেতিয়া জজিয়া) নামৰ এক অখ্যাত গাঁৱত জন্মলাভ কৰা ইলিয়াছ আলীৰ শৈশৱ পাৰ হৈছিল গাঁৱৰ বোকা-মাটিৰ পৰশতেই। স্থানীয় বাঘমৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি ১৯৭৩ চনত চেঙেলীয়াঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কটন মহাবিদ্যালয়ৰ (বৰ্তমানৰ কটন বিশ্ববিদ্যালয়) পৰা প্ৰাক্-বিশ্ববিদ্যালয় আৰু পিছলৈ গুৱাহাটীলৈ চিকিৎসা মহাবিদ্যালয়ৰ পৰা ১৯৮২ চনত এম, বি, বি, এছ আৰু ১৯৮৭ চনত শৈল্য চিকিৎসাৰ এম, এছ ডিগ্ৰী লাভ কৰে। আনহাতে, দিল্লীৰ গংগাৰাম হাস্পতালত ১৯৯৪ চনত লেপাৰ'স্ক'পিক ছাৰ্জাৰী, মুম্বাইৰ টাটা মেম'ৰিয়েল হাস্পতালত ১৯৯৬ চনত কেন্সাৰ চাৰ্জাৰী, দিল্লীৰ মৌলানা আজাদ মেম'ৰিয়েল চিকিৎসা মহাবিদ্যালয়ত ১৯৯৪ চনত এন, এছ, ভি, গ্ৰীচ দেশত ১৯৯৬ চনত পেনক্ৰিয়াটিক ছাৰ্জাৰী আৰু ২০০২ চনত চীন দেশত এন, এছ, ভিৰ প্ৰশিক্ষণ

লয়। ডাঃ ইলিয়াছ আলীয়ে ১৯৮৬ চনৰ ডিচেম্বৰ মাহত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শৈল্য চিকিৎসা বিভাগৰ পঞ্জীয়ক হিচাপে কৰ্মজীৱনৰ আৰম্ভণি কৰে আৰু পিছলৈ ১৯৯২ চনত সহকাৰী অধ্যাপক, ২০০২ চনত সহযোগী আৰু ২০১০ চনত অধ্যাপক, শৈল্য বিভাগৰ অধ্যাপক তথা জৰুৰীকালীন বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে পদোন্নতি লাভ কৰে। ২০১৭ চনৰ ছেপ্টেম্বৰ মাহত আনুষ্ঠানিক অৱসৰ গ্ৰহণ কৰে।

অসমৰ শৈল্য চিকিৎসা বিজ্ঞানক আগুৱাই নিয়াৰ সমান্তৰালকৈ অধ্যাপক ডাঃ আলীয়ে অসমৰ জনসংখ্যা প্ৰতিৰোধৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি আগবঢ়োৱাৰ উপৰি পুৰুষৰ বন্ধ্যাকৰণ আঁচনিখন মৃত অৱস্থাৰ পৰা পুনৰাই জনপ্ৰিয় কৰাত বিশেষভাৱে অৰিহণা যোগাইছে।

অসমৰ শৈল্য চিকিৎসা বিজ্ঞানক আগুৱাই নিয়াৰ সমান্তৰালকৈ অধ্যাপক ডাঃ আলীয়ে অসমৰ জনসংখ্যা প্ৰতিৰোধৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি আগবঢ়োৱাৰ উপৰি পুৰুষৰ বন্ধ্যাকৰণ আঁচনিখন মৃত অৱস্থাৰ পৰা পুনৰাই জনপ্ৰিয় কৰাত বিশেষভাৱে অৰিহণা যোগাইছে। অধ্যাপক ডাঃ আলীয়ে ২০০৯ চনৰ পৰা ২০১৩ চনলৈ অসম চৰকাৰৰ নন এছ ভি আঁচনিৰ মুখ্য প্ৰশিক্ষক তথা মুখ্য বিষয়া আৰু ২০১৩ চনৰ পৰা ২০১৭ চনলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ পৰিয়াল পৰিকল্পনা বিভাগৰ জ্যেষ্ঠ পৰামৰ্শদাতা হিচাপে কাম কৰে। ২০১৬ চনত অসম চৰকাৰৰ জনসংখ্যা নীতি নিৰ্ধাৰণ সমিতিৰ সদস্য হিচাপে মনোনীত হয়। অৱশ্যে শৈল্য চিকিৎসাৰ ক্ষেত্ৰখনত অধ্যাপক ইলিয়াছ আলীয়ে যথেষ্টখিনি অৱদান আগবঢ়ালেও তেখেতৰ সৰ্বশ্ৰেষ্ঠ অৱদান হ'ল পৰিয়াল পৰিকল্পনা আঁচনিৰ প্ৰতি মুছলমান সম্প্ৰদায়ক আগ্ৰহী কৰি তোলা। এইক্ষেত্ৰত তেখেতৰ অৱদানৰ বাবে বিভিন্ন ৰাষ্ট্ৰীয় প্ৰচাৰ মাধ্যমৰ উপৰি বি বি চি, এছ'চিয়েট প্ৰেছ, নিউয়ৰ্ক টাইমছ্, ৱাশ্বিংটন টাইমছ্ আদিয়ে প্ৰশস্তি-পত্ৰ প্ৰেৰণ কৰিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বিশ্বৰ ভিন্ন দেশৰ যি পাঁচগৰাকী লোকে বিশ্ব পুৰুষ বন্ধ্যাকৰণ দিৱস পালনৰ প্ৰস্তাৱ লৈছিল, তাৰ ভিতৰত ডাঃ ইলিয়াছ আলী অন্যতম। আনকি ২০১৩ চনৰ ১৮ অক্টোবৰত অষ্ট্ৰেলিয়া মহাদেশৰ এডেলেইড চহৰত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত বিশ্ব বন্ধ্যাকৰণ দিৱসত ভাৰতৰ একমাত্ৰ প্ৰতিনিধি হিচাপে অংশ লৈছিল ডাঃ ইলিয়াছ আলীয়ে। জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপৰ জৰিয়তে মানৱ সমাজলৈ অহা এটা প্ৰত্যাহ্বানৰ বিপক্ষে যুঁজ দি নিজকে উৎসৰ্গিত কৰা ডাঃ ইলিয়াছ আলীয়ে যোৱা বৰ্ষত পদ্মশ্ৰী সন্মানেৰে সন্মানিত হোৱাৰ পূৰ্বতে কিন্তু বিভিন্ন সংস্থা, অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা সম্বৰ্ধিত হৈছিল। ২০১২ চনত 'হিন্দুস্থান' কাকতৰ 'চিটীজেন অৱ চেঞ্জ' পুৰস্কাৰ, ২০১২ চনত 'ডাউন টাউন হাস্পতালৰ অধ্যাপক যোগেন মহন্ত বঁটা', ২০১৩ চনত সদৌ অসম গৰিয়া যুৱ-ছাত্ৰ পৰিষদৰ দ্বাৰা 'ফকীৰ চাহেব বঁটা', ২০১৩ চনত পুনেৰ মালতী দেৱী মানৱ বিকাশ সামাজিক ট্ৰাষ্টৰ 'সমাজ সেৱা পদ্মশ্ৰী বঁটা', ২০১৬ চনত দিগন্ত ফিজিঅ' থেৰাপী চেণ্টাৰৰ 'ডিপিচি বঁটা', ২০১৭ চনত অসম জাতীয় মহাসভাৰ 'ডাঃ সুৰেন দাস জনস্বাস্থ্য বঁটা', ২০১৮ চনত গুৱাহাটীৰ ইতিহাস প্ৰসিদ্ধ বুঢ়া জামে মছজিদৰ 'সমাজ সেৱা বঁটা' আৰু ২০১৮ চনতে সা-ৰে-গা-মা সুৰ বাহিনীৰ দ্বাৰা 'সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেৰণা বঁটা' প্ৰদান কৰিছিল বিশিষ্ট শৈল্য চিকিৎসকগৰাকীক। অসমৰ জনসংখ্যা নীতিক লৈ ৰাজ্যত বাস কৰি অহা পূৰ্ববংগীয় ইছলামধৰ্মী লোকসকলৰ মাজত দেখা দিয়া বিৰূপ প্ৰতিক্ৰিয়া প্ৰশমিত কৰাত ডাঃ ইলিয়াছ আলীৰ ভূমিকা আছিল অতিকৈ গুৰুত্বপূৰ্ণ। চিকিৎসা বৃত্তিক মানৱ সেৱালৈ পৰ্যবসিত কৰি এটি স্পৰ্শকাতৰ বিষয়ক সেৱাৰ মাধ্যম হিচাপে বাছি লোৱা অধ্যাপক ডাঃ ইলিয়াছ আলীৰ এই অতুলনীয় অৱদান আজি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সমাদৃত হোৱাটো আমাৰ ৰাজ্যখনৰ বাবেই এটি সু-খবৰ। 'মালেকা ফাউণ্ডেশ্বন' নামৰ এটি ন্যাস খুলি অধ্যাপক ডাঃ ইলিয়াছ আলীয়ে অন্যান্য বিভিন্ন সমাজ সেৱামূলক কাম-কাজতো জড়িত হৈ আছিল। তেখেতলৈ ভাৰত চৰকাৰে আগবঢ়োৱা ২০১৮ চনৰ পদ্মশ্ৰী বঁটাই নিঃসন্দেহে আৰু অধিক উৎসাহ আৰু প্ৰেৰণা যোগাব সামাজিক ক্ষেত্ৰখনত আত্মনিয়োগৰ বাবে।





# সপোনৰ ৰহস্য

**ৰিছা ফুকন**
ৰসায়ন বিজ্ঞান বিভাগ

বৰ্তমান বিজ্ঞান জগতৰ উৎস বিচাৰি নোপোৱা কিন্তু সদায়ে কৌতূহলী হৈ থকা ৰহস্যময়ী বিষয়বিলাকৰ ভিতৰত অন্যতম এই সপোন। আমি কিয় সপোন দেখোঁ?

আমি সকলোৱে সপোন দেখোঁ কিন্তু কোনোবাই ভাবি চাইনে সপোন আমি কিয় দেখোঁ? তাৰ আঁৰৰ ৰহস্য কি? এই সপোনৰ উৎস ক'ত? —এই প্ৰশ্নসমূহ সেই প্ৰশ্নৰ অন্তৰ্গত যিসমূহ প্ৰশ্নৰ উত্তৰ এতিয়ালৈকে বিজ্ঞানে সঠিকভাৱে দিব পৰা নাই। হয়, সপোনৰ সৈতে জড়িত এই প্ৰশ্নসমূহৰ বিষয়ে বহুত তত্ত্ব তথা চিৰন্তন সত্য আছে যিবোৰ আমি অবাস্তৱ বুলিব নোৱাৰোঁ।

এই বিষয়টো ইমানেই জটিল যে বিজ্ঞানত এই সম্পৰ্কে আলোচনা কৰিবৰ বাবে এটা বিশেষ শাখাই আছে যাক কোৱা হয় 'অৰ্নিয়অল'জী'। যেতিয়া পৰীক্ষাগতভাৱে এটা দলৰ মানুহৰ পৰা সপোনত কি দেখিছিল সোধা যায় তেতিয়া সকলোৰে উত্তৰ অবিশ্বাস্য যেন হয়। কাৰণ প্ৰায় সকলোৱে শোৱাৰ পৰা উঠাৰ দহ মিনিটৰ পাছত দেখা পোৱাৰ নব্বৈ শতাংশ পাহৰি যায়। মনত পেলাবলৈ চেষ্টা কৰিলেও মনলৈ নাহে। আমি শোৱাৰ সময়ত দুটা অৱস্থাত শোওঁ—(১) REM (Rapid eye moment) আৰু (২) Non-REM (non-rapid eye moment)।

ইয়াৰ ভিতৰত REM অৱস্থাটো বেছি গুৰুত্বপূৰ্ণ। এই অৱস্থাত নিজে নিজে চকুটো বাঁওফালৰ পৰা সোঁফালে বা সোঁফালৰ পৰা বাঁওফাললৈ গতি কৰি থাকে। এই অৱস্থাটো আমি চাব পাৰোঁ যদি কাৰোবাক শুই থকা অৱস্থাত কাৰোবাৰ কম্পিউটাৰ ৰেকৰ্ডিং চাওঁ তেতিয়া আমাৰ মগজুৰ পৰা পঠিওৱা ইলেক্ট্ৰিকেল ডাটাৰ জৰিয়তে বহুত বিচিত্ৰ বস্তু দেখা পোৱা যায়। আমি সাৰ পাই থকা অৱস্থাত মগজুৱে যিবোৰ কাম কৰি থাকে, REM অৱস্থাত শুই থাকোঁতেও একেই কাম কৰি থাকে যিটো ৰহস্যময় তথা ভাবিবলগীয়া। এই সময়তো আমাৰ মগজুৱে বহুত শক্তি নষ্ট কৰে কিন্তু আমি গম নাপাওঁ। কিন্তু শোৱাৰ সময়ত কিছুমান ৰাসায়নিক পদাৰ্থ নোলায় যাৰ বাবে আমি বিভিন্ন অভিব্যক্তিবোৰ অনুভৱ কৰিব পাৰোঁ। কিন্তু আমাৰ শৰীৰে সেইবোৰ স্পষ্ট কৰি দেখুৱাই নিদিয়ে। কিছুমানৰ ক্ষেত্ৰত শোৱা অৱস্থাতো এই ৰাসায়নিক পদাৰ্থবোৰৰ পৰিমাণত খেলিমেলি হয়। যাৰ বাবে শৰীৰ লৰে অথবা কিছুমান খোজো কাঢ়ে।

কিছুমান শুই থকা অৱস্থাতো সাৰ পাই থাকে কিন্তু মনে কয় সি REM অৱস্থাত আছে আৰু শৰীৰ চলাচল নকৰে যাক আমি Sleeping paralysis বুলি জানো। আমি সপোন দেখি থাকিলে সাৰ পাওঁ কিন্তু লৰচৰ কৰিব নোৱাৰোঁ। তাৰ পৰা আমি জানিব পাৰোঁ যে আমি সপোনৰ অৱস্থাতহে সপোন REM দেখা পাওঁ।

কিন্তু কিয় দেখোঁ সপোন আমি? ইয়াৰ সহজ উত্তৰ— আমি দিনত যিবোৰ দেখোঁ বা কৰোঁ সেইবোৰ স্মৃতি হিচাপে আমাৰ মগজুত জমা হয়। আৰু শোৱাৰ সময়ত সেই স্মৃতিবোৰ স্কেন হয়, শৃংখলাবদ্ধভাৱে সাজে আৰু বেছি শক্তিশালী কৰি ৰাখে যাতে আমি সেই স্মৃতিবোৰ পাছত আৰু ভালদৰে ব্যৱহাৰ কৰিব পাৰে।

কেতিয়াবা কিছুমান সপোন দেখো যাৰ কোনো কাৰণ নাথাকে। এইবোৰ তেতিয়া হয় যেতিয়া আমাৰ Unconsious mind-এ দেখা চিত্ৰবোৰ বহুত random হয়। সপোন দেখাটো ভাল কথা কিয়নো সপোন দেখাৰ সময়ত আমাৰ মগজুৱে স্মৃতিবোৰৰ মাজত থকা connection বোৰ আৰু অধিক শক্তিশালী কৰিবলৈ চেষ্টা কৰে।এয়া হ'ল সপোনৰ আঁৰৰ ৰহস্য।

# টোপনিৰ আৱশ্যকতা আৰু সময়সীমা

পম্পী ভাগৱতী
ৰসায়ন বিজ্ঞান বিভাগ

টোপনি আমাৰ দৈনন্দিন জীৱন যাত্ৰা তথা সুস্থ জীৱনৰ এক এৰাব নোৱাৰা অংশ। নিদ্ৰা বা টোপনি হৈছে জিৰণিৰ এনে এক অৱস্থা, যেতিয়া শৰীৰৰ সকলো ইচ্ছাকৃত কাৰ্য সাময়িকভাৱে স্থগিত থাকে আৰু মগজুৰ চেতনা আংশিক বা সম্পূৰ্ণৰূপে ব্যাহত থাকে। টোপনিয়ে আমাক সময়ে সময়ে বিভিন্ন শ্ৰমৰ পৰা সাময়িক সকাহ দি এক সুস্থ দেহ তথা নিৰোগী শৰীৰ বৰ্তাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এজন মানুহে দিনটোৰ সকলো সময়তে সতেজ আৰু সক্ৰিয় হৈ থাকিবলৈ হ'লে নিশা পৰ্যাপ্ত নিদ্ৰা গ্ৰহণ কৰাটো একান্তই প্ৰয়োজনীয়।

টোপনিয়ে মানুহৰ মনত নতুন উদ্যম-উৎসাহ আনে, এলাহ-আমনি নাইকিয়া কৰে। সম্পূৰ্ণৰূপে বিশ্ৰামৰ বাবে ব্যক্তিৰ শৰীৰক এটি নিৰ্দিষ্ট পৰিমাণৰ সময়ৰ প্ৰয়োজন হয়। পিছে বহু লোকৰ দৈনিক কৰ্মব্যস্ততা আৰু ঘৰখনত অতিবাহিত কৰাৰ তালিকাৰ বিসংগতিৰ বাবে ই সম্ভৱ হৈ নুঠে। এটি কথা আচৰিত হ'লেও সত্য যে চাহ-ক'ফী, চক্‌লেট আদিত কেফেইন জাতীয় দ্ৰব্য থাকে— যি আমাক টোপনিৰ পৰা দূৰত ৰাখে। সেইবাবে সন্ধিয়াৰ পিছত পৰাপক্ষত কেফেইন গ্ৰহণ বৰ্জন কৰা উচিত। পৰাপক্ষত শোৱাৰ পূৰ্বে সকলো ধৰণৰ চিন্তাৰ পৰা নিজকে দূৰত ৰাখিবলৈ চেষ্টা কৰিব লাগে আৰু কিছু ভাল স্মৃতি মনলৈ আনি টোপনি অহাৰ যত্ন কৰা উচিত। ভাল নিদ্ৰাই হৈছে সকলো অৱসাদ আৰু চিন্তা দূৰ কৰাৰ উৎকৃষ্ট উপায়।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্লীপ ফাউণ্ডেশ্বনে কৈছে যে বয়স অনুসৰি মানুহৰ টোপনিৰ সময়ো ভিন্ন হ'ব পাৰে। কোনটো বয়সত কিমান টোপনিৰ প্ৰয়োজন তাক নজনাৰ বাবে বহু মানুহে অনিয়মিত পৰিমাণে টোপনি মাৰে, যিটো আমাৰ শৰীৰৰ বাবে অপকাৰী। যিসকলে প্ৰয়োজনতকৈ অধিক শুব পাৰে, তেওঁলোকৰ ৰোগ হোৱাৰ সম্ভাৱনা বাৰ শতাংশ বেছি হয়। শোৱাৰ সময়ত আমাৰ দেহটোৱে দেহ বৰ্ধনকাৰী হ'ৰমন নিঃসৰণ কৰে, ৰোগক বাধা দিবলৈ অসংক্ৰমণতা সক্ৰিয় কৰি তোলে যি আমাৰ শাৰীৰিক, মানসিক আৰু দৈহিক উৎকৰ্ষ সাধন কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্লীপ ফাউণ্ডেশ্বনে প্ৰকাশ কৰা সমীক্ষাত পোৱা তথ্য অনুসৰি, নৱজাতক শিশু অৰ্থাৎ জন্মৰ পৰা তিনি মাহপৰ্যন্ত শিশুৰ বাবে চৈধ্যৰ পৰা সোতৰ ঘণ্টা টোপনিৰ প্ৰয়োজন যদিও এঘাৰৰ পৰা তেৰ ঘণ্টাও পৰ্যাপ্ত হয়। কিন্তু ঊনৈছ মহীয়া শিশুৰ বাবে দহৰ পৰা সোতৰ ঘণ্টা আৰু একৰ পৰা দুবছৰীয়া শিশুৰ বাবে দহৰ পৰা তেৰ ঘণ্টা; আনহাতে ছয়ৰ পৰা তেৰ বছৰীয়া কিশোৰ-কিশোৰীৰ বাবে নৰ পৰা দহ ঘণ্টাই যথেষ্ট। চৈধ্যৰ পৰা সোতৰ বছৰৰ বাবে সাতৰ পৰা ন ঘণ্টা টোপনিৰ প্ৰয়োজন। চাৰিছৰ পৰা চৌষষ্ঠি বছৰৰ লোকসকলৰ বাবে সাতৰ পৰা ন ঘণ্টা আৰু পয়ষষ্ঠি বছৰতকৈ ওপৰৰ লোকসকলৰ বাবে ছয়ৰ পৰা সাত ঘণ্টা টোপনিৰ প্ৰয়োজন। পাঁচ ঘণ্টাতকৈ কম বা ন ঘণ্টাতকৈ বেছি শোৱা অনুচিত।

আমাৰ টোপনিৰ চাৰিটা দশা থাকে। সেইকেইটা হৈছে— প্ৰথম দশা, দ্বিতীয় দশা, তৃতীয় আৰু চতুৰ্থ বা ৰেম দশা। চতুৰ্থ দশা বা ৰেম য'ত আমি সপোন দেখিবলৈ আৰম্ভ কৰোঁ। আমাৰ শৰীৰত মেলাট'নিন নামৰ এবিধ পদাৰ্থ থাকে যিয়ে আমাৰ নিদ্ৰা আৰু সাৰে থকাৰ মাজত অনুপাত নিয়ন্ত্ৰণ কৰে। যেতিয়া পোহৰৰ প্ৰাবল্য কমি আহে আৰু জৈৱিক ঘঁড়ীৰ নিয়ন্ত্ৰণত মেলাট'নিনৰ পৰিমাণ মগজুত বাঢ়ি অহাৰ হেতুকে আমাৰ তন্দ্ৰাৰ ভাব জাগি উঠে আৰু আমি টোপনিত পৰোঁ। কিন্তু বিভিন্ন মানসিক চাপ তথা অত্যাধিক টিভি, কম্পিউটাৰৰ সন্মুখত কটোৱা, স্মাৰ্টফোনৰ চকুত চাট্‌ মাৰি ধৰা পোহৰ চকুত অহৰহ পৰি থকাৰ হেতুকে আমাৰ টোপনিত ব্যাঘাত জন্মে। অনিদ্ৰা, পুৱা পলমকৈ শুই উঠাৰ বাবে বিভিন্ন মানসিক ৰোগকে আদি কৰি হৃদৰোগ, ৰক্তচাপ বৃদ্ধি আদি সমস্যাৰ সৃষ্টি হয়। গতিকে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্লীপ ফাউণ্ডেশ্বনে বয়স অনুসৰি প্ৰকাশ কৰা সমীক্ষাৰ লগত সংগতি ৰাখি আমি সকলোৱে সদায় এক নিৰ্দিষ্ট সময়ত বিছনাত পৰা আৰু ৰাতিপুৱা এক নিৰ্দিষ্ট সময়ত শোৱাপাটী ত্যাগ কৰাৰ অভ্যাস গঢ়ি তুলিব লাগে।

# ভাৰতৰত্ন
# ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন



**আছিফা শ্বামচি**
ৰাজনীতি বিজ্ঞান বিভাগ

ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন আছিল ভাৰতৰ বিখ্যাত দাৰ্শনিক, বিশ্ববিশ্ৰুত শিক্ষাবিদ, মহান শিক্ষক, স্বাধীন ভাৰতৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি আৰু দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি। ভাৰতৰত্ন ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্ম হয় তামিলনাডুৰ তিৰুতানি নামৰ সৰু গাঁৱত ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত এটি তেলেগু ব্ৰাহ্মণ পৰিয়ালত। তেওঁৰ পিতৃ আছিল সৰ্বেপল্লী বীৰস্বামী আৰু মাতৃ সীতাম্মা। দেউতাক এগৰাকী সাধাৰণ তহচিলদাৰ আছিল।

ৰাধাকৃষ্ণনে সৰুৰে পৰা হিন্দুসকলৰ পৱিত্ৰ তীৰ্থস্থান তিৰুতানি আৰু বিখ্যাত তিৰুপতিত ডাঙৰ-দীঘল হৈছিল। মিছনেৰী স্কুলৰ যোগেদি শিক্ষা জীৱন আৰম্ভ কৰা ৰাধাকৃষ্ণনে ১৯০২ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ভেলোৰৰ ভোৰহীজ কলেজত অধ্যয়ন কৰি শেষত মাদ্ৰাজৰ খ্ৰীষ্টিয়ান কলেজৰ পৰা ১৯০৭ চনত দৰ্শন শাস্ত্ৰত প্ৰথম বিভাগত স্নাতক উপাধি লাভ কৰে। ১৯০৯ চনত দৰ্শন শাস্ত্ৰত স্নাতকোত্তৰ উপাধি লাভ কৰে। সেই বছৰতে মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত দৰ্শন শাস্ত্ৰৰ সহকাৰী অধ্যাপকৰূপে যোগদান কৰে। পৰৱৰ্তী কালত ১৯১৭ চনত অন্ধ্ৰপ্ৰদেশৰ ৰাজমুণ্ডী কলেজত, ২৯১৮ চনত মহীশূৰ বিশ্ববিদ্যালয়ত, ২৯১২চনত কলিকতা বিশ্ববিদ্যালয়ৰ 'কিং জৰ্জ ফাইভ প্ৰফেচাৰ অৱ ফিল'ছফী' আসনৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৩০ চনত তেখেতক অন্ধ্ৰপ্ৰদেশ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত নিয়োগ কৰা হয়। ১৯৩৬ চনত লণ্ডনৰ অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰাচ্য ধৰ্ম আৰু নৈতিক শাস্ত্ৰৰ প্ৰথমগৰাকী অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৪০ চনত ব্ৰিটিছ অকাডেমীৰ ফেল' হিচাপে নিৰ্বাচিত হোৱাৰ উপৰি ১৯৪৮ চনত ভাৰত চৰকাৰে গঠন কৰা বিশ্ববিদ্যালয় আয়োগৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪৬ চনত ভাৰতীয় সংবিধান ৰচনা কৰা সংবিধান সভাৰ সদস্যৰূপে নিৰ্বাচিত হয়। ১৯৪৮-৫২ চনলৈকে স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰদূত হিচাপে মস্কোত কাৰ্যনিৰ্বাহ কৰে। ইয়াৰোপৰি ১৯৩৯ চনত বহুবাৰ সাময়িকভাৱে আমেৰিকাতো শিক্ষকতা কৰিছিল।

আদৰ্শ শিক্ষকৰূপে পৰিচিত, গভীৰ পাণ্ডিত্য, তীক্ষ্ণ মননশীলতা আৰু সম্যক উপলব্ধিৰে ছাত্ৰ সমাজক তেখেতে গভীৰভাৱে ৰেখাপাত কৰিছিল। তেখেতে ভাৰতৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈও নিজকে এজন শিক্ষক বুলি চিনাকি দিবলৈ ভাল পাইছিল। সেয়েহে তেখেতক কলিকতাৰ প্ৰসিদ্ধ ব্যক্তি আশুতোষ মুখাৰ্জীয়ে আজন্ম শিক্ষক বুলি আখ্যা দিছিল। এইগৰাকী মহান শিক্ষকৰ প্ৰতি সন্মান জনাই ১৯৬২ চনৰ ৫ ছেপ্টেম্বৰৰ পৰা প্ৰতি বছৰে ৫ ছেপ্টেম্বৰ দিনটো শিক্ষক দিৱস হিচাপে পালন কৰি অহা হৈছে।

ভাৰতৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হ'লেও অধ্যয়ন, একাগ্ৰতাৰ বলত ব্যস্ততাৰ মাজতো ভাগৱত গীতা আৰু ধৰ্মপদ ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল। ইয়াৰোপৰি 'বেদৰ তত্ত্ব আৰু দৰ্শন আদৰ্শৰ মূলমন্ত্ৰ', 'ভাৰতীয় দৰ্শন প্ৰাচ্য আৰু পাশ্চাত্য ধৰ্ম' ইত্যাদি বহুমূলীয়া গ্ৰন্থ ৰচনা কৰে। ইংৰাজী, সংস্কৃত, পালি, ফৰাচী, স্পেনিছ, চীনা, হিন্দী, উৰ্দু ভাষাত ব্যুৎপত্তি থকা ৰাধাকৃষ্ণনদেৱে ইয়াৰ দৰ্শন অধ্যয়ন কৰিছিল। পৰৱৰ্তী কালত ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ গ্ৰহণ কৰি তেখেত মাদ্ৰাজৰ মলয়াপুৰত বাস কৰিবলৈ লৈছিল। ১৯৭৫ চনৰ ১৭ এপ্ৰিলত তেখেতৰ দেহাৱসান ঘটে। তেখেত চিৰদিনলৈ আমাৰ মানসপটত ধ্ৰুৱতৰাৰ দৰে জিলিকি থাকিব।

# অসমীয়াৰ জুহাল

**পল্লৱী বৰা**
ৰসায়ন বিজ্ঞান বিভাগ



জুহালতেই অসমীয়া মানুহে জুতি লগাই টেঙা মাছ, হাঁহৰ মাংস, পাতত দিয়া মাছ, কচু, ভজা আদি বিভিন্ন ব্যঞ্জন তৈয়াৰ কৰে। তদুপৰি বিহু আৰু অন্যান্য উৎসৱত পিঠা, লাডু, মিঠৈ, চেৰা দিয়া চাউল, পোৰা আলু, জলপান আদি তৈয়াৰ কৰে।


অসমীয়া সমাজত জুহাল এক অপৰিহাৰ্য অংগ। বিশেষকৈ গাঁও অঞ্চলত জুহাল অবিহনে জীৱন-যাপন কৰা সম্ভৱ নহয়। আদিম কালৰে পৰা মানুহে জুইৰ আৱিষ্কাৰ কৰি, চিকাৰ কৰি অনা মাছ-মাংস, বনৰীয়া আলু-কচু পুৰি খাবলৈ লৈছিল।

মানুহৰ মানসিকতাৰ বিকাশ হৈ অহাৰ লগে লগে ঘৰ সাজি বাস কৰিবলৈ ল'লে, তেতিয়াই জুহাল নামে এটা নিৰ্দিষ্ট ঠাইৰ উৎপত্তি হ'ল।

অসমীয়া সমাজত অসমীয়া মানুহৰ ঘৰত আখলঘৰ নামে এটা ঘৰ থাকে। সেই ঘৰৰে মুকলি এটা অংশত জুহাল থাকে। নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে ৰান্ধনীয়ে ৰন্ধা-বঢ়া কৰে। জুহালতেই অসমীয়া মানুহে জুতি লগাই টেঙা মাছ, হাঁহৰ মাংস, পাতত দিয়া মাছ, কচু, ভজা আদি বিভিন্ন ব্যঞ্জন তৈয়াৰ কৰে। তদুপৰি বিহু আৰু অন্যান্য উৎসৱত পিঠা, লাডু, মিঠৈ, চেৰা দিয়া চাউল, পোৰা আলু, জলপান আদি তৈয়াৰ কৰে। ইয়াৰ উপৰি জাৰকালি পুৰা-গধূলি পৰিয়ালৰ সকলোৱে জুইৰ কাষত বহি চাহ-জলপান খায় আৰু কথা-বতৰা পাতে। যদি ঘৰত বৃদ্ধ ককা-আইতা থাকে, তেতিয়া নাতি-নাতিনীয়েকক তেওঁলোকৰ দিনৰ কথা কয়, সাধু কথা আদি কয়।

জুহালৰ ওপৰত থকা ধোঁৱাচাঙত কলৰ বাকলি, খাৰলি, থেকেৰা, নতুনকৈ সজা ডলা, পাচি, খৰাহি, জাকৈ, খালৈ আদিবোৰ পোক-পৰুৱাই অনিষ্ট কৰিব নোৱাৰাকৈ ৰাখি থোৱা হয়।

বৰ্তমান সময়ত মানুহৰ ঘৰত জুহাল দেখিবলৈ পোৱাটো কঠিন হৈ পৰিছে। মানুহে খৰিৰ জুইৰ সলনি গেছ চিলিণ্ডাৰ ব্যৱহাৰ কৰিবলৈ লৈছে। অৱশ্যে গ্ৰাম্য সমাজত এতিয়াও জুহাল দেখিবলৈ পোৱা যায়। জুহালত বনোৱা আহাৰ গ্ৰহণ কৰা লোকে সেই আমেজ কেতিয়াও পাহৰিব নোৱাৰে আৰু ই শৰীৰৰ বাবে অতি উপযোগী।



**ময়ূৰী তামুলী**
অসমীয়া বিভাগ

# ভাৰতৰ জলমানৱ

পৃথিৱীখনক ৰক্ষা কৰিব পৰা ব্যক্তিৰ এখন তালিকা প্ৰস্তুত কৰি উলিয়াইছিল ২০০৮ চনত 'দ্য গাৰ্ডিয়ান' কাকতে। তাৰ ভিতৰত ৰাজেন্দ্ৰ সিং আছিল অন্যতম। খৰাংপীড়িত অঞ্চলতো পানী বোৱাই সেইবোৰক শস্য-শ্যামলী কৰি তুলিব পৰা বিৰল কৃতিত্বৰ জৰিয়তে তেওঁ সেই সন্মান লাভ কৰিছিল।

॥ ॥ ॥

মনত ইচ্ছা থাকিলে যে গাঁৱৰ মানুহক সহায় কৰিব পাৰি সেই ভাব ৰাজেন্দ্ৰ সিঙৰ মনত শৰ্মায়েই প্ৰথম জগাই তুলিলে।

১৯৫৯ চনৰ ৬ আগষ্টত উত্তৰ প্ৰদেশৰ বাগপট জিলাৰ মীৰাটৰ ওচৰৰ দৌলাগাঁৱত ৰাজেন্দ্ৰ সিঙৰ জন্ম হয়। তেওঁৰ মাক-দেউতাক দুয়ো উত্তৰ প্ৰদেশৰ ভূস্বামী জমিদাৰ পৰিয়ালৰ লোক আছিল। মাক-দেউতাকৰ সাতজন সন্তানৰ ভিতৰত ৰাজেন্দ্ৰ সিঙেই আছিল শ্ৰেষ্ঠ। তেওঁ প্ৰথমে গাঁৱৰ স্কুলতে পঢ়া-শুনা কৰিছিল। ১৯৭৪ চনত তেওঁ হাইস্কুলত পঢ়ি থাকোঁতে 'গান্ধী পীচ ফাউণ্ডেশ্বন'ৰ ৰমেশ শৰ্মা নামৰ এজন সদস্য তেওঁলোকৰ গাঁৱলৈ আহে আৰু তেওঁৰ লগত ৰাজেন্দ্ৰ সিঙৰ চিনাকি হয়। শৰ্মাই তেওঁলোকৰ গাঁওখনৰ কল্যাণৰ হকে বিভিন্ন কামৰ গুৰি ধৰিলে। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ লগতে লাইব্ৰেৰী স্থাপন, স্থানীয় সমস্যা তথা গাঁৱৰ মানুহৰ মাজৰ বিবাদবোৰ নিষ্পত্তি কৰাত লাগিল। মনত ইচ্ছা থাকিলে যে গাঁৱৰ মানুহক সহায় কৰিব পাৰি সেই ভাব ৰাজেন্দ্ৰ সিঙৰ মনত শৰ্মায়েই প্ৰথম জগাই তুলিলে। পঢ়াশলীয়া দিনতে ৰাজেন্দ্ৰ সিঙৰ ওপৰত প্ৰভাৱ পেলোৱা আন এজন ব্যক্তি আছিল তেওঁলোকৰ স্কুলৰ প্ৰতাপ সিং। স্কুল ছুটী হোৱাৰ পাছত প্ৰতাপ সিঙে ৰাজেন্দ্ৰ সিংহঁতৰ লগত ৰাজনৈতিক আৰু সামাজিক সমস্যাবোৰৰ সম্পৰ্কত আলোচনা কৰিছিল।

১৯৭৫ চনত ভাৰতত প্ৰথমবাৰৰ বাবে আভ্যন্তৰীণ কাৰণত জৰুৰী অৱস্থা প্ৰৱৰ্তন কৰা হয়। সেই পৰিৱৰ্তিত পৰিস্থিতিত তেওঁ গণতন্ত্ৰ আৰু স্বাধীন চিন্তাধাৰাৰ প্ৰতি বেছ আকৰ্ষিত হয়।

পঢ়া-শুনা শেষ কৰি ১৯৮০ চনত ৰাজেন্দ্ৰ সিঙে চৰকাৰী চাকৰিত যোগদান কৰে আৰু জয়পুৰত শিক্ষা বিভাগৰ ৰাষ্ট্ৰীয় সেৱা স্বেচ্ছাসেৱক হিচাপে কাম কৰিবলৈ লয়। তাৰ পাছত তেওঁ ৰাজস্থানৰ দৌছা জিলাৰ স্কুলসমূহত প্ৰাপ্তবয়স্ক শিক্ষাৰ তত্বাৱধায়ক হিচাপে নিযুক্ত হয়। সেই সময়ত জয়পুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু বিষয়াসকলে চৌহদৰ এক অগ্নিকাণ্ডত ক্ষতিগ্ৰস্তসকলক সহায় কৰিবলৈ 'তৰুণ ভাৰত সংঘ' নামৰ এক সংগঠন খুলিছিল আৰু তাত ৰাজেন্দ্ৰ সিঙে যোগদান কৰে। সেই সময়ত সেই সংগঠনে কোনো গুৰুত্বপূৰ্ণ কাম নকৰাকৈ বিভিন্ন ধৰণৰ সৰু-সুৰা কামত লাগি আছিল। এই ক্ষেত্ৰত তেওঁ কিছু আমূল পৰিৱৰ্তন আনিবলৈ ইচ্ছা কৰে। কিন্তু সংগঠন ব'ৰ্ডৰ সদস্যসকলে তাক মানি ল'বলৈ ইচ্ছা নকৰিলে আৰু ১৯৮৪ চনত তেওঁক প্ৰায় অকলশৰীয়াকৈ এৰি সকলো সদস্যই পদত্যাগ কৰে। ৰাজেন্দ্ৰ সিং পিছে হতাশ নহ'ল আৰু তেওঁ নিজেই কিছুমান কামত আগবাঢ়ি যাবলৈ সিদ্ধান্ত লয়। তেনেধৰণৰ প্ৰথম কামটো আছিল কিছুসংখ্যক অঘৰী কমাৰক সহায় কৰা। পিছে এই কাৰ্যত তেওঁ সামান্য সঁহাৰিহে আনসকল ব্যক্তিৰ পৰা পালে। চাকৰিৰ বৰমূৰীয়াসকলৰ কামৰ প্ৰতি অৱহেলা আৰু তেওঁ অকলেও বিশেষ একো তাৎপৰ্যপূৰ্ণ কাম কৰিবলৈ সক্ষম নোহোৱাত হতাশ হৈ ১৯৮৪ চনত ৰাজেন্দ্ৰ সিঙে চাকৰিৰ পৰা ইস্তফা দিয়ে। তেওঁ তৰুণ ভাৰত সংঘৰ চাৰিজন বন্ধুৰ সৈতে ৰাজস্থানৰ এখন ভিতৰুৱা অঞ্চললৈ গৈ আয়ুৰ্বেদিক দৰৱৰ দোকান খোলাৰ লগতে শিক্ষাৰ প্ৰসাৰৰ কামত ব্যস্ত হৈ পৰে।

তেওঁলোকে বাস কৰা আলৱাৰা জিলা এসময়ত শস্যৰ বজাৰ হিচাপে বিখ্যাত আছিল। পাছে থৰ মৰুভূমিৰ কাষতে অৱস্থিত সেই অঞ্চল কালক্ৰমত জলহীন শুকান অঞ্চল হৈ পৰে আৰু খেতি-বাতি নোহোৱা হ'ল। কম সময়ৰ বাবে হ'লেও তাত বৰষুণ হয় যদিও তেতিয়া বানপানীও হয় আৰু পুনৰ শুকান হৈ পৰে। তেনে অঞ্চলত বাস কৰা লোকসকলে আগতে জেহাদ নামৰ কিছুমান বিশেষ পুখুৰী খান্দি বৰষুণৰ পানী সঞ্চয়ৰ ব্যৱস্থা কৰিছিল। পিছে আধুনিক অধিবাসীসকলে পানীৰ বাবে আধুনিক ব'ৰ ৱেল ব্যৱহাৰ কৰিবলৈ ল'লে। ফলত ভূ-গৰ্ভৰ তলৰ পানীৰ স্তৰ ক্ৰমে তললৈ যাবলৈ আৰম্ভ কৰিলে আৰু সেই ব'ৰ ৱেলবোৰ ক্ৰমে অধিক গভীৰ কৰিবলগীয়া হ'ল। যিসকলৰ তেনে ৱেল খন্দাৰ সামৰ্থ্য নাছিল, সেইসকলৰ মহা সমস্যা হ'ল আৰু একলহ পানীৰ বাবে বহু দূৰলৈ যাবলগীয়া হ'ল। সেই সম্পৰ্কে ৰাজেন্দ্ৰ সিঙে গাঁওবাসীৰ পৰা জানিব পাৰি সেই পৰম্পৰাগত জল সংৰক্ষণ পদ্ধতি, অৰ্থাৎ জেহাদ খন্দাৰ বিষয়ে জানিব খুজিলে। সিঙে লগৰীয়াকেইজনক সেই বিষয়ে বুজালে যে তেওঁলোকে শিক্ষাৰ প্ৰসাৰৰ প্ৰচেষ্টা স্থগিত ৰাখি গাঁওবাসীৰ পানীৰ সমস্যা সমাধানৰ চেষ্টা কৰাই ভাল হ'ব। পিছে তেওঁৰ বন্ধুসকলে তেনে শাৰীৰিক শ্ৰম কৰিবলৈ অস্বীকাৰ কৰি তেওঁৰ লগ এৰি গুচি গ'ল। অৱশেষত ৰাজেন্দ্ৰ সিঙে অকলেই কেইজনমান স্থানীয় ব্যক্তিৰ সহায় লৈ এই কাৰ্যত সফলতা অৰ্জন কৰে।

১৯৮৫ চনত ৰাজেন্দ্ৰ সিঙে পদযাত্ৰা কৰি ওচৰৰ গাঁওবোৰত বৰষুণৰ পানী আবদ্ধ কৰি ৰাখিবলৈ আগতে প্ৰচলিত ভেটাৰ আৰ্হিত বান্ধ সাজিবলৈ অনুপ্ৰাণিত কৰিলে। ১৯৮৬ চনত ঙানোটা কল্যালা গাঁৱৰ লোকসকলে শ্ৰমদান কৰি তৰুণ ভাৰত সংঘৰ কৰ্মীৰ সহায়ত শুকাই যোৱা আৰৱাৰি নদীৰ উৎসত এটা জেহাদ খান্দিলে আৰু কিছুমান সৰু সৰু বান্ধ সাজিলে। ফলস্বৰূপে ১৯৯০ চনত অৰ্থাৎ ষাঠি বছৰৰ পিছত শুকাই যোৱা নদীখনে ইণ্টাৰনেশ্বনেল ৰিভাৰ এৱাৰ্ড লাভ কৰিলে আৰু এনে অভিনৱ প্ৰচেষ্টা তথা সফলতাৰ বাবে গাঁওবাসীসকলকো 'ডাউন টু আৰ্থ যোছেফ চি জন' এৱাৰ্ডেৰে পুৰষ্কৃত কৰা হ'ল। ২০০০ চনৰ মাৰ্চত তেতিয়াৰ ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণে নিজে তালৈ গৈ সেই পুৰস্কাৰ প্ৰদান কৰে।

ৰাজেন্দ্ৰ সিঙৰ উদ্যোগত এতিয়া নতুনকৈ বনাঞ্চল সৃষ্টিৰ কামো চলি আছে। তদুপৰি তৰুণ ভাৰত সংঘৰ সদস্যসকলে জন বিৰাদিৰি নামৰ জল সংৰক্ষণৰ কাম কৰি আছে। তেওঁ বিভিন্ন গাঁৱৰ মানুহক পৰম্পৰাগত পানী জমা কৰা পদ্ধতি শিকাবলৈ আৰু সেই বিষয়ে সজাগ কৰিবলৈ পানী পঞ্চায়ত খুলিছে। তেওঁৰ কামৰ স্বীকৃতি হিচাপে ২০০5 চনত ৰাজেন্দ্ৰ সিঙক যমুনালাল বাজাজ পুৰস্কাৰ দিয়া হয়। ২০০৬ চনত তেওঁ ভগীৰথী নদীৰ ওপৰত বিতৰ্কিত লোহাৰীনাগ পালা জলবিদ্যুৎ কেন্দ্ৰৰ কাম বন্ধ কৰাত মুখ্য ভূমিকা লৈছিল কাৰণ এই কামে নামনি অঞ্চলত পানীৰ সমস্যা সৃষ্টি কৰিলেহেঁতেন। ২০০৪ চনৰ জানুৱাৰী মাহত তেওঁ গোদাবৰী নদীক প্ৰদূষণমুক্ত কৰাৰ বাবে সজাগতা সৃষ্টি কৰিবৰ বাবে ত্ৰিম্বাকেশ্বৰৰ পৰা পাইথানলৈ এক পৰিক্ৰমা সম্পন্ন কৰিছিল। উল্লেখযোগ্য যে ৰাজেন্দ্ৰ সিঙে মুম্বাইৰ অস্তিত্বৰ সংকটত ভোগা মিথি নদীৰ কাষেদি ২০০৯ চনত এক পদযাত্ৰা কৰে। সেই চনতে স্থাপিত ভাৰত চৰকাৰৰ পৰিৱেশ মন্ত্ৰণালয়ৰ অধীনত 'নেশ্বনেল গংগা ৰিভাৰ বেছিন অথৰিটী'ৰ এজন সদস্য হিচাপেও ৰাজেন্দ্ৰ সিং নিৰ্বাচিত হৈছিল।

ৰাজেন্দ্ৰ সিঙৰ মতে, জল সংৰক্ষণ কৰাটো এক পৱিত্ৰ কৰ্ম। সেয়েহে তেওঁ নিজেও এই কামত ভাৰতবৰ্ষলৈ এক উল্লেখযোগ্য অৰিহণা যোগাইছে বুলি ক'ব পাৰি। বৰ্তমান সময়ত ৰাজেন্দ্ৰ সিং বিশ্বৰ এজন অন্যতম জল সংৰক্ষক হিচাপে সমাদৃত হৈছে।

আজি এনে এগৰাকী ব্যক্তিৰ কৰ্ম আৰু জীৱন কাহিনী সম্পৰ্কে উল্লেখ কৰিব বিচাৰিছোঁ যিগৰাকী ব্যক্তিয়ে কেৱল একান্ত নিজস্ব মনৰ তাগিদাত জীৱজগতক গোলকীয় উষ্ণতাৰ প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ গছ ৰোপণৰ এটি অতি প্ৰশংসনীয় ব্যৱস্থা হাতত লৈছে। এটা তেনেই উদং চাপৰিত সম্পূৰ্ণ অকলেই এটা-দুটাকৈ পুলি ৰুবলৈ আৰম্ভ কৰি, বছৰ বছৰ ধৰি অহৰহ সেই কামটোকে কৰি থাকি তেওঁ এখন অৰণ্য সৃষ্টি কৰি পেলালে। তেওঁৰ কাহিনী শুনাৰ আগলৈকে যিটো কাম সকলোৰে বাবে সপোনৰো অগোচৰ আছিল। যিকোনো ক্ষেত্ৰতেই, একেবাৰেই একো নথকাৰ পৰা আৰম্ভ কৰি, অহৰহ ব্ৰতী থাকিলে এটা সময়ত সিয়েই এটা বিৰাট সৃষ্টিত পৰিণত হয়। টাইটানিক, ব্লাড ডাইমণ্ড, দ্যা এভিয়েটৰ, ইনচেপশ্বন আদি বহু সমাদৃত ছবিৰ মুখ্য অভিনেতা, দ্যে ৰেডেনেণ্ট ছবিখনৰ বাবে ২০১৫ চনত শ্ৰেষ্ঠ অভিনেতাৰ অস্কাৰ বিজয়ী লৈ অনাটো ডি কেপ্ৰিতাই ২০১৭ চনৰ মে' মাহত তেওঁৰ ফেচবুক পেজটোত যাদৱ পায়েঙৰ জীৱন তথা কাহিনী সম্পৰ্কীয় এখন তথ্যচিত্ৰৰ লিংক শ্বেয়াৰ কৰিছিল। ফেচবুকত ডেৰ কোটিৰো অধিক ফ'লৱাৰ থকা পৃষ্ঠাটোতে কেৱল নহয়। যাদৱ পায়েঙৰ সম্পৰ্কে বিশ্বৰ বিভিন্ন প্ৰান্তত আন বহু মানুহৰ ফে'নপেজ,


# যাদৱ পায়েং ঃ

## অকলেই এখন অৰণ্য সৃষ্টি কৰা মানুহজন

**আফৰুজা চুলতানা হাজৰিকা**
অৰ্থনীতি বিভাগ



জনপ্ৰিয় ব্লগ, আলোচনী, ভিডিঅ' ছাইট, এপ আদিত প্ৰায়ে প্ৰচাৰ হৈ থাকে। কিবা এটা কৰিবলৈ আৰম্ভ কৰা যাদৱ পায়েঙৰ জন্ম হৈছিল ১৯৬৩ চনত (সঠিক চন আৰু তাৰিখ ভালকৈ মনত নাই) যোৰহাট জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ পায়েং আৰু মাতৃ আলফুলি পায়েং। পৰিয়ালৰ তেৰটা সন্তানৰ ভিতৰত যাদৱ আছিল তৃতীয় সন্তান। পায়েঙে শৈশৱত লোকৰ ঘৰত থাকি যোৰহাটৰ বালিগাঁৱত জগন্নাথ বৰুৱা আৰ্য বিদ্যাপীঠ বিদ্যালয়ত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰিছিল। আৰ্থিক অনাটনৰ বাবে পাছত তেওঁৰ অধিক পঢ়া নহ'ল। জীৱিকাৰ সন্ধানত পায়েঙে দেশৰ বিভিন্ন ঠাই ঘুৰিও শেষত নিজৰ চাপৰিটোলৈ উভতিল। তাতে গৰু, ম'হ পুহি গাখীৰৰ ঠিকা কৰি জীৱিকা উলিয়াবলৈ ল'লে।



পায়েঙৰ ঊনৈছ বছৰমান বয়সত এবাৰ গ্ৰীষ্মকালত তীব্ৰ উষ্ণতাৰ ফলত জীৱ-জন্তুবোৰৰ দুৰ্দশাজনক এটা কৰুণ দৃশ্য দেখি তেওঁ বৰকৈ প্ৰভাৱিত হৈছিল। তীব্ৰ উষ্ণতাৰ পৰা প্ৰাণীজগতক ৰক্ষা কৰিবলৈ তেওঁ গছপুলি ৰোপণৰ ব্যৱস্থা কৰিলে। প্ৰথমে পঞ্চাছটামান বাঁহৰ মুঢ়া ৰোৱাৰ পিছৰে পৰা পায়েঙে আৰম্ভ কৰিলে এজোপা-দুজোপাকৈ গছপুলি ৰোৱাৰ। সেয়া আছিল ১৯৭৯ চনৰ কথা। তেতিয়াৰে পৰা তেওঁ সেই চাপৰিটোত গছপুলি ৰোৱা আৰু প্ৰতিপাল কৰা কাম নিৰলসভাৱে চলাই থাকিল। ১৯৮০ চনত সেই চাপৰিটোত দুশ হেক্টৰ মাটিত বন বিভাগে পুলিৰ বাগান খোলাৰ এটা প্ৰকল্প হাতত লৈছিল। যাদৱ পায়েং তাৰে এগৰাকী কৰ্মী আছিল যদিও প্ৰকল্পৰ কাম শেষ হোৱাৰ পিছতো তেওঁ তাতে থাকি কাষৰে ঔৰনা চাপৰিটোত নিজাববীয়াকৈ গছ ৰুই এখন অৰণ্য গঢ়ি তুলিলে। অৰণ্যখন জীয়াই ৰখাত তেওঁ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। তাৰ পাছতো নিজৰ কাম নিৰলে চলাই থাকিল আৰু আজি আঠত্ৰিছ বছৰৰ পাছত সেইখন প্ৰায় পাঁচশ পঞ্চাছ হেক্টৰ (প্ৰায় ৫.৫ বৰ্গকিলোমিটাৰ, ৪১০৮ বিঘা) অৰণ্যত পৰিণত হ'ল। যাদৱ পায়েঙৰ ঘৰুৱা নাম মূলাই। সেয়েহে তেওঁৰ সৃষ্ট সেই অৰণ্যখন 'মূলাই কাঠনি' নামেৰে পৰিচিত হ'ল। যোৰহাট চহৰৰ পৰা পায়েঙৰ ঘৰলৈ প্ৰায় দহ কিলোমিটাৰ দূৰ। বাইকেৰে বিছ মিনিটমানৰ বাট। তেওঁৰ এতিয়াৰ ঘৰৰ পৰা সুঁতি এটা পাৰ হৈ দুখন গাঁৱৰ মাজেৰে গৈ পোৱা যায় 'মূলাই কাঠনি'। মানুহৰ বিশেষ আহ-যাহহীন এটা চাপৰিত পায়েঙে কামটো কৰিছিল একান্ত মনৰ তাগিদাত। গছবোৰ কাটি বিক্ৰী কৰিব নোৱাৰাকৈ মানুহক বাধা দিবলগীয়া হৈছিল। বাঘ, গঁড় মাৰিবলৈ চোৰাং চিকাৰীয়ে তাতো ফান্দ পাতিছিল। ফান্দবোৰ দেখি তেওঁ মানুহক বুজাই-মেলি সেইবোৰ ধ্বংস কৰিবলগীয়া হৈছিল। প্ৰায় ত্ৰিছ বছৰ ধৰি তেওঁ কৰি থকা কামটোৰ কথা, সেই অৰণ্যখনৰ কথা চাপৰিটোৰ বাহিৰে কোনেও জনা নাছিল। ২০০৯ চনত এজন ফটোগ্ৰাফাৰৰ এটা বাতৰিৰ জৰিয়তে ক্ৰমান্বয়ে যাদৱ পায়েং আৰু তেওঁৰ মূলাই কাঠনি বিখ্যাত হৈ পৰিল।

পায়েঙে আজি বহু বঁটা, সন্মান লাভ কৰিছে। ২০১২ চনৰ ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে পায়েঙক ভাৰতৰ 'অৰণ্য মানৱ' উপাধি প্ৰদান কৰে। ২০১২ চনত উইলিয়াম ডগ্‌লাছ মেক্ মাষ্টাৰ নামৰ কানাডাৰ তথ্যচিত্ৰ নিৰ্মাণ কৰোঁতা এজনে পায়েঙৰ কৰ্মৰ আধাৰত 'ফৰেষ্ট মেন' নামেৰে এখন তথ্যচিত্ৰ নিৰ্মাণ কৰে। ২০১৩ বৰ্ষৰ কাঁ চলচ্চিত্ৰ মহোৎসৱত এই তথ্যচিত্ৰৰ সন্মান লাভ কৰিছে। ২০১২ চনত তেওঁক কে, কে, এছিয়া ৱাইল্ড লাইফ বঁটা প্ৰদান কৰা হ'ল। ২০১৪ চনৰ বিশ্ব পৰিৱেশ দিৱসৰ দিনা 'দ্য হিন্দু' কাকতৰ প্ৰথম পৃষ্ঠাত পায়েঙৰ কৰ্ম আৰু জীৱনক লৈ এটি অনবদ্য চিত্ৰকৰ্ম প্ৰকাশ কৰা হৈছিল। ২০১৫ চনৰ ২৬ জানুৱাৰীত তেওঁক ভাৰতৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' প্ৰদান কৰা হয়। ২০১৫ চনৰ ১৪ ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। ২০১৬ চনত বিনায়ক বাৰ্মা নামৰ এজন ব্যক্তিয়ে 'যাদৱ এণ্ড ট্ৰি প্লেচ' নামেৰে এখন সচিত্ৰ শিশুগ্ৰন্থ ৰচনা কৰিছে। 'যাদৱ অৰণ্য' নামেৰে সেইখন অসমীয়ালৈ অনুবাদ কৰা হৈছে। এনেধৰণৰ বহু বঁটা, সন্মান আগবঢ়োৱাৰ উপৰি তেওঁক বহু অনুষ্ঠানলৈ পৰিৱেশ সজাগতা সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰিবলৈ নিমন্ত্ৰণ কৰা হয়। ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত ২০১৫ চনৰ ডিচেম্বৰত অনুষ্ঠিত পেৰিছ জলবায়ু সন্মিলনতো বক্তৃতা প্ৰদানৰ বাবে পায়েং নিমন্ত্ৰিত হৈছিল। তেওঁক সন্মান জনোৱাৰ উদ্দেশ্য দেশৰ বিভিন্ন ঠাইত গছপুলি ৰুবলৈও নিমন্ত্ৰণ জনোৱা হয়।

ঔদ্যোগীকৰণ, নগৰ সভ্যতা, অত্যধিক যান-বাহন আদিয়ে পৃথিৱীৰ সামূহিক উষ্ণতা বৃদ্ধি কৰিছে। ইয়াৰ ফলত পৃথিৱীৰ উত্তৰ মেৰুৰ বৰফ ঠায়ে ঠায়ে গলি খুব পাতল আৰু কোমল হৈ পৰিছে। জলবায়ুৰ পৰিৱৰ্তনে পৰিৱেশতন্ত্ৰ তথা সমগ্ৰ জীৱকূললৈ অনা ভাবুকি দূৰ কৰিবলৈ ঔদ্যোগিক নীতিসমূহৰ উপৰি পৃথিৱীত অপৰ্যাপ্ত বৃক্ষৰ প্ৰয়োজন। সেইবাবে পৰিৱেশ সচেতন সকলো মানুহৰ বাবে যাদৱ পায়েং সন্মানৰ পাত্ৰ আৰু অনুপ্ৰেৰণাৰ উৎসত পৰিণত হৈছে। তেওঁৰ এনে কৰ্মৰাজি সঁচাকৈয়ে যথেষ্ট শলাগ ল'বলগীয়া আৰু এয়া আমাৰ বাবে এক গৌৰৱৰ বিষয়।

# চিঠি ঃ এক নষ্টালজিয়া

**কংকনা বৰুৱা**
উদ্ভিদ বিজ্ঞান বিভাগ



চিঠি লিখা আৰু পঢ়াৰ যি আমেজ, সেয়া ক'ৰবাত হেৰাই গ'ল। পিয়নে আহি পদুলিমূৰত কেতিয়া চাইকেলৰ টিলিঙা বজাব বুলি কাণ উনাই ৰৈ থকাৰ দিন উকলিল। কাৰোবাৰ পৰা অহা চিঠিখন একে উশাহে পঢ়ি শেষ কৰাৰ ৰুদ্ধশ্বাস সময়বোৰ এতিয়া অতীত হ'ল। এখন চিঠি ডাকবাকচত পেলাই উত্তৰ নহালৈকে মাহেক-পষেক কি উৎকণ্ঠাৰে পাৰ হয়, তাক আজিৰ প্ৰজন্মই বুজি নাপাব। সকলো এতিয়া নষ্টালজিয়া।

আজিৰ প্ৰজন্ম সেই মধুৰ আমেজৰ পৰা বঞ্চিত। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিয়ে ব্যক্তিগত চিঠিৰ প্ৰচলন নিঃশেষ কৰি দিলে। প্ৰতিদিনেই ঘৰলৈ অহা বা নহালৈকে উৎসুকতাৰে বাটলৈ চাই থকা পিয়নজনৰ লগত এতিয়া চিনাকি হেৰাই গ'ল। তিনিআলি, চাৰিআলিত আঁৰি থোৱা ৰঙা ডাক বাকচবোৰ অদৃশ্য হৈ পৰিল। আজিৰ প্ৰজন্মই চিঠি লিখাৰ কলাটোৰ লগত অপৰিচিত। বৰ্তমান কেৱল কাৰ্যালয় সংক্ৰান্তীয় চিঠি আৰু টোপোলা প্ৰেৰণতে ডাক বিভাগটো সীমাবদ্ধ হৈ পৰিল।


আজিৰ মানুহ ব্যস্ত। ব্যস্ততাই কোঙা কৰা মানুহৰ আজিকালি চিঠি লিখাৰ আহৰি নাই। তদুপৰি ম'বাইল, নেটৱৰ্ক ছাইটবোৰে চিঠিলৈ ভাবুকি কঢ়িয়াই আনিছে। ডাকৰ চিঠি হাতত পৰিবলৈ কমেও দুই-তিনিদিন সময় লাগে। কিন্তু ম'বাইল বা ছ'চিয়েল নেটৱৰ্ক ব্যৱস্থাই যোগাযোগ অতি ক্ষীপ্ৰ কৰি তুলিছে।

এহাতে ব্যস্ততা, আনহাতে যোগাযোগৰ সহজ ব্যৱস্থাই চিঠি লিখাৰ মানসিকতাক ক্ৰমে নিঃশেষ কৰিছে। কিন্তু চিঠিৰ মাদকতা ম'বাইল বা নেটৱৰ্ক ছাইটসমূহে কেতিয়াও দিব নোৱাৰে। চিঠিত মানুহৰ মনৰ আৱেগ-অনুভূতিৰ যি সুমধুৰ মাদকতা আছে, তাক আন একোৱে দিব নোৱাৰে। তদুপৰি চিঠিৰ মাদকতাই মানুহৰ মন আজীৱন আচ্ছন্ন কৰি ৰাখিব পাৰে। সেয়ে আজিও চিঠিৰ প্ৰয়োজনীয়তাক একেমুখে অস্বীকাৰ কৰিব নোৱাৰি।

সেই সময়ছোৱাত চিঠিৰ আদান-প্ৰদানেৰে সকলো খা-খবৰ পঠিওৱা হৈছিল আপোনজনলৈ। যিকোনো সামাজিক, সাংস্কৃতিক বা চৰকাৰী যিকোনো বিষয়ক লৈ চিঠি লিখা হৈছিল। চিঠি কোনে কিমান ভাল লগাকৈ বা ৰস লগাকৈ লিখিব পাৰে, তাৰ প্ৰতিযোগিতা চলিছিল সমবয়সীয়াৰ মাজত। চিঠিৰ আৰ্হিত ভালেমান মহৎ সাহিত্যও সৃষ্টি হৈছিল। চিঠিৰ জৰিয়তেই সকলো ভাব বিনিময় হৈছিল। চিঠি লিখাটো এক বিশেষ কলা। মান্যানুসৰি চিঠি লিখা ৰীতিও ভিন্ন হয়। সেই সুন্দৰ অনুভূতিবোৰ মৰহি নাযাওক, আজিৰ প্ৰজন্মই সেই সুন্দৰ অনুভূতি আৰু অনাবিল আনন্দৰ সোৱাদ লওক। সেয়ে বৰ্তমান যুগত চিঠিৰ প্ৰাসংগিকতা যথেষ্ট।

# MISERY OF THE PRESENT EDUCATION SYSTEM

**Namasya S Khandayatray**
Dept. of English



EDUCATION, once defined as the pursuit of finding knowledge, now has amusingly changed its meaning. Parents are delighted to send their children to the so called 'Educational hubs' with bags as heavy as their workloads. Mina's mother once told Sheetal aunty, 'Pata hai meri beti bohot badi Engineer ban gayi hai. Tuition ja kar khub man lagakar padhti thi woh.' Sheetal aunty remained silent but thought, 'had she invested more time in her vocal training, she would have become the next Lata Mangeshkar perhaps.'

Long gone are the days when chinted rushed to their rooms after the evening prayer to study under lighted lamps. The ringing of bells has been replaced by the roar of speeding bikes. And guess who dropped Rita from tuition today? Manash, her 'best friend'. Do check on your kid while she 'studies'. No one knows if she actually comprehends what she's reading or the letters are simply dancing over her head. Oops! She might also have a cell phone concealed between the pages of her book!

Let's not brag about sending our children to tuition classes. They might actually be hanging out in KFC or might be gossiping about the trending heels in the market sitting in Domino's with their friends. Guess we all need GPS for our kids now! Never fret if children do not do well in exams even after taking numbers of tuition classes. Who knows he may just be sitting in the class with his mind wandering to the lush green meadows of shillong? Your pressure on him may make him Mad-Einstein instead of Albert Einstein!

# সংস্কৃতি আৰু সাজপাৰ



**ছাফিয়া গগৈ**
পদাৰ্থ বিজ্ঞান বিভাগ

বিৱৰ্তনৰ কষটি শিলত ঘঁহনি খাই ঢাপত ঢাপে আহি মানৱ সভ্যতাই আজিৰ অৱস্থা পালে। মানৱ সভ্যতাই। সভ্যতা আকৌ গঢ় লয় পাৰিপাৰ্শ্বিক অৱস্থাৰ ভিত্তিত। সভ্যতা আৰু সংস্কৃতি একে নহয় কিন্তু সভ্যতাই সংস্কৃতিৰ সঁচাৰ কাঠী।

সংস্কৃতিৰ ভাল-বেয়া বুলি কোনো নিৰ্দিষ্ট সীমাৰেখা নাই। ঠাইভেদে সেই নিৰ্দিষ্ট এলেকাত থকা লোকসকলৰ জন্ম-মৃত্যু, বিবাহৰ ৰীতি-নীতি, পৰম্পৰা, আচাৰ-ব্যৱহাৰ আদিয়েই সংস্কৃতি। এই সংস্কৃতিৰেই আটাইতকৈ সমৃদ্ধ পালটোৱেই হ'ল সাজপাৰ। সাজপাৰ আকৌ বিচাৰ-বিবেচনাৰ উৎকৰ্ষ সাধন সামাজিক পৰিৱেশ আৰু প্ৰাকৃতিক তথা পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰশীল। সেয়ে আমি প্ৰাচ্যৰ মানুহে সততে পাশ্চাত্যৰ সংস্কৃতি, সাজপাৰ আদিক বিচাৰ-বিবেচনা তুচ্ছ তাচ্ছিল্য কৰি পাশ্চাত্যৰ সাজপাৰ আৰু ব্যক্তি স্বাধীনতাৰ বিষয়টোক সমালোচনা কৰোঁ। কিন্তু আচল বিষয়টো হ'ল সংস্কৃতি স্ব-মহিমাৰে প্ৰোজ্জ্বল। গতিকে সকলোৱে সেয়ে নিজৰ সংস্কৃতিক জীপাল কৰি ৰাখিব খোজে। উদাহৰণস্বৰূপে নৃত্যৰ সাজপাৰেই যদি কেৰালাৰ কথাকলি, মণিপুৰৰ মণিপুৰী নৃত্য নাইবা লাই হাৰাওবা বা পশ্চিমীয়া কেতবোৰ দেশৰ জনগোষ্ঠীয়ে কৰা স্বল্প বসনা শিল্পীক পিন্ধিবলৈ বাধ্য কৰোৱা হয় তেন্তে সেয়া হ'ব সংস্কৃতিৰ আগ্ৰাসন। বৰ্তমান আমাৰ সাজপাৰৰ ক্ষেত্ৰতো এই সাংস্কৃতিক আগ্ৰাসনে প্ৰত্যাহ্বান হৈ থিয় দিছে।


পশ্চিমীয়া সংস্কৃতি বেয়া-সেয়া হ'বই নোৱাৰে। কাৰণ সেই সংস্কৃতিৰ মাজেৰেই তেওঁলোকৰ পৰিচয় ফুটি উঠিছে। পশ্চিমীয়া সংস্কৃতিৰ গৰাহত পৰি আমাৰ নতুন প্ৰজন্মই স্বকীয় সংস্কৃতি বিসৰ্জন দিবলৈ ওলোৱা কাৰ্যক বাধা দিয়াটোহে এটা সুস্থ সাংস্কৃতিক আন্দোলনৰ পৰিচায়ক হ'ব।

অসম নাইবা উত্তৰ-পূব ভাৰত ভাষা-সাহিত্য-সংস্কৃতিৰ ভূ-স্বৰ্গ। প্ৰত্যেক কেই কিলোমিটাৰমানৰ অন্তৰে অন্তৰে অসম তথা উত্তৰ-পূবত একো একোটা সুকীয়া জাতি-জনগোষ্ঠীৰ সুকীয়া সুকীয়া ভাষা নাইবা দোৱানৰ প্ৰচলন আছে। এই একক আৰু অনন্য বিবিধতাই ভাৰতীয় সংস্কৃতিক পৃথিৱীৰ ভিতৰতে বিৰল কৰি তুলিছে। অসম লোক সংস্কৃতিৰ উৰ্বৰ ক্ষেত্ৰ। সাজপাৰৰ ক্ষেত্ৰত অসমৰ জাতি-জনগোষ্ঠীৰ অপূৰ্ব সমাহাৰ পৰিলক্ষিত হয়। সাজপাৰ বুলি কওঁতে কোনো ব্যক্তি বিশেষে দৈনন্দিন ব্যৱহাৰ কৰা পোছাককক নুবুজায়। সাজপাৰে কোনো সমূহ বা একো একোটা গোষ্ঠী নাইবা জাতিৰ উৎসৱ আচাৰ ইত্যাদিত পৰিধান কৰা জাতীয় পোছাককহে বুজায়। অসমীয়াসকলৰ এই লোক সাজে বিশ্ব দৰবাৰত এক সুকীয়া মান দখল কৰিছে। উল্লেখনীয় এই যে এই সাজসমূহ অসমীয়া শিপিনীয়ে নিজৰ তাঁতশালত বৈ উলিয়ায়। নানা আকৰ্ষণীয় ফুল-চানেকিযুক্ত এই সাজে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। সেয়ে জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল 'অসমীয়া শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে।'

সময় তথা মানুহৰ ৰুচি পৰিৱৰ্তনৰ লগে লগে সাজপাৰৰ ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তন আহি আমাৰ চকুত ধৰা দিছে। আমাৰ দেশীয় বজাৰত পাশ্চাত্যৰ সাজে ভৰি পৰিছে। যাৰ ফলত আমাৰ লোকসকলেও সেই সাজ এবাৰ পৰিধান কৰাৰ লোভ সামৰিব পৰা নাই। লাহে লাহে একাংশ অসমীয়াই জাতীয় সাজপাৰ পৰিহাৰ কৰাৰো পৰিলক্ষিত হৈছে। এইয়া আমাৰ জাতিৰ বাবে অতি দুখজনক।

## বিষয় ঃ
## সাম্প্ৰতিক সমাজ ব্যৱস্থাত আধুনিক গণমাধ্যমৰ ভূমিকা

বিংশ শতিকাত আৰম্ভ হোৱা প্ৰযুক্তিৰ অভ্যুত্থানে একবিংশ শতিকাত এক অনন্য শিখৰলৈ ধাৱমান হৈছে। ডিজিটেল মাধ্যম বা নব্য মাধ্যমৰ আৱিষ্কাৰত যিকোনো তথ্য ছবি (Image), চলমান ছবি (Video), শ্ৰব্য (Audio) আৰু অন্য যিকোনো ৰূপত সংৰক্ষণ কৰি ৰাখিবলৈ সক্ষম অৱস্থা এটাৰ সৃষ্টি হ'ল। এই মাধ্যমৰে এটা শাখা, আধুনিক গণমাধ্যম। ফে'চবুক, হোৱাটচ্এপ, ইউটিউব, উইচেট, টেলিগ্ৰাম, টাম্বলাৰ, ইনষ্টাগ্ৰাম, টুইটাৰ, স্কাইপ, স্নেপচেট, ৰেডিট আদি নামৰ আধুনিক গণমাধ্যমসমূহে বিশ্বৰ ভৌগোলিক, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক পৰিসীমা নেওচি প্ৰতি স্তৰৰ মানুহৰ ওচৰ পাইছেগৈ। সম্পাদকশূন্য মাধ্যমত ভাৱ প্ৰকাশ আৰু গ্ৰহণৰ অপৰিসীম সুবিধা থকাৰ বাবে সমগ্ৰ বিশ্বৰ মানৱ চেতনাকে এক পৰ্যায়ত আসীন কৰাৰ সম্ভাৱনা আধুনিক গণমাধ্যমে দেখুৱাইছে। তাৰ পিছতো সমগ্ৰ ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাৰ চেতনা একে পৰ্যায়লৈ আহিছেনে? কিহৰ বাবে সাম্প্ৰতিক সমাজ ব্যৱস্থাত অপৰিসীম সম্ভাৱনাযুক্ত এই গণমাধ্যমে সমস্যাৰো সূচনা কৰিবলৈ ধৰিছে, তাৰেই আলোকপাতেৰে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ কেইটামান লেখা ● ● ●



# বি শে ষ লে খা

**ইন্দ্ৰাণী খাউণ্ড**
অসমীয়া বিভাগ

মানুহ হৈছে সামাজিক প্ৰাণী। মানুহৰ কামনাৰ অন্ত নাই। সেয়েহে সমাজত বসবাস কৰা প্ৰত্যেকজন মানুহক অনন্ত কামনাই কৰ্মচঞ্চল কৰি ৰাখিছে। যাৰ বাবে মানুহে নোপোৱাতো পাবলৈ, নেদেখাতো চাবলৈ সদায় ব্যগ্ৰ। তাৰ ফলশ্ৰুতিতেই স্ৰষ্টাৰ অনন্ত সৃষ্টিৰ গূঢ়তম ৰহস্য উদ্‌ঘাটন কৰিবৰ বাবে মানুহৰ প্ৰচেষ্টা অসীম। বৰ্তমান সাম্প্ৰতিক সমাজ ব্যৱস্থাই বিজ্ঞানৰ নৱগতিৰে যাত্ৰা আৰম্ভ কৰিছে আৰু তাৰেই স্বাক্ষৰ বহন কৰিছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে পৰিগণিত হোৱা গণমাধ্যমে।

গণমাধ্যম বৰ্তমান সমাজ ব্যৱস্থাৰ মানৱ শক্তিৰ প্ৰতিফলনৰ অন্যতম নিদৰ্শন। ইয়াৰ প্ৰভাৱ আমাৰ সমাজ ব্যৱস্থাত অতি প্ৰভাৱশালী। গণমাধ্যম হৈছে প্ৰত্যেকখন সমাজত বসবাস কৰা মানুহৰ মনৰ ভাৱ প্ৰকাশৰ এক উপযোগী মাধ্যম। এখন দেশৰ গণতান্ত্ৰিক সমাজ ব্যৱস্থাত ফলপ্ৰসূ ভূমিকা গ্ৰহণ কৰাত গণমাধ্যমৰ অৰিহণা গুৰুত্বপূৰ্ণ। এই মাধ্যমৰ ভিতৰত বাতৰি কাকত, আলোচনী, টেলিভিছন, ৰেডিঅ' ইত্যাদি। সাম্প্ৰতিক সময়ত এই মাধ্যমসমূহে শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। যাৰ ফলত মানুহে সকলো দিশতে নিজৰ মতামত প্ৰকাশৰ অতি সহজ সুবিধা লাভ কৰিছে। যাৰ বাবে গণমাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি অভিহিত কৰা হৈছে।

সাম্প্ৰতিক সময়ৰ গণতান্ত্ৰিক সমাজ ব্যৱস্থাত আধুনিক গণমাধ্যমে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু ই জনসাধাৰণৰ মাজত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি অহা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ছোৱাত গণমাধ্যমে চৰকাৰ বা ৰাষ্ট্ৰৰ যিকোনো সমস্যাৰ প্ৰতি জনসাধাৰণক দৃষ্টিগোচৰ কৰিবলৈ সক্ষম হৈছে। গণমাধ্যমে সমাজৰ বিভিন্ন দিশৰ প্ৰতি মানুহৰ মনত ইতিবাচক চিন্তাধাৰাৰ সৃষ্টি কৰিছে। যাৰ ফলত সমাজ ব্যৱস্থাত গণ সচেতনতা গঢ়ি উঠিছে। সাধাৰণ জনতাই নিজ নিজ অঞ্চলৰ লগতে চৰকাৰখনৰ দোষ-ত্ৰুটি আৰু সমস্যাৱাজিক জনচক্ষুৰ সহায়েৰে চৰকাৰৰ সন্মুখত দাঙি ধৰিবলৈ সক্ষম হৈছে।

সাম্প্ৰতিক সময়ত দেখা পোৱা দুৰ্নীতিসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাৰ ক্ষেত্ৰত গণমাধ্যমৰ ভূমিকা অপৰিসীম। গণমাধ্যমৰ ব্যাপক প্ৰচাৰে বৰ্তমান সময়ছোৱাত চলি থকা চৰকাৰখনৰ বৃহৎ বৃহৎ কেলেংকাৰি, প্ৰধানমন্ত্ৰীৰ দ্বাৰা ৰূপায়িত শৌচাগাৰ নিৰ্মাণ আঁচনি আদিত হৈ থকা দুৰ্নীতি ফাদিল কৰি জনসাধাৰণৰ দৃষ্টি নিক্ষেপ কৰিছে। আনহাতেদি সমাজত চলি থকা শোষণ, ধৰ্ষণ, ডাইনী হত্যা আদিৰ দৰে ঘটনা আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে সকলো সময়তে ৰাইজৰ ওচৰত থিয় দি ন্যায়ৰ হকে সহযোগিতা প্ৰদান কৰিছে। তাৰ লগে লগে জনসংখ্যা বৃদ্ধি, নিৰক্ষৰতা, নিবনুৱা, খাদ্যসংকট, বানপানী আদিৰ দৰে জ্বলন্ত সমস্যাক গণমাধ্যমে সমাজৰ উন্নয়নৰ হেতু প্ৰতিখোজতে মাত মাতি আহিছে আৰু চৰকাৰৰ ওচৰত মূৰ তুলি অৰ্পণ কৰিছে। তাৰ ফলশ্ৰুতিতেই চৰকাৰ আৰু প্ৰশাসনে নিজৰ দায়িত্ববোধ বুজি পাইছে।

এইসমূহৰ লগে লগে গণমাধ্যমে সমাজৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যৰ ভেটিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিছে। বিভিন্ন প্ৰান্তৰ বা-বাতৰি, খেলা-ধূলা, এখন দেশৰ লগত আন এখন দেশৰ সহযোগিতা আদিৰ দৰে মহান কামৰো উদাহৰণ দিছে। ই যে কেৱল ইতিবাচক প্ৰভাৱ দাঙি ধৰিছে তেনে নহয়, ইয়াৰ নেতিবাচক প্ৰভাৱ বা অপপ্ৰয়োগৰ প্ৰভাৱ নাই বুলি ক'ব নোৱাৰি। কেতিয়াবা কেতিয়াবা উৰাবাতৰি, অবাস্তৱ কাহিনী ব্যাখ্যা কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰাও দেখা যায়। বহু সময়ত ৰাজনীতিৰ মেৰপাকত পৰি গণমাধ্যমে এক শ্ৰেণীৰ সুবিধাবাদী দলৰ পুতলা হৈ জনস্বাৰ্থবিৰোধী কামত হাত দিয়াৰ দৰে ঘটনা সমালোচনাৰ সন্মুখীন হৈছে যদিও সমাজত ইয়াৰ ভূমিকা নিৰপেক্ষ, বৰঞ্চ ইয়াৰ জনপ্ৰিয়তা বৰ্তমান বাঢ়িহে গৈছে।

গতিকে এইক্ষেত্ৰত দোষ-ত্ৰুটিবোৰ নিকা কৰি নিৰ্ভীক আৰু নিৰপেক্ষতাৰে জনসাধাৰণৰ সেৱাৰ্থে গণমাধ্যম সদায় আমাৰ বাবে এক সৃজনীশক্তি। ইয়াৰ প্ৰতি লক্ষ্য ৰাখিয়েই বৰ্তমান এই পেছাটোৰ প্ৰতি ছাত্ৰ সমাজ আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে। সেয়েহে গণসংযোগ (Mass Communication) মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীক ইয়াৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে। জনসাধাৰণেও এই মাধ্যমক অতি বিশ্বাসেৰে আদৰি লৈছে। গতিকে এই মাধ্যমৰ দায়িত্ব হ'ল— বেয়া প্ৰভাৱসমূহৰ পৰা সমাজক মুক্ত কৰি সুস্থ সমাজ গঢ়ি তোলা। এয়াই আমাৰ লক্ষ্য আৰু উদ্দেশ্য। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত যাতে কেতিয়াও কোনো আঁচোৰ নপৰে তাৰ প্ৰতি আমি সদায় লক্ষ্য ৰখা উচিত।

ঃঃঃঃঃ

## ধৰিত্ৰী বৰুৱা

প্ৰাণী বিজ্ঞান বিভাগ

কেভিন কাৰ্টাৰ নামৰ এজন বিখ্যাত ফটোগ্ৰাফাৰে ১৯৯৩ চনত সাগৰৰ পাৰত পৰি থকা এটি মৃত্যুমুখী শিশুৰ ফটোখনৰ বাবে বিশ্ববিখ্যাত হোৱাৰ লগতে পুলিৎজাৰ বঁটা লাভ কৰিছিল। যিখন ফটোত এটা ঈগল চৰায়ে সেই মৃত্যুমুখী শিশুটোক মৃত্যু হ'লেই খোৱাৰ বাবে বাট চাই আছিল। কিন্তু অতি দুখৰ বিষয় যে, কেভিন কাৰ্টাৰে সেই ফটোখন তোলাৰ পাছতেই অনুশোচনাত দগ্ধ হৈ আত্মহত্যা কৰে। লক্ষ্য কৰিবলগীয়া যে এনে এটা সময় আছিল যেতিয়া মানুহে শিলে শিলে ঘঁহি জুইৰ আৱিষ্কাৰ কৰিছিল। এদিনৰ সেই সময় আৰু এতিয়াৰ এই সময় য'ত এখন ফটো ক্লিক কৰাৰ পাছতেই সমগ্ৰ বিশ্বত বিয়পি পৰিছিল, যিটো মাত্ৰ সম্ভৱ হৈছিল গণমাধ্যমৰ বাবে। এই মাধ্যমসমূহৰ বাবেই ফিনলেণ্ডৰ শিক্ষা ব্যৱস্থাটোক পৃথিৱীৰ আটাইতকৈ উচ্চস্তৰৰ শিক্ষা ব্যৱস্থা বুলি গম পাই বৰ্তমান আমেৰিকাই এই ব্যৱস্থাটোৰ নকল কৰিবলৈ চেষ্টা কৰি আছে বুলি এক সমীক্ষা মতে জানিব পৰা গৈছে।

সাম্প্ৰতিক সমাজ ব্যৱস্থা বুলি ক'লে আমাৰ মনলৈ যিখন ছবি আহে, সেই ছবিখন বিশ্লেষণ কৰা টান যদিও তাৰ মাজতো আমি কিছুমান কথা অতি চমুকৈ বিশ্লেষণ কৰিব লাগিব যে সাম্প্ৰতিক সমাজ ব্যৱস্থা অৰ্থাৎ জনগণৰ পৰিকাঠামোটো গণমাধ্যমে এক অপৰিহাৰ্য অংগৰূপে থিয় দি আহিছে। সাম্প্ৰতিক সমাজখনৰ লগত জড়িত গণমাধ্যমে সম্পূৰ্ণ সমাজ ব্যৱস্থাটোক কিমান বা কেনেদৰে আগবঢ়াই লৈ গৈছে, সেই বিষয়ে আলোচনা কৰিব লাগিব। কিন্তু আমি এটা কথা জনা উচিত যে সকলো বস্তুৰে দুটা দিশ থাকে— এটা ভাল আৰু আনটো তাৰ বিপৰীত অৰ্থাৎ এফালে উপকাৰ আৰু অন্যফালে অপকাৰো কৰে। আমি পোনপ্ৰথমে উপকাৰক প্ৰাধান্য দিম, গতিকে এই সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ যিটো ৰাজনৈতিক পৰিৱেশ, সেয়া বিশ্বতে হওক, ভাৰতবৰ্ষতে হওক বা অসমৰ প্ৰেক্ষাপটতে হওক —অত্যন্ত জটিল হৈ পৰিছে। তদুপৰি মানুহৰ যি সামাজিক ঐক্য, সেই ঐক্যৰ এনাজৰী সুদৃঢ় হৈ পৰিছে কেৱল গণমাধ্যমৰ বাবে।

মোৰ বোধেৰে আমি কেৱল ইলেক্ট্ৰনিক চেনেল, প্ৰিণ্ট মিডিয়া, ফেচবুক আৰু টুইটাৰৰ মাজতে গণমাধ্যমক আবদ্ধ কৰিব নোৱাৰোঁ। কাৰণ হিচাপে, ইতিহাসৰ বৰঘৰ খুঁচৰিলে দেখা পাওঁ যে, অতীজৰে পৰা সংবাদসমূহ ৰজা-মহাৰজাসকলে ঢোল বজাই বা দূতৰ সহায় লৈ প্ৰজাসকলৰ মাজত প্ৰচাৰ কৰিছিল। সেই সময়ৰ পৰাই

গণমাধ্যমসমূহ পৰ্যবসিত হৈ আহিছে আৰু বৰ্তমানে উত্তৰণ ঘটি আহি আছে। তাৰ পাছৰে পৰা ক্ৰমান্বয়ে চিঠি, টেলিগ্ৰাম, প্ৰত্যক্ষ বা পৰোক্ষ পাৰ চৰাইৰ পৰা আহি বৰ্তমানৰ আটাইতকৈ সুবিধাবহুল, ক্ষীপ্ৰতৰ মাধ্যমৰূপে পৰিগণিত হোৱা মাধ্যমটোৱেই হৈছে ইণ্টাৰনেট সেৱা— অৰ্থাৎ আধুনিক গণমাধ্যম। য'ত সন্নিৱিষ্ঠ হৈ আছে ছ'চিয়েল মিডিয়া অথবা মাছ মিডিয়া। মাছ মিডিয়া বুলিলে মনলৈ সততে অহা ছবিখন হৈছে— দূৰদৰ্শন বা চমুকৈ টিভি। এই দূৰদৰ্শনসমূহেই মাছ মিডিয়াৰ প্ৰথমটো স্তৰ যিয়ে আমাৰ সমাজ ব্যৱস্থাৰ ওপৰত এক শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছে। দূৰদৰ্শনৰ ক্ষেত্ৰত প্ৰথমেই প্ৰাধান্য দিয়া হয় বাতৰি, তাৰ পাছতেই আহে টি, আৰ, পি. অৰ্থাৎ 'Television Rating Point'। বৰ্তমান সমাজ ব্যৱস্থাত দেখা যায় যে, উৎসৱ-পাৰ্বণৰ পৰা আদি কৰি ৰাজনৈতিক বা অৰ্থনৈতিক অৱস্থাটো দূৰদৰ্শন বা টিভিৰ দ্বাৰা ফুটাই তোলা হয় আৰু জনগণৰ মাজত প্ৰচাৰিত হয়। গতিকে দেখা গৈছে, সামাজিক মাধ্যম এটাৰ ইমানেই বেছি গুৰুত্ব আছে যে যিয়ে পৃথিৱীৰ ইতিহাস সলনিও কৰিছে লগতে সৃষ্টিও কৰিছে আৰু বৰ্তমান এই সংবাদ মাধ্যমে এনেধৰণে আবদ্ধ কৰিছে যে, অষ্ট্ৰেলিয়াৰ অপেনত ৰ'জাৰ ফেডাৰাৰে ট্ৰফীটোক দাঙি ধৰাৰ মুহূৰ্তটো এইখন লখিমপুৰত বহি থকা অৱস্থাতে আমি দেখিবলৈ পাইছোঁ, একেলগে অষ্ট্ৰেলিয়াত ভাৰতবৰ্ষৰ বিৰাট কোহলিয়ে ট্ৰফীটো গ্ৰহণ কৰাৰ মুহূৰ্তত আমি ইয়াতেই আহ্লাদিত হৈ পৰিছোঁ। আকৌ সমগ্ৰ বিশ্বৰ 'Miss World-2017' খিতাপটি সুদূৰ চীনত গ্ৰহণ কৰা মানুছী ছিল্লাৰ সেই আৱেগবিহ্বল মধুৰ সময়খিনি একেলগে উদ্‌যাপন কৰাৰ সুবিধা আমিও গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছোঁ। পৃথিৱীৰ সিমূৰত সৃষ্টি হোৱা এটা স্পেনিছ গান এৰাতিৰ ভিতৰতে সমগ্ৰ বিশ্বত বিয়পি পৰিছে মাত্ৰ সংবাদ মাধ্যমৰ বাবে অৰ্থাৎ য'তেই আৱেগ—ত'তেই সংবাদ মাধ্যম বা ইলেক্ট্ৰনিক মিডিয়া। ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত সংবাদ মাধ্যমসমূহ চতুৰ্থ স্তম্ভৰূপে পৰিগণিত হৈছে আৰু সঁচা অৰ্থত চতুৰ্থ স্তম্ভৰূপে নিজৰ স্থিতিলৈ আহিছে, লগতে বিশ্বৰ বা-বাতৰিসমূহ জনসাধাৰণৰ আগত দাঙি ধৰাৰ ফলত আমাৰ সমাজৰ লোকসকলৰ মাজত চিন্তাশক্তিৰ উৎকৰ্ষ সাধন কৰিছে, তাৰ ফলস্বৰূপে সমাজখনৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি পাইছে, ঠিক তাৰ লগে লগে সমাজৰ যি আওপুৰণি দৃষ্টিভংগী, যেনে—বাল্যবিবাহ, ডাইনী হত্যা আদিৰ দৰে ভয়ংকৰ অন্ধবিশ্বাসৰ পতন ঘটা পৰিলক্ষিত হয়। কিন্তু তাৰ মাজতে কেতিয়াবা দেখা যায় যে, কিছুমান ভুৱা বাতৰি অথবা কিছুমান সৰু সৰু বাতৰিকে ৰহন লগাই টি, আৰ, পি অথবা চেনেলৰ চাহিদাৰ বাবে নাইবা কোনো হাতদীঘল নেতাৰ কূটিল ষড়যন্ত্ৰ তথা মালিকানাধীন চৰ্তৰ পৰিপ্ৰেক্ষিতত কিছু সৰু সৰু বাতৰি সমাজৰ মাজত এনেভাৱে এৰি দিয়া হয় যাৰ বাবে সমাজত উপকাৰৰ সলনি অপকাৰ হোৱাহে দেখা যায়।

গণমাধ্যমৰ ভূমিকাৰ কথা যিহেতু উল্লেখ কৰা হৈছে, গতিকে পোনপ্ৰথমে উপকাৰৰ কথাই মনলৈ আহিব। কিন্তু সাংস্কৃতিক ক্ষেত্ৰখনত গণমাধ্যমৰ ভূমিকাৰ ক্ষেত্ৰত কিছু দ্বি-মত নথকা নহয়। বিশ্বৰ পৰা ফালৰি কাটি আহিলে আমি দেখিম যে, সংস্কৃতিপ্ৰিয় অসমবাসীৰ মাজত এক বিৰূপ প্ৰভাৱ বিস্তাৰিত কৰিছে। কাৰণ টি, আৰ, পি তথা চেনেলৰ জনপ্ৰিয়তাৰ বাবে বাপতিসাহোন বিহুটো আমাৰ দুই-তিনিমাহ আগৰে পৰাই 'চেনেল বিহু' হিচাপে অথবা 'প্ৰাক্ বিহু' হিচাপে উপস্থাপন কৰি আহিছে। উল্লেখযোগ্য যে, 'প্ৰাক্ বিহু', য'ত 'প্ৰাক্' বুলি বিহুত কোনো ধৰণৰ ঐতিহাসিক সমল বা তথ্য পোৱা নাযায়। 'প্ৰাক্-প্ৰাথমিক' বা 'প্ৰাক্ চূড়ান্ত' প্ৰতিযোগিতা থাকিব পাৰে কিন্তু অসমৰ ঐতিহ্যমণ্ডিত বিহুটোৰ কোনো 'প্ৰাক্ বা প্ৰাৰম্ভিক' বুলি ভাগ নাথাকে। বিহু কেৱল বিহুয়েই। এইক্ষেত্ৰত চেনেলসমূহৰ কিছুমান সস্তীয়া জনপ্ৰিয়তা বৃদ্ধি পাবৰ বাবে কৰা কাৰুকাৰ্যই সাংস্কৃতিক মজিয়াখনক বিকৃত কৰি পেলোৱা পৰিলক্ষিত হৈছে আৰু তাৰ লগে লগে সমাজৰ সস্তীয়া জনপ্ৰিয়তা ভালপোৱা লোকৰো সংখ্যা বৃদ্ধি পাইছে আৰু তাৰ সৈতে তেওঁলোক ওতপ্ৰোতভাৱে নহ'লেও কম-বেছি পৰিমাণে জড়িত হৈ পৰিছে।

উল্লেখযোগ্য যে, বৰ্তমান সময়ৰ আটাইতকৈ জনপ্ৰিয় গণসংবাদ মাধ্যমেই হৈছে ছ'চিয়েল মিডিয়া অৰ্থাৎ ফেচবুক, টুইটাৰ আদি। ফেচবুক বা টুইটাৰে বিশেষকৈ বিশেষ বিশেষ ব্যক্তিৰ আলোচনা বা বিভিন্ন তৰ্কসমূহে ৰাজনৈতিক প্ৰেক্ষাপটৰ ৰূপযুক্ত ছবিখন দাঙি ধৰে। সমাজৰ উচ্চস্তৰৰ যিখিনি অংগ অৰ্থাৎ সাহিত্যিকসকল, বুদ্ধিজীৱীসকল, তদুপৰি বিশেষ ব্যক্তিসকলৰ লগত কৰা আলোচনা, যেনে— নিতুমণি শইকীয়াৰ অভিমত, কথা-বাৰ্তা অনুষ্ঠান, হোমেন বৰগোহাঞিৰ সৈতে হোৱা সাক্ষাৎকাৰসমূহৰ দ্বাৰা তেওঁলোকৰ কৰ্মজীৱন বা তেওঁলোকে কেনেদৰে সফল হৈছিল সেই বিষয়ে আমি জানিব পাৰোঁ, লগতে সামাজিক তথা বৌদ্ধিক কাম-কাজ বা সাহিত্যকৰ্ম কৰাৰ ক্ষেত্ৰত তেখেতসকলৰ পৰা উদ্যম লাভ কৰিব পাৰোঁ।

সমগ্ৰ বিশ্বখনক এখন জালৰ মাজত বন্দী কৰি সমাজৰ বাৰ্তা বজাই ৰখাত সহায় কৰিছে ছ'চিয়েল মিডিয়াই কিন্তু এই ছ'চিয়েল মিডিয়াৰ বাবেই কিছুমান অপকৰ্ম ঘটিবলৈ ধৰিছে। গণমাধ্যম আৰু সমাজ ব্যৱস্থাৰ মাজতে এটা কথা মনলৈ আহিছে যে, আমি সচৰাচৰ দেখি থকা এজনী হাঁহে যেতিয়া লেতেৰা পানী বা পথাৰত চৰি থাকে, সেই অৱস্থাত সকলোখিনি খাদ্য পেটলৈ নিদি তাৰে অলাগতিয়াল বা অখাদ্যখিনি উলিয়াই উপযুক্তখিনিহে গ্ৰহণ কৰে। গতিকে গণমাধ্যমে সমাজক উন্নতিৰ পথত যিমানে আগুৱাই নিছে, তাৰ সমান্তৰালভাৱে অপকৰ্মও সংঘটিত নকৰা নহয়। কিন্তু জীৱশ্ৰেষ্ঠ মানুহ হিচাপে উল্লেখিত হাঁহটোৰ দৰে বেয়াখিনি আঁতৰাই ভালখিনি ল'লে সমাজৰ উন্নতি হোৱাটো নিশ্চিত আৰু অদূৰ ভৱিষ্যতে আমাৰ গণমাধ্যমসমূহে সমাজখনক আৰু এখোজ আগুৱাই নিব বুলি আমি আশাবাদী।

ঃঃঃঃঃ

## কৌমুদী দেৱী

উদ্ভিদ বিজ্ঞান বিভাগ

'The mass media, their influence is everywhere. They tell us what to do, what to think, and they tell us to think about ourselves all of the time.' -Tricia Hanis.

গণমাধ্যম হৈছে এক বিশাল ভূ-খণ্ডত সিঁচৰতি হৈ থকা জনসমষ্টিৰ লগত সংযোগ স্থাপন কৰিবলৈ বা বিশেষ কোনো তথ্য প্ৰচাৰ কৰিবলৈ ব্যৱহৃত মাধ্যম। প্ৰধানতঃ গণমাধ্যমসমূহক ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যম —এই দুটা ভাগত ভাগ কৰা হয়। সামগ্ৰিক দৃষ্টিৰে চালে সাধাৰণতে গণমাধ্যমৰ কেইবা ধৰণৰো কৰ্তব্য দেখা যায়। তাৰ ভিতৰত তথ্য সৰবৰাহ কৰা, জনসমাজক শিক্ষিত কৰা, মনোৰঞ্জন দিয়া, দেশৰ আৰ্থ-সামাজিক উন্নয়নত সহায় কৰা, জনমত গঠন কৰা আদিয়েই হৈছে গণমাধ্যমৰ প্ৰধান দায়িত্ব। বৰ্তমান সময়ত প্ৰচলিত গণমাধ্যমসমূহে এই দায়িত্বসমূহ পালন কৰাত কম-বেছি পৰিমাণে সফল হোৱা পৰিলক্ষিত হৈছে।

বাতৰি কাকত, আলোচনী, চিনেমা, অনাতাঁৰ, টেলিভিছন, ইণ্টাৰনেটৰ বিভিন্ন সেৱা আদিসমূহেই হৈছে সমাজত বহুলভাৱে প্ৰচলিত গণমাধ্যম। জোনাকী যুগতে আৰম্ভ হোৱা মানুহৰ মাজত যোগাযোগ স্থাপনৰ আহিলা বাতৰি কাকত বৰ্তমানেও নিত্য নতুন ৰূপত আমাৰ সমাজত জনপ্ৰিয় তথা প্ৰয়োজনীয় হৈ আছে। বাতৰি কাকতখনক বৰ্তমান কেৱল বা-বাতৰিৰ সমল হিচাপেই সীমাবদ্ধ কৰি নাৰাখি, বিভিন্ন তথ্য নিয়োগ, বাণিজ্য, সাহিত্য, সংস্কৃতি আদি সকলোবোৰকে সন্নিৱিষ্ট কৰি নতুন ৰূপেৰে সজাই আধুনিকীকৰণ কৰা হৈছে। তাৰ লগে লগে বৰ্তমান গণমাধ্যমৰ আধুনিক ব্যৱস্থাসমূহে হয়তো তাক কিছু ম্লান কৰিলেও অপ্ৰাসংগিক কৰিব পৰা নাই। বৰ্তমান তথ্য-প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে বাতৰি কাকত, আলোচনী, চিনেমা, টিভি আদি সকলোতেই কম-বেছি পৰিমাণে আধুনিকতাৰ পৰশ পোৱা গৈছে। যাৰ ফলত মৌলিক দায়িত্বসমূহ পালনৰ লগতে গণমাধ্যমে আন বহুতো দিশতে বিভিন্ন ধৰণেৰে সহায় কৰি সাম্প্ৰতিক সমাজ ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

এখন সুস্থ সমাজ গঠন তথা ইয়াৰ সামগ্ৰিক উত্তৰণত গণমাধ্যমৰ গুৰুত্ব অনস্বীকাৰ্য। গণমাধ্যমসমূহৰ ধনাত্মক তথা সঠিক প্ৰয়োগে সামাজিক ভাৰসাম্য বজাই ৰখাত সহায় কৰে। আধুনিক গণমাধ্যমৰ ভিতৰত ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম আদিৰ ব্যৱহাৰে বৰ্তমানৰ তথ্য-প্ৰযুক্তিৰ বিস্ফোৰণৰ যুগত আমাক মুহূৰ্তে মুহূৰ্তে ন ন তথ্যৰ যোগান ধৰি মনৰ দিগন্ত প্ৰসাৰিত কৰাৰ লগতে যুগৰ সৈতে খোজ দিয়াত সহায় কৰিছে। বাতৰি কাকত, দূৰদৰ্শন, ইণ্টাৰনেটৰ সফল প্ৰয়োগৰ দ্বাৰা বৰ্তমানৰ বিশ্বায়নৰ যুগত আমি নিজকে খাপ খুৱাই ল'ব পাৰিছোঁ।

গণমাধ্যমে সমাজ আৰু বিশ্বজুৰি সংঘটিত বিভিন্ন ঘটনা, আৱিষ্কাৰ, প্ৰসাৰ আৰু উন্নয়নৰ তথ্য যোগান ধৰে। কম্পিউটাৰ, ইণ্টাৰনেট আৰু ম'বাইলে তথ্যৰ সঞ্চালন, তথ্যৰ সঞ্চয় আৰু আদান-প্ৰদানক সহজেই সম্ভৱ কৰি তুলিছে। যাৰ ফলত বৰ্তমান সমাজক ন ন তথ্যৰে গণমাধ্যমে চহকী কৰি তুলিছে। অনসন্ধানমূলক প্ৰতিবেদন,

ব্যাখ্যামূলক প্ৰতিবেদন, সম্পাদকীয় মতামত, প্ৰবন্ধ, নিবন্ধ আদিৰ জৰিয়তে বিভিন্ন বিষয়ৰ আলোকপাতেৰে সমাজত জনশিক্ষাৰ প্ৰসাৰ ঘটোৱাতো গণমাধ্যমৰ ভূমিকা উল্লেখনীয়। বিশ্লেষণ, মতামত, ব্যাখ্যা, আলোচনা আদি সাম্প্ৰতিক সমাজত ঘটি থকা আৰ্থ-সামাজিক অথবা ৰাজনৈতিক জটিলতাসমূহ সকলোৱে বুজিবলৈ আৰু অনুভৱ কৰিবলৈ মানুহৰ মাজত সজাগতা, সচেতনতা আনি দিয়ে।

মুঠতে সাম্প্ৰতিক সমাজ ব্যৱস্থাত বিজ্ঞান, প্ৰযুক্তি, পৰিৱেশ সচেতনতা, অৰ্থনৈতিক পৰিস্থিতিৰ গুৰুত্ব বুজিবলৈ অথবা ৰাজনৈতিক অৱস্থাৰ তাৎপৰ্য বুজিবলৈ মানুহে বহু পৰিমাণে গণমাধ্যমৰ ওপৰতে নিৰ্ভৰ কৰে। সেয়া লাগিলে গণমাধ্যমৰ মনোৰঞ্জনধৰ্মী সেৱাসমূহৰ যোগেদিয়েই হওক বা আন আন বিশেষ সেৱাসমূহৰ যোগেদিয়েই হওক। সুস্থ চিন্তাৰে সবল মানসিকতা আৰু যোগাত্মক ভাবধাৰাৰে নিৰ্মিত এখন চিনেমা তথা চুটি ছবিয়েও সমাজ ব্যৱস্থাত আলোড়নৰ সৃষ্টি কৰিব পাৰে। সম্প্ৰতি সমগ্ৰ দেশতে অথবা থোৰতে চাবলৈ গ'লে অসমখনৰ এই অস্থিৰাৱস্থাৰ সময়ত জাতি, মাটি, ভেটিৰ অস্তিত্ব বিপন্ন হোৱাৰ সময়ত আধুনিক গণমাধ্যমে সাম্প্ৰতিক সমাজত এক সবল স্থিতি লোৱাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। কিয়নো সময়ে সময়ে উদ্ভৱ হোৱা বিভিন্ন সামাজিক গণমাধ্যমৰ বিভিন্ন সেৱাসমসূহ যেনে— ফেচবুক, টুইটাৰ আদিৰ দ্বাৰাই জনমত গঠন কৰিব পৰা যায়। বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ লগতে সকলো লোকৰে মাজত এই আধুনিক গণমাধ্যমসমূহ এনেদৰে জনপ্ৰিয় হৈ পৰিছে যে সাম্প্ৰতিক সময়ত চলি থকা বিষয়সমূহৰ ওপৰত নিজৰ মতামত দাঙি ধৰিবলৈ এই আধুনিক গণমাধ্যমসমূহ এক সহজে উপলব্ধ মঞ্চ হৈ পৰিছে। যাৰ ফলত সেই বিশেষ বিষয়টিৰ ওপৰত জনসাধাৰণৰ ভিন্ন ভাবধাৰাৰ উমান পোৱাৰ লগতে নজনাসকলেও তথ্য সংগ্ৰহ কৰিব পাৰিছে। এইসমূহৰ পৰা এক সম্ভাব্য জনমত গঠন কৰিব পৰা যায়, যাৰ দ্বাৰা সমস্যা সমাধানৰ এক বাট বিচাৰি পাব পাৰি। বৰ্তমান সময়ত বৈদ্যুতিন মাধ্যমৰ গণমাধ্যমে জনমত গঠন কৰাত বিশেষভাৱে সফল হৈছে। সাম্প্ৰতিক সমাজ ব্যৱস্থাত ই-মাধ্যমৰ দ্বাৰা গঠন হোৱা জনমতৰ সহায়ত চৰকাৰৰ উত্থান-পতন হোৱাও ঠাইবিশেষে পৰিলক্ষিত হৈছে।

সাম্প্ৰতিক সমাজৰ লগতে আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰতো গণমাধ্যমৰ বিশেষ ভূমিকা আছে। দেশৰ উন্নয়নৰ ধাৰা যাতে অব্যাহত থাকে আৰু সাধাৰণ মানুহৰ মাজত উন্নয়ন সম্পৰ্কে সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বাতৰি কাকত, টেলিভিছন, ইণ্টাৰনেট আদিয়ে বিভিন্ন বিষয়ত বিস্তৃত আলোচনীৰ অৱতাৰণা কৰা উচিত।

সাম্প্ৰতিক সমাজৰ সামগ্ৰিক উত্তৰণৰ বাবে আধুনিক গণমাধ্যমে যথেষ্ট পৰিমাণে গুৰুত্বপূৰ্ণ, সবল তথা যোগাত্মক ভূমিকা পালন কৰিলেও এইবোৰৰ ঋণাত্মক দিশো নথকা নহয়। সকলো সৃষ্টিৰে সু আৰু কু-প্ৰভাৱ থকাৰ দৰেই আধুনিক গণমাধ্যমৰ অপব্যৱহাৰ আৰু অপপ্ৰচাৰেও সাম্প্ৰতিক সমাজ ব্যৱস্থাত কু-প্ৰভাৱ পেলোৱাৰ যথেষ্ট সম্ভাৱনা আছে। ম'বাইল, টিভি, ফেচবুক, ইনষ্টাগ্ৰাম আদি আধুনিক গণমাধ্যমসমূহ সময় অপচয়ৰ অন্যতম আহিলা হিচাপে ইতিমধ্যে পৰিগণিত হৈছে। ইণ্টাৰনেটৰ সেৱাসমূহে সমগ্ৰ বিশ্বক আমাৰ ওচৰ চপাই আনিছে যদিও কাষতে থকাসকলৰ মাজত মৰম-চেনেহ, আত্মীয়তা, আকুলতা অথবা আন্তৰিকতাত কৃত্ৰিমতা-জটিলতা আহি পৰিছে। সময়ৰ অপচয়ৰ লগতে ইও বৰ্তমান সমাজ ব্যৱস্থাত সকলোৰে বাবেই হানিকাৰক। অসমৰ লগতে সমগ্ৰ দেশবাসী গণমাধ্যমৰ অপব্যৱহাৰৰ ফলত সংঘটিত হোৱা বহু ঘটনাৰ সাক্ষী ইতিমধ্যে হ'ব লগা হৈছেই। ব্যৱহাৰকাৰীয়ে নিজৰ বিচাৰ-বিবেচনাৰে শুদ্ধ-অশুদ্ধ বিচাৰ নকৰি গণমাধ্যমসমূহৰ দ্বাৰা উৰাবাতৰি অথবা অপপ্ৰচাৰ বিয়পাই সমাজক বিপথে পৰিচালিত কৰাও পৰিলক্ষিত হয়। যদিহে আজিৰ সমাজে আধুনিক গণমাধ্যমসমূহ সঠিকভাৱে ব্যৱহাৰ কৰিব নাজানে বা নিশিকে, তেতিয়াহ'লে সাম্প্ৰতিক সমাজত আধুনিক গণমাধ্যমসমূহৰ বেছিভাগ ঋণাত্মক ভূমিকাহে চকুত পৰিব। সঠিক ব্যৱহাৰ নাজানিলে বা নিশিকিলে অসমৰ বিভিন্ন ঠাইত সংঘটিত হোৱা ডাইনী হত্যাৰ দৰে অমানুষিক কাম-কাজৰ লগতে কাৰ্বি আংলঙত অভি-নীলৰ হত্যাকাণ্ডৰ দৰে বৰ্বৰ আৰু বিভীষিকাময় ঘটনাৰ যে পুনৰাবৃত্তি হ'ব, সেয়া নিশ্চিত। আধুনিক গণমাধ্যমে যিদৰে এখন সমাজ সুন্দৰকৈ গঢ়িব পাৰে, তাৰ অপব্যৱহাৰে তাতকৈও গুৰুতৰভাৱে এখন সমাজ ভাঙিব পাৰে। সমাজ ব্যৱস্থাটি ভঙা বা গঢ়াৰ চাবিকাঠী নিৰূপণ হ'ব তাৰ ব্যৱহাৰৰ ওপৰত। আমি আশা কৰোঁ, এইসমূহ ক'লা দিন সদায় অতীত হৈয়ে থাকক, বৰ্তমান সমাজত তাৰ পুনৰাবৃত্তি কেতিয়াও নঘটক। বৰ্তমানৰ অস্থিৰ সময় শাম কাটক, অসমীয়া গৌৰৱেৰে জীয়াই থাকক। বৰ্তমান সময়ত আধুনিক গণমাধ্যমসমূহৰ মাজেৰেই জনসমাজত যি শক্তিশালী আলোড়নৰ সৃষ্টি হৈছে সেয়া শলাগ ল'বলগীয়া। আধুনিক গণমাধ্যমসমূহৰ ব্যৱহাৰ, সু-প্ৰভাৱ, কু-প্ৰভাৱ আদিবোৰ সমাজৰ

প্ৰত্যেকজন ব্যক্তিয়েই অনুধাৱন কৰা উচিত। তেতিয়াহে সাম্প্ৰতিক সমাজ ব্যৱস্থাটো সুস্থ, সবল আৰু সুন্দৰকৈ গঢ়ি তোলাত আধুনিক গণমাধ্যমৰ বিচক্ষণ ভূমিকা ফলপ্ৰসূ হ'ব। অন্যথা আধুনিক গণমাধ্যমসমূহ সাম্প্ৰতিক সমাজৰ বাবে আশীৰ্বাদৰ পৰিৱৰ্তে অভিশাপস্বৰূপেহে থিয় হ'ব।

বাতৰি কাকত, টিভি, ইণ্টাৰনেট, ফেচবুক, টুইটাৰ আদি আমাৰ বাবে অপৰিহাৰ্য মাধ্যম। অদূৰ ভৱিষ্যতে হয়তো আৰু বহু ন ন গণমাধ্যম আৱিষ্কাৰ হ'ব। এই সকলোবোৰ গণমাধ্যমৰ ধনাত্মক দিশক আদৰি ঋণাত্মক দিশক নেওচি আধুনিকতাৰ খোজত খোজ মিলাই সৃষ্টি হওক এক সুন্দৰ, বিজ্ঞানমনষ্কতাৰে ভৰা সমাজ— এয়ে আমাৰ আজিৰ প্ৰজন্মৰ কাম্য।

ঃঃঃঃঃ

## ময়ূৰী তামুলী

অসমীয়া বিভাগ

মানুহ সামাজিক প্ৰাণী। সমাজ বাদ দি কোনো মানুহেই জীয়াই থাকিব নোৱাৰে। সমাজৰ বন্ধনৰ পৰা মুক্ত হৈ মুক্ত আকাশৰ তলত, মুক্ত পৰিৱেশত, মুক্ত জীৱন যাপন কৰি মানুহে সুখ ভোগ কৰা অসম্ভৱ। সেয়েহে মানুহে সমাজ পাতি বসবাস কৰে আৰু এজনে আন এজনৰ লগত মনৰ ভাব প্ৰকাশৰ দ্বাৰা যোগাযোগ গঢ়ি তোলে। যোগাযোগ হৈছে ব্যক্তিক সামাজিক স্তৰত উপনীত কৰোৱা, ব্যক্তিগত চিন্তা-চেতনাক সামাজিক স্তৰলৈ উত্তৰণ ঘটোৱা আৰু পৰস্পৰৰ মাজত সম্বন্ধ গঢ় লৈ উঠাৰ মূল কাৰণৰূপে চিহ্নিত কৰিব পৰা এটি বিষয়। পৃথিৱীত মানুহ সৃষ্টিৰ পৰা বৰ্তমানলৈ মানুহৰ বৌদ্ধিক উত্তৰণৰ লগত ইয়াৰ সম্পৰ্ক অধিক।

সাধাৰণতে যোগাযোগৰ বাবে যি মাধ্যমৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰা হয় সেয়ে গণমাধ্যম। গণমাধ্যমেই বিশ্বৰ যিকোনো স্থানৰ প্ৰগতি বা সংঘাতমূলক আঁচনি বা কাৰ্যব্যৱস্থা বিষয়ক বাৰ্তা প্ৰচাৰ কৰি প্ৰায় একে সময়তে বিশ্বৰ সকলো স্থানৰ মানুহক অৱগত কৰায়। গতিকে গণমাধ্যম হ'ল জনসাধাৰণৰ মাজত সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত এক উপযুক্ত মাধ্যম যাৰ জৰিয়তে এজন ব্যক্তি বা এখন সমাজৰ ভাব-আদৰ্শ তথা দৃষ্টিভংগী আন এজন ব্যক্তি বা আন এখন সমাজলৈ প্ৰেৰণ কৰিব পাৰে। প্ৰাচীন যোগাযোগ ব্যৱস্থাতকৈ বৰ্তমান সময়ত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে যোগাযোগৰ মাধ্যমসমূহতো যথেষ্ট উন্নয়ন সাধন কৰিছে। জাৰ্মানীৰ জন গুটেনবাৰ্গৰ আধুনিক ছপাযন্ত্ৰৰ আৱিষ্কাৰে বিশ্বত খলকনিৰ সৃষ্টি কৰে। ইটালীৰ মাৰ্কনিৰ ৰেডিঅ' (১৮৯৫), আমেৰিকাৰ এডিচনৰ গ্ৰাম'ফোন (১৮৯৩), ইংলেণ্ডৰ গ্ৰাহামবেলৰ টেলিফোন (১৮৭৫), ইংলেণ্ডৰ বেয়াৰ্ডৰ টেলিভিছন (১৯২৫) আদি বিজ্ঞানীসকলৰ নতুন উদ্ভাৱনে যোগাযোগ মাধ্যমটোক শক্তিশালী কৰি তোলে। এই মাধ্যমসমূহে বিশেষকৈ ৰেডিঅ', টেলিভিছন, ইণ্টাৰনেট আদিৰ যোগেদি মানুহে বিশ্বৰ বিভিন্ন স্থানৰ বিভিন্ন সংবাদ অতি খৰতকীয়াকৈ পাব পৰা হ'ল। নিজৰ মতামত, আদৰ্শ আদিৰ বিনিময় কৰিব পৰা হ'ল, সহজতে যিকোনো তথ্য উপলব্ধ হোৱাৰ লগতে নিজৰ জীৱন আৰু সমাজক তুলনামূলক দৃষ্টিৰে বিচাৰ কৰিবলৈ সুবিধা হ'ল, ফলস্বৰূপে উন্নয়নৰ কাৰণে সুকীয়া পটভূমি গঢ় লৈ উঠিল। গণমাধ্যমসমূহে বৰ্তমান পৃথিৱীখনক এখন সৰু গাঁৱলৈ ৰূপান্তৰ কৰিছে, য'ত ক্ষন্তেকতে মানুহে পৃথিৱীৰ এমূৰৰ খবৰ আনমূৰত পাব পৰাৰ ব্যৱস্থা হ'ল। প্ৰাচীনকালত মানুহে যোগাযোগৰ মাধ্যমৰূপে পত্ৰ প্ৰেৰণ, কিছুমান খবৰ সংগ্ৰহকাৰী লোক যেনে— দূত, ভাট, ঘোষক আদিৰ নিযুক্তি দিছিল। বৰ্তমান প্ৰাচীনকালৰ সেই প্ৰথাৰ উন্নতি ঘটিছে। আধুনিক গণমাধ্যমসমূহক তলত দিয়াধৰণে শ্ৰেণী বিভাজন কৰি দেখুওৱা হ'ল—

(১) ছপা মাধ্যম— বাতৰি কাকত, আলোচনী, পত্ৰিকা, কিতাপ

(২) ইলেক্ট্ৰনিক মাধ্যম— দূৰদৰ্শন, ৰেডিঅ', কথাছবি

(৩) অত্যাধুনিক মাধ্যম—ইণ্টাৰনেট, কম্পিউটাৰ ইত্যাদি।

এইসমূহৰ ভিতৰত ছপা মাধ্যমসমূহে পঞ্চদশ শতিকাৰ পৰা বৰ্তমানপৰ্যন্ত জনপ্ৰিয়তা লাভ কৰিছে। ছপাযন্ত্ৰ

সৃষ্টিৰ আগতে যোগাযোগৰ ক্ষেত্ৰত লিখিত মাধ্যম যেনে—তাম্ৰফলি, গছৰ ছাল, সাঁচিপতীয়া পুথিসমূহৰ নিদৰ্শন পোৱা যায়। সমগ্ৰ বিশ্বতে বাতৰি কাকতে গুৰুত্ব পাই আহিছে। সমসাময়িক সমাজৰ দাপোণস্বৰূপ বাতৰি কাকতে চৰকাৰী-বেচৰকাৰী, ৰাজনৈতিক, শিক্ষা, ক্ৰীড়া, সাংস্কৃতিক, ব্যৱসায়, সমাজ আদি দিশত সমাজ সচেতনতাৰ সৃষ্টি কৰিছে। সেইদৰে আলোচনীবোৰত প্ৰকাশ পায় সমসাময়িক বিভিন্ন গল্প, প্ৰবন্ধ, লেখা, ছবি ইত্যাদি। বিভিন্ন দিশত আলোচনী প্ৰকাশিত হয় যেনে— ক্ৰীড়া বিষয়ক আলোচনী, বিজ্ঞান বিষয়ক আলোচনী, স্বাস্থ্য বিষয়ক আৰু শিশু আলোচনী ইত্যাদি আলোচনীসমূহে বিভিন্ন দিশত ল'বলগা সাৱধানতা, স্বাস্থ্য ৰক্ষাৰ উপায়, ক্ৰীড়া সম্পৰ্কীয় খবৰ জ্ঞান হিচাপে জনসাধাৰণৰ মাজলৈ ঠেলি দিয়ে। শিশু আলোচনীত শিশু উপযোগী সাধুকথা, কাহিনী, সৃষ্টি প্ৰতিভামূলক কবিতা, ছবি, ছবিৰ কাহিনী প্ৰকাশ কৰি শিশুৰ মানসিক আনন্দৰ মাজেদি নৈতিক চৰিত্ৰ গঠনৰ সহায়ক হৈছে। আলোচনীবোৰ কোনো নিৰ্দিষ্ট বিষয়ক নহে বিভিন্ন বিষয় প্ৰকাশকো হ'ব পাৰে। উদাহৰণস্বৰূপে— 'বিস্ময়', 'মায়া' আদি আলোচনী বিষয়কেন্দ্ৰিক নহয়, কিন্তু 'গৰীয়সী', 'স্বাস্থ্য' আদি আলোচনীত কেৱল এক নিৰ্দিষ্ট বিষয়ৰ ওপৰতে গুৰুত্ব দিয়া হয়। ঠিক তেনেকৈ পত্ৰিকাবোৰ নিৰ্দিষ্ট বিষয়ৰ ওপৰত প্ৰকাশিত হয় আৰু এক নিৰ্দিষ্ট সচেতন শ্ৰেণীক লক্ষ্য কৰি সৃষ্টি হয়। ছপা মাধ্যমসমূহৰ ভিতৰত গ্ৰন্থ অন্যতম। যি এজন লেখকৰ আদৰ্শ, দৃষ্টিভংগী, ধ্যান-ধাৰণা, জীৱন-দৰ্শন বৰ্ণনা বা কাহিনীৰ যোগেদি পাঠকৰ ওচৰলৈ ঠেলি দিয়ে। কোনো গ্ৰন্থই পোনপটীয়াভাৱে তথ্য প্ৰেৰণ কৰে আৰু আন কিছুমান গ্ৰন্থই কাল্পনিক কাহিনীৰ মাজেদিহে তথ্য প্ৰেৰণ কৰে। দৰ্শন, ইতিহাস, বিজ্ঞান, সাহিত্য, গণিত, অৰ্থনীতি, ৰাজনীতি, সমাজতত্ত্ব আদি নিৰ্দিষ্ট বিষয় অনুসৰি বাৰ্তা প্ৰেৰণ কৰিব পাৰে।

বৰ্তমান যুগত ইলেক্ট্ৰনিক মাধ্যমসমূহেই হ'ল যোগাযোগৰ সবল তথা বলিষ্ঠ মাধ্যম। ইলেক্ট্ৰনিক মাধ্যমক প্ৰধানতঃ দুটা ভাগত ভাগ কৰিব পাৰি— (ক) শ্ৰব্য আৰু (খ) দৃশ্য-শ্ৰব্য। ইয়াৰে প্ৰথম ভাগত ৰেডিঅ' আৰু দ্বিতীয় ভাগত টেলিভিছন অন্তৰ্ভুক্ত। শ্ৰব্য গণমাধ্যম হ'ল যিবোৰৰ জৰিয়তে গ্ৰাহকে দূৰৰ বাৰ্তা লাভ কৰে। অৰ্থাৎ শ্ৰব্য শব্দৰ অৰ্থ হৈছে— শুনা। ৰেডিঅ' হ'ল এক অনাতাঁৰ যন্ত্ৰ। ই কোনো ঘটনা, কাৰ্যৰ তথ্য কোনো এক নিৰ্দিষ্ট স্থানৰ পৰা প্ৰচাৰ কৰি বহুজন শ্ৰোতাক একেলগে শুনাৰ সুবিধা কৰি দিয়ে। বৰ্তমান সময়ত ৰেডিঅ'ৰ ব্যৱহাৰ ক্ৰমে কমি যাবলৈ ধৰিছে। অত্যধিক জনপ্ৰিয়তা লাভ কৰা আন আন শক্তিশালী গণমাধ্যম হ'ল টেলিভিছন। ইয়াৰ মূল কাৰণ হ'ল— ই শব্দ আৰু দৃশ্য দুয়োটা দিশৰ লগত জড়িত হৈ থকাৰ বাবে দৰ্শকৰ যিকোনো বিষয় সহজে বোধগম্য হৈ উঠে আৰু সহজে দৰ্শকক আকৰ্ষণ কৰে। শিক্ষিত, অশিক্ষিত, গাঁৱলীয়া, নগৰীয়া সকলো মানুহৰ যোগাযোগৰ উপযুক্ত মাধ্যমৰূপে দূৰদৰ্শনে শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। টেলিভিছনৰ দৰে আন এবিধ জনপ্ৰিয় মাধ্যম হ'ল চিনেমা। কাহিনীৰ মাধ্যমেৰে চিনেমাই মানুহক সচেতন কৰে, তথ্যৰ যোগান ধৰে আৰু আনন্দ প্ৰদান কৰে। সাম্প্ৰতিক সময়ত ভাৰতীয় আৰু অসমীয়া চিনেমাই বিশ্বৰ প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। আধুনিক যুগত গণমাধ্যমসমসূহক তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে— ছপা মাধ্যম, ইলেক্ট্ৰনিক মাধ্যম আৰু নতুন মাধ্যমৰূপে। আধুনিক যুগত নতুন মাধ্যমৰূপে চিনাক্ত কৰা বিষয়বোৰ হৈছে— ইণ্টাৰনেট, কম্পিউটাৰ, ম'বাইল ইত্যাদি।

ইণ্টাৰনেট হ'ল পৃথিৱীৰ বিভিন্ন ঠাইত থকা কম্পিউটাৰৰ এটা নেটৱৰ্কৰ ব্যৱস্থা। এই ব্যৱস্থাৰ জৰিয়তে এটা কম্পিউটাৰৰ পৰা আন এটা কম্পিউটাৰলৈ শ্ৰব্য, দৃশ্য আৰু বিভিন্ন মাধ্যমেৰে তথ্যৰ আদান-প্ৰদান হয়। ইণ্টাৰনেটৰ জৰিয়তে বিশ্বৰ যিকোনো তথ্য এখন ঠাইৰ মানুহে ঘৰতে উপলব্ধি কৰিব পাৰে। ই মেইল, ফৰ্ম ফিল-আপ, টুইটাৰ আদি ব্যৱস্থাসমূহ ইণ্টাৰনেটৰ জৰিয়তেই সম্ভৱ হৈছে। আধুনিক যুগত ইণ্টাৰনেট সেৱাৰ জৰিয়তে সমগ্ৰ বিশ্বখনেই সংকুচিত হৈ পৰিছে। ইয়াৰ এক প্ৰধান অসুবিধা হ'ল— কম্পিউটাৰৰ শিক্ষা নথকা মানুহে ইণ্টাৰনেট সেৱাৰ সুবিধা ল'ব নোৱাৰে। ইণ্টাৰনেট হৈছে ভৱিষ্যৎ গঢ়াৰ প্ৰযুক্তি। যি কম খৰচত, কম সময়ত বিশাল তথ্য প্ৰেৰণ বা সংগ্ৰহ কৰাত বিশেষভাৱে সহায় কৰি আহিছে।

সাম্প্ৰতিক সময়ত বিজ্ঞানৰ বিস্ময় বুলি অভিহিত কৰা হৈছে কম্পিউটাৰক। কম্পিউটাৰ শব্দটোৰ মূল হ'ল 'কম্পিউট' যাৰ অৰ্থ হ'ল— ইলেক্ট্ৰনিক গণনা যন্ত্ৰ। সম্প্ৰতি প্ৰতিটো বৃহৎ শিল্পৰ উৎপাদন নিয়ন্ত্ৰণ আৰু গুণগত মান নিৰ্ধাৰণত কম্পিউটাৰ অপৰিহাৰ্য। প্ৰায় প্ৰতিটো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত, কৰ্মীসকলৰ দৰমহাৰ বিল প্ৰস্তুতকৰণত কম্পিউটাৰৰ ব্যৱহাৰ হৈ আছে। কম্পিউটাৰৰ সহায়ত ৰে'লৰ কাউণ্টাৰৰ পৰা টিকট বিক্ৰী আৰু

আসন সংৰক্ষণ নিৰ্ভুলভাৱে কৰা হয়। আধুনিক চিকিৎসা বিজ্ঞানৰ ৰোগ নিৰ্ণয় আৰু জটিল শৈল্য চিকিৎসাত কম্পিউটাৰ হ'ল প্ৰধান অৱলম্বন।

আধুনিক মাধ্যমসমূহৰ ভিতৰত ম'বাইল হ'ল অন্যতম। ই হ'ল তাঁৰবিহীন শব্দপ্ৰেৰিত মাধ্যম। অৱশ্যে নিৰ্দিষ্ট ঠাইৰ পৰাহে ম'বাইলৰ জৰিয়তে যোগাযোগ সম্ভৱ হয়। বিদ্যুৎ শক্তিৰ দ্বাৰা বেটাৰী শক্তিমন্ত হৈ নাথাকিলে ম'বাইল সেৱা অচল হৈ পৰে। ম'বাইল ফোনৰ দ্বাৰা মানুহৰ যোগাযোগৰ ক্ষেত্ৰত বাৰ্তালাপ, তথ্য সংগ্ৰহ, তথ্য প্ৰেৰণ আৰু গ্ৰহণ, ইণ্টাৰনেট, গান শুনা, দৃশ্য চোৱা, ৰেকৰ্ড কৰা, অংক কৰা আদি বহু ক্ষেত্ৰত মানুহৰ জীৱন আনন্দময় কৰি তুলিছে।

গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাত ব্যক্তিৰ উন্নয়নত অধিক গুৰুত্ব দিয়া হয়। ৰাষ্ট্ৰই সমাজৰ কল্যাণ আৰু ব্যক্তিৰ উন্নয়নৰ বাবে কিছুমান পৰিকল্পনা গ্ৰহণ কৰে। এইসমূহ মানুহে গণমাধ্যমৰ জৰিয়তেই জনাটো সম্ভৱ হয়। পৃথিৱীৰ প্ৰতিখন দেশে নিজৰ নিজৰ উন্নয়নত কেনেদৰে টনকিয়াল তথা ক্ষীপ্ৰভাৱে আগুৱাই যাব পাৰে, সেইক্ষেত্ৰত যি তথ্যৰ প্ৰয়োজন হয়, তাক সম্প্ৰচাৰ কৰাত গণমাধ্যমৰ ভূমিকা সবল। পিছপৰা দেশবোৰৰ উন্নয়নৰ ক্ষেত্ৰত গণমাধ্যমবোৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

গণমাধ্যমসমূহে বৰ্তমান সময়ত যি ফলপ্ৰসূ অৱদান আগবঢ়াইছে, সেইদৰে ইয়াৰ অপকাৰী গুণৰ প্ৰভাৱো মন কৰিবলগীয়া। সেইসমূহ হ'ল—

(১) বৰ্তমান সময়ত নতুন প্ৰজন্ম দূৰদৰ্শনৰ সন্মুখত বহি অধিক সময় কটোৱাৰ ফলত শাৰীৰিক সক্ৰিয়তা তথা এটি শিশুৰ আন এটি শিশুৰ লগত সামাজিক সম্বন্ধ ক্ৰমে কমি আহিছে। প্ৰকৃতিৰ সৈতে সম্বন্ধ কমি গৈ আত্মকেন্দ্ৰিক হৈ পৰিছে।

(২) কম্পিউটাৰৰ অত্যধিক ব্যৱহাৰৰ ফলত সাধাৰণ মানুহৰ কৰ্মহীনতাই দেখা দিছে। কম্পিউটাৰৰ মনিটৰৰ পৰা নিৰ্গত ৰশ্মি মানৱ দেহৰ বাবে ক্ষতিকাৰকৰূপে থিয় দিছে। কম্পিউটাৰৰ ত্ৰুটিৰ ফলত কৰ্মপ্ৰাৰ্থীৰ যোগ্যতা, পৰীক্ষাৰ ফলাফল ইত্যাদিত ভুল-ভ্ৰান্তিয়েও দেখা দিব পাৰে।

(৩) কম্পিউটাৰৰ জৰিয়তে গণনা, হিচাপ কৰা আদি কামবোৰ সহজে কৰিব পৰা বাবে শিশুৰ মৌলিক চিন্তাৰ বিকাশত বাধাপ্ৰাপ্ত হৈছে।

(৪) কম্পিউটাৰ অধিক ব্যয়বহুল হোৱাৰ বাবে অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ দ্বাৰা উপকৃত হোৱাত বাধা আহি পৰে।

(৫) ইণ্টাৰনেটৰ অত্যধিক প্ৰয়োগে শিক্ষাৰ্থীৰ স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক বিকাশত বাধাৰ সৃষ্টি কৰে।

(৬) ইণ্টাৰনেটে শিক্ষাৰ্থীক শ্ৰমবিমুখ কৰি তোলাৰ লগতে হাতে-কামে কৰা শিক্ষাৰ জৰিয়তে প্ৰাকৃতিকভাৱে বাস্তৱ অভিজ্ঞতা লাভৰ পৰা বঞ্চিত কৰে।

(৭) ইণ্টাৰনেটৰ এনে বহুতো ৱেবপেজ আছে যি শিশুৰ বাবে ক্ষতিকাৰক। সেই ৱেবপেজসমূহে শিশুক দুৰ্নীতিপৰায়ণ বা অপৰাধপ্ৰৱণ কৰি তুলিব পাৰে।

(৮) ইয়াৰোপৰি বৰ্তমান প্ৰচলিত বাতৰি কাকতসমূহে মূল সুঁতিৰ পৰা আঁতৰি কিছুমান উৰাবাতৰি, অবাস্তৱ, কাল্পনিক, কাহিনী পৰিৱেশন কৰি জনগণক বিভ্ৰান্ত কৰে। বহু সময়ত ৰাজনীতিৰ মেৰপাকত পৰি, এক শ্ৰেণীৰ সুবিধাবাদীৰ হাতৰ পুতলা হৈ বাতৰি কাকতবোৰে নিজৰ দায়িত্ব পালন কৰাত অসমৰ্থ হৈ পৰে।

প্ৰত্যেক বস্তু তথা কামৰে ব্যৱহাৰৰ এক নিৰ্দিষ্ট পৰিসীমা থকা অতি প্ৰয়োজন। কোনো কাৰ্যই যেতিয়া নিৰ্দিষ্ট পৰিসীমা অতিক্ৰম কৰে, তেতিয়াই ভালতকৈ বেছি বেয়া প্ৰভাৱ পেলায়। গতিকে দেখা যায় যে জনসংযোগৰ মাধ্যমসমূহে ব্যক্তিৰ বিকাশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। গণমাধ্যমসমূহে বৰ্তমান সময়ত এজন ব্যক্তিক নিজকে সফলৰূপে গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাইছে। শিশু তথা শিক্ষাৰ্থীৰ সুপ্ত প্ৰতিভাসমূহৰ বিকাশ সাধন কৰি নৈতিক চৰিত্ৰ গঠন কৰি তোলাত উল্লেখনীয় ভূমিকা পালন কৰিছে। কিন্তু কেতিয়াবা এই মাধ্যমসমূহৰ অত্যধিক ব্যৱহাৰৰ জৰিয়তে শিশু তথা শিক্ষাৰ্থীৰ বিকাশত বাধাৰ সৃষ্টি কৰাও দেখা পোৱা গৈছে। ইয়াৰ কাৰণ হ'ল, তেওঁলোকে এই মাধ্যমসমূহৰ অসৎ ব্যৱহাৰ কৰিবলৈ লৈছে। যদি শিক্ষাৰ্থীয়ে এই গণমাধ্যমসমূহৰ সৎ ব্যৱহাৰ কৰে, তেন্তে এই মাধ্যমসমূহ তেওঁলোকৰ বিকাশত কেতিয়াও বাধা হৈ নপৰে।

শেষত ইয়াকে ক'ব পাৰি যে বৰ্তমান সময়ত তথা সাম্প্ৰতিক সময়ত গণমাধ্যমসমূহে শিশু আৰু শিক্ষাৰ্থী,

ব্যক্তি আদিৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ ক্ষেত্ৰত পালন কৰা ভূমিকা অনস্বীকাৰ্য।

ঃঃঃঃঃ

**মুনমী শৰ্মা**
অসমীয়া বিভাগ

সাধাৰণ অৰ্থত যোগাযোগৰ বাবে যি মাধ্যমৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰা হয়, সেয়ে গণমাধ্যম। গণমাধ্যমে মানুহৰ মাজত যোগাযোগৰ জৰিয়তে সম্পৰ্ক স্থাপন, তথ্য প্ৰেৰণ, বিনোদন, ভাবৰ সৰবৰাহ, নিৰ্দেশ, সাংস্কৃতিক উত্তৰণ আদিৰ ক্ষেত্ৰত সবল ভূমিকা লয়। যোগাযোগৰ এই কাৰ্যবোৰ গণমাধ্যমৰ যোগেদি সক্ষম হৈ উঠে। সাম্প্ৰতিক সমাজ ব্যৱস্থাত এই গণমাধ্যমৰ ভূমিকা উল্লেখনীয় হৈ পৰিছে।

আধুনিক গণমাধ্যমবোৰৰ ভিতৰত বৰ্তমান আমি বাতৰি কাকত, আলোচনী, পত্ৰিকা, কিতাপ, দূৰদৰ্শন, ৰেডিঅ', চিনেমা, ইণ্টাৰনেট, ম'বাইল, কম্পিউটাৰ আদিৰ কথা উল্লেখ কৰিব পাৰোঁ। সাম্প্ৰতিক সময়ত বিশেষকৈ ইলেক্ট্ৰনিক মাধ্যমবোৰৰ গুৰুত্ব অধিক হ'বলৈ ধৰিছে। বৰ্তমান সমাজখনত টিভি, ৰেডিঅ', ম'বাইল আদি যোগাযোগ প্ৰক্ৰিয়াৰ অংশীদাৰী হৈ পৰিছে। বৰ্তমান সমগ্ৰ বিশ্বতে ইণ্টাৰনেট হৈ পৰিছে এক শক্তিশালী গণমাধ্যম। তথ্য সংগ্ৰহ, মনোৰঞ্জন, যোগাযোগ সকলো কামতে ইণ্টাৰনেটে মানুহৰ জীৱন প্ৰক্ৰিয়া অধিক খৰতকীয়া কৰি তুলিছে। বৰ্তমান সমগ্ৰ বিশ্বতে ইণ্টাৰনেট হৈ পৰিছে আধুনিক উৎকৃষ্টতম গণমাধ্যম।

ই-মেইল, অনলাইন প্ৰ-পত্ৰ পূৰণ আদি শিক্ষিত মানুহৰ অবিদিত নহয়। গতিকে গণমাধ্যমসমূহে মানুহে আশা কৰামতেই জীৱনক সহজ কৰি তুলিছে। যোগাযোগ ব্যৱস্থাৰ আধুনিক কৌশলসমূহৰ ভিতৰত ইণ্টাৰনেটৰ ভূমিকা প্ৰণিধানযোগ্য। প্ৰকৃততে ই এক গোলকীয় যোগাযোগ কৌশল। কম্পিউটাৰ ইণ্টাৰনেটৰ জৰিয়তে বিশ্বৰ যিকোনো সংবাদ পাব পৰাৰ ব্যৱস্থাও আছে। ইণ্টাৰনেট মাধ্যমৰ এক প্ৰধান অসুবিধা হ'ল কম্পিউটাৰৰ শিক্ষা নথকা মানুহে ইণ্টাৰনেট সেৱাৰ সুবিধা ল'ব নোৱাৰে। দেখাত ইণ্টাৰনেট সেৱা খৰচী যেন লাগিলেও তুলনামূলকভাৱে চালে ই সিমান খৰচী নহয়। কিয়নো কোনো তথ্য সংগ্ৰহৰ বাবে নিৰ্দিষ্ট ক্ষেত্ৰলৈ গ'লে যিমান সময় আৰু অৰ্থ ব্যয় হ'ব ইণ্টাৰনেটত সিমান ব্যয় নহয়। গতিকে আধুনিক সমাজখনত ইণ্টাৰনেট সেৱাৰ জৰিয়তে বিশ্বখনেই সংকুচিত হৈ পৰিছে। মানুহৰ জীৱন যাত্ৰা সহজ কৰি তুলিছে।

সাম্প্ৰতিক সময়ত কম্পিউটাৰৰ ভূমিকাও কোনো ক্ষেত্ৰত নুই কৰিব নোৱাৰি। বৰ্তমান সময়ত প্ৰায়বোৰ সৰু-বৰ কামেই কম্পিউটাৰৰ যোগেদি সম্ভৱ হৈ পৰিছে। বিজ্ঞানীসকলে মহাকাশলৈ নিক্ষেপ কৰা উপগ্ৰহ, ৰকেট বা মহাকাশ যান, সৌৰজগতৰ গ্ৰহ-নক্ষত্ৰৰ গতি-বিধি, পৃথিৱীত সংঘটিত বিভিন্ন ঘটনাৰ নিৰীক্ষণ আদি সকলো কৰ্ম কম্পিউটাৰৰ যোগেদি সম্ভৱ হৈছে। কম্পিউটাৰৰ যোগেদি ইণ্টাৰনেট সেৱা, ই-মেইল, ফেচবুক আদি কৰ্মও সম্পাদিত হৈছে। আধুনিক গণমাধ্যম হিচাপে কম্পিউটাৰে গণসংযোগ ৰক্ষাৰ ক্ষেত্ৰত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

চমু কথাত ম'বাইলক মিনি কম্পিউটাৰ বুলি ক'ব পাৰি। ম'বাইল ফোন তাঁৰবিহীন যোগাযোগ মাধ্যম। সবাতোকৈ সফলতম আৰু বৰ্তমান সময়ত আটাইতকৈ অধিক জনপ্ৰিয় মাধ্যম হ'ল ম'বাইল ফোন। বৰ্তমান সময়ত ম'বাইলৰ বহুল ব্যৱহাৰ আমাৰ সমাজত দেখা যায়। ম'বাইল সৃষ্টিৰ পাছত মানুহৰ যোগাযোগৰ ক্ষেত্ৰত বাৰ্তালাপ, তথ্য সংগ্ৰহ, তথ্য প্ৰেৰণ, ফটো প্ৰেৰণ, বিভিন্ন ধৰণৰ কাম-কাজ, চিনেমা চোৱা, ভিডিঅ' কলিং, অনলাইন শ্বপিং, বেংক বেলেঞ্চ আদি সকলোবোৰ কাম ম'বাইলতে কৰিব পাৰি। আধুনিক গণমাধ্যমৰূপে ম'বাইল ফোনৰ সৃষ্টিৰ আগতে তাঁৰ সংযোগী টেলিফোনৰ ব্যৱস্থা আছিল। ম'বাইল ফোনে তাঁৰ সংযোগী ব্যৱস্থা প্ৰায় অচল কৰি তুলিলে। আধুনিক গণমাধ্যমৰূপে ইণ্টাৰনেট, কম্পিউটাৰ, ম'বাইল ফোন এইকেইটাক প্ৰধান বুলি ধৰা হয়।

সাম্প্ৰতিক সমাজ ব্যৱস্থাত এই আধুনিক গণমাধ্যমবোৰৰ ভূমিকা সকলো দিশতে দেখা যায়। আধুনিক গণমাধ্যমবোৰে মানৱ সভ্যতাৰ অগ্ৰগতিৰ পৰিচয় দিয়ে। জীৱনৰ সুৰক্ষাৰো কাৰক বুলিব পাৰি। বৰ্তমান জীৱনত

প্ৰয়োজনসমূহ পূৰণৰ ক্ষেত্ৰত নতুন গণমাধ্যমে বহুখিনি সহায় কৰে। আধুনিক গণমাধ্যমবোৰৰ গতি খৰতকীয়া। বাৰ্তা প্ৰেৰণ, কথোপকথনৰ জৰিয়তে সিদ্ধান্তত উপনীত হ'ব পৰা খৰতকীয়া মাধ্যম। তদুপৰি এই ধৰণৰ যোগাযোগ ব্যৱস্থাত সকলো ব্যক্তিয়ে জড়িত হৈ পৰিব পাৰে নিজৰ সুবিধা অনুসৰি।

গণমাধ্যমসমূহলৈ অহা পৰিৱৰ্তন বৰ্তমান সমাজ ব্যৱস্থাক এক প্ৰকাৰে সুচল কৰি তুলিছে। বৰ্তমান সমাজ ব্যৱস্থাত এই আধুনিক গণমাধ্যমসমূহৰ ভূমিকা কোনো প্ৰকাৰে নুই কৰিব নোৱাৰি।

ঃঃঃঃঃ

## অন্বেষা দত্ত

প্ৰাণী বিজ্ঞান বিভাগ

আধুনিক গণমাধ্যম প্ৰসংগত ক'ব পাৰি যে সমাজৰ ব্যক্তিসকলৰ মাজত ভাবৰ আদান-প্ৰদান প্ৰক্ৰিয়াটোৰ লগতে কিছুমান মাধ্যম নিবিড়ভাৱে জড়িত হৈ থকা পৰিলক্ষিত হয় যিয়ে সামাজিক জীৱনৰ বা সমাজ ব্যৱস্থাত এক অভূতপূৰ্ব প্ৰভাৱ পেলাই আহিছে। সেয়েহে গণমাধ্যমক সমাজ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ বুলি ক'ব পাৰি। গণমাধ্যমে সমাজ ব্যৱস্থাত গোলকীয় উন্নয়নক ত্বৰান্বিত কৰাত সহায় কৰে। এই গণমাধ্যমসমূহ হ'ল— টেলিভিছন, ৰেডিঅ', বিজ্ঞাপন, চিনেমা, ইণ্টাৰনেট, বাতৰি কাকত, আলোচনী আদি। বেমাৰ-আজাৰ, ভোকাতুৰ আদিৰ দৰে সামাজিক সমস্যাবোৰৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে বিংশ শতিকাৰেই এই প্ৰক্ৰিয়াটোক সঁজুলি হিচাপে ব্যৱহাৰ কৰে। এই গণমাধ্যমে সমাজৰ সকলো সমস্যা সমাধান কৰিব পাৰে। গণমাধ্যমে নিজৰ দৰ্শকসকলক দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ বিভিন্ন কাৰ্যসূচী সম্প্ৰচাৰ কৰি সমাজত প্ৰভাৱ পেলাব পাৰে। শেহতীয়াকৈ সামাজিক ব্যৱসায়ে কেন্দ্ৰীয় মঞ্চ ব্যৱহাৰ কৰি মানুহৰ ব্যক্তিগত আৰু সামাজিক আচৰণত প্ৰভাৱ পেলাইছিল।

সাম্প্ৰতিক সময়ত ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক শিক্ষা, স্বাস্থ্য সকলো ক্ষেত্ৰতে যোগাযোগৰ উন্নত মাধ্যমে বৈপ্লৱিক পৰিৱৰ্তন আনিছে। উদাহৰণস্বৰূপে— মানুহে নিজকে এইডছ্, এইচ আই ভি আদিৰ পৰা ৰক্ষা কৰিব পৰা মৌলিক জ্ঞান গণমাধ্যমৰ জৰিয়তে আহৰণ কৰিব পাৰে।

যোগাযোগ ব্যৱস্থাই মানুহক নিজেই নিয়ন্ত্ৰণ কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে সমাজৰ সৈতে সংপৃক্ত হোৱাতো সহায় কৰে। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ লগত জড়িত ব্যৱস্থাবিলাকৰ বিষয়ে মানুহ যোগাযোগৰ দ্বাৰাই অৱগত হয়।

গোলকীয় অৰ্থনৈতিক সমাজ ব্যৱস্থাত যোগাযোগ সঁজুলিবোৰে মানুহৰ জীৱনশৈলীৰ প্ৰভাৱ পেলোৱাৰ লগতে চিন্তা প্ৰক্ৰিয়াতো প্ৰভাৱ পেলাইছে। ইণ্টাৰনেট, ম'বাইল ফোন আৰু অন্যান্য প্ৰযুক্তিৰ উদ্ভাৱন উন্নয়নৰ ধাৰণা সম্পৰ্কে নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰোৱাইছে।

পৰম্পৰাগতভাৱে উন্নয়নৰ যোগাযোগৰ ভূমিকা কেৱল মানুহৰ আচৰণৰ লগত জড়িত হৈ আছিল। মানুহৰ আচৰণ পৰিৱৰ্তন কৰিবৰ বাবেই গণমাধ্যমবোৰে নিজৰ ভূমিকা পালন কৰিছিল। মানুহে সমাজৰ পৰিৱেশ আৰু পৰিস্থিতি অনুধাৱন কৰিব পৰাকৈ গণমাধ্যমে তেওঁলোকৰ আচৰণত প্ৰভাৱ পেলায়। আনহাতে, মানুহৰ আচৰণ বিধিয়েই মূলতঃ সমাজৰ প্ৰতিমান হিচাপে মানুহৰ আচৰণত প্ৰভাৱ পেলায়। যেতিয়া সমূহীয়াভাৱে সামাজিক প্ৰতিমানে মানুহৰ আচৰণত প্ৰভাৱ পেলায় ই সংস্থাগত আৰু প্ৰমূল্যবোধৰ পৰিৱৰ্তনেই নিৰ্দেশ কৰে। ফলস্বৰূপে সামাজিক পৰিৱৰ্তনত গণমাধ্যমে যে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, তাৰ স্পষ্ট নিদৰ্শন পোৱা যায়।

গণমাধ্যমে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক অধিকাৰৰ প্ৰতি মানুহক সচেতন কৰে। আত্মনিৰ্ভৰশীলতা, সহিষ্ণুতা, ন্যায় আদিৰ জৰিয়তে কেনেকৈ পিছপৰা লোকসকলে নিজৰ উন্নতি কৰিব পাৰে, ইয়াক সামাজিক নিয়ন্ত্ৰণৰ এজেণ্ট বুলি ক'ব পাৰি। প্ৰিণ্ট মিডিয়া আৰু ইলেক্ট্ৰনিক মিডিয়াই ক্ষিপ্ৰতাৰে সাধাৰণ মানুহক তথ্য প্ৰদান কৰিব পাৰে। যেনে— বনৰীয়া কাঠফুলা খাই মানুহ মৃত্যু হোৱাৰ খবৰ গণমাধ্যমৰ জৰিয়তে খুব

কম সময়ৰ ভিতৰতে মানুহে গম পায়।

সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনত গণমাধ্যমৰ ভূমিকা যথেষ্ট প্ৰয়োজনীয়। জনমত গঠন কৰাত গণমাধ্যমে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৰ্থনৈতিক সংস্কাৰৰ লগতে ৰাজনৈতিক আৰু সাংস্কৃতিক সংস্কাৰৰ বাবেও গণমাধ্যমে জনমত তৈয়াৰ কৰে। এইক্ষেত্ৰত আমি মুক্ত অৰ্থনীতিৰ কথা উল্লেখ কৰিব পাৰোঁ। বিভিন্ন সম্প্ৰদায় আৰু বিভিন্ন দেশৰ মানুহৰ মাজত যোগসূত্ৰ স্থাপন কৰি মানুহক নিজৰ পৰিস্থিতি সম্পৰ্কে ভাবিবলৈ গণমাধ্যমেই সুবিধা প্ৰদান কৰে। অসমীয়া জাতীয় উৎসৱ বিহুৰ স্বৰূপ পৰিৱৰ্তন হোৱা এতিয়া সকলোৰে জ্ঞাত। পথাৰৰ, হাবিৰ বিহু এতিয়া ৰজাঘৰ, আকৌ ৰজাঘৰৰ বিহু ৰাইজৰ চোতাল আৰু চোতালৰ বিহু মঞ্চৰ বিহু হ'ল। এই মঞ্চ বিহু জনপ্ৰিয় হোৱাৰ মূল কাৰণেই হ'ল গণমাধ্যম।

সমগ্ৰ বিশ্বৰ ৰাজনৈতিক প্ৰেক্ষাপট গণমাধ্যমবোৰ সকলোৰে আগত দাঙি ধৰাৰ ফলত নিজৰ নিজৰ ৰাজনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তনৰ বিষয়ে ভাবিবলৈ আৰম্ভ কৰে।

অন্যহাতে প্ৰিন্ট মিডিয়া প্ৰধানতঃ বাতৰি কাকত, পত্ৰিকা, আলোচনী আদিয়েও সমাজ ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নিয়মীয়াভাৱে বাতৰি প্ৰদানে সমাজত সচেতনতা সৃষ্টি কৰে।

সমাজ ব্যৱস্থাত অৰ্থাৎ সামাজিক পৰিৱৰ্তনত গণমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশবোৰৰ পৰিৱৰ্তনৰ বাবে পৰিৱেশ সৃষ্টি কৰিবৰ বাবে গণমাধ্যমবোৰে কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ছোভিয়েট ৰাছিয়াৰ পতন বা ভাৰতবৰ্ষৰ বেংগলৰ ৰাজনৈতিক পৰিৱেশ সলনি হোৱাৰ ক্ষেত্ৰত গণমাধ্যমে উল্লেখযোগ্য ভূমিকা পালন কৰে। ভালদৰে পৰ্যবেক্ষণ কৰিলে দেখা যায় যে সমাজৰ বিভিন্ন ক্ষেত্ৰত গণমাধ্যমে পৰিৱৰ্তন আনে অৰ্থাৎ সমাজত প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে কৃষিৰ ক্ষেত্ৰত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ন ন কৌশল কৃষকক অৱগত কৰিছে। ইয়াৰ কেৱল আৰ্থিক উন্নতিয়েই নহয়, কৃষি, ৰাজনীতি, আচাৰ ব্যৱহাৰ, পৰম্পৰাগত উৎসৱ-অনুষ্ঠান আদিও জড়িত আছে।

গণমাধ্যমে অৱশ্যে ইতিবাচক পৰিৱৰ্তনৰ লগতে নেতিবাচক প্ৰভাৱো পেলায়। এই সম্পৰ্কে গণমাধ্যমবোৰে প্ৰচাৰ চলালেও নিজৰ আৰ্থিক লাভৰ বাবে গণমাধ্যমৰ মৌলিক পক্ষই সস্তীয়া জনপ্ৰিয়তাৰ বাবে অপকাৰী বিজ্ঞাপন আৰু বিনোদনধৰ্মী কাৰ্যসূচী প্ৰচাৰ কৰে। উদাহৰণস্বৰূপে নব্বৈৰ দশকৰ শেষৰফালে অসমত ম'বাইল ফোনৰ আগমন ঘটি প্ৰথমে চৰকাৰী প্ৰতিষ্ঠানৰ দ্বাৰা এচাম মানুহক সুবিধা কৰি দিছিল কিন্তু বৰ্তমান প্ৰতিজনৰে ম'বাইল থকাটো প্ৰয়োজনীয় হৈ পৰিল।

ম'বাইল ফোন যোগাযোগৰ উত্তম মাধ্যম হিচাপে বিবেচিত হ'ল যদিও একাংশ ছাত্ৰ-ছাত্ৰীয়ে মাজৰাতিলৈ অনাৱশ্যকীয় কথা-বতৰা পাতি সাৰে থাকি পিছৰ দিনা স্কুল-কলেজত টোপনিয়াই থাকি পঢ়া-শুনাত মনোযোগ দিব নোৱাৰাটো এটা স্বাভাৱিক ঘটনা হৈ পৰিছে। ই স্বাস্থ্য, শিক্ষা সকলোতে প্ৰভাৱ পেলাইছে।

আমাৰ পৰম্পৰাগত খাদ্যাভ্যাস, পৰম্পৰাগত খেলা-ধূলা আদিকো ম'বাইল ফোনে এঘৰীয়া কৰিলে। যিয়েই নহওক কিয় পৃথিৱীৰ সকলো দেশৰ সংস্কৃতি মানুহে অনুসৰণ কৰাত গণমাধ্যমৰ প্ৰভাৱ যথেষ্ট পৰিলক্ষিত হয় আৰু এনেধৰণৰ পৰিৱৰ্তনে মানুহৰ মূল্যবোধৰ ওপৰতো প্ৰভাৱ পেলায়। গতিকে আধুনিক গণমাধ্যমৰ ভূমিকা সমাজত গভীৰভাৱে উপলব্ধ হয়।

ঃঃঃঃঃ

**পল্লৱী গগৈ**

অসমীয়া বিভাগ

সাধাৰণ অৰ্থত যোগাযোগৰ বাবে যি মাধ্যমৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰা হয় সেয়ে গণমাধ্যম। সাম্প্ৰতিক সমাজ ব্যৱস্থাত গণমাধ্যমে মানুহৰ মাজত যোগাযোগৰ জৰিয়তে সম্পৰ্ক স্থাপন, তথ্য প্ৰেৰণ, বিনোদন, ভাৱৰ সৰবৰাহ, নিৰ্দেশ সাংস্কৃতিক উত্তৰণ আদিৰ ক্ষেত্ৰত সবল ভূমিকা লয়।

গণমাধ্যমেই বিশ্বৰ যিকোনো স্থানৰ প্ৰগতি বা সংঘাত বিষয়ক আঁচনি বা কাৰ্যব্যৱস্থা বিষয়ক বাৰ্তা প্ৰচাৰ কৰি প্ৰায় একে সময়তে বিশ্বৰ সকলো স্থানৰ মানুহক অৱগত কৰায়। প্ৰাচীন যোগাযোগ ব্যৱস্থাতকৈ আধুনিক যোগাযোগ ব্যৱস্থাৰ উন্নতি হৈছে। গণমাধ্যমসমূহে বৰ্তমান পৃথিৱীখনক এখন সৰু সৰু গাঁৱলৈ ৰূপান্তৰ কৰিছে, য'ত ক্ষন্তেকতে মানুহে পৃথিৱীৰ এমূৰৰ খবৰ আন মূৰত পাব পৰাৰ ব্যৱস্থা হ'ল। এনে কিছুমান গণমাধ্যম হৈছে-বাতৰি কাকত, আলোচনী, দূৰদৰ্শন, ৰেডিঅ', চিনেমা, ইণ্টাৰনেট, কম্পিউটাৰ ইত্যাদি। বৰ্তমান সময়ত ফেচবুকেও গণমাধ্যম হিচাপে জনপ্ৰিয়তা লাভ কৰিছে।

বাতৰি কাকত হ'ল বহুল প্ৰচাৰিত, জনপ্ৰিয় আৰু তৎকালীন তথ্যপ্ৰচাৰক ছপা মাধ্যম। বাতৰি, তথ্য, বিজ্ঞাপন, গহীন লেখা, মতামত প্ৰকাশ আদিৰ সুবিধা থকা ছপা মাধ্যম। সাম্প্ৰতিক সমাজ ব্যৱস্থাত গণমাধ্যম হিচাপে বাতৰি কাকতে বিশেষ ভূমিকা গ্ৰহণ কৰে। ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক, জীৱনী, ক্ৰীড়া, ব্যৱসায়, অপৰাধ, সমাজ আদি অনেক বিষয়ৰ প্ৰবন্ধ লিখি জনসচেতনতা সৃষ্টি কৰিব পৰা উপযুক্ত মাধ্যম হ'ল বাতৰি কাকত। চৰকাৰী আৰু বেচৰকাৰী তথ্য প্ৰচাৰতো বাতৰি কাকতৰ ভূমিকা লেখত ল'বলগীয়া। বাতৰি কাকত হ'ল সমসাময়িক সমাজৰ দাপোণ স্বৰূপ।

সাম্প্ৰতিক সমাজ ব্যৱস্থাত অত্যধিক জনপ্ৰিয়তা লাভ কৰা শক্তিশালী ইলেক্ট্ৰ'নিক গণমাধ্যম হ'ল দূৰদৰ্শন। অত্যধিক জনপ্ৰিয়তা লাভ কৰাৰ মূলতে ইয়াৰ লগত শব্দ আৰু দৃশ্য দুয়োটা দিশেই জড়িত হৈ আছে। শব্দ আৰু দৃশ্য দুয়োটা দিশ জড়িত হৈ থকাৰ বাবে শ্ৰোতা-দৰ্শকৰ যিকোনো বিষয় সহজবোধ্য হৈ উঠে আৰু সঁচা ঘটনা অনুধাৱনত সুবিধা হয়। টেলিভিছনৰ জৰিয়তে যিকোনো ঘটনাৰ পোনপটীয়া সম্প্ৰচাৰৰ সুবিধা থাকে। বাতৰি কাকত এখন এদিন পঢ়াৰ পাছত পাছদিনালৈ বাট চাই থাকিবলগা হয়। ৰেডিঅ' নিৰ্ধাৰিত সময়ত প্ৰচাৰ হয় যদিও ঘটনা দেখা নাযায়। কিন্তু টি.ভি.ত খৰতকীয়াকৈ একে সময়তে পোনে পোনে দেখুৱাব পৰাৰ সুবিধা থাকে। দৈনন্দিন জীৱনত কৰ্মব্যস্ত মানুহক জিৰণী আৰু আমোদ দিয়াৰ ক্ষেত্ৰত টেলিভিছনৰ কাৰ্যকৰী ভূমিকা মন কৰিবলগীয়া।

সাম্প্ৰতিক সমাজ ব্যৱস্থাত গণমাধ্যম হিচাপে ভূমিকা পালন কৰা আন এক গণমাধ্যম হৈছে আলোচনী। আলোচনীবোৰত প্ৰকাশ পায় সমসাময়িক বিভিন্ন লেখা, গল্প, ছবি ইত্যাদি। বিভিন্ন ধৰণৰ আলোচনীয়ে বিভিন্ন দিশক লক্ষ্য কৰি লয়। যেনে- ক্ৰীড়া বিষয়ক আলোচনী, বিজ্ঞান বিষয়ক আলোচনী, চিনেমা বিষয়ক আলোচনী, শিশু আলোচনী, স্বাস্থ্য বিষয়ক আলোচনী ইত্যাদি। এই আলোচনীবোৰে জনসাধাৰণৰ মাজলৈ বাৰ্তা কঢ়িয়াই আনে নিৰ্দিষ্ট বিষয়ৰ। স্বাস্থ্য ৰক্ষাৰ উপায়, খাদ্যত থকা ভিটামিন, সাধাৰণ ৰোগ নিৰাময়ৰ বাবে ল'বলগা সাৱধানতা আদি স্বাস্থ্য বিষয়ক আলোচনীয়ে জ্ঞান স্বৰূপে জনসাধাৰণৰ মাজলৈ ঠেলি দিয়ে। বিশ্বৰ, দেশৰ, ৰাজ্যৰ অঞ্চল বিশেষৰ ক্ৰীড়া সম্পৰ্কীয় খবৰৰ লগতে খেলজগতৰ পৰিৱৰ্তন, খেল সম্পৰ্কীয় শিক্ষা গ্ৰহণ ইত্যাদি সামগ্ৰিক জ্ঞান ক্ৰীড়া বিষয়ক আলোচনীয়ে প্ৰচাৰৰ দিহা কৰে। বিজ্ঞানৰ নতুন আৱিষ্কাৰ, বিজ্ঞানৰ সাধনা, গ্ৰহ গতি নিৰীক্ষণ ইত্যাদি জ্ঞান বা বাৰ্তা প্ৰেৰণৰ ব্যৱস্থা কৰে। শিশু আলোচনীত শিশু উপযোগী সাধুকথা, কাহিনী, সৃষ্টি প্ৰতিভামূলক কবিতা, ছবি, ছবিৰ কাহিনী প্ৰকাশ কৰি শিশুৰ মানসিক আনন্দৰ মাজেদি নৈতিক চৰিত্ৰ গঠনৰ চিন্তা কৰা হয়।

গণমাধ্যমৰ লিখিত মাধ্যমসমূহৰ ভিতৰত গ্ৰন্থ অন্যতম। এজন লেখকৰ আদৰ্শ, দৃষ্টিভংগী, ধ্যান-ধাৰণা, জীৱন দৰ্শন বৰ্ণনা বা কাহিনীৰ যোগেদি পাঠকৰ ওচৰলৈ ঠেলি দিয়ে। বাৰ্তাবাহনৰ ক্ষেত্ৰত গ্ৰন্থ অনুসৰি বাৰ্তাও সুকীয়া হয়। উপন্যাস এখনে কাল্পনিক বা ঐতিহাসিক কাহিনীৰ মাজেদি লেখকৰ আদৰ্শ, ভাৱধাৰা আনৰ ওচৰলৈ, পাঠকৰ ওচৰলৈ যেনেদৰে লৈ যাব পাৰে, বিজ্ঞান, অৰ্থনীতি, ৰাজনীতি বিষয়ক গ্ৰন্থ এখনে একেদৰে নিনিয়ে। কোনো গ্ৰন্থই পোনপতীয়াভাৱে তথ্য প্ৰেৰণ কৰে, আন কোনো গ্ৰন্থই কল্প-কাহিনীৰ মাজেদিহে প্ৰেৰণ কৰিব পাৰে। দৰ্শন, ইতিহাস, সাহিত্য, বিজ্ঞান, গণিত, সমাজতত্ত্ব আদি নিৰ্দিষ্ট বিষয় অনুসৰি বাৰ্তা প্ৰেৰণ কৰিব পাৰে।

বৰ্তমান সমাজ ব্যৱস্থাত ফেচবুকেও গণমাধ্যম হিচাপে জনপ্ৰিয়তা লাভ কৰিছে।

ঃঃঃঃঃ

**Meghna Boruah**
Dept. of Zoology

Mass Media means dissemination of informations, or how information is transmitted within a culture. In last few years, the mass media had a lots of influence on our societies due to rapid development in technology.

Mass media includes print media like books, newspaper and magazine as well as digital media like TV, movies and internet. The older generation are more likely to get information about current events through TV and newspaper but the younger generation primiraly get this information online. And when we look at mass media we can look at the role it plays in our society through different sociological perspectives, according to functionalist view. One of the most important function of mass media can also act as agent of social norms. It provides a standardized view of society and also a collective mass media experience for members of society.

The technology through which mass media communicate vary from one another.

**Broadcast media :** It includes radio, recorded music, flim and television which transmit their information electronically.

**Print Media :** It is the use of physical object such as newspaper, book, pamphlet or comics to distribute their information.

**Outdoor Media:** It is a form of mass media that comprises billboards, signs or placards, placed inside or outside the commercial buildings, sports stadium, shops and buses.

**Digital Media :** Comprises both internet and mobile mass communication such as video games, websites, digital images and digital videos etc.

Now lets look at some advantages and disadvantages.

**Advantages :** It helps to learn new things through various resources. For eg: We can learn from literary shows and quiz shows. It helps to spread news and information easily. Eg : If we hear the news of storm coming on television we can share this news with our friends and family. Without leaving our home we can learn about other countries cultures, religions an learn their difference.

**Disadvantages :** It can spread false information about people and events which can be extremely dangerous. It distract us from studying, working and spending time with family. When we watch action movies or series we see the picture of violence, so it can become traumatic for children and they may have a negative influence of it.

So what does it mean ? should we stop mass media ? obviously not, the answer is to be smart. We should not believe everything that we hear or see in mass media Also we should learn to be safe and not share personal information on mass media.

Thus, we can conclude that mass media is considered as social institution with the emergence of mass media towards the end of 20th Century through televised programming, movies and radio, and accelerated further with becoming growth of the internet in recent decades, mass media is now becoming dominant social institution catering for the needs of society and educating its citizen.

**Bidisha Bhattacharya**
Dept. of Political Science

The role of mass media in today's world is humongous. Mass media is expected to reflect public opinion, create an awareness of state and central policies so that people know about policies that directly or indirectly affect their life. The mass media also has an important role to report about wrong doing, mobilize public opinion, bring about social change and highlight positive development.

Mass media is so strong that even politics use it as a means of governing any country around the world. Mass media conveys wide knowledge concerning all possible aspects of human beings' lives and influences on people's point of view and their attitude to the surrounding environment. Mass media can be used for various purposes : Advertising, marketing, propaganda, public relations and public communication, entertainment, traditionally through performances of acting, music, sports along with light reading.

Mass media has several advantages, mass media is one of the fastest medium of exchange of information which capture audience attention and interest. For example television and radio is said to be the best mass media. Member of political parties utilize mass media for voicing their political views and mass media influences public opinions by the articles and talk shows. Businessman can know the condition of trade in different parts of the country through newspaper, television etc. and improve their business. The public can express their grievances through newspapers and bring them to the notice of the government. The continuous worldwide information flow helps individual to find the latest news, which may influence their decisions, help them know which areas are affected by natural disasters or conflict in order to avoid them and so on. Still many times the media offer more than information. By means of media, one can influence, orient and direct public opinion, interest and motivations, even beyond one's own will.

If we take a second look at the picture of what the mass media in contemporary society actually paints, we may have varied opinions. We watch TV, listen to radio and have a general feeling that whatever we see and listen is the truth and not a single fact is fabricated. Many a times, the entire picture is not shown to the public by the media. News making is one of the biggest disadvantages of today's mass media. The media build but also destroy reputations, which happens most of the times in politics. Mass media create congnitive, affective and behavioural addictions. Those who are informed become more and more informed and those who are misinformed remain misinformed.

The role of media, back in the day, was a means to get information across the land. This is still the case. It has not changed, but with the influence of personal beliefs, that information can be trained and twisted once it's received.

The media has a huge impact on society in shaping the public opinion of the masses. They can form or modify the public opinion in different ways, depending of what is the objective. The mass media are a double edged tool. On the one hand, they form and on the other hand they deform. In a post industrial society where information reaches the same value as capital or resources, using means of information and communication such as mass media become a necessity.

Nevertheless mass media are both a positive and a negative image creator, or a source of information as well as a tool of propaganda.

ఃఃఃఃః

**Tribeni Payeng**
Dept. of English

The '21st century' is marked by the arrival of varieties gadget among the people which leads to the different modern mass media like-facebook, instagram, whatsapp, twitter and many more. And these advanced technologies are not rare around all over the world. Apart from it, we can not forget some another sources of mass media like-press, radio, television etc. No doubt these technologies can advance every population in the world, but we can not deny the fact that thse can also retreat each and every peoples mind. But, if we consider 'Modern Mass Media' positively, we will definitely succeed to use them in a good way. Thus, it is in our hand whether we get influence positively or get influence negatively.

Excluding the negative influence of Modern Mass Media, we can include much more positive influence of it. The previously mentioned mass medias like press, radio, television, news paper etc. play a big role in the life of the contemporary society. It reaches to a large audience and provide information all around. Media have the potential power to influence people's attitude, opinion and behavior around many sensitive issues, including politics. Mass Media is also playing an outstanding role in creating and shaping of public opinion and strengthening of society, whether it is in politically or socially. Modern Media plays a central role not only within the political process of every type, ranging from coverage of major political events and institutions to affect on campaigns and election but also in any individuals life, providing many necessary possibilities for self enlightenment and entertainment. Now a days, that is in this complicated and vast modern era, media even play certain role in the life of teenagers too. The very term called 'Internet' is of course much more accustomed to each and every youth of India as a source of media. Internet provide many study materials and aid them throughout their academic journey. Students can attached to internet as a means of their intellectual development. It serves large amount of knowledge all around the world. It is not only confined to their intellectual development only, but much more extended from that. Be it is in any field like sports, dancing, art, singing or anything, internet can provide many information that every teenagers need to shape their life. Also the developing media from internet like whatsapp, facebook, instagram etc can also play their important role among every people. The process of communication have become extremely easier for us after the arrival of these media among the population. These social mass medias also helps to bind the love among the people which there may have some amount of possibilities to reduce inequality according to cast, religion etc. Everyone can connect through facebook or whatsapp and bind into one.

At last, I must say the 'Modern Mass Media' play a critical role in influencing the mind of individuals. One should have the clear cut understandidng about media before using it as it may sometimes spoil one's life too. So, be wise as much as possible to use them.

'Don't fall in the trap of Media, Use wisely'.

ఃఃఃఃః




# *Impact of social networking sites on our lives*

***Bidisha Bhattacharya***
*Dept. of Political Science*

*The term social networking site or social media is very familiar in today's world. Simply, it is an online platform, through which people build social relationship with the people who share similar personal activities or real life connection. Social media help people to inform others about their real life activities and events. People also share photos and videos through social media.*

*While facebook, twitter, instagram might be the first sites that come to mind when thinking of social media, but these popular sites donot represent the full scope of social network that exists.*

*Facebook is one of the most popular social media. It provides a way for the users to build connection and share information with people and organizations, they choose to interact, facebook have almost 2.13 billion*

active monthly users and an average of 1.4 million daily users. Along with facebook, instagram is too much popular in today's world. Twitter is also popular to share thoughts and keep up with others. At present, whatsapp, tiktok, youtube etc. have become popular. There are some other sites also.

Now a days, everyone must have facebook, instagram, twitter or any other social media. If anyone does not have any form of social media, he will be asked many questions, like 'why do you not have instagram?', 'what about facebook, come on you must have facebook' etc. As well as it is a constant battle to have the most followers or friends and gain most likes, share and comments. In today's world, young generation believes that if he/she is popular on social media, then he/she is popular in real life.

Social networking is imbibed in our lives so much that this generation cannot imagine their lives without facebook, twitter, instagram etc. These sites have several positive impacts. Communication has become a lot easier through social media. People can easily communicate with people from any part of the world. Now, people can express their opinions and share their experience easily. Social networking sites brought governance closer to people. Political leaders also using social media to interact with citizens. Through social media, it has become easier to help people in need, whether it's a medical emergency or natural calamity. People are forming groups and offering help.




Social media also have negative impacts. These sites are very distructing in nature. Students are getting addicted to social media leaving their studies behind. Cyber bullying and threats from stranger have increased. By using social media, some youth are getting attracted to risky trends like selfies at dangerous places. Even, many are now preferring virtual communication over real conversation. Some people use social media to viral fake news to misguide the people. The anonymity that social networks provide can be used by the perpetrators to gain peoples' trust and then terrorise them in front of their peers. Social media is often described as being more addictive than cigarettes and alcohol.

The world is becoming an increasingly technology adapted society and no one can rely without it. Social networking sites made our lives much easier than before. Though there is negative impact, we can mitigate it with improved awareness. If people should utilize social networking sites and should not let it control their lives, then it will become useful and helpful for the people. So, it can be said that everything is useful if we know the right way to use it.



# ধ্বংসৰ পথত মানৱ জাতি

**অনিকা শইকীয়া**
হিন্দী বিভাগ

বৰ্তমান মানৱ সমাজখন এক অন্ধকাৰ ভৱিষ্যতৰ ফালে গতি কৰিছে। জড় সংসাৰৰ ভোগ-বাসনাই মানৱ সমাজখনক মোহাচ্ছন্ন কৰি গভীৰৰ পৰা গভীৰ অন্ধকাৰৰ মাজলৈ নিক্ষেপ কৰিছে। মানুহৰ হৃদয় প্ৰেম, কৰুণা আৰু দয়াৰ পৰিৱৰ্তে অহংকাৰ, অভিমান, আত্মকেন্দ্ৰিকতাই গ্ৰাস কৰি পেলাইছে। আমি দৈনন্দিন জীৱনত সন্মুখীন হোৱা বহু সমস্যা যেনে— হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ আদি মানুহৰ তুচ্ছ মানসিকতা আৰু ধৈৰ্যৰ অভাৱৰ ফল। সৰুৰ পৰাই পঢ়ি অহা পাঠ্যক্ৰমসমূহত জাতি, ধৰ্ম, পুৰুষ-মহিলা, ধৰ্ম-বৰ্ণ সামৰি লৈ সকলো এক মানৱ জাতি হিচাপে পৰিচয় দিবলৈ চেষ্টা কৰি অহা হৈছে যদিও আজিলৈকে ইয়াক বাস্তৱত পৰিণত কৰিব পৰা নাই। সমাজখনত ধৰ্মক লৈ মতবাদ, নাৰীৰ ওপৰত অত্যাচাৰ, নিম্ন শ্ৰেণীৰ মানুহক কৰা বেয়া ব্যৱহাৰ আজিও শেষ হোৱা নাই।

বৰ্তমান মানৱ জাতিয়ে এটা কথা মনত ৰখাৰ প্ৰয়োজন আছে যে শত-সহস্ৰ কোটি বছৰৰ পাছত, সহস্ৰ কোটি জীৱ, অণুজীৱৰ দেহত বিচৰণ কৰাৰ পাছত এটা আত্মাই মানৱ দেহ লাভ কৰিবলৈ সুবিধা পায়। মানৱ জীৱন মুক্তিৰ এক দুৱাৰ। কাল, মায়া চেতনাৰ সিপাৰে পৰম ব্ৰহ্মক লাভ কৰা, জীৱাত্মাৰ লগত পৰমাত্মাৰ মিলন— এয়াই মানৱ জীৱনৰ উদ্দেশ্য। সত্য, ত্ৰেতা আৰু দ্বাপৰ যুগত জ্ঞান আৰু বৈৰাগ্যৰ দ্বাৰাই মুক্তি লাভ কৰিছিল কিন্তু কলিযুগত ভক্তি নহ'লে মুক্তি লাভ কৰাটো সম্ভৱ নহয়।

অন্ধকাৰ কোঠাত বহু মূল্যৱান বস্তু থাকিলে আমি দেখা নাপাওঁ, সেইদৰে অজ্ঞানৰ অন্ধকাৰে আমাক আৱৰি থকাৰ কাৰণে আমি আমাৰ জীৱনৰ মূল বস্তু দেখা নাপাওঁ। মায়া-মোহত আবদ্ধ আমি পাহৰি যাওঁ যে সকলো কৰ্মৰে ফল নিশ্চিত। যদি মানৱ দেহটো এখন ৰথ হয়, আৰোহীজন জীৱাত্মা, বুদ্ধি সেই ৰথৰ সাৰথি, ইন্দ্ৰিয়বোৰ ঘোঁৰা আৰু মনটো লেকাম বুলি ধৰি আমি কাৰ্যক্ষেত্ৰত উপনীত হৈ মুক্তিৰ পথত অগ্ৰসৰ হ'ব পাৰোঁ।



# মানসিক স্বাস্থ্য আৰু আমি


**ছাফিয়া গগৈ**
পদাৰ্থ বিজ্ঞান বিভাগ

আমি সততে আলোচনা কৰি থকা এটা বিষয় হৈছে ‘মেণ্টেল হেল্থ’ বা মানসিক স্বাস্থ্য। মানসিক স্বাস্থ্য মানে এজন ব্যক্তিৰ মানসিক, শাৰীৰিক আৰু সামাজিক অৱস্থাক বুজায়। প্ৰত্যেকৰে জীৱনৰ কোনোবা নহয় কোনোবা ক্ষণত বিপদ, হতাশা, নৈৰাশ্যই অতি দুৰ্বল কৰি তোলে। সেই সময়ত ব্যক্তিজনৰ মনত ঋণাত্মক চিন্তাই সততে ক্ৰিয়া কৰে। আমি মানুহবোৰ খুব আৱেগিক, যিকোনো পৰিস্থিতিয়ে আমাক কন্দুৱাব পাৰে, দুখত দুখী কৰি তুলিব পাৰে। কিছুমান দুখে ইমান গভীৰভাৱে আমাৰ মনত চাপ প্ৰয়োগ কৰে যে তাৰ পৰা আমি মানসিকভাৱে দুৰ্বল হৈ পৰোঁ।

এজন ব্যক্তিৰ মানসিক স্বাস্থ্যৰ ওপৰত তেওঁৰ চাৰিওফালৰ ব্যক্তিসকলো যথেষ্ট দায়বদ্ধ। যদি আপোনাৰ এষাৰ কথাই আন এজনৰ মনত দুখ দিয়ে, মানসিকভাৱে দুৰ্বল কৰে, তেতিয়া আপোনাক দুখী বুলি ভবা হ’ব। গতিকে আপুনি এইক্ষেত্ৰত সদাসচেতন হ’ব লাগিব। মানসিক স্বাস্থ্যই কেৱল এজন ব্যক্তিৰ মানসিক স্থিতিক নুবুজায়, তেওঁ বাস কৰা সমাজ, অঞ্চল অথবা দেশৰ সামাজিক অৱস্থাকো বুজায়।

সাধাৰণতে মানুহ মানসিকভাৱে ভাগি পৰাৰ এটা অন্যতম কাৰণ হ’ল আমি নিজক নিজৰ দৈনন্দিন কামৰ পৰা বিৰত ৰখা আৰু লগতে মানুহৰ সংগৰ পৰা দূৰত ৰখা। আমি প্ৰত্যেকেই যদি নিজক এটা নিৰ্দিষ্ট কামত নিয়োগ কৰি ৰাখোঁ, তেতিয়া শৰীৰ আৰু মন সতেজ হৈ থাকে। কোনোধৰণৰ দুশ্চিন্তাই আমাক তেতিয়া আৱৰি ধৰিব নোৱাৰে। সংগৰ পৰা আঁতৰত থকা এজন ব্যক্তিৰ মনত প্ৰায়ে ঋণাত্মক চিন্তাধাৰাই আৱৰি ধৰে। তেনে ব্যক্তিয়ে বিভিন্ন সময়ত বিভিন্নধৰণৰ অবাঞ্ছিত কাম কৰা আমি দেখিবলৈ পাওঁ। যিকোনো শাৰীৰিক বেমাৰ-আজাৰৰ প্ৰতি যিদৰে আমি সজাগ, ঠিক তেনেদৰে মানসিক স্বাস্থ্যৰ প্ৰতিও প্ৰত্যেক ব্যক্তি সজাগ হ’ব লাগে। বিশেষজ্ঞসকলে সহায় কৰে যদিও নিজক মানসিকভাৱে সবল কৰাৰ দায়িত্ব নিজৰ।

ছাত্ৰ জীৱনতো আমাৰ নানাধৰণৰ সমস্যা আহে, নানা কাৰণত আমি হতাশগ্ৰস্ত হওঁ। এই হতাশাবোৰৰ পৰা নিজকে উদ্ধাৰ কৰিবলৈ হ’লে আমি মানসিকভাৱে সবল হৈ ঋণাত্মক উপায় অৱলম্বন কৰিব লাগিব। কাৰণ সকলো সমস্যাৰে সমাধান থাকে। সমস্যাবোৰৰ পৰা হ’ব পৰা পৰিণাম নিৰ্ধাৰণ কৰি আমি সমাধানৰ সূত্ৰ বিচাৰিব লাগে। কোনো সমস্যাই স্থায়ী নহয়। জীৱনৰ যিকোনো জটিল ক্ষণত ধৈৰ্যৰে আগবাঢ়িলে বিপদৰ পৰা সহজে উপশম পাব পাৰি। জীৱনটোক ধনাত্মক দৃষ্টিভংগীৰে চাব লাগে, তেতিয়া আমি ভবাৰ দৰে জীৱনটো জটিল হৈ নপৰে। মোৰ বোধেৰে সফলতাবোৰো তেনেদৰে লাভ কৰিব পাৰি।



# জীৱন জিন্দাবাদ

**দৰ্শনা শইকীয়া**
প্ৰাণীবিজ্ঞান বিভাগ

জীৱন... সংজ্ঞাৰ বেষ্টনীত আৱদ্ধ কৰিব নোৱাৰা এটি তিনিটা বৰ্ণৰ শব্দ। ব্যস্ত মই, ব্যস্ত আপুনি, সৰ্বত্র ব্যস্ততাৰ পৰিক্ৰমা। যান্ত্ৰিক সভ্যতাৰ যান্ত্ৰিক ঘোঁৰাদৌৰৰ পৈণত ৰণুৱা আমি। জীৱনৰ অন্য নামেই সংগ্ৰাম, সেই সংগ্ৰামত নিজকে মানুহে সক্ষম সেনানীৰূপে প্ৰতিষ্ঠা কৰিব পৰাতেই মানুহৰ পুৰুষত্বৰ পৰিচয়। কবিৰ ভাষাত —

'সৃষ্টিৰ দিনৰে পৰা নিয়তিৰ স'তে হেৰা
মানুহৰ সংগ্ৰাম অক্ষয়,
আমি তাৰ স্মৃতি স্তম্ভ, সোঁৱৰাই মানুহৰ বীৰ্য
আৰু নিয়তিৰ জয়।

একবিংশ শতিকাৰ যান্ত্ৰিক সভ্যতাৰ আমি একো একোজন ৰণুৱা আৰু অৱকাশৰ পলবোৰত ডুবি থাকো ৰং-বিৰং চেহেৰাৰ এখন কৃত্ৰিম দুনিয়াত। বৰ চমৎকাৰী দুনিয়া! হেৰাই যোৱা চেহেৰাবোৰ ৰিক'ভাৰ হোৱাৰ উৎস অথবা অনৰ্থক আড্ডাবোৰ সৃষ্টি কৰিব পৰাতো এক যন্ত্ৰই হয়তো। নাম ফেচবুক, ইনষ্টাগ্ৰাম আদি। সেইখন চমৎকাৰী দুনিয়াত যেতিয়া আমি এণ্ট্ৰি কৰোঁ পাহৰি যাওঁ জীৱনৰ ট্ৰেজেডী, ঘৰৰ সমস্ত চিন্তা, দায়িত্বই কঁকাল বেঁকা কৰি পিতাইৰ বিষণ্ণতাৰ আঁৰৰ শেঁতা পৰা হাঁহিটো নিজকে হেৰুৱাই ব্যস্ত হৈ যাওঁ লাইকচ্, কমেণ্ট, ৰিয়েক্টৰ হিচাপ-নিকাচত ৰঙীণ চেহেৰাবোৰ জুমি চাওঁ কিজানি ধৰিবই বা পাৰোঁ সেই চেহেৰাবোৰৰ আঁৰৰ চেহেৰাটো, বিচাৰিব খোজো মুখবোৰৰ আঁৰত থকা সময়ে জৰ্জৰিত কৰা ভাগৰুৱা কলিজাখন, য'ত বাস্তৱে ডিঙি চেপি চেপি হত্যা কৰা সপোনবোৰৰ চিতাগ্নিৰ জুইকুৰা দপদপকৈ জ্বলে। আমি ব্যস্ত হৈ পৰোঁ সফলতাবোৰক হাতৰ মুঠিত ভৰাবলৈ, কৃত্ৰিমতাই ধ্বংস কৰি পেলোৱা এটা চকৰিত পৰিভ্ৰমিত আমাৰ জীৱন। জীৱন নহয় যেন এক প্ৰতিযোগিতাহে। আমিবোৰ যেন যন্ত্ৰ।

তথাপিও আমি জীয়াই আছোঁ, উপভোগ কৰিছোঁ জীৱনটো। দুখবোৰ নেওচি হাঁহিবলৈ শিকিছোঁ। জীয়াই আছোঁ জীৱনটো উদ্‌যাপন কৰাৰ হাবিয়াসত, কত বাধা, কত উজুটি, কত থেকেছা তথাপিও হাঁহিমুখে কওঁ, জীৱনটো বৰ ধুনীয়া, জীয়াই আছোঁ, বিন্দাছ আছোঁ। এই যে জীৱনটো, আনে নুবুজা আমাৰ গল্পবোৰ অনুভৱৰ বেলাডবোৰ জীৱনটোৱেই আলফুলে সামৰি লয়চোন। আমাৰ ফিঁকা হাঁহিটোৰ সিপাৰে থকা বিষাদবোৰ দেখি জীৱনটোৱে কয় ইমানৰ পাছতো মোৰ প্ৰতি ইমান মায়া কিয়?' প্ৰত্যুত্তৰত যে কওঁ- Needs something, get something, want to do something. ইয়াকে কয় জীৱন। জীৱনৰ ৰং অনুপম।

## বিষয় ঃ
## অসম বন্ধ ঃ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ

অসম বন্ধ অৰ্থাৎ অসমৰ আৰ্থ-সামাজিক ব্যৱস্থাক ব্যাহত কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ ইতিহাসৰ আৰম্ভণি, ১৯৬৬ চনৰ ৯ ছেপ্টেম্বৰৰপৰা হৈছিল। বিংশ শতিকাৰ নব্বৈৰ দশকত বিদেশী বহিষ্কাৰ আন্দোলন, বড়ো আন্দোলনৰ জৰিয়তে অসম বন্ধ ব্যাপকভাৱে প্ৰচলিত হয়। সাধাৰণতে চৰকাৰ (কেন্দ্ৰ, ৰাজ্য) ৰ কোনো সিদ্ধান্তৰ বিৰোধিতা কৰি আহ্বান কৰা এই বন্ধসমূহৰ ফলত চৰকাৰ সমস্যাত পৰাতকৈ বেছিকৈ সমস্যাত পৰে কৰ্মজীৱী, প্ৰধানতঃ নিম্নবিত্ত আৰু নিম্ন-মধ্যবিত্ত শ্ৰেণী। নব্বৈৰ দশকৰ এহেজাৰ ঘণ্টীয়া পৰ্যন্ত অসম বন্ধসমূহৰ প্ৰক্ৰিয়াই ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশটোক স্থবিৰ কৰি দিয়া কথাটোক আন্দোলনৰ দাবীৰ যুক্তিযুক্ততা স্বীকাৰ কৰা মানুহেও স্বীকাৰ নকৰি নোৱাৰে। আজি একবিংশ শতিকাত অসম বন্ধৰ পৰিৱৰ্তে অন্য পদ্ধতিৰে প্ৰতিবাদ সাব্যস্ত কৰাতোৰেই সমীচীন বুলি গৰিষ্ঠসংখ্যকে স্বীকাৰ কৰে। এনে সমগ্ৰ প্ৰেক্ষাপট সাঙুৰিয়েই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ কেইটামান বিশ্লেষণাত্মক লেখা ● ● ●



# বি শে ষ লে খা


## ভাস্বতী বৰা
ৰাজনীতি বিজ্ঞান বিভাগ


বৰ্তমান সময়ত অসমত অসম বন্ধ পালন কৰাটো এটি উৎসৱৰ দৰেই দেখিবলৈ পোৱা যায়। বাতৰিকাকত বা টেলিভিছনৰ সন্মুখত বহিলেই বিভিন্ন ঠাইত হোৱা ঘটনাৰ প্ৰতিবাদস্বৰূপে পালন কৰা অসম বন্ধৰ কথা পঢ়িবলৈ পোৱা যায়। অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ হেঙাৰস্বৰূপ। অসমত মানি অহা প্ৰতিটো অসম বন্ধই অসমৰ এখোজ উন্নতিৰ দিশত আগুৱাই নিয়াতকৈ দুখোজ পিছুৱাইহে আনিছে। একাংশই অসম বন্ধক সফল কৰি তুলিব বিচাৰে আৰু তাৰ বিপৰীতে আন বহু মানুহ এই অসম বন্ধৰ বিৰোধী। কোনো এক কাৰণত অসম বন্ধ দি সমগ্ৰ অসমৰ উন্নতি স্তব্ধ কৰাৰ সলনি বুজাবুজিৰে কোনো এক সিদ্ধান্তত উপনীত হ'ব পাৰি। অসমত বহু দুখীয়া লোকে কাম কৰে। আনৰ ঘৰৰ কাম কৰি খোৱা মানুহবোৰে যেন সেইদিনা ওলাবলৈ ভয় কৰে। অথচ অসম বন্ধ মানেই তেনে লোকৰ ৰাতিলৈ ঘৰত চৌকা নজ্বলে। একপ্ৰকাৰে অসম বন্ধই সেইসকল লোকৰ জীৱনত বেয়াকৈ প্ৰভাৱ পেলায়।

কিছুমান অহেতুক কাৰণত অসম বন্ধ পালন কৰিব লাগে বুলি মই নাভাবোঁ। আমাৰ অসমত বহুত সৰু সৰু কথাতেই অসম বন্ধ দিয়া দেখিবলৈ পোৱা যায়, যিবোৰ অসমৰ উন্নতিৰ পথত বাধাস্বৰূপে থিয় দিয়ে। 'নাগৰিকত্ব সংশোধনী বিধেয়ক'খন ৰাজনাথ সিঙে ৰাজ্যসভাত উত্থাপন কৰা দিন ধৰি এতিয়ালৈকে অসমত বহু বন্ধ পালন কৰি অহা হৈছে। কিন্তু এই বন্ধবোৰ পালন কৰি একোতে সু-ফল পোৱা নাই। বন্ধৰ দিন বুলিলে মহাবিদ্যালয়, বিদ্যালয় সকলোবোৰ বন্ধ হয়, গাড়ী-মটৰ নচলে, বিভিন্ন অফিচ-কাছাৰীও বন্ধ হৈ পৰে। মুঠৰ ওপৰত বন্ধৰ দিন বুলিলে এক নিস্তব্ধ দিন। এনে হ'লে অসমখন উন্নতিৰ ক্ষেত্ৰত আগবাঢ়ি যাব কেনেদৰে? এনেক্ষেত্ৰত এক প্ৰশ্নৰ অৱতাৰণা হয়— 'কি হ'ব অসমৰ ভৱিষ্যৎ'?

কিছুমান অনৰ্থক কাৰণত মিছাতে অসম বন্ধ পালন নকৰাটোৱেই ভাল। যদি অসম বন্ধ দিলেই সকলো সমস্যাৰ সমাধান হয়েই, তেনেহ'লে অসম বন্ধ দিবলগাকৈ বহু বিষয় অসমত আছে। অসম বন্ধই সকলো সমস্যাৰ সমাধান নকৰে ঠিকেই, কিন্তু অসম বন্ধই বহুক্ষেত্ৰত নাগৰিকক সজাগ কৰিও তোলে। সেয়েহে গুৰুত্বপূৰ্ণ কিছুমান বিষয়তহে অসম বন্ধ পালন কৰা উচিত বুলি ভাবো। কিছুমান অনৰ্থক কাৰণত অসম বন্ধ পালন কৰি অসমৰ উন্নতিৰ গতি ৰুদ্ধ কৰাৰ প্ৰয়োজন নাই। অসম বন্ধই বহু ক্ষতি কৰি আহিছে। অসম বন্ধৰ দিনা মাৰ-পিট প্ৰায়েই লগা দেখা যায়। ভালতকৈ বেয়াটোহে বেছি হোৱা দেখা যায়।

অসম বন্ধৰ গুৰুত্ব একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি। সেইবুলি লেঠাৰি নিছিগাকৈ দিয়া অসম বন্ধই অসমৰ উন্নতিত হেঙাৰৰূপে থিয় দিয়ে।

একেবাৰে শেষত এটাই কওঁ, অসম বন্ধই যদি সকলো সমস্যাৰ সমাধান, তেন্তে 'অসম বন্ধ হওক ভালৰ বাবে, সমগ্ৰ অসমৰ উন্নতিৰ বাবে'।

ঃঃঃঃঃ

## আছিফা শ্বামচী

ৰাজনীতি বিজ্ঞান বিভাগ

'অসম বন্ধ' সাম্প্ৰতিক অসমৰ এক অতি পৰিচিত শব্দ। অসমত বৰ্তমান দল-সংগঠনৰ অভাৱ নাই। অসমৰ নানা সমস্যাসমূহৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰক সেই নিৰ্দিষ্ট সমস্যা সমাধানৰ বাবে হেঁচা প্ৰয়োগ কৰাৰ উদ্দেশ্যেই সাধাৰণতে অসম বন্ধ দিয়া হয়। অসম বন্ধৰ দিনা সমগ্ৰ অসমৰ ৰাস্তা-ঘাট, অফিচ-কাছাৰী, দোকান-পোহাৰ আদি বন্ধ ৰখাৰ আহ্বান জনোৱা হয়।

বৰ্তমান অসমৰ ৰাজনৈতিক পৰিস্থিতি ঠিক সুস্থিৰ নহয়। অসমৰ দল-সংগঠনসমূহ ৰাজনৈতিক সুস্থিৰতা বজাই ৰখাৰ উদ্দেশ্যে অসম বন্ধ দিয়ে সঁচা কিন্তু ইয়াৰ পৰিণাম ওলোটাহে হোৱা দেখা যায়। জনসাধাৰণৰ চৰকাৰৰ লগত সাধাৰণতে প্ৰত্যক্ষ যোগাযোগ নাথাকে। সেয়ে চৰকাৰক জনসাধাৰণৰ বহতীয়া কৰাৰ মানসেৰে সঘনাই অসমত অসম বন্ধ দিয়া হয়। অসম বন্ধই অসমৰ সৰ্বাংগীণ উন্নয়নত কিদৰে প্ৰভাৱ পেলাইছে সেয়া এক গুৰুত্বপূৰ্ণ বিষয়।

অসম বন্ধ যদিও জনসাধাৰণৰ কল্যাণৰ বাবে দিয়া হয় বৰ্তমান ই অসমৰ উন্নয়নৰ হেঙাৰ হৈহে দেখা দিছে। অসম বন্ধৰ ফলত হোৱা ক্ষতিৰ আমি সকলো ভুক্তভোগী। অসম বন্ধই সাধাৰণ মানুহখিনিৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলায়। অসমত বৰ্তমানেও বহু এনেকুৱা পৰিয়াল আছে য'ত মানুহবোৰে দিন হাজিৰা কৰি কোনোমতে পেট পোহে। দোকান, কল-কাৰখানাৰ শ্ৰমিকসকলৰ আয়ৰ উৎস বন্ধ হৈ পৰে এই অসম বন্ধৰ ফলস্বৰূপে। যাতায়াত বন্ধৰ ফলতো বহু সমস্যাত আক্ৰান্ত হৈ পৰে অসমৰ জনসমাজ। বিদ্যালয়, মহাবিদ্যালয়ৰ বন্ধই শিক্ষাৰ্থীৰ শিক্ষা লাভত হেঙাৰ হৈ থিয় দিয়ে। বৰ্তমান অসম বন্ধ কেৱল জনসাধাৰণৰ হিতাৰ্থে অনুষ্ঠিত কৰা নহয়। ইয়াৰ লগত জড়িত থাকে দল-সংগঠনসমূহৰ ব্যক্তিগত তথা দলীয় স্বাৰ্থ। অসম বন্ধ দি অসমৰ কোনো সমস্যাই সমাধান হ'ব নোৱাৰে। ইয়াৰ বাবে লাগিব চৰকাৰ আৰু জনসাধাৰণৰ ঐক্যবদ্ধ প্ৰচেষ্টা।

সাম্প্ৰতিক অসমত বন্ধ দিয়াতো এক ফেশ্বনত পৰিণত হৈছে। ইয়াৰ ফলত জনসাধাৰণৰ হোৱা অপকাৰবোৰৰ প্ৰতি সজাগ হোৱাৰ সময় আহি পৰিছে। অসম বন্ধৰে নহয়, দলে-বলে সামাজিক কামত যোগদান কৰিলেহে স্থায়ী সমাধান লাভ কৰিব পৰা যাব। এইখিনিতে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা মহান বিজ্ঞানী ড° এ, পি, জে. আব্দুল কালামৰ আদৰ্শ স্মৰণ কৰিব পাৰি। জীৱিত কালত তেখেতে নিজে ঘোষণা কৰি গৈছিল যে তেখেতৰ মৃত্যুৰ দিনটোত যাতে কোনো ধৰণৰ বন্ধ পালন কৰা নহয়। তেওঁৰ মৃত্যুৰ দিনটোতো যাতে ভাৰতৰ জনতাই নিজ কৰ্ম কৰি যায়। তেখেতৰ মতে এয়াই হ'ব তেখেতলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি। এনে আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমৰ জনসাধাৰণে 'কৰ্মই ধৰ্ম' কথাষাৰ সাৰোগত কৰি দেশ তথা জাতিৰ উন্নয়নৰ অংশীদাৰ হোৱা উচিত।

ঃঃঃঃঃ

## নীহাৰিকা দত্ত

গণিত বিভাগ

আমি অসম দেশৰ বাসিন্দা আৰু এইখন অসমৰে মূল উৎসৱ হ'ল বিহু। কিন্তু বৰ্তমান আপুনি যদি এটি কণমানি শিশুকো প্ৰশ্ন কৰে যে অসমৰ জাতীয় উৎসৱ কি, তেন্তে তেওঁৰ উত্তৰ কোনো মুহূৰ্তত অসম বন্ধ যে নাহিব তাৰ কোনো মানে নাই। বৰ্তমান সময়ত অসমৰ প্ৰতিটো সমস্যা সমাধানৰ ব্ৰহ্মাস্ত্ৰ হিচাপে অসম বন্ধক

সকলো দল-সংগঠনকে ধৰি অনেক লোকে নিজৰ ব্যৱহাৰ্য সামগ্ৰী কৰি পেলাইছে। কিন্তু ইয়াৰ পৰা সমাধান ক'ত? পাইছে জানো কোনোবাই কিবা? গতিকে অনৰ্থক বন্ধবোৰক সমৰ্থন কৰি যিদৰে ৰাজ্যখনৰ পয়সত্তৰ শতাংশ লোকে পৌৰাণিকতাকো পাহৰিব পৰা নাই তেনেস্থলত অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল অসম বন্ধ কেতিয়াও হ'ব নোৱাৰে। যদি জাতি, মাটি, ভেটিৰ স্বাৰ্থত বন্ধক সমৰ্থন কৰে, তেন্তে সেয়াও পঞ্চাছ শতাংশহে কাৰ্যকৰী। বন্ধই সকলো সমস্যাৰ মূল নহয়। প্ৰায় চাৰি-পাঁচ বছৰৰ পৰা দেখি আহিছোঁ, এই নদীবান্ধ প্ৰকল্পৰ আৰম্ভণি বুলি পঁচিছ ঘণ্টা অসম বন্ধ, এই হত্যাকাণ্ড বুলি আঠচল্লিশ ঘণ্টা অসম বন্ধ, এই ধৰ্ষিতাই বাউলী হৈ কান্দিছে অসম বন্ধ। কিন্তু তাৰ ফলত পালোঁ কি? নিজৰ শক্তিৰ অপচয়, সময়ৰ অপচয়, পুঁজিৰ অপচয় ইত্যাদি অনেক ক্ষতি।

আজি প্ৰায় ছমাহ আগৰ কথা এটাকে যদি দোহাৰি চাওঁ অসম বন্ধ যে সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ তাৰ স্পষ্টীকৰণ বেলেগকৈ নিদিলেও হ'ব। ৯ জুন, ২০১৮ তাৰিখে গোটেই অসমত হাহাকাৰ। ডকমকা-কাণ্ড, য'ত অভি-নীলৰ দৰে সম্ভাৱনাপূৰ্ণ দুগৰাকী যুৱকে মৃত্যুক আকোঁৱালি ল'লে। গোটেই অসমজুৰি বন্ধ দিলেহে দিলে। কিন্তু পালে কি? আজিওচোন ন্যায় নাপালে।

যি কি নহওক, অত্যধিক টকা-পইচা খৰচ কৰি মেডিকেল বা ইঞ্জিনিয়াৰিং ক'চিং এটা লৈ পৰীক্ষা দিবলৈ যাবলৈ ওলাইছে সেইদিনাই আকৌ অসম বন্ধ। এজন ভৱিষ্যতৰ সু-দক্ষ অভিযন্তাৰ সেইখিনিতেই মৃত্যু হ'ল। এই কথা বহুতৰ লগতেই হয়। আজিৰ এজন ছাত্ৰ ভৱিষ্যতৰ একোজন সু-দক্ষ নাগৰিক। কিন্তু সেই ছাত্ৰই এটা অসম বন্ধৰ বাবে প্ৰতিটো ক্ষেত্ৰতে যদি বঞ্চিত হয়, তেন্তে সেই বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ বুলি ক'লে কোনো ভুল কোৱা নহ'ব।

কিন্তু কিছু ক্ষেত্ৰত যদি আমি মন কৰোঁ, বৰ্তমান পৰিস্থিতি অনুসৰি নাগৰিকত্ব সংশোধনী বিলৰ বিৰুদ্ধে অসম বন্ধ দি থকা হৈছে। এই অসম বন্ধক সমৰ্থন কৰিলে অন্তত জাতিৰ সুৰক্ষা হ'ব। তেনে বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ নহয়, বৰঞ্চ জখলাস্বৰূপহে।

কেইদিনমান আগৰ বুলি নকওঁ, সঘনাই হৈ থকা বলাৎকাৰৰ বিৰোধিতা কৰি দুদিনৰ যি অসম বন্ধ দিয়ে সেই অসম বন্ধই ধৰ্ষিতাক ন্যায় দিয়াই নে? নে অইন কিবা সুবিধা কৰায়? ধৰ্ষিতাক প্ৰচণ্ড এটি মানসিক চাপ দি অসম বন্ধৰে আন্দোলন কৰি ন্যায় বিচাৰিলে এদিনতে অসমৰ ছাগৈ সৰ্বাংগীণ উন্নয়ন হয়। হাঁহিৰ খোৰাকৰ বস্তু হ'ল অসম বন্ধ।

এদিনৰ অসম বন্ধই বা দুদিনৰ কিম্বা যিমান দিনৰেই নহওক কিয়, অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ ভেটি নহয়। গতিকে ইয়াক মষিমূৰ কৰি এখন সুস্থ-সবল অসম গঢ়ি তোলক।

ঃঃঃঃঃ

## ৰিছা ফুকন

ৰসায়ন বিজ্ঞান বিভাগ

'এসাঁজ ভাতৰ মূল্য কিমান তুমি কি বুজিবা চাহাব বাবু। তুমিতো বিলাসী কোঠাৰ এজন দামী মানুহ। ভাতসাঁজৰ মূল্য সেই মানুহজনক সুধিবা যি নিজৰ কষ্টৰ ঘাম মাটিত পেলাই দহজনৰ সুবিধাৰ্থে ৰিক্সা নহ'লে ঠেলাখন লৈ আহে।'

অসম। সকলোৰে পৰিচিত এখন ঠাই। সেউজীয়া চাহ তথা এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত ঠাইখনত এদিনত কুৰিটাতকৈও অধিক সমস্যাই দেখা দিয়ে। কোনো এটা সংগঠনৰ কথা এজনে বেয়াকৈ ক'লেই অসমত অসম বন্ধ হৈ যায়। বহুত সহজ হয় ছাগৈ বন্ধবোৰ দিবলৈ। কিন্তু বন্ধবোৰৰ আঁৰত কি হয় কোনোবাই অলপ সময়ৰ বাবে হ'লেও বাৰু ভাবেনে?

কোনোবাই যদি প্ৰশ্ন কৰে, অসমৰ এটা ডাঙৰ সমস্যাৰ নাম কোৱা। কোনোৱে তাৰ উত্তৰত গঁড় হত্যা, বানপানী, গৰাখহনীয়া আদিৰ বিষয়ে ক'ব, কিন্তু এনে সময়ত মই বা এই যুৱ প্ৰজন্মই প্ৰথমে অসম বন্ধৰ কথাহে ক'ব। তাৰ পিছত আহিব বাকীবোৰ সমস্যা। অসম বন্ধ দিয়া দাদাসকল, তোমালোকে ৰাস্তাত টায়াৰ জ্বলাইছা, কাৰোবাৰ প্ৰতিমূৰ্তি দাহ কৰিছা মানি লৈছোঁ। কিন্তু তোমালোকে দিয়া অসম বন্ধৰ দিনা অকণমান সময়ৰ বাবে খোলা এখন দোকানৰ বস্তুৰ ক্ষতি কৰিবলৈ ক'ত সাহস পালা? বস্তু আদান-প্ৰদান কৰা গাড়ীসমূহৰ গ্লাছ ভাঙিবলৈ ক'ত সাহস পালা? কাৰোবাক বন্ধ নমনাৰ অপৰাধত যে প্ৰহাৰ কৰিছা, সেই মানুহৰ জীৱনটো আকৌ তোমালোকে ঘূৰাই দিব পাৰিবা জানো? মই ন দি ক'ম, তোমালোকে তেনে কাম কৰিব নোৱাৰা। কোনোবা এজন মহান মনীষী ঢুকাল। তেওঁৰ বাবে অসম বন্ধ দিয়া, আমি একো নকওঁ। কিন্তু যিবোৰ কাৰণত তোমালোকে অসম বন্ধ দিলা, তাৰ পৰা কাৰ কিমান ক্ষতি হয় তোমালোকে জানো হিচাপ লোৱা?

অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ। কথাষাৰ মিছা নহয়। অসম বন্ধই অসমৰ নিৰানব্বৈ শতাংশৰে ক্ষতি কৰে। মাথোঁ এক শতাংশৰহে সমস্যা সমাধান হয়। এচামে অসম বন্ধ দি দিলে, এচামে অসম বন্ধৰ ফলত সমস্যাত পৰিল। স্কুল-কলেজৰ শিক্ষাৰ্থীসকলে অসম বন্ধৰ ফলত কেতিয়াবা পৰীক্ষা দিবলৈ যাব নোৱাৰে। কাৰণ গাড়ী নচলে। হাজিৰা কৰা লোকসকলৰ দিনটোৰ ভাতসাঁজৰ মাৰ পৰিল। এখেতসকলৰ বাবে কিবা বেলেগ উপায় কোনোবাই জানো দিব। কিছু লোকে অসম বন্ধত দিনটো ঘৰখনত পৰিয়ালৰ সৈতে সুখত কটায় আৰু কিছু লোকে পেটৰ তাড়নাত দুখৰ চকুলো টোকে। এনেদৰেই আৰু হয়তো বহু অসুবিধা হ'ব পাৰে অসম বন্ধৰ ফলত।

শেষত এটাই কথা— অসমখনত অসম বন্ধৰ ফুলেৰে যি মালা পিন্ধাইছা, সেই মালা ছিঙিবৰ হ'ল। অসম বন্ধটো উৎসৱ হ'বলৈ নিদিবা। বিহুটোক জাতীয় উৎসৱৰূপে জীয়াই ৰাখা।

ঃঃঃঃঃ

## কৰিশ্মা বৰুৱা

প্ৰাণী বিজ্ঞান বিভাগ

আৰু হয়তো বেছি দিন নাই, অসমৰ জাতীয় উৎসৱৰ তালিকাত আৰু এটা নতুন উৎসৱে ঠাই পাব। 'অসম বন্ধ' নামৰ সেই উৎসৱটো আৰু তাৰ কোনো নিৰ্দিষ্ট সময় বা দিন নাথাকিব, যাৰ যেতিয়াই মন যায় তেতিয়াই এই উৎসৱ পালন কৰিব পাৰিব। অতি পৰিতাপেৰে আজিৰ প্ৰজন্ম হৈ নিজৰ মাতৃভূমি বা ৰাজ্যখনৰ বিষয়ে এইদৰে ক'বলৈ বাধ্য হৈ পৰিছোঁ। আজিৰ যুগত সেই অসম বন্ধটো সমাজৰ এক ব্যাপক ব্যাধি হোৱা পৰিলক্ষিত হৈছে। সকলোৱে ভালৰ বাবে চিন্তা কৰে, কিন্তু য'ত প্ৰথম পদক্ষেপেই ভুলৰ পৰা আৰম্ভ কৰে, ভাল কেনেকৈ আশা কৰিব পাৰি? দেহে-প্ৰাণে উন্নতিৰ কামনা বিচাৰি আন্দোলন বা ধৰ্ণা কৰা সেইসকলে বন্ধ ঘোষণা কৰাৰ সময়ত কিদৰে ভাবে সেয়াহে বিবেচনাৰ বিষয় হৈ পৰিছে। উন্নতি কাৰো একেদিনাই নহয়, সেয়া সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰা সত্বেও এদিনৰ বাবে দিয়া বন্ধটোৰ ঘোষণাৰ সময়ত সেইবোৰ যেন সকলোৱে পাহৰি যায়। ক্ষন্তেক সময়ৰ বাবে হোৱা গাড়ীৰ ভিৰত যেতিয়া লানি নিছিগা শাৰীৰে গোটেই অঞ্চলটো ভৰি পৰে, তেতিয়া এদিন বা দুদিনীয়া বন্ধত কি হ'ব পাৰে সেয়া হয়তো কাৰো কল্পনাৰ অতীত নহয়। ৰোগীৰ মৃত্যুত চিকিৎসালয় ঘেৰাও কৰা লোকসকলে কেতিয়াও বিবেচনা কৰি নাচায় যে অসম বন্ধৰ বাবে কৰা পথ অৱৰোধটোৰ বাবেই আজি ৰোগীজনৰ মৃত্যু হ'ল। হয়তো অন্তৰালত থকা আচল উৎসটো জানিও নজনাৰ ভাও ধৰি তেওঁলোকে ভাল পায়। নহ'লেনো বন্ধৰ প্ৰকোপত নিজ সন্তানকো বিদ্যালয়লৈ যাবলৈ নিদিয়েনে? ঋণাত্মক দিশৰ তুলনাত ন্যূনতম ধনাত্মক দিশবোৰ চালি-জাৰি চোৱাটো কাৰো যেন কৰ্তব্য নহয়। আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈ দেশৰ প্ৰজন্ম। কিন্তু বন্ধৰ বাবে বিদ্যালয়লৈ যাব নোৱাৰাটো চাই থকাটো নিত্য কৰ্তব্য। দল-

সংগঠনবোৰে অসমৰ সৰ্বাংগীণ উন্নয়ন বিচাৰে। কিন্তু উন্নয়ন বিচাৰি অসম বন্ধ দিয়াটোত কিহৰ উন্নয়নৰ চাবি-কাঠী লুকাই থাকে, সেয়াহে বুজাটো টান। উন্নয়নৰ দুৱাৰডলিত বৈ যেতিয়া তলা ওলমাই দিয়ে, তাত কিদৰে উন্নয়ন হয়? উন্নয়ন যেতিয়া নিজৰ অঞ্চলটোৰ পৰাই আৰম্ভ হোৱাত বাধা আহি পৰে, সৰ্বাংগীণ উন্নতি কেনেদৰে কল্পনা কৰিব পাৰোঁ। অসম বন্ধৰ বিকল্পও সকলোৰে জ্ঞাত। এনেকুৱা সমাজৰ উন্নতিত হেঙাৰ হোৱা ব্যাধিবোৰ দূৰ কৰি কিছুমান সমাজৰ হকে হিত হোৱা কাৰণো আমাৰ মাজত আছে। উন্নয়ন বিচাৰি চিঞৰি ফুৰাসকলেও যেন অসম বন্ধৰ প্ৰতিযোগিতাতহে নামি পৰিছে। নিজৰ দল-সংগঠনৰ শক্তি দেখুৱাবলৈ সকলোৱে উঠি-পৰি লাগিছে। আমাৰ সমাজেও ব্যাধি বঢ়োৱাতহে গুৰুত্ব আৰোপ কৰিছে। মাত মাতিবলৈও শক্তি যেন নাই কাৰো। কিন্তু উন্নয়ন সকলোকে লাগে। যদি অতি সোনকালে আমিয়েই ইয়াৰ ঔষধ বিচাৰি নুলিয়াও, উন্নয়নে আমাক বৰ বেয়াকৈ ডুবাব।

ঃঃঃঃঃ

## ভায়লিনা শইকীয়া

ৰসায়ন বিজ্ঞান বিভাগ

অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ। বৰ্তমান সময়ত অসমত বন্ধ সংস্কৃতিৰ ৰাজত্ব। প্ৰতিটো সমস্যা সমাধানৰ দাবীত কেৱল বন্ধ। বন্ধৰ যোগেদিয়ে বৰ্তমান সময়ত আমাৰ অসমীয়া জাতিয়ে সকলো সমস্যা সমাধানৰ চেষ্টা চলায়। সুদূৰ অতীতৰ পৰা আৱেগপ্ৰৱণ জাতি হিচাপে পৰিচিত অসমীয়াই নিজৰ আৱেগসৰ্বস্ব দিশটোৰ কাৰণেই সকলো ক্ষেত্ৰতে পিছ হুঁহকিব লগা হৈছে। বছৰৰ তিনিশ পয়ষষ্ঠি দিনৰ বেছিভাগ সময়তে সমস্যা সমাধানৰ দাবীত অসম বন্ধ দিয়া হয়। কিন্তু তাৰ ফলস্বৰূপে সমস্যা সমাধানৰ পৰিৱৰ্তে অসমবাসীৰ সমস্যা দিনক দিনে বাঢ়িছে। বন্ধ সংস্কৃতি বৰ্তমান সময়ত অসমৰ সৰ্বাংগীঁ উন্নয়নৰ মূল হেঙাৰ হৈ পৰিছে। অসমৰ জনতাই মূল্যবৃদ্ধি, জনজাতিকৰণ, নাগৰিকত্ব সংশোধনী বিধেয়কক লৈ হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। মূল্যবৃদ্ধিক লৈ যদি অসম বন্ধ দিয়ে তেতিয়াচোন বাহিৰৰ পৰা ৰপ্তানি কৰা সামগ্ৰীসমূহ প্ৰৱেশত বাধাৰ সৃষ্টি হয়। ফলত মূল্যবৃদ্ধি হ'বই। বন্ধৰ ফলত বিভিন্ন সময়ত পৰীক্ষা, পৰীক্ষাৰ্থীসকল অপদস্থ হ'বলগা হৈছে। বন্ধৰ সমৰ্থকসকলে বিভিন্ন সময়ত চৰকাৰী-বেচৰকাৰী বাহন, কাৰ্যালয় আদিৰো ক্ষতিসাধন কৰা পৰিলক্ষিত হয়।

ঃঃঃঃঃ

## ধৰিত্ৰী বৰুৱা

প্ৰাণী বিজ্ঞান বিভাগ

'অসম বন্ধ' সকলোৰে এটা চিৰপৰিচিত শব্দ। বৰ্তমান সময়ত অসম বন্ধৰ প্ৰভাৱ ইমানেই দ্ৰুত ৰূপত বাঢ়িছে যে বছৰটোৰ প্ৰত্যেকটো মাহতেই মাত্ৰ আঠ দিনেই বন্ধৰ নামত পালন কৰা হয়। ফলস্বৰূপে, মাৰটো গৈ পৰেগৈ শিক্ষাৰ্থীসকল বা বিভিন্ন কৰ্মীসকলৰ মূৰত, লাগিলে তেওঁ অট' চালকেই হওক বা ঠেলা চালকেই হওক।

উন্নয়ন বুলিলে সামাজিক, অৰ্থনৈতিক তথা সাংস্কৃতিক প্ৰেক্ষাপটত মনৰ সকলো দিশতে সমানে আগবাঢ়ি যোৱাটো বুজায়।

বিশ্বৰ পৰা ফালৰি কাটি আহি একেবাৰে আমাৰ অসমৰ প্ৰেক্ষাপটত চকু দিলে দেখিম যে, কোনো সংগঠনে চৰকাৰৰ পৰা যিকোনো সিদ্ধান্তত উপনীত কৰাবলৈকে এই 'অসম বন্ধ' নামৰ দিনকেইটা উদ্‌যাপন কৰে। যাৰ ফলস্বৰূপে অসম বৰ্তমানৰ যুগতো সামাজিক তথা অৰ্থনৈতিক দিশত অত্যন্ত জুৰুলা।

বন্ধ বুলিলে সংগঠনসমূহে প্ৰায়ে টায়াৰ জ্বলোৱা, মাৰ-পিট কৰা, যান-বাহনসমূহ জ্বলাই দিয়া বা শিলগুটি নিক্ষেপ কৰা আদি কাম, হিংসাত্মক কাৰু-কাৰ্যলৈ ৰূপান্তৰ কৰায় আৰু এই ছবিখনেই আমাৰ সচৰাচৰ দেখিবলৈ পোৱা অতি চিনাকি ছবি। 'অসম বন্ধ'ৰ প্ৰভাৱ বিশেষকৈ শিক্ষাৰ্থীসকলৰ ওপৰত এটা বোজাৰূপে থিয় দিয়ে। কিয়নো এটা শিক্ষা ব্যৱস্থা নিৰ্ধাৰিত বা সম্পূৰ্ণ কৰে সকলো দিশ যেনে উৎসৱ-পাৰ্বণৰ পৰা আদি কৰি বাৰ্ষিক অনুষ্ঠানসমূহলৈকে। তেনেস্থলত অসম বন্ধৰ প্ৰভাৱে শৈক্ষিক দিনকেইটা কমাই আনে আৰু অতি কম দিনৰ ভিতৰতে পাঠ্যপুথিৰ অন্তৰ্গত সূচীপত্ৰ বা ছীলেবাছখন শেষ কৰিব লগা হয়। যাৰ বাবে অসমৰ শৈক্ষিক দিশটো বহু পৰিমাণে পিছুৱাই যায়।

জাতীয়তাবাদী দল-সংগঠনসমূহৰ লগত থকা সদস্য একাংশই বন্ধৰ সুৰুঙা লৈ ৰাজপথ বা কোনো সামাজিক ঠাইত উদ্ভণ্ডালি কৰা দেখা যায়। ফলত বৌদ্ধিক সমাজখনৰ প্ৰকৃত স্বৰূপটো বিকৃত হৈ পৰে। বৰ্তমান যুৱ প্ৰজন্মৰ মাজত বন্ধৰ জনপ্ৰিয়তা দেখা পোৱা গৈছে। কাৰণ, তেওঁলোকৰ মতে বন্ধবোৰ হৈ পৰিছে উৎসৱ। লক্ষ্য কৰিবলগীয়া এয়ে যে তেওঁলোকে যিটো দল বা সংগঠনৰ হৈ ভূমিকা পালন কৰে, তেওঁলোকে সংগঠনকাৰীসকলক ক্ষমতা বা ভোগবাদৰ লালসা দেখুৱায়। উদাহৰণস্বৰূপে, সংগঠনকাৰীসকলক কোৱা হয় যে 'আমাৰ লগত অলপ লাগি দিয়া, শেষত আমি পাৰ্টী কৰিম।' এনেদৰে লালসা দেখুৱাই প্ৰকৃত কাৰণ নজনোৱাকৈয়ে এচামক বন্ধৰ সৈতে জড়িত কৰি পেলায়। ফলস্বৰূপে তেওঁলোক হৈ পৰে এলেহুৱা বা সামাজিক কামত অনাগ্ৰহী।

এনেদৰে অসমৰ প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যাব যে বহু সামাজিক বা অৰ্থনৈতিক সমস্যাৰ মূলতে আছে অসম বন্ধ। সেয়া বাৰুকৈয়ে দৃষ্টিগোচৰ হৈ পৰে। অসম বন্ধ পালন কৰি কোনো এটা দাবী উত্থাপন কৰাতকৈ আইনী প্ৰক্ৰিয়াৰে তাৰ সমাধান কৰিবলৈ যোৱাটোহে এজন প্ৰকৃত নাগৰিকৰ পৰিচয় বুলি মই ভাবোঁ।

গতিকে, আহক, সকলোৰে প্ৰতিজ্ঞাবদ্ধ হওঁ যে, ভোগবাদী লালসাৰ বিপৰীতে গৈ এখন অসম বন্ধবিহীন সুস্থ-সবল সমাজ গঢ়োঁ।

ঃঃঃঃঃ

## ৰিকৃষ্ণা এছ্ বৰা

ৰসায়ন বিজ্ঞান বিভাগ

বৰ্তমান অসমত অন্যান্য অনুষ্ঠান পতাৰ কথা শুনাতকৈ অসম বন্ধৰ কথাহে শুনিবলৈ পোৱা যায়। বিশেষকৈ চলিত বৰ্ষত 'কেব'ৰ কাৰণে অসম বন্ধ দি থকা দেখিবলৈ পোৱা গৈছে। এক কথাত ক'বলৈ হ'লে অসম বন্ধ অসমখনৰ এক প্ৰধান উৎসৱলৈ পৰিণত হৈছে।

অসম বন্ধৰ প্ৰভাৱ বেছিকৈ পৰাৰ মুখ্য কাৰণ হৈছে, বন্ধ দিয়াসকলে ভাবি লয় যে অসম বন্ধই অসমৰ ৰজাঘৰীয়াসকলৰ দৃষ্টি আকৰ্ষণ কৰিব আৰু তেওঁলোকে যিটো কাৰণে বন্ধ দিছে সেই কাৰণটোৰে সফলতা লাভ কৰিব। এইটো এটা নিতান্তই ভুল ধাৰণা কিয়নো, অসম বন্ধ কোনো সমস্যাৰ সমাধান হ'ব নোৱাৰে। বৰঞ্চ অসম বন্ধৰ প্ৰভাৱত কৃষিজীৱী আৰু দৈনিক হাজিৰা কৰা লোকসকলৰ বহুত কষ্ট হয়।

অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ। ইয়াৰ প্ৰধান কাৰণসমূহ হৈছে—

(ক) অসম বন্ধ কাৰ্যকৰী হোৱাৰ ফলত দোকান-পোহাৰসমূহ বন্ধ ৰখা হয়, যাৰ বাবে সাধাৰণ মানুহখিনি বহুত সমস্যাত পৰে।

(খ) অসম বন্ধৰ ফলত গাড়ী-মটৰৰ সংখ্যা কমি যায়, ইয়াৰ ফলত যিসকলে দূৰণিত গৈ চাকৰি কৰে তেওঁলোক সেই দিনটোত ঘৰতে বন্দী হ'বলগা হয়। গাড়ী-মটৰ নচলাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে সময়ত স্কুল-কলেজলৈ যাব নোৱাৰে আৰু তেওঁলোকৰ পঢ়া লোকচান হয়।

(গ) অসম বন্ধৰ প্ৰভাৱত যিসকলে বন্ধ সমৰ্থন কৰে, তেওঁলোকে ঠায়ে ঠায়ে গাড়ী-মটৰ জ্বলাই অভদ্ৰামি কৰাও দেখা যায়।

অসম বন্ধই দৈনন্দিন জীৱনৰ কৰ্মৰাজিত বিৰূপ প্ৰভাৱ পেলায়। যিসকল জনগোষ্ঠী বা সংগঠনে অসম বন্ধ দিয়ে, তেওঁলোকে এই কথাটো লক্ষ্য কৰা উচিত যে এদিন বন্ধ দিয়াৰ ফলত সেই কাৰ্যই কেইবাদিনলৈ প্ৰভাৱ পেলাব পাৰে। এদিন স্কুল-কলেজ, অফিচ, কাৰ্যালয় বন্ধ হোৱাৰ ফলত সেইখিনি কাম বেলেগ এদিন কৰিলে অযথা সময়ো নষ্ট হয়। এনেদৰে এদিনৰ পাছত এদিন বন্ধ দি থকাৰ বাবে ই আমাৰ অসমত নঞৰ্থক প্ৰভাৱ পেলাইছে। যাৰ ফলত অসমৰ উন্নতিত বাধা আহি পৰিছে। অসম বন্ধ দিয়াৰ সলনি যদি তেওঁলোকে নিজৰ সমস্যা অন্য কিবা প্ৰকাৰে চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ চেষ্টা কৰে, তেন্তে সেয়া তেওঁলোকৰ তথা অসমৰ বাবে সুখজনক হ'ব। অসম বন্ধ যিহেতু সমস্যাৰ সমাধান নহয় সেয়ে সকলোৱে মিলি বন্ধ বৰ্জন কৰিব লাগে।

ঃঃঃঃঃ

**ৰৌজলিন আলী**
প্ৰাণী বিজ্ঞান বিভাগ

'অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ।
ভাৰতৰে পূৰ্ব দিশৰ
সূৰ্য উঠা দেশ।।'

উক্ত কবিতাফাঁকি সংগীতসূৰ্য ড° ভূপেন হাজৰিকাদেৱৰ এক কালজয়ী সৃষ্টি। এই গীতটিৰ জৰিয়তে অসমখনৰ এক সহজ-সৰল, শ্যামলী, সুযমা-নিৰুপমা যেন লগা এক পৰিৱেশৰ সূচনা হয়। কিন্তু বৰ্তমান অসমৰ সামগ্ৰিক পৰিৱেশ বিপৰীত হোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত অসমখনৰ সামগ্ৰিক উন্নতিত কিছু ব্যাঘাত জন্মিছে। সাম্প্ৰতিক অসমৰ বিভিন্ন দিশসমূহ যেনে— সাংস্কৃতিক, সামাজিক, বৌদ্ধিক, ৰাজনৈতিক আদি সকলোতে এক ব্যতিক্ৰম পৰিৱেশৰ সূচনা হৈছে, য'ত কেৱল মানুহৰ ব্যক্তিকেন্দ্ৰিক স্বৰূপটো প্ৰকাশ পাইছে।

সাম্প্ৰতিক অসমত অসমীয়াৰ বিভিন্ন দায়িত্ব আৰু কৰ্তব্য আছে যদিও এই কৰ্তব্যক অৱহেলা কৰাৰ ফলত সকলো দিশতে এক অশান্তিকৰ পৰিৱেশে বিৰাজ কৰিছে। আজিকালি প্ৰায়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন দল-সংগঠনে বন্ধ ঘোষণা কৰাটো সকলোৰে বাবে সাধাৰণ হৈ পৰিছে। কিন্তু সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত জনগণক সজাগ কৰাৰ পৰিৱৰ্তে ঘাইপথত টায়াৰ জ্বলাই প্ৰতিবাদ কৰা, বন্ধ ঘোষণা কৰা আদি কাৰ্যই বিভিন্ন ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। অসমখনৰ উন্নতিৰ ক্ষেত্ৰত সকলোৰে সহযোগ আছে। গতিকে মাজে মাজে দি থকা বন্ধ কাৰবাৰটোৰ কাৰণে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি বহুতৰে সমস্যাৰ সৃষ্টি হয় যাৰ ফলত পৰোক্ষভাৱে হওক বা প্ৰত্যক্ষভাৱে হওক অসমখনৰ উন্নতিত প্ৰভাৱ পৰে।

শেহতীয়াকৈ ঘোষণা কৰা নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ বাতিলৰ দাবীত অসমত যি পৰিৱেশৰ

সূচনা হৈছে, সেয়া চিন্তা কৰিবলগীয়া। সেয়েহে সকলো দল-সংগঠন, জনগোষ্ঠীয়ে জনগণক সচেতন কৰাৰ উদ্দেশ্যে কিছুমান অনুষ্ঠান-অনুষ্ঠিত কৰিব লাগে, জাতীয় প্ৰেম, জাতীয় চেতনা জাগ্ৰত কৰাৰ চেষ্টা কৰিব লাগে যাতে সকলোৱে জাতিৰ স্বাভিমানত নিজকে উৎসৰ্গা কৰিবলৈও কুণ্ঠাবোধ নকৰে। অসমৰ যুৱ সমাজ, অসমৰ ৰাইজ একেলগ হৈ বন্ধৰ বিৰুদ্ধে মাত মাতি অসমখনৰ যাতে উন্নতি কৰিব পাৰে তাৰ চিন্তাত নিমগ্ন হোৱা উচিত। দা-যাঠি লৈ আন্দোলন, প্ৰতিবাদ কৰাতকৈ মহামানৱ মহাত্মা গান্ধীৰ অহিংসা নীতিৰে জয় হোৱাটো বিচাৰিব লাগে। অসম বন্ধৰ প্ৰভাৱ পৰিলে যাতায়াত, যোগাযোগ, আদান-প্ৰদান সকলোতে ব্যাঘাত জন্মে যাৰ ফলত উন্নতিৰ ক্ষেত্ৰতো বাৰুকৈয়ে প্ৰভাৱ পৰে।

ঃঃঃঃঃ

## লাকী বৰুৱা

দৰ্শন বিভাগ

অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ। অসম বন্ধই বহু সমস্যাৰ সৃষ্টি কৰে, যাৰ কাৰণে সকলো মানুহেই অসুবিধাৰ সন্মুখীন হ'বলগা হয়। অসম বন্ধই বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত প্ৰভাৱ পেলায়। এই প্ৰভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশত হেঙাৰস্বৰূপ হৈ পৰে। বিদ্যালয়, মহাবিদ্যালয় আদিত উপস্থিত হ'ব নোৱাৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল শিক্ষণীয় পাঠ্যক্ৰমৰ পৰা আঁতৰি থাকিবলগা হয় আৰু তেওঁলোকৰ বহুতো সমস্যাৰ সৃষ্টি হয়। আনহাতে দুখীয়া এক শ্ৰেণীৰ মানুহে কিছুমান সৰু ব্যৱসায় কৰি ঘৰ পোহপাল কৰি আহিছে। সেইসকল ব্যৱসায় কৰা মানুহৰ বাবে অসম বন্ধটো এক হেঙাৰস্বৰূপ হৈ পৰে। অসম বন্ধ থাকিলে কেতিয়াবা ডাঙৰ ডাঙৰ সমস্যাৰ সন্মুখীন হ'ব লাগে যিবোৰ সমস্যাই অসমখনৰ সৰ্বাংগীণ উন্নয়নত বাধাৰ সৃষ্টি কৰিব পাৰে। সেই সমস্যাসমূহ হ'ল—

(ক) বিৰোধী দলৰ মত, (খ) হুলস্থুল, (গ) গাড়ী বন্ধ।

তলত এই বিষয়কেইটাৰ বিষয়ে চমুকৈ আভাস দিয়া হ'ল—

**(ক) বিৰোধী দলৰ মত ঃ-** যেতিয়া অসম বন্ধ দিয়া হয়, তেতিয়া ৰাজনৈতিক দলসমূহে আনক বিৰোধিতা কৰি মতপোষণ কৰে। এইটো অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ হৈ পৰে।

**(খ) হুলস্থুল ঃ-** অসম বন্ধত কিছু দলৰ লোকে পথত টায়াৰ আদি জ্বলাই বায়ু প্ৰদূষণৰ সৃষ্টি কৰে। এই সমস্যাটো অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ হ'ব পাৰে।

**(গ) গাড়ী বন্ধ ঃ-** গাড়ী বন্ধই যাতায়াতৰ ক্ষেত্ৰত বিশেষকৈ প্ৰভাৱ পেলায়। ইয়াৰ ফলত সকলো লোক সমস্যাত পৰে।

সঁচাকৈ অসম বন্ধ অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ।

ঃঃঃঃঃ

## আশাজ্যোতি ভূঞা

অৰ্থনীতি বিভাগ

বৰ্তমান আমাৰ অসমত প্ৰায় চাৰে তিনিলাখ লোকে বাস কৰি আছে। এই সকলো লোকৰ উন্নয়নৰ বাবে চৰকাৰে বহুতো উন্নয়নমূলক আঁচনি হাতত লৈছে যদিও বিভিন্ন সময়ত বিভিন্ন কাৰণত জনসাধাৰণৰ উন্নতিত

হেঙাৰস্বৰূপে থিয় দিছেহি ‘অসম বন্ধ’ই। এই অসম বন্ধ যি কাৰণতেই দিয়া নহওক কিয় ই জনসাধাৰণৰ উন্নতিত অলপ হ’লেও প্ৰভাৱ বিস্তাৰ কৰে। উদাহৰণস্বৰূপে—কেইদিনমানৰ আগতে দিয়া অহৰহ অসম বন্ধই দুখীয়া-নিচলা লোকৰ পেট মৰাত সহায় কৰিছিল। যিসকল দুখীয়া লোক তেওঁলোকে সাধাৰণতে দিন হাজিৰা কৰিয়েই জীয়াই থাকে। কিন্তু অসম বন্ধ দিয়াৰ বাবে তেওঁলোকে হাজিৰা কৰিবলৈ ওলাই আহিব নোৱাৰে। যাৰ বাবে কেইবাদিনো অনাহাৰেই কটাব লগাত পৰিছে। তদুপৰি হঠাতে দুৰ্ঘটনা এটা হ’লে অসম বন্ধৰ গইনা লৈ এম্বুলেন্স সেৱাক বাধা প্ৰদান কৰাৰ বাবে বহু লোকৰ ঠাইতে মৃত্যুও ঘটিছে।

অসম বন্ধ ভাল বা বেয়া যি কাৰণতেই দিয়া নহওক কিয় ই ব্যক্তিৰ উন্নতি কেতিয়াও সাধিব নোৱাৰে। তাৰ পৰিৱৰ্তে ব্যক্তিৰ জীৱনলৈ আহুকালহে চপাই আনে। সেয়েহে আমাৰ দল-সংগঠনসমূহে জনা উচিত যে অসম বন্ধ দি কেতিয়াও সমস্যাৰ সমাধান কৰিব পৰা নাযায়। তাৰ পৰিৱৰ্তে সমস্যাৰ সৃষ্টিহে কৰা হয়। গতিকে দল-সংগঠন কিম্বা জাতি-জনজাতিয়ে আন্দোলন, প্ৰতিবাদৰ বাবে অসম বন্ধটো বাছি নলৈ আন উপায়েৰে গণতান্ত্ৰিকভাৱে নিজ নিজ সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে। যাৰ জৰিয়তে নিজৰ লগতে ৰাজ্যৰ আন আন লোকসকলৰো উন্নতি সাধন কৰিব পৰা যায়।

ঃঃঃঃঃ

## এঞ্জেলা চাংমাই

শিক্ষাতত্ত্ব বিভাগ

অসম বন্ধ বৰ্তমান আমাৰ বাবে জাতীয় উৎসৱ হৈ পৰিছে। এথোক কল লৈ যেতিয়া গাঁৱৰ পৰা নদাই-ভদাই বজাৰলৈ আহে, তেতিয়া কিন্তু সপোন বহি চাইকেলৰ কেৰিয়াৰখন পূৰ্ণ হৈ আহে। আধা ৰাস্তাৰ পৰা উন্মাদ যুৱকৰ তাগিদাত উভতি পৰে বজাৰৰ খালী মোনা। নাই কোনো মূলধন, নাই কোনো লাভালাভ।

গণমাধ্যম কঁপাই তোলা বাতৰিবোৰ প্ৰতিফলিত হয় ৰাজপথত। কেৰাচিনৰ ভোটা জ্বলোৱা এটা দল তেতিয়াও উত্তাল। সমস্যাই জৰ্জৰিত হৈ থকা এইখন বৰঅসম আকৌ মুখ থেকেচা খায়, তাকো বন্ধত। গছৰ গুৰিত পানী নিদি ডালে-পাতে পানী ছটিয়াই থকা এচামে আয়োজন কৰা বন্ধই বৌটিৰ আখলৰ জুই নুমুৱায়, পিতাইৰ ঔষধবোৰ পিছ পেলায় আৰু ঘৰৰ কণপোনা যায় প্ৰতিবাদলৈ। এয়া সময় প্ৰতিবাদৰ, যাৰ উৎসৱ অসম বন্ধ।

আৰ্থ-সামাজিক দিশকে আদি কৰি সৰ্বদিশত জনসাধাৰণৰ প্ৰবল ভূমিকাই সফল কৰি তোলে সকলো দিশ। তেনে এক প্ৰেক্ষাপটত অসমৰ হাজাৰ হাজাৰ লোক অসম বন্ধত মতলীয়া হৈ ফুৰি আকৌ উন্নয়ন বিচাৰিছে। কিবা আচৰিত যেনহে লাগে। যেতিয়া প্ৰয়োজন আছিল কৰ্মমুখী চিন্তা ধাৰাৰ, যেতিয়া প্ৰয়োজন আছিল যুৱ প্ৰজন্মৰ আত্মসচেতনতাৰ তেতিয়াই আকৌ জীপাল হৈ উঠে অসম বন্ধ।

কৰ্মমুখিতাৰ দিশে ধাৱমান হ’ব নোখোজাসকলৰ বাবেই আজিও অসম বন্ধই অসমৰ সৰ্বাংগীণ উন্নয়নত মূল হেঙাৰস্বৰূপে থিয় দিছে। নিবনুৱা সমস্যাই জুৰুলা কৰা এইখন অসমত এদিন অসম বন্ধই পেটৰ ভাতমুঠিও কাঢ়ি নিয়ে বহুতৰ। জীৱিকাক সন্মান নকৰা মনবোৰ নিপাত যাওক। কৃষক বন্ধুৰ কান্ধত হাত থৈ সকলো কাৰ্যসূচী হওক। এদিন অসমৰ অৰ্থনীতিয়ে অসমলৈ চাই হাঁহিব। সদৌ শেষত এই অসম বন্ধও অতীত হ’ব।

ঃঃঃঃঃ

## মমি নাথ

ৰাজনীতি বিজ্ঞান বিভাগ


অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰপূৰ এখন অতি মনোৰম ঠাই। ইয়াত বিভিন্ন জাতি-জনগোষ্ঠী যেনেদৰে অসংখ্য, ঠিক তেনেদৰে দল-সংগঠন আদিৰো অভাৱ নাই। বৰ্তমান সময়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনতো বিভিন্ন দল-সংগঠন সোমোৱাৰ ফলত বহু সমস্যাৰ সন্মুখীন হ'ব লগা হয়। আজিকালি প্ৰায়েই দেখা পোৱা যায় যে এটা সৰু কাৰণতে ধৰ্মঘট, অনশন, হৰতাল আদি কাৰ্যসূচীৰ আৰম্ভণি কৰি যিকোনো এখন নিৰ্দিষ্ট ঠাই বা এলেকা বা গোটেই ৰাজ্যখনতে বন্ধ প্ৰচাৰ কৰা হয়। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজৰ যথেষ্ট দিশত বাধা আহি পৰে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বাতাৱৰণ অনুকূল ৰখাত আৰু সমাজখনৰ অৰ্থনৈতিক দিশত যথেষ্ট বাধা আহি পৰে।

সাম্প্ৰতিক সময়ত কেইবাটাও দল-সংগঠন লগ লাগি চৌৱিছ ঘণ্টীয়া/আঠচল্লিশ ঘণ্টীয়া আদি বন্ধবোৰ ঘোষণা কৰে আৰু সেই বন্ধ মানি নচলিলে বিভিন্ন অসামাজিক কাৰ্য সংঘটিত কৰি জনসাধাৰণক হাৰাশাস্তি কৰে। বিশ্বায়নৰ ফলত গোটেই বিশ্বতে পৰিৱৰ্তনৰ জোৱাৰ উঠিছে। কিন্তু, অসমত পৰিৱৰ্তন আৰু আধুনিকতাৰ নামত কেতবোৰ সস্তীয়া মনোভাবেৰে এচাম লোকে নিজকে বৰ বুলি চিনাকি দিবলৈ গৈ এই দল-সংগঠনৰ সৃষ্টি কৰি পিছত যিকোনো দাবীত বন্ধ ঘোষণা কৰে।

এনেবোৰ বন্ধৰ ফলত যে সমাজৰ অন্য লোকসকলে কেনে হাৰাশাস্তিৰ মুখামুখি হ'বলগা হয়, সেই কথা ভাবিবলৈ তেওঁলোকৰ আহৰি নাই। এচাম লোকৰ বাবে প্ৰতিবাদ, অনশন আদিৰ মূল কাৰ্যসূচী বন্ধ ঘোষণা।

এনে বন্ধই অসমৰ বিকাশ সাধনত যথেষ্ট বাধাৰূপে থিয় দিছে। বৰ্তমান সময়ত চৰকাৰী বন্ধৰ তুলনাত অসম বন্ধই বেছি ঠাই অধিকাৰ কৰিছে। ইয়াৰ ফলত অসমৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বেছি প্ৰভাৱ পৰিছে। এনেবোৰ বন্ধৰ ফলত অসমত আমদানি আৰু ৰপ্তানিৰ পৰিমাণ কমি যোৱাৰ সম্ভাৱনা আছে। শিক্ষাৰ্থীৰ ভৱিষ্যততো এই প্ৰক্ৰিয়াই গুৰুতৰভাৱে প্ৰভাৱ পেলাব পাৰে। কোৱা হয়, 'আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক।' কিন্তু, সমাজত যদি কেৱল এই উচ্ছৃংখলতা, অনিয়মানুৱৰ্তিতা, হৈ-চৈ, কোলাহল, প্ৰতিবাদ, আন্দোলন অকল এইবোৰেই দেখি থাকে বা মাহটোত দুই-তিনিটা বন্ধৰ ফলত বিদ্যালয় বন্ধ ৰখা হয়, তেন্তে তেওঁলোক দেশৰ ধৰণী হোৱাত যথেষ্ট বাধা আহি পৰিব।

গতিকে প্ৰতিবাদকাৰী আৰু আন্দোলনকাৰীসকলে কেৱল বন্ধ দি কোনো এটা সমস্যা সমাধান কৰাৰ চেষ্টা কৰাৰ পৰিৱৰ্তে সবল, যুক্তিনিষ্ঠ মনোভাবেৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰা উচিত। এনে হ'লেহে সোণৰ অসম সোণৰ হৈয়ে থাকিব। নহ'লে পৰিৱৰ্তনৰ এই মানসিকতাত উটি-ভাহি হেৰাই যোৱাৰ সম্ভাৱনা অধিক।

গতিকে, অসম বন্ধক যাতে অসমৰ সৰ্বতোমুখী বিকাশৰ হেঙাৰস্বৰূপে থিয় দিয়াই অন্য এক জ্বলন্ত সমস্যাৰ সৃষ্টি নকৰে তাৰ বাবে প্ৰতিবাদী জনতাক সচেতন হ'বৰ বাবে অনুৰোধ।

ঃঃঃঃঃ


## মূৰ্চনা ভূঞা

প্ৰাণী বিজ্ঞান বিভাগ


বৰ্তমান প্ৰতিযোগিতামূলক যুগতো এজনতকৈ আনজন, এখন দেশতকৈ আনখন দেশ কেনেকৈ আগবাঢ়ি যাওঁ তাৰ চিন্তাৰ বিপৰীতে অতি দ্ৰুত গতিত অসম বন্ধ হোৱাৰহে প্ৰভাৱ দেখিবলৈ পোৱা গৈছে। সঁচা অৰ্থত অসম বন্ধ উৎসৱৰ দৰে হৈ পৰিছে আৰু অসমৰ সৰ্বাংগীণ উন্নতিৰ বাবে ই হৈ পৰিছে প্ৰতিবন্ধকতাস্বৰূপ।

আজি যদি ক'ৰবাত বাহন দুৰ্ঘটনাগ্ৰস্ত হৈছে, তেন্তে পিছৰ দিনা অসম বন্ধ। বাংলাদেশী অসমত প্ৰৱেশ কৰিছে, ফলস্বৰূপে অসম বন্ধ। পৰীক্ষাৰ প্ৰশ্নকাকতক লৈ অসম বন্ধ, নাগৰিকত্ব সংশোধনী বিধেয়কক লৈ অসম বন্ধ। যেন এই সকলোবোৰ প্ৰতিৰোধ কৰাৰ একমাত্ৰ উপায় অসম বন্ধ। মানুহৰ মগজুত অসম বন্ধ দিনক দিনে ভয়ানক ভাইৰাছৰ দৰে বিয়পিবলৈ ধৰিছে। অসম বন্ধৰ নামত স্কুল-কলেজ বন্ধ হয়। অসম বন্ধৰ নামত মাৰ-পিট হয়। এইবোৰে অসমৰ সৰ্বাংগীণ উন্নতিত বাধা আৰোপ কৰিছে। আজিলৈকে এনে এটা দল-সংগঠন নোলাব যিয়ে সুস্থিৰে অসম বন্ধ পালন কৰিছে।

কৰ্মদক্ষতাৰে অসমক বেলেগ দেশৰ সমপৰ্যায়ৰ কৰাৰ বিপৰীতে অসম হৈ পৰিছে অচল। সকলো সমস্যাৰ সমাধান আলাপ-আলোচনাৰ মাজেৰে সামধান কৰিব পৰা যায় আৰু তাৰ বাবে সাধাৰণ লোক বা শিক্ষাৰ্থীৰ জীৱন দুৰ্বিষহ কৰি তোলাৰ প্ৰয়োজন নাই। এদিন দোকান-পোহাৰ বন্ধ মানে সাধাৰণ লোকৰ সমস্যা, এদিন গাড়ী বন্ধ মানে অফিচ-কাছাৰী ছুটী। কিমান যে সমস্যা! দাম যদি বাঢ়িছে, তেন্তে অসম বন্ধ নিদি অন্য প্ৰকাৰে সমস্যা সমাধান কৰিব পাৰে।

যদিহে সকলোৰে চিন্তাসহকাৰে অসম বন্ধৰ প্ৰতিবাদ নকৰে, তেনেহ'লে অসমৰ উন্নতি অসম্ভৱ। উচ্চ চিন্তাৰে, নতুন প্ৰথাৰে সমস্যাবোৰ প্ৰতিহত কৰাৰ প্ৰয়োজন আহি পৰিছে। অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ সমস্যা যথেষ্ট, কিন্তু অসম বন্ধ তাৰ একমাত্ৰ আহিলা নহয়। কৰ্মৰে, উচ্চ চিন্তাৰে প্ৰতিবাদ কৰিলেহে অসম আগুৱাই যাব।

ঃঃঃঃঃ

## অন্বেষা দত্ত

প্ৰাণী বিজ্ঞান বিভাগ

বৰ্তমান সময়ত অসম বন্ধ জাতীয় উৎসৱলৈ পৰিণত হ'বলৈ গৈ থকা পৰিলক্ষিত হৈছে। এই কাৰণেই এনেদৰে ভাবিব লগা হৈছে যে বৰ্তমান সময়ত যাৰ যেনেকৈ মন যায় তেনেদৰেই এই বন্ধক উৎসৱৰ ৰূপত পালন কৰাত উঠি-পৰি লাগিছে। এইখন অসমৰে আমি বাসিন্দা যদিও বৰ্তমানৰ পৰিস্থিতি চাই এনেদৰে ক'বলৈ বাধ্য হৈ পৰিছোঁ। ক্ষন্তেক সময়ৰ বাবে হোৱা গাড়ীৰ ভিৰত যেতিয়া লানি নিছিগা শাৰীৰে গোটেই অঞ্চলটো ভৰি পৰে, তেতিয়া এদিন বা দুদিনীয়া বন্ধত কি হ'ব পাৰে, সেয়া হয়তো কাৰো কল্পনাৰ অতীত নহয়। অসম বন্ধৰ প্ৰভাৱ আমি বেছিকৈ ঋণাত্মকহে দেখিবলৈ পাওঁ। তৎসত্বেও আমি বন্ধৰ সমৰ্থন কৰিবলৈ বাধ্য হৈ পৰোঁ। ঋণাত্মক দিশৰ তুলনাত ধনাত্মক দিশবোৰ চালি-জাৰি চোৱাটো কাৰো যেন কৰ্তব্য নহয়। দল-সংগঠনে অসমৰ সৰ্বাংগীণ উন্নয়ন হোৱাটো বিচাৰে। কিন্তু উন্নয়ন বিচাৰি অসম বন্ধ দিয়াটোত কি উন্নয়নৰ চাবি-কাঠী লুকাই থাকে, সেয়া বিচাৰ কৰাটো টান। উন্নয়নৰ দুৱাৰডলিত বৈ যেতিয়া তলা ওলমাই দিয়ে, কিদৰে উন্নতি হয়? উন্নয়নত যেতিয়া নিজৰ অঞ্চলৰ পৰাই বাধা আহি পৰে, অন্য অঞ্চলৰ উন্নয়ন কেনেদৰে আশা কৰিব পাৰি?

ঃঃঃঃঃ

## ইছনাৰা বেগম

ইংৰাজী বিভাগ

অসম এখন ঐতিহ্যমণ্ডিত ঐশ্বৰ্যৰে অপূৰ্ব ভূ-খণ্ড। সুজলা-সুফলা মলয়জ শীতলা শস্য-শ্যামলা অসম ঈশ্বৰপ্ৰদত্ত এখন মনোৰম ৰাজ্য। অসমৰ চুকে-কোণে কেৱল সম্পদ। বহু আক্ৰমণকাৰীক পৰাভূত কৰাৰ অজস্ৰ

ইতিহাস অসমৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ আছে। অসমৰ বীৰ লাচিত, সতী জয়মতীৰ নিচিনা মহান আদৰ্শৰ উদ্দীপনা আছে। কিন্তু নাই মাথোঁ অনুকৰণ। আজিৰ অসমীয়াই জীয়াতু ভুগিছে। অজস্র অসমীয়াৰ সহজ-সৰল প্ৰাণত অকল চিঞৰ আৰু চিঞৰ। হায় কালৰ বিপৰ্যয় !

অসমত সকলো আছিল আৰু সকলো আছে, কিন্তু একোৱেই নাই। দেশৰ কাৰণে প্ৰাণ দিয়া সেই উদ্যমৰ সেনা অসমৰ বুকুত বিলুপ্ত। এছেম্বলী আৰু মন্ত্ৰীৰ আশা পালি বহি থকা কিছুমান আত্মকেন্দ্ৰিক স্বাৰ্থপৰ নেতৃবৃন্দহে আজি অসমৰ বুকুত বিৰাজমান। অসমৰ নেতাসকলে আজি অসমক জুৰুলা কৰিবলৈ একো বাকী ৰখা নাই।

অসম ভূমিত চলিছে সাপ হৈ খোঁটা আৰু বেজ হৈ জৰাৰ অলেখ মন্ত্ৰ। সম্প্ৰতি প্ৰতিবাদত উত্তাল অসমৰ আকাশ-বতাহ। অসমীয়া আজি নিদ্ৰাহীন। বুকুত লুকাই থকা বিকট চিঞৰ এটা মাৰিবলৈ অসমীয়া আজি ৰাজপথত। ফলস্বৰূপে সমস্যা সমাধানৰ বিপৰীতে নিজৰ ভৰিত নিজে কুঠাৰ মাৰিছে। স্তব্ধ হৈছে অসমৰ উন্নতিৰ বাট। পাহৰি গৈছে অসমীয়াই সোণালী ভৱিষ্যতৰ সপোন। কিয়নো দিঠক বহুদূৰ। ভূমিহীন হ'বলৈ ওলাইছে আজিৰ অসমীয়া।

যিটো সময়ত শিশুৱে মাকৰ মৌ-সনা মধুৰ মাতত বিভোৰ হ'ব লাগে, সম্প্ৰতি সেয়া কল্পনাতীত। প্ৰতিবাদৰ শব্দ চাৰিওফালে। আজি বিদ্যালয়-মহাবিদ্যালয়ৰ কোঠা উদং। ইয়াতেই স্পষ্ট হয় অসমৰ অন্ধকাৰ ভৱিষ্যতৰ বাণী। শ্ৰমিকৰ হৰতাল, কাৰখানা স্তব্ধ, উকীল সন্থাৰ প্ৰতিবাদ, ন্যায়ৰ বাট বন্ধ, কৃষকৰ প্ৰতিবাদে খাদ্যৰ নাটনিৰ সৃষ্টি কৰাৰ লগতে সকলো বস্তুৰ মূল্যবৃদ্ধিৰ হাৰ দ্ৰুত হয়।

এমাহৰ ভিতৰত বিছ-পঁচিছ দিন অসম বন্ধ। গতিকে আন্তৰ্জাতিক পৰ্যায়ৰ সপোন বহু দূৰত। নিজৰ প্ৰয়োজনীয়খিনি পূৰণত ব্যৰ্থ হৈছে। অসমৰ কোনো সন্থা বা লোক বাকী নাই যিসকলে বন্ধৰ কু-ফল ভোগ কৰা নাই। এই বন্ধৰ সামগ্ৰিক প্ৰভাৱ পৰিছে অসমৰ সৰ্বাংগীণ উন্নয়নৰ ওপৰত। অসমৰ উন্নতি আজি স্তব্ধ। অসমীয়াৰ ঘৰত আজি সোণৰ অসম গঢ়াৰ সপোন লৈ কোনেও জন্মগ্ৰহণ নকৰে, কাৰণ শিশুটিয়েও বন্ধৰ ভয়ানক ৰূপ পৰিলক্ষিত কৰি শংকিত হৈ পৰিছে।

ঃঃঃঃঃ


## ছাফিয়া গগৈ

পদাৰ্থ বিজ্ঞান বিভাগ


বৰ্তমানৰ সমাজ ব্যৱস্থাই যথেষ্ট পৰিৱৰ্তন আনিছে দৈনন্দিন জীৱন যাত্ৰাত। মানুহৰ চিন্তাৰ ইমান উদ্ৰেক ঘটিছে, যাৰ ফলত কষ্ট লাঘৱ হৈছে। আজিৰ মানুহৰ চিন্তাধাৰাই দেশখনক চকুৰ পচাৰতে নতুন ৰূপ দিছে। আমি লাচিতৰ দেশৰ মানুহ, ৰাতিৰ ভিতৰতে গড় বন্ধা লাচিতৰ তেজ আজিও আমাৰ শিৰাই শিৰাই।

বৰ্তমান আমাৰ অসমত নানা নতুন সমস্যাই গা কৰি উঠিছে। তাৰ ভিতৰত 'বন্ধ সংস্কৃতি' এটা অন্যতম। যিটো বিষয় আজি কোনোবা এটা প্ৰতিযোগিতাৰ বিষয় হোৱাৰ দাবীদাৰ হৈছে। আমি যদি চাওঁ মাহটোৰ আধাখিনি সময়েই আমি বন্ধ বন্ধ বুলি পাৰ কৰোঁ। বন্ধ এটা ঘোষণা হোৱাৰ পাছত হাজাৰ হাজাৰ লোক কিমান সমস্যাৰ সন্মুখীন হ'বলগা হয়। অসমত বন্ধটো এটা নতুন উৎসৱত পৰিণত হৈছে। এই উৎসৱটো আকৌ বিভিন্ন সংগঠনবোৰৰ মাজত হয়। যেনেকৈ অসমত বিভিন্ন জনগোষ্ঠীৰ বিহু অনুষ্ঠিত হয়, ঠিক তেনেদৰে এই সংগঠনবোৰে তেওঁলোকৰ ইচ্ছা অনুযায়ী বন্ধ দি তেওঁলোকৰ বীৰত্ব দেখুৱাবলৈ চেষ্টা কৰে। বন্ধবোৰে সাধাৰণ ৰাইজৰ যথেষ্ট ক্ষতি কৰে। এজন ৰিক্সাচালকে তেওঁৰ পৰিয়ালটো ৰিক্সা চলাই পোৱা টকাৰে পোহপাল দিয়ে। এজন পাচলি বেপাৰীৰো ঘৰখন তেনেদৰেই চলে। কিন্তু বন্ধ হ'লে তেওঁলোকৰ ঘৰবোৰ কেনেকৈ চলিব? তেওঁলোকৰ কথা বাদ দি যদি কলেজীয়া ছাত্ৰ-ছাত্ৰীবোৰৰ কথা কওঁ, তেতিয়াও একেই দেখিম। কলেজলৈ বুলি ওলাই আহি আধা বাটৰ পৰা উভতি যাব লাগে। জ্ঞানৰ পোহৰ ল'বলৈ অহাসকলকো বাধা আৰোপ কৰিছে

এনেবোৰ কাৰ্যই। সাধাৰণ দৃষ্টিত তেওঁলোকে বন্ধ দিছে কোনো এটা কাম সম্পন্ন কৰাৰ মানসেৰে। কিন্তু প্ৰকৃতপক্ষে সেয়া জানো হৈছে? এইবোৰ দিশ চালি-জাৰি চোৱাৰ সময় আহি পৰিছে। ৰাজ্যখনক আগুৱাই নিবলৈ আমি সকলোৱে ভাল কামেৰে আগবাঢ়ি যাব লাগিব। বন্ধ ঘোষণা কৰি আমি প্ৰগতিক স্তব্ধ কৰাৰ প্ৰয়োজন মই অনুভৱ নকৰোঁ।

আমাৰ সমাজখন আগুৱাই নিয়াৰ ক্ষেত্ৰত আমাৰ যুৱ সমাজৰো যথেষ্ট দায়িত্ব আছে। সমাজৰ এই আসোঁৱাহবোৰ আমিয়েই দূৰ কৰিব লাগিব। বন্ধ সংস্কৃতিয়ে যিহেতু উপকাৰ সাধন কৰিব পৰা নাই, সেয়ে আমি এইবোৰৰ পৰা আঁতৰত থকাৰ চেষ্টা কৰিব লাগে।

ঃঃঃঃঃ

# নয়নমণি শইকীয়া

অৰ্থনীতি বিভাগ

অসম হৈছে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত এখন সৰু ৰাজ্য। য'ত বিভিন্ন ধৰ্মাৱলম্বী, বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে একেলগে ভ্ৰাতৃত্ববোধেৰে বাস কৰে। কিন্তু বৰ্তমান সময়ত মানুহৰ পাৰ্থিৱ বা বিষয়ৰ ওপৰত গুৰুত্ব বাঢ়ি যোৱাৰ লগে লগে অসমত বাস কৰা সেই ভিন ভিন জাতি-জনগোষ্ঠীৰ লোক স্বাৰ্থপৰ হৈ পৰিছে। প্ৰত্যেক জাতি-জনগোষ্ঠীয়ে নিজৰ জাতীয় জনগোষ্ঠীয় স্বাৰ্থ ৰক্ষা কৰিবৰ উদ্দেশ্যে আন্দোলন চলাবলৈ আৰম্ভ কৰিছে, বন্ধ ঘোষণা কৰিছে। ইয়াৰ উপৰি আন বিভিন্ন কাৰণত বৰ্তমান অসম বন্ধৰ প্ৰৱণতা বৃদ্ধি পাইছে।

অসম বন্ধ আগতে বহু দিনৰ মূৰত এটা বিশেষ কাৰণ থাকিলেহে পালন কৰা দেখা গৈছিল। কিন্তু বৰ্তমান সময়ত বিভিন্ন সৰু-সুৰা কাৰণতে অসম বন্ধ দিয়াৰ ফলত অসমৰ মানুহৰ উন্নয়নত অৰ্থাৎ অসমৰ উন্নয়নত যথেষ্ট বাধাৰ সৃষ্টি হৈছে। ইয়াৰ মূলতে মানুহৰ বন্ধটো এটা অভ্যাস বা ক'বলৈ গ'লে এটি উৎসৱত পৰিণত হৈছে। যিটোৰ কথা মানুহে শুনিলেই সেইটো পালন কৰিবলৈ প্ৰায় প্ৰত্যেক সময়ত প্ৰস্তুত হৈ থাকে, যাৰ ফলত মানুহৰ মন কাম-কাজৰ পৰা আঁতৰি আহিছে আৰু এলেহুৱা স্বভাৱ এটাৰ সৃষ্টি কৰিছে। এই বন্ধৰ ফলস্বৰূপে মানুহৰ কৰণীয় কিছুমান কাম-কাজ নকৰাকৈয়ে পৰি ৰৈছে আৰু ফলত সামগ্ৰিক উন্নয়নত বাধাৰ সৃষ্টি হৈছে। অৱশ্যে মনটো যদি কিছুমানে সেই বন্ধৰ প্ৰৱণতাৰ পৰা মুক্ত কৰি ৰাখিছে, তথাপি বন্ধৰ ফলত সেই মানুহৰ বহু কাম কৰাত বাধা আহি পৰে। ফলত অসমৰ উন্নয়ন অসম্ভৱ হৈ পৰে।

অসম বন্ধ আগৰ সময়ত এক গুৰুত্বপূৰ্ণ কাৰণ থাকিলেহে পালন কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত বিভিন্ন অপ্ৰয়োজনীয় সৰু-সুৰা কাৰণত বন্ধ হ'বলৈ লৈছে। অৱশ্যে কিছু ক্ষেত্ৰত চাবলৈ গ'লে চৰকাৰৰ ৰাজ্যখনৰ প্ৰতি থকা কৰ্তব্য বা দায়িত্ব সুচাৰুৰূপে পালন নকৰাৰ ফলত মানুহে জীৱন নিৰ্বাহত বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। যাৰ ফলত মানুহে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰে আৰু বন্ধ ঘোষণা কৰি দিয়ে। বৰ্তমান কিছুমান জনজাতিয়েও নিজৰ জাতীয় স্বাৰ্থ পূৰণৰ বাবে প্ৰতিবাদ কৰে আৰু বন্ধ ঘোষণা কৰাৰ লগতে বহু অকাৰণীয় কাৰ্য হাতত লয়। যাৰ ফলত প্ৰত্যেক মানুহেই অসম বন্ধ পালন কৰিবলৈ বাধ্য হয়।

অসম বন্ধ বৰ্তমান সময়ত ইমানেই হ'বলৈ লৈছে যে এই বন্ধৰ ফলত অসমৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ ব্যাহত হৈ অসমৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। বিশেষকৈ এই বন্ধৰ ফলত শিক্ষানুষ্ঠানৰ শিক্ষাগ্ৰহণতো বাধা আহি পৰিছে যাৰ ফলত শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালিত হ'ব পৰা নাই। গতিকে অসম বন্ধ বৰ্তমান উন্নয়নৰ মূল হেঙাৰস্বৰূপ হৈ পৰিছে।

ঃঃঃঃঃ

## পল্লৱী বৰা

ৰসায়ন বিজ্ঞান বিভাগ

অসমত দিনক দিনে বন্ধৰ প্ৰকোপ বাঢ়ি গৈ থকা দেখা গৈছে। এই বন্ধবোৰে অসমৰ সকলো দিশতে প্ৰভাৱ পেলোৱাৰ লগতে অসমৰ সৰ্বাংগীণ উন্নয়নৰ দিশতো প্ৰভাৱ পেলাইছে।

এদিন বন্ধ মানেই বহু মানুহৰ পেটৰ ভাত নাইকিয়া হয়। এইবোৰ মানুহে সদায় হাজিৰা কৰি খাই জীয়াই থাকে। বন্ধৰ ফলত তেওঁলোকে ঘৰৰ পৰা ওলাই আহিব নোৱাৰে আৰু খাবলৈ নাপায়। তেওঁলোকৰ ঘৰত থকা ল'ৰা-ছোৱালীবোৰে কন্দা-কটা লগায়।

বন্ধই এফালে যেনেকৈ হাজিৰা বৃত্তিৰ লোকক বিপদত পেলায়, তেনেকৈ ব্যৱসায়-বাণিজ্যৰ লোককো বিপদত পেলায়। এদিন দোকান বন্ধ মানে তেওঁলোকৰ বহুত হাজাৰ হাজাৰ টকাৰ ক্ষতি হয়। যাৰ ফলস্বৰূপে তেওঁলোকে বন্ধৰ পিছদিনা বস্তুৰ দাম বঢ়ায়। কেঁচা সামগ্ৰীবোৰ দোকানতে বেয়া হৈ যায়।

দূৰ-দূৰণিৰ পৰা বস্তু লৈ আহি থকা ট্ৰাকবোৰ ৰাস্তাৰ কাষতে ৰখাই ড্ৰাইভাৰবোৰ তলত থাকিব লগা হয় বাবে যেতিয়া বস্তু আহি এঠাইত পাব লাগে, সেই ঠাইত নাপায়। তাৰ ফলত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়।

বন্ধই অসমৰ উন্নয়নত বহু প্ৰভাৱ পেলায়। ধৰা হওক, এটা ডাঙৰ চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠান নিৰ্মাণ কৰিছে। বস্তু আহি সময়ত নাপালে কাম আধৰুৱা হৈ পৰে আৰু বহু সময় লাগে। তেতিয়া সেই প্ৰতিষ্ঠানটো খুলিবলৈ বহু সময় লাগে আৰু তাৰ বাবে আশাৰে বাট চাই থকাসকলে বহু সময় অবাবত কটাবলগা হয়।

বন্ধই বহুতক অন্ধকাৰলৈ ঠেলি নিছে। কোনোবাই বন্ধৰ কাৰণে এঠাইৰ পৰা আন এঠাইলৈ গৈ প্ৰৱেশ পৰীক্ষাও দিব পৰা নাই আৰু তেতিয়াই তেওঁৰ আশাবোৰ ভাগি গৈছে।

উন্নয়নৰ ক্ষেত্ৰতটো ক'বই নোৱাৰি। এটা ৰাস্তা বনাবলৈ বছৰ বছৰ সময় লৈছে। কাৰণ সময়মতে বস্তু আহি নাপায়হি। এখন হাস্পতাল বনাবলৈ তিনি-চাৰি বছৰ লৈছে, এখন দলং বনাবলৈ পাঁচ-ছয় বছৰ লয়। এই সকলোবোৰৰ কাৰণ হ'ল অসম বন্ধ। অসম বন্ধৰ বাবে অসমৰ ৰাইজৰ হাহাকাৰৰ লগতে উন্নয়নত বহুত বেয়াকৈ প্ৰভাৱ পেলাইছে। যাৰ ফলস্বৰূপে অসম একেবাৰে পিছপৰি গৈছে।

অসম নদী মাতৃক ৰাজ্য। য'ত চাৰিওফালে নদী আৰু নদীবোৰৰ মথাউৰি ভালকৈ বনাবলৈ বহুত বস্তুৰ দৰকাৰ হয়। সময়ত যান-বাহন আহি নোপোৱাৰ ফলত শ্ৰমিকৰ কাম আধৰুৱা হয়। যাৰ পৰিণাম শ শ লোকে ভুগিব লগা হয় আৰু অসমৰ সৰ্বাংগীণ উন্নয়নত বহুত ক্ষতি হয়।

ঃঃঃঃঃ

## কৌমুদী দেৱী

উদ্ভিদ বিজ্ঞান বিভাগ

অসম বন্ধ বৰ্তমান সময়ৰ এটা অতি পৰিচিত শব্দ। অসম বন্ধক বিভিন্ন বিষয়ৰ প্ৰতিবাদৰ এক মাধ্যম হিচাপে ঘোষণা কৰা হয়। যিকোনো এখন গণতান্ত্ৰিক দেশত যেতিয়া শাসকীয় দলে জনসাধাৰণৰ ইচ্ছা অথবা দাবীৰ বিৰুদ্ধে গৈ কোনো সিদ্ধান্ত অথবা আইন ৰূপায়ণ কৰে, তেতিয়াই প্ৰতিবাদৰ সৃষ্টি হয়। কোনো বিশেষ দল বা সংগঠনে নেতৃত্ব লোৱাৰ পিছতো যদি সেই প্ৰতিবাদত জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সহযোগ থাকে, তেতিয়া গণতান্ত্ৰিক আন্দোলনত ঘোষণা কৰা দলটিৰ বাহিৰে আন সকলো জনসাধাৰণৰ বৰ্তমান সময়ত অসমত যেতিয়াই-তেতিয়াই ঘোষিত হোৱা বন্ধ নামৰ অশুভ সংস্কৃতিটো অগণতান্ত্ৰিক আন্দোলনৰ ভিতৰতে পৰে।

সময়ে সময়ে উদ্ভৱ হোৱা বিভিন্ন বিষয়ৰ বিৰুদ্ধে অথবা সমস্যা সমাধানৰ বাট বিচাৰি বন্ধ ঘোষণা কৰা হয় যদিও সামগ্ৰিক দৃষ্টিৰে চাবলৈ হ'লে অসম বন্ধই সমস্যা সমাধান কৰাতকৈ আন দহোটা নতুন সমস্যা সৃষ্টি হোৱাতহে ইন্ধন যোগায়। সাম্প্ৰতিক সময়ৰ অসমৰ এই অস্থিৰাৱস্থাতে ইয়াৰ জ্বলন্ত প্ৰতিচ্ছবি দেখিবলৈ পোৱা

যায়। অসমৰ সৰ্বাংগীণ বিকাশত অসম বন্ধই যথেষ্ট পৰিমাণে বাধাৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। কোনো বিশেষ দল বা সংগঠনে বন্ধক গণতান্ত্রিক অধিকাৰ বুলি অভিহিত কৰে যদিও মানি ল'বলৈ টান হয়। কিয়নো এদিনীয়াকৈ হোৱা অসম বন্ধ এটায়ো জনসাধাৰণৰ দৈনন্দিন জীৱন যাত্ৰাত ব্যাঘাত জন্মায়। শিক্ষানুষ্ঠানৰ লগতে ব্যৱসায়িক, ঔদ্যোগিক সকলো প্রতিষ্ঠান বন্ধ হৈ গ'লে পঢ়া-শুনাৰ লগতে আন সকলো দিশতে বাধা আহি পৰে। অসম বন্ধৰ সময়ত আটাইতকৈ বেছিকৈ সন্মুখীন হ'বলগীয়া সমস্যাটো হৈছে যাতায়াতৰ সমস্যা। যাতায়াত, পৰিবহণ স্থবিৰ হৈ যোৱাৰ লগে লগে তাৰ লগত সম্বন্ধীয় সকলো কাম-কাজেই স্থবিৰ হৈ পৰে। অসম বন্ধৰ দিনা যাতায়াতৰ অভাৱৰ বাবে চিকিৎসা সেৱাত ব্যাঘাত জন্মাৰ ফলত সৃষ্টি হোৱা বিভিন্ন অঘটনৰ বিষয়ে আজিকালি প্ৰায়ে পোৱা যায়। তাৰ উপৰি দিন হাজিৰা কৰি পেট প্ৰৱৰ্তাই থকা লোকসকলৰ ঘৰৰ চৌকা এটা দিনৰ বাবে নজ্বলাৰ দৰে পৰিস্থিতিও অসম বন্ধৰ ফলত সৃষ্টি হ'ব পাৰে।

বৰ্তমান অসমখনত সময়বিশেষে বিভিন্ন বিষয় অথবা সিদ্ধান্তৰ বিৰোধিতা কৰি বিভিন্ন দল-সংগঠনে বন্ধ ঘোষণা কৰা দেখা যায়। এখন গণতান্তিক দেশৰ নাগৰিক হিচাপে বন্ধ পালন কৰা অথবা নকৰাৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ সকলো জনসাধাৰণৰ থাকে। তেনেস্থলত বন্ধ অমান্য কৰিলে, সেই দল-সংগঠনৰ সদস্যই গাড়ী-মটৰ, দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান ভঙাৰ লগতে বিভিন্ন ব্যক্তিগত আৰু ৰাজহুৱা সম্পত্তিৰ ক্ষয়-ক্ষতি কৰাৰ দৰে বিভিন্ন অনৈতিক কাৰ্যত লিপ্ত হোৱাও দেখা যায়, যিটো এটা সম্পূৰ্ণ আইনবিৰোধী কথা। কাৰণ কোনো বিশেষ দলৰ সদস্য হিচাপে বন্ধ আহ্বান কৰাৰ অধিকাৰহে তেওঁলোকৰ আছে। বন্ধ পালন কৰিবলৈ জোৰ-জুলুম কৰাৰ অধিকাৰ কেতিয়াও নাই। অসম বন্ধৰ নামত কৰা এনেধৰণৰ অনৈতিক কাৰ্য, এক কথাত ক'বলৈ গ'লে উদ্ভণ্ডালিসমূহে অসমৰ লোকসকলৰ শৈক্ষিক, মানসিক, বৌদ্ধিক সকলো দিশতে উন্নয়নত ব্যাঘাত জন্মাইছে।

এই ধ্বংসলীলাৰ পৰাই প্ৰতীয়মান হয় যে অসম বন্ধ সমস্যা সমাধানৰ বাট নহয়, জনসাধাৰণৰ স্বাৰ্থ অথবা দায়িত্বলৈ পিঠি দি কোনো সংগঠনৰ প্ৰভুত্ব জাহিৰ কৰাটোহে বন্ধ সংস্কৃতিৰ আঁৰৰ কাহিনী।

এনেধৰণৰ ঋণাত্মক দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখিয়েই উচ্চতম ন্যায়ালয়ে বন্ধক বে-আইনী ঘোষণা কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ আইনখন সম্পূৰ্ণ ফলপ্ৰসূ হৈ উঠা নাই। বিশেষকৈ আমাৰ অসমৰ উন্নয়নক বন্ধ সংস্কৃতিয়ে কোঙা কৰি পেলাইছে। সু-খবৰ এয়ে যে অসমবাসীয়ে অসম বন্ধৰ অপকাৰিতাৰ কথা বুজি উঠিছে, অসম বন্ধক অমান্য কৰি নিজৰ কৰ্তব্যত মনোনিৱেশ কৰিবলৈ যত্ন কৰিছে। আমি আশা কৰোঁ, প্ৰতিবাদৰ নামত বন্ধ অপসংস্কৃতি বিয়পাই থকা মুখা পিন্ধা জাতীয়তাবাদী অপ্ৰকাশিত নেতাসমূহৰ সুমতি হওক আৰু বন্ধ অপসংস্কৃতি শেষ হওক। আমি নিশ্চিত— বন্ধৰ অৱসান ঘটাৰ লগে লগে অসমৰ সৰ্বাংগীণ উন্নয়নো যথেষ্ট দিশত আগবাঢ়িব।

ঃঃঃঃঃ

**কল্যাণী দত্ত**

গণিত বিভাগ

এজন বিশিষ্ট গায়কে এসময়ত গাইছিল— 'আহ আহ ওলাই আহ সজাগ জনতা'। কিন্তু বৰ্তমান সময়ৰ প্ৰেক্ষাপটত হয়তো আজিৰ অসমীয়া ইমান বেছি তেজাল হৈ পৰিছে যে যিকোনো ধৰণৰ সৰু-সুৰা অসুবিধাৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ অসুবিধালৈকে সকলোবোৰ কেৱল আন্দোলনৰ জৰিয়তেহে সমাধান হ'ব বুলি এক ভ্ৰান্ত ধাৰণা মনতে কল্পনা কৰি লৈছে যাৰ ফলত অসমখন আন্দোলনেৰে কোঙা হৈ পৰিছে। ভৰপক আন্দোলনৰ বোজাত অসম তথা সমূহ অসমবাসীয়ে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ আগত মূৰ দাঙি থিয় হ'ব নোৱাৰা হৈছে।

এটা কথা ঠিক যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণক লৈ যি প্ৰতিবাদ চলি আছে, সেয়া সচেতন নৱ প্ৰজন্মৰ জাগ্ৰত প্ৰহৰী হিচাপে অন্তঃকৰণেৰে সমৰ্থন কৰিছোঁ। আমি আন্দোলন কৰিছোঁ সঁচা কিন্তু সেয়া কিয় কেৱল অসম বন্ধক অস্ত্ৰ হিচাপে লৈ। চলিত ২০১৯ চনলৈ যদি চাওঁ, দেখিম যে চলিত বৰ্ষৰ জানুৱাৰী মাহত

পোন্ধৰটা দিন কেৱল অসম বন্ধৰ নামতে গ'ল। বিদ্যালয়-মহাবিদ্যালয় সকলোবোৰ বন্ধ থাকিল। বন্ধ থাকিল সঁচা, কিন্তু শিক্ষা ব'ৰ্ডে যিবোৰ পৰীক্ষা অনুষ্ঠিত কৰিব সেইবোৰ কিন্তু সঠিক সময়তে হ'ব। যাৰ প্ৰেক্ষাপটত অসমৰ ছাত্ৰ-ছাত্ৰীসকল ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলতকৈ দহ শতাংশ হ'লেও পিছপৰি ৰ'ব। যিটো ভৱিষ্যৎ সময়ত চাকৰি প্ৰাপ্তিৰ বাবেও বাধা হ'ব পাৰে।

তদুপৰি অসমৰ ষাঠি শতাংশতকৈও অধিক লোক দিন হাজিৰা কৰি খোৱা মানুহ। অসম বন্ধই তেওঁলোকৰ ভাতসাঁজৰ মুদা মৰাৰ লগতে তেওঁলোককে মুখ্য কৰি চলি থকা চাউল, দাইল, কেঁচা পাচলি আদিৰে জীৱন নিৰ্বাহ কৰা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰো মূৰত মাধমাৰ পৰিল।

অসম ছাত্ৰ সন্থাই ২০১৯ চনৰ ৮ জানুৱাৰীত চৰকাৰৰ কাৰ্য-কলাপ সহিব নোৱাৰি দহ বছৰৰ পাছত নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰোধিতা কৰি অসম বন্ধ দিলে। কিন্তু ইয়াৰ পৰা কাৰোৰে একো উপকাৰ নহ'ল, বৰঞ্চ পাণবজাৰ, জালুকবাৰী, ধেমাজি, লখিমপুৰকে ধৰি সকলো ঠাইৰে বাছসমূহৰ আৰ্জনটোহে স্থগিত হ'ল।

অসম বন্ধৰ ফলত হোৱা বন্ধসমূহে অসমৰ অৰ্থনৈতিক, সামাজিক, বৌদ্ধিক সকলো ক্ষেত্ৰতে কেৱল বাধাৰহে সূচনা কৰিছে।

আমি জাতি-জনজাতিকৰণ, বিদেশী-স্বদেশীৰ কাৰণে অসম বন্ধ দিওঁতে দিওঁতে নিজৰ জাতিটো বিপদাপন্ন কৰি তুলিছোঁ। অসম বন্ধই কোনো ধৰণৰ সমস্যাৰ সমাধান কৰিছে বুলি ভবাতো বাক্যৰ পাছৰ প্ৰশ্নবোধকটোতকৈ কিন্তু কোনোগুণেই কম নহয়।

ঃঃঃঃঃ

## জিউমণি তালুকদাৰ

শিক্ষাতত্ত্ব বিভাগ

ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত অসম হ'ল এখন গুৰুত্বপূৰ্ণ ৰাজ্য। অসম হ'ল বাৰেৰহণীয়া জাতি-জনজাতি, বৰেৰহণীয়া সংস্কৃতিৰ মিলনভূমি। অসমখনৰ পুৰণি নাম কামৰূপ। অসম আছিল অতীজতেই বৰঅসম য'ত অসম, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা, অৰুণাচল, মিজোৰাম, মেঘালয় প্ৰদেশসমূহ। কিন্তু পৰৱৰ্তী পৰ্যায়ত বিভিন্ন জাতিগত সংঘৰ্ষ, অন্যায়, অবিচাৰ, হত্যা, লুণ্ঠন হোৱাৰ ফলস্বৰূপে আগৰ বৰঅসম এতিয়া বিভাজন হৈ খণ্ড-বিখণ্ড হৈছে। এতিয়া অসমৰ পৰিসীমা সীমিত হৈছে। য'ত বিভিন্ন জাতি-জনজাতিয়ে বসবাস কৰে যদিও আগৰ দৰে একেলগে ঐক্যবদ্ধ হৈ নাথাকে। জাতি, ধৰ্ম, লিংগৰ মাজত বিভিন্নতা আহিছে। আমি অসমীয়া, আমি কছাৰী, আমি আহোম, ৰাভা, কাৰ্বি, মিচিং, বড়ো বুলি বেলেগে বেলেগে পৰিচয় দিবলৈ আৰম্ভ কৰিছোঁ। আমি সকলো জাতি-জনজাতি যে একেই, সেই ভাবটো নাইকিয়া হৈছে। সকলোৰেই কেৱল নিজ জাতিটোৰ স্বাৰ্থৰ বাবে আৰু নিজৰ অভাৱ-অভিযোগ, সমস্যাসমূহৰ বিষয়ে উত্থাপন কৰাত ব্যস্ত থাকে। অসমত বৰ্তমান মানুহবোৰৰ মানসিকতা নিচেই তলৰ পৰ্যায়লৈ গতি কৰিছে। বিশেষকৈ বিভিন্ন জাতি-জনজাতিৰ মুৰব্বী, বিষয়ববীয়া, ঠিকাদাৰসকলে ধৰ্মৰ নামত, জাতি-জনজাতিৰ নামত নিজৰ কৰ্তৃত্ব, বল-পৰাক্ৰম প্ৰদৰ্শন কৰিবলৈ ৰাস্তা-পথত আন্দোলনৰ নামত নিজৰ দাবী-ধমকি চৰকাৰৰ ওচৰত উত্থাপন কৰিবলৈ ঘনে ঘনে অসম বন্ধ নামৰ এক নতুন কু-সংস্কৃতি আৰম্ভ কৰিছে। ইয়াৰ ফলত অসমত এক অশান্ত, হুলস্থূলীয়া বাতাৱৰণৰ সৃষ্টি হৈছে। যাৰ ফলত অসমৰ উন্নয়ন স্থবিৰ হৈ পৰিছে। আমাৰ অসমখন বিভিন্ন সমস্যাৰে ভৰপুৰ এখন দুখীয়া ৰাজ্য। অসম বন্ধ সংস্কৃতিটো ইমানেই বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে যে ই এটা ব্যাধিলৈ পৰিণত হৈছে। অসম বন্ধই জনসাধাৰণক বহু সমস্যাত পেলাইছে। বিশেষকৈ কৰ্মচাৰী, শ্ৰমিকসকলে কাম কৰি নিজৰ ঘৰখন পোহপাল দিয়ে। তাৰ এদিন যদি অসম বন্ধ শ্ৰমিকসকলে এদিন কাম কৰাৰ পৰা বিৰত হ'বলগা হয়, ইয়াৰ ফলত সিহঁতে দুবেলা দুমুঠি খাবলৈ সক্ষম নহয়। অসম বন্ধই ছাত্ৰ-ছাত্ৰীসকলকো পঢ়া-শুনাৰ ক্ষেত্ৰত হেঙাৰৰ সৃষ্টি কৰে।

তেওঁলোককো আন্দোলনৰ নামত শ্ৰেণীকোঠা বৰ্জন কৰি ৰাস্তা-পথত দল-সংগঠনে আন্দোলনত অৱতীৰ্ণ কৰোৱায়। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে অধ্যয়ন কৰাৰ পৰা বঞ্চিত হ'বলগাত পৰে। ইয়াৰ কু-পৰিণাম হিচাপে তেওঁলোকে পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হ'ব নোৱাৰে। সেই বাবে অসম বন্ধৰ এই কু-সংস্কৃতিটোৰ পৰা অসমখনক উদ্ধাৰ কৰিব নোৱাৰিলে ভৱিষ্যতে অসমখন আৰু তললৈ গতি কৰিব। অসমত যিকোনো সমস্যা সৃষ্টি হ'লে, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক ইত্যাদিৰ ক্ষেত্ৰত সমস্যা আহিলে, তাক সকলো দল-সংগঠন, সংস্থা, চৰকাৰ, শিক্ষাবিদ, বুদ্ধিজীৱীসকলে মিলি তাৰ সমাধানৰ বাবে উপায় উলিয়াব লাগে। তাৰ ঠাইত সময়ে সময়ে বন্ধ ঘোষণা কৰিলে অসমৰ উন্নয়ন স্থবিৰ হৈ পৰিব।

ঃঃঃঃঃ

# হাবিবা আখতাৰ বেগম

প্ৰাণী বিজ্ঞান বিভাগ

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক, ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। ৰাজনৈতিক দখলৰ পৰা ভাৰত এখন শক্তিশালী দেশ, লগতে অৰ্থনীতিৰ ক্ষেত্ৰতো আন দেশসমূহৰ লগত ফেৰ মাৰিব পৰা দেশ। কিন্তু একেদৰে ভাৰত এখন উন্নয়নশীল তথা জনসংখ্যাৰ ফালৰ পৰা দ্বিতীয় বৃহত্তৰ ৰাষ্ট্ৰ। ভাৰতৰ নাগৰিক হোৱা হেতুকে এটা কথা স্পষ্টকৈ উল্লেখ কৰিব পাৰি যে যদিহে ভাৰতক উন্নত ৰাষ্ট্ৰৰ ভিতৰত চাব খোজা হয়, তেনেহ'লে দ্বিতীয় বৃহত্তৰ (জনসংখ্যাৰ ফালৰ পৰা) গোড়ামি এৰিব লাগিব। জনসংখ্যা যিমান বেছি, নিৰক্ষৰতাও সিমানে। ভাৰতৰ ৰাজ্যসমূহৰ ফালৰ পৰা কেতবোৰ লেখনিত স্পৰ্শকাতৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ নামো সাঙোৰ খাই থকা দেখা যায়। কিছু দলীয় পক্ষ, দুৰ্বল চামৰ বাবে আমাৰ সোণৰ অসম জিলিকিব পৰা নাই। অসম বেছিভাগ ৰাজনৈতিক সমস্যাৰে জৰ্জৰিত। ক'ৰবাত বানপানী, নিবনুৱা, দৰিদ্ৰতা —সকলোতে কেৱল ৰাজনীতি। কিছুমান ক্ষমতালোভী আৰু সুবিধাবাদী মানুহৰ কাৰণে এনে অৱস্থাৰ স্নেপশ্বট মনলৈ আহে। পিছে এটা কথা, কিছুমান কাম চিধা পথত নহ'লে আঙুলি বেঁকা কৰা যায়। কেন্দ্ৰই যেতিয়া অসমৰ কথা পাহৰিবলৈ ধৰে আৰু যেতিয়া মনত পেলায় দিয়াৰ পাছতো অৱমাননা কৰে, তেতিয়া অসমখনিৰ স্বাৰ্থত যুৱ সংগঠনৰ দ্বাৰা ভিন্ন হুংকাৰ, বন্ধ ঘোষণা, হৰতাল, আন্দোলন, অনশন কেতবোৰ কাম কৰা দেখা যায়। কিছুদিন পূৰ্বে দেখা গৈছিল যে নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬ বিলখনৰ তীব্ৰ বিৰোধিতা কৰি ভৱিষ্যৎ প্ৰজন্ম আজিৰ শিক্ষাৰ্থীয়ে শ্ৰেণী বৰ্জন কৰিছে, ক'ৰবাত অনিৰ্দিষ্ট কাললৈ অনশন, ক'ৰবাত চকাবন্ধ। আচলতে সকলো ধৰণৰ পৰিপক্ক জ্ঞান লৈ যিহেতু ছাত্ৰ-ছাত্ৰী, শিক্ষাৰ লগত জড়িত বিশেষজ্ঞই চিন্তা-চৰ্চা কৰিব লাগে। কাৰণ এটা বন্ধ ঘোষণাই অসমৰ আৰ্থিক উন্নয়নতপ্ৰভাৱ পেলায়, দৰিদ্ৰক আৰু জুৰুলা কৰি পেলায়, চিকিৎসাৰ অভাৱত কিমানে প্ৰাণ হেৰুৱায় আৰু কত কি! ৰাজনীতি অতীজৰে পৰা চলি অহা এক প্ৰকাৰৰ পৰম্পৰা, ৰাজনীতিবিদে ৰাজনীতি কৰিছে। আমি জনতা শাসিত, শোষিত হৈছোঁ। কিন্তু ছাত্ৰ সমাজে নিৰ্বাচন কৰি উলিয়াব জানিব লাগিব কেনেধৰণৰ ব্যৱস্থা হাতত ল'ব লাগিব। বৰ্তমান অসম বন্ধৰ লগত সামঞ্জস্য আছে গৃহকন্দল— যেনেদৰে আহোমৰ ৰাজত্ব কালত হৈছিল। এফালে চাবলৈ গ'লে দেখা যায় যেতিয়া আমি মাতৃ সংকটত পৰিছোঁ, তেনেহ'লে তেওঁৰ পুত্ৰ-জীক কোনেও ৰখাব নোৱাৰিব, লাগিলে দিল্লীত গৈ নগ্ন প্ৰতিবাদেই নহওক কিয়। ঘটনাটো লজ্জাজনক যদিও উপায়হীন। জাতি-মাটি-ভেটি ৰক্ষাৰ স্বাৰ্থত সকলো আহিবই। এয়া সম্ভৱ এইকাৰণেই হৈছে যদি অসমত থকা ককায়েকসকল শক্তিশালী হ'লহেঁতেন তেনে ক্ষেত্ৰত তেনে এটা অপ্ৰীতিকৰ কাৰ্য হয়তো কেতিয়াও নহ'লহেঁতেন।

বৰ্তমানৰ এন আৰ চি সন্দৰ্ভত খচৰা সংশোধনী সম্পূৰ্ণৰূপে সেই ৰাজনীতিৰ অধীনত। বাহিৰৰ পৰা অসমত আহি অধিকাৰ বিস্তাৰ কৰিবহি। যেতিয়া চৰকাৰৰ চকুত সেইখিনি পৰে, তেতিয়াই জনসাধাৰণৰ মনত পেলাই দিবলগীয়া হয়, কিয়নো গণতন্ত্ৰ মানে হৈছে জনসাধাৰণৰ বাবে জনসাধাৰণে কৰা ব্যৱস্থাপনা।

অসমখন জিলিকি উঠক। অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল হেঙাৰস্বৰূপ হ'ল অসম বন্ধ। কিন্তু সেই হেঙাৰত আৰু চিমেণ্ট-বালি সানি দিয়া হয় কোনো ভ্ৰষ্টাচাৰী ৰাজনীতিবিদ আৰু তেওঁলোকৰ চাম্চা কিছুমানৰ প্ৰচেষ্টাতেই।

বৰ্তমান অসমখন সংকটত। ইয়াৰ শাসন ব্যৱস্থা, ব্যৱস্থাপনা আৰ্থিকভাৱে যেতিয়া শিথিল হ'ব, তেতিয়া অচিৰেই অসমৰ পৰা অসম বন্ধৰ দৰে বাধাবোৰ নাইকিয়া হ'ব।

ঃঃঃঃঃ

## বিদিশা ভট্টাচাৰ্য

ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান অসমৰ সকলোৰে মুখে মুখে জনাজাত এক বিষয় হৈ পৰিছে অসম বন্ধ। বিভিন্ন সময়ত, বিভিন্ন কাৰণত দল-সংগঠনসমূহে অসম বন্ধ ঘোষণা কৰা দেখা যায়। অসম বন্ধৰ অৰ্থ হ'ল অসমৰ সকলো ধৰণৰ চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান সেই বিশেষ দিনটোত বন্ধ ৰখা। কিন্তু বৰ্তমান সময়ত অসম বন্ধ এক উৎসৱৰ দৰে হৈ পৰা দেখা গৈছে। কিছুমান সৰু-সুৰা অলাগতিয়াল কথাতো অসম বন্ধ ঘোষণা কৰা দেখা গৈছে।

অসম বন্ধ দিয়াৰ ফলত সাধাৰণ জনতাই যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হোৱা দেখা যায়। যিকোনো ধৰণৰ প্ৰয়োজনীয় কাম থাকিলেও সেইদিনা যাতায়াতৰ সুবিধা পোৱা নাযায়। যাৰ ফলত বহু সময় ৰোগীসকলক ডাক্তৰৰ ওচৰলৈ নিয়াতো অসুবিধা হয়। কেতিয়াবা কিছুমান গুৰুত্বপূৰ্ণ পৰীক্ষাৰ দিনতো বন্ধ ঘোষণা কৰা হয়, যাৰ ফলত পৰীক্ষাৰ্থী বিভিন্ন সমস্যাৰ সন্মুখীন হয়। তদুপৰি আজিকালি বন্ধৰ দিনত বিভিন্ন উচ্ছৃংখল পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। আজিকালি প্ৰায়ে বন্ধ ঘোষণা কৰা দল-সংগঠনৰ ব্যক্তিসকলে গাড়ী ভঙা, টায়াৰ জ্বলোৱা আদি কিছু অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা দেখা যায়। তদুপৰি সেইদিনা দোকানসমূহ বন্ধ হোৱাত ক্ষুদ্ৰ ব্যৱসায়ীসকলো বিভিন্ন সমস্যাৰ সন্মুখীন হয়। আনহাতে, দিন হাজিৰা কৰা ব্যক্তিসকলে সেই দিনটো কাম নোপোৱাৰ বাবে দুমুঠি অন্নৰ যোগাৰ কৰাতো সমস্যাৰ সন্মুখীন হয়।

অসম বন্ধৰ ফলত উপকাৰ একো নাই, কিন্তু এই অসম বন্ধসমূহে অসমৰ সৰ্বাংগীণ বিকাশত বাধা জন্মায়। এটা দিন সকলো ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় বন্ধ ৰখাৰ বাবে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট ক্ষতি হয়। অসম বন্ধৰ ফলত সামাজিক ব্যৱস্থাও অস্থিৰ হৈ পৰে; হাই-কাজিয়া, গাড়ী ভঙা, টায়াৰ জ্বলোৱা, পুলিচৰ লগত হতাহতি আদি ঘটনাই সামাজিক ব্যৱস্থা অস্থিৰ কৰি তোলে। এনেদৰে অসম বন্ধই অসমৰ বিকাশত বাধা জন্মায়।

শাসনাধিষ্ঠিত দলৰ বিৰোধিতা কৰাটো ভুল নহয়। কিন্তু তাকে কৰিবলৈ গৈ অনবৰতে দুই-তিনিদিনৰ মূৰে মূৰে অসম বন্ধ দি থকাটো উচিত নহয়। বৰ্তমান অসমত সত্তৰটামান সংগঠন আছে যিসমূহে কাৰণ বা অকাৰণবশতঃ বিভিন্ন সময়ত অসম বন্ধ ঘোষণা কৰা দেখা যায়। এই প্ৰক্ৰিয়াই অসমৰ বিকাশত বাধা জন্মায়। গতিকে জনসাধাৰণৰ লগতে অসমৰ দল-সংগঠনসমূহেও এই কথা বুজি পাব লাগিব আৰু বিশেষ প্ৰয়োজনতহে বন্ধৰ ঘোষণাৰ ব্যৱস্থা কৰিব লাগিব। নহ'লে যি গতিত অসম বন্ধৰ পৰিমাণ বাঢ়িবলৈ ধৰিছে, ই অসমক নিশ্চিতভাৱে বিপদত পেলাব।

সৰ্বশেষত, অসম বন্ধ কোনো সমস্যাৰ সমাধান নহয়। যদি অসমৰ উন্নতিৰ মন থাকে, দলসমূহে অসম বন্ধ দিয়াৰ বিপৰীতে খোলা ৰাখি অসমৰ উন্নয়নৰ ব্যৱস্থা কৰিব লাগিব।

ঃঃঃঃঃ

## Barsha Konwar

Dept. of Physics

Assam Bandh! Isn't is one of the festival of Assam. It's become a trend to give bandhs by any people any group, any organization. The people who give bandhs think that they can get any thing by giving a bandh. But a day of protest, a day of bandh can make a family destroyed by medical purpose in some other way. One day of stop the working of the nations or the area is ten step backward from development. As a student, in semester we have only 3 months of total class, if in these days, in a week, two or three days bandhs means incomplete of our courses. The bandhs which is to bring development to the country can only bring, backwardness, of present and future. In bandhs we see in news that the protesters beat people, break their vehicles sometimes throw stones. Atleast think of the general people, they may be from middle class or poor family and they destroyed only their means of income, they injured them and they need development. What kind of development they need? Which bring darkness in the future. If the social service organizations or the other development demanding groups seek their demands through violence, cause harm the government/nations property, to the common citizen there is no development. Public development/nation development should seek if through protest then it shouldn't cause any harm to other in any matter. It should be non-violence, should only bring development to that area. Assam Bandhs now-a-days is the serious topic of anti-development of Assam, it should be taken seriously and wisely, and should give the people an advice how to perform it.

ঃঃঃঃঃ

## Sudhrity Biswakarma

Dept. of English

As we all know that Assam is an underdeveloping state in an underdeveloping country India. Assam could have been so much developed than what it is today. But the protest by political parties, student union and publics are the main reason behind its fail. The opposition parties, are only in search of the winner parties fault and even if the winner parties does the good job they start their protest, which results to Assam Bandha, some times its for one, two, three or a week. If it continues the same it may last for one month. While Assam Bandh vehicles does not run, town and cities remain closed. Various constructruction works, official work remain junked.

Assam Bandh and its protest is the main reason for the incompletion of the dam on the river Subansiri, which could be the Asia's 2nd largest dam and make the name of Assam Shine over the world.

And many other works are incomplete, in which behind somewhere Assam Bandh stands the reason. Whenever, whoever found something unlikely they come over and begin the protest, which result the so called action Assam Bandh. It must

be abolished like the developed country like China.

ꢀꢀꢀꢀꢀ


**Meghna Boruah**

Dept. of Zoology


As, we know now-a-days many activist protestors find an issue for declaring 'Bandh'. By declaring a holiday or bandh for any issue doesnot resolve the problem, nor it give solution to the problem. Rather than protesting & declaring bandh we should find other effective ways to solve the problem. So that the common people doesnot suffer. In last few days we have seen that there was bandh which was declared by the students union of various universities in Assam with the concern of citizenship Amendment Act. But did these bandhs really resolve the problem? Obviously not, we did not gain anything by boycotting classes. It also had negative effects on business, market, transportation. Common people with their daily job found troublesome to go to their job places as many activists and protestors burnt tyres on the middle of roads.

Loss in business, as they are unable to sell goods. Government employees are bound to do their job but due to bandh they find it troublesome. Many people need to go from one town to another, for their jobs, business school, colleges. These people miss out their daily jobs or duties. We all know that there is a famous saying 'Time is money', loss of time is equal to loss in money. But, as the activists, protestors, political leaders declare bandh. The common people suffer. Many people loss their opportunities Band also has a negative influence on our children as they think it as a holiday and also refuses to go to their school. Burning of tyres on the road pictures a negative scenario in the mind of children. So we should stop this kind of circulated bandh to some other issues as it affects our society, markets and business. Thus we can conclude that Assam Bandh is a hindrance for our society and well development of our society.

ꢀꢀꢀꢀꢀ


**Namasya S. Khandayatray**

Dept. of English


Assam a state with truly defined beauty. It is a state with amiable mass, lush green scenic beauty, tea estates, and betelnuts. Being a site of attraction.Assam has been one of the famous tourist places. A land of varied culture, vibrant rituals and the colourful Bihu, has a story to tell. Lately, one of the major hindrances to the all round development of Assam has been the 'so called 'Assam Bandh'.

If we take a look towards media, we see that instead of being unbiased, the media plays the role of giving false information and provoking the masses. Such

have been the cases in today a let of people believe what they see on T.V. and what they hear from people. This result in numbers of unexpected nor working days. It might not appear to be a great cause for the hindrance of a nation's all round development at the first glance. But bandhs have vehemently affected the development of the state and ultimately the nation.

In Assam every other day news channels announce Assam Bandhs given by different communal as well as student organisations. People must acknowledge the negative impacts of such bandhs and learn the fact that protesting and struts, burning down buses and cars, closing educational institutions is not the proper way of urging the government to work on their behalf. In colleges and schools, syllabus remains incomplete, there are lessen of properties as when cars and shaps are burned down. Apart from these, bandhs also affect tourism.

One can never bear the loss of a family member who is in need of an emergency treatment. And there are no open hospitals or clinics at sight. These are certain issues which can never be overlooked.

Amar dabi Maniboi Lagiba, Assam Sarkar Hai Hai are same of the slogans we hear every news and then. News channels are flashing with headlines of people undertaking marches and ralies. The all round development of a state depends on the all round functioning of different aspects. Assam bandh has been a tool to create a hype and thus, must be curtailed for the all round development of Assam and also for the entire nation.

៰៰៰៰៰

**Bidisha Kalita**

Dept. of Physics

Assam is one of the prestigious states in North-east India. The Citizenship Bill (2016) in Loksabha has caused a chaos among people and the current government. The protest against this bill which provides legal rights to illegal immigrants from Bangladesh has threatened the native dwellers of Assam. The state and its people are united against this bill Many communist and political parties are coming out in the roads and streets for the protest. In recent day the certain groups have put a curfew in several regions of Assam. The curfew is leading to drastic come down on the economy of the state. The import and export of raw materials have been stopped due to which the businessmen of the state are in a mid situations. The protest is being used as a tool for politics, not only in Assembly but also in colleges and universities. The protest in colleges and universities are causing a hindrance for students and teachers  institutions. The Assam Bandh is mostly influenced by the students politics. The artists in Assam are supporting the protest. The recent award given to Dr. Bhupen Hazarika i.e. Bharat Ratna is been discouraged by some artists and their followers saying that it's a sick politics.They believe that it is a way to calm people. The Assam Bandh has caused a chaos in the state. The people of the state are frightened and angry upon the government. The chaos is

causing a hindrance in the development of the state.

ঃ ঃ ঃ ঃ ঃ

**Afruja Rahman**
Dept. of Zoology

'Assam Bandh' is now-a-days known to be the main hindrance to Assam's development as it is common now-a-days. It greatly implies a role to the people of Assam, because it affects a lot as the bandh happens because of a lot of reasons such as striking or protesting by the youths of Assam.

The cause of protesting goes to some rules or orders applied by the government which does not play as a good role. Otherwise it can cause a great damage if the people of Assam accept those orders which is not good for their purpose. We can say that 'Assam Bandh' implies a good role but also a bad role to us.


Due to such activities, people cannot go to their offices, Medical, school or colleges to work. Plus it also impact to the youth who goes for study to college but cannot go. The bus or cars are prohibited at the day of the Assam Bandh as due to this reason people are also prohibited to go at their works.

On the other hand, In Assam, youths protest so much that Assam Bandh is common now we can compare this situation to a festival as it happens every month and each year.

But it does not mean that it can't have any advantages, because of this the youth's protest does not go at waste,because of them some of the orders which makes our Assam more weak, those youths stop them from doing such thing to us. So we can conclude that it is a type of ability or a idea to Assam's development.

ঃ ঃ ঃ ঃ ঃ





"
এটা দিন আছিল স্কুলৰ পৰা গৈ মায়ে বাঢ়ি দিয়া ভাতকেইটা লৰা-লৰিকৈ খাই পথাৰলৈ দৌৰিছিলোঁ। আবেলিৰ হেঙুলী বেলি, শুকান নৰাৰে খৰাং পথাৰখন আৰু আমি। ইচ... কি অপূৰ্ব আনন্দ।
"

# জীৱনৰ প্ৰকৃত ৰংবোৰ

**অনামিকা শৰ্মা**
প্ৰাণীবিজ্ঞান বিভাগ

বৰ্তমান সমাজখন হ'ল আধুনিক সমাজ। আধুনিকতাৰ দিশে গতি কৰোঁতে মানুহবোৰ যেন এক যন্ত্ৰত পৰিণত হৈছে। মানৱীয় প্ৰমূল্যবোধৰ সাম্য মানো জ্ঞান যেন মানুহৰ মনত নাই। আধুনিকতাৰ কবলত পৰি দয়া, মমতা নামৰ শব্দবোৰ অৰ্থহীন হৈ পৰিছে।

এটা দিন আছিল স্কুলৰ পৰা গৈ মায়ে বাঢ়ি দিয়া ভাতকেইটা লৰা-লৰিকৈ খাই পথাৰলৈ দৌৰিছিলোঁ। আবেলিৰ হেঙুলী বেলি, শুকান নৰাৰে খৰাং পথাৰখন আৰু আমি। ইচ... কি অপূৰ্ব আনন্দ। মনলৈ ওভটি আহে সেই খেলবোৰ-লুকাভাকু, ৰজা-ৰাণী, গাঁৱৰ লিংলিঙিয়া বাটটোত বহি চেংগুটি খেলাৰ কথা। সন্ধিয়া ঘৰলৈ ওভটি ভৰি হাত ধোওঁতে নৰাই কটা ভৰিৰ চেক্‌চেকনিৰ কষ্ট। মায়ে দিয়া মুৰি জলপান এমুঠি খাই পঢ়িবলৈ বহোতে টোপনিৰ জলাকলাবোৰ আজিও মনত পৰে। কিয় জানো সেই টেবুলত বহোতে ধৰা  টোপনিটো টেবুলৰ পৰা উঠিলেই পপীয়া তৰা বিশাল আকাশৰ বুকুত হেৰাই যোৱাৰ দৰে হেৰাই গৈছিল। চোতালত বহি আকাশৰ তৰা চাই চাই আইতাৰ সাধু শুনি টোপনি যোৱাৰ আমেজকণেই অতুলনীয় আছিল। কিন্তু এতিয়া ডাঙৰ হৈ আহিলোঁ, যান্ত্ৰিক জীৱনৰ ব্যস্ততাৰ মাজত নেদেখা হ'লোঁ সেই খৰাং পথাৰখন। আধুনিকতাৰ কবলত হেৰাই গ'ল সেই লুকা-ভাকু, ৰজা-ৰাণী খেলবোৰ।

আজিকালি এবছৰ, দুবছৰ হয় কি নহয় শিশুৱে ম'বাইল, কম্পিউটাৰ আদিত ব্যস্ত হৈ পৰে। প্ৰকৃতিৰ মনোমোহা দিশবোৰ উপভোগ কৰিবলৈ নাপায়। অভিভাৱকসকলে নিবিচাৰে শিশুসকল সমনীয়াৰ লগত খেলা-ধূলা কৰক, আইতাৰ বুকুৰ মাজত সোমাই জোনবাই দেশৰ সাধু শুনক। এনেবোৰ আৱেগ সময়ৰ অপব্যৱহাৰ বুলি ভাবে বৰ্তমানৰ অভিভাৱকে। আধুনিকতাৰ নামত জীৱন নামৰ প্ৰতিযোগিতাখনৰ শিশুসকল এক প্ৰতিযোগী। যাৰ একমাত্ৰ লক্ষ্য প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ স্থান লাভ কৰা। আধুনিকতাৰ নামত যেন জীৱনৰ প্ৰকৃত ৰংবোৰ লুকাই গৈছে। হেৰাই গৈছে আপোনজনৰ এষাৰ মাত।

# সোণাৰুৱে থুপাথুপি হালধীয়া ফুল

**অলকা সেনাপতি**
একাদশ শ্ৰেণী (বিজ্ঞান শাখা)



সুন্দৰ অলৌকিক ছন্দময় পৰশত সোণাৰু গছৰ সৌন্দৰ্য দীপ্ত হালধীয়া থুপাথুপি কুসুমৰ প্ৰস্ফুটিত সৌন্দৰ্যৰ জ্যোতিস্ময় মেলা পাতি মন বিমোহিত কৰি তোলে। সোণাৰুৰ হালধীয়া ৰঙৰ ৰূপৰ মাধুৰ্যই মানুহৰ মনোৰাজ্যত আলোড়নৰ সৃষ্টি কৰে। সোণাৰু হৈছে সুন্দৰ হালধীয়া বৰণৰ সৰু সৰু ফুল। ফুলবিধক গল্ডেন ৰেইন ট্ৰী বুলিও কোৱা হয়। ইয়াৰ বৈজ্ঞানিক নাম 'Koelreuteria paniculata'। সোণাৰু ফুলবিধ কেৰেলাৰ জাতীয় ফুল। কেৰেলাৰ বিষ্ণু উৎসৱত সোণাৰুৰ এক আনুষ্ঠানিক আদৰ আছে আৰু মালায়ালি সমাজতো বিশেষভাৱে সমাদৃত। ভাৰত উপ-মহাদ্বীপৰ দক্ষিণ ভাৰতীয়সকলৰ জাতীয় উদ্ভিদ হিচাপেও ফুলবিধ বিখ্যাত আৰু সমগ্ৰ দক্ষিণ ভাৰতীয় অঞ্চল জুৰি বিস্তৃত। ইয়াৰ পৰিসৰ সমগ্ৰ দক্ষিণ পাকিস্তানৰ



পৰা আৰম্ভ কৰি ভাৰত, ম্যানমাৰ, থাইলেণ্ড, শ্ৰীলংকালৈকে বিস্তৃত। এই উদ্ভিদবিধ বনৌষধি চিকিৎসাতো বিশেষভাৱে প্ৰয়োজন হয়। পৌৰাণিক তামিল সাহিত্য মতে এই উদ্ভিদবিধ ‘কনদ্ৰাই’ বুলি কোৱা হয় আৰু সংগম স্থলভাগৰ মোল্লাই অঞ্চলৰ লগত বিশেষভাৱে সংলগ্ন। দক্ষিণ ভাৰতীয় অঞ্চলত তামিল কাব্য শাস্ত্ৰত সংগমস্থল হিচাপে অভিহিত কৰিছে আৰু মোল্লাই হ’ল তাৰেই একোটা আন্তঃভাগ। এই উদ্ভিদবিধ হৈছে থাইলেণ্ডৰ ৰাষ্ট্ৰীয় উদ্ভিদ আৰু ফুলবিধ হৈছে থাইলেণ্ডৰ ৰাষ্ট্ৰীয় ফুল।

ইয়াৰ উচ্চতা প্ৰায় দহৰ পৰা বিশ মিটাৰলৈকে ওখ হয় আৰু পাতবোৰ প্ৰায় পোন্ধৰৰ পৰা যাঠি ছেণ্টিমিটাৰলৈকে দীঘল হয়। ইয়াৰ ফুলপাত বিশৰ পৰা চল্লিশ ছেণ্টিমিটাৰ দীঘল হয়। এই উদ্ভিদবিধ বিশেষকৈ গ্ৰীষ্মমণ্ডল আৰু নাতিশীতোষ্ণ জলবায়ুৰ অঞ্চলত বহুলভাৱে বিস্তৃত। সোণাৰু ফুল বসন্তকালৰ শেষৰফালে প্ৰচুৰভাৱে ফুলিবলৈ ধৰে আৰু সম্পূৰ্ণ গছজোপা হালধীয়া ফুলেৰে উপচি পৰে। শুকান আৰু ফৰকাল বতৰত ফুলবোৰৰ ৰং বেছিকৈ উজ্জ্বল হৈ উঠে আৰু ইয়াৰ উজ্জ্বলতাই পাতবোৰ ঢাকি পেলায়। বৰষুণৰ বতৰত ফুলবোৰৰ হালধীয়া উজ্জ্বলতা ধূসৰ হৈ যায়। আয়ুৰ্বেদিক ঔষধ শাস্ত্ৰত এই উদ্ভিদবিধক আৰগ্ ভদা (বীজাণু ঘাটক) বুলি কোৱা হয়। সোণাৰু গছৰ ফলবিধৰ মজ্জা কৌষ্ঠকাঠিন্যৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়। সৰু ল’ৰা-ছোৱালীৰ জিভাখন বগা পৰিলে সোণাৰু ফলৰ মাজৰ ক’লা লালিৰ দৰে বস্তুবিধ জিভাত লেপন দিলে ভাল ফল পোৱা যায়। হাজাৰ হাজাৰ বছৰ ধৰি এই উদ্ভিদবিধক বনৌষধ হিচাপে ব্যৱহাৰ কৰি আহিছে। মাৰ্চ-এপ্ৰিল মাহত পাতবোৰ সৰি যায়। ফুলবোৰ দুইৰ পৰা তিনি ইঞ্চিৰ ব্যাসৰ উজ্জ্বল তথা হালধীয়া ৰঙৰ এই বিধ ফুল থুপ পাতি থাকে। ফুলেৰে আচ্ছাদিত বৃক্ষৰ শোভা দেখিয়েই আলোকতা বাঢ়ে। এই ফুলবিধৰ কোনো গোন্ধ নাই। ইয়াৰ ফলবোৰ ১-২ ফুল দীঘল আৰু বেলনাকায় হয়। কেঁচা ফলবোৰ সেউজীয়া আৰু পকিলে ক’লা বৰণৰ প্ৰায় গোটেই বছৰ গছতে উলমি থকা দেখা যায়। ফলবোৰত ২৫-১০০ পৰ্যন্ত চেপেটা হালধীয়া বৰণৰ গুটি থাকে। ইয়াৰ মাজত ক’লা মজ্জাবোৰ বনৌষধ হিচাপে ব্যৱহাৰ হয়। ইয়াৰ চালবোৰ খুন্দি পিহি শিৰাবোৰ উলিয়াই ৰছী তৈয়াৰ কৰা হয়।

আয়ুৰ্বেদ অনুসৰি ইয়াৰ ৰসত মধুমেহ, কফ, কৌষ্ঠকাঠিন্য আদি নাশক থাকে। তদুপৰি জ্বৰ-কাহ, হৃদৰোগ, ৰক্তপিত, বাত ব্যাধি, প্ৰমেহ, চকুৰ ৰোগ, ডিঙিৰ ৰোগ আদি ৰোগনাশক। বৈজ্ঞানিক মতানুসাৰে ৰাসায়নিক সংৰচনাৰ বিশ্লেষণৰ পৰা জ্ঞাত হৈছে যে, ইয়াৰ পাতবোৰ আৰু ফুলবোৰত গ্লাইক’চাইড, ছালবোৰত টেনিন, ফ্লু’বৈফিন, এন্থ্ৰাকিনীন আৰু ফলৰ ক’লা মজ্জাবোৰত শৰ্কৰা, পেক্টিন, গ্লুটীন, ক্ষাৰ, পানী থাকে।

আগতে প্ৰায় মানুহৰ বাৰীতে সোণাৰু গছ দেখা পোৱা গৈছিল। কিন্তু বৰ্তমান এইবিধ গছ প্ৰায় লুপ্তপ্ৰায় হোৱাৰ পথত।

সোণাৰুৰ ফুল যদিও গন্ধবিহীন তথাপি ইয়াৰ ঔষধি গুণো যথেষ্ট। এনে এবিধ গছ সংৰক্ষণ কৰাতো আমাৰ কৰ্তব্য হোৱা উচিত। গীত, কবিতা আদিতো সোণাৰুৰ থুপাথুপি ফুলৰ উল্লেখ আছে। জাতিৰ গৌৰৱ ভূপেন হাজৰিকাদেৱৰ গীতত থুপাথুপি সোণাৰু ফুলৰ উল্লেখ থকা এফাঁকিৰে মোৰ প্ৰবন্ধ সামৰণি মাৰিবলৈ লৈছোঁ-

সোণাৰুৰে হালধীয়া থুপাথুপি ফুল
আইনা দেখি খোপা বান্ধি ৰাধা ব্যাকুল।

# *Corona Virus and Health Department of Assam*

***Bidisha Bhattacharya***
*Dept. of Pol. Science*

*The year 2020 become a challenge for humankind. On the onset of 2020, the whole world faced a pandemic i.e. COVID-19 or Coronavirus. It first outbreak in Wuhan, China and gradually it spread accross the whole world. Today, the whole world is fighting against it. India is also strongly fighting against COVID-19. Every state of India systematically organised the hopitals, health officials and other essentials. In Assam, Health department plays a very good role and has taken every essential step to overcome this pandemic.*

*The first case of COVID-19 pandemic in Assam was reported on 31st March, 2020 in Karimganj district. As of 31st May, 2020, the government of Assam has confirmed a total of 1,185 positive cases including 166 recoveries and four death in the state. The COVID-19 outbreak in Assam has been traced to persons who attended the conference of Tablighi Jamat religious organisation at Nizamuddin Markaz (Delhi). The state also begun witnessing a spike number of COVID-19 cases as the migrant workers and many people of Assam, stayed in other parts of country returned to Assam. State Government take initiative to keep them in quarantine for 14 days. So, there is less possibility of spreading the virus through these peoples.*

*Assam's fight against novel Coronavirus has largely spearheaded by state's Health Minister Dr. Himanta Biswa Sharma. The goverment of Assam setup a quarantine centre with 700 beds at Sarusajai Sports Complex and an apartment had been rented nearly by the government when at least 200 doctors can stay. On 15th March, the government of Assam shut down all educational institutions, cinema hall, multiplexes, gyms and swimming pools.*

*On 27th April, Chief Minister Sarbananda Sonowal announced a life insurance cover of Rs. 50 lakh to journalists. The government also gave Rs. 2000 in two instalments to Assamese stranded abroad. The Chief Minister also ordered to issue Job Cards to all migrant workers returning to state from different parts of country.*

*The government has launched a scheme called Dhanwantri to make home delivery of locally unavailable medicines amid lockdown restrictions. The government of Assam has started a Youtube Channel for spreading awareness among public. Also the government has launched a mobile applications called "COVAAS' for users to get information regarding COVID-19 Assam. The government evacuated 291 students of Assam, who were stranded at Kota, Rajasthan. On 30th May, Dr. Himanta Biswa Sharma Inaugurated the first COVID-19 hospital of North-East in Guwahati. It has capacity of 180 beds and 60 I.C.U.*

*The government also make it mandatory to wear mask in public. The government deployed Asha workers and MPW to monitor the home quarantine patients.*

*Thus, Assam plays a very strong role against Coronavirus till today. The death rate in Assam is 0.32%. Hope, Assam's Health Department will continued its fight against COVID-19 and it will be successful soon.*

# *Euthanasia*

***Bhaswati Borah***
*Dept. of Political Science*

*India is a democratic country with its own written constitution. The preamble and whole provision of our country's constitution reflect the hopes and aspirations of the people and fulfil our demands.*

*Euthanasia is a newly added term under Article 21 of the constitution of India which mean 'good death' or 'Mercy killing'. In many countries, there is a divisive public controversy over the moral, ethical and loyal issues of Euthanasia.*




*Our Indian constitution embodied 'Right to live with personal liberty' under article 21 since the time of enactment. But, considered Euthanasia is an unnatural termination or exitinction of life and therefore. In 1996 Gin Kaur case, Hon'ble supreme court of India does not include it under article 21.*

*Again this matter came in from of country's Apexs Judicuary in Aruna Shartbang case in 2015 who had been in a persistent vegetative state for 42 years. On this case, supreme court of India legalized passive Euthanasia in India by means of the withdrawal of life support to patient in a permanent vegetative state.*

*Now, right to die with dignity comes under article 21 of the constitution of India and recently. The law commission too has proposed a legislation on 'Passive Euthanasia'.*

# *Vedic Mathematics :*
# *Tricks for Fast Calculation*

***Hiranmoyee Sarmah***
*Dept. of Mathematics*

---

*'Vedic Mathematics' a science that its founder claims was lost due to the advent of modern mathematics. Vedic mathematics is said by its founder to be a gift given to this world by the ancient sages of India, though there is no historical evidence whatsoever for this claim. It is a system for limited arithmetic and polynomial calculation which is simpler and more enjoyable than the equivalent algorithms of modern mathematics.*

*'Vedic mathematics' is the name given to a supposedly ancient system of calculation which was rediscovered from 'Vedas' between 1911 and 1918 by Sri Bharati Krishna Tirthaji Maharaj (1884-1960). He got some revelations from a particular portion of the Atharvaveda called 'Ganita Sutras'. The Ganita Sutras are also called 'Sulba Sutras'. The easy mathematical formulas. According to Tirthaji, all vedic mathematics is based on sixteen sutras or word formulae. Those formulae are intended to describe the way, the mind naturally works and are therefore supposed to be a great help in directing the students to the appropriate method of solution. None of these sutras have ever been found in vedic literature, nor are its method consistent with known mathematical knowledge from the vedic era.*

*The sixteen sutras of vedic maths are-*

1. *Exadhikina purvena*
   *Meaning-by one more than the previous one.*
2. *Nikhilam Navatashcaramam Dashatah-All from 9 and the last from 10.*
3. *Urdhva-Tiryagbyham-Vertically and crosscoise.*
4. *Paraavartya Tojayet-Transpose and adjust.*
5. *Shunyam Saamyasamuccaye-When the sum is the same that sum is xero.*
6. *(Anurupye) Shunyamanyat-If one is in ratio, the other is xero.*
7. *Sankalana-Vya vakalanabhyam-By addition and by subtraction.*
8. *Puranapuranabuham-By the completion or non-completion.*
9. *Chalana-Kalanabuham-Differences and similarities.*
10. *Taavadunam-Whatever the extent of its deficiency.*
11. *Vyashlisamanstih-Part and whole.*
12. *Shesanyankena charamena-The remainders by the last digit.*
13. *Sopaantyadvayamantyam-The ultimate and twice the penultimate.*
14. *Ekanyunena Purvena-By one less than the previous one.*
15. *Gunitasamuchyah-The product of the sum.*
16. *Gunakasamuchyah-The factors of the sum is equal to the sum of the factors.*

# *Impact of games on today's youth*



**Anindita Boruah**
*Dept. of Home Science*

*A game is a structural form of play, usually undertaken for enjoyment and sometimes used as an educational tool. But a mobile game is totally a different form of game played on a featured phone, smart phone, tablet, smart watch, PDA, portable media player or the graphing calculator. The earliest known game on a mobile phone was a Tetris Voriant on the Hagenuk MT-2000 device from 1994.*

*In 1997, Nokia launched the very successful snake. Snake, that war preinstalled in most mobile devices manufactured by Nokia, has since become one of the most played games and is found on more than 350 million devices worldwide. A variant of the snake game for the Nokia 6110, using the infrared part, was also the first two-player game for mobile phones.*

*The most famous games that the youth are very fond of playing are PUBG, Clash of clans, Clash Royale, Fortnite, Minecraft, Pokemon Go, Geometry Dash, Roblox, 8 Ball pool, Angry birds, Candy Crush saga, Rules of survival, Hay Day, Marvel contest of Champions, Star Wars, Galaxy of Heroes, Sniper 3D : Fun FPS shooting etc.*

*Games have both advantage and disadvantage. The positive side is that they can teach knowledge and improve physical and mental skills. The down side is they can be aggressive and make one spend too much time with them.*

*Today it is difficult to find a house that does not have any other console or computer. Mainly the youth spend several hours a day playing, either through the media or by any other devices such as the mobiles or tablets. But people donot realize its effect on their development and spend most of their time on the internet gaming. Advantages like it develop empathy, increase of the sense of mental abilities, fostering positive values, encouraging*



team work can be seen on the players. Disadvantages that can be seen are as follows it can create addiction, can increase the aggressiveness of the player and becomes violent, has negative effects on socialization, can affect the life of the players.

Most of the bad effects of video games are because of violent content. The young youths who play more violent games are more likely to have increased aggressive thoughts, emotions and behaviours and antisocial tendencies. According to a scientific study by Anderson & Bushman in 2001, the research which took place in Northern-Ireland, claimed young students' grades were negatively impacted by gaming. It involved more than 600 children aged 14 to 16 from 2012-14.41% who played at least twice a day are more likely to achieve G,C,S,E, grades of A*-C, compared to 77% of those who gamed once a week.

Frequency is at play. Excessive gaming, especially in late hours, retracts hours spent on studying, and consequently, makes pupils less focused at school the following day. Hence, the bad grades. By spending so much time on their game console or on the computer, children are missing out their social life. They are likely to stop them from meeting new people and making new friends. After making some research work results found that ' for boys, but not for girls, a stronger preference for each of the three types of violent games was associated with lower self-competence scorer in one or more developmentally important areas, including academic, interpersonal and backward skills. '(Cesorone, 1998). This finding factor into the idea of taking time away from doing other things for these boys because they are suffering in important factors in life that will allow them to succeed. The reason why the youth find it so enjoyable is that games are usually the right degree of challenging and the player takes an active role (unlike watching television) so there is an incentive to achieve (Gee, 2003). The gaming world is very popular for these players and that is why it has become a social activity.

Like so many other issues these days, the concept of game is controversial. The line between a healthy amount of gaming and an excessive amount is easily blurred and crossed especially when games are as addicting as studies claim. Banning games entirely may be good for some households, but others will find that it may socially isolate them or may take away a source of joy and possibly cognitive development. However, opening the door to the good, will also allow access to the bad including exposing the children's mind to the games of violence, and putting them at risk of life In the end, it is important that the parent monitors what kinds of games the youth are playing and being exposed to. Part of their job is to know the descriptors and the games they represent. The entertainment software rating board has ratings that provide concerned parents information about the content of the games (ESRB, 2014). Efficient use of those ratings can help parents to make more informal choices for their children. Thus, it can be concluded that the parents can a major role to overcome this impact.



# ब र गी त

**मीरा दास**
अध्यापिका, हिन्दी विभाग

बरगीत शब्द में 'वर' विशेषण है, जिसका अर्थ है – बड़ा यानी श्रेष्ठ। इस विशेषण का प्रयोग आधुनिक असमीया में भी होता है। जैसे बड़सभा, बड़ धेमाली, बरफुकन आदि। इस प्रकार 'बरगीत' का शद्बिक अर्थ है – श्रेष्ठ गीत। किन्तु असमीया साहित्य एवं असम के वैष्णव मत में 'बरगीत' शद्ब एक विशिष्ट अर्थ में – मूलतः श्रीमंत शंकरदेव एवं महापुरूष माधवदेव के द्वारा रचित भक्तिपरक विशिष्ट गीत के अर्थ में प्रचलित है। अपनी श्रेष्ठता, पवित्रता, आध्यात्मिकता, धार्मिक आग्रह इत्यादि के कारण ही थे गीत 'होली सांग्स (Holi Songs) नोबुल नम्बर्स (Noble Numbers) भी कहे गये है।

हेमकोश अभिधान के अनुसार – महापुरुषिया शगिनी में गाए जाने बाले गीत, विशेष रुप से श्री संकरदेव तथा श्री माधवदेव द्वारा रचित गीत – समुह का नाम बरगीत है।

महापुरुषिया संम्प्रदाय असम का वह वैष्णव सम्प्रदाय है जो महापुरुष शंकरदेव तथा श्रीमंत माधवदेव को अपने गुरु रुप में श्वीकार करता है।

श्री हरिनारायण दत्त के अनुसारः आध्यात्मिक भाव, उसके लिए उपयुक्त मार्जित भाषा तथा आलोकिक सागयुक्त गीतों को हम बरगीत कहते है।

इन परिभाषा से स्पस्त है कि बड़गीत में तीन गुणों की अपक्षा होती है –

1) आध्यात्मिक भाव
2) उस भाव के उपयुक्त मार्जित भाषा तथा
3) अलौकिक राग

बरगीत का उद्देश्य है भक्तो के हृदय में भक्ति भाव का स्फुरण, उनमें आध्यात्मिक भाव का उद्‌बोधन। इसलिए उसमें भक्ति-तत्व की विद्यामान अनी आवश्यक है। यही बरगीत का प्राण है।

'बरगीत' शंकरदेव और माधवदेव द्वारा विभिन्न अवसरों पर रचे गये भक्तिपरक गीतों का संकलन ग्रन्थ है। कहा जाता है कि शंकरदेव ने 'बार कुरि (240) बरगीतों की रचना की थी जिन्हे बरपेटा का कमला नामक गायक कण्ठस्थ करने के लिए अपने घर ले गया था, पर चैत मास में उसके घर में आग लग जाने के कारण अन्य सामग्री के साथ शंकरदेव द्वारा रचित बरगीतों की पोथी भी जल गयी थी। जो कुछ गीत लोगो को कन्ठस्थ हो गये थे, उन्हें पुन: लिपिबद्ध किया गया। इस प्रकार शंकरदेव के कुछ ही गीत बचाये जा सके। उसके पश्चात शंकरदेव ने स्वयं बरगीत नहीं लिखे, पर उनके आदेश पर माधवदेव ने आगे बरगीतों की रचना की।

बरगीतों की रचना असमिया भाषा में नहीं हुई है। वे व्रजबुलि भाषा में लिखे गए है। बरगीत के सर्वप्रथम रचयिता महापुरुष शंकरदेव है और उन्होंने अपने प्रथम बरगीत ''मन मेरि राम चरणेहि लागु'' की रचना अपनी प्रथम तीर्थयात्रा काल (सं 1538 - 1550) में वदरिकाश्रम में की थी। महापुरुष शंकरदेव केवल असम प्रदेश तक ही सीमित नहीं थे। उन्होंने बारह वर्ष तक सम्पूर्ण भारत का भ्रमण किया था। इसी अवधि में उन्होंने भारतवर्ष के वैष्णव साहित्य से परिचय प्राप्त किये होंगे तथा तत्कालीन प्रसिद्ध भक्तों से मिले होंगे। तथा इस परिप्रेक्ष्य में अनुमान लगाया जा सकता है कि महापुरुष शंकरदेव की ब्रजबुलि भाषाा आधार वही वैष्णाव भक्त ही होंगे।

महापुरुष शंकरदेव ने अपने कीर्तन तथा अन्य काव्यो की रचना तो तत्कालीन असमीया भाषा में की किन्तु बरगीतों की रचना ब्रजबुलि में किये। गीतों में ब्रजबुलि प्रयोग के कारण अनेक लगाए जाते है -

1) ब्रजबुलि में स्वर एवं मृदुवर्णो का आधिक्य तथा संयुक्त स्वरों का प्रयोग आदि के कारण ध्वन्यात्मक विशेषताएँ मिलती है, जिनके कारण कवि को इस बोली में गीत रचना बहुत उपयुक्त लगा होगा।

2) गोपी-कृष्ण के वास्तविक भाषा होने के कारण इस बोली में पवित्रता के भाव का आरोप हो गया है। महापुरुष ने कदाचित इसी कारण इस भाषा को अपने भक्ति भाव परक गीतों का माध्यम बनाया।

3) असमीया भाषा केवल असम प्रांत में प्रचलित थी, किन्तु ब्रजबुलि का विस्तार क्षेत्र विस्तीर्ण था। संभव है, अपने काव्य के विस्हत प्रचार दृष्टि से महापुरुष ने इसका व्यवहार किया हो।

4) संभव है ब्रजभाषा महापुरुष के पूर्वपुरुषों की मातृभाषा रही हो जो उनकी पीढ़ी व्यवन्नन होती रही, कारण उनके पूर्व पुरुष राजा दुर्लभनारायण के राज्य-काल में असम आये थे। चार पीढ़ियों तक किसी परिवार में मातृभाषा की सुरक्षा आश्चर्य का विषय नहीं है। ब्रजभाषा और ब्रजबुलि में धन्यात्मक संबंध है। दोनों भाषाओं की इस ध्वन्यात्मक समानता के कारण ब्रजबुलि महापुरुष के आकर्षण का विषय बनी हो।

5) अपने प्रथम तीर्थ-यात्रा में वे विद्यापति पदावली तथा ब्रजबुलि की लोकप्रियता से परिचित हो चुके थे।

तीर्थ-यात्रा के दौरान ही वे ब्रजभाषा के व्यावहारिक रुप से भी परिचय प्राप्त कर चुके थे। संभव है उस ज्ञान से उन्हें ब्रजबुलि के स्वरुप निर्माण में सहायता मिली हो।

इसी प्रकार ब्रजबुलि ने महापुरुष को आकृष्ट किया और भाव-विभोर क्षण में इसी भाषा से वे बरगीत लिखने लगे।

महापुरुष शंकरदेव के बरगीत शास्त्रीय संगीत के आधार पर लिखे गए हैं; उनमें लौकिक राग नहीं है वल्कि अलौकिक रागयुक्त है। नामघरों में दो प्रकार के भजन गाए जाते है - गीत सास्त्री. रागयुक्त होते हैं तथा नाम देशी राग पर आधारित। असम में पूर्वी तथा पश्चिमी सत्र और गाँव के लोगों में बरगीत के रागों में भेद मिलता है। इस भेद का कारण संगीत शास्त्रीय सिद्धान्तों में परिवर्तन है अथवा बरगीतों की दीर्घकालीन मुखस्थ परम्परा को माना जा सकता है।



महापुरुष संकरदेंव ने स्वयं बरगीतों को लोक प्रिय वनाने की चेष्या की और यह नियम बना दिया कि वे केवल दिन में नही गाए जा सकते है। इस विधान की भावधारा यह है कि बरगीत मनोरंजन के साधन न समझे जाएँ।

शकरदेव के बरगीत उनके काव्य से बहुत अधिक काव्याक्तम और कीर्तनाख्यानो से भी भावपूर्ण हैं। संगीत की बढ़ती हुई लोकप्रियता और भगवान सेवा की आवश्यकताओं ने उन्हें बरगीत प्रणयन की प्ररणा दी जो असमीया साहित्य में अभिनव आविष्कार तथा वैष्णव मत-प्रचार के प्रबल साधन सिद्ध हुए।



महापुरुष के जीवन चरित पढ़ने से ज्ञात होता है कि उन्हें अपने जीवन काल में अनेक देवी, सामाजिक, राजनैतिक और सांस्कृतिक, राजनैतिक और सांस्कृतिक विपत्तियों का सामना करना पड़ा था। पत्नी की असामयिक मृत्य ब्रधणों का द्वेष, जामाना का निरपराध फँासी, अहोम राजाओं का कोप आदि उनकी विपत्तियों का उदाहरण है।

कहा जाता है कि महापुरुष ने 240 बरगीतों की रचना की थी। कमल गायन नामक एक शिष्य ने उन बरगीतों की पांडुलिपि अपने घर ले गया था लेकिन दुभाग्यवश उसकी घर में आंग लग कर पुरे पांडुलिपि जल गये थे। वाद में उन्होंने श्रीमतं माधवेदव को इस क्षति-पूर्ति की आज्ञा दी।

महापुरुष के बरगीतों में मुख्य रुप से धार्मिक जीवन के अनुमन, दार्शनिक चितंन, संसार और नैतिकता, सुक्ष्य आत्म-चिंतन, आत्म-व्याथा, दीनता आदि भाव विद्यमान है। इनमे से कुछ में मानव-मात्र की यातना, मोक्ष के साधन आदि है। कुछ भर्त्सनात्मक हैं जिनमें मानव को कीर्तन, गोविंद-चित्रन, राम के चरणों में आश्रय, संसार का मिथ्या-सुख-त्याग आदि के लिए सचेत किया गया है। प्रत्येक बरगीत के अंत में भगवान के चरणों में शरण तथा इस कष्टमय संसार से मुक्ति की प्रार्थना की गई है। कुछ बरगीत के विषय गोपाल कृष्ण का रुप वर्णन, गोपिका विरह, कृष्ण का गोपियों को संदेश-प्रेषण, कृष्ण जन्मोत्सव, गोचारण आदि है।

शंकरदेव के बरगीतों में बड़े ही उदान्त भाव व्यक्त किये गए है जिनका संबंध करुण एवं वेदना से है और जिनका उद्देश्य है शांति-प्राप्ति।

लक्षीनाथ वैजवरुवा शिवसागर के रहनेवाले दीननाथ वैजवरुवा के पुत्र थे। दीननाथ वैजवरुवा सरकारी नौकरी करने के कारण राज्य के जगह जगह घुमना पड़ा तथा साथ में लक्षीनाथ वैजवरुवा भी साथ में ही थे। लक्षीनाथ वैजवरुवा भी साथ में ही थे। लक्षीनाथ वैजवरुवा के शिक्षा भी शिवसागर जिले में ही शुरु किया सन् 1886 में मैट्रिक तथा कलकता में उन्होने वि.ए. की पढ़ाई पुरी की। वाद में एम.ए. और वि.एल. के पढ़ाई पुरी नहीं कर पाए।

महापुरुष माधवदेव मध्ययुगीन असम में वैष्णव भक्ति-आन्दोलन के प्रवर्तक श्रीमंत शंकरदेव के योग्यत्म शिष्य, प्राण-बान्धव और धीर्मक उत्तराधिकारी थे। सन्त, भक्त, कवि, नाटककार, मंच-अभिनेता, संगीतज्ञ, कीर्टनकार, कथा वचाक, धर्मोपदेशक, धर्मगुरु, धर्म-प्रचारक, समाज संस्कारक, पीड़ित मानवता के उद्धारक आदि के रुप में उनका व्यक्तित्व बहु आयामी है। उनका जन्म और कर्म-क्षेत्र था कामरुप (असम), पर पुण्य क्षेत्र सम्पुर्ण भारतवर्ष थे। उनकी वाणी मात्र असम अथवा भारतवर्ष के लिए ही नहीं, विश्व मानवता के लिए उपयोगी है।

माधवदेव ने कुल कितने बरगीतों की रचना की थी, इस संबध में शंका व्यक्त किये जाते है। डॉ० सत्येन्द्रनाथ शर्मा के अनुसार - गुरु के आज्ञानुसार माधवदेव ने नकुरि एघारटा मतलव 191 गीत रचना किये।

डॉ० महेश्वर नेओग के अनुसार माधवदेवने शंकरदेव के 34 और खुद 147 के योगदान से ग्रन्थ प्रस्तुत किये थे। इसके विपरीत श्री हरिनारायण दत्त वरुवा के अनुसार माधवदेव के कुल 184 गीत है।

बरगीतों की रचना विभिन्न समयों में विभिन्न स्थानों पर हुई है। ग्रन्थ रुप में इसका संकलन कब हुआ अथवा इन्हें पहली बार किसने संकलित किया, इस विषय में निश्चयपुर्वक कुछ नहीं कहा जा सकता। गुरु चरितों में कई बरगीतों के विभिन्न स्थानों पर रचे - गाये जाने के उल्लेख मिलते हैं। ऐसा उल्लेख है कि शंकरदेव के जमाटा को मृत्युदण्ड दिये जाने पर माधवदेव ने उन्हें प्रबोधित करने

के लिऐ – ''भयो भाइ गीत सुनाया था। इस गीत को माधवदेव के प्रथम रचना एवं पहला बरगीत माना जाता है।

माधवदेव के सभी गीत सांगीतिक है – सभी रागबद्ध है। प्रत्येक गीत के प्रारम्भ में उसरा राग उल्लिखित है। इन रागों के साथ ताल भी उल्लिखित है। गीतों के रागों के उल्लेख से यह स्पष्ट हे कि माधवदेव न केवल कवि और कीर्त्रनकार थे बल्कि वह सांगीतकार भी थे।

असमीया साहित्य के श्रेष्ठ आलोचक डाँ० वाणीकान्त काकति ने शंकरदेव और माधवेदव के बरगीतों में अन्तर स्पष्ट करने की दृष्टि से लिखा है कि – ''शंकरदेव के बरगीत प्रार्थना सूचक है। मानव जीवन के क्षणभगुरता के बारि में कहा गया है। लेकिन माधवदेव के बरगीतों में उक्त भावों के साथ साथ बाल कृष्ण के क्रीड़ाकलाप के चित्र का भी दर्शण हुए है।'' तात्पर्य यह है कि माधवेदव के बरगीतों में विनय और प्रार्थना के अतिरिक्त कृष्ण के शिशुजीवन का भी अंकन हुआ है। वस्तुत माधवदेव के प्रत्येक गीत पर सूक्ष्मता पूर्वक विचार करने पर उनके बरगीतों को तीन भागों में विभाजित किया जा सकता है –

1) विनय और प्रार्थनापरक बरगीत – 60
2) कृष्ण सौन्दर्य वर्णन विषयक बरगीत – 35
3) कृष्ण लीला विषयक बरगीत – 87

विनय और प्रार्थनापरक बरगीत भक्त माधव की दीनता के मर्मस्पशी प्रकाशन है। उनका मूलभाव दास्य है जिनमें वें श्रीकृष्ण के चरणों से सदा लिपटे रहना चाहते है। उनकी समस्त प्रार्थना में विष्णु के गुण और उनके नाम के महत्व का निरुपण तथा अपनी जीनता-हीनता का प्रकाशन ही मूल विषय है। दैन्य के प्रकाशन के लिए ही उन्होने अपने लिए दीन, दास, अधम , नीच, जड़, पतित जैसे विशोषणों का प्रयोग किया है, तथा अपने मन को लोभी अन्धा, कुटिल, चंचल आदि वताया है। उन्होंने गाये है –



मोक दिखया नाकेने –आहे जगन्नाय
मइ बर पापर पापी।।

बरगीतों का दूसरा प्रमुख विषय है श्रीकृष्ण के सौन्दर्य का अंकन जो ही रुपी किया है –

1) पार्थिव 2) अपार्थिव तथा आध्यात्किम ये दोनें रुप एक दुसरे के परिपूरक है। अर्थात एक के अभाव में दुसरा अस्तित्वहीन सा हो जाता है। पार्थिव रुप फुल है तो अपार्थिव रुप उसका सुगन्ध। इसलिए माधवदेव ने जितना कृष्ण वर्णन किया है उतना अधिक लीलाओं का वर्णन किया है। कवि जब कृष्ण के स्थिर और गतिशील छवि का सम्मिलित वर्णन करता है तब दर्शक का मन विभोर हो जाता है।

बरगीतों का तीसरा प्रमुख विषय है कृष्ण लीला का वर्णन। इस लीला में बाल-लीला को प्रमुखता मिले है। बाल-लीला की अपेक्षा किशोर-लील के वर्णन में माधवदेव ने कम रुचि भी है। बाल-लीला के वर्णन के दृष्टि से इनकी तुलना हिन्दी कवि सूरदास के साथ की जा सकती है। वात्सल्य भाव की सुक्ष्मातिसूक्ष्म चेष्टाओं क्रीड़ाओं को निरुपित कर लेने में पर्याप्त सफलता मिली है।

''गोविन्दा दूध पिउ, दूध पिउ – बोले रे यशोधा
दूध नाखाये हरि – कान्दे ओवा ओवा ..........

माता की यह सूहज कामना होती है कि उसका लाल भुखा ने रहे। इसीलिए कभी कभी बच्चे को भूख ने होने पर भी उसे खिलाने दुध पिलाने आदि की चिन्ता करती रहती है। वैसी स्थिति में बच्चे का दुध न पीने का हट कर लेना अस्वाभाविक नहीं। माधवदेव ने इस प्रसंग का वर्णन वहुत ही मार्मिक धंग से किया है। निश्चय ही माधवदेव द्वारा अंकित यह चित्र अनूठा वन पड़ा है।

अन्त में यही कहना श्रेयस्कर है कि वर्ण्य-विषय, भाव, भाषा, शैली, भक्ति की उदान्त मनोभूमि के प्रकाशन, आध्यात्मिकता काव्य-सौष्ठव आदि की दृष्टि से माधवदेव का बरगीत असमीया काव्य की अन्यतम उपलब्धि है।

अ. ति. थि ले. खा

# असम में हिंदी की स्थिति

## (समाज और शिक्षानुस्थानों के विशेष संदर्भ में)

**डॉ. नंदिता दत्त**
विभागाध्यक्ष व सहायक प्राध्यापिका, हिंदी विभाग,
नॉर्थ लखिमपुर कॉलेज (स्वा.)



वैश्विक परिवेश में जहाँ हम हिंदी को सबसे लोकप्रिय भाषा होने का दावा कर रहे हैं; वही असम जैसे हिंदीतर क्षेत्र में यदि गौर फ़रमाया जाये तो एक अलग ही नज़ारा देखने को मिलता हैं । यू तो यहाँ हिंदी को कोई नहीं नकारता परंतु व्यापार, केंद्रीय सरकार के कार्यालय और शिक्षानुस्थानों को छोड़कर अन्य लोग इसका प्रयोग करने में हिचकिचाते जरूर हैं । उत्तर पूर्वाञ्चल के सभी प्रदेशों के आपसी बात-चीत में हिंदी व अंग्रेजी दोनों ही भाषाओं का व्यवहार होता हैं । परंतु सीमाप्रांत द्विभाषी आंचलिक भाषाओं का ही प्रयोग करते हैं, उनके लिए हिंदी या अंग्रेजी तभी विकल्प-साधन बनता है जब सामनेवाले को उपर्युक्त भाषाओं का ज्ञान न हो । यहाँ मुद्दा यह है कि हिंदी की स्थिति का विषय यहाँ उतना सुलझा हुआ नहीं है जितना आपात दृष्टि से परिलक्षित होता हैं । बहरहाल हिंदीप्रेमी होने के नाते असम के समाज और शिक्षाक्षेत्र पर मद्देनज़र रखते हुए इस मसले पर विचार करना चाहेंगे। सबसे पहले आते हैं रोज़मर्रा की दिशा की ओर- यह दिशा व्यापार से जुड़ा हुआ हैं और हिंदी के प्रचार व प्रसार का सबसे ज्यादा श्रेय इससे जुड़े लोगों को ही मिलना चाहिए । व्यापारियों के अलावा मजदूर वर्गो के बीच हिंदी का बहुल प्रचलन हैं जिसे कोई भी अनदेखा नहीं कर सकता है । हिंदीतर क्षेत्र में सबसे अधिक हिंदी बोलने वाले यही हैं, सही मायनों में हिंदी को संपर्क भाषा रूप को निभानेवाले...इसके अलावा असम के बहुराष्ट्रीय कंपनी के अधीनस्थ अधिकारी-कर्मचारी व साधारण

ग्राहकों के बीच हिंदी संपर्क भाषा के रूप में अपना कार्य कर रही हैं । यहाँ हिंदी को बढ़ावा मिलता है क्योंकि अंग्रेजी की अपेक्षा सामान्य जनता को हिंदी सहज परिलक्षित हैं। इसके अतिरिक्त केंद्रीय सरकार के अधीनस्थ कार्यालयों में कभी कभी हिंदी का प्रचार-प्रसार नज़र आता है; परंतु इनमें से भी बहुत से ऐसे स्थान हैं जहाँ केवल 'हिंदी-दिवस के दिन ही इस उतारदायि4ा का निर्वाहन होता हैं । सबसे दुखद स्थिति तो यह है कि वहाँ भी कुछ लोग हिंदी बोलने से इतराते हैं, संकोच होना लाज़मी हैं क्योंकि हमारी मातृभाषा हिंदी नहीं है; परंतु इसका मतलब यह कतई नहीं कि आप प्रयास ही न करें!!! प्रयास करने से ही तो बात आगे बढ़ेगी; हिंदी आगे बढ़ेगी।

अब आते हैं शिक्षानुस्थानों की तरफ़, सरकारी विद्यालयों की हालत से तो हम सभी वाकिफ़ हैं, वहाँ (केंद्रीय विद्यालय एवं हिंदी विद्यालयों को छोड़कर) हिंदी का प्रचार-प्रसार दुरूह हैं । व्यक्तिगत विद्यालयों में सर्वत्र अंग्रेजी भाषा का दबदबा हैं-जो किसी से छिपा तो हैं नहीं...तो अब आते हैं महाविद्यालय और विश्वविद्यालयों की तरफ़- जहाँ केवल 30 प्रतिशत हिंदी (मेजर) विद्यार्थी ऐसे होते हैं जो लगन और निष्ठा से हिंदी के प्रति प्रेमभाव रखता हैं। बाकी के 70 प्रतिशत जैसे तैसे रटकर अपनी डिग्री लेने के ताक में रहते हैं; अब उनसे हिंदी का प्रचार-प्रसार कहाँ तक सफल होगा यह तो सहज अनुमेय है । अधिकतर असमीया माध्यमों के विद्यालयों में हिंदी विषय को पढ़ाते समय बोलने का अभ्यास बिल्कुल भी नहीं कराया जाता हैं; जिसका हरजाना विद्यार्थी व प्राध्यापकों को महाविद्यालयों में भुगतना पड़ता हैं । यहाँ हिंदी के बहुत से ऐसे विद्यार्थी हैं जो विश्वविद्यालय पर्याय में पहुँच तो जाते हैं पर हिंदी बोल नहीं पाते हैं। इसके पीछे जो सबसे बड़ा कारण निहित हैं वह है संकोच और हीनता की भावना। अहिंदी भाषी होने के कारण उसके उच्चारण में असमीया अथवा अपनी मातृभाषा की पूट रहती हैं जिसे सुनकर लोग (विशेषकर वे जो हिंदी बोलने में सक्षम होते है, उसका मखौल उड़ाते हैं । आए दिन विद्यार्थियों को ऐसी समस्याओं से जुझना पड़ता हैं । हमने इस समस्या को प्रत्यक्ष भोगा और जीया हैं। अत: इसका निदान भी हमें ही खोज़ना होगा क्योंकि आप और हम पर भी हिंदी की जिम्मेदारी हैं और हम इससे मुँह नहीं मोड़ सकते हैं। कुछ सुझाव प्रस्तुत हैं-



(क) महाविद्यालयों व विश्वविद्यालयों में हिंदी के व्यावहारिक पक्ष यानिकी उच्चारण व बोलने पर विशेष ध्यान दिया जाये । प्रयोजनानुसार संगोष्ठी प्रस्तुतीकरण व समूह-चर्चा आदि का सघन (मासिक रूप से) आयोजन किया जाए।

(ख) विद्यार्थियों को बोलने की आजादी दी जाए, हिंदी की सम्पूर्ण लचक न होने पर भी उसका मखौल न उड़ाए, इस प्रकार के व्यवहार से विद्यार्थियों में आत्मविश्वास बढ़ेगा और वे बोलने के लिए आग्रही होंगे।

(ग) ज्यादा न सही कम से कम कक्षा में ही विद्यार्थियों के बीच हिंदी में ही बातचीत करवाने का प्रयास करें।

(घ) विद्यालयों के अध्यापकों के प्रति भी विनम निवेदन हैं कि वें हिंदी विषय को पढ़ाते समय विद्याथियों को सटीक उच्चारण के साथ साथ बोलने का भी अभ्यास करवाए, आखरि नींव तो आप ही बनाते हैं। प्रयोजनानुसार मासिक रूप से कविता पाठ, गीत, नाटक आदि कार्यक्रमों का आयोजन किया जाए; जिससे शिक्षा सरस, आकर्षणीय एवं लाभदायक बनेगा ।

(ङ) समय-समय पर प्राध्यापकों द्वारा हिंदी के माध्यम से मिलने वाले संस्थापनों की जानकारी प्रदान की जाए; इससे विद्यार्थियों के बीच हिंदी के प्रति रुचि बढ़ती हैं और जिससे वे चाव से हिंदी पढ़ने के लिए आगे आयेंगे न कि मजबूरी से... आखिरकार रोज़गार आज की तारीख में सबसे अहम मुद्दा हैं।

(च) सरकार व हिंदी-शिक्षा-सस्थाओं द्वारा अध्यापकों/प्राध्यापकों के लिए भी विशेष 'पुनश्चर्या पाठ्यक्रमों (Refresher Course) का आयोजन करवाया जाए। क्योंकि उनका आप-टु-डेट रहना आज सबसे जरूरी हैं; नवीन विचारों व सुविधाएं से स्वयं अवगत होंगे तभी आनेवाली नस्ल को पोषित कर पायेंगे ।

बहरहाल यही आग्रह है कि केवल हिंदी दिवस पर ही हम हिंदी-प्रेम न दिखाए बल्कि सही मायनों में इसके उन्नति के लिए काम करें। उत्तर-पूर्वी क्षेत्र में ख़ासकर असम जैसे जनजातियों से समृद्ध राज्य में, जहाँ अनेक भाषाएँ बोली जाती हो; वहाँ हिंदी का प्रचार-प्रसार अपेक्षाकृत कठिन है, परंतु असंभव नहीं है । हम सब मिलकर इस राह को महीन बना सकता हैं बस थोड़ी सी साझेदारी की अपेक्षा है. अंत में हिंदी की सुखद यात्रा की कामना करते हैं।



# मान सम्मान रक्षा के संग्राम में नारी


**लिनाजोति शर्मा**

हिन्दी विभाग


भगवान की श्रेष्ठ सृष्टि है मानव। प्रकृति भेदा-भेद नहीं जानती, पुरुष और नारी को समान मानती है। प्रकृति ने कहा है-जीवन के लिए आवश्यक तत्ब वायु, पानी, सूर्य की किरण आदि सभी पर नारी और पुरुष का समान अधिकार होता है। यह अधिकार प्रकृति ने हमे प्रदान किया है, परन्तु हमारे समाज में आज भी इस अधिकार को अवहेलित किया जाता है। समाज में पुरुष को बड़ा और नारी को छोटा समझा जाता है। समाज में अगर सभी सिद्धान्त पुरुष ही लेगें तो नारी क्या करेंगी?

समाज के हर पुरुष के सफलता के पीछे नारी का हाथ होता है। पुरुष ने अगर कोई काम सुचारु रूप सें सम्पन्न किया है तो उसका श्रेय नारी को दिया जाता है। अर्थात इस समाज में नारी और पुरुष को समान अधिकार देना जरुरी है। पुरुष के प्रति नारी का जो दायित्ब होता है, उसे जब एक नारी सुचारु रूप से परिचालना करती है, तब उसके विनिमय में क्या उसे वह सम्मान मिलता है जो उसे मिलना चाहिए? अगर सम्मान मिलता तो कोई बात नहीं थी, परन्तु उसके विनिमय में नारी को मिलता है असहनीय यन्त्रना तथा अमानवीय अत्याचार। सात जन्म तक साथ देनेवाला पति, माँ समान साँस, पिता समान सँसुर, भाई-बहन समान देवर और ननद क्यों नारी को शोषण करते है? क्या नारी की खुद की जिन्दगी नही होती है?

जब माँ की कोख में एक कन्या भ्रूण उत्पन्न होता हैं तब उसे क्यो नष्ट कर दिया जाता है? बेती क्यो किसीकों नही चाहिए? हमारा समाज क्यो बेती को बोझ मानता है? इतिहास साक्षी है, नारी के उपर हुए अत्याचार का। भगवान श्रीराम की पत्नी नें कोई गलती नही की थी, फिर भी क्यो उन्हे अग्नि परिक्षा देना पड़ा था? पंच पांडव की पत्नी द्रोपदी को क्यों कौरवो का अत्याचार सहना पड़ा था? अतीत में जैन प्रथा के अनुसार मृत स्वामी के चिता में स्त्री को भी मरना पड़ता था। यह प्रथा आज भी हमारे समाज के कई कई स्थान पर प्रचलित है। दहेज न होने पर वर्तमान हमारे समाज में बेतियों का विवाह असम्भव हो गया है। अगर बिना दहेज के सादी हो भी गई तो, उस नारी को जीवन भर साँस, सँसुर तथा देवर, ननद के अत्याचार को सहना पड़ता है।

हमारे समाज में सम्मान के लिए नारी हत्या होती है। कोई सम्प्रदायों में यह कुप्रथा प्रचलित है। वेश्या बृत्ति को संचार का प्राचीनतम बृत्ति कहा जाता है। क्या स्त्री को लेकर वृत्ति करना सही होता है? उसे तो दास प्रथा कहा जाता है। इसमे खासकर पुरुष का हाथ ज्यादा होता है।

विभिन्न प्रकार के आवेग द्वारा भी नारी का शोषन किया जाता है। दया, ममता, लज्जा और प्रेम द्वारा भी नारी के उपर अत्याचार होते है। जो अत्याचार नारी के उपर हुए है, उसे हम भाषा के जरिए प्रकाश नही कह सकते।

# लॉकडाउन




**जेसमिना बेगम**
हिन्दी विभाग

लॉकडाउन के बारे में तो हम सभी परिचित है। सिर्फ कुछ दिन पहले ही तो हमे इससे सुतकारा मिली। लँाकडाउन का अर्थ है तालाबंदी। लॉकडाउन एक आपातकालीन ब्यवस्था है जो किसी आपदा या महामारी के वक्त लागु की जाती है। जिस इलाके में लॉकडाउन किया गया है उस क्षेत्र के लोगों को घर से निकलने की अनुमति नही होती है। चीन देश में उत्पन्न हुई कोरोना वायरस के कारण हमारे पुरी देश में लॉकडाउन लागु किया गया था।

इस लॉकडाउन के कारण हमारे जनसाधारण को कई असुविधाए झेलनी पड़ी। किसीको अपनी नौकरी गवाना पड़ा तो किसी व्यवसायी को अपना नुकसान भरना पड़ा। किसी ड्राइवर की मुख के मारे हालत खराब है तो किसी कृषक ने आत्महत्या ही कर बेछा। विद्याथीओं को भी पढ़ाई, लिखाई में बहत तकलीफ हुआ। मास्क, सैनिटईजार, सामाजिक दुरीयाँ आदि सीजों की जरुरत हमें अब अच्छी तरह से आने लगी है। इस भयंकर परिस्थिति में हम सब तो जेसे-तेसे करके घरमे रहा है। लेकिन चिकित्सक, नार्च, पोलिस, सफाइवाला, एंबुलेंस के कर्मी आदि लोग दिन-रात मरीज की इलाज में ही लगे रहते है। उन लोगों का भी तो घर परिवार है। फिर भी वह लोग अपने सब कुछ जनसाधारण की सेवा में न्योछावर कर दिया। पी पी इ कीट पहन कर पुरा दिन काम करना कोई आसान बात नही है। हर कोई यह सब नहीं कर सकता। पर हमारी जनसाधारण इस परिस्थिति को समझते नही और वे वजह बाहर घुमते-फिरते रहे। जिस वजह से कोरोना वायरस फैल सकता है। जनसाधारण में सजागता लाने के लिए कोई बार तो पुलिसवालों को दण्डे चलाने भी पड़ा। यह सब तो हमारे भलाई के लिए ही तो किया है, लेकिन हमारे मुर्ख जनसाधारण कुछ समझे तब न।

एसी परिस्थिति में हमारे स्वास्थ मंत्री माननीय हिमन्तविश्व शर्मा जी ने भी बहत मेहनत किया है और बहुत सारे अच्छे काम भी किया है। जिसके कारण अन्य राज्यो के तुलना में हमारे राज्य में करोना वायरस थोड़ा कम फेला हुआ है। बहिःराज्य से आनेवाले लोगों को चौदह दिन क्वारंटाइन में रखा गया था। कोरोना रोगी के लिए अलग से अस्पताल भी बनवाया है। मास्क, सैनिईजर केसे इस्तेमाल करना चाहिए इसके बारे मे भी हमें बहत अच्छे से समझाया था। करोना वायरस के कारण हमारे देश के अर्थनीति भी बहत नीचे आ गए। करोना वायरस के कारण ही पुरी देश में आठ महीने तक लॉकडाउन लागु किया गया था। लॉकडाउन की तरह हमारे जीवन भी रुक गयी थी। लॉकडाउन के कुछ अच्छे फायदे भी हुआ। पुरी धरती को अच्छे से साँस लेने की मोका मिली। चिड़िया आसमान में खुलकर उड़ाने भरने लगी। चारो तरह हरियाली सी सा गई थी। हमेशा काम में व्यस्त रहने वाले भी अपने परिवार के साथ समय बिताने को अवसर मिल गयी। एसी भयंकर परिस्थिति में भी सब एक दुसरे का सहारा बना।

अन्त में मेरी तरफ से वीग चेल्युट है उन लोगो का जिन्होने हमे एक नयी जिंदगी दी है। जिन लोगों ने अपने परिवार को छोड़कर हमारे परिवार की रक्षा की है। उन लोगों की यह एहसान हम जिंदगी भर याद रखेगें और यह लॉकडाउन भी। जिसने हमे असल में जिंदगी जिना कैसे है ये शिखा दिया। एसी परिस्थिति जिंदगी में पहली बार देखा है और आशा भी यह करती हुँ की यही आखिरि बार हो।




# हिन्दी के विकास में वेव मीडिया का योगदान

**बिठिका दत्त**
हिन्दी विभाग

आज के प्रोद्योगिकी के दौर में मीडिया एक शाक्तशाली माध्यम के रूप में उभरा है और उसमे भी न्यु मीजिया यानि वेव मीडिया के प्रति लोगो का आकर्षण प्रतिदिन बड़ता जा रहा है। भुमँडलीकरण के दौर में मीडिया का दायरा काफी विस्तृत हो चुका है, ऐसे में विभिन्न भाषाओं का विकास भी वेव मीडिया के तरह ही हो रहा है। आज की स्थिति में वेव मीडिया और भाषा एक दुसरे के अहम सहयोगी माने जा सकते है। भारत जैसे विशाल देश में जहा व्यापक क्षेत्र में हिन्दी बोली जाती है वहा इसके विकास मे वेव मीडिया के योगदान को नजरअंदाज नही किया जा सकता है। ये सच है कि वेव के असर से हिन्दी के स्वरूप में इसके मूल स्वरूप से भिन्नता है लेकिन यही भिन्नता ही इस विकास की गाड़ी के पहिये है। एक विस्तृत दायरे के साथ हिन्दी अपने आप मे व्यापक है। वेव मीडिया के प्रयोगो के बाबजुद हिन्दी के अस्तित्व पर कोई संकट नही है।

युँ तो ८० के दशक में हिन्दी को कंप्यूटर की भाषा बनाने का प्रयास शुरू हो चुका था परन्तु वेव के साथ हिन्दी का प्रयोग २० वी सदी के समाप्ति के बाद शुरू हुआ। सन २००० में युनिकोड के पदार्पण के बाद २००३ में सर्वप्रथम हिन्दी में इन्टरनेट सर्च और ई मैल की सुविधा की शुरूआत हुई। हिन्दी के विकास में यह एक मील सा पत्थर सावित हुआ। २१ वी सदी के पहले दशक में ही गूगल न्युज, गूगल ट्रांसलेट तथा ऑनलाईन फोनेटिकर टाइपिंग जैसे औजारों ने वेव की दुनिया में हिन्दी के विकास में महत्वपूर्ण सहायता की।





চু. টি. গ. ল্প

# সন্তান


## হাবিবা আখতাৰ বেগম

প্ৰাণী বিজ্ঞান বিভাগ


দুৰৱাই ঠিক ধৰিব পৰা নাই ক'ত ভুল কৰিলে। চন্দন যেন লাহে লাহে ঘৰৰ পৰিৱেশৰ পৰা আঁতৰি যাবলৈ ধৰিছে। আজিকালি প্ৰায়েহে সি কোনো বিশেষ কাম বা কথা নাথাকিলে মাক-দেউতাকৰ লগত তাৰ বেছি এটা কথা-বতৰা নহয়। পুৱাই চাকৰিলৈ ওলাই যায়, উভতি আহোঁতে দেৰি হয়।

'দেউতা, মই বিদেশলৈ যাম।'

আৰামী চকীখনত বহি অনিৰুদ্ধ দুৰৱাই আজিৰ বাতৰি কাকতখন চাই আছিল।

'হুঁ। কেতিয়া যাবি?' —চন্দনৰ ফালে নোচোৱাকৈয়ে দেউতাকে বৰ দুখত সুধিলে। আচলতে সুধিব লাগিছিল ক'লৈ যাবি, কিয় যাবি ইত্যাদি। ইমানদিনে যেন এনেকুৱা এটা সম্ভাৱনাৰ অপেক্ষাতেই আছিল।

চন্দন বিদেশলৈ যাব। এবাৰ ভাবে, সিদ্ধান্তটো ভালেই হৈছে কিন্তু পিছ মুহূৰ্ততে ল'ৰা-ছোৱালী বাহিৰত থকা অকলশৰীয়া অন্য পিতৃ-মাতৃৰ কথা ভাবি শংকাও হয়। কিন্তু লগত থাকিও জানো দুৰৱা শান্তিত আছে? কেতিয়াবা সিদ্ধান্ত ল'ব খোজে, ঘৰৰ কাম কৰা ল'ৰা অজয়ৰ লগত থাকি জীৱনৰ বাকীকেইটা দিন পাৰ কৰি দিব। এয়া দুৰৱাৰ সুখ নে দুখ? সুখ-দুখৰ পৰিভাষাই কি দুৰৱাই ভাবি পাৰ নাপায়।

দুৰৱাই শেষ সিদ্ধান্ত কি ল'ব এতিয়াও ঠিক কৰিব পৰা নাই। সচ্ছল নহ'লেও ল'ৰা-ছোৱালীহালক কোনোদিনে অভাৱ অনুভৱ হ'বলৈ দিয়া নাছিল। সদাসচেতন দুৰৱাই তেওঁৰ হোজা পত্নীক সোঁৱৰাই দিয়ে যে 'কথাত কটা যায়, কথাত বাঁটা পায়।' আজি দুৰৱাৰ দোধোৰ-মোধোৰ অৱস্থা।

তেওঁৰ মনত পৰিল মেট্ৰিকত নাম কৰি প্ৰথম বিভাগত পাছ কৰি উঠাৰ পিছত তাৰ ইচ্ছামতেই দিল্লীৰ ভাল কলেজত নাম লগাবলৈ তাক লগত লৈ এড্‌মিশ্যন দিবলৈ গৈছিল। ঘূৰি আহোঁতে চন্দন আৰু দেউতাকৰ কথা-বাৰ্তা শুনি এজন সহযাত্ৰীয়ে দুৰৱাৰ এনে বন্ধুত্বসুলভতাক গৌৰৱান্বিত কৰি তুলিছিল।

ছোৱালীজনী চন্দনতকৈ তিনি বছৰ সৰু আৰু বেছি মৰম আকলুৱা হোৱা সত্ত্বেও তাইৰ পঢ়া-শুনাতকৈ চন্দনৰ পঢ়া-শুনাক লৈ দুৰৱা বেছি ব্যস্ত আছিল।

ছোৱালীজনীৰ আজিও আপত্তি, চন্দনক মাক-দেউতাকে হেনো বেছি মৰম কৰে। চন্দনে চাকৰিৰ প্ৰথম দৰমহা পোৱাৰ পিছত মাক-দেউতাকক কিবা এটা উপহাৰ দিবলৈ তাৰ হেঁপাহৰ কথা চিঠিৰে প্ৰকাশ কৰি তাৰ জীৱনৰ আদৰ্শৰ কথা কৈছিল। একমাত্ৰ ভনীয়েকৰ সমস্ত দায়িত্বভাৰ চন্দনে গ্ৰহণ কৰিব। চিঠিখন দুৰৰাই আজিও সযতনে ৰাখি থৈছে।

যি চন্দনে এনেধৰণৰ চিঠি লিখি তাৰ আদৰ্শৰ কথা প্ৰকাশ কৰিছিল, সেই ল'ৰাটো আজি কিহৰ পিছত ঘূৰি ফুৰিছে। টকাৰ কাৰণে নে অন্য কিবা? সি কি সুখী নহয় নে কি? সি যেন লাহে লাহে ঘৰৰ পৰা আঁতৰি গৈ আছে। দুৰৰা সঘনে অসুস্থ হৈ থকাৰ বাবে সুমিত্ৰাই চন্দনক ঘৰলৈ ঘূৰি আহি ইয়াত চাকৰিৰ ব্যৱস্থা কৰাৰ উপদেশ দিছিল। কেতিয়াবা দুৰৰাই ভাবে, অভিভাৱকেই চন্দনৰ এনে অৱস্থাৰ বাবে দায়ী আজি।

সি বিচৰা ছোৱালীজনীৰ লগত তাৰ বিয়া হৈছে। দেউতাক নোহোৱা ছোৱালী। দুৰৰা আৰু সুমিত্ৰাও নিজৰ ছোৱালী জীয়েকৰূপে বোৱাৰীক আদৰি ল'লে।

দুৰৰাৰ পত্নী সুমিত্ৰাও বৰ মৰমিয়াল। বোৱাৰীয়েকক মাকৰ মৰম দিবলৈ যত্ন কৰে। বোৱাৰীয়েকে কাম কৰিব বুলি শাহু সুমিত্ৰা ৰৈ নাথাকে। তেওঁৰ এটাই মাত্ৰ দোষ, ঘৰখনৰ সকলো কাম তেওঁ বিচৰাধৰণে হোৱাটো বিচাৰে। সেয়ে দুৰৰা সদায় সন্তম হৈ থাকে যাতে বোৱাৰীয়েকৰ লগত কোনো মতান্তৰ নঘটে।

দুৰৰাৰ বাৰে বাৰে মনত পৰিছে সৰুকালৰ কথা। হাঁহি-স্ফূৰ্তিৰে ভৰি থকা এখন ঘৰ। মাক-দেউতাক, বৰদেউতাক, বৰমাক সকলোৰে পৰিপূৰ্ণ এখন ঘৰ। দুৰৰা আৱেগিক হৈ যায়। স্মৃতিয়ে তেওঁক আমনি কৰিছে। তেনেকুৱা এখন ঘৰো দুৰৰাই কামনা কৰিছিল। কিন্তু চন্দন বহুত বেলেগ। মাকৰ মতে, এইবোৰ 'বোৱাৰীৰ প্ৰভাৱ'। কিন্তু দুৰৰাই বুজে সেয়া তাৰ চাৰিত্ৰিক প্ৰতিফলন। সি আগৰে পৰাই অলপ 'ইনট্ৰাভাৰ্ট'। মানুহৰ লগত সহজে মিলিব নোৱাৰে। দুৰৰাৰ দৰে সমাজপ্ৰিয় নহয়।

এৰা, দুৰৰায়ো অনুভৱ কৰিছে আজিকালি চন্দনে খুব কমেই দেউতাকৰ লগত কথা পাতে। দুৰৰাৰ চকুপানী ওলাই আহে। আজি চন্দন বিদেশলৈ যাবলৈ বুলি কোৱাৰ পিছত দুৰৰাই ভাবিছে, কাৰোবাৰ সন্তান বিদেশত থকাৰ দুখ আৰু কাৰোবাৰ ঘৰত ল'ৰা-ছোৱালী থাকিও যেন দূৰত থকাৰ অনুভৱ।

মাজে মাজে দুৰৰাই এটা সিদ্ধান্তৰ কথা ভাবে, দুৰৰাই সিহঁতক বেলেগে থকাৰ কথা ক'ব নেকি? সিহঁতে মাক দেউতাকৰ লগত একেলগে থাকিব বিচৰা নাই নে দুৰৰাই ভুল বুজি আছে?

তাইৰ মতেও ককায়েক চন্দন যেন সলনি হ'ল। আগৰ দৰে তাইৰ লগত লাগি নাথাকে। তাইৰ দায়িত্ব তাইক লৈ কৰা দেখা যায় কিন্তু আন্তৰিকতা দেখা নাযায়। বোৱাৰীগৰাকী অৱশ্যে দুৰৰাহঁতৰ দৰেই। শহুৰ-শাহুৰেকৰ লগত চন্দনৰ মানসিকতা সম্পৰ্কে আলোচনা কৰে।


দুৰৰাই অৱসৰ লোৱাৰ পাছৰ পৰা ঘৰখনৰ পৰিস্থিতিয়েই যেন বেলেগ হৈ গৈছে। ঘৰখনৰ মানুহখিনিয়ে তেখেতক অৱজ্ঞা কৰা যেন লাগিছে। প্ৰয়োজনৰ বাহিৰে দুৰৰায়ো আজিকালি বৰ বেছি কথা নকয়। মনে মনে থকাই ভাল বুলি ভাবে কিন্তু সদাসচেতন কাণখনেৰে ঘৰৰ চুক-কোণৰ আলোচনা-বিলোচনা তেওঁৰ লগত আহি কৰি থাকে। প্ৰতিটো দিনেই যেন শংকাৰ মাজত পাৰ হয় দুৰৰাৰ। পত্নীৰ প্ৰতিও সদাসজাগ দুৰৰা গা-ধুই গোসাঁই সেৱা কৰা সময়ত প্ৰাৰ্থনা কৰে। সকলোৰে যেন সকলো প্ৰকাৰে মংগল হয়। কিন্তু ঘৰৰ পৰিৱেশ সলনি নহয়। ঘূৰি থাকে একে কক্ষপথতে।

দুৰৰাই কেতিয়াবা অতিষ্ঠ হৈ ভাবে, ঘৰ এৰি গুচি যাব নে সিহঁতকে বেলেগ হোৱাৰ ব্যৱস্থা কৰি দিব?

চন্দন আজি বিদেশলৈ বুলি যাত্ৰা কৰিব। সুমিত্ৰাই পুৱা সোনকালে উঠি গা-পা ধুই গোসাঁইঘৰত চাকি-বন্তি লগালে। গোসাঁই সেৱা কৰোঁতে আজি তেওঁৰ অলপ বেছি সময় লাগিল। কিয় জানো আজি দুৰৰাৰো পুৱাই সেৱা কৰিবৰ মন গ'ল। প্ৰাৰ্থনা কৰি উঠি সুমিত্ৰা ৰন্ধা-বঢ়াৰ কামত লাগিল। যিমান পাৰে আজি সুমিত্ৰাই চন্দনে ভাল পোৱাখিনি ৰান্ধিবলৈ চেষ্টা কৰিছে। মনত এটাই দুখৰ বোজা। উচুপনি কান্দোনৰ ৰোল এটা প্ৰায় পাকঘৰৰ বেৰবোৰত লাগিবলৈ ধৰিলে। চাৰে আঠ বজাত চন্দন ঘৰৰ পৰা ওলাই যাব। সেইমতে সুমিত্ৰাই যা-যোগাৰ কৰি আছে ঘড়ীৰ কাঁটাৰ লগত সময় মিলাই। আজি দুৰৰাই সুমিত্ৰাক সময়ৰ কথা সোঁৱৰাই দিবলগা হোৱা নাই। আনদিনা হোৱা হ'লে সুমিত্ৰাই দুৰৰাৰ পৰা কিমান যে ধমকি খালেহেঁতেন! সুমিত্ৰা সদায় আধাঘণ্টা পিছুৱাই থাকে দুৰৰাই বান্ধি দিয়া সময়তকৈ। চন্দনক খাবলৈ দি সুমিত্ৰা কাষতে থিয় দি থাকিল। মৰমৰ পুত্ৰলৈ অপ্ৰকাশ্য বেদনাত আহত সকলো। বোৱাৰীক হেনো পিছত লৈ যাব।

গাড়ীখন লাহে লাহে আঁতৰি গ'ল। লগতে চন্দনো যেন তেওঁলোকৰ পৰা চিৰদিনৰ কাৰণে আঁতৰি গৈ আছে, দুৰৰাৰ তেনে এটা ভাব হ'ল। দুৰৰাই বাৰু স্বস্তিৰ নিশ্বাস পেলাব খুজিছে নেকি?

ঘৰ সোমাবলৈ বুলি পিছ লওঁতেই পিছফালে থিয় হৈ চন্দনক বিদায় দিবলৈ গাড়ীখন নেদেখা হোৱালৈকে হাত দাঙি ৰৈ থকা পত্নীৰ গাত ঠেকা খাব খুজিলে দুৰৰা। বয়সে ঢুকি পোৱা সুমিত্ৰাৰ গাত দুৰৰাই সমস্ত ভৰ এৰি দিলে। কান্দোনৰ ৰোল এটি চাৰিওফালে বিয়পি পৰিল। তাৰ বিদায়ী সন্তানৰ প্ৰতি থকা অবুজ মৰমত অনিৰুদ্ধ দুৰৰা আৰু চন্দনৰ মাক সুমিত্ৰা দুৰৰা শোকত ভাঙি পৰিছে। জীৱনলৈ এটা অনিশ্চয়তা, অনিৰ্দিষ্টতা, অন্ধকাৰ অধ্যায়ৰ আৰম্ভণি হ'ল। ●



# আই, যাগৈ যা

আস,...আ...স... যমুনাৰ বুকুৰ বিষটোৱে এনেকৈ প্ৰায় আমনি কৰে, তাইৰ বাবে এয়া কোনো নতুন কথা নহয়। খৰ্গেশ্বৰ ঢুকোৱাৰ পাছৰে পৰাই তাইৰ ভাল-বেয়া সুধিবলৈ জীয়েক নিৰ্মালী আছে যদিও তাইৰ আগত সকলো কথা খুলি নকয়, আনকি বুকুৰ বিষটোৰ কথাও। বিষত কোঙা হোৱা যমুনাই তেনেকৈয়ে তিনিকোঠলীয়া ঘৰটোৰ আউল লগাই বিছনাত এবাগৰ দিয়ে। মনতে হিচাপ কৰে, বহাগলৈ কিমান দিন আছে। যিমানে বহাগ চাপি আহিছে, সিমানেই তাইৰ বুকুখনৰ উঠা-নমা বাঢ়িবলৈ ধৰে। ঘৰতে লহ্‌পহ্‌কৈ বাঢ়ি অহা উঠন গাভৰুজনীক সিহঁতৰ দৰে মানুহে কেনেকৈনো ৰাখে? এৰা, বাপেক নোহোৱা নিৰ্মালীৰ গাত চাদৰ লোৱাৰ পৰা মাত্ৰ এঘৰলৈ উলিয়াই দিয়াৰ চিন্তাটোৱে খুলি খুলি খায়। তথাপি মাকৰ দায়িত্ব পালন কৰি এদিন গধূলি সুধিয়ে পেলালে—

**ধৰিত্ৰী বৰুৱা**
প্ৰাণী বিজ্ঞান বিভাগ



'আই, তই এতিয়া ডাঙৰ হ'লি, নিজে বুজিব পৰা হ'লি, কিমাননো মোক কাম কৰি খুৱাবি? বাপেৰে থকা হ'লেও এটা কথা।' হুমুনিয়াহ কাঢ়ি কাম কৰি থকা নিৰ্মালীক এক্ষন্তেক চাই ৰয়। খৰ্গেকাইৰ মুখখন নিৰ্মালীৰ মুখত যমুনাই দেখা পাই দুচকু বৈ আহে।

'কিয় কান্দিছ মা?'

যমুনাই চাদৰৰ আগেৰে দুচকু মোহাৰি তাইলৈ নোচোৱাকৈয়ে সুধি পেলায়— 'তোৰ বিয়াৰ কথা ভাবিছোঁ, কাৰোবাক মন দি থৈছ যদি ক?'

যমুনাই সাধাৰণতে ইমান পোনপটীয়াকৈ কথা নোসোধে, কিন্তু আজি জীয়েকক উলিয়াই দিয়াৰ কথা ভাবি মাক হিচাপে তাইৰ বুকুত যে ধান বনাদি বানিছে সেই কথা নিৰ্মালীয়েও অনুভৱ নকৰা নহয়।

নিৰ্মালীয়ে একো উত্তৰ নিদি শোৱনি কোঠালৈ দৌৰ মাৰে। বেৰৰ ওপৰৰ কামিকেইডালৰ ফাঁকেৰে জোনটোক চাই নীৰৱে গাৰুটো তিয়াই পেলায়। ছোৱালী যেতিয়া সেওঁতাত ৰঙা ছটিওৱাৰ মনটোনো কাৰ নাথাকে। তথাপি সুখ-দুখৰ লগৰী মাকজনীক অকলে এৰি থৈ যোৱাৰ দুখকন বাৰুকৈয়ে অনুভৱ কৰে তাই। বুকুত শোকে খুন্দা মাৰি ধৰে, কিন্তু এয়া যে প্ৰকৃতিৰ নিয়ম! তাতে এজনী দুখুনী তিৰোতাৰ তাইৰ প্ৰতি থকা দায়িত্ব, সেয়াও তাই নুবুজা নহয়।

চৰাইৰ কিচিৰ-মিচিৰ মাতে তাইৰ চিলমিলিয়া টোপনিকণো কাঢ়ি নিয়ে। যমুনায়ো সাৰ পোৱাৰ গম পাই নিৰ্মালীয়ে কওঁ-নকওঁকৈ মগজুত খুন্দা মাৰি থকা ৰঞ্জনক মন দি যোৱাৰ কথাটো একে উশাহতে কৈ পেলালে।

'তহঁতৰ মনৰ মাজত মইনো সোমাই কি কৰিম? তহঁতৰ সুখতেই মোৰো সুখ। গধূলিলৈকে তাক মাতি পঠিয়াবি, কথা হ'ম।'

কথাষাৰ কৈয়েই যমুনাই খৰখোজেৰে আগফালৰ চোতাল পায়গৈ। নিৰ্মালীয়েও পানী আনিবলৈ ওলাই যায়। ৰঞ্জনৰ নিজৰ বুলিবলৈ কোনোৱে নাই। সৰুতে মাক-বাপেক ঢুকোৱাত আনৰ ঘৰত কাম-বন কৰি এতিয়া অৱশ্যে নিজাকৈ নৈৰ পাৰত ঘৰ এটি সাজিলে। ঘৰটি তাক গাঁওবুঢ়া দাইটিয়ে ধৰাই দিলে এইবাৰ। তাৰ চৰিত্ৰৰ গুণতে গাঁৱৰ সকলোৱে ৰঞ্জন বুলিলে আদৰ-সন্মান কৰে। সি গাঁৱত দিন হাজিৰা কৰিলেও গাঁৱৰ মানুহবোৰে দুই-এপইচা সৰহকৈয়ে দি পঠায়। তাৰ দৰে অমায়িক ল'ৰাটোলৈ নিৰ্মালীক গতাব পাৰিলে যমুনা কিমান সুখী হ'ব সেয়া মাত্ৰ তাইহে জানে, কাৰণ 'বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ অভ্যাস যমুনাৰ নাই।'

চিকমিক সময়তে আহি ৰঞ্জনে মাত লগালে—

'খুড়ীদেউ, আছেনে?'

'অ' ৰণবোপা, আহ আহ, তই অহালৈকে বাট চাই আছিলোঁ।'

দুৱাৰখন খুলি দিয়ে।

'বহ ইয়াতে। নিৰ্মালী, চাহকণ তপতাই দেচোন।' —যমুনাই একপ্ৰকাৰে চিঞৰিয়ে ক'লে।

'ৰণ, মই কিয় তোক মাতি পঠালোঁ, তাই চাগৈ জানই? মোৰ আগলৈ-পাছলৈ বুলিবলৈ এজনীয়ে জী, গতিকে তাইৰ দুখ-দুখৰো গুৰি ধৰোঁতাময়ে।' —হুমুনিয়াহ কাঢ়ে তাই।

'হয় খুড়ী মই জানো।'

'অ, গতিকে তহঁতৰ মনৰ মিল হৈছে বুলি জানিহে কথাটো আগবঢ়াওঁ বুলি ভাবিলোঁ। তোৰ বা কি মত?'

'খুড়ীদেউ আপোনাৰ কথাই মোৰ কথা, মই তাইক আপোন কৰিবলৈ সাজু।'

হঠাতে যমুনাক বুকুৰ বিষটোৱে বৰকৈ ধৰে।

'আস... আস... ৰণ... মো... ও...ও...ও...ৰ... আ...হ

যমুনা বাগৰি পৰিবলৈ ধৰোঁতেই ৰঞ্জনে আহি গবা মাৰি ধৰে।


'খুড়ী, খুড়ী কি হৈছে, কি হৈছে আপোনাৰ? নিৰ্মালী পানী আনা পানী।'

'মা, পানীকণ খাচোন। ৰণ, মাক ডিঙিটোত ধৰাচোন।'

নিৰ্মালীয়ে পানী খুৱাবলৈ যত্ন কৰে কিন্তু বিফল হয়। যমুনাই হঠাতে নিৰ্মালীক টানকৈ খামুচি কিবা এটা ক'বলৈ বিচাৰিছে, মুখখন লৰাই লৰাই শেষত কয়—

'আই, ত...ত...ই...হ...হ... যা...হ...হ...গৈ...হ...যা...হ...।'

হাতখনৰ টান মুঠিটো খুলি পৰে, ডিঙিটোও বেঁকা হৈ পৰে যমুনাৰ। মাত্ৰ সেই কথাষাৰ কাণত প্ৰতিধ্বনিত হয় নিৰ্মালীৰ।●



পুৱতি নিশা তিনিমান বজাত তাইৰ ফোনটো বাজি উঠিল। পাহিয়ে টোপনিৰ নিচাতে চকুহাল অলপ মেলি দেখিলে, মামী বুলি লিখা নামটো। হয়, তাইৰ মামীয়েকে ফোন কৰিছে। তাইৰ মনত হাজাৰটা প্ৰশ্ন। কিয় বাৰু মামীয়েকে এই অসময়ত ফোন কৰিছে। মনত দোলা দি থকা প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি তাই ফোনটো 'ৰিচিভ' কৰিছে। ফোনৰ বিপৰীত দিশৰ পৰা ভাহি আহিছে এটা মাত, কিছুমান বাক্য।

# চিতাত ভগৱান


**শিখামণি গগৈ**

অসমীয়া বিভাগ

ফোনটো 'ৰিচিভ' কৰাৰ পাছত তাই অনুভৱ কৰিছে বুকুত গধুৰ কিছুমান বাক্যৰ বোজা। হোষ্টেলৰ আবদ্ধ কোঠাত তাই উশাহ লোৱাত কষ্ট পাইছে। হে পৰিছে বাকৰুদ্ধ, নিৰুপায়। এবাৰ ফোনৰ ডিছপ্লে' অন কৰিছে, এবাৰ অফ কৰিছে। মনত হাজাৰটা চিন্তাৰ হেন্দোলনি। দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল তাই। পোহৰ হোৱাই নাই এতিয়াও। গোটেই হোষ্টেলটোৱে নিজানতাৰ ওৰণি লৈছে যেন। বাথৰুমত গৈ ঠাণ্ডা পানীৰে মুখখন ধুই ল'লে তাই।

তাইৰ আটাইতকৈ আপোন মানুহজন, তাইৰ জীৱনৰ নায়ক, দেউতাক অসুস্থ। জ্বৰ বেছি হৈছে। আগনিশা কথা পাতিছিলহে দেউতাকৰ লগত। তেতিয়া জনামতেটো ভৰি এখন অলপ বিষ হৈছিল আৰু সামান্য জ্বৰ হৈছিল। ডাক্তৰৰ ওচৰলৈ গৈ ঔষধ-পাতিও লৈছিল দেখোন। মাকেতো কৈছিল, সামান্য জ্বৰ, ভাল হৈ যাব। এতিয়া মামীয়েকে কৈছে, 'মায়ে মাতিছে, দেউতাৰৰ জ্বৰ বেছি হৈছে। ডিব্ৰুগড়লৈ নিব লাগিব। মামীয়েকো যাব তাইৰ ঘৰলৈ।' যিমান পাৰে তাই সোনকালে ঘৰলৈ যাব লাগিব। যিমান সোনকালে পাৰে লৰালৰিকৈ তাই প্ৰয়োজনীয় বস্তুকেইপদ লৈ ওলাই গ'ল বাছ আস্থানৰ ফালে। মামীয়েক আগৰে পৰা তাইৰ বাবে ৰৈ আছিল। এতিয়া মাথোঁ অপেক্ষা গৃহমুখী এখন বাছলৈ। পুৱা বাবে গাড়ীবোৰ বেছি নাই। আহি থকা এখন নৈশ বাছতে তেওঁলোক যাবলৈ ঠিৰাং কৰিলে।

এতিয়ালৈকে তাইৰ ঘৰলৈ ফোন কৰি খবৰ এটা দিবলৈ সাহস হোৱা নাই। কিবা এটা অজান আশংকাই মনটো বান্ধি ৰাখিছে। বাহিৰত কিনকিনীয়া বৰষুণ। মামীয়েকৰ লগতো কথা পতা হোৱা নাই তাইৰ। ফোনটো বাৰে বাৰে বাজি উঠিছে যদিও 'ৰিচিভ' কৰা নাই। এতিয়া আৰু কথা পাতিবলৈ ইচ্ছা নাই তাইৰ কাৰোৰে



তাই যেতিয়া চকু মেলিছিল, তেতিয়া তাই চুবুৰীয়া বায়েকৰ কোলাত শুই আছিল। কিমান সময় তাই এনেদৰে শুই আছিল গমকে নাপালে। যেতিয়া তাই বাহিৰলৈ চাইছিল দেউতাক তেতিয়া চোতালত নাছিল। তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল, তাইৰ মৰমৰ দেউতাক আৰু নাই।

লগত।

যাত্ৰাৰ অন্ত পৰিল। অৱশেষত আপোন ঘৰখনিত উপস্থিত হওঁ হওঁ অৱস্থা। এটা সম্পূৰ্ণ নতুন পৰিৱেশ। চোতালত মানুহৰ ভিৰ। সকলোৱে চকু তাইৰ ওপৰত। কাণত কেৱল ভাহি উঠিছে কান্দোনৰ ৰোল।

তুলসীজোপাৰ ওচৰতে বগা চেলেঙেৰে এটা শৰ ঢাকি ৰখা হৈছিল। সৌৱা... সৌৱাচোন তাইৰ মৰমৰ দেউতাক। তাই কঁপিছে। বহুত কঁপিছে। নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। দেউতা...। ক'তা তাইৰ দেখোন মুখেৰে মাত ওলোৱা নাই। তাই দেখোন ভালকৈ কান্দিবও পৰা নাই। কি হৈছে, কি হৈছে তাইৰ। পাহি... পাহি তোৰ কি হৈছে। কিয় কৰিছ এনেকুৱা? পাহি ঐ পাহি... নকৰিবিচোন এনেকুৱা।

'নাই...নাই। এয়া মোৰ দেউতাৰ শৰ নহয়। অ' দেউতা... দেউতা... উঠাচোন। কিয় শুই আছা? দেউতা তোমাৰ গাত চেলেং কিয়? দেউতাক কম্বল এখন আনি নিদিয় কিয়? ঠাণ্ডা লাগিব দেউতাৰ। দেউতা অ'...।' কিন্তু এয়া কি? যিজন দেউতাকে তাইৰ এষাৰ মাততে মাত লগাইছিল আজি দেখোন বাৰে বাৰে মাত লগোৱাৰ পাছতো দেউতাক নিমাত। মাক আৰু ককায়েককে ধৰি সকলো মানুহ কান্দোনত ভাগি পৰিছে। তাইৰো মুখৰ মাত হেৰাল অৱশেষত। দুচকুৰে মাথোঁ তপত চকুলো বৈ আহিছে। কঁপি কঁপি অনুভৱ কৰিছে, তাইৰ ভৰিৰ তলৰ মাটিখিনি যেন কোনোবাই আঁজুৰি নিছে। তাই আৰু স্থিৰ হৈ থাকিব নোৱাৰিলে। চকুৰ সন্মুখত সকলো যেন আন্ধাৰ হৈ পৰিল।

তাই যেতিয়া চকু মেলিছিল, তেতিয়া তাই চুবুৰীয়া বায়েকৰ কোলাত শুই আছিল। কিমান সময় তাই এনেদৰে শুই আছিল গমকে নাপালে। যেতিয়া তাই বাহিৰলৈ চাইছিল দেউতাক তেতিয়া চোতালত নাছিল। তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল, তাইৰ মৰমৰ দেউতাক আৰু নাই। মাক, তাই, ককায়েক সকলোকে এৰি নেদেখাজনৰ ওচৰলৈ গুচি গ'ল। এতিয়া এই পৃথিৱীত তাইৰ সোঁৱে-বাঁৱে, আগে-পিছে ঘূৰিবলৈ তাইৰ সেই প্ৰিয় মানুহজন, তাইৰ মৰমৰ দেউতাক আৰু নাই।

জীৱনৰ বাস্তৱিকতাৰ লগত এতিয়া পাহিয়ে লাহে লাহে যুঁজ দিবলৈ ধৰিছে। তাইৰ প্ৰতিটো খোজত তাইৰ লগত আছে মাক আৰু ককায়েক। তাই আগবাঢ়ি যাবই লাগিব দেউতাকে দেখুৱাই দিয়া সেই পথেৰে। ●

চু. টি. গ. ল্প

# অনুভৱৰ দলিচাত

হয়তো সেমেকি উঠিছিল তাইৰ মনটো। বহুত দিনৰ পিছত স্মৃতিবোৰে পুনৰ খুন্দিয়াইছিল তাইৰ বুকুত। সময়বোৰ যে কি আচৰিত, কেতিয়া পাৰ হৈ যায় চকুৰ পচাৰতে একো ধৰিবই নোৱাৰি।



**পূজা ভট্ট**
প্ৰাণী বিজ্ঞান বিভাগ

ঘৰৰ কাষৰে কণমানি চুমুৰে দেউতাকৰ হাতত ধৰি একান্তমনে বাগানৰ ফুলবোৰৰ লগত খেলি আছে। তাৰ চকুত স্পষ্টকৈ জিলিকি আছে নির্ভয়ৰ আৱৰণখন। তাক পৃথিৱীৰ অন্যতম সাহসীসকলৰ এজনৰ দৰে দেখা গৈছে, তাৰ মুখত তিৰবিৰাই আছে পূর্ণতাৰ এটি মিঠা হাঁহি, কাৰণ তাৰ লগত আছে তাৰ দেউতাক। সেইজন ব্যক্তি, যাৰ উপস্থিতিয়ে তাৰ গাত এটা পৰুৱাও বগাবলৈ নিদিয়ে, এনে এজন ব্যক্তি যিজনে তাক আনি দিব পাৰিব পৃথিৱীৰ সকলো ৰং, সেইজন ব্যক্তি যিয়ে যিকোনো বস্তুৰ বিনিময়ত দিব পাৰিব তাক সকলো সুখ।

অৱশ্যে ইমানবোৰ ভাবিবলৈ চুমু এতিয়া বহুত সৰু। এইবোৰ ভাবনা ময়ূৰীৰ। আগফালৰ বাৰাণ্ডাত বহি চুমু আৰু তাৰ দেউতাকক চাই চাই তাই এইবোৰকে ভাবি আছে। এদিন এনেদৰে তায়ো দেউতাকৰ বোকোচাত উঠি আনন্দত মগ্ন হৈ পৰিছিল। এদিন তায়ো আছিল পৃথিৱীৰ অন্যতম সুখী আৰু সাহসী মানুহ এজন। তাইৰ হাততো আছিল তাইৰ দেউতাকৰ হাত।



সপোনতো কল্পনা কৰিব নোৱাৰা এটা পৰিস্থিতিৰ সন্মুখীন হৈছিল এদিন ময়ূৰী। নিয়তিৰ নিষ্ঠুৰতাই এদিন কাঢ়ি লৈ গৈছিল তাইৰ পৰা তাইৰ মৰমৰ দেউতাকক।

সপোনতো কল্পনা কৰিব নোৱাৰা এটা পৰিস্থিতিৰ সন্মুখীন হৈছিল এদিন ময়ূৰী। নিয়তিৰ নিষ্ঠুৰতাই এদিন কাঢ়ি লৈ গৈছিল তাইৰ পৰা তাইৰ মৰমৰ দেউতাকক। তাৰ পিছৰ পৰাই যেন তাই পৃথিৱীখন সদায় আধৰুৱা হৈ ৰৈছিল। তাইৰ ধেমালিবোৰত হাঁহিবলৈ, দুষ্টামিবোৰক আওকান কৰিবলৈ, মাকৰ গালিৰ পৰা বচাবলৈ, হেৰাই গৈছিল তাইৰ প্রিয় মানুহজন চিৰদিনলৈ। সঁচা অর্থত যিজন ব্যক্তিৰ তেওঁ ৰাজকুমাৰী আছিল, সেই ব্যক্তিজনেই হেৰাই গৈছিল তাইৰ জীৱনৰ পৰা। পলকতে সৰি পৰিছিল ৰাজকুমাৰীজনীৰ মূৰৰ তাজ। হেৰাই গৈছিল ৰাজকুমাৰীজনীৰ সকলো সপোন, যিবোৰ সাজিছিল তাই অতি সযতনে, অতি নির্ভয়ে।

মাক, বায়েক আৰু তাইৰ সৰু পৰিয়ালটো আধৰুৱা হৈ গৈছিল তেতিয়াৰে পৰা। মাকে ঠিকমতেই চলাই আছিল সকলো। বাপেকৰ পেঞ্চনৰ টকাৰে সিহঁতৰ সৰু পৰিয়ালটো চলিবলৈ কোনো অসুবিধা হোৱা নাছিল। তথাপি দুজনী ছোৱালীৰ অকলশৰীয়া অভিভাৱক হিচাপে মাকৰ দুখ আৰু চিন্তাবোৰ বুজি পাইছিল তাই। সিহঁতৰ পঢ়াৰ বাবে মাকে সকলো চেষ্টাই কৰি গৈছিল। সিহঁতেও মাকক তেওঁৰ কষ্টৰ ফল দিয়াত কোনো ধৰণৰ ত্রুটি কৰা নাছিল।

পদে পদে সন্মুখীন হৈছিল তাই বিভিন্ন অভাৱৰ। মাকে অৱশ্যে অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল সিহঁতক। হ'লেও মানুহৰ প্রয়োজনীয়তাৰ জানো অন্ত আছে? সেয়া লাগিলে কিবা বস্তুৰে হওক বা কিছুমান অনুভৱৰে হকে। সৰুৰে পৰা প্রয়োজনীয়-অপ্রয়োজনীয় যি লাগিছিল, বিনা কষ্টত পাই আহিছে তাই। অত্যধিক মৰমে হয়তো বহুত আলসুৱা কৰি তুলিছিল তাইৰ মনটোক। অভাৱ নামৰ বস্তুটোক উপলব্ধি কৰিবলৈ নোপোৱাৰ বাবেই চাগে বহুত জেদী হৈ পৰিছে। সেয়েতো নোপোৱাৰ বেদনাই অতি সহজেই আক্রমণ কৰিছিল তাইক।

এইবোৰতো বর্তমান ঘটি থকা ঘটনাই তাইৰ জীৱনৰ। তাই উপলব্ধি কৰিব পাৰিছে তাইৰ দুর্বলতাবোৰ, তাইৰ দোষবোৰ। চুমুৰ নির্ভয় চকু দুটাই জাগ্রত কৰি তুলিছিল সকলো স্মৃতি। সেই সময়ত তাই বুজিছিল, দেউতা নামৰ ছাঁটো আচলতে কি? তাই ভাবিছিল, ল'ৰা-ছোৱালীক ইমানো সুবিধা বা মৰম দিব নালাগে যে সিহঁতে পাহৰি যায় অভাৱ কি বস্তু। অত্যধিক মৰম আৰু সুবিধাই সিহঁতৰ কুমলীয়া মনটোত চাপ বঢ়াই দিয়ে যে সিহঁতে যি বিচাৰে সেয়া পাবই। কাৰণ, যেতিয়া সেই দেউতা নামৰ ছাঁটোৱে একো নোকোৱাকৈ এৰি থৈ গুচি যায়, বহুত কষ্ট হয় তেতিয়া পৰিস্থিতিৰ লগত খাপ খাবলৈ। বেছিকৈ গছৰ ছাঁত ৰৈ থকা মানুহজন যেতিয়া ৰ'দত ওলায়, ৰ'দটোৱে তেতিয়া বেছিকৈ পোৰে। তেনেদৰেই দেউতা নামৰ ছাঁটো মূৰৰ ওপৰৰ পৰা হেৰাই গ'লে, পৰিস্থিতিবোৰ বেছি নির্দয় হৈ পৰে। এইবোৰ ভাবি ভাবি মনতে কৈছিল তাই— 'বাস্তৱিকতাৰ লগত আগতেই চিনাকি হ'বলৈ শিকোৱা হ'লে দেউতা, আজি বাস্তৱক মানি ল'বলৈ সহজ হ'লহেঁতেন। অসম্পূর্ণতাখিনিক উপলব্ধি কৰিবলৈ দিয়া হ'লে দেউতা, আজি অসম্পূর্ণতাখিনিক লৈয়ে সম্পূর্ণ হ'লহেঁতেন মোৰো জীৱন।' ●

চু. টি. গ. ল্প

# অনুভূতি



(১)


## আছিফা শ্বামচি

ৰাজনীতি বিজ্ঞান বিভাগ


চৰাইজনীয়ে তেতিয়াও চিঁ-চিঁয়াই আছিল। মিলিয়ে পিছলৈ ঘূৰি চালে। তাইৰ বেগৰ এফালে ওলমাই থোৱা জোলোঙাটোৰ ভিতৰত চৰাইজনীয়ে বৰকৈ লৰচৰ কৰি আছিল। তাইৰ চাগে' ভোক লাগিছে, মিলিয়ে মনতে ভাবিলে। তাইৰ খোজৰ বেগ বাঢ়ি গ'ল। স্কুলত মিলিক সকলোৱে 'টুনীৰ মাক' বুলিয়ে মাতে, তাইৰো বেয়া নালাগে। মিলিয়ে টুনী মানে চৰাইজনীক সৰুৰে পৰা তুলি-তালি ডাঙৰ কৰিছে। তাইৰ এতিয়াও মনত আছে, কেনেকৈ চৰাই পোৱালি এটা যোৱাটো গৰমকালি সিহঁতৰ আগফালে থকা আমজোপাৰ পৰা তলত পৰি গৈছিল, ভাগ্যে খেৰসোপাৰ ওপৰত পৰা কাৰণেহে। নহ'লে ইমান ওখ গছজোপাৰ পৰা পৰি চেপেটাই হৈ পৰিলহেঁতেন। মিলিয়েও লগে লগে পোৱালিটো হাতত লৈ গছ বগাই বাহটোত থৈ আহিছিল। মাকজনীয়ে তেতিয়া চিঁ-চিঁয়াই তাইৰ ওচৰে-পাঁজৰে উৰি ফুৰিছিল। কিন্তু পিছদিনা মিলিয়ে পোৱালিটো আকৌ খেৰসোপাতে পৰি থকা পালে, মাক চৰাইজনী ক'তো নাছিল। তেতিয়াৰ পৰাই মিলিয়ে পোৱালিটো নিজৰ কৰি ল'লে। প্ৰথম প্ৰথম মিলিৰ বৰ কষ্ট হৈছিল, এতিয়া তাই অভ্যস্ত হৈ পৰিছে।

ঘৰ পায়েই মিলিয়ে টুনীক জোলোঙাৰ পৰা উলিয়াই আমৰলিৰ টোপ খাবলৈ দিলে। টোপকেইটা তাই কালিয়েই গোটাই থৈছিল। টুনীয়ে নিজে বিচাৰিয়েই খাব পৰা হ'ল যদিও মিলিয়ে টুনীৰ পচন্দৰ কিবা পালে সাঁচি থৈ দিয়ে। টুনীয়ে খোৱা শেষ কৰি খিৰিকিয়েদি ভুৰুংকৈ উৰা মাৰি গুচি গ'ল। মিলিয়ে নিজলৈ ভাত কেইটামান বাঢ়ি খাবলৈ বহিল। সন্মুখৰ আমজোপাত টুনীয়ে বেলেগ চৰাই কেইটামানৰ সৈতে খেলি আছিল। মিলিয়ে মন কৰিছে, এইকেইদিন টুনীয়ে মতা দহিকতৰাটোৰ লগত খুব ঘনিষ্ঠ হৈছে। এনেয়ে টুনীয়ে মিলিহঁতৰ বাৰীতেই থাকে, কেতিয়াবা মিলিৰ লগত স্কুললৈ গ'লে স্কুলৰ পিছফালৰ হাবিডৰালৈ যায়। কিন্তু সিদিনাখন মিলিয়ে বজাৰৰ কাষৰ বটজোপাত টুনীক দহিকতৰাৰ সৈতে দেখিছিল। নামটো টুনী হ'লে কি হ'ব, তায়ো দহিকতৰাহে, একে জাতৰ চৰাইৰ সৈতে ঘনিষ্ঠ হোৱাটো তেনেই স্বাভাৱিক।

ভাত খাই উঠি মিলিয়ে পুখুৰীটোত বৰশী বোৱাত লাগিল। ৰাতি তাই পঢ়া-শুনা নকৰিলে। মাকৰ ওচৰতে বহি মাকে ৰান্ধি থকা চাই থাকিল। এইটো সময়ত টুনী ঘৰ পাবহি লাগে। মিলিয়ে বহাৰ পৰা উঠি শোৱা কোঠালৈ গ'ল। টুনীৰ বাবে বনোৱা বাকচৰ বিছনাখন আকৌ এবাৰ ঠিক-ঠাক কৰি থ'লে।

পিছদিনা সাৰ পায়েই মিলিয়ে মূৰ দাঙি টেবুলৰ ওপৰত থকা টুনীৰ বাকচটোলৈ চালে। টুনী তাত নাছিল। এক অজান আশংকাত মিলিৰ বুকুখন চিৰিংকৈ উঠিল। তাই চেণ্ডেল নিপিন্ধাকৈয়ে বাৰীখনলৈ সোমাই গ'ল। টুনী বুলি কেইবাবাৰো চিঞৰি মাতিলে। তাই স্কুলৰ ওচৰৰ হাবিখনলৈ আগবাঢ়িল। কিন্তু কিবা ভাবি বাট সলাই বজাৰৰ ফালে গ'ল। বটজোপাত টুনীয়ে নতুনকৈ সজা বাহ এটাত বহি আছিল। মতা দহিকতৰাটো তাইৰ লগতে গাতে গা লগাই বহি আছিল। মিলিয়ে এক মিশ্ৰিত অনুভূতি অনুভৱ কৰিলে।●

# বিষাদ

## (২)

প্ৰশান্ত এজন ত্ৰিছ বছৰীয়া যুৱক। বৰ্তমানৰ চাকৰিৰ দুৰ্ভিক্ষৰ কালৰ তেৰোঁ এজন ভুক্তভোগী। কিমান ইণ্টাৰভিউ দিলে হিচাপেই নাই, কিন্তু এতিয়ালৈকে ভাল চাকৰি এটা যোগাৰ কৰিব পৰা নাই।

আজি শুক্ৰবাৰ। পুৱা সাৰ পায়ে প্ৰশান্তই ফোনটো হাতত লৈ গভীৰ আগ্ৰহেৰে হোৱাটছ্এপটো অন কৰিলে। নাই, একো মেছেজ নাই তাইৰ। সি কালি ৰাতি দি থোৱা মেছেজবোৰেই 'ছীন' হোৱা নাই এতিয়ালৈকে। সি 'গুড মৰ্ণিঙ'ৰ লগতে এটা হাঁহিৰ ইম'জী টাইপ্ কৰিলে। অলৰ সময় ৰৈ ইম'জীটো কাটি 'ছেণ্ড' বুটামটো লাহেকৈ স্পৰ্শ কৰিলে। বহুসময় মেছেজৰ কাষত থকা চিন দুডাললৈ একথৰে চাই ৰ'ল সি, চিন দুডাল নীলা বৰণৰ হোৱাৰ আশাত। কিন্তু নাই। লাহে লাহে তাৰ ধৈৰ্যৰ সীমা চেৰাই যোৱাত ফোনটো গাৰুটোৰ ওপৰত দলিয়াই আকৌ বিছনাত বাগৰ দিলে। সি তাৰ মন-মগজুৰ দ্বন্দ্বৰ বিচাৰ কৰিবলৈ ধৰিলে। কি হ'ল বাৰু তাইৰ? সদায় পুৱা তাইৰ 'গুড মৰ্ণিং' মেছেজটোৰে আৰম্ভ হৈছিল প্ৰশান্তৰ দিনটো। আজি তিনিদিন। তাইৰ একো খবৰেই নাই। তাই বাৰু আঁতৰি যাব খুজিছে নেকি? নাই নাই, সি ভাবিবই নোৱাৰে। নানা ধৰণৰ চিন্তাই তাক আমনি কৰিবলৈ ধৰিলে। তাইৰ বাৰু কিবা অসুবিধা হৈছে নেকি? নে নিজে জানি-শুনি কৰি আছে তাই এইবোৰ। ছোৱালীবোৰ এনেকুৱাই, আনক দুখ দি বৰ ভাল পায়। জীৱনে-মৰণে লগ দিয়াৰ অংগীকাৰবোৰ তেনেহ'লে মিছা আছিল নেকি? মোতকৈ ভাল আৰু এজনৰ কাষ চাপিছে নেকি তাই?— ইত্যাদি ইত্যাদি প্ৰশ্নবোৰে তাক কল্পনাৰ মায়াজালত আবদ্ধ কৰিলে। এনেতে ফোনটো 'ভাইব্ৰেট' হোৱাৰ লগে লগে তাৰ বুকুখনো কঁপি উঠিল কিজানিবা তৰাই 'মেছেজ' কৰিছে। সি লগে লগে থাপ মাৰি লৈ অন কৰোঁতেই স্ক্ৰীনত ভাঁহি উঠিল, 'ওৱান মিছড্ কল ঃ তৰা'। উফ্, এতিয়াহে তাৰ মনটো অলপ ভাল লাগিছে। সি লগে লগে তৰাৰ নাম্বাৰটো ডায়েল কৰিলে। সিফালৰ পৰা তৰাৰ মাতটো ভাহি আহিল।

তৰা ঃ হেল্ল'।

প্ৰশান্ত ঃ হাই তৰা। আই মিছড্ ইউ, কি হ'ল তোমাৰ? কিয় ইমান দেৰি মেছেজ দিয়া নাই তুমি, ইভেন মই দিয়া মেছেজবোৰো চোৱা নাই। কি হ'ল, কিবা প্ৰব্লেম হ'ল নেকি ঘৰত? মই কিমান টেনছনত আছিলোঁ।'...কথাখিনি একে উশাহতে কৈ পেলালে সি।

তৰা ঃ প্ৰশান্ত। আই এম ছ'ৰী, আই এম এক্সট্ৰিমলী ছৰী।' —কথাখিনি কৈয়ে হুক্হুকাই কান্দি পেলালে তৰাই।

প্ৰশান্ত ঃ কি হ'ল? (গভীৰ উদ্বেগেৰে প্ৰশান্তই সুধিলে)

কিন্তু সিফালৰ পৰা একো উত্তৰ নাহিল। সি এটাৰ পাছত প্ৰশ্ন সুধি থাকিল। উত্তৰ নাহিল। ফোনটো কাট্ খাই গ'ল, কিন্তু তাৰ প্ৰতি একো ভ্ৰূক্ষেপেই নাই প্ৰশান্তৰ। সি কিবাকিবি সুধিয়ে থাকিল। অলপ পাছত তাৰ সম্বিৎ ঘূৰি আহিল। নিজকে পাগলৰ দৰে অনুভৱ কৰিলে সি। তাৰ পাছত বাৰে বাৰে তৰাৰ নাম্বাৰটো ডায়েল কৰি কৰি ভাগৰি পৰিল সি। বহু অপেক্ষাৰ অন্ততো তাইৰ লগত যোগাযোগ সম্ভৱ নহ'ল। লাহে লাহে তাৰ মনত তৰাৰ প্ৰতি সন্দেহৰ ভাৱ জাগিবলৈ আৰম্ভ কৰিছিল। তাই মোক এৰি গ'ল। এবাৰ, অন্তত এবাৰ কৈ যাব পাৰিলেহেঁতেন যে তাই মোক আৰু ভাল পাব নোৱাৰে। তেতিয়াহ'লে মনটোৱে বুজি পালেহেঁতেন। মোৰ ভালপোৱাত কি বাকী থাকি গৈছিল যে তাই মোক মোৰ আগত এবাৰো কোৱাৰ প্ৰয়োজনবোধ নকৰিলে। মই তাইক মাফ নকৰোঁ। সি মুখৰ ভিতৰতে ভোৰভোৰাই থাকিল।

আজি দুবছৰে সি তাইলৈ ৰৈ আছে। কিন্তু কিমান অপেক্ষা কৰিব। আজিও সি বহুত মিছ কৰে তাইক। তাইৰ ফটোৰ সৈতে কথা পাতে। তাইৰ কাৰণে গিফ্ট কিনে। কিন্তু তাই। কথাবোৰ ভাবি চকুযোৰ চলচলীয়া হৈ পৰিল প্ৰশান্তৰ। এনেতে তাৰ ঘনিষ্ঠ বন্ধু ৰাজীৱে তাক ফোন কৰিলে।

ৰাজীৱ ঃ হেল্ল' প্ৰশান্ত।

প্ৰশান্ত ঃ অ' কচোন।

ৰাজীৱ ঃ (কঁপা কঁপা মাতেৰে) প্ৰশান্ত। তৰা আৰু নাই, তাক আমাক এৰি চিৰদিনৰ বাবে গুচি গ'ল।

প্ৰশান্তই আৰু একো মাতিব নোৱাৰিলে। মাথোঁ শিলপৰা কপৌৰ দৰে ৰৈ থাকিল। বিষাদৰ জুইকুৰা তাৰ বুকুত উমি উমি জ্বলি থাকিল।●

# জীৱন নদীৰ সিপাৰে

**আশাজ্যোতি ভূঞা**
অৰ্থনীতি বিভাগ

**ঠন ধৰি উঠা সপোনবোৰ ঃ-**

মেঘাই ষ্টাৰসহ মেট্ৰিক পৰীক্ষাত পাছ কৰাৰ পাছত টাউনৰে নৰ্থ লখিমপুৰ কলেজত পঢ়াৰ ইচ্ছা কৰিছিল যদিও মাক-দেউতাকৰ ইচ্ছা অনুযায়ী লখিমপুৰ বালিকা মহাবিদ্যালয়তে পঢ়াৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। কলেজখনত আগষ্ট মাহত আৰম্ভ হোৱা ক্লাছবোৰত তাইৰ কোনো চিনাকি বান্ধৱী নথকাৰ বাবে তাই অসহায় অনুভৱ কৰিছিল। লাহে লাহে তাইৰ এজনী-দুজনী নতুন বান্ধৱীৰ সৈতে বন্ধুত্ব আৰম্ভ হ'ল। এনেদৰেই তাই কলেজখনত সকলোৰে লগত সহজ হৈ পৰিছিল। তাই ভৱিষ্যতৰ কথা ভাবি সদায় ভাল পাইছিল। কিন্তু এদিন হঠাতে ঘটি যোৱা এটা ঘটনাই তাইৰ গোটেই জীৱনটো সলনি কৰি পেলালে। ককাকৰ বছৰেকীয়াত মোমায়েকৰ ঘৰত মেঘাই হঠাতেই লগ পালে এজন অচিনাকি ল'ৰাক, যাৰ ব্যৱহাৰ গহীন আৰু মৰমিয়াল। তাই এনেয়েও গহীন মানুহক বহুত ভাল পায়। ল'ৰাজন মামীয়েকৰ সম্পৰ্কীয় বায়েকৰ পুতেক অবিনাশ। কিবা এটা কামত ইয়ালৈ আহিছে। এইদৰে সিহঁতৰ মাজত চা-চিনাকি হৈছিল। এই চিনাকিয়ে কিছুদিনৰ পিছত প্ৰেমলৈ ৰূপান্তৰিত হৈছিল যি প্ৰেমে দুয়োকে লৈ গৈছিল এখন অজান পৃথিৱীলৈ।

মৰহি যোৱা জীৱনটোক সজীৱ কৰি তোলা মেঘাই দৌৰি থকা কেৰিয়াৰৰ পৃথিৱীখনত এপাহ মৰহা ফুলৰ দৰে হৈ পৰিছিল। তাই এটোপাল পানীৰ বাবে ছটফটাবলৈ ধৰিছিল। সেই সময়তে অবিনাশ নামৰ এই মালীজনে অলপ পানী দি তাইক উদ্ধাৰ কৰিছিল। অবিনাশৰ মৰমৰ মাজত ছায়েন্সত পঢ়ি থকা মেঘাই পাহৰি গৈছিল কেৰিয়াৰৰ কথা। মাক-দেউতাকৰ সপোনৰ কথা। তাই অবিনাশৰ লগত জীৱনটোত সুখী হ'ব বিচাৰিছিল। কেৰিয়াৰৰ মাজত সোমাই এটা কমপ্লেক্স জীৱন জীয়াই থাকিব নিবিচাৰিছিল।

**সপোনবোৰ যেতিয়া ভাঙে ঃ-**

এদিন-দুদিনকৈ মেঘাই দুবছৰ পাৰ কৰিলে। লাহে লাহে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ ৰিজাল্টৰ সময় আহি পৰিল। পৰীক্ষা দিয়াৰ পাছতেই ভাবিছিল, বিভিন্ন ডাক্তৰ- ইঞ্জিনিয়াৰিঙৰ এণ্ট্ৰেন্সসমূহ দিয়াৰ কথা। কিন্তু দেউতাকে বাধা দিয়াৰ বাবে দিব পৰা নগ'ল। তাইৰ দেউতাকে নিজৰ দৰে তাইকো বিজ্ঞানৰ শিক্ষক হোৱাটো বিচাৰে। সেয়ে তাই ভাবিলে, ডিগ্ৰীটো বি, বৰুৱা কলেজত পঢ়িব। লাহে লাহে ৰিজাল্টৰ দিন ঘোষণা কৰা হ'ল। বিৰাশী শতাংশ নম্বৰ লৈ তাই হায়াৰ ছেকেণ্ডাৰী পাছ কৰিলে। ভবামতে কাম নহ'ল, তাইক মাক-দেউতাকে আকৌ একেখন কলেজতে ৰসায়ন বিজ্ঞানত মেজৰ লৈ পঢ়িবলৈ ক'লে। তায়ো নিজৰ সপোনবোৰ মোহাৰি পেলাই মাক-দেউতাকৰ কথামতেই একেখন কলেজতে নামভৰ্তি কৰিলে।

**বিশ্বাসঘাটকতা ঃ-**

হায়াৰ ছেকেণ্ডাৰীৰ ৰিজাল্ট দিয়াৰ পাছৰ পৰাই মেঘাই অবিনাশলৈ ফোন কৰিবলৈ যত্ন কৰিছিল যদিও সি তাইৰ ফোনটো ৰিচিভ নকৰা হ'ল আৰু তাৰ ফোনটো সদায় ব্যস্ত হৈ থাকে। এনেদৰে তাইৰ অশান্তি লাগিছিল। তাই এবাৰ তাক লগ কৰিব বিচাৰিছিল। সুধিব খুজিছিল, সি তাইৰ লগত এনেকুৱা কিয় কৰিছে? কিন্তু তাইৰ বাবে সেয়া সপোন হৈয়ে ৰ'ল। সি আৰু তাইক লগ কৰিবলৈ নাহিল। তাই ভবায়ে নাছিল এনেদৰে সপোন দেখুৱাই অবিনাশে তাইৰ লগত বিশ্বাসঘাটকতা কৰিব বুলি। কি দিয়া নাছিল তাই তাক? হিয়া উজাৰি ভাল পাইছিল তাই তাক। কিন্তু সি কি কৰিলে তাইৰ লগত? বিশ্বাসঘাটকতা। ভাবিলেই তাইৰ তাৰ ওপৰত ঘিণা ভাব জন্ম হয়। সেইদিন ধৰি তাইৰ প্ৰেম শব্দৰ ওপৰত বিশ্বাস হেৰাই গ'ল। তেতিয়াৰ পৰা সকলো পাহৰি তাই নিজক প্ৰতিষ্ঠা কৰাৰ কথাতে মন-প্ৰাণ ঢালি দিলে। ●

# সংগ্ৰাম

**মৃগাক্ষী গগৈ**
একাদশ শ্ৰেণী (কলা)

ভৰ দুপৰীয়া, পথাৰৰ কাম সামৰিয়ে ভাতমুঠি খাই সি বাৰাণ্ডাতে বাগৰ দিলে। পদূলিবাটৰ আঁহত গছজোপালৈ চাই আকাশ-পাতাল ভাবি থাকোতেই ৰিণি ৰিণি এটা কোলাহল আহি তাৰ কাণত পৰিল— বান আহিল ঐ, বান আহিল। সাৱধান। সাৱধান। খৰখেদাকৈ ঘৈণীয়েক ৰমলাক ল'ৰাটো চম্ভালিবলৈ কৈ পথাৰত এৰাল দিয়া গৰুহাল আনিবলৈ সি ঢাপলি মেলিলে। কিন্তু এয়া সি কি দেখিবলৈ পালে? চাৰিওফালে কেৱল পানী আৰু পানী। পথাৰৰ একো চিন-মোকাম নাই। ইতিমধ্যে পানীয়ে তাকো যেন গ্ৰাস কৰিহে এৰিব। একমাত্ৰ সম্পত্তি গৰুহাল হেৰুৱাই সৰ্বস্বান্ত হৈ সি লৰালৰিকৈ ঘৰমুৱা হ'ল। ঘৰৰ চোতালতো পানী এবুকু হ'ল। ল'ৰাটো কান্ধত তুলি, এহাতে ৰমলাক ধৰি সি মথাউৰিৰ ফালে পানীৰ মাজেৰেই বাট বুলিলে। কোনোমতে ওখ মথাউৰিটোত উঠি গাঁৱৰ আন মানুহৰ লগতে ভোকে-লঘোণে ৰাতিটো পাৰ কৰিলে। এসপ্তাহমান চৰকাৰী সাহায্যৰে মথাউৰিতে দিন কটোৱাত পানী শুকাল। পানী শুকাল, পথাৰ ওলাল কিন্তু নোলাল মুহিৰামৰ একমাত্ৰ সম্পত্তি গৰুহাল।

কি কৰিব কি নকৰিব ভাবি একো উপায় উলিয়াব নোৱাৰিলে। শেষত সি মনটো বান্ধি সিদ্ধান্ত ল'লে, 'নাই, ল'ৰাটোক যিকোনো প্ৰকাৰে মানুহৰূপে গঢ় দিবই লাগিব। এই অটল সিদ্ধান্ত বুকুত বান্ধি দাখন হাতত লৈ ওলাই গ'ল দিন হাজিৰা কৰিবলৈ বুলি। ঘৰৰ দুৱাৰে দুৱাৰে কাম বিচাৰিলে, কিন্তু কোনোবাদিনা কাম নাপাই উভতি আহে। তথাপি সি হাৰ মনা নাছিল। জীয়াই থাকিবলৈ কিবা এটা কৰিবই লাগিব। এদিনৰ কথা, সি তাৰ চন পৰি থকা মাটিডৰাৰ ওপৰেদি পাৰ হৈ যাওঁতে দেখিবলৈ পালে যে তাৰ মাটিডৰাৰ চাৰিওফালে কেইজনমান মানুহে ফিটাৰে জুখি আছে। সি এইবোৰ কি হৈছে জানিব বিচাৰিলে। তাৰে এজন মানুহে তাক সবিশেষ জনালে যে তাত এটা অফিচ বহুওৱা হ'ব। শেষত মাটিডোখৰ হেৰুৱাই মুহিৰাম দুখত ভাগি পৰিল। সৰ্বহাৰা হৈ সি ঘৰ পালেহি। আহি দেখে ৰমলা ঘৰত নাই। ইঘৰ-সিঘৰত সোধাত গম পালে যে ল'ৰাটো স্কুলত থৈ গাঁৱৰে ডাক্তৰৰ ঘৰত কাম কৰিবলৈ গৈছে। গেলাত টেঙা দিয়াৰ দৰে এই কথাটোৱে তাৰ হৃদয়খন ভাঙি দিয়াৰ দৰে লাগিল। চোতালৰ এমূৰত বহি সি হুকহুকাই কান্দি পেলালে। নিজকে নিজে শান্ত্বনা দি সি বুকু ডাঠ কৰি ভাবিলে, নাই ভাগি পৰিলে নহ'ব। সকলো হেৰাল কিন্তু মইতো আছোঁ। সন্ধিয়া তিনিওটা প্ৰাণী গোট খাই কথাবোৰ আলোচনা কৰিলে আৰু ৰমলাক ডাক্তৰৰ ঘৰত কাম কৰাটোত বাধা দিলে। পিছদিনা পুৱাতে সি নগৰৰ ফালে বাট বুলিলে। সি বিস্কুটৰ ফেক্টৰীৰ মালিকক লগ ধৰিলে আৰু ফেক্টৰীত কৰ্মচাৰীৰ দৰকাৰ হ'বনেকি সুধিলে। মালিকজনে তাক মাহিলি দুহেজাৰ পাঁচশ টকা দৰমহাৰে কৰ্মচাৰী হিচাপে ৰাখিলে। সেইকেইটা টকাৰে তাৰ পৰিয়ালটো পোহপাল দিবলৈ কোনোমতেই নাটে। সেইবাবে ৰমলাৰ লগত আলোচনা কৰি উপাৰ্জন বঢ়োৱাৰ কথা চিন্তা কৰিলে। শেষত সিদ্ধান্ত কৰিলে যে ফেক্টৰীৰ পৰা আহি সি বাঁহ-বেতৰ বস্তু বনাব আৰু ৰমলাই কাপোৰ বোৱা-কটা কৰিব। সিদ্ধান্তমতেই কাম। দিনটো ভাগৰে-জুগৰে আহি ৰাতি এভাগলৈকে সি বাঁহ-বেতৰ পাচি-খৰাহী সাজে আৰু ৰমলাই দিনটো কাপোৰ বয়। দেওবাৰে যিহেতু ফেক্টৰী বন্ধ থাকে সেইবাবে সেইদিনা সাপ্তাহিক বজাৰত দুয়ো নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰে। মুঠতে জীৱনত কোনোদিন জিৰণি বোলা কথাটো সিহঁতে চিনি নোপোৱা হ'ল। এইদৰে সিহঁতে জীৱনৰ অবিৰত সংগ্ৰাম চলাই নিলে। ল'ৰা ডাঙৰ হ'ল, পঢ়া-শুনাতো সুখ্যাতি অৰ্জন কৰিলে। এদিন পুৱাতে এটা সুন্দৰ খবৰে মুহিৰামৰ ঘৰখন আনন্দেৰে ভৰাই তুলিলে। মুহিৰাম-ৰমলাই জীৱনত প্ৰথমবাৰৰ বাবে সাৰ্থকতৰ পোহৰ দেখিবলৈ পালে। পুতেকে আন্তৰ্জাতিক ভিত্তিত পতা পৰীক্ষাত উত্তীৰ্ণ হৈ বিদেশত চাকৰি পাইছে। কিন্তু এই আনন্দ তেওঁলোকৰ বাবে ক্ষন্তেকীয়া। যিহেতু পুতেকে চাকৰিসূত্ৰে বিদেশলৈ যোৱা দিন ধৰি কোনোদিন মাক-বাপেকৰ খবৰ নল'লে। মুহিৰাম আৰু ৰমলা শেষত পুত্ৰহাৰাও হ'ল। দুয়ো আগৰ দৰেই জীৱন সংগ্ৰাম চলাই গ'ল মৃত্যুপৰ্যন্ত। ●



চু. টি. গ. ল্প


অংকিতা শইকীয়া
ইংৰাজী বিভাগ


# আত্মসন্তুষ্টি

আবেলি ঘৰৰ ওচৰতে থকা সৰু নদীখনৰ পাৰত মই প্ৰায়েই ফুৰিবলৈ যাওঁ আৰু প্ৰায়েই ল'ৰাটোৰ লগত মোৰ দেখাদেখি হয়। শান্ত-মৌনতাভৰা চকুযুৰিৰ সৈতে সি প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰাত ব্যস্ত হৈ থাকে। দুজন অচিনাকি মানুহ প্ৰায়েই লগ পাই থাকিলে তেওঁলোকৰ মাজত চিনা-পৰিচয় হোৱাটো স্বাভাৱিক। মানুহ দুজন বিপৰীত লিংগৰ হ'লে হয়তো বেছি সময় লাগে আৰু একেই লিংগৰ হ'লে কম সময় লাগে। আমি দুটাও খুব কম সময়তে চিনাকি হৈ পৰিলোঁ। আনদিনাৰ দৰে সেইদিনাও সি নদীখনৰ কাষতে থকা পথাৰৰ সোণোৱালী ৰং উপভোগ কৰিছে। মুক্ত-নীলা আকাশৰ তলত মুক্তভাৱে বহি আছে। ময়ো গৈ তাৰ ওচৰতে বহিলোঁ। আমি দুয়োটাই ইটোৱে-সিটোলৈ চাই হাঁহিৰ আদান-প্ৰদান কৰিলোঁ। কিন্তু তাৰ সেই হাঁহিটো প্ৰত্যেক দিনাৰ দৰে আজিও শেঁতা। তাক দেখিলেই গম পোৱা যায় যে কিবা এটা বিষাদে তাক ভিতৰি ভিতৰি খুলি খুলি খাই আছে। মই সেইদিনা সময় নষ্ট নকৰি তাক তাৰ বিষাদৰ কাৰণ সুধিলোঁ। প্ৰথমে ক'বলৈ সি অলপ আফচোচ কৰিছিল যদিও পিছত সকলো কথাই ক'লে।

আন মানুহৰ দৰে তাৰো অলেখ সপোন আছে। ৰঙীন সপোন। সেই সপোনবোৰ পূৰণ কৰাৰ তাড়নাতেই ভৰি দিছিল কাম কৰা ল'ৰা হিচাপে থকা মানুহঘৰত। সেইদিনাৰ পৰা তাৰ অৰ্থাৎ নিবিড়ৰ সংগ্ৰাম আৰম্ভ হৈছিল। এফালে সপোন পূৰোৱাৰ তাড়না, আনফালে নিজৰ বৃদ্ধ মাক-দেউতাকৰ প্ৰতি থকা দায়িত্ব। কিন্তু সি থকা মানুহঘৰে তাক বিদ্যালয়ত নামভৰ্তি কৰি দিব বিচৰা নাছিল। ঘৰৰ কামত ব্যস্ত হৈ থকাটো বিচাৰিছিল। তাৰ উপৰি তাৰ প্ৰাপ্য পইচাখিনিও সময়মতে দিয়া নাছিল। ফলত সি কেইবাদিনো ধৰি ঘৰলৈ পইচা পঠিয়াব পৰা নাছিল। তাৰ পৰা কথাখিনি জনাৰ পিছত মোৰ মনত সেইদিনা কেনেকৈ নিবিড়ক সহায় কৰিব পাৰি এই কথাবোৰে অনবৰতে আমনি কৰিছিল। তাক পঢ়াৰ সুযোগটো দিব পৰা হ'লে, সপোনবোৰ দিঠক কৰিবলৈ সুবিধা পাব। এনেবোৰ কথা ভাবি দেউতাকেই সকলো কথা বিৱৰি ক'লোঁ। দেউতা পেছাত এজন শিক্ষক। নিবিড় থকা মানুহঘৰে সহজতে অমান্য কৰিব নোৱাৰে বুলিও মোৰ বিশ্বাস এটা আছিল। দেউতাই পিছদিনাই সিহঁতৰ ঘৰলৈ গৈ ভালদৰে শিক্ষাৰ অধিকাৰ, শিক্ষাৰ গুৰুত্ব সকলোবোৰ কথা মানুহঘৰক বুজালে। অৱশেষত মানুহঘৰে দেউতাৰ কথা অমান্য কৰিব নোৱাৰি তাক বিদ্যালয়ত নামভৰ্তি কৰি দিলে। নিবিড়ৰ প্ৰাপ্য পইচাখিনিও সময়মতে দিব বুলি দেউতাক কথা দিলে।

সেইদিনা নিবিড়ৰ মুখত জিলিকি উঠা হাঁহিটোৱে মোৰ অন্তৰ-আত্মা শাঁত পেলাই দিলে। সি আনন্দতে মোক সাবটি ধৰিলে। দেউতাকো ভৰি চুই সেৱা কৰি অশেষ ধন্যবাদ জনালে। ময়ো দেউতাক অশেষ ধন্যবাদ জনালোঁ। তেতিয়াৰ পৰা নিবিড়ৰ মুখত তাৰ মৰম লগা হাঁহিটো স্থায়ী হৈ পৰিল।

মই এক বিৰাট আত্মসন্তুষ্টি লাভ কৰিলোঁ। ●

## কাজল শইকীয়া (ইংৰাজী বিভাগ)ৰ

চু. টি. গ. ল্প

# সোঁৱৰণী

(১)

এৰা, জীৱন এক যাত্ৰাৰ নাম; কোনো এক গন্তব্যস্থানৰ নাম নহয়। চকীখনত বহি খিৰিকীখন খুলি নিজৰাই ভাবিবলৈ ধৰিলে। এৰি অহা দিনৰ স্মৃতিয়ে আজি তাইক বাৰুকৈয়ে আমনি কৰিছে। সেই সময়, সেই শৈশৱ, সেই যৌৱন; আস..., কি এক মনোমোহা আৱেশ। সেই পথাৰখন, গাঁওৰ এচুকৰ নামঘৰটি, আৰু পুৱাৰ শেৱালি ফুলৰ গোন্ধটোৱে আজি তাইক বৰকৈ আমনি কৰিছে। আৰু সেই যে অনুৰাগ; সেই ৰামধেনু ভালপোৱা ল'ৰাটো, আজি তালৈও নিজৰাৰ বৰকৈ মনত পৰিছে। তথাকথিত সফলতাৰ পিছত দৌৰি আজি তাই সফল কিন্তু দুখ লাগে, শিক্ষা বিভাগত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছোৱালীজনীৰ ওচৰত শিক্ষা বিভাগটোৰ ধূলি-মাকটি পৰিষ্কাৰ কৰি ইয়াৰ পৰিৱৰ্তনৰ কথা কোৱা ছোৱালীজনী এটা সময়ত উপেক্ষিত হৈছিল 'পৰীক্ষা পে' চৰ্চাৰ সময়তো তাই প্ৰতিভা পে' চৰ্চাৰ কথা কৈছিল। তাই আজি সফল কিন্তু তেওঁৰ চিন্তন, বুদ্ধি আদিবোৰতো তাইৰ কৌশলতেই মৃত্যু হৈছিল। সেই হাঁহিমুখীয়া ল'ৰাজন যাৰ লগত তাইৰ চিন্তনৰ সাদৃশ্য আছিল সিহঁত দুয়ো দুয়োকে ভাল পাইছিল। এদিন নিজৰাই অনুৰাগক ধেমালিতে সুধিছিল, কি ৰং প্ৰিয় তোমাৰ? সি কৈছিল, ৰামধেনুৰ ৰং প্ৰিয় মোৰ। তাই সুখী হৈছিল অত্যধিক, কাৰণ এটা আজন্ম অন্ধক তাই ৰামধেনুৰ ৰঙ ভাল পাবলৈ শিকালে।

আৰু নাৰীবাদৰ প্ৰবন্ধ লিখি ভালপোৱা ছোৱালীজনীয়ে আজি ৰং বেয়া পায়, ৰঙা ৰংটো তাইৰ খুব অপ্ৰিয়; অনুৰাগবিহীন তথা সপোনবিহীন জীৱনত তাই আজি প্ৰতিপল হাৰি গৈছে —সমাজৰ আগত, সমাজৰ ব্যৱস্থাবোৰৰ আগত, অকণমান সেন্দূৰৰ আগত সেও মানি পাৰ কৰিছে এটি এটি বিনিদ্ৰ ৰজনী। ●

# সোঁৱৰণী

(২)

বাহিৰত চিপ্‌চিপিয়া বৰষুণ। কৰিবলৈ একো কাম নথকাত নিশাই লনখনলৈ এখোজ-দুখোজকৈ ওলাই আহিল। কৃষ্ণচূড়াজোপা এইবাৰ বৰকৈ ফুলিছে। হঠাৎ শৈশৱলৈ তাইৰ মনটো উৰা মাৰিলে। মনত পৰিল তাইৰ আপোন শান্তিপূৰ্ণ গাঁওখন তথা বন্ধু-বান্ধৱলৈ। তাইৰ মৰমৰ বান্ধৱী ৰ'দালি, নিহা, কস্তুৰী, শেৱালী, অংকুৰ আদিৰ লগত দৌৰি, উমলি-জামলি পাৰ কৰা উমাল মুহূৰ্তবোৰলৈ... ই এক পাহৰিব নোৱাৰা স্মৃতি।

বতৰতো গোমা, ঘোপমৰা, হয়তো ৰাতিলৈ ধুমুহা আহিব পাৰে! মাকৰ ভাত ৰন্ধা শেষ হোৱাই নাই। কৃষ্ণচূড়াজোপাৰ তলত থকা চকীখনত বহি প্ৰকৃতিৰ মনোমোহা দৃশ্যৰ লগতে শৈশৱ-কৈশোৰৰ কিছু ৰোমাঞ্চকৰ দৃশ্যই তাইৰ মনটোত

দোলা দি থাকিল। শান্ত পৰিৱেশটো শেৱালিজোপাৰ মৃদু গোন্ধই আৰু মনোমোহা কৰি তুলিছে।

নিহা, ৰ'দালি, কস্তুৰী, শেৱালী গোটেইকেইজনী নিশাৰ শৈশৱৰ লগৰী। গোটেইকেইজনী একেখন গাঁৱৰে আৰু একেখন স্কুলৰ পৰাই প্ৰাথমিক আৰু মজলীয়া বৃত্তি পাইছিল। কিমান যে মিল আছিল গাঁওখনৰ মানুহবোৰৰ আৰু সিঁহতৰ কথাটো ক'বই নোৱাৰি এজনীক নেদেখিলে আনজনী থাকিবই নোৱাৰে। কিন্তু সিহঁতৰ এই মৰম তথা বন্ধুত্বৰ ওপৰত কাৰোবাৰ যেন কু-দৃষ্টি পৰিল। অষ্টমমান শ্ৰেণীত পঢ়ি থাকোতেই বাধ্যত পৰি সিহঁত এজনীৰ পৰা আনজনী পৃথক হ'বলগা হ'ল। কিয়নো নিশাৰ দেউতাক চাকৰিসূত্ৰে অন্য ঠাইলৈ বদলি হ'ল আৰু উপাযুক্ত হৈ নিশাও দেউতাকৰ লগত গুচি আহিবলগা হ'ল গুৱাহাটী চহৰলৈ। চহৰৰ বিশাল জনসমাজত গাঁৱৰ সেই শান্ত পৰিৱেশ কোনো কাৰণতে ফেৰ মাৰিবও নোৱাৰে। নিশাৰ মনত পৰে, তাইৰ বান্ধৱী তথা আপোন গাঁওখনলৈ, শৈশৱৰ হাঁহি-ধেমালিৰ মধুৰ ক্ষণবোৰলৈ...। কিন্তু বিচাৰিলেও জানো সময়ে তাক ধৰি ৰাখিব পাৰিব? সময়ৰ চাকনৈয়াত উটি-ভাহি আহি তাই বৰ্তমান সমাজৰ এগৰাকী বিশিষ্ট সমাজসেৱক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছে। তথাপি তাইক বাৰে বাৰে শৈশৱৰ দিনবোৰে বাৰুকৈয়ে জোকাৰি থৈ যায়। তাই ভাবে যে যদি সঁচাকৈয়ে আহিলহেঁতেন শৈশৱ-কৈশোৰৰ উমাল-ৰোমাঞ্চকৰ মুহূৰ্তবোৰ...! ●

# সোঁৱৰণী

(৩)

আৰামী চকীখনত বহোঁতেই অশ্ৰুমণি বৰুৱাৰ এনে লাগিল যেন বহুত কষ্ট কৰিলে তেওঁ আজি। বৰ ভাগৰুৱা অনুভৱ কৰিছে। হয়তো প্ৰেছাৰৰ কাৰণেও হ'ব পাৰে। আজি প্ৰায় এমাহমানেই হ'ল তেওঁ চিকিৎসকৰ ওচৰলৈও যোৱা নাই। আচলতে পুত্ৰ নিলয় আমেৰিকালৈ যোৱাৰে পৰা তেওঁ নিজৰ যতন ল'বলৈ সময় নোযোৱা হৈছে। সেয়ে সিও বাৰে বাৰে এই কথাষাৰ সোধাৰ পিছতো মিছাকৈ কৈ থৈছে তেওঁ। ভাবি তেওঁৰ হাঁহিয়েই উঠিল কিমানবাৰ যে সি মাকৰ খবৰ ল'বলৈ বাহানা উলিয়াই ফোন কৰে। আজিৰ দিনটোত তেওঁ এনে এটি সন্তানৰ মাতৃ হ'বলৈ পাই সুখী। আজি যদি দেউতাকো থাকিল হয়... তেওঁ যে কিমান সুখী হ'লহেঁতেন! সঁচাই, কেতিয়াবা তাইৰ এনেকুৱা লাগে সময়বোৰ ঘূৰাই আনিব পৰা হ'লে কিমান ভাল হ'লহেঁতেন।

অজানিতে তাইৰ গাঁৱৰ ঘৰখনলৈ মনত পৰি গ'ল। তাইৰ সেই ভয়লগা অতীতটোৰ একমাত্ৰ সাক্ষী সেই ঘৰখন। তাই কোনো লাঞ্ছিতা ৰমণী নাছিল। আছিল এক ধূসৰ অতীতৰ ভুক্তভোগী। মাকৰ মুখখন মনত নাই তাইৰ, কাৰো মুখত শুনাও নাই মাকৰ বিষয়ে ভালকৈ... সকলোৱে একেমুখে স্বীকাৰ কৰে তাই হেনো কোনোবা পতিতাৰ সন্তান। তাইৰ দেউতাকক সকলোৱে ঘিণ কৰে... তায়ো আজিপৰ্যন্ত নুবুজিলে কিয় সমাজখনে পতিতাসকলক হেয় জ্ঞান কৰে অথচ এই সমাজখনৰ কিছু লোক আৰু পেটৰ ভোকতে কোনোবা পতিতা হয়গৈ এদিন। দেউতাকৰ দৰে দেৱতুল্য মানুহজনক সমাজখনে ঘিণ কৰে কিয়নো তেওঁ যে এগৰাকী পতিতাক আশ্ৰয় দিলে। কেনেকুৱা যে ন্যায় আছিল সমাজখনৰ। যি সময়ত তাইক লৈ দেউতাকে এসাঁজ ভাতৰ বাবে লোকৰ ওচৰত হাত পাতিছিল আৰু তাইক দেখি সমনীয়া ল'ৰা-ছোৱালীবোৰে আঁতৰি গৈছিল, তাইৰ অবুজ মনটোৱে কিবা এটা বিচাৰি হাহাকাৰ কৰি ফুৰিছিল। বুজা হোৱাৰে পৰা নিজৰ নামটোকে তাই দোষ ধৰিছিল। দুখীয়া হ'লেও সপোন দেখুৱাবলৈ শিকাইছিল তাইক দেউতাকে। কিন্তু কেতিয়াবা

দেউতাকৰ চকুৰ পানী দেখি স্বপ্নভংগৰ দুখত তায়ো কান্দিছিল। ৰঙীন সপোনবোৰ তথাপিও তাই দেখিছিল। তাইক লৈ এদিন ওলাই আহিছিল দেউতাক আৰু আশ্রয় লৈছিলহি চহৰৰ ব্যৱসায়ী বৰুৱাৰ ঘৰত। যিখন এতিয়া তাইৰে শহুৰেকৰ ঘৰ। এটা সময়ত নিজৰ মেধাৰে উজলি উঠিছিল তাই। তাইৰ জীৱনটো গঢ়া প্রণয় বৰুৱাৰ প্রতাপী হাতখনেই এদিন তাইক বোৱাৰী কৰি আদৰিছিল। ধাৰ শুজিবলৈ স্বীকাৰ কৰিছিল এই সম্বন্ধটো, সুখী হৈছিল তাই। নিজস্ব প্রতিভাৰে কামবোৰ কৰি গৈছিল। নাৰী সবলীকৰণত নিজক আগবঢ়াইছিল। অৱশ্যে এই ক্ষেত্রত তাইৰ স্বামীও বৰ আগৰণুৱা আছিল। তায়ো সুখী হৈছিল দেউতাকৰ হাঁহি দেখি। সময়ে অগা-পিছাকৈ দেউতাক আৰু স্বামীক লৈ গৈছিল। কিন্তু যেন তাই ক'ৰবাত জয়ী হৈছিল। ভাবি থাকোঁতেই কেতিয়ানো তাইৰ চকুৰ কোণত দুটোপাল অশ্রু ওলাল গমকেই নাপালে। সঁচাকৈ কিমান যে গধুৰ আছিল সেই স্মৃতিবোৰ! ●

# সোঁৱৰণী


(৪)

বাহিৰত চিপ্‌চিপিয়া বৰষুণ, মায়ে আকৌ পাকঘৰত পকৰী বনোৱাত ব্যস্ত, ভাইটিয়ে গান শুনি আছে, ময়ো আৰামত কম্বল এখন লৈ টিভিটো লগাই লৈ ছুইচ্ অন কৰি বহিছোঁহে মাত্র। পৰ্দাত ওলাল নহয় Naaptal.com-ৰ বিজ্ঞাপন। মায়ে দৌৰি আহি ক'লে— 'চাচোন বৰ ধুনীয়া ঢাকন লগা বাচনকেইটা ইমান কম দামতে দি আছে। মই কালিৰ পৰা চাই আছোঁ, অৰ্ডাৰ কৰি দেচোন।' দেখিলোঁ ২৮টা ধুনীয়া ষ্টীলৰ ঢাকন লগা টেমা ১,৩০০ টকাত দি আছে। টিভিৰ পৰ্দাত দি থকা ম'বাইল নম্বৰটো সাউৎকৈ লৈ অৰ্ডাৰটো কৰিয়েই পেলালোঁ।

গ'ল কথা গুচিল। অৰ্ডাৰ কৰা প্রায় ২০ দিনমানৰ মূৰত দেউতাই দেওবাৰ এটাত গধূলি ঘৰলৈ Naaptal.com লিখা বাকচ এটা লৈ ঘৰ সোমালহি। আহিয়ে মাক চিঞৰ এটা মাৰিলে— 'হেৰা শুনিছানে, তোমাৰ ১,৩০০ টকা আহি পালেহি। মই খুলিলে জগৰ লাগিব নে তুমি আহিবা?' মায়েও দেউতাৰ চিঞৰ শুনিয়েই ঘৰৰ কাম তাতেই পেলাই উঠি আহিল। ঘৰৰ গোটেইকেইটা প্ৰাণী গোট খাই বাকচটোৰ ওপৰত উবুৰি দি পৰিলোঁ, বোলো টেলিভিশ্বনৰ পৰা অহা বস্তু আমিও চাওঁচোন কেনেকুৱানো? বাকচটো উলিয়াই ভাইটিৰ হাতত দি (যিহেতু আমাৰ ভাইটি কাৰ্টুন বাকচ পালেই নিজৰ ইঞ্জিনিয়াৰিঙত লাগি যায়) আমি পলিথিন পেকেটটো কাটিবলৈ বহিলোঁ। লাহে লাহে বস্তুখিনি উলিয়ালোঁ, কিন্তু উলিয়াই হোৱাৰ পিছত আমাৰ সকলোৰে মুখ মোলান পৰিল। বস্তু অহাৰ কথা আছিল ২৮টা, কিন্তু আহিল ১৪টা —সম্পূর্ণ আধা। উঠি আহিলেই নহয় টিঙিচকৈ খংটো। দেউতাই লগে লগে ম'বাইলটো উলিয়াই মোক ক'লে— 'মাজনী নম্বৰটো টুকি লৈছিলি নহয়। দেচোন মোক এতিয়াই, এজাৰণ দিওঁ মই।

মই লগে লগে নম্বৰটো দেউতাৰ হাতত দিলোঁ। দেউতাই ফোন কৰোঁতে ঘৰৰ গোটেইকেইটা সদস্যই দেউতাৰ মুখলৈ চাই ৰ'লোঁ। ফোনটো ৰখাৰ পিছত দেউতাক সুধিলোঁ যে কথাটো কি? দেউতাই তাৰ পিছত যিষাৰ কথা ক'লে শুনি আমাৰ মুখৰ মাত হেৰাল। দেউতাৰ ভাষ্যখিনি আছিল এনেধৰণৰ— 'মই যেতিয়া সুধিলোঁ যে বাচন ২৮ পিচৰ জেগাত ১৪ পিচ কিয় আহিছে, তেতিয়া গ্রাহক সেৱাৰ ছোৱালীজনীয়ে ক'লে যে, ছাৰ, বাচন দিওঁতে ভুল হোৱা নাই, ঢাকনকেইখনো জানো বাচন নহয়? বৈয়াম আছে ১৪টা ঢাকন আছে ১৪খন। বাচন কিমান হ'ল?'

আমি আটাইকেইটাই সুৰসুৰকৈ নিজৰ কামত লাগিলোঁগৈ আৰু সবেই শপত খালোঁ যে জীৱনত আৰু Naaptal.com-ক নমস্কাৰ। ●



চু. টি. গ. ল্প

# সখা দামোদৰ

**দৃষ্টি দৰ্শনা বৰুৱা**
বুৰঞ্জী বিভাগ

সি ঘৰতে কথাবোৰ জুকিয়াই লৈ আহিছে। গাঁৱৰে চৰকাৰী দালালৰ জৰিয়তে মন্ত্ৰীৰ সৈতে এবছৰে যোগাযোগৰ চেষ্টা কৰি অৱশেষত যোৱা সপ্তাহত সি যেতিয়া খবৰটো পালে যে মন্ত্ৰীজনে তাক লগ পোৱাৰ আগ্ৰহ প্ৰকাশ কৰিছে, তেতিয়াৰ পৰা অজয়ে অকলে ৰাতিয়ে-দিনে চিন্তা কৰি ক'বলগীয়া কথাবোৰ জুকিয়াই থৈছিল।


”

নিৰপত্তা বেষ্টনীৰ মাজেদি এজন হৃষ্টপুষ্ট নিৰপত্তাৰক্ষীয়ে অজয়ক বাট দেখুৱাই লৈ গ'ল। চাৰ্কিট হাউচৰ চৌহদত সেই সন্ধিয়াও অনেক লোকৰ ভিৰ। বিভিন্ন ৰঙীন আলোক সজ্জাৰে সুন্দৰ মুকলি কোঠাটোত তাক অকলে বহুৱাই থৈ নিৰপত্তাৰক্ষীজন অন্য এটা বন্ধ কোঠালৈ সোমাই গ'ল। অজয়ে তেতিয়াহে লক্ষ্য কৰিলে যে সি পিন্ধি থকা পোছাকযোৰ এজন মন্ত্ৰীৰ লগত মুখা-মুখিকৈ বহি কথা পতাৰ বাবে কোনোমতেই উপযুক্ত নহয়। অৱশ্যে সি ভালৰো ভাল পোছাকযোৰেই পিন্ধি আহিছে। পোছাকযোৰৰ বয়স হৈছে। চাৰিবছৰৰ আগতে সস্তাতে পাই এই পোছাকযোৰ সি কিনি থৈছিল। ছাৰ্টটোৰ এটা বুটাম সলনি হৈছে।

অজয়ৰ বুকুৰ ভিতৰত উখল-মাখল আৰম্ভ হৈছে। সি ঘৰতে কথাবোৰ জুকিয়াই লৈ আহিছে। গাঁৱৰে চৰকাৰী দালালৰ জৰিয়তে মন্ত্ৰীৰ সৈতে এবছৰে যোগাযোগৰ চেষ্টা কৰি অৱশেষত যোৱা সপ্তাহত সি যেতিয়া খবৰটো পালে যে মন্ত্ৰীজনে তাক লগ পোৱাৰ আগ্ৰহ প্ৰকাশ কৰিছে, তেতিয়াৰ পৰা অজয়ে অকলে ৰাতিয়ে-দিনে চিন্তা কৰি ক'বলগীয়া কথাবোৰ জুকিয়াই থৈছিল।

"ছাৰে আপোনাক মাতিছে"। একেজন নিৰাপত্তাৰক্ষীয়ে খবৰ দিলেহি। অজয় বহাৰ পৰা উঠিল। নিৰাপত্তাৰক্ষীক দেখুৱাই পকেটত লৈ অহা মধুৰীআম দুটা এবাৰ খেপিয়াই চালে আৰু নিৰাপত্তাৰক্ষীজনৰ পিছে পিছে বন্ধ কোঠাটোলৈ সোমাই গ'ল। কোঠাটোৰ উজ্বল লাইটৰ পোহৰত সি দেখা পালে এখন বিশাল চোফাত এজন হৃষ্টপুষ্ট পুৰুষ বহি আছে। তেওঁৰ দৃষ্টি দুৱাৰত নিবদ্ধ। টিভিত অজয়ে তেওঁক সদায় দেখিয়েই আছে, তথাপি কিবা যেন অপৰিচিত ! অজয়ক দেখাৰ লগে লগে তেওঁ অৰ্থাৎ মন্ত্ৰী বহাৰ পৰা থিয় হ'ল।

ইতিমধ্যে নিৰাপত্তাৰক্ষীজন ওলাই গ'ল। "আহা বৰা, মই তোমাৰ বাবেই বাট চাই আছো। আজি অন্য সকলো কাম বাদ দি মই তোমাৰ স'তেই সময়খিনি কটাম বুলি বহি আছো"।-মন্ত্ৰীয়ে ক'লে। পুনৰ ক'লে "তুমি বহুত সলনি হ'লা। ক'ৰবাত দেখা হ'লেই চিনিয়েই নাপালোহেঁতেন।" অজয়ে সংকোচ ভাৱেৰে ক'লে "আপুনি মোক চিনি পাইছে ছাৰ!" "বহাচোন, বহি লোৱা। আৰু এটা কথা, এতিয়া তুমি মই দুজন পুৰণি বন্ধু। তুমি মোক গগৈ বুলি মাতিলেহে ভাল



সি কেনেকৈ, কি কথা পাতিব উৰাদিহ নোপোৱা হ'ল। ঘৰত ভাৱি অহা একো কথাই তাৰ মনলৈ নাহিল। গগৈয়ে অজয়ক তাৰ পৰিয়াল, ঘৰ-দুৱাৰ, কৰ্মসংস্থাপন আদিৰ বিষয়ে সুধিলে। নিসংকোচে অজয়ে ক'লে যে আৰ্থিকভাৱে সি অতিকে জুৰুলা।

পাম।" মন্ত্ৰী অৰ্থাৎ গগৈৰ মুখামুখিকৈ অজয় বহিল। সি কেনেকৈ, কি কথা পাতিব উৰাদিহ নোপোৱা হ'ল। ঘৰত ভাৱি অহা একো কথাই তাৰ মনলৈ নাহিল। গগৈয়ে অজয়ক তাৰ পৰিয়াল, ঘৰ-দুৱাৰ, কৰ্মসংস্থাপন আদিৰ বিষয়ে সুধিলে। নিসংকোচে অজয়ে ক'লে যে আৰ্থিকভাৱে সি অতিকে জুৰুলা। বেচৰকাৰী স্কুলখন চৰকাৰী হোৱাৰ আশাত থাকোতেই সি অৱসৰ ল'ৱৰ হ'ল। একমাত্ৰ ল'ৰাটোৰেও টকাৰ অভাৱত পঢ়িবলৈ এৰি এটা গেৰেজত কাম শিকিছে। বিদ্যালয়ৰ শিক্ষকৰ অভিমান এৰি সি নিজেও এতিয়া বন্ধৰ ফাঁকে ফাঁকে দিন হাজিৰা কৰে। অজয়ে কথাবোৰ কৈ থাকোতে আশ্চৰ্যভাৱেৰে মন্ত্ৰী গগৈয়ে তাললৈ চাই আছিল। চকুৰ কোনদুটা যেন সেমেকি আহিব খুজিছিল। গগৈয়ে তাক সুধিলে যে কলেজত পঢ়াৰ দিনত সকলোতে আগবঢ়া ছাত্ৰ বুলি নাম থকা অজয়ৰ এই পৰিণতি কিয় হ'ল ? "তুমিতো প্ৰথম শ্ৰেণী লৈয়েই পাছ কৰিছিলা, চাকৰি এটা যোগাৰ ন'হলনে? মই সেই বছৰেই ৰাজনীতিত যোগ দি ঘৰ এৰি ওলাই অহাৰ কথা তুমি জানাই ছাগে।" অজয়ে গগৈলে চালে। তাৰ মনত পৰিল পঢ়া শুনাত একেবাৰেই কেঁচা এই গগৈ কোনো দিনেই ভাল ছাত্ৰ হ'ব পৰা নাছিল। পৰীক্ষাৰ সময়ত হোষ্টেলৰ ৰুমে ৰুমে ঘূৰি সকলোকে কেৱল এটা কথাই কৈছিল, "তোমালোকেই মানুহ হোৱা, মই গাধা যি গাধা সৈয়েই থাকিম।" কিন্তু এটা সংগঠনৰ জৰিয়তে এক বিশেষ ৰাজনৈতিক দলৰ সংস্পৰ্শলৈ অহা গগৈ এনেকৈ যে এদিন চতুৰ ৰাজনীতিক আৰু মন্ত্ৰী হ'ব অজয়হঁতে কোনোদিনে ভৰা নাছিল। হোষ্টেলৰ একেটা কোঠাতে তিনিবছৰৰ সহোদৰৰ দৰে কটোৱা সিঁহত দুয়োৰে দিনবোৰলৈ অজয়ৰ মনত পৰিল। এবাৰ গগৈৰ তেজৰ প্ৰয়োজন হোৱাত অজয়ে নিজৰ তেজ দি বন্ধুৰ জীৱন ৰক্ষা কৰিছিল। অভিন্ন হৃদয়ৰ বন্ধু গগৈক হোষ্টেলত এৰি যোৱাৰ পাছৰ পৰা যি সমস্যা জৰ্জৰ জীৱনৰ মাজত অজয় সোমাই পৰিল, তাৰ পৰা উলাই অহা সকলো পথ ৰুদ্ধ হৈ গ'ল । আজি যে কিমান বছৰৰ মূৰত তাৰ বন্ধুৰ দৰ্শন হৈছে ! জীৱন পৰিক্ৰমাৰ অনেক কথাই গগৈয়ে কৈ গ'ল। "তোমাৰ সৈতে আৰু বহুত কথা পাতিম। মন্ত্ৰী হৈ সাধাৰণ মানুহৰ জীৱনটো হেৰুৱাই ময়ো সুখত আছো বুলি তুমি নাভাৱিবা। মোৰোতো মানুহ হ'বৰ মন যায়। কাৰ সৈতে প্ৰাণ খুলি কথা পাতো? সকলোৰে দূৰত্ব বজাই ৰাখিবলগীয়া হয়। তুমি মোক এতিয়াও তোমাৰ ৰুমমেট গগৈ বুলি ভাৱিব পৰা নাইনে ?"— গগৈয়ে অজয়ৰ দুহাত নিজৰ দুহাতৰ মাজত ল'লে। অজয়ৰ আনন্দাশ্ৰু নিগৰি আহিল। সি যেন সঁচাকৈ তাৰ সুহৃদ গগৈক পাই গ'ল ! পকেটৰ মধুৰী আম দুটা সি টেবুলত থ'লে। "মোলৈ আনিছা নে ? ইমান সময়ে কিয় দিয়া নাছিলা ? আজি কিমান দিনৰ মূৰত এটা আপোন মানুহে দিয়া মধুৰীআম খাম। এটা তুমি খোৱা"— গগৈয়ে আগবঢ়াই দিলে। গগৈৰ কথামতেই অজয়ে ঘৰলৈ খবৰ পঠিয়ালে যে সেইদিনা ৰাতি সি চাৰ্কিট হাউচতে থাকিব। ৰাজকীয় নৈশ ভোজৰ পাছত গগৈয়ে জানিব বিচৰাত অজয়ে তাৰ সমস্যাবোৰ সামান্য পৰিমানে দাঙি ধৰিলে। কিন্তু তাৰ নিজৰ বাবে কিবা এটা সহায় কৰাৰ অনুৰোধ নকৰিলে। সি ক'লে মোতকৈয়ো বহুতো কষ্টত বহুতে জীৱন কটাইছে। তুমি পাৰিলে এই শিক্ষকসকলৰ মৰ্মবেদনা উপলব্ধি কৰা। তুমি যিহেতু সেই বিভাগৰে মন্ত্ৰী, মই সকলোৰে হৈ তোমাক অনুৰোধ জনাব নোৱাৰোনে?" গগৈয়ে কিবা এটা চিন্তা কৰিলে আৰু বহাৰ পৰা উঠি গৈ কোনোবা এজনক ফোনত হুকুম দিলে, "...সেই ফাইলটো মই কালিলৈ পাব লাগিব।...আপুনি মন্ত্ৰী নে মই মন্ত্ৰী? দুদিনৰ ভিতৰত কাম শেষ কৰক।" স্মিত এটা হাঁহিৰে গগৈয়ে অজয়লৈ চালে। তেনেতে বাহিৰৰ পৰা কোনোবাই মাত দিলে—"অ' বৰা, বৰা।" চকু দুটা মেলিয়েই অজয়ে দেখা পালে বাঁহৰ বেৰৰ জলঙাই দি তাৰ বিচনাখনত এচমকা ৰ'দ পৰিছে।

"গৈছো ৰ'ব।" বুলি কৈয়ে সি বাহিৰলৈ ওলাই গ'ল।

Short Story

# The tuition master



**Namasya S Khandayatray**
Dept. of English

In one of the remote corners of Assam, there lived a boy named Rakesh. Although, he was from a poor family, they lived a happy life. His mother was a homemaker and his father, a labourer, strived hard for the welfare of his family. Rakesh's father had always dreamt of Rakesh to be a successful person. He had put all his efforts to provide Rakesh with every possible education that he could afford. Rakesh's mother would always teach him to toil hard in order to become a successful person. It was from the very beginning of Rakesh's life which made him realize that if he could successfully complete his education with good grades, he could easily find a good job which ultimately would engender his family to ameliorate from the present conditions.

Rakesh was a diligent and industrious boy. He left no stones unturned to reach his goal. While pursuing his education he used to gather pupils from his neighbourhood to provide them with tuition classes. This made him earn a few extra bucks for his family. Soon, he came up with flying colours (education) and got a reputed job in one of the leading MNCs. He shifted his family to the city where he had got the job. Life was all high and mighty with Rakesh and his family. Everyone was at bliss. Rakesh met many new faces in his workplace and befriended many of them.

Rakesh enjoyed the company of his friends as it was all very new to him. It was a matter of time he trudged in the untrodden path which he shouldn't have taken. He was in the clutches of a nefarious company. This made Rakesh go astray in his path and soon he became a victim of both drugs and gambling. Rakesh made huge losses. Yet he marched ahead with his run for a catch. In a short time, he was all bankrupt. He started borrowing money from his peers to clear his debt. This ruined him and his family as they were reduced to penury. Both of Rakesh's ageing parents

pondered around the streets in search of petty jobs so that they could recompense the losses caused by their son and sustain the family. Rakesh's mother started working as a maid in different houses and his father was back as a labourer doing all sorts of physical labour.

Rakesh saw the painstaking efforts taken up by his parents, and was shamed to death. He felt ashamed of himself and was unable to face his parents. He thought, 'All their life, my parents slogged to bring me up just for nothing.' It was a devastating setback for Rakesh and inspired him to work harder. He came up with a simple idea. He thought of starting tutoring classes in his neighbourhood in his spare hours after finishing his work in the company. Since he was studious guy in his academics, he made a very good tutor of himself. He could earn a few extra bucks. Initially, it was all very hectic for Rakesh but he had learnt a lesson. He poured in all his efforts and endeavoured to elevate his family from destitution.

Soon the good word of mouth of Rakesh's excellence in tutoring spread. His tuition classes started gathering name and fame. Students liked his classes. For every new student there would be a few demo classes. Only if the newcomers found the demo classes satisfactory, they could join the class. Rakesh was flocked by a huge number of pupils. Be it a studious one or a weak one, Rakesh got the best out of them. His popularity touched heights. Within a couple of months Rakesh repaid all his debts. He and his parents could see the outcomes of his efforts. They no longer had to do the petty jobs as their son had redeemed the family stature. Rakesh widely came to be known as 'The Tuition Master'. Soon he quit his job in the MNC and started devoting all his time tutoring students. He officially started his own coaching centre. He named it 'The Tuition Master'. It was a tremendous success. It was but for the indebting struggles ventured by his parents which proved to be an eye-opening experience for Rakesh. This turned him into an emerging entrepreneur. He started a chain of coaching centres and became widely recognized as 'The Tuition Master'.

# *Patient always pays*

***Parboti Das***
*Dept. of English*

*Once a queen wanted to appoint someone as her personal assistant. Many womens were gathered in the palace.*

*The queen led them to the pond and said 'Anyone who fills the pond's water in this pot will be chosen for the post. But I must tell you that there is a hole in the pot.'*

*Most of the women left without even trying. Some people tried once and then left.But one woman kept filling the pot with pond water patiently. She filled the pond water in the pot and kept it on the ground, the water dropped out on the ground completely. She tried many times but in vain. At last the pond was empty. The woman found a diamond ring in the empty pond and gave it to the queen.*

*The queen said, ' keep the ring with you. This is the reward of your patience and hardwork. You are also appointed as my personal assistant.'*

*Thus it is very well said that patience always pays.*



# পাগলী

**ৰিছা ফুকন**
ৰসায়ন বিজ্ঞান বিভাগ

ধৰ্ষিতা ৰহিমলাৰ পুনৰবাৰ ধৰ্ষিতাৰ বদনামে মনত বেয়াকৈ আঘাত দিলে। কঠিন অস্ত্ৰোপচাৰেও বিসংগতি সম্পূৰ্ণৰূপে নিৰাময় কৰিব নোৱাৰিলে। শেষত উপায়হীন হৈ ৰহিমলাৰ মাকে তাইক ঘৰলৈ ওভতাই আনিলে। তেতিয়াৰ পৰাই ৰহিমলা অৱহেলিতা, নিষ্পেষিতা হৈ পৰিছিল। কিছুদিন পিছত তাইৰ ঠিকনা হৈছিল বাছ আস্থান, ৰে'ল ষ্টেচন, দোকানৰ বাৰাণ্ডা নহ'লে কোনো এখন জংঘলৰ মাজ ইত্যাদি।

'ঐ পাগলী আহিল, ৰহিমলা আহিল।'

'চা, চা তাইৰ ব্লাউজটোৰ চিলনী এৰাই আছে।'

'হাঃ হাঃ বস্তুটো বেয়া নাছিল কিন্তু দেই।'

তিনিআলিত আড্ডা মাৰি থকা ল'ৰাকেইজনৰ পৰা উফৰি আহিছিল শব্দবোৰ, হয়তো কোনো এজনৰ মনলৈ অলপ সময়ৰ বাবেও অহা নাছিল যে দুফালে দুডাল বেণী গোঁঠা নৈৰ পাৰত কঁহুৱাৰ লগত লুকাভাকু খেলা কণমানিয়েই আগৰ ৰহিমলাজনী। ঠিক আপুনি নহ'লে মই —কাৰোবাৰ ভণ্টীৰ দৰে।●

# ভোক

**ৰিছা ফুকন**
ৰসায়ন বিজ্ঞান বিভাগ

'কবিতাটোৰ কবি কোন তৃতীয় বেঞ্চৰ প্ৰবালে ক।'

'নোৱাৰো ছাৰ।'

ইমান এটা সহজ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰাত প্ৰবালৰ ওপৰত তৰুণ মাষ্টৰৰ বিৰাট খং উঠিল। প্ৰবালক দুকোব দিবলৈ মাষ্টৰৰ মন গ'ল। স্কেলপাট হাতত তুলি লৈও তেখেত থমকি ৰ'ল। পুষ্টিহীনতাত ভোগা মলিন মুখ আৰু মলিন পোছাক পৰিধান কৰা ছাত্ৰজনে হয়তো আজিও পুৰা খালী পেটেৰেই স্কুললৈ আহিছে। ছাত্ৰজনৰ প্ৰতি মাষ্টৰৰ বুকুত প্ৰবল অনুকম্পাৰ সৃষ্টি হ'ল। মধ্যাহ্ন ভোজনৰ ভাতসাঁজৰ প্ৰতিয়ে তাৰ কিমান হেঁপাহ। দুপৰীয়াও হ'ল। ভাতসাঁজো তৃপ্তিৰে খালে। প্ৰবালৰ মুখত এটি সুখৰ হাঁহি।●

# সপোন

**ৰিছা ফুকন**
ৰসায়ন বিজ্ঞান বিভাগ

ভোগদৈগুৰি পথাৰত আজি হাঁহিৰ খলকনি উঠিছে। ধনী-দুখীয়া সকলোৱে মিলি-জুলি উৰুকাৰ ভোজৰ আয়োজন কৰিছে। পথাৰৰ মাটিত শুকান নৰা কাটি সকলো বহাৰ ব্যৱস্থা কৰিছে। কাষতে আকৌ শুকান নৰাৰেই ডেকাসকলে ভেলাঘৰ আৰু মেজি সাজিছে।

বহুত দিনৰ মূৰত ভদেশ্বৰীহঁতৰ দৰে ভোগদৈ গাঁৱৰ দুখীয়া পৰিয়ালকেইটায়ো মাছে-মঙহে এসাঁজ সুখেৰে খাবলৈ পাব। ল'ৰা-ছোৱালীকেইটায়ো এসাঁজ সপোনৰ ভাত হেঁপাহেৰে খাব।●

# বোজা

**আছিফা শ্বামচি**
ৰাজনীতি বিজ্ঞান বিভাগ



বোজাটো সি দাঙিবই পৰা নাই। পিঠিত কোনোমতে কঢ়িয়াই লৈ গৈছে। ওচৰেদি দামী দামী গাড়ীবোৰ পাৰ হৈ গৈছে। সিহঁতৰ কি আৰাম! —সি মনতে ভাবিলে। তাৰ নিজকে পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া যেন লাগিল। কণা বিধাতাই অকল তাকহে দেখে। ওহ্... বোজাটো এতিয়া আৰু বেছিহে গধূৰ লাগিছে। সৌৱা দেখোন আৰু এজন মানুহ বোজা পিঠিত লৈ এইফালেই আহি আছে। মানুহজন লাহে লাহে ওচৰ পালেহি। পিঠিত তাৰ বোজা নহয়, কুঁজহে।●

# নিয়ম

**ছাফিয়া গগৈ**
পদাৰ্থ বিজ্ঞান বিভাগ

তাইক অনামিকা আঙুলিৰে যি সেন্দূৰ পিন্ধোৱাৰ দিনা সমাজে গম পোৱা নাছিল, আজি সেইখন সমাজৰ আগতে তাইৰ সেন্দূৰ মচা হ'ল। মাথোঁ এইবাৰ হাতৰ অনামিকা আঙুলিৰ সলনি ব্যৱহাৰ হ'ল তাৰ ভৰিৰ বুঢ়া আঙুলিহে।●

# যন্ত্ৰণা



**ৰিকৃষ্ণা এছ বৰা**
ৰসায়ন বিজ্ঞান বিভাগ

গিৰিয়েকৰ শ্ৰাদ্ধ হৈ যোৱাৰ পাছতো মালতীয়ে নকন্দা বিষয়টোৱেই গাঁৱত সকলোৱে মুখে মুখে চৰ্চা হৈ আছে এইকেইদিন। কোনে বুজিব যোৱা পোন্ধৰ বছৰে শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন কৰি তাইৰ চকুৰ পানীকণো স্বামীয়ে নোহোৱা কৰি গৈছে। ●

# সম্ভাৱ্য

**বিজয়লক্ষ্মী দুৰৰা**
ৰসায়ন বিজ্ঞান বিভাগ

চাৰিআলিৰ চুকত বহি থকা পাচলি বেপাৰী ভোলা কাইটিয়ে ভাবে, 'সাঁজ লগাৰ আগলৈকে বৰযুণজাক নাহিলেই হয়।' একমাত্ৰ জীয়ৰীৰ 'ফৰমাইচ' পূৰ কৰি 'ডিলাইট ৰেস্তোৰাঁ'ৰ পৰা ব্ৰেগুড সাজেৰে ওলাই অহাজনে ভাবে, 'বৰযুণজাক আহিলেই ভাল, পাচলিখিনি সস্তাতে পাই যাম।' ●

# শাস্তি

**চৈয়দা পাৰবিন চুলতানা**
ৰাজনীতি বিজ্ঞান বিভাগ

এদিনাখন এজন মানুহে বজাৰত শাক-পাচলি কিনি আছিল। এনেতে চুৰিদাৰ পিন্ধি থকা এগৰাকী মহিলাই দোকানীজনক আলুৰ দাম কিমান বুলি সোধাত দোকানীজনে ত্ৰিছ টকা কেজি বুলি ক'লে।

মহিলা ঃ দাদা আলু মিঠাটো নহয় নে?

দোকানী ঃ নহয় বাইদেউ, আলু মিঠা নহয়।

মহিলা ঃ দাদা সঁচাকৈ মিঠা নোলায়তো?

দোকানী ঃ এহ, ইমানবোৰ আলুৰ ভিতৰত দুই-এটাতো ওলাব পাৰেই। তাতে কি হ'বনো? —এইবুলি কৈ দোকানীজনে মিচিকিয়াই হাঁহিলে। তেতিয়া মহিলাগৰাকীয়ে একাষে লৈ থকা চুৰ্ণিখন পৰি গ'ল আৰু তেতিয়া মানুহজনে মহিলাগৰাকীৰ হাতখন জুইত পোৰাৰ দৰে হৈ থকা দেখি থৰ লাগি চাই থাকিল।


মহিলা ঃ দাদা, তাতে বহুত কিবা আহে যায়। কালি চব্‌জিত অলপ নিমখ বেছি হৈ গৈছিল।●

# অব্যক্ত বেদনা

**কৰিশ্মা বৰুৱা**
প্ৰাণী বিজ্ঞান বিভাগ

ৰিপ'ৰ্টটো পোৱাৰ পৰা কলংকিনী হৈ পৰিল তাই। মাক-দেউতাকৰ অকথ্য গালি, ঘৰখনৰ হেনো সন্মান হানি হ'ল তাইৰ বাবে। ৰাস্তাৰে যোৱা মানুহৰ পৰা আদি কৰি গাঁওখনৰ ডেকা-গাভৰু, বুঢ়া- মেথা সকলোৰে আঁৰ চকুৰ চাৱনি। কিন্তু কৰিলে কি তাই? কি ভুলৰ বাবে ইমান শাস্তি... বাঢ়ি অহা তলপেটটোৰ বাবে... কিন্তু এয়াতো একো নোহোৱা-নোপজা কথা নহয়। প্ৰকৃতিৰ সত্যহে। সিহঁতৰ মৰমৰ প্ৰতীক সেয়া। তাই নোৱাৰে ভাবিব নিষ্পাপটোৰ হত্যাৰ কথা। সি নাই বুলিয়েই কি আজি সেয়া অবৈধ হৈ যাব। বাৰে বাৰে কোৱাৰ পাছতো কোনেও শুনিব নোখোজে তাইৰ কথা। অন্ততঃ মাকেতো বুজিব লাগিছিল। ঘৰখনৰ অমতত হ'লেও অগ্নিক সাক্ষী কৰিয়েই সিহঁতে আশাৰ বালিঘৰ সাজিছিল। কিন্তু সেই নিশাটোৰ পাছৰে পৰা সকলো শেষ হৈ গ'ল। বৰ নিদাৰুণভাৱে তাক মাৰি পেলালে অ' সিহঁতে... তাইৰ সন্মুখতে। বেলেগ জাতিৰ হোৱাটোৱেই কাল হ'ল তাৰ। তাৰ পাছৰে পৰা আপোনবোৰেই তাইক কলংক ৰূপেৰে নামকৰণ কৰি দিলে। অব্যক্ত বেদনাৰ এটা ভয়ংকৰ অতীতৰ একমাত্ৰ সাক্ষী হৈ জীয়াই জীয়ায়ো মৃত তাই আজি।●

# জুয়ে পোৰা সোণ



**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ

'মানুহজনে ছোৱালীজনীৰ বুকুত জুই একুৰা দি গ'ল।' তাইক দেখি সম্বন্ধীয় পেহীয়েকগৰাকী ইচ্-ইচাই উঠিল। হাঁহি এটা মাৰি তাই পেহীয়েকলৈ চালে, বুজাই কোৱাৰ প্ৰয়োজন নহ'ল, তাই যে সেই জুইতে পুৰি সোণ হ'ল। তাইৰ মুখখনৰ লগতে হাতত থকা ট্ৰফীটোৰ উজ্জ্বলতাই সকলো কৈ গৈছিল ইতিমধ্যে।●

# সংস্কাৰ





কল্যাণী দত্ত
**গণিত বিভাগ**

মিষ্টাৰ শইকীয়া এজন সমাজৰ বাবে কাম কৰা শ্ৰদ্ধেয় সমাজকৰ্মী। এখন গণ্য-মান্য মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহত তেওঁক শিশু শ্ৰমিকৰ বিষয়ে ক'বলৈ নিৰ্দিষ্ট বক্তা মাতিছে। তাৰবাবে বক্তৃতা প্ৰস্তুত কৰাৰ মাজতে বন কৰা ন বছৰীয়া কন্যাক চাই একাপ দিবলৈ চিঞৰিলে। ●

# Holi

**Namasya S Khandayatray**
Dept. of English

With he vibrant colors of Holi, his face was covered, beside his team of barefoot skinny boys. Running around and asking for colors and then coloring each other was giving him the most immensely desired pleasure.

As soon as Radhika Sharma's car halted and she came out of her back seat wearing a white salwar with colorful dupatta, he grabbed the colors and hued her pink. And yelled, 'Happy Holi Madam Ji'! Radhika smiled and wished him back. He ran merrily in the gully, coloring all who came in his way. His 'Happy Holi' seemed to elate the entire town. But nobody knew that the boy behind the colored face was Mohammad Razzed Ali: a Muslim. ●

# আত্মিক

**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ

বায়েকজনী ঘৰত থকাকেইদিন টিভিৰ ৰিম'টটোৰ পৰা নাৰিকলৰ লাডুটোৰো ডাঙৰ-সৰু বাছ-বিচাৰ কৰি কাজিয়া লাগি থকা ভায়েকে প্ৰায়ে খঙতে কৈ উঠে, 'হেই এইজনী ঘৰত নথকাই ভাল। তই হোষ্টেলত থকাকেইদিন কি বিন্দাছহুহু খুচীমতে টিভি চাব পাৰোঁ, চব বস্তু বেছি বেছিকৈ খাব পাৰোঁ, ৰাতি কম্বলখনো আৰামত ল'ব পাৰোঁ। হুঁহ... যাবিগৈ সোনকালে আৰু বন্ধ এটা পালেই দৌৰি গুচি অহাটো কমাবি...।'

হঠাৎ এদিনীয়াকৈ হ'লেও বন্ধ এটা পাই ঘৰৰ মানুহক 'ছাৰপ্ৰাইজ' দিম বুলি কাকো নজনোৱাকৈ আনদিনাতকৈ অলপ সোনকালেই ঘৰলৈ অহা বায়েকে আগফালৰ কোঠাটোৰ পৰাই পাকঘৰত ভায়েকে মাকক কোৱা শুনিলে— 'মা, ঢেঁকীয়া ভাজি ইমানেই আছে ন? এইকণ থৈয়ে দিয়া... কাইলৈ বন্ধ পৰিছে নহয়, এইজনী ওলাবহি চাগে...।' ●

# পুৰস্কাৰ

**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ

সদৌ অসম ভিত্তিত অনুষ্ঠিত প্ৰৱন্ধ প্ৰতিযোগিতাত চলিহাৰ জীয়েক অংকিতাৰ প্ৰথম স্থান লাভ কৰা প্ৰবন্ধটো আজি বাতৰি কাকতত ওলাইছে। পুৰস্কাৰ আনিবলৈ কাইলৈ সপৰিয়ালে গুৱাহাটীলৈ যাব। গোটেই ঘৰখনত আনন্দৰ সীমা নাই। কণমাইৰ জীয়েক মালাৰ আকৌ পঢ়া-লিখাত বৰ হেঁপাহ... সেয়ে কণমায়ে মালাই আৰু অলপ শিকক বুলিয়েই মালিকনী বাইদেউৰ পৰা কাকতখন এদিনৰ বাবে খুজি আনি তাইৰ হাতত দিছিল। মালাই কাকতখনৰ প্ৰতি বিশেষ গুৰুত্ব নিদি খাটখনতে পেলাই থৈ আঁতৰি আহিছিল। পোন্ধৰ দিনমান আগতে ক'ৰবাত পোৱা কিবা পুৰস্কাৰৰ টকাৰে আনিছোঁ বুলি কোৱা দেউতাকৰ ঔষধকেইটা খুৱাবলৈ পাকঘৰৰ পৰা পানী গিলাচ লৈ মালা ওলাই অহালৈ কণমায়ে দেখিছিল... খাটখনত ভাঁজে ভাঁজে জাপি থোৱাৰ চিন থকা আৰু এখন কাগজ, য'ৰ আখৰবোৰ... শব্দবোৰ... শাৰীবোৰ বাতৰি কাকতৰ প্ৰৱন্ধটোৰ লগত সম্পূৰ্ণ মিল আছিল, কেৱল তলৰ নাম আৰু তাৰিখটোৰ বাহিৰে...।●

# শ্ৰমৰ মূল্য

**এমী মেহজাফী হুছেইন**
সহকাৰী অধ্যাপিকা, হিন্দী বিভাগ

কামৰ শেষত জানকীয়ে জোখতকৈ বেছি পইচা দিয়া দেখি আচৰিত হ'ল। হিচাপৰ পইচা লৈ বাকীখিনি মালিকক ঘূৰাই দিওঁতে — মৰমতে দিছো। লৈ যা, ল'ৰা-ছোৱালীক কিবা কিনি দিবি। মালিকৰ অযথা মৰমৰ কাৰণ ভালকৈ বুজিলে জানকীয়ে। সেই লেতেৰা চাৰনিটো তাইৰ জ্বলন্ত চাৱনিয়ে পলকতে ভস্ম কৰি দিলে — দুখীয়াৰ পেট, হাৰামৰ কামাই হজম কৰিব নোৱাৰে বাবু। মেহনতৰ পইচা আঁচলত বান্ধি লৈ তাই সন্তোষেৰে ওলাই গ'ল। জানকীয়ে ঘূৰাই দিয়া পইচাখিনি চুবলৈ লাজ লাগিল মালিকৰ।●

# সুখৰ সপোন

অনেক ৰকমৰ খোৱাবস্তুৰে ঘৰখন ভৰি পৰিছে। সোণমণিয়ে এফালৰ পৰা সকলোবোৰ খাই গৈছে। আহ্! কি যে সোৱাদ...!

ভোকতে টোপনি যোৱা ল'ৰাটোলৈ চাই মাক নিৰুৱে হুমুনিয়াহ কাঢ়িলে। সাৰ পাই মাকৰ হাতখনত ধৰি সোণমণিয়ে ক'লে — অ' মা, এইবোৰ পানী নহৈ যদি খোৱাবস্তু হ'লহেঁতেন তেতিয়া মই এগাল খালোহেঁতেন...খায়েই থাকিলোহেঁতেন...!

শোকত ভাগি পৰা নিৰুৱে সোণমণিক সাৱতি হুকহুকাই কান্দিলে। চকুপানীবোৰ বানৰ পানীৰে সৈতে একাকাৰ হৈ গ'ল। কিন্তু সোণমণিৰ উজ্জ্বল দুচকুৱে কিবা বিচাৰি হেঁপাহেৰে বহু দূৰলৈ চাই থাকিল। ●


# আমৈপুৰাণ ঃ ১

**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ

বহু বছৰৰ পিছত লগপোৱা মাৰ স্কুলীয়া বান্ধৱী এগৰাকী আমাৰ ঘৰলৈ আহিছিল। তেওঁৰ স্বামী মোৰ তাৰৈ বোলে আমাৰ ঠাইডোখৰলৈকে বদলি হৈ আহিছে। মা আৰু বান্ধৱীয়ে বহু বছৰৰ পিছত লগ পাই আনন্দতে ক'বই নোৱাৰে। কথাৰ মাজতে তেওঁ আমাৰ মাক ক'লে বোলে, 'অ'ই, তইচোন প্ৰায় বয়সিয়ালজনীয়েই হ'লি। ঘৰতো মেখেলা চাদৰযোৰ পিন্ধি আছ। বেলেগবোৰ বাৰু নকওঁ, চুৰিদাৰ বা নাইটি এটাকে দেখোন আনি ল'ব পাৰ। আৰু তোৰতো চাকৰিও আছে... মেখেলা-চাদৰযোৰেৰে কেনেকৈ লেকেটা কাঢ়ি ফুৰ?' তেনেতে মই গৈ ওলোৱাত মায়ে মোক ক'লে, 'চাচোন... এয়া আমুক আমৈ। আমি স্কুলত একেলগে...।' 'আমৈ!! আমৈ বুলি নক'বা দেই... বৰ বুঢ়ী বুঢ়ী লাগে হে।' সেই সময়ত মাৰ মুখৰ প্ৰতিক্ৰিয়া মই ঠিকেই বুজি উঠিছিলোঁ। আমৈ অ' ক্ষমিব... আণ্টিয়ে কিন্তু একেলেথাৰিয়ে গাই গৈছিল, 'তোৰ ছোৱালী আৰু মোৰ ল'ৰা একেই যুৰীয়াই হ'ব। আমাৰটো আকৌ সৰুৰে পৰা বাহিৰত থকা যে এই মানুহ-দুনুহ বা আলহী-অতিথিৰ ঘৰলৈ অহা-যোৱাবোৰ বৰ ভাল নাপায়। এতিয়াও তহঁতৰ গেটৰ মুখতে মোক নমাই কৈ গৈছে বোলে মা... যাবৰ হ'লে মাতি দিবা।' মই আকৌ ভাবিলোঁ, আও... এইজন পুতেক নে ড্ৰাইভাৰতকৈও ওপৰত কিবা!! আমাৰ দেখোন ডাঙৰ পেহীহঁত কেতিয়াবা এবেলালৈ আহিলেও তেওঁলোকৰ ড্ৰাইভাৰ প্ৰদীপ খুৰায়ো লগে-ভাগে এসাঁজ খাইহে যায়। যেন ঘৰৰে মানুহ...। বাৰু যিয়ে নহওক... মায়ে মোৰ মুখৰ প্ৰতিক্ৰিয়াতে সকলো বুজি উঠিল আৰু কথা নাবাঢ়ক বুলি লৰালৰিকৈ খোৱা-বোৱাৰ যোগাৰতে লগাই ৰাখিলে মোক।

বাৰু যিয়ে নহওক... মায়ে মোৰ মুখৰ প্ৰতিক্ৰিয়াতে সকলো বুজি উঠিল আৰু কথা নাবাঢ়ক বুলি লৰালৰিকৈ খোৱা-বোৱাৰ যোগাৰতে লগাই ৰাখিলে মোক।

আমাৰ মাৰ আকৌ পুৰণিকলীয়া 'আউটডেটেড্' (!) অভ্যাস এটা আছে। ঘৰলৈ কোনোবা আপোন মানুহ আহিলে যাবৰ পৰত আন নহ'লেও বাৰীৰে শাক-পাত কিবা এটাকে দি পঠিয়ায়। আজিও সেই পুৰণি গাঁৱলীয়া অভ্যাসতে বাৰীৰ পৰা কচু শাক কেইডালমানৰ লগতে কণবিলাহী দুটামান বান্ধৱীলৈ আগবঢ়াইছিল। বাৰীত সোমোৱা মাক দেখি আমৈ (?) হতবাক, 'আৰে স্বপ্না... তহঁত দুইটাই চাকৰি কৰাৰ পিছতো খেতি-খোলাটো লাগ?? কচু শাক খাই মই ভালেই পাওঁ বাৰু, কিন্তু ইহঁতে বা খায়নে নাখায়? তাতে আজি সময়টোও ভাল নহ'ল... এতিয়াতো ৰাতিখন কচু বনাই খাব নোৱাৰি... আৰু কাইলৈও মঙলবাৰ। মঙলবাৰেও কচু খাব নাপায় যে...' মই বোলো আও!! আধুনিকা আমৈৰ মুখত এয়া কি অমৃত বচন!!



# আমৈপুৰাণ ঃ ২

সেইদিনা আমাৰ ঘৰৰ পৰা যোৱাৰ প্ৰায় দুমাহমানৰ পিছত মই এদিন হঠাৎ আমৈক লগ পালোঁ বজাৰত। মায়ে অৱশ্যে দুবাৰমান লগ পাইছিল। আমি আমাৰ প্ৰয়োজনীয় কাপোৰ-কানিবোৰ প্ৰায় ইয়াৰ পৰাই লওঁ বুলি আমাৰ মায়েই তেওঁক এই দোকানখন চিনাকি কৰি দিছিল। আজি তাতে তেওঁক দেখি মাত লগাবলৈ লওঁতেই মনলৈ আহিল প্ৰথমবাৰ আমৈ বুলি মাতোঁতে কোৱা কথাষাৰ। সেয়ে তেওঁৰ নিজকে বুঢ়ী যেন নালাগক বুলিয়েই মাতিলোঁ, 'আণ্টি...'। তেওঁ বৰ ধুনীয়াকৈ হাঁহি এটাৰে প্ৰত্যুত্তৰ দিলে, 'অ' তুমি। ভালনে? কিবা কামত আহিছা?' (মোৰ ভাব হ'ল, আমৈ বোলাহেঁতেন ছাগে এইটি হাঁহিৰে প্ৰত্যুত্তৰ নিদিলেহেঁতেন) ময়ো ক'লোঁ, 'হয়, দৰকাৰী বস্তু দুটামান ল'বলৈ আছিল।' মোক বিশেষ সুধিবলৈ সুযোগ নিদিয়াকৈ নিজেই কৈ গ'ল, 'অ' কাপোৰৰ দোকানলৈ আহিছা যেতিয়া কাপোৰেই কিনিবা আৰু। মই আকৌ নিজলৈ কাপোৰ এইবোৰৰ পৰা নিকিনো। আজি ঘৰৰ ড্ৰাইভাৰজনৰ জীয়েকৰ বিয়া। এনেই এনেবোৰ বিয়ালৈ যাবলৈ ইচ্ছা নাযায়... কিন্তু সি বৰকৈ ধৰাতহে...। তাক আকৌ দৰকাৰ হৈয়ে থাকে নহয় আমাৰ। সেয়ে বোলো ইয়াৰ পৰাই কিবা এটা লৈ যাওঁ... সিহঁতৰ নো গিফট্ৰ কি কথা আছে...।' কথাষাৰ শুনিয়েই আকৌ মোৰ আমৈয়ে আমাৰ ঘৰত মাক কোৱা কথা এষাৰহে মনলৈ আহিল। তেওঁ কৈছিল, 'জানানে স্বপ্না... আমাৰ লগৰ জিণ্টিৰ জীয়েকক বিয়া দিলে নহয়। বিয়াৰ পিছত আহিছিল মোৰ ওচৰলৈ। মানৰ নামত মোক যিযোৰহে কাপোৰ দিলে...তাতকৈ নিদিয়াই ভাল আছিল পায়। মইনো সিহঁতৰ কাপোৰলৈ ৰৈ আছোঁ নে?' কথাষাৰ মনত পৰাৰ লগে লগে মোৰ ফটামুখে আকৌ কৈয়ে পেলালে নহয়, বোলো আমৈ, আজি আপোনাৰ উপহাৰটো পোৱাৰ পিছত কইনাৰ মাকেও আপোনাৰ কথা আপুনি জিণ্টি মাহীৰ জীয়েকৰ বিষয়ে আমাৰ মাৰ আগত কোৱাৰ দৰে আনৰ আগত কৈ ফুৰিব পাৰিব। নহয় নে? কথাষাৰ শুনি মুখৰ বৰণ সলনি হোৱা আমৈৰ চকুয়েদি জুই বৰষা হেন পৰিস্থিতি সৃষ্টি হোৱাৰ আগতেই মই যেনে-তেনে সেই ঠাইৰ পৰা আঁতৰিলোঁ। তাৰ পিছৰে পৰা বোলে আমৈৰ মুখৰ পৰা এইষাৰ নুগুচাই হ'ল, 'আমাৰ এই স্বপ্নাৰ জীয়েকজনী বৰ পাতল। মানুহক কথা ক'বই নাজানে... য'তে-ত'তে যি-টি কৈ দিয়ে। যিমান হ'লেও ছোৱালী মানুহ... অলপ গহীন-গম্ভীৰ হ'ব লাগে...।'

'জানানে স্বপ্না... আমাৰ লগৰ জিণ্টিৰ জীয়েকক বিয়া দিলে নহয়। বিয়াৰ পিছত আহিছিল মোৰ ওচৰলৈ। মানৰ নামত মোক যিযোৰহে কাপোৰ দিলে...তাতকৈ নিদিয়াই ভাল আছিল পায়।



# যৌৱনৰ তিনিটা বসন্ত এল জি চিৰ বাকৰিত

**কংকনা বৰুৱা**
উদ্ভিদ বিজ্ঞান বিভাগ

ইউনিফৰ্মযোৰ বেয়া পাওঁ বেয়া পাওঁকৈ যৌৱনৰ তিনিটা বসন্ত পাৰ কৰিলোঁ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সেউজীয়া চৌহদত। লক্ষীমপুৰ বালিকা মহাবিদ্যালয় মানেই যেন সেউজীয়াৰ পৰিচয়। কেনেকৈনো তিনিটা বছৰ পাৰ হ'ল, গমকে নাপালোঁ। পৰিৱেশটো, ইউনিফৰ্মযোৰৰ চুৰ্নীখন, তাতে আকৌ উদ্ভিদ বিজ্ঞান বিভাগ। উফ্, সেউজীয়াই যেন পৰিচয় হৈ পৰিছিল।

২০১৬ চনৰ ১ আগষ্ট, মহাবিদ্যালয়ত ভৰি দিয়াৰে পৰা মহাবিদ্যালয়ৰ পৰা ওলাই অহালৈকে তিনি বছৰীয়া এই যাত্ৰা ৰামধেনুৰ বিচিত্ৰতাৰ দৰেই বৰ্ণালীময়। এই মহাবিদ্যালয়ৰ তিনি বছৰীয়া বৰ্ণিল স্মৃতি ৰোমন্থন কৰিবলৈ হ'লে উদ্ভিদ বিজ্ঞান বিভাগৰ কথাৰেই আৰম্ভ কৰিব লাগিব। ১ আগষ্ট, ২০১৬ সোমবাৰ। ফাৰ্ষ্ট ক্লাছটো আৰু থাৰ্ড ক্লাছটো মেজৰৰ ক্লাছ আছিল, বাকী ছেকেণ্ড ক্লাছটো আৰু ব্ৰেকৰ পাছৰ ক্লাছটো পাছ ক'ৰ্ছৰ আছিল। ফাৰ্ষ্ট ক্লাছ দেৱজিৎ ছাৰে লৈছিল, তাৰ পিছৰ ক্লাছটো মালবিকা মেমে লৈছিল। মালবিকা মেমৰ মৰমিয়াল কথাৰে ক্লাছটো কৰি খুব ভাল লাগিল। হিমাংশু ছাৰৰ ক্লাছটো কৰিবলৈ খুব ভয় লাগিছিল সবৰে, কেতিয়া কি প্ৰশ্ন সুধি দিয়ে একো পাত্তা নাছিল আৰু আমি উত্তৰ দিব নোৱাৰি খুব লাজ পাইছিলোঁ। কাৎচিত দুই-এটা উত্তৰহে শুদ্ধ হৈছিল, কিন্তু ছাৰৰ পৰা বহুত শিকিবলৈ পাইছিলোঁ। জ্যোতি মেম ৱান অৱ মাই ফেভৰেট। জ্যোতি ছাৰে সদায় অনুপ্ৰাণিত কৰিছিল। নিলাক্ষী মেম, ঋতুৰাজ ছাৰ, ধীমান ছাৰ তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। নিলাক্ষী মেম অলপ কাঢ়া আছিল যদিও পঢ়ুওৱাবোৰ খুব ভাল লাগিছিল। ঋতুৰাজ ছাৰে সদায় মোক ছেছনেল পৰীক্ষাত ফাৰ্ষ্ট বেঞ্চতে বহুৱালে। কেৱল পাঠ্যক্ৰমৰ অন্তৰ্গত শিক্ষাই নহয়, জীৱনৰ বাটত কেনেদৰে আগবাঢ়ি যাব লাগে, তাৰো কিছু সম্যক ধাৰণা দিছিল পূজনীয় শিক্ষাগুৰুসকলে। উদ্ভিদ বিজ্ঞানৰ প্ৰতি বিশেষ কিবা এটা টান আছিল সেয়েহে উদ্ভিদ বিজ্ঞানকে গুৰু বিষয় হিচাপে লৈছিলোঁ। প্ৰিয় বিষয়কে যিহেতু গুৰু বিষয় হিচাপে লৈছিলোঁ সেয়েহে ক্লাছবোৰ কৰি কেতিয়াও আমনি লগা নাছিল, বৰঞ্চ ভালহে লাগিছিল প্ৰতিদিনে নতুন কথাবোৰ শিকি। লেবৰ বীয়েৰাৰ মহেন্দ্ৰ দাৰ লগত বহুত কথাই পতা হয় মাজে-সময়ে।

সোণত সুৱগা চৰাইছিল কলেজ সপ্তাহ, নৱাগত আদৰণী সভা, শিক্ষক দিৱস, সৰস্বতী পূজা, এক্সকাৰ্শ্বন, পিক্নিক্, অৰ্কিড কালেকশ্বন, ফিল্ড ষ্টাডী, প্ৰজেক্ট আদিবোৰে। যিহেতু উদ্ভিদ বিজ্ঞান বিভাগৰ ছাত্ৰী আছিলোঁ গতিকে এইবোৰৰ সুবিধা অলপ বেছিকৈয়ে পাইছিলোঁ। কলেজৰ প্ৰতিটো অনুষ্ঠানে জুনিয়ৰ, ছিনিয়ৰ, সহপাঠীসকলৰ লগতে শিক্ষকসকলৰ লগতো সম্বন্ধবোৰ মজবুত কৰি তুলিছিল। কলেজৰ প্ৰতিটো ফাংশ্বনত পিছফালে বেঞ্চৰ ওপৰত উঠি কম নাচিলোঁ নে? কিমান যে ছাৰহঁতৰ পৰা গালি খালোঁ, তথাপিও আমাৰ জোছ নকমে, ছাৰ গৈ আগফাল পায়গৈ মানে আমাৰ ডাঞ্চ আকৌ আৰম্ভ হয়। কোনোবা এটা ফ্ৰেছাৰ্ছৰ সাংস্কৃতিক সন্ধিয়াত লগৰবোৰৰ লগত বৰষুণত তিতি তিতি নচাও মনত আছে।

প্ৰথম আৰু দ্বিতীয় ষাণ্মাসিকত থাকোঁতে গেটখন বন্ধ কৰি থোৱা নিয়মটো নাছিল। ব্ৰেকৰ আগৰ ক্লাছটো আৰু ব্ৰেকৰ সময়কণত স্বপ্না ৰেষ্টুৰেণ্টৰ নিয়মীয়া কাষ্টমাৰ আছিলোঁ আমি (মই, ৰাজশ্ৰী, প্ৰিয়ংকা, নাইনা আৰু চেহনাজ)। তৃতীয় ষাণ্মাসিকৰ পৰা মহাবিদ্যালয়ৰ গেটখন বন্ধ কৰা নিয়মটো আৰম্ভ হ'ল। গতিকে কেণ্টিনতে পেটপূজা কৰিবলগীয়া হ'ল।

তৃতীয় ষাণ্মাসিকত কলেজৰ জেনেৰেল এক্সকাৰ্শ্বন গ'লোঁ মানালী, চণ্ডীগড় আৰু দিল্লী। পঞ্চম ষাণ্মাসিকত ডিপাৰ্টমেণ্টৰ পৰা গ'লোঁ গোৱা, মুম্বাই আৰু কলকাতা। খুব ভাল লাগিল গৈ। ভ্ৰমণে ভিন ভিন ঠাইৰ মানুহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, ধৰ্ম-কৰ্ম, সভ্যতা-সংস্কৃতিৰ লগত পৰিচয় কৰায়। ভ্ৰমণৰ জৰিয়তে ভিন ভিন ঠাইসমূহৰ প্ৰাকৃতিক, সামাজিক, সাংস্কৃতিক, ভৌগোলিক পৰিস্থিতি আৰু মানুহৰ জীৱন ধাৰণৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰি। এনেকৈয়ে যৌৱনৰ তিনিটা বসন্ত পাৰ কৰিলোঁ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সেউজীয়া চৌহদত। তিনি বছৰীয়া অনুভৱবোৰ স্মৃতিৰ মানসপটত জিলিকি থাকিব।




# এৰি অহা দিনবোৰ

**ড° দেৱকান্ত পাংগিং**
মুৰব্বী আৰু সহযোগী অধ্যাপক (অৱসৰপ্ৰাপ্ত)
হিন্দী বিভাগ, লখিমপুৰ বালিকা মহাবিদ্যালয়

১৯৮৮ চনৰ কথা। মই আগ্ৰা বিশ্ববিদ্যালয় বৰ্তমান ড° ভীম ৰাও আম্বেদকাৰ বিশ্ববিদ্যালয়ৰ পৰা এম. এ, এম. ফিল. পাচ কৰি আহি লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ মোহন চন্দ্ৰ ৰয় ছাৰক সাক্ষাৎ কৰি মহাবিদ্যালয়ত হিন্দী বিভাগ খুলি শিক্ষক নিযুক্তি দিব নেকি সেই সম্পৰ্কত জানিব বিচাৰিছিলো। ছাৰে একে আষাৰে ক'লে বৰ্তমান এনে কোনো সিদ্ধান্ত হোৱা নাই। মই নিৰাশ মনেৰে গুচি আহিছিলো। ১৯৯২ চনৰ আৰম্ভণিতে মই তেতিয়া উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ত অস্থায়ী পদ (lien vacancy)ত কাম কৰি আছো। এদিন হঠাৎ বাতৰি কাকতত বিজ্ঞাপন ওলাল লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ হিন্দী বিভাগত অমঞ্জুৰি পদ (non sanction post)ত এগৰাকী শিক্ষক নিযুক্তি দিব। তেতিয়াৰ নিযুক্তি প্ৰক্ৰিয়াত এটা বিশেষ ব্যৱস্থা আছিল যে চৰকাৰে পদ মঞ্জুৰি নিদিয়াকৈয়ে মহাবিদ্যালয়সমূহে স্থায়ী পদত নিযুক্তি দিব পাৰে। চাৰকাৰে পাচত পদ মঞ্জুৰি দিয়ে। মই উক্ত পদৰ বাবে আবেদন জনালো। নিৰ্দিষ্ট সময়ত বাচনি সমিতিয়ে মোৰ স'তে আৰু তিনিজনৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিলে। বাচনি সমিতিত শ্ৰদ্ধাৰ অধ্যক্ষ ৰয় ছাৰ, পৰিচালনা সমিতিৰ সভাপতি তথা

লক্ষীমপুৰ জিলাৰ মাননীয় উপায়ুক্ত জে পি মীণা, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ অধ্যাপক বীৰেণ কলিতা, উপাধ্যক্ষা দীপাঞ্জলি দত্ত আৰু বিশিষ্ট ব্যক্তি দয়ানন্দ মহন্ত আছিল। তেতিয়াৰ দিনত উপায়ুক্তজনেই পৰিচালনা সমিতিৰ সভাপতি হোৱাটো নিয়ম আছিল। সাক্ষাৎকাৰত হিন্দীভাষী উপায়ুক্তজনে মোক হেঁপাহ পলোৱাই প্ৰশ্ন সুধিছিল। ময়ো যোগ্য উত্তৰ দিয়াত অৱহেলা কৰা নাছিলো। সাক্ষাৎকাৰত উপায়ুক্তজনে মোকেই বাচনি কৰিলে বুলি পাচত বীৰেণ কলিতা ছাৰে মোক কৈছিল। পিচত অধ্যক্ষ মহোদয়ৰ পৰা নিযুক্তি পত্ৰ পাই ২৫/৩/১৯৯২ তাৰিখে মহাবিদ্যালয়খনৰ হিন্দী বিভাগৰ প্ৰথমটো পদত যোগদান কৰো। সেই সুযোগতে ৰয় ছাৰক সশ্ৰদ্ধ প্ৰণাম জনাইছো যাৰ হাতৰ পৰশত মই কৰ্ম-সংস্থাপন লাভ কৰিলো। কিন্তু মহাবিদ্যালয়খনে ১৯৮৯ চনতে হিন্দী বিভাগ খুলি অংশকালীন শিক্ষক(part timer)ৰ দ্বাৰা পাঠদান চলাই আছিল। ইতিমধ্যে চৰকাৰে হিন্দী বিভাগৰ লগতে অন্যান্য বিভাগৰ বাবে (অধ্যক্ষ মহোদয়ে দাবি কৰা অনুসৰি) সাতটা পদ মঞ্জুৰ কৰিছিল। ১৯৯১ চনত তেতিয়াৰ চৰকাৰে অসমৰ কলেজসমূহৰ বাবে ৭০০ অতিৰিক্ত পদ সৃষ্টি কৰি থৈছিল। ইয়াৰ কেইমাহমানৰ পাচতে শ্ৰদ্ধাৰ অধ্যক্ষ মোহন চন্দ্ৰ ৰয় ছাৰে অৱসৰ গ্ৰহণ কৰে। ছাৰ আছিল এজন সুদক্ষ প্ৰশাসক, শিক্ষাবিধ, অৰ্থৰ সু-ব্যৱস্থাপক, সমাজ সংগঠক, শিক্ষক-কৰ্মচাৰী সকলোকে মৰমৰ এনাজৰীৰে বান্ধি ৰখাৰ গুণ তেখেতৰ ওচৰত বিদ্যমান আছিল। তেখেতৰ অশেষ চেষ্টাৰ ফলস্বৰূপে চালুকীয়া অৱস্থাৰ পৰা মহাবিদ্যালয়খনে পূৰ্ণতা লাভ কৰিছিল। তেতিয়াৰ দিনত মহাবিদ্যালয়সমূহৰ তথা শিক্ষক-কৰ্মচাৰীৰ আৰ্থিক অৱস্থা ইমান ভাল নাছিল। সেইদিনতো ৰয় ছাৰে মহাবিদ্যালয়খন উন্নতিৰ পথত আগুৱাই লৈ গৈছিল। অৱসৰৰ পাচতো ছাৰৰ প্ৰচেষ্টাত লক্ষীমপুৰত আৰু এখন মহাবিদ্যালয় প্ৰাদেশিকৃত হৈছিল, সেইখন আছিল লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়। লগতে আৰু এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয় 'সংগম একাডেমী' প্ৰতিষ্ঠা কৰে। ছাৰ লক্ষীমপুৰৰ শৈক্ষিক ক্ষেত্ৰত এজন নামজ্বলা ব্যক্তি আছিল। সেই সময়ৰ উপাধ্যক্ষা দীপাঞ্জলি দত্ত (নানু) বাইদেউৰ নাম ল'বই লাগিব। তেখেতে সকলোকে নিজৰ সন্তানৰ দৰে মৰম কৰিছিল। খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি লেখা-মেলালৈকে প্ৰতিটো দিশতে আৰম্ভণিৰে পৰা মোক দিহা-পৰামৰ্শ দি উৎসাহিত কৰিছিল। ১৯৯৭ চনত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীত বাইদেউ, ইংৰাজী বিভাগৰ অধ্যাপক নিগমানন্দ দাস আৰু মই মিলি ইংৰাজী, অসমীয়া আৰু হিন্দীত ত্ৰিভাষীয় আলোচনী 'ত্ৰিবেণী' আৰম্ভ কৰিছিলো। সেই সময়ত আমি 'বাতায়ন' নামেৰে আৰু এখন গ্ৰন্থ প্ৰকাশ কৰিছিলো। ৰয় ছাৰৰ পাচতে অধ্যক্ষ হিচাবে নিযুক্তি লাভ কৰে উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ অংক বিভাগৰ অধ্যাপক ড° মুকুন্দ ৰাজবংশী ছাৰে। ৰাজবংশী ছাৰকে আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অধ্যক্ষ হিচাবে মই ব্যক্ত কৰিব বিচাৰো। পাঠদানৰ বিষয়টো ছাৰে সদায় অগ্ৰাধিকাৰ দিছিল। প্ৰতিদিনে ছাৰে দুবাৰকৈ পাঠদান পৰিদৰ্শন কৰিছিল। ফলত স্নাতক কলা শাখাৰ ফলাফল ওচৰৰ মহাবিদ্যালয়ৰ তুলনাত সদায় ওপৰত আছিল। ছাৰৰ দিনতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু ঘৰবোৰ উন্নত হ'ল। চৌহদৰ ৱাল নিৰ্মাণ হ'ল। চৌহদত গছপুলি ৰোপন কৰা হ'ল। বিশেষকৈ গেটৰ পৰা মহাবিদ্যালয়ৰ মূল গৃহলৈ যোৱা বাটৰ দুয়োকাষৰ গছবোৰে তপোবনত পৰিণত কৰিছিল। বাহিৰৰ লোকে প্ৰশংসাত পঞ্চমুখ হৈছিল। ৰাজবংশী ছাৰৰ কাৰ্যকালতে ১৯৯৭ চনত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হৈছিল। এই উৎসৱ অতি জাকজমকতাৰে উদ্‌যাপন হৈছিল। দেশৰ বিদগ্ধ পণ্ডিতসকল আহি বক্তৃতা প্ৰদান কৰিছিল। এই উৎসৱৰ বাৰে বৰণীয়া শোভাযাত্ৰা লক্ষীমপুৰীয়া ৰাইজে সদায়েই মনত ৰাখিব। ১৯৯৮ চনৰ পৰা মই প্ৰায় চাৰি বছৰ শিক্ষক গোটৰ সম্পাদক থকাৰ সময়ত ACTA ৰ তীব্ৰ আন্দোলন হৈছিল। ফলস্বৰূপে চৰকাৰে অসমৰ কলেজ শিক্ষকসকলক grade pay প্ৰদান কৰিবলৈ বাধ্য হৈছিল। ২০০০ চনৰ শেষৰ ফালে মই UGC ৰ Teachers Fellowship লাভ কৰি দুবছৰৰ ছুটী লৈ অৰুণাচল বিশ্ববিদ্যালয় (বৰ্তমান ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়)ত Ph.D. কৰিবলৈ গুচি যাওঁ। ২০০৩ চনৰ ৩ এপ্ৰিলত মই Ph.D. ডিগ্ৰী লাভ কৰো। ২০০৪ চনত ড° মনোৰঞ্জন পণ্ডিত ছাৰ অধ্যক্ষৰ আসনত বহে। পণ্ডিত ছাৰৰ দিনত মহাবিদ্যালয়ৰ হোষ্টেল, শ্ৰেণীকোঠাৰ বাবে ১ কোটিটকীয়া বিল্ডিং, ব্যায়ামগাৰ, ইনড'ৰ ষ্টেডিয়াম, কন্‌ফাৰেন্স হল আদি নিৰ্মাণ হ'ল। তেখেতৰ সময়তে আমাৰ হিন্দী বিভাগত চৰকাৰৰ অমঞ্জুৰি পদ (non sanction post)ত আৰু এগৰাকী শিক্ষক নিযুক্তি দিছিল। তেখেতৰ সহযোগতে ২০১০ চনত হিন্দী বিভাগত উচ্চমানৰ বিষয় (Major) খুলিবলৈ সক্ষম হ'লো। তেখেত কভিড-১৯ ৰ লকডাউনৰ মাজত আকস্মিকভাৱে মৃত্যু হোৱাত আমি সকলোৰে মৰ্মাহত হৈছো। তেখেতৰ আত্মাই সদ্‌গতি পাওক সেয়ে আমাৰ সকলোৰে কামনা। ইয়াৰ পাচত ২০১৫ চনত ড° সুৰজিত ভূএগ্রাদেৰে অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈ মহাবিদ্যালয়খন সঠিক দিশত আগুৱাই লৈ যোৱা আমি সকলোৰে প্ৰত্যক্ষ কৰিছোঁ।

আজি ২০২০ চনৰ ডিচেম্বৰ মাহ। মোৰ কৰ্মজীৱনৰ অন্তিমটো মাহত উপনীত হৈ মই সেইসকল মহান ব্যক্তিক স্মৰণ কৰিছো যিসকল ব্যক্তিয়ে ১৯৭২ চনতে লক্ষীমপুৰৰ স্ত্ৰী-শিক্ষাৰ কথা চিন্তা কৰি এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে আৰু যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে অবৈতনিক ভাৱে অশেষ কষ্ট স্বীকাৰ কৰি পাঠদান দি মহাবিদ্যালয়খন গঢ়াত সহায় কৰিলে। যাৰ ফলত মোৰ লগতে বহুতে কৰ্ম-সংস্থাপন পাইছে। স্ত্ৰী-শিক্ষাৰ লগতে সমাজখনৰ মহৎ উপকাৰ হৈছে।

# The Street Vendor

**Mamoni Pegu**
*Dept. of English*

*One afternoon I was returning home after college. It is a 10 minute walk from my college to the auto station. I live in the outskirt of the town so I always used to take an auto on my way home. The area near the station was quite familiar to me but that day the place was overwhelmingly crowded. I walked through the pavement of the busy street, my eyes went on some of the small street stalls, with their wares displayed on the pavement and vendors selling refreshments, some were busy gazing at the crowd while the rest were bargaining with the customers. On the opposite side of the street I noticed a small stall, the person at the stall is a man in his late fifties, his clothes were not the best, his face looked tired. There was something different about him, he had set up his stall in a less crowded spot. All the vendors in the area were shouting at their high pitch trying to gain the crowds attention but he was busy arranging his wares neatly. Not a single customer visited his stall. As I was watching his moves, he looked up and noticed me gazing at him, there was a strange look in his eyes, and I wondered why did he set up his stall apart from the rest. I really wanted to be his customenr although nothing in the stall was of my use. I checked my wallet but I had no extra money other than my regular auto fair. I realized the time and I rushed to the auto station. I wondered what kept me watching at his stall for so long. The next day, I woke up with a heavy heart, it was my last day at college, I got ready and left home early at 7 in the morning. I had to reach college at 8 AM for the farewell ceremony which was arranged by the department. The auto stopped at the station and from there I took my usual route to college. The street was less crowded in the morning, the small stalls and shops were not yet opened. I was hoping to find the vendor from the other day. After covering a short distance, I saw a familiar face approaching towards me. It was him, he was wearing a diffrerent shirt and looked fresh. I really wanted to buy something from his stall but I was running late. I simply smiled at him and he smiled back.*

*After my final examination, our family moved to an another place. It was six months later I came back to meet a few of my old friends. We decided to meet near the auto station. The place was crowded as usual, aggressive rickshaw pullers cursing each other, vendors shouting in their usual tone but my eyes were looking for that one particular stall. I asked at a nearby shop, 'Uncle, can you tell me about the chancha who used to put his stall here?' The man from the shop replied, ' I don't know exactly, I heard he moved back to his hometown. He lived here alone in a rented apartment.' That day I had brought extra money but the man and the stall was gone. I went back to my friends who were waiting for me at the station. I wish I could bid him a goodbye.*






# দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

**ইন্দ্রানী খাউণ্ড**
অসমীয়া বিভাগ

অসম জীয়ৰী তুমি সাহিত্যৰ শিৰোমণি
বিশ্বসভাত পদার্পিলা
মানৱৰ আলোক দ্বিগুণ কৰি ধৰাত
জ্ঞানৰ চক্ষু তৰিলা।

অসম জীয়ৰী বিশ্ববন্দিতা মহীয়সী নাৰী ড° মামণি ৰয়ছম গোস্বামীয়ে নদীপৰীয়া একোখন সাধাৰণ ঠাইত জন্মগ্ৰহণ কৰি অসমৰ সাহিত্যৰাজিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিলে। ব্যতিক্ৰমী চিন্তাধাৰাৰ গৰাকিনী, বাইদেউৰ সাহিত্যসম্ভাৰ অতুলনীয়। যাৰ বাবে বিশ্বত তেখেতৰ চমকনি উঠিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত যিসকল প্ৰতিভাৱান সৃষ্টিশীল মহিলাই কৰ্মত নিয়োজিত হৈ নিজা নিজা বৈশিষ্ট্যৰাজিৰে অসমীয়া উপন্যাস সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়ালে সেইসকলৰ ভিতৰত এগৰাকী স্বনামধন্য ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠিত নাম হৈছে ড° মামণি ৰয়ছম গোস্বামী। তেওঁৰ প্ৰকৃত নাম ইন্দিৰা গোস্বামী। তেওঁৰ দ্বাৰা ৰচিত সমগ্ৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যৰ বুকুলৈ জ্ঞানপীঠৰ দৰে শ্ৰেষ্ঠ বঁটা আঁজুৰি আনি অসমীয়া সাহিত্যজগতলৈ নতুন দিনৰ সঞ্চাৰ কৰিলে।

সাহিত্যৰ বিভিন্ন ধাৰাৰ ভিতৰত উপন্যাসতেই বহলভাৱে সমাজ জীৱনৰ সুখ-দুখ, বেদনা-আকাংক্ষাকে ধৰি জীৱনবোধ, অভিজ্ঞতা প্ৰতিফলিত কৰাৰ অৱকাশ থাকে। ৰামায়ণী সাহিত্যৰ গৱেষিকা, জ্ঞানপীঠ সাহিত্য অকাডেমীকে ধৰি বিভিন্ন দেশ-বিদেশৰ বঁটা-বাহন লাভ কৰা অসমৰ সাহিত্যিক ৰয়ছম গোস্বামীৰ উপন্যাসো ইয়াৰ ব্যতিক্ৰম নহয়।

উপন্যাসখনত অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পটভূমিত বাস্তৱ জীৱনৰ ওপৰত ভেটি কৰি ৰচনা কৰা গোস্বামীৰ উপন্যাসমূহত নাৰীৰ লগত জড়িত সামাজিক সংস্কাৰৰ বিভিন্ন দিশ উন্মোচিত কৰা দেখা যায়।

দক্ষিণ কামৰূপৰ এসময়ৰ জাকজমকপূৰ্ণ দামোদৰীয়া সত্ৰ এখনৰ এক কাল্পনিক কাহিনী উপন্যাসখনত বৰ্ণিত হৈছে। কাহিনীভাগ সম্পূৰ্ণৰূপে কাল্পনিক। এই পৃথিৱীত মানুহে মানুহক মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ এক বেদনাৰ প্ৰতিধ্বনি অন্তঃলীলাৰ দৰে উপন্যাসখনৰ মাজেৰে প্ৰৱাহিত কৰাৰ চেষ্টা কৰা হৈছে। মানৱতাবাদী মনোভাৱেৰে আৰু সত্ৰীয়া পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্বৰ মাজত লিখি উলিওৱা এই উপন্যাসৰ 'মোৰ একাষাৰ'ত ঔপন্যাসিকাই লিখিছে—'দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ পৰা অনুপ্ৰেৰণা লাভ কৰি মই এই উপন্যাস ৰচনা কৰিছোঁ। এই দিনবোৰৰ স্মৃতি জীৱনৰ আটাইতকৈ মনোৰম স্মৃতি আছিল। উপন্যাসখনত চৰিত্ৰবোৰক কল্পনা ৰহনেৰে সম্পূৰ্ণ নতুন কৰি গঢ়ি তুলিছোঁ। কোনো কোনো ঠাইত লগ পোৱা চৰিত্ৰৰ মাথোঁ জঁকাটোহে বাকী আছে। ইয়াত অংকিত চৰিত্ৰবোৰ কাল্পনিক। কাহিনীটোও সম্পূৰ্ণভাৱে কাল্পনিক।

ড° মামণি ৰয়ছম গোস্বামী বাইদেউৰ প্ৰত্যেকখন উপন্যাসেই মোৰ অতিকৈ প্ৰিয়। কিয়নো তেওঁৰ উপন্যাসসমূহত সাম্প্ৰতিক সময়ৰ জনজীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা আদি ৰূপৰ প্ৰকাশ তেওঁৰ উপন্যাসৰ মূল লক্ষ্যবস্তু। অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পটভূমিত বাস্তৱ জীৱনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা গোস্বামীৰ উপন্যাসসমূহত মুখ্যতঃ নাৰীৰ লগত জড়িত সামাজিক সংস্কাৰৰ বিভিন্ন দিশ উন্মোচিত কৰা দেখা যায়।

তাৰে ভিতৰত সকলোৰে মন জয় কৰিব পৰা তেওঁৰ এখন লেখত ল'বলগীয়া গ্ৰন্থ হৈছে— দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা।

আধুনিকতাৰ আগমন, আদ বয়সতে বিধৱা হ'বলগীয়া হোৱা সত্ৰৰ গোসাঁনীসকলৰ কামনা-বাসনা, নিসংগতা আৰু অৱহেলা, ভূমি সংস্কাৰ আৰু সাম্যবাদী ভাবধাৰাৰ আগমনে সামন্তবাদী সমাজলৈ অনা পৰিৱৰ্তনৰ কাহিনী বৰ্ণিত হৈছে এই উপন্যাসখনত। জাক্‌জমকতাপূৰ্ণ এই সত্ৰৰ ভাবী সত্ৰাধিকাৰ ইন্দ্ৰনাথ। তেওঁ ব্যক্তিত্বসম্পন্ন, সু-ৰুচিপূৰ্ণ, সংস্কাৰী এজন সুদৰ্শন যুৱক। ইন্দ্ৰনাথৰ পেহীয়েকে, দুৰ্গা ভনীয়েক গিৰিবালা আৰু সৰু গোসাঁনী —এই তিনিগৰাকী বিধৱাৰ যন্ত্ৰণা, জীৱন নিৰ্বাহৰ নিৰ্মমতা আদিয়ে ইন্দ্ৰনাথক কাতৰ কৰি তুলিছিল।

গ্ৰন্থখনত তিনিওটা চৰিত্ৰই নিজস্ব দৃষ্টিকোণৰ পৰা বিশেষত্বপূৰ্ণ আৰু চৰিত্ৰকেইটাৰ গভীৰ মনস্তাত্বিক বিশ্লেষণ উপন্যাসখনত অতি শক্তিশালী ৰূপত উল্লেখিত হৈছে।

ইয়াৰ এটা বিধৱা চৰিত্ৰ হৈছে গিৰিবালা। কম বয়সীয়া বিধৱা গিৰিবালাৰ সন্মুখত গোটেই জীৱনটো পৰি আছে। ফুলকুমলীয়া বয়সতে বৈধব্যৰ জৰিয়তে জটিলতা মানি ল'ব পৰা নাই গিৰিবালাই। তাই বৈধব্যৰ কৰুণ অভিশাপত আমিষ খাদ্যৰ প্ৰতি হেঁপাহ, প্ৰেম-ভালপোৱাৰ প্ৰতি আকৃষ্ট হৈ প্ৰচলিত সংস্কাৰৰ প্ৰতাপত তাই প্ৰতিবাৰতে উজুটি খাইছে, পৰাচিত হ'বলগীয়া হৈছে। সত্ৰৰ বুৰঞ্জী লিখিবলৈ অহা মাৰ্ক চাহাবৰ প্ৰেমত আকৰ্ষিত হৈছে আৰু অৱশেষত সমাজৰ কঠোৰ নীতি-নিয়ম মানি ল'ব নোৱাৰি আত্মজাহ দিবলৈ বাধ্য হৈছে।

দুৰ্গা হ'ল পৰম্পৰাগত অন্ধ সংস্কাৰাচ্ছন্ন। সমাজখনৰ স্বয়ংক্ৰিয় প্ৰতিভূ। তাই গিৰিয়েকৰ অস্থি জগন্নাথত বিসৰ্জন দিয়াটোক জীৱনৰ চৰম লক্ষ্য হিচাপে বাছি লৈছে।

অন্ধকাৰ, অপৰিচ্ছন্ন কোঠালিত দিন অতিবাহিত কৰা দুৰ্গাক সামাজিক সংস্কাৰসমূহে বেছি দুৰ্বল আৰু ৰুগীয়া কৰি তুলিছে। তদুপৰি গিৰিয়েক ঢুকুৱাৰ পাছত দুৰ্গাক শহুৰেকৰ ঘৰৰ মানুহবোৰে বেলেগ দৃষ্টিভংগীৰে চাবলৈ লৈছিল। দুৰ্গা চৰিত্ৰটোক কেন্দ্ৰ কৰি তথাকথিত কু-সংস্কাৰৰ ধাৰণা আন্দোলিত হৈছে উপন্যাসখনৰ মাজেৰে। উপন্যাসখনৰ সত্ৰৰ মূল পৰিয়ালটোৰ বাদেও অন্যান্য পৰিয়াল যেনে— সৰু গোসাঁনী, ভোকৰাম ভাগৱতী, বলোৰাম দাস আদি পৰিয়ালৰ কথাও উনুকিয়াইছে।

কানিয়ে কংকালসাৰ কৰি পেলোৱা আৰু কানিৰ বাবে হাবাথুৰি খাই ফুৰা চৰিত্ৰৰ ঘৃণা উদ্ৰেককাৰী বৰ্ণনাৰে উপচি আছে এই উপন্যাসখনৰ পৃষ্ঠাবোৰ। ইন্দ্ৰনাথৰ নাকত সুৰসুৰনি তোলা তিতা কানিৰ ধোঁৱাই তেওঁৰ মনত সদায় গভীৰ হতাশাৰ উদ্ৰেক কৰে। আশাহীনভাৱে তেওঁ বন্দী হৈ পৰাৰেই যেন ই এক প্ৰতীক। প্ৰতীকৰ এই গাঢ়তা ফুটাই তোলা হৈছে। কেতিয়াবা এগৰাকী ভৰ যৌৱনা কমনীয় নাৰীৰ ৰূপ ধাৰণ কৰা আৰু কেতিয়াবা আকৌ এডাল বিষাক্ত সাপৰ দৰে বগাই যোৱা ভংগলীলা নদীখনৰ নিত্য পৰিৱৰ্তনশীল প্ৰকৃতিৰ জৰিয়তে। নিষ্ঠুৰতা আৰু অন্যায় সবল ৰূপত ফুটি উঠা এই উপন্যাসখন মানুহৰ জীৱনত প্ৰেমৰো যে প্ৰয়োজন, তাৰ এক প্ৰামাণ্য দলিল।

উপন্যাসখনত দেখা গৈছে বাল্য বিবাহৰ দৰে কু-সংস্কাৰে আচ্ছন্ন কৰি ৰখা সমাজখনত কোনো গৰাকীয়ে স্বামীৰ মুখ নেদেখাকৈয়ে ওৰেটো জীৱন বৈধব্য ব্ৰত পালন কৰিবলগীয়া হৈছিল।


উপন্যাসখনত প্ৰকাশিত হোৱা নাৰীৰ সামাজিক স্থিতি অতি দুখলগা। এই সমাজত নাৰী এজন পুৰুষৰ পত্নী আৰু তেওঁ সন্তানৰ মাতৃ হোৱাই নাৰী জীৱনৰ সাৰ্থকতা আছিল। বিধৱাৰ জীৱন নৰকতুল্য। তিৰোতাৰ স্বামী ঘৰেই নিজৰ ঘৰ। স্বামী ভিঠা এৰি অহা তিৰি আৰু লেংটা হৈ বাটে ঘাটে ঘূৰি ফুৰা তিৰিৰ মাজত কোনো পাৰ্থক্য নাছিল।

উপন্যাসখনিত অসমীয়া খাদ্যাভ্যাসৰ বিৱৰণ দাঙি ধৰা হৈছে এনেদৰে— গাখীৰৰ কটা কঁঠালৰ মুচি, কুঁহিয়াৰ আটি, মাটিমাহৰ দালি, গুঁইৰ মাংস, অমিতা আৰু বিলাতী আলু দি ৰন্ধা পাৰৰ মাংস ইত্যাদি।

ভাষাৰ ক্ষেত্ৰত মান্যভাষা আৰু কামৰূপী উপভাষাৰ ব্যৱহাৰে ইয়াৰ মাধুৰ্য বঢ়াই তুলিছে। প্ৰাচীন বংশ গৌৰৱৰ প্ৰতীক দঁতাল হাতী জগন্নাথ পগলা হোৱাৰ পাছত সি সুদৃশ্য হাওদাখনৰ শুঁৰেৰে আচাৰি ভাঙি পেলাইছে। ঔপন্যাসিকাৰ মতে, তেওঁ হাতীটো আৰু তাৰ কান্ধৰ হাওদাখনৰ এক সাংস্কৃতিক চিহ্নৰূপে ব্যৱহাৰ কৰিছে। 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত সদৌ শেষত ক'ব পাৰি যে সমাজত ব্ৰাহ্মণ বিধৱাসকলৰ ওচৰত চলোৱা অমানৱীয় অত্যাচাৰ আৰু প্ৰেম, বিবাহ তথা বিধৱাসকলৰ ক্ষেত্ৰত এই সমাজখনে দেখুওৱা দিন উকলি যোৱা ভাবধাৰাৰ এক নিৰ্মম প্ৰকাশ। এখন অতি সাহসী উপন্যাস হিচাপে ই সহজেই পাঠকক মুগ্ধ কৰে। সামাজিক ঘটনাৰ তথ্যভিত্তিক উপস্থাপনেৰে উপন্যাসখন স্মৰণীয় ঘটনা, লোক-কাহিনী, শক্তিশালী প্ৰতীক আৰু পুংখানুপুংখ বৰ্ণনাৰ এটা চহকী ভঁৰালস্বৰূপ। 'উঁয়ে খোৱা হাওদা' নামটো পতনোন্মুখ প্ৰতিষ্ঠানটোৰ এটা বুদ্ধিদীপ্ত প্ৰতীক। যিকোনো ফালৰে পৰাই আধুনিক ভাৰতীয় উপন্যাসৰ ক্ষেত্ৰত এখন ধ্ৰুপদী উপন্যাস বুলিব পৰা এই উপন্যাসখনে পাঠকৰ মনত সদায় গভীৰ সহানুভূতি আৰু আতংকৰ জন্ম দিব।

# Gabriel Garcia Marquez's One Hundred Years of Solitude


**Namasya S Khandayatray**
Dept. of English




*Setting a landmark in the history of Magic Realism, Gabriel Garcia Marquez's One Hundred Years of Solitude, marks as a benchmark in this genre of literature. Dragging in the various ancient folkloristic tradition of Latin America, he has successfully rewritten the history of Columbia through this magic, realist, mysterious and socio-political masterpiece. Being a fiction of Magic realism, this epoch making piece of art uses many techniques that create an aura of surrealism. Marquez uses such events in the story that arouse the wonders of the reader, who engages himself in differentiating the connection and separation of literature from reality. This technique of Defamiliariasation marks a stark opposition to the physical rules of human life, resulting in an intensified subconscious mind of the reader. This establishes an effect of hybridity, where reality and fable become invisible in such a way that these two worlds can be the supplements of a whole. The simultaneous existence of magic and reality shapes a world of surrealism where the world of magic that include supernatural events and of real that include laws of physical, logical and scientific merge to create maverick piece of art. The use of time in the novel is also an integral part of this genre. Juxtaposition of past, present and future gives the reader an idea of an ambiguous setting of the whole events. This technique enhances the perspective of the reader because of its complexity and duality. In One Hundred Years of Solitude, Marquez has used time in such a way that questions its exact existence. The narration of a minute is so detailed that it seems like a century, and at the same time, narration of a century seems to be a matter of seconds. This technique helps in wiping out the psychological borders between the readers, writers and the characters and this helps in paving a path to each others' psyche and lives. Physical, mental and behavioral status of these three sets of people combines to form a multiple interpretations of the novel. One Hundred Years of solitude. Whole throughout the novel, the presence of the author is invisible. The author abstains himself from expressing his feelings and opinions on any socio-political events or any issue. The characters in the novel are the validators of the accuracy of the events and this undermines the believability of the whole eccentricity of truth. The example of the massacre, where three thousand people were killed, is a perfect example where the reader is the sole witness. The most important part of the novel is that in the ustle of magic and all the supernatural happenings in the novel, the author keeps the readers informed with the social, political and cultural issues of the society, past and present. Marquez has detailed the historical experience of millions of people who suffered in the colonized Latin America, also universalizing colonization that took place in various parts of the world. As a must read of the contemporary century and centuries to come, One Hundred Years of Solitude narrates the story of the Buendia family, and expresses the utterly inevitable nature of the modern ma, who always hankers for solitude, and is torn between responsibility and emotions. As a captivating piece of art that teases the imagination of a reader, this novel keeps the entire world reading it.*

Book Review

# The Canterville Ghost





**Kajal Hazarika**
*Dept. of English*

*'The Canterville Ghost' is a novella by Oscar Wilde. It was the first of wilde's stories to be published, appearing in two parts in the court and society Review, 23rd February and 2nd March 1887.*

*The Story is about an American family who move to a castle haunted by the ghost of a dead nobleman, who killed his wife and was starved to death by his wife's brothers. It was been adapted for the stage and screen several times…*

*'The Canterville Ghost' begins with the sale of an old British mansion called Canterville Chase to Morace B. Otis, an American minister. Though the former owner, Lord Canterville, warns Mr. Otis is not worried and replies that ghosts do not exist. Soon after, Mr. Otis moves into the chase with the rest of his family, his wife, Lucretia, his eldest son, Washington, his fifteen year old daughter, Virginia, and his two young twin boys. Upon moving in Mrs. Otis notices a dull red stain on the floor and request that it be cleaned. Their housekeeper reveals that it is a bloodstain from the murder of Lady Eleanore de Canterville, who was killed in 1575 by her husband, Sir Simon de Canterville, and that it cannot be removed. She warns Mrs. Otis that Sir Simon's guilty ghost still haunts Canterville Chase. Dismissing the housekeeper's story as nonsence, Washington quickly pulls out a container of pinkeston's champion stain Remover, scrubbing it onto the spot until the stain is gone as soon as the stain is removed, lightning flashes and a peal of thunder rocks the house. The housekeeper faints in terror.*

*The next morning, the Otises find that the stain has mysteriously returned. For the next few days they routinely clean the stain only to see it reappear the next morning. Intrigued, the Otis family decides that the house is, in fact, haunted. A few nights later, Mr. Otis is awakened in the middle of the night by a clacking noise. Veaturing into the hall way, he encounters the ghost of sir Simon/ Rather than being frightened by sir Simon is glowing red eyes, matted hair and rusty manacles, Mr. Otis politely insists that the ghost oil his chains and gives him a bottle of Tammany Rising seen Lubricator for this purpose. Utterly humiliated, sir Simon retreats down the hallway until he encounters the twins, who throw pillows at his head. Returning to his chamber, Sir Simon remembers his long and successful career as a ghost, fuming that never in three hundred years of haunting maids and guests has he been so insulted. Determined to scare these 'wretched modern Americans,' Sir Simon stays up all night plotting his ravage.*





*Though the bloodstain remains, the Otises humorously note that it is changing in color on a daily basis. Virginia Otis, however does not find the changing stain amusing and appears inexplicably distressed by it. One day the family discovers sir Simon in an embarrassing position: he has fallen over white trying to put on a suit of armor. The twins shoot at him with pea shooters and when sir Simon tries to scare the family with his most evil laugh, Mrs. Otis adds insult to injury by suggesting that he may be suffering from indigestion. For several days afterward, sir Simon is ill and keeps mostly to his room. Soon, however, he resolves to make a third attempt at scaring the Otises and picks out a suitably terrifying outfit. As he makes his way to Washington's room, however, he is stopped by the twins, who are disguised as a ghost. Believing them to be a real ghost, sir Simon flees in utter terror. Depressed, sir Simon retreats from his ghostly duties, deciding not to replace the bloodstain and taking care to make himself as unnoticeable as possible. Later, when he tries to enter the twins' room for one final shot at revenge, a rigged jug dumps water on his head, causing him to come down with a severe cold.*

*Having finally given up hope of ever scaring the Otis family, Sir, Simon stops appearing and the members of the Otis family return to their normal lives, assuming that he has left forever. The young Duke of Cheshire falls in love with Virginia and comes to stay at the house. One day Virginia stumbles upon the ghost as she returns from riding with the Duke. Taking pity on him, Virginia suggests that he begin behaving himself. Sir Simon replies that it is no use asking him to go against his nature as a ghost. They argue over whether or not Sir Simon was wrong to kill his wife until Virginia finally to suggests that he immigrate to America to make a fresh start. Sir Simon replies that his only wish is t be able to finally sleep in the garden of death. He shows Virginia a prophecy that says the only way sir Simon weeps for his sins and prays for his soul. Virginia agrees and taking his hand, follows him into another dimension.*

*When Virginia does not show up for tea, the Otis family begins to search for her in earnest, notifying the police of her disappearance and searching the grounds thoroughly. When the clock strikes midnight, the whole house shakes and Virginia suddenly appears at the top of the stairs. She tells her family that she was with Sir Simon who is now at peace, and reveals a large box of jewels that he gave her as a gift. She ten leads her family into a secret chambers and shows the remains of Sir Simon. The family buries the remains in an elaborate ceremony. Mr. Otis tries to give the jewels to Lord Canterville, insisting that they are his rightful property, but Lord Canterville refuses them. Once the Duke comes of age, he and Virginia marry. When they visit sir Simon's grave after their honeymoon, the Duke asks Virginia what really happened when she went away with sir Simon. Declining to fully answer, she only tells him that the ghost taught her the meaning of life, love and death.*

গ্ৰ. ন্থ. আ. লো. চ. না

# ঈয়াৰুইঙ্গম ঃ এখন সফল উপন্যাস




## কৌমুদী দেৱী
উদ্ভিদ বিজ্ঞান বিভাগ


সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাস 'ঈয়াৰুইঙ্গম' এখন সফল উপন্যাস হিচাপে অসমীয়া পাঠক সমাজৰ মাজত স্বীকৃত। ১৯৬০ চনত প্ৰথম প্ৰকাশ হোৱাৰ পৰা এতিয়ালৈকে একাদশবাৰ প্ৰকাশ হোৱাই এই উপন্যাসৰ জনপ্ৰিয়তা সূচায়।

'ঈয়াৰুইঙ্গম' এটা এটা টাংখুল নগা শব্দ। কোনো নগাৰ ঘৰৰ আগত কেতিয়াবা একোডাল ফেৰেঙণি মেলা গছ থিয় হৈ থকা দেখা যায়। সেইডালে গিৰিহঁতৰ বিশেষ অৱস্থাৰ কথা সূচায়। উপন্যাসখনতো নগাসকলৰ এটা বিশেষ অৱস্থাৰ জাননী ঘোষণা কৰিছে। 'ঈয়াৰুইঙ্গম' শব্দৰ অৰ্থ হৈছে 'ৰাইজৰ আসন'। এই বিশেষ উপন্যাসখনৰ পাততেই ঔপন্যাসিকে অতি সুন্দৰকৈ বৰ্ণনা কৰিছে—

'...সি মৰিলেও তাৰ তেজ-মঙহেৰে গঢ়া এটা মানুহ বাচি থাকিব প্ৰতিনিধি হৈ। তাৰো আকৌ ল'ৰা-ছোৱালী, নাতি-নাতিনী হ'ব। এপুৰুষৰ পিছত ইপুৰুষ মানুহ জন্ম হৈ গৈ থাকিব আৰু সিহঁতৰ কামৰ পৰাই এদিন উদ্ভৱ হ'ব মানুহৰ শান্তি... সতাই, নদাই, ভদাইহঁতৰ শাসন হ'ব, ৰাইজৰ জয় হ'ব। উল্লাসিত হৈ সি ক'লে— 'ল'ৰা হ'লে তাৰ নাম কি ৰাখিম জান?'

'কি?' —লাজত লুটিংলাই ক'লে।

'ঈয়াৰুইঙ্গম'।

'মানে?' —মুখখন তুলি বিস্ময়ত লুটিংলাই প্ৰশ্ন কৰিলে।'

'ৰাইজৰ শাসন।'

নগা বিদ্ৰোহেই এই উপন্যাসৰ বিষয়বস্তু। দ্বিতীয় মহাযুদ্ধই থান-বান কৰি থৈ যোৱা নগাসকলৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ গ্লানি, অনিশ্চয়তা, হা-হুতাশা আদিৰ ওপৰতে ভিত্তি কৰি নগাসকলৰ জাতীয় চৈতন্য প্ৰকাশেই উপন্যাসখনৰ পটভূমি। কাৰো ওচৰত সেও মানিব নোৱাৰা এটা কৰ্মঠ, দৃঢ়, পাহাৰীয়া জাতিৰ স্বাধীনতাস্পৃহাই অৱস্থাবিশেষে কি ৰূপ পৰিগ্ৰহণ কৰে, সেই কথা অতি নিখুঁতভাৱে ঔপন্যাসিকে প্ৰকাশ কৰিছে। দ্বিতীয় মহাযুদ্ধৰ সময়ত টাংখুল নগাভূমি কিছুদিন জাপানীৰ অধিকাৰত আছিল। ব্ৰিটিছ মাৰ্কিন মিত্ৰশক্তিৰ লগত জাপানীৰ সংঘৰ্ষৰ ফলস্বৰূপে এই অঞ্চল বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছিল। জাপানী সৈন্য আঁতৰি যোৱাৰ পিছত যুদ্ধৰ বিভীষিকা আৰু নিষ্ঠুৰতাই জীৱনধাৰা বিপন্ন আৰু অস্থিৰ কৰি তোলা নগা সমাজৰ সৰহভাগেই বিচাৰিছিল শক্তিপূৰ্ণ জীৱনধাৰাৰ প্ৰৱৰ্তন আৰু যুদ্ধৰ ফলত হোৱা ক্ষতিপূৰণ। এই ধাৰাৰ নেতৃত্ব দিবলৈ আগবাঢ়ি আহিছিল যুৱক ৰিশ্বাং। মিছনাৰীৰ সহায়ত সি শিক্ষা লাভ কৰিছিল আৰু দুৰ্গম নগা পাহাৰত। মিত্ৰশক্তিৰ সৈন্যক পথ দেখুৱাই জাপানী খেদাত সহায় কৰিছিল। ভাৰতৰ অবিচ্ছেদ্য অংগ হিচাপে নগা অঞ্চলৰ স্বাধীনতাৰ কথা সি চিন্তা কৰিছিল। গীৰ্জাৰ আনুষ্ঠানিক ধৰ্মত তাৰ বিশ্বাস নাছিল, কাৰণ গীৰ্জাই সৃষ্টি কৰিছিল নগা সমাজত বিভেদ। যাৰ ফলত তাৰ দেউতাক ইয়েংমাচাই, ঙাঠিঙখুইৰ দলৰ মানুহৰ যাঠিৰ খোঁচত প্ৰাণ গৈছিল।

উপন্যাসখনৰ কাহিনী এক স্বতন্ত্ৰ, সৰল ৰৈখিক গতিত আগবাঢ়িছে বুলি ক'ব পৰা নাযায়। বৰং সামগ্ৰিক পটভূমিৰ লগত সাঙোৰ খাই আছে। ইয়াৰ কাহিনী বুলিলে ৰিশ্বাং, চাংৰেলা আৰু খুটিংলাৰ প্ৰেম কাহিনীকে নুবুজায়। বৰঞ্চ নাজেক, ভিডেশ্যেলী, লাটিং, জীৱন মাষ্টৰ, ইয়েংমাচা আৰু ঙাঠিঙখুইৰ বিবাদৰ কাহিনী আদি ভিন্নসুৰীয়া, বিভিন্নজনৰ আশা-আকাংক্ষা, মতি-গতি, ধ্যান-ধাৰণাৰ এক বিচিত্ৰ সমাহাৰ আৰু এক অপূৰ্ব নগাজীৱন।

দ্বিতীয় মহাযুদ্ধৰ ধ্বংসলীলাই ৰিশ্বাঙৰ যি মানসিক বাতাৱৰণ

সৃষ্টি কৰিছিল, তাৰ বিপৰীতে এদল নগাৰ মনত সুকীয়া, সংকীৰ্ণ, স্বাধীন নগা ৰাজ্যৰ স্বপ্ন দেখুৱাইছিল, নেতাজীৰ জাতীয় ফৌজত অংশগ্ৰহণ কৰা ভিডেশ্যেলীয়ে। সি ইংৰাজৰ তলত থাকিবলৈকো নিবিচাৰে আৰু স্বাধীন ভাৰতৰ অংগৰাজ্য হিচাপে নগাৰাজ্য স্থাপন কৰাৰ পক্ষপাতিও নহয়। সি বিচাৰে এখন সুকীয়া নগাৰাজ্য য'ত নগাই স্বকীয় বৈশিষ্ট্য আৰু স্বতন্ত্ৰতা ৰক্ষা কৰি জীৱন নিৰ্বাহ কৰিব পাৰে। যাক পূৰ্ণ সমৰ্থন জনাইছে নাজেক নামৰ বৃদ্ধ নগাজনে, যাৰ ফলস্বৰূপে নাজেকে ভিডেশ্যেলীক তাৰ 'থিলা কাপো' কৰিছে। নগাৰাজ্যৰ পুনৰ সংস্থাপনৰ বাবে ৰিশ্বাং আৰু ভিডেশ্যেলীৰ মাজত মৌলিক পাৰ্থক্য আছে। এজনে বিচাৰে প্ৰেম আৰু শান্তি আৰু আনজনে বিচাৰে হিংসাত্মক যুদ্ধ। গতিকে 'ঈয়াৰুইঙ্গম'ৰ মৌলিক সমস্যা হৈছে যুদ্ধ আৰু শান্তিৰ সমস্যা, পুনৰ সংস্থাপন আৰু বিদ্ৰোহৰ সমস্যা।

উপন্যাসৰ মূল কাহিনীটো গঠিত হৈছে ৰিশ্বাং, খুটিংলা, চাৰেংলা আৰু ফানিটফাঙৰ কাৰ্যাৱলী আৰু তেওঁলোকৰ প্ৰেমাভিব্যক্তিক কেন্দ্ৰ কৰি। সৰুকালৰ পৰাই ৰিশ্বাং আৰু চাৰেংলা পৰিচিত। যৌৱনৰ প্ৰথম উন্মেষতে পৰস্পৰ ওচৰ চাপি গৈছিল, হৃদয়ৰ বিনিময় ঘটিছিল। কিন্তু জাপানী আক্ৰমণৰ পিছত চাৰেংলা জাপানী সৈন্য এজনৰ ৰক্ষিতা হ'বলগা হোৱাত সমাজত স্থান হেৰুৱালে আৰু লগতে ৰিশ্বাং লাভ কৰাৰ আশাও পৰিত্যাগ কৰিবলগীয়া হ'ল। ৰিশ্বাঙে পতিতা চাৰেংলাক পুতৌ আৰু সহানুভূতিৰ চকুৰে চালেও প্ৰেমৰ পাত্ৰীৰূপে গ্ৰহণ কৰিব নোৱাৰিলে। সি আকৃষ্ট হ'ল খুটিংলাৰ প্ৰতি। সিহঁতৰ আকৰ্ষণ দৈহিক মিলনৰ মাজেদি ক্ৰমে গাঢ় হৈ আহে, কিন্তু দুয়ো ঘৰৰ মাজত থকা পাৰিবাৰিক বিৰোধ আৰু ধৰ্মৰ বিভেদ বিবাহৰ প্ৰতিবন্ধকৰূপে থিয় দিয়ে।

নগা সমাজৰ পটভূমিত কাহিনীটো সংস্থাপিত কাৰণেই নগা সমাজৰ ৰীতি-নীতি, থকা-মেলা, ধৰণ-কৰণ আদিৰ বৰ্ণনাই উপন্যাসৰ যথেষ্ট ঠাই আগুৰি ধৰিছে। উপন্যাসখনৰ কলেৱৰ ডাঙৰ হোৱাৰ ইও এটা কাৰণ। তদুপৰি সেই সময়ৰ ৰাজনৈতিক বাতাৱৰণ আৰু পৰিৱেশ চিত্ৰণেও বৰ্ণনা বাহুল্যত বৰঙণি যোগাইছে। যুদ্ধৰ অব্যাহতিৰ পিছৰ অস্থিৰ ধুমুহা সম্ভাব্য ৰাজনৈতিক বাতাবৰণৰ লগত সামাজিক জীৱন আৰু ব্যক্তিগত প্ৰেম-প্ৰীতিৰ চিত্ৰ অথালি-পথালিকৈ বৈ দিয়াৰ ফলত কাহিনীয়ে জটিলতা লাভ কৰিছে। কিন্তু এই কথাও মনত ৰাখিব লাগিব যে খুটিংলা, ৰিশ্বাং আৰু ফানিটফাঙৰ প্ৰেমৰ ত্ৰিভুজৰ বিকাশ আৰু তাৰ পৰিণতিত ৰাজনৈতিক বাতাৱৰণৰ কিছু প্ৰভাৱ লক্ষ্য কৰা যায়। ৰিশ্বাং আৰু ফানিটফাঙ অস্থিৰ ৰাজনৈতিক পৰিৱেশৰ লগত জড়িত হৈ এজন আহত আৰু এজন নিহত হৈছিল। বিপ্লৱী দলভুক্ত হৈও ফানিটফাঙ খুটিংলাৰ আকৰ্ষণত পৰি দলক বিশ্বাসঘাটকতা কৰি বিদ্ৰোহী দলৰ গুপ্তস্থানৰ সম্ভেদ দিছিল, যাৰ ফলত সি বিদ্ৰোহীৰ হাতত নিহত হ'বলগা হয়। কিন্তু সেই বিশ্বাসঘাটকতাই বন্দী ৰিশ্বাঙৰ মুক্তিত সহায় কৰিলে। ৰাজনৈতিক বিপৰ্যয়ৰ ফলতে চাৰেংলা পতিতা হয় আৰু আশৈশৱ প্ৰেমৰ পাত্ৰ ৰিশ্বাঙৰ আশা পৰিত্যাগ কৰিবলগীয়া হয়। গতিকে ৰাজনৈতিক ঘটনাৰ লগতে কাহিনীৰ জটিলতা বৃদ্ধি কৰাত ইন্ধন যোগাইছে ধৰ্ম আৰু মাটি সম্বন্ধীয় কাজিয়াই। দুয়োটা যুগৰ মৃত্যুৰ লগে লগে সিহঁতৰ মিলনৰ পথ সুগম হৈ পৰে। দুই-এঠাইত লেখকে অপ্ৰয়োজনীয় খণ্ড সংযোগ কৰি কাহিনীৰ কলেৱৰ বঢ়াইছে। ৰিশ্বাঙে কালিগঞ্জ লোকৰ পাৰত লগ পোৱা যুৱক-যুৱতীহাল আৰু সেই সম্পৰ্কত সন্নিবিষ্ট কৰা বৰ্ণনাসমূহ অপ্ৰয়োজনীয় বুলি ধাৰণা নহৈ নাথাকে। ৰিশ্বাঙৰ মানসিক গঠন আৰু চাৰিত্ৰিক অভিব্যক্তিত ইয়াৰ কোনো প্ৰভাৱ নাই।


উপন্যাসখনত ভালেকেইটা চৰিত্ৰৰ সমাৱেশ ঘটিছে যদিও প্ৰধানতঃ ৰিশ্বাং, ফানিটফাঙ, খুটিংলা, চাৰেংলা, মেজৰ খাটিঙৰ বাপেক নাজেক, ৰিশ্বাঙৰ বাপেক ইয়েংমাচ, খুটিংলাৰ বাপেক ঙাঠিঙমুই আৰু ভিডেশ্যেলী। ভিডেশ্যেলীয়ে দুই-এবাৰ মাত্ৰ ভুমুকি মাৰিছে যদিও তেওঁৰ আদৰ্শৰে আৰু অন্তৰালত থাকি কৰা কাৰ্যাৱলীয়ে কাহিনী আৰু চৰিত্ৰৰ যথেষ্ট প্ৰভাৱ পেলাইছে। মানুহজনৰ শাৰীৰিক বৰ্ণনাই অন্তৰৰ কঠোৰতা দৃঢ় মনোভাৱ আৰু স্থিৰ লক্ষ্যৰ ইংগিত দিয়ে। তেওঁ বিচাৰে নগাৰ স্বকীয়তা, জাতীয় বৈশিষ্ট্য ৰক্ষা কৰি উন্নতিৰ পথত আগবাঢ়ি যাবলৈ এখন স্বতন্ত্ৰ ৰাষ্ট্ৰ। তেওঁৰ ধাৰণা যে নগাভূমি ভাৰতৰ অংগীভূত হ'লে বিশাল ভাৰতীয় সমাজে নগাৰ স্বকীয় কালিকা বা প্ৰতিভা গ্ৰাস কৰি নগা সমাজৰ স্বতন্ত্ৰতা নষ্ট কৰিব। নিজ আদৰ্শ কাৰ্যকৰী কৰিবৰ কাৰণে ভিডেশ্যেলীয়ে যিকোনো পন্থা গ্ৰহণ কৰিবলৈ সাজু। তেওঁৰ চৰিত্ৰ আৰু আদৰ্শৰ সহধৰ্মী আছিল খাটিঙৰ বাপেক নাজেক, যি নগাৰ নগাত্ব ৰক্ষা কৰাত গভীৰ বিশ্বাসী আছিল। সেই কাৰণেই পুতেক খাটিঙক খাচিয়া ছোৱালী বিয়া কৰোৱা কাৰণে নাজেকে ত্যাজ্যপুত্ৰ কৰিছিল আৰু ভিডেশ্যেলীক থিলা কাপো পাতি মৃত্যুবৰণ কৰিছিল। ইয়েংচাম আৰু ঙাঠিঙখুইৰ চৰিত্ৰত নাজেক, ভিডেশ্যেলীৰ নগা সচেতন মনোভাব নাই যদিও নগা জাতীয় চৰিত্ৰৰ একুৰীয়া মনোভাব আৰু প্ৰতিশোধপৰায়ণতা স্পষ্ট হৈ প্ৰকাশ পাইছে। পুতেক ৰিশ্বাঙৰ শিক্ষা-দীক্ষাক লৈ ইয়েংমাচাৰ যথেষ্ট অহংকাৰো প্ৰকাশ পাইছে। ইয়াৰ প্ৰতিটো চৰিত্ৰৰে আপোন আপোন বৈশিষ্ট্য আছে। কোনো চৰিত্ৰৰে গতি-বিধি কাম-কাজৰ ওপৰত তেওঁ মন্তব্য দিয়া নাই। কিন্তু প্ৰত্যেককে বুজিবলৈ যত্ন কৰিছে আৰু প্ৰকৃত সহানুভূতিৰে উপস্থাপন কৰিছে।

পৰিৱেশ বা অৱস্থাবিশেষৰ বৰ্ণনাও নগাৰাজ্যৰ জনসাধাৰণ চাল-চলন, হাৱ-ভাৱ, প্ৰাত্যহিক জীৱনযাত্ৰা, নগা পাহাৰৰ বাট-পথ আদিৰ কথা লেখকে সূক্ষ্মভাৱে আৰু নিখুঁতকৈ বৰ্ণনা কৰিছে। প্ৰকৃতি ৰাজ্য নগা পাহাৰৰ অপূৰ্ব প্ৰাকৃতিক শোভাৰাজিয়ে লেখকৰ মন আকৃষ্ট কৰিছে। প্ৰকৃতিৰ সূক্ষ্ম পৰ্যবেক্ষণ এই উপন্যাসৰ এক প্ৰধান বিশেষত্ব।

মুঠতে উপন্যাসৰ কাহিনী, পটভূমি, চৰিত্ৰৰ সফল সন্তুলনে উপন্যাসখনক এক সফল সমাপ্তি ঘটাইছে বুলি ক'ব পৰা যায়।

গ্ৰ. ন্থ. আ. লো. চ. না

# মৰিয়ম আষ্টিন আৰু হীৰা বৰুৱা




**মমী নাথ**
ৰাজনীতি বিজ্ঞান বিভাগ

কেৱল বঁটা-সন্মানেৰে নহয়, সবল যুক্তিনিষ্ঠ তথা বাস্তৱধৰ্মী গল্প-উপন্যাসেৰে অসমীয়া সাহিত্যৰ জগতত খলকনি যোগোৱা এগৰাকী বিশিষ্ট সাহিত্যিক হ'ল অৰুপা পটংগীয়া কলিতা। সমাজৰ নিৰ্মম তথা ৰূঢ় বাস্তৱতাৰ প্ৰতিফলন ঘটোৱা লেখিকাগৰাকীৰ গল্প-উপন্যাসৰ মূলতে আছে সমাজৰ একো একোগৰাকী নাৰী। অসমীয়া সমাজত বাস কৰা কিছুমান নিৰ্যাতিতা নাৰী তথা দুৰ্ভগীয়া চৰিত্ৰৰ মাজেৰে নিষ্ঠুৰ বাস্তৱতাৰ মাজলৈ যাব বিচৰা চন্দ্ৰ প্ৰকাশৰ দ্বাৰা প্ৰকাশিত ২০১৪ বৰ্ষৰ সাহিত্য অকাডেমী বঁটাপ্ৰাপক মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা গল্প সংকলনটিত লেখিকাগৰাকীয়ে দহটা গল্প সন্নিৱিষ্ট কৰিছে। এই সংকলনটিত অন্তৰ্ভুক্ত গল্পসমূহে লেখিকাগৰাকীৰ কল্পনাপ্ৰৱণতা আৰু সৃষ্টিশীলতাৰ বৈচিত্ৰ্য অতি নিখুঁতভাৱে প্ৰতিফলিত কৰিছে। প্ৰতিটো গল্পতে আছে পৰিৱৰ্তনশীল সমাজৰ এক বাস্তৱ ৰূপ। পৰিৱৰ্তনৰ ফলত বিপৰ্যস্ত, নিঃসংগ, অস্থিৰতা আৰু হাহাকাৰত কাতৰ হোৱা মানুহৰ কাহিনীৰে মৰ্মান্তিক ভাষাৰে তেওঁ সাহিত্যৰ সৃষ্টি কৰিছিল। তেওঁৰ লিখনশৈলী অত্যন্ত শক্তিশালী আৰু আকৰ্ষণীয়। অসমীয়া ভাষাৰ স্পষ্টতা, ভাষাৰ সমল, সহমৰ্মিতা, সংবেদনশীলতা আদি অতি সুন্দৰ ৰূপত লেখিকাগৰাকীয়ে সাহিত্যৰাজিত প্ৰয়োগ কৰিছে। তেওঁ বিদগ্ধ পণ্ডিত হৈও সেই বিদগ্ধতা পৰিহাৰ কৰি অতি সৰলভাৱে গল্পসমূহ স্পষ্ট ৰূপত ফুটাই তোলে। সেয়েহে পাঠকৰ আগ্ৰহ, ঔৎসুক্য গল্পটিত বজাই ৰাখিব পাৰে।

'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' গল্প সংকলনটিত লেখিকাগৰাকীয়ে সমাজৰ এক যন্ত্ৰণাকাতৰ পৰিস্থিতি অংকন কৰিছে। এই সংকলনটোৰ গল্পসমূহ মানৱ জীৱনৰ দাপোণস্বৰূপ। আটাইকেইটা গল্পই বাস্তৱধৰ্মী আৰু সৰল। সেয়ে সংকলনটিয়ে সকলো ৰুচিশীল পাঠককে আকৰ্ষণ কৰে।

**প্ৰথম অধ্যায় ঃ-**

সংকলনটিৰ প্ৰথম গল্প 'অশ্ৰুলিপি'। এই সংকলনটিত আকৌ কেইবাটাও গল্প সন্নিৱিষ্ট কৰা হৈছে। সেইকেইটা হ'ল— 'আশ্ৰয় শিবিৰৰ বেশ্যাকেইগৰাকী', 'কেশৱতী কন্যা মাইনাও', 'পদূলিত দুজোপা বকুল গছেৰে ঘৰটোৰ নিভা বৌ', 'শিল পৰা কপৌ আয়েংলা', 'পিঠাখোৱা ৰাক্ষসীৰ সাধু কোৱা সুৱাগমণিৰ মাক', 'ঘোঁৰাৰ চেঁকুৰৰ ছন্দৰ কবিতা ভাল পোৱা সুৰভি বৰুৱা'।

ইয়াৰে প্ৰথম গল্পটি 'আশ্ৰয় শিবিৰৰ বেশ্যাকেইগৰাকী'ৰ উপস্থাপন অতি হৃদয়স্পৰ্শী। উ লিয়েনৰ মাকক প্ৰতীক হিচাপে লৈ গল্পটি আৰম্ভণি হৈছে। জাপানে চীন দেশ আক্ৰমণ কৰাৰ সময়ত জাপানী সৈনিকবোৰে কেনেকৈ চীন দেশৰ ওপৰত বিশেষকৈ নাৰীসকলৰ ওপৰত অপ্ৰত্যাশিতভাৱে নিৰ্যাতন চলাইছিল সেই বিষয়ে গল্পকাৰে স্পষ্টভাৱে প্ৰকাশ কৰিছে। সেই সময়ত মহিলা তথা ছোৱালীসকল যে কেৱল সৈনিকবোৰৰ ভোগ-বিলাসৰ একমাত্ৰ উৎস আছিল সেই বিষয়েও উল্লেখ কৰিছে। এই গল্পটিৰ দ্বাৰা কেৱল সেই সময়ৰ নাৰীসকলে যি ত্যাগ, অত্যাচাৰ আৰু সমস্যাৰ সন্মুখীন হ'বলগা হৈ আছে সেই সকলোবোৰ কথা কলাসন্মতভাৱে উপস্থাপন কৰিছে।

‘অশ্ৰুলিপি’ৰ অন্য এটি গল্প সংকলন হ’ল— ‘শিল পৰা কপৌ আয়েংলা’। এই গল্পটি অতি মৰ্মস্পৰ্শী। ইয়াত আয়েংলা হ’ল মূল চৰিত্ৰ। গল্পটিৰ দ্বাৰা লেখিকাই সাম্প্ৰতিক সমাজত নাৰীয়ে বলি হোৱা শাৰীৰিক অত্যাচাৰ তথা পুৰুষৰ হাতৰ পুতলা হৈ কেনেদৰে স্বতন্ত্ৰতা হেৰুৱাইছিল, সেই নিৰ্মম সত্যক প্ৰকাশ কৰিছে। বৰ্তমান একবিংশ শতিকাতো এক নিকৃষ্ট শ্ৰেণীৰ লোকে নাৰীৰ দুৰ্বলতাৰ সুযোগ লৈ ধৰ্ষণ, হত্যা আদিৰ দৰে শিহৰণকাৰী কাৰ্যসমূহ কেনেদৰে ঘটাই আছে আৰু ফলশ্ৰুতিত নাৰীসকলে কেনেদৰে শাৰীৰিক-মানসিকভাৱে ভাগি পৰে তাৰ বৰ্ণনা লেখিকাগৰাকীয়ে আয়েংলা চৰিত্ৰৰ জৰিয়তে সমাজৰ লোকসকলৰ মানসিকতাত প্ৰভাৱ পৰাকৈ বৰ্ণনা কৰিছে।

ইয়াৰে অন্য এটি গল্প হ’ল—‘পিঠা খোৱা ৰাক্ষসীৰ সাধু কোৱা সুৱাগমণিৰ মাক’। গল্পটিত সমাজ জীৱনৰ বাস্তৱ প্ৰতিচ্ছবি ফুটি উঠিছে। লগতে অতি নিষ্ঠুৰ আৰু যন্ত্ৰণাকাতৰ সত্যও গল্পটিত প্ৰতিফলিত হৈছে। সুৱাগমণি আৰু সুৱাগমণিৰ মাক গল্পটিৰ মূল চৰিত্ৰ। গল্পটিত বৰ্ণিত অনুসৰি পোন্ধৰ আগষ্টৰ দিনা সুৱাগমণিহঁতৰ বিদ্যালয়ত জাতীয় পতাকা উত্তোলন কৰিবলৈ লৈছিল, কিন্তু হঠাতে সিহঁতৰ নশ্বৰ দেহ পৰম জ্যোতিৰ লগত বিলীন হৈ গ’ল।

গল্পকাৰে ৰাক্ষসীৰ চৰিত্ৰৰ দ্বাৰা সমাজৰ সন্ত্ৰাসবাদী, উগ্ৰপন্থী, সংগঠন আদিবোৰৰ নীচ মনোবৃত্তিৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। বৰ্তমান সময়তো আমি নিজকে স্বতন্ত্ৰ বুলিব নোৱাৰা এটা অৱস্থাত আছোঁ বুলি ক’লেও ভুল কোৱা নহ’ব। লেখিকাই গল্পটোৰ দ্বাৰা সমাজৰ ব্যতিক্ৰমী ৰূপটো উদঙাই দেখুৱাইছে।

অশ্ৰুলিপি গল্প সংকলনত সন্নিৱিষ্ট এইকেইটা গল্পৰ দৰে ‘কেশৱতী কন্যা মাইনাও’, ‘পদুলিত দুজোপা বকুল গছেৰে ঘৰটোৰ নিভা বৌ’ আৰু ‘ঘোঁৰাৰ চেঁকুৰৰ ছন্দৰ কবিতা ভাল পোৱা সুৰভি বৰুৱা’, গল্পকেইটাও অতি সুন্দৰ আৰু সমাজৰ এক জীৱন্ত দলিলসদৃশ। এই সংকলনৰ প্ৰতিটো গল্পই অতি হৃদয়স্পৰ্শী আৰু বেদনাদায়ক। এই গল্পবোৰত বিশেষকৈ পুৰুষৰ লালায়িত চৰিত্ৰ প্ৰকাশ পাইছে। তেওঁৰ গল্পবোৰত সমাজে নাৰীক কেনেদৰে ভৰ্ৎসনা বা অৱহেলা কৰে, সেই বিষয়েও সুন্দৰ ৰূপত আলোকপাত কৰিছে যাতে সমাজৰ লোকসকলৰ মনত নাৰীৰ প্ৰতি থকা মনোভাব কিছু পৰিমাণে সলনি হয়।

**দ্বিতীয় অধ্যায় ঃ-**

‘পুতাগ্নি’ —এই সংকলনটিয়েও বৰ্তমান উচ্ছৃংখল যুৱ সমাজৰ ছবি দাঙি ধৰিছে। এই সংকলনটিটো কেইবাটাও গল্প সন্নিৱিষ্ট কৰা হৈছে। সেয়া হৈছে— ‘মাই ডেড ইজ এ এ টি এম ’ ‘আই এম ছেক্সী’, ‘ভঙা চাইকেলত বান্ধি থোৱা এখন দা’, ‘মই স্বাৰ্থপৰ নহয়, কিন্তু মোক সকলো বস্তু লাগে’।

এই সংকলনটিত সন্নিৱিষ্ট সকলো গল্পই বৰ্তমান সমাজৰ এক নগ্ন চৰিত্ৰ অংকিত কৰিছে। গল্পটিত ধনী শ্ৰেণীৰ আলসুৱা সন্তানে কেনেদৰে মাক-দেউতাকৰ টকা-পইচাৰে আনৰ আগত নিজৰ অসৎ চৰিত্ৰ তথা উদ্ভণ্ডালি প্ৰকাশ কৰে অথচ মাক-দেউতাকে তাৰ ভূ নাৰাখে বা সকলোবোৰ দেখি-শুনি একো কৰিব নোৱাৰাৰ দুখত কেনেদৰে ছট্‌ফটায়, সেই সম্পৰ্কেও গল্পটিত উল্লেখ কৰিছে।

‘পুতাগ্নি’ সংকলনত সন্নিৱিষ্ট আটাইকেইটা সংকলনৰ ভিতৰত দুখলগা গল্পটি হ’ল— ‘ভঙা চাইকেলত বান্ধি থোৱা এখন দা’। গল্পটিত দুৰ্ভগীয়া পিতৃয়ে কেনেদৰে নিজ পুত্ৰৰ দাবীত হাৰ মানিছে সেই বিষয়ে অতি জীৱন্ত ৰূপত বৰ্ণনা কৰিছে।

**তৃতীয় অধ্যায় ঃ-**

পুত্ৰৰ বাবে এটা গৰম জেকেট, এই গল্পত মাতৃত্বৰ স্নেহ প্ৰকাশ পাইছে। এগৰাকী মাতৃৰ বাবে পুত্ৰপ্ৰেম আপুৰুগীয়া। গল্পটোত কুন্তীবালাক জী-জোঁৱায়েকে সকলোবোৰ সুবিধা দিয়ে যদিও বুঢ়ীৰ পুত্ৰলেহে অধিক টান। নাতিনীয়েক ককাক-আইতাকৰ আঁচলৰ ধন। কিন্তু গল্পটিত ইয়াক ব্যতিক্ৰম ৰূপত সজাই তুলিছে। গল্পত বুঢ়ী কুন্তীবালাই পুত্ৰৰ বাবে জীয়েকৰ ঘৰৰ পৰা নাতিয়েকৰ গৰম জেকেটটো চুৰ কৰি আনিহে শান্তি পায়। অৱশ্যে এগৰাকী মাতৃয়ে নিজৰ পুত্ৰৰ বাবে কিমান কি কৰিব পাৰে, সেই ভাব এই গল্পৰ দ্বাৰা লেখিকাগৰাকীয়ে প্ৰকাশ কৰিছে।

**চতুৰ্থ অধ্যায় ঃ-**

সংকলনটিৰ চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট ‘আৰ্চি’ গল্পটিৰ উপস্থাপন অতি ব্যতিক্ৰমী ৰূপত কৰা হৈছে। বিভিন্ন গণমাধ্যমত প্ৰকাশ পোৱা খবৰবোৰে এখন সমাজ তথা ব্যক্তিক কেনেদৰে প্ৰভাৱ পেলায়, সেই কথা গল্পটিত বৰ্ণনা কৰিছে। বৰ্তমান দিনক দিনে বৃদ্ধি পাই অহা অন্যায়, অত্যাচাৰ, শোষণ-লুণ্ঠন, যুৱ উচ্ছৃংখলতা, দুৰ্ঘটনা আদি সকলোবোৰ গল্পকাৰে অতি বেদনাদায়কভাৱে ব্যাখ্যা কৰিছে।

**পঞ্চম অধ্যায় ঃ-**

‘চহৰখনত মাজনিশা সোমোৱা আধাপোৰা গাড়ীখন’ অন্য এটি গল্প। ইয়াৰ দ্বাৰা লেখিকাই সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক আদি দিশৰ এক কৰুণ চিত্ৰ অংকিত কৰিছে। তেওঁ গল্পটিৰ দ্বাৰা সমাজৰ লোকসকলৰ দুৰ্বিসহ জীৱন অতি স্পষ্ট ৰূপত ফুটাই তুলিছে। তদুপৰি লেখিকাই প্ৰতিবাদ, ধৰ্মঘট, সত্যাগ্ৰহ আদিৰ মূল কাৰ্যসূচী যে কেৱল বন্ধ হ’ব নালাগে সেই বিষয়েও পাঠক সমাজৰ বোধগম্য হোৱাকৈ আলোচনা কৰিছে।

**ষষ্ঠ অধ্যায় ঃ-**

‘শুভদিন’ সংকলনটিৰ অন্য এটি মনোৰম গল্প। গল্পটিত বৰ্তমান সমাজ ব্যৱস্থাটো অতি স্পষ্ট ৰূপত উপস্থাপন কৰিছে। গল্পটিৰ দ্বাৰা লেখিকাই সমাজৰ অভিজাত আৰু বিলাসী জীৱন কটোৱা শ্ৰেণী আৰু দুবেলা দুমুঠি ভাতৰ তাড়নাত সংগ্ৰাম কৰা দৰিদ্ৰ শ্ৰেণীটোৰ দুৰ্বিসহ জীৱন অতি হৃদয়স্পৰ্শী ৰূপত বৰ্ণনা কৰিছে। তদুপৰি উচ্চ শ্ৰেণীৰ লোকৰ তুলনাত নিম্নশ্ৰেণীৰ লোকৰ মূল্য কিমান তাকো লেখিকাই গল্পটিত পাঠকৰ মনোগ্ৰাহী হোৱাকৈ বৰ্ণনা কৰিছে।

**সপ্তম অধ্যায় ঃ-**

এই গল্প সংকলনটিৰ অন্য এক আকৰ্ষণীয় গল্প ‘তালগছৰ পুলি

লগোৰা মানুহজন'। গল্পটিৰ দ্বাৰা লেখিকাই এজোপা তাল গছৰ লগত মানুহৰ জীৱনটোক তুলনা কৰিছে। যেনেদৰে এজোপা বৃক্ষ বুঢ়া হৈ যোৱাৰ লগে লগে অতি শক্তিশালী হৈ গৈ থাকে, ঠিক তেনেদৰে মানুহো জীৱনৰ শেষ পৰ্যায়লৈকে সিমানেই মূল্যৱান আৰু শক্তিশালী হৈ থাকিবলৈ ইয়াৰ দ্বাৰা বুজাব বিচাৰিছে। গল্পটিৰ ৰচনাৰীতি, ভাববস্তু, আংগিক কলা-কৌশল সকলোবোৰ বিষয়বস্তুৰ লগত খাপ খাই পৰা ধৰণৰ। গল্পটিৰ দ্বাৰা লেখিকাই এইটোও বুজাব বিচাৰিছে যে কিতাপ মানুহৰ অন্য এক সংগী, এই কথা গল্পটিত এগৰাকী ষাঠি-আশী বছৰীয়া বৃদ্ধই স্পষ্ট ৰূপত ফুটাই তুলিছে। তদুপৰি, ভিন ভিন গল্প-উপন্যাসৰ নাম এই গল্পটিত সন্নিৱিষ্ট কৰি পঢ়ুৱৈ সমাজক আৰু অতি আগ্ৰহী কৰি তুলিছে।

**অষ্টম অধ্যায় ঃ-**

সংকলনটিৰ অন্য এটি উল্লেখযোগ্য গল্প হৈছে 'বৃন্দা খুৰীৰ হাতৰ একাপ কফি'। গল্পটিত আধুনিকতাৰ কবলত উটি-ভাহি ফুৰা কেতবোৰ লোকৰ লগতে সমাজৰ আন আন সহজ-সৰল লোকৰ জীৱন বৃত্তান্ত স্পষ্টকৈ বৰ্ণনা কৰিছে। গল্পটিত বৃন্দা খুৰী মূল চৰিত্ৰ। লেখিকাই বৃন্দাখুৰী আৰু সিদ্ধাৰ্থক প্ৰকৃতিপ্ৰেমীৰূপে উপস্থাপন কৰি গল্পটিৰ আৰম্ভণি কৰিছে। বৃন্দা খুৰী সমাজৰ এগৰাকী সহজ-সৰল তথা আত্মীয় মনোভাবৰ নাৰীৰূপে অংকিত কৰাৰ পৰিৱৰ্তে সিদ্ধাৰ্থৰ প্ৰতীক এগৰাকী অসংযতা তথা আধুনিকতাৰ সোঁতত উটি-ভাহি ফুৰা নাৰীৰূপে অংকিত কৰিছে। তদুপৰি বৰ্তমান সময়ৰ আধুনিকতাৰ লগত খাপ খাবলৈ গৈ পশ্চিমীয়া সংস্কৃতিক আকোঁৱালি নিজস্বতা পাহৰি মাদক দ্ৰব্য সেৱন কৰাটোকে যে এচাম লোকে আধুনিকতা বুলিবলৈ লৈছে, সেই কথা লেখিকাই পাঠকৰ মনত সাঁচ বহুৱাব পৰাকৈ উপস্থাপন কৰিছে।

**নৱম অধ্যায় ঃ-**

সংকলনটিৰ অন্য এটি মনোমোহা আৰু অতি কৰুণ কাহিনী হৈছে 'নিজৰা'। এই গল্পটিত সন্তান, পিতৃ-মাতৃৰ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰিছে। গল্পটিত এগৰাকী বৃদ্ধাৰ অকলশৰীয়া, নিসংগ আৰু অসহায় অৱস্থা এটাৰ বেদনাদায়ক দৃশ্য অংকিত কৰিছে। বৰ্তমান সময়ত বৃদ্ধা পিতৃ-মাতৃ যে সন্তানৰ বাবে এক বোজা, সেই কথাও গল্পটিৰ দ্বাৰা নিদাৰুণভাৱে প্ৰকাশ কৰিছে। জীৱনৰ সকলো সুখ উজাৰি সন্তানক ডাঙৰ-দীঘল কৰাৰ পিছতো জীৱনৰ শেষ স্তৰত কেনেদৰে সন্তানৰ পৰা নিৰ্যাতিত হ'ব লাগে, সেই কথাও গল্পটিত লেখিকাই পাঠকৰ মনোগ্ৰাহী হোৱাকৈ আৰু অতি মৰ্মবেদনাৰে প্ৰকাশ কৰিছে।


**দশম অধ্যায় ঃ-**

সংকলনটিৰ আটাইতকৈ মনোৰম গল্পটি আৰু শেষৰ গল্পটো হৈছে 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা'। এই গল্পটি মূল গ্ৰন্থৰ নামেৰেই নামাংকিত কৰা হৈছে। এই গল্পটিয়ে পাঠকৰ মনত অতি গভীৰভাৱে ৰেখাপাত কৰিব। লেখিকাগৰাকীয়ে গল্পটিত মানৱ জীৱনৰ সূক্ষ্ম প্ৰতিফলন ঘটাইছে। গল্পটিত হীৰা বৰুৱা আৰু মৰিয়ম আষ্টিন —এই দুয়োগৰাকী নাৰীৰ জীৱন এনেদৰে বৰ্ণনা কৰিছে যে, দুয়োগৰাকীৰ মাজত কোনো প্ৰভেদ নাই।

গল্পটিত বৰ্ণিত অনুসৰি হীৰা বৰুৱাই সৰুতেই মোমায়েকৰ মুখত মৰিয়াম আষ্টিনৰ কাহিনীটো শুনিছিল। সেই কাহিনীটোৱে হীৰা বৰুৱাক বাৰুকৈয়ে ৰেখাপাত কৰিছিল। তেওঁ আষ্টিনক এগৰাকী বিশিষ্টা নাৰীৰূপে অন্তৰত স্থান দিছিল। কিন্তু, হীৰা বৰুৱাইতো জনা নাছিল অন্তিম সময়ত তেওঁৰো অৱস্থা আষ্টিনৰ দৰেই অকলশৰীয়া, নিসংগ হ'ব। লেখিকাই অতি যন্ত্ৰণাকাতৰ তথা বিৰহেৰে প্ৰকাশ কৰিছে যে বৰুৱাৰ সকলো থাকিও পতিৰ মৃত্যুৰ পিছত সোণালী নামৰ এজনী কুকুৰৰ লগত কেনেদৰে জীৱন কটাইছিল। তদুপৰি, জীৱনৰ সকলো ৰং-ধেমালি, যন্ত্ৰণা, বিৰহ আৰু পুত্ৰ-বোৱাৰীৰ পৰা লাভ কৰা দুখ বা পীড়া আদি সকলোবোৰ বাস্তৱতাৰ লগত সংগতি ৰাখি অতি কলাত্মকভাৱে আৰু মৰ্মবেদনাৰে লেখিকাগৰাকীয়ে গল্পটিত উপস্থাপন কৰিছে। ইয়াৰ উপৰি, এখন সমাজত এগৰাকী অকলশৰীয়া নাৰীয়ে কেনে ধৰণৰ সমস্যা তথা পুৰুষৰ লালায়িত দৃষ্টিৰ বলি হ'বলগা হয়, সেয়াও লেখিকাগৰাকীয়ে সুন্দৰভাৱে উপস্থাপন কৰিছে।

অৰূপা পটংগীয়া কলিতাৰ 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' — এই গল্প সংকলনখনিত অন্তৰ্ভুক্ত প্ৰত্যেকটো গল্পই বাস্তৱ সমাজৰ এক নিখুঁত প্ৰতিচ্ছবি প্ৰতিফলিত কৰিছে। সময় পৰিৱৰ্তনশীল। সময়ৰ লগে লগে সমাজো পৰিৱৰ্তনশীল। এই পৰিৱৰ্তনশীল সমাজৰ লগত খোজ মিলাবলৈ যাওঁতে মানৱ জীৱনত কেনেধৰণৰ প্ৰভাৱ পৰিছে, সেই বিষয়ে লেখিকাগৰাকীয়ে বাস্তৱতাৰ লগত সংমিশ্ৰণ ঘটাই গল্পকেইটিত তাৰ সুন্দৰ প্ৰতিফলন ঘটাইছে। বৰ্তমান সময়তো নাৰীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা, ধৰ্ষণ, হত্যা, উৎপীড়ন, অপহৰণ আদি সকলোবোৰ সমস্যাৰ বিষয়ে লেখিকাগৰাকীয়ে অতি স্পষ্টভাৱে আৰু বিচক্ষণতাৰে গল্পকেইটিত প্ৰতিফলিত কৰাইছে। যুৱ সমাজৰ উচ্ছৃংখলতা, নৈতিক, সামাজিক মনোভাব, দায়বদ্ধতা, কু-সংস্কাৰ, লোকবিশ্বাস আদি সকলোবোৰ তীব্ৰ ভাষাৰে ব্যক্ত কৰিছে। তদুপৰি সাম্প্ৰতিক সমাজ ব্যৱস্থা, মানুহৰ মনোভাব আদিক আধুনিকতাৰ কৰালগ্ৰাসে কেনেদৰে নিম্ন স্তৰলৈ লৈ গৈছে, সেই বিষয়েও লেখিকাগৰাকীয়ে পাঠকৰ মনত সাঁচ বহুৱাব পৰাকৈ অতি নিভাঁজ, গভীৰ আৰু চাতুৰ্যতাৰে বৰ্ণনা কৰিছে।

মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱাৰ প্ৰতিটো গল্পই লেখিকাক এগৰাকী নাৰীবাদী, উচ্চ আৰু ব্যতিক্ৰমী সাহিত্যিক হিচাপে চিনাকি কৰাইছে। মানৱ জীৱনৰ জীৱন্ত দলিলৰূপে এই গল্প সংকলনখনে প্ৰত্যেকজন ৰুচিশীল পাঠকৰে অন্তৰ স্পৰ্শ কৰিব। পৰিৱেশষত 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' গল্প সংকলনখনি এখন যুগজয়ী, কালজয়ী, অক্ষয়-অব্যয় গ্ৰন্থৰূপে চিৰদিন জিলিকি থাকক— এয়ে কামনা।




গ্ৰ. ন্থ. আ. লো. চ. না

# হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ'

**কবিতা ফুকন**
অসমীয়া বিভাগ

অসমীয়া উপন্যাস সাহিত্যত খ্যাতি অৰ্জন কৰা ঔপন্যাসিকসকলৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম। ৰূঢ় বাস্তৱিকতাক সাহসিকতাৰে উপন্যাস, গল্প, প্ৰবন্ধ, কবিতা, সমালোচনা আৰু সাংবাদিকতাৰ মাজেৰে প্ৰকাশ কৰি অহা অধ্যয়নপুষ্ট শক্তিশালী সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ জন্ম হয় উত্তৰ লক্ষীমপুৰ জিলাৰ ঢকুৱাখনাত, ১৯৩২ চনত। তেখেতৰ পিতৃৰ নাম ইন্দ্ৰধৰ বৰগোহাঞি। ১৯৫৪ চনত কটন কলেজৰ পৰা ইংৰাজীত অনাৰ্চসহ বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ কিছুদিন ধৰি এ চি এছ. বিষয়া আৰু অলপদিন শিক্ষকতাও কৰিছিল। ১৯৫৮ চনত তেওঁ চাকৰি ইস্তফা দি 'সাপ্তাহিক নীলাচল' বাতৰি কাকত সম্পাদনা কৰি বিশেষ কৃতিত্ব দেখুৱায় আৰু পৰৱৰ্তী সময়ত অসমৰ ভালেকেইখন কাকত-আলোচনীৰ সম্পাদকৰ দায়িত্ব লয়।

অসমীয়া সাহিত্য জগতত অন্যান্য সাহিত্যৰ লগতে ঔপন্যাসিক হিচাপে খ্যাতি অৰ্জন কৰা হোমেন বৰগোহাঞিদেৱৰ উপন্যাসসমূহ হ'ল— 'সুবালা', 'তান্ত্ৰিক', 'কুশীলৱ', 'হালধীয়া চৰায়ে বাওধান খায়', 'মৎস্যগন্ধা' আদি। তেওঁৰ উপন্যাসসমূহৰ বিষয়বস্তু সাধাৰণতে কিছু অসাধাৰণ সামাজিক জীৱনৰ ৰাজআলিৰ পৰা আঁতৰত অৰ্ধগলিত সংঘটিত হোৱা মানৱৰ আদিম প্ৰবৃত্তিৰ পৰিস্ফুৰণ দেখা যায়। মানৱৰ দৈৱিক ৰূপতকৈ দানৱীয় ৰূপৰ অভিব্যক্তি, যিটো ৰূপ সৰহভাগ মানুহৰ স্বাভাৱিক ৰূপ, তেওঁৰ ৰচনাত মূৰ্ত হৈ উঠিছে। প্ৰত্যক্ষভাৱে ব্যংগাত্মক নহ'লেও তেওঁৰ ৰচনাত শিক্ষিত-অৰ্ধশিক্ষিত শ্ৰেণীৰ দুৰ্নীতি, ভণ্ডামি আৰু দলিত শ্ৰেণীৰ অসহায়তা ফুটাই তুলিছে। সামাজিক সংস্কাৰৰ ফলত প্ৰদমিত জৈৱিক বাসনাৰ নগ্ন ৰূপ উদ্‌ঘাটন কৰি 'লিবিড'ৰ প্ৰভাৱ প্ৰদৰ্শন কৰাও তেওঁৰ ৰচনাত লক্ষ্য কৰা যায়।

বিশিষ্ট ঔপন্যাসিক হোমেন বৰগোহাঞিয়ে অসমীয়া সাহিত্য জগতলৈ যিসমূহ উপন্যাস আগবঢ়ালে, তাৰ ভিতৰত ১৯৭৮ চনত 'সাহিত্য অকাডেমী বঁটা' লাভ কৰা 'পিতা-পুত্ৰ' উপন্যাসখন অন্যতম। এই উপন্যাসখন আটাইতকৈ উচ্চাকাংক্ষী আৰু সৰ্ববৃহৎ সামাজিক উপন্যাস। 'পিতা-পুত্ৰ'ত প্ৰাক্-স্বাধীনতাকালৰ গাঁৱলীয়া জীৱন তথা স্বাধীনতাৰ পৰৱৰ্তী যুগৰ ৰাজনৈতিক-অৰ্থনৈতিক পৰিৱৰ্তনৰ চিত্ৰ অংকন কৰা হৈছে। আঢ্যৱন্ত গাঁৱলীয়া সংসাৰ এখন সামাজিক ব্যাধিৰ কবলত পৰি কেনেকৈ জহি-খহি উঁৱলি গ'ল, তাৰেই চিত্ৰ বৃদ্ধ পিতৃ আৰু তেওঁৰেই তিনিজন পুত্ৰৰ চৰিত্ৰৰ অৱলম্বনত কাহিনীভাগ গঢ়ি উঠিছে।

'পিতা-পুত্ৰ' উপন্যাসখনত ঔপন্যাসিকগৰাকীয়ে পূৰ্বসূচী হিচাপে চাৰিটা পৰ্বত ভাগ কৰি দেখুৱাইছে। উপন্যাসখনৰ কাহিনীভাগৰ প্ৰথমছোৱাত সৰ্বসাধাৰণ গাঁও এখনৰ বিষয়ে বৰ্ণনা কৰিছে। চহৰৰ বহু আঁতৰৰ এখন গাঁও, যিখন গাঁৱত বাৰিষা ওলাব সোমাবৰ কাৰণে ভাল ৰাস্তা-ঘাট নাই, আধুনিক সভ্যতাই যিখন গাঁৱক স্পৰ্শ কৰিব পৰা নাই সেই গাঁওখনেই হ'ল 'ম'হঘুলি'। গাঁৱৰ সৰহভাগ মানুহৰ নিজৰ খেতি-মাটি নাই, একমাত্ৰ আঢ্যৱন্ত, প্ৰাচীন আভিজাত্যৰ ঐতিহ্য বহনকাৰী শিৱনাথৰ মাটি আধি লৈ কোনোমতে জীৱন পাৰ কৰে। ম'হঘুলি আৰু তাৰ আশে-পাশে থকা গাঁওকেইখনত প্ৰাচীন বংশ গৌৰৱ আৰ্থিক স্বচ্ছলতা আৰু স্বকীয় চাৰিত্ৰিক দৃঢ়তা আৰু শিক্ষাৰ কাৰণে শিৱনাথৰ প্ৰতিপত্তি যথেষ্ট। এই উপন্যাসখনত বেছিভাগ অংশতে ম'হঘুলি গাঁৱৰ সৰ্বাত্মক চিত্ৰ অংকন কৰিছে। ঋতু পৰ্যায়ৰ লগে লগে গাঁৱৰ বিভিন্ন ৰূপ, বাৰিষা খাল-ডোং উপচি পৰা আৰু বাট-পথৰ চিন নোহোৱা, ভাল-বেয়াৰ বিমিশ্ৰ গন্ধৰে ভৰা ম'হঘূলি আৰু খৰালি সোণালী শস্যৰ সৌৰভেৰে সুৰভিত ম'হঘুলি বিভিন্ন প্ৰাকৃতিক দৃশ্যই কাহিনীৰ পটভূমি মনোৰম কৰি তুলিছে। গাঁৱৰ সমাজখন, ইয়াৰ আনন্দোৎসৱ, আৰ্থিক অনাটনত ব্যতিব্যস্ত হোৱা, ঘৰ-সংসাৰ আৰু

বিভিন্নমুখী চৰিত্ৰসমূহ উপন্যাসখনত উজ্জ্বল আৰু জীৱন্ত হৈ উঠিছে।

স্বাধীনতা লাভ কৰাৰ পিছত ম'হঘূলিৰ লগত বৰ্হিজগতৰ সহজ সম্পৰ্ক স্থাপন হোৱাৰ ফলত যেনেকৈ এফালে ৰাস্তা-ঘাট, দোকান-পোহাৰ বৃদ্ধি পাই ম'হঘূলি অঞ্চলৰ উন্নতি সাধিত হৈছে, আনফালে তেনেকৈ স্বাৰ্থান্বেষী ভুৱা দেশসেৱক এক শ্ৰেণীৰ সৃষ্টি হৈ সেই অঞ্চলৰ নৈতিক বাতাবৰণ পংকিল কৰি তুলিছে। বিদেশী চৰকাৰৰ যিবোৰ দালাল আছিল, স্বাধীনতা পোৱাৰ লগে লগে ৰাতিৰ ভিতৰতে কংগ্ৰেছৰ দলভুক্ত হৈ দেশসেৱক হৈ পৰিল। যি দুই-এজনে কংগ্ৰেছৰ স্বাধীনতা আন্দোলনত সাময়িক উত্তেজনাৰ বশৱৰ্তী হৈ দুই-চাৰিমাহ জে'ললৈ গৈছিল, তেওঁলোকে কাৰাবাসকে মূলধন কৰি ভোগ-বিলাসৰ সামগ্ৰী আৰু ক্ষমতা আহৰণত মনপুতি লাগিল। ম'হঘূলি স্থিৰ নিশ্চল জীৱনত আধুনিক সভ্যতাৰ প্ৰভাৱ পৰিল। সাতামপুৰুষীয়া বিহু ৰিঙা হ'ল, নিশা বিহু লুপ্ত পালে, ভাওনা-সবাহৰ প্ৰতি নতুন পুৰুষৰ শ্ৰদ্ধা-উৎসাহ নোহোৱা হ'ল, সামাজিক বিধি-নিষেধ নমনা হ'ল, গুৰুস্থানীয় ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা-ভক্তি কমি গ'ল। কম বয়সীয়া ডেকাচামে 'কীৰ্তন-দশম'ৰ পদৰ ঠাইত সস্তীয়া হিন্দী গানেৰে মনোৰঞ্জন কৰি চুলাই মদৰ জালত গুৰু-গোসাঁই আৰু সামাজিক শৃংখলা নমনা হ'ল।


বন্ধ পানীৰ দৰে স্থিৰ, নিশ্চল, বৈচিত্ৰ্যহীন ম'হঘূলিৰ জীৱনলৈ স্বাধীনতাৰ পিছত যি অভাৱনীয় বহু ক্ষেত্ৰত অবাঞ্ছনীয় পৰিৱৰ্তন আহিল তাৰ ধাৰাবাহিক বাস্তৱ আৰু নিস্পৃহ নিকৰুণ বিৱৰণে উপন্যাসখনৰ কাহিনী জীৱন্ত কৰি তুলিছে। কেশৱ মণ্ডল, ৰেৱ মহাজন, কনক ঠিকাদাৰ, মোহন গাঁওবুঢ়া, বিনোদ ভাৰৰীয়া, কতীয়া কৈৱৰ্ত আৰু দেবেৰা বুঢ়া আদি চৰিত্ৰসমূহতকৈ শিৱনাথৰ চৰিত্ৰৰ ওপৰত লেখকে বিশেষ গুৰুত্ব আৰোপ কৰিছে। সময়ৰ পৰিৱৰ্তনে শিৱনাথৰ শান্ত নিবিড় জীৱনলৈ ভূমিকম্পৰ জোকাৰণি আনে। শিৱনাথৰ ঘৰত শিৱনাথৰ পত্নীসহ তিনি পুত্ৰ সন্তান আৰু দুই কন্যা আছিল। তাৰ ভিতৰত বৰপুতেক গৌৰীনাথ যাৰ প্ৰতিভাদীপ্ত মুখলৈ চাই শিৱনাথে সোণালী ভৱিষ্যৎ ৰচনা কৰিছিল, বাপেক মাকৰ বংশ গৌৰৱ ম্লান কৰি জাতিভেদৰ দুৰাতিক্ৰমে ডেওনা পাৰ হৈ এজনী কৈৱৰ্ত ছোৱালী বিয়া কৰোৱাৰ বাবে শিৱনাথে তাজ্যপুত্ৰ কৰিছিল কাৰণ এনে কৈৱৰ্তই শিৱনাথৰ ঘৰৰ পিৰালিতহে আসন পাইছিল। শিৱনাথৰ সৰু পুতেক লক্ষ্মীনাথে মদ আৰু জুৱাত মাতাল হৈ নিতৌ ঘৰতে এখন কুৰুক্ষেত্ৰ সৃষ্টি কৰে। শিৱনাথৰ মাজু পুতেক কালীনাথে মাক-বাপেকৰ মনলৈ হেৰোৱা শান্তি অনাৰ মানসেৰে পঢ়া-শুনা বাদ দি গাঁৱলৈ উভতি আহি গাঁৱৰ সংস্কাৰৰ কামত সহকৰ্মী বিচাৰি যাওঁতে বাল্যবন্ধুৰ ঘৰত বহাগীক লগ পাই আকৃষ্ট হয় যদিও বাপেকৰ আভিজাত্যবোধৰ লগত আপোচ কৰি শেষত বহাগীক ত্যাগ কৰে আৰু গাঁৱৰ দুৰ্নীতিৰ মূল মদৰ ব্যৱসায় বন্ধ কৰিবলৈ চেষ্টা চলায়। শিৱনাথৰ পত্নীৰ যি চৰিত্ৰ অংকন কৰিছে সেই চৰিত্ৰই ধৰ্মপত্নীৰ সকলো লক্ষণ পূৰ্ণ কৰিছে। এই কাৰণেই পত্নীৰ মৃত্যুৰ পিছত শিৱনাথৰ মৃত্যু আতংক নোহোৱা হৈছে। তেওঁৰ কাৰণে যেন ৰূপ-ৰস-গন্ধে ভৰা পৃথিৱীৰ মোহিনী আকৰ্ষণ চিৰকাললৈ পত্নীৰ লগে লগে আঁতৰি গৈছে। জীৱনৰ নিচিনাকৈ মৃত্যুও এদিন কেনেকৈ মানুহৰ কাম্য হৈ উঠে, সেইটো শিৱনাথে উপলব্ধি কৰিলে পত্নীৰ মৃত্যুৰ লগে লগে আৰু বুজিও পালে যে এক পৰম নিঃসংগতাই মৃত্যুতকৈ জীয়াই থকাটোহে ভয়াৱহ কৰি তোলে।

কাহিনীৰ শেষৰ ফালে সৌমিত্ৰ নামৰ অন্য এক চৰিত্ৰই আকৰ্ষণ কৰিছে। এই চৰিত্ৰটো সম্ভৱতঃ কালিনাথৰ আপোচকামী মনোবৃত্তিৰ লগত বৈসাদৃশ্য প্ৰদৰ্শন কৰিবলৈকে সৰ্বাত্মক বিপ্লৱী চৰিত্ৰ সৃষ্টি কৰিছে। শেষত কালীনাথে আকস্মিকভাৱে কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত হৈ মন্ত্ৰী পদ লাভ কৰাৰ পাছতেই কাহিনীটো সমাপ্ত ঘটিছে।

'পিতা-পুত্ৰ' উপন্যাসখনৰ এটা উল্লেখযোগ্য বিষয় হ'ল, পিতা-পুত্ৰৰ অৰ্থাৎ দুই পুৰুষৰ মাজত গঢ়ি উঠা আদৰ্শ আৰু মতদ্বৈধ। প্ৰাক্-স্বাধীনতা কালৰ সেই আপোন গাঁওখন, তাৰ সমাজখন, সমাজৰ চিৰাচৰিত নীতি, আদৰ্শ বা প্ৰমূল্যৰ প্ৰতীক, অসমীয়া সমাজখনৰ সজ আৰু পৰম্পৰাগত দিশটোৰ এখন ছবি আৰু স্বাধীনতাৰ পিছত স্বাধীন দেশৰ নতুন যুগত লাভ কৰা প্ৰগতিবাদী আদৰ্শসমূহ ব্যক্তিগত, পাৰিবাৰিক আৰু সামাজিক কাৰ্যাৱালীত পুত্ৰৰ স্বভাৱত পিতৃৰ যি মনোকষ্ট আৰু অন্তৰ্দ্বন্দ্বৰ ভাব ফুটি উঠিছে, সেয়েই উপন্যাসখনৰ মূল বিষয়বস্তু। সৎ আদৰ্শ হৈও পূৰ্বৰ যুগৰ সংৰক্ষণশীলতাই যে নতুন যুগৰ প্ৰগতিবাদী আদৰ্শৰ ওচৰত নতি স্বীকাৰ কৰিব লাগিব এনে অৱশ্যম্ভাৱী প্ৰক্ৰিয়াৰ সকলো কাৰুণ্য সত্বেও সেই বাণীকেই উপন্যাসখনে বহন কৰিছে। উপন্যাসখনৰ এটা মন কৰিবলগীয়া বৈশিষ্ট্য হ'ল— ইয়াৰ অন্যতম প্ৰধান চৰিত্ৰ শিৱনাথৰ স্মৃতিচাৰণৰ অন্তৰালত লেখকৰ আত্মজীৱনীৰ বহু শৈশৱৰ অভিজ্ঞতা আৰু স্মৃতি সংগোপনে বিজড়িত হৈ আছে। শৈশৱৰ স্মৃতিবোৰে প্ৰৌঢ় শিৱনাথৰ মানসপটত উন্মনাৰ ভাব সৃষ্টি কৰাৰ নিচিনাকৈ লেখকৰ অন্তৰতো শৈশৱৰ এৰা-ধৰা স্মৃতিবোৰে সুদূৰৰ ৰিঙৰ দৰে প্ৰতিধ্বনি তোলাৰ ফলতে পিতা-পুত্ৰৰ নষ্টালজিক বৰ্ণনাসমূহ ঠায়ে ঠায়ে হৃদয়স্পৰ্শী হৈ পৰিছে।

ঔপন্যাসিকগৰাকীৰ লেখাৰ শৈলী অধিক শক্তিশালী আৰু গদ্য স্বকীয়তাৰে উজ্জ্বল। সেয়ে উপন্যাসখনৰ মূল্যৱান সম্পদ হৈছে- বলিষ্ঠ কথন ৰীতি, গ্ৰাম্যাঞ্চলৰ নৈসৰ্গিক ৰূপৰ কাব্যিক বৰ্ণনা, শিৱনাথৰ মনোজগতৰ ভাব-অনুভূতি, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ আদি বিৱৰণ।

দুটা পুৰুষৰ জীৱনৰ আধাৰত ৰচিত হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ' উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যৰ এক অমূল্য সম্পদ আৰু অসমীয়া সামাজিক উপন্যাসসমূহৰ ভিতৰত আটাইতকৈ উচ্চাকাংক্ষী আৰু সৰ্ববৃহৎ সামাজিক উপন্যাস।






# কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা'

**প্ৰণামী বৰুৱা**
অসমীয়া বিভাগ

'অসীমত যাৰ হেৰাল সীমা' এখন সুন্দৰ উপন্যাস। উপন্যাসখনত জীৱনৰ বহু দিশ পোৱা যায়। উপন্যাসখনৰ ভাষা সৰল, প্ৰাঞ্জলভাৱে লেখকে উপস্থাপন কৰিছে। শব্দৰ প্ৰয়োগ অতি সুন্দৰ।

'অসীমত যাৰ হেৰাল সীমা'ৰ লেখক কাঞ্চন বৰুৱা। ভূৱন মোহন বৰুৱাই কাঞ্চন বৰুৱাৰ ছদ্মনামত এই সুন্দৰ উপন্যাসখন লিখিছিল। উপন্যাসখনৰ জনপ্ৰিয়তা বৰ্তমানেও বৃদ্ধি পাই আহিছে। লেখকে এই উপন্যাসখনৰ বাদেও বিভিন্ন গ্ৰন্থৰ জৰিয়তে আত্মপ্ৰকাশ কৰিছে। বাস্তৱ আৰু কল্পনা দুয়োটাই উপন্যাসখনত দেখিবলৈ পোৱা যায়। মূল কথাখিনি তুলনামূলকভাৱে আলোচনা কৰা হ'ল। অসমীয়া সাহিত্য জগতত সাৰ্থক সৃষ্টিৰ অন্যতম নজিৰৰূপে পৰিগণিত সকলো প্ৰজন্মৰ এজন প্ৰিয় উপন্যাস হ'ল অসীমত যাৰ হেৰাল সীমা। প্ৰয়াত ভূৱন মোহন বৰুৱাই কাঞ্চন বৰুৱাৰ ছদ্ম নামত লিখা প্ৰথমখন উপন্যাস। কালজয়ী উপন্যাসখনৰ প্ৰথম প্ৰকাশ হৈছিল ১৯৪৫ চনৰ ১৫ আগষ্টত। তেতিয়াৰ পৰা আজিলৈকে উপন্যাসখনৰ জনপ্ৰিয়তা কিঞ্চিৎমানো হ্ৰাস পোৱা নাই। আজিও উপন্যাসখনৰ যাদুৱে পাঠক সমাজক সমানেই মুগ্ধ কৰি ৰাখিছে। সৰল অৰ্থত অসমীয়া সাহিত্য জগতত এইখন এখন অনুপম সংযোজন।

"তেতিয়াৰ পৰা আজিলৈকে উপন্যাসখনৰ জনপ্ৰিয়তা কিঞ্চিৎমানো হ্ৰাস পোৱা নাই। আজিও উপন্যাসখনৰ যাদুৱে পাঠক সমাজক সমানেই মুগ্ধ কৰি ৰাখিছে। সৰল অৰ্থত অসমীয়া সাহিত্য জগতত এইখন এখন অনুপম সংযোজন।

কল্পনা আৰু বাস্তৱৰ আলম লৈয়ে সপোনৰ জন্ম। মানুহে সপোন দেখে, সপোনত কথা কয়, সপোনত কান্দে আৰু সপোনত হাঁহেও। সি বাস্তৱৰে অসংলগ্ন পুনৰাভিনয়। এটা সপোনক আধাৰ কৰিয়ে 'অসীমত যাৰ হেৰাল সীমা' উপন্যাসখনে গতি কৰিছে। উপন্যাসখনৰ আৰম্ভণিতে কাহিনীকাৰৰ এটা সৰু সপোন। বিয়াৰ বান্ধোনত বান্ধ খাব নোখোজা এজন ডেকা ল'ৰা। মাকৰ চকুপানী, পৰিয়াল-পৰিজনৰ দিহা-পৰামৰ্শ, আদেশ-উপদেশ শিৰোধাৰ্য কৰি এদিন তেওঁ বিয়াত বহিল। পাছে বিয়াৰ বান্ধোন স্বীকাৰ কৰাৰ সাহস দেখুৱাব নোৱাৰি তেওঁ ন-কইনাৰ সন্মুখৰ পৰাই পলাই ফুৰিল। বিয়াৰ চাৰি দিনৰ পাছত অভাৱনীয়ভাৱে সেই ন-কইনাৰ সৈতে মুখামুখি হ'ল। তাৰ পাছত সম্পূৰ্ণকৈ ঘূৰি যায় তেওঁৰ জীৱনৰ গতি পথ। এদিন যাৰ সান্নিধ্যত গোটেই জীৱনটোৰেই অসাৰ বুলি আক্ষেপ কৰিছিল তেওঁ। পৃথিৱীখন নতুন হৈ ধৰা দিলে তেওঁৰ দুচকুত। আধৰুৱা সপোনটোৱে পূৰ্ণতা পোৱাৰ আগতেই কাহিনীকাৰৰ বাস্তৱ জীৱন চাৰি বন্ধুৱে দখল কৰি দিয়ে। উদ্দেশ্য— পাঁচ বন্ধুৱে লগ হৈ এক অভিনৱ বিনোদন উপভোগ কৰিব। চিনাকি জনসমাগম এৰি দিহিঙৰ বুকুৰেদি নাৱেৰে উজাই গৈ কোনোবা অজান মুলুকলৈ ঢাপলি মেলাৰ প্ৰয়াস। প্ৰায় এমাহজোৰা এই বিচিত্ৰ আয়োজন।




মনত অদম্য উৎসাহ লৈ মেলি দিলে তেওঁলোকৰ নাও দিহিঙৰ বুকুত। পানী ফালি ফালি গৈ প্ৰতি মুহূৰ্তে অৰ্জন কৰিছে নতুন নতুন অভিজ্ঞতা। দৰ্শন কৰিছে নতুন দৃশ্য। নতুন আনন্দৰ সোঁতত বুৰ গৈ তেওঁলোকে একঘেয়ামিতাক এৰি জীৱনটোক নতুনকৈ উপভোগ কৰিছে। ক্ৰমে এৰি থৈ আহিছে লোকালয়ৰ ভিৰ। নাৱেৰে উজাই গৈ পোন্ধৰ দিন পাৰ হোৱাৰ পাছত তেওঁলোকে জনপ্ৰাণীহীন অটব্য অৰণ্যৰ মাজত হঠাৎ অভাৱনীয়ভাৱে সাক্ষাৎ পায় সভ্য সমাজৰ ছাঁটোও নপৰা কিছু আদিম আদিবাসীৰ। কৌতূহলৰ বশৱৰ্তী হৈ তেওঁলোক নাও এৰি পাৰত ভৰি থ'লে। কোনেও কাৰো ভাষা বুজি নাপায়। সকলোৱে লগত চিনা-পৰিচয় হৈ ৰাতিটো তাতে কটালে। পুৱা পুনৰ যাত্ৰা আৰম্ভ কৰিব খোজোঁতেই লেঠা লাগিল। নাৱৰীয়াকেইজনে বিদ্ৰোহ কৰিছে। তেওঁলোক আৰু আগলৈ নাযায়। তাৰ পৰা উজাই গ'লে হেনো ভয়ংকৰ বিপদত পৰিবলগা হ'ব। তাৰ পৰা কোনোৱে গ'লেও ঘূৰি অহা নাই। কালিকা লগা ঠাই। গোসাঁনী আছে। গ'লেই নিশ্চিত মৰণ। দাবী-ধমকি, অনুনয়-বিনয়, লোভ একোৱেই নাৱৰীয়া কেইজনক তলাব নোৱাৰি প্ৰায় জেদ কৰিয়েই পাঁচজন বন্ধুৱে নাও মেলি দিলে। খেয়ালী প্ৰকৃতিৰ অপৰূপ শোভা চাই চাই আগবাঢ়োঁতেই নিশাৰ আন্ধাৰত কোবাল বৰষুণ-ধুমুহাই তেওঁলোকক উটুৱাই নি ক'ৰবাত পেলাই দিলেগৈ। দিনৰ পোহৰত নিশাৰ ভয়াৱহতাৰ কথা পাহৰি সুস্থিৰ হ'ল। ইয়াতে বন্ধুবৰ প্ৰফেছাৰে আন এক চমক দিলে। ধুমুহাৰ তাণ্ডৱে তেওঁক ওভতাই লৈ যায় তেৰশ বছৰ পুৰণি তেওঁৰ জন্মভূমিলৈ, অতীত জীৱনলৈ। মূল কাহিনীৰ আৰম্ভ হয় তাৰ পৰা।


তেৰশ বছৰ পুৰণি প্ৰফেছাৰৰ জন্মভূমিৰ নাম আছিল কমল নগৰ। কমল নগৰৰ মাজেৰে বৈ যোৱা নৈখনৰ নাম আছিল কাঞ্চনমতী। প্ৰায় পঁচিছ হাজাৰ মানুহৰ বাসভূমি কমল নগৰৰ দীঘলে দহ মাইল আৰু বহলে আধা মাইলতকৈ বেছি নহয়। কাঞ্চনমতীৰ ওপৰত থকা পকী দলংখনৰ নাম আছিল বগা দলং। কমল নগৰৰ লগত ৰাজধানী বা ৰজাৰ সম্পৰ্ক ৰক্ষা কৰিছিল এজন ৰাজ বিষয়াই। গোটেই নগৰখনৰ শান্তি-সমৃদ্ধি নিৰ্ভৰ কৰিছিল ৰাজ বিষয়াজনৰ ওপৰত। তেওঁ আছিল কমল নগৰৰ একছত্ৰী অধিপতি।

'ৰঙাটিলা'ৰ বাসিন্দা লক্ষ্মীনাৰায়ণ প্ৰধান আৰু প্ৰথম ৰাজবিষয়া। অশোক দ্বিতীয় ৰাজবিষয়া। অশোকৰ আৱাসস্থল 'ৰূপালী পাম'। অশোকৰ পত্নী উমা আৰু দুই কন্যা মণি আৰু আৰতি। লক্ষ্মীনাৰায়ণৰ একমাত্ৰ কন্যা হ'ল গৌৰী। তাই উমাৰ বৰ মৰমৰ আছিল। উপন্যাসৰ মাজলৈ গৌৰীৰ সম্পৰ্ক চন্দনৰ লগত। দুয়োৰে মাজত অহি-নকুল সম্পৰ্ক। চন্দনৰ প্ৰেমৰ জুইত ইন্ধন যোগায় চম্পাই। পৰৱৰ্তী সময়ত চন্দন কমল নগৰৰ ৰাজ বিষয়া।

শেষত ৰাজধানীৰ পৰা বাতৰি আহিল দেশখন মহা পৰাক্ৰমী শত্ৰুৰ কবলত পৰিছে। এটা শক্তিশালী দল কমল নগৰৰ ফালে আহিছে। কমল নগৰবাসীয়ে সুৰক্ষাৰ ব্যৱস্থা নিজে কৰিব লাগিব।

যুদ্ধ হ'ল। যুদ্ধত ল'ৰা-বুঢ়া, ডেকা-ডেকেৰী কোনো বাদ নপৰিল। হাজাৰ হাজাৰ মানুহ মৰি ভূত হ'ল। অৱশ্যে শত্ৰুৰ পৰাজয় হ'ল। কিন্তু ৰণে কমল নগৰৰ অস্তিত্ব নিঃশেষ কৰিলে। যুদ্ধত মৃত্যু হ'ল সকলোৰে।

মূল কাহিনী এইটোৱেই যদিও কাহিনীৰ প্ৰয়োজনত সৰু-সুৰা ঘটনা-পৰিঘটনা উপস্থাপনে উপন্যাসখনক সাৱলীলতা দিছে, গতি দিছে। যেনে যদু খুৰাৰ জীৱন আৰু পাশা খেল প্ৰীতি। চন্দন-গৌৰীৰ প্ৰতিদিনৰ খণ্ডযুদ্ধ, চম্পাৰ বুদ্ধিমত্তা ইত্যাদি। উপন্যাসখনৰ ভাষা প্ৰাঞ্জল। ইয়াৰ বৰ্ণনাত এনে এক কাব্যিক সুৰ আছে, যিয়ে উপন্যাসখন পাঠ কৰিবলৈ পাঠকক তীব্ৰভাৱে আকৰ্ষণ কৰে। যি সময়ৰ কথা কাহিনীকাৰে বৰ্ণনা কৰিছে, তাক নিখুঁতভাৱে তুলি ধৰাত সক্ষম হৈছে বুলিব পাৰি। শব্দৰ বাছকবনীয়া প্ৰয়োগে চৰিত্ৰসমূহৰ সৈতে একাত্ম হোৱাত সহায় কৰে।



গ্ৰ. ন্থ. আ. লো. চ. না

# য়েচে দৰজে ঠংচিৰ ‘শৰ কটা মানুহ’

**মুনমী শৰ্মা**
অসমীয়া বিভাগ

কোনো এটা জাতিৰ দাপোণস্বৰূপ বুলিলে আমি সাহিত্যক বুজোঁ। সাহিত্যৰ মাজেৰে কোনো এটা সময়ৰ বিভিন্ন পৰিস্থিতি, সংস্কৃতি, লোকাচাৰ আদি প্ৰতিফলিত হয়। উপন্যাসৰ জৰিয়তেও মানৱ জীৱনৰ বিভিন্ন দিশ পৰিস্ফুট হয়, লগতে মানুহক আমোদ প্ৰদান কৰে। ‘শৰকটা মানুহ’ এনে এখন লেখত ল’বলগীয়া উপন্যাস। সাম্প্ৰতিক কালত জনপ্ৰিয়তা লাভ কৰা য়েচে দৰজে ঠংচি এই উপন্যাসখনৰ ৰচক। তেখেতৰ জন্ম হয় ১৯৫২ চনত নেফাৰ জগং নামৰ এটি চেৰদুক্পেন সম্প্ৰদায়ৰ পৰিয়ালত। তেখেতে গুৱাহাটী কটন কলেজৰ পৰা অসমীয়া বিভাগত অনাৰ্ছসহ স্নাতক ডিগ্ৰী লাভ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্কুলীয়া দিনৰে পৰা সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী ঠংচিয়ে প্ৰথমে ‘জোনবাই’ নামৰ কবিতা পুথি সংকলনেৰে সাহিত্য জীৱনৰ পাতনি মেলিছিল। তেওঁ একাধাৰে ঔপন্যাসিক, চুটিগল্পকাৰ আৰু বুৰঞ্জীবিদ।

“

আধুনিক অসমীয়া উপন্যাস সাহিত্যৰ এগৰাকী সফল ঔপন্যাসিক য়েছে দৰজে ঠংচিৰ উপন্যাসৰ এটি উল্লেখযোগ্য দিশ হৈছে অৰুণাচলৰ পাহাৰীয়া জনজাতীয় জীৱন। এই জনজাতীয় জীৱনৰ ওপৰত ৰচিত এখন উল্লেখযোগ্য উপন্যাস হ’ল ‘শৰ কটা মানুহ’।




আধুনিক অসমীয়া উপন্যাস সাহিত্যৰ এগৰাকী সফল ঔপন্যাসিক য়েছে দৰজে ঠংচিৰ উপন্যাসৰ এটি উল্লেখযোগ্য দিশ হৈছে অৰুণাচলৰ পাহাৰীয়া জনজাতীয় জীৱন। এই জনজাতীয় জীৱনৰ ওপৰত ৰচিত এখন উল্লেখযোগ্য উপন্যাস হ'ল 'শৱ কটা মানুহ'। এই উপন্যাসখনৰ মূল কাহিনী হ'ল অৰুণাচল প্ৰদেশৰ মন্‌পা জনজাতিৰ মৃতদেহ সৎকাৰ কৰা প্ৰথাৰ ওপৰত আধাৰিত।

উপন্যাসখনৰ কাহিনীটো বিশেষকৈ দ্যাৰগে নৰবু নামৰ ব্যক্তি এজনৰ জীৱনক লৈ ৰচিত। এই চৰিত্ৰটোক বিশেষকৈ আও থাম্পা বুলি জনা যায়। তেওঁ এজন শৱ কটা মানুহ অৰ্থাৎ থাম্পা। উপন্যাসখনৰ আদিৰ পৰা অন্তলৈকে এটা সুন্দৰ কাহিনী প্ৰকাশ ঘটিছে লগতে টাৱাঙৰ মন্‌পা জনজাতিৰ মৃত মানুহৰ শৱ কাটি সৎকাৰ কৰা প্ৰথাৰ সম্পূৰ্ণ নিখুঁত স্বচ্ছ ছবি এখনো অংকিত হৈছে। জনজাতীয় সমাজখনৰ পৰম্পৰা, ৰীতি-নীতিৰ পৰিচয় ফুটি উঠিছে। উপন্যাসখনৰ কাহিনীটোৰ জৰিয়তে অৰুণাচল প্ৰদেশৰ টাৱাঙৰ প্ৰাকৃতিক পৰিৱেশৰ এক মনোৰম বৰ্ণনা পোৱা যায়। উপন্যাসখনৰ পটভূমি কাল্পনিক হ'লেও ইয়াত কিছুমান ঘটনা টাৱাঙত ঘটিত সঁচা ঘটনাৰ পৰা বুটলি লোৱা হৈছে। উদাহৰণস্বৰূপে— ১৯৫০ চনৰ ভূমিকম্পত বহুত মন্‌পা মানুহৰ নিধন, ১৯৫২ চনত টাৱাঙৰ প্ৰশাসন তিব্বত চৰকাৰৰ পৰা ভাৰতীয় চৰকাৰলৈ হস্তান্তকৰণ, চীনৰ তিব্বতত অধিকাৰ আৰু দালাই লামাৰ টাৱাং জিলাৰ মাজেদি ভাৰতত প্ৰৱেশ, চীনা আক্ৰমণ আৰু সেই আক্ৰমণত বোজা কঢ়িয়াই সীমান্তলৈ যোৱা মন্‌পা মানুহৰ নিধন, দালাই লামাৰ দ্বাৰা দিৰাঙত কাল চক্ৰ পূজা আদি ঘটনাসমূহৰ বৰ্ণনা ইয়াত পোৱা গৈছে। শৱ কটা মানুহৰূপে খ্যাত হৈ গোটেই জীৱন কটাই যোৱা আও থাম্পাই শেষত নিজৰ প্ৰেমিকাকো সৎকাৰ কৰিবলগা হয় আৰু সেই মৃতদেহৰ অংশবোৰ নদীৰ পানীত উটুৱাই শেষ কৰি শেষত তেওঁৰ প্ৰেমিকাৰ (চাংগে নোৰল জোম) শিৰখণ্ডৰ লগত আও থাম্পা নিজে টাৱাং টু নদীৰ সোঁতত উটি যায়। তেওঁ ওৰে জীৱন নিজৰ দেউতাকৰ কৰ্মকে আকোঁৱালি লৈছিল। এই গোটেই উপন্যাসখনে মন্‌পা জনজাতিৰ জীৱনৰ এখন ছবি দাঙি ধৰিছে। আও থাম্পাৰ মানসিক দিশৰ লগতে জনজাতীয় জীৱনৰ নানা সুখ-দুখৰ এখন বাৰেৰঙীন বৰ্ণনা পোৱা যায়। আও থাম্পাৰ জীৱন পৰিক্ৰমা আৰু মন্‌পা জাতিৰ শৱ সৎকাৰৰ এই পৰম্পৰাত পালিত থকা থাম্পাৰ এই জীৱনটোৰ এখন স্বচ্ছ ছবি অংকন কৰাই উপন্যাসখনৰ বিষয়বস্তু।


এইখন উপন্যাসৰ পটভূমি হ'ল মন্‌পা জনজাতি। মৃত মানুহৰ শৱ সৎকাৰ কৰাৰ ওপৰত ৰচিত ইয়াৰ কথাবস্তু। ইয়াৰ চৰিত্ৰ, সংলাপ সকলো ফালৰ পৰা যথোপযুক্ত ৰচনা বুলিব পাৰি। থাম্পাৰূপে জীৱন কটোৱা এজন ব্যক্তিৰ মনস্তাত্বিক দিশটোৰ লগতে নিজকে এই কাৰ্যৰ বাবে কৰা প্ৰস্তুতি, অভিজ্ঞতাৰ বৰ্ণনা উপন্যাসখনৰ পাতে পাতে পোৱা যায়। দ্যাৰগে নৰবু চৰিত্ৰটোৱে ইয়াত প্ৰাধান্যতা লাভ কৰিছে। শৱ কাটি কাটি মানসিক দুখ-সুখৰ অনুভৱ পাহৰি যোৱা এজন ব্যক্তি, কিমান আৱেগ-অনুভূতিক নিয়ন্ত্ৰণ কৰি তেওঁ নিজ কৰ্ম কৰি গৈছে অসংখ্য শৱ কাটি গৈছে তাৰ মাজতে হয়তো কিছুমানে তেওঁৰ বহুত আপোন মানুহো আছিল। তাৰ পৰিৱেশ তাৰ মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছে তাকো ঔপন্যাসিকে দেখুৱাইছে।

শেষত এইদৰে নিজৰ প্ৰেমিকাক সৎকাৰ কৰোঁতে তেওঁৰ নিজৰ জীৱনৰো সমাপ্তি ঘটিছিল। এই উপন্যাসখনে মন্‌পা জাতিৰ এটা পৰম্পৰাৰ নিখুঁত বৰ্ণনা দি গৈছে। শৱ কটা সৎকাৰ কৰা প্ৰথাৰ সুন্দৰ বৰ্ণনা দিছে লগতে পাঠকক সেই পৰম্পৰাৰ সৈতে সুন্দৰভাৱে পৰিচিত কৰাই তুলিছে। কোনো সাধাৰণ ব্যক্তি এনে কাৰ্যৰ বাবে প্ৰস্তুত নহয়, কিন্তু এজন সাধাৰণ ব্যক্তিয়ে এই কাৰ্যৰ বাবে নিজকে কৰা প্ৰস্তুতৰ বৰ্ণনা ইয়াত পোৱা যায়। তেওঁৰ মানসিক জগতখনৰ লগত পাঠকক পৰিচিত কৰোৱাত ঠংচি ডাঙৰীয়া বাৰুকৈয়ে সফল হৈছে বুলিব পাৰি। উপন্যাসখনৰ ভাষাশৈলী সৰল। সহজে পাঠকৰ বোধগম্য হোৱাৰ বাবে উপযুক্ত। বিশেষকৈ উপন্যাসখনৰ কাহিনীভাগে মন্‌পা জাতিৰ এক প্ৰতিবিম্ব তুলি ধৰিছে।

ঠংচিৰ দ্বাৰা ৰচিত প্ৰায়বোৰ উপন্যাস বা কাহিনী, কবিতাতে পাঠক সমাজে এক অপূৰ্ব সংবাদ পাবলৈ সক্ষম হয়। তেওঁৰ এই 'শৱ কটা মানুহ' উপন্যাসখনৰ জৰিয়তে আমি মনপা জনজাতীয় সংস্কৃতিৰ একেবাৰে কাষ চাপি যাব পাৰিছোঁ। সেই জনজাতিৰ পৰম্পৰা সম্পৰ্কে অভিজ্ঞ হ'বলৈ সহায়ক হৈছে। মুঠৰ ওপৰত এই উপন্যাসখনে টাৱাঙৰ প্ৰাকৃতিক সৌন্দৰ্যৰ লগতে মন্‌পা জনজাতিৰ শৱ সৎকাৰ প্ৰথা সম্পৰ্কে এক সুন্দৰ আৰু নিখুঁত বৰ্ণনা দিছে আৰু পাঠককো উপকৃত কৰাৰ লগতে চিত্ত আকৰ্ষণ কৰাত সহায়ক হৈছে বুলিব পাৰি।

গ্ৰ. ন্থ.  আ. লো. চ. না

# ড° ৰুবুল মাউতৰ
# ‘মোৰো এটা সপোন আছে’





**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ



‘বহল চাংখনৰ কাষতেই দীঘল টেবুলখন’ এনেকৈয়ে লেখকৰ পঢ়াৰ টেবুলখনৰ বৰ্ণনাৰে আৰম্ভ হোৱা প্ৰথম খণ্ডটিত প্ৰকাশ পাইছে তেওঁলোকৰ ঘৰত অতি সাধাৰণভাৱে দিয়া সংস্কাৰৰ কথা যেনে— পুৱা গধূলি প্ৰাৰ্থনা নাইবা খাবৰ সময়ত কথা ক’ব নাপায় আদি....


অসমীয়া সাহিত্যৰ যুৱ লেখকসকলৰ ভিতৰত ৰুবুল মাউত এটা অন্যতম নাম। লেখকৰ জীৱনৰ সত্য ঘটনা তথা তেওঁৰ কঠোৰ সংগ্ৰামৰ ওপৰত আধাৰিত ‘মোৰো এটা সপোন আছে’ গ্ৰন্থখন অক্টোবৰ, ২০১৭ ত প্ৰথম প্ৰকাশ পোৱাৰে পৰা বৰ্তমান লৈকে এখন অত্যন্ত উৎসাহমূলক তথা ধনাত্মক গ্ৰন্থ হিচাপে স্বীকৃতি পোৱাৰ লগতে বাণিজ্যিক ক্ষেত্ৰতো অভিলেখ সৃষ্টি কৰিছে।

মূল কাহিনীভাগ আৰম্ভ হোৱাৰ আগতেই লেখকে উদ্ধৃত কৰা Emily Dickinson ৰ এই বিখ্যাত শাৰী কেইটাই উমান দিয়ে কিতাপখনৰ গভীৰতাৰ কথা—


Hope is the thing with feathers
that perches in the soul
And sings the tune without words
And never stops-at-all

কিতাপখন লেখকে মূলত ঃ চাৰিটা খণ্ডত শেষ কৰিছে। একাদিক্ৰমে ‘শৈশৱ’ ‘সংগ্ৰাম’ ‘সুযোগ’ আৰু ‘দেউতাৰ অসুখ’ এই চাৰিটা খণ্ডতেই মুখ্য চৰিত্ৰত অৱতীৰ্ণ হৈছে গ্ৰন্থখনিৰ লেখক, যি এটা অতি আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ হৈয়ো পঢ়া শুনাৰ ক্ষেত্ৰত অত্যন্ত উচ্চ সপোনৰ পম খেদিছে। ‘বহল চাংখনৰ কাষতেই দীঘল টেবুলখন’ এনেকৈয়ে লেখকৰ পঢ়াৰ টেবুলখনৰ বৰ্ণনাৰে আৰম্ভ হোৱা প্ৰথম খণ্ডটিত প্ৰকাশ পাইছে তেওঁলোকৰ ঘৰত অতি সাধাৰণভাৱে দিয়া সংস্কাৰৰ কথা যেনে— পুৱা গধূলি প্ৰাৰ্থনা নাইবা খাবৰ সময়ত

কথা ক'ব নাপায় আদি...কেৱল এটা কলমৰ বাবে তেওঁলোকৰ স্কুল যাব পৰা আটাইকেইটা ককাই-ভাইৰ মাজত হোৱা কাজিয়াৰ কথা, লেখকৰ পূৰ্ব-পুৰুষৰ প্ৰকৃত ভেটিৰ বিৱৰণৰ পৰা তেওঁ সুখ্যাতিৰে গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ কৈলাসপুৰ মধ্য ইংৰাজী বিদ্যালয়ত পঢ়িবলৈ যোৱাৰ কথা। কাহিনীৰ প্ৰতিটো দফাতে তেওঁলোকৰ আৰ্থিক দৈন্যতা প্ৰকাশ পাইছে। তেওঁলোকৰ অৱস্থাৰ কথা জানিয়েই লেখকক সপ্তম শ্ৰেণীৰ বৃত্তি পৰীক্ষাৰ মাচুল ৰেহাই দিয়া হৈছিল। ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতেই দশম শ্ৰেণীৰ গণিত সমাধান কৰি তেওঁ সকলোকে চমকিত কৰিছিল আৰু তেতিয়াই তেওঁৰ মনত এটা অদম্য সপোনে পোখা মেলিছিল।

এনেকৈয়ে এদিন সুখ্যাতিৰে দশম শ্ৰেণী উত্তীৰ্ণ হোৱা পিছত আৰম্ভ কৰিছিল উচ্চ শিক্ষাৰ সংগ্ৰাম। এইখিনিৰ পৰাই আৰম্ভ হৈছে গ্ৰন্থখনিৰ ২য় খণ্ড 'সংগ্ৰাম'। দুই বিঘা মাটি বন্ধকত থৈ অনা ৫০০০ টকা লৈয়েই তেওঁ সোমাই পৰিছিল আন এটা জীৱনত 'তিনিচুকীয়াৰ চেনীৰাম হায়াৰ চেকেণ্ডাৰীত'। গাত দৰিদ্ৰতাৰ চাপ থকাৰ বাবে বন্ধুবৰ্গৰ লগত কথা পাতিবলৈ লাজ কৰিছিল যদিও তেওঁৰ সপোনটোক মোহাৰি পেলোৱা নাছিল। ঘৰখনক আৰ্থিক সকাহ দিবলৈ ককায়েক সৰু কাম এটাত সোমাইছিল যদিও সেয়াই পৰ্যাপ্ত হোৱা নাছিল। সেয়ে তেওঁ নিজৰ খৰচ উলিয়াবলৈ এবাৰ এক অসৎ পথতো ভৰি দিছিল, কিন্তু নিজৰ আবেগ আৰু বিবেকৰ মাজত হোৱা তুমুল যুদ্ধৰ পিছত তেওঁ সেইবোৰ বাদ দিছিল।

এনেকৈয়ে বিভিন্ন সংগ্ৰামৰ মাজতেই ৰসায়ন বিজ্ঞানত অনাৰ্চসহ তিনিচুকীয়া কলেজৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ত অন্তভুৰ্ক্ত হৈছিল। তাৰ মাজতেই আৰ্থিক দৈন্যতাৰ বাবে দেউতাকে তেওঁক ইমান পঢ়ি পঢ়ি পৰিয়ালৰ আটাইৰে তেজ শুহি খোৱা বুলি ককৰ্থনা কৰাটোৱেও কৈ যায় ৰুবুল মাউতৰ জীৱৰ কৰুণ গাঁথাৰ কথা।





M.Sc পঢ়ি থাকোতেই Super Molecular Chemistry নামৰ বিজ্ঞানৰ নতুন বিষয়ৰ ওপৰত মনোযোগ বৃদ্ধি হৈ ৰুবুল মাউতৰ সপোনে গতি কৰিলে ভৱিষ্যতে বিজ্ঞান চৰ্চা কৰাৰ দিশত। পঢ়ি থাকোতেই NET আৰু JRF লাভ কৰাৰ পিছতে পোৱা এটা ইন্টাৰভিউৰ নিমন্ত্ৰণে তেওঁৰ আশাৰ ৰেঙনি দেখুৱাইছিল। পুনেত ইন্টাৰভিউ দি আহিয়েই ঘৰত তেওঁ চাকৰি পোৱা বুলি গোটেইখন আনন্দত আত্মহাৰা হৈছিল।

Tata Institute of Fundamental Resrearch ৰ অনুষ্ঠানটোত চাকৰি পোৱাৰ পিছৰে পৰা আৰম্ভ হৈছিল গ্ৰন্থখনিৰ তৃতীয় খণ্ড 'সুযোগ'। মাইক্ৰস্কপ এটাৰ কাষতে এটা ডেস্কটপ কম্পিউটাৰৰ লগতে তেওঁ বহা ঠাই ঠিক কৰি আৰম্ভ কৰা চাকৰি জীৱনটো Working desk, microscope, lab chemicals, tel electrophoresis আদিৰ সৈতে অভ্যস্ত হৈছিল। এই সময়খিনিত লেখক সন্মুখীন হোৱা আন এটা সমস্যা আছিল সলসলীয়াকৈ ইংৰাজী কোৱাৰ ক্ষেত্ৰত। কিন্তু অভ্যাস আৰু একাগ্ৰতাৰ বলত তেওঁ সেয়াও অনায়াসে অতিক্ৰম কৰি নিজা সপোনটোলৈ এখোজ আগবাঢ়ি গ'ল। সেই সময়ত ধুমুহাই উৰুৱাই নিয়া ঘৰৰ চালখন ভাল কৰাৰ আপাহতে ভালকৈ ঘৰটো সজোৱাৰ কামো আৰম্ভ কৰে। কেইবছৰমান চাকৰি কৰাৰ পিছত তেওঁ মাচাছুছেট্চ বিশ্ববিদ্যালয়ত Phd কৰিবলৈ যায়। আৰু বিভিন্ন গৱেষণাত মনোনিৱেশ কৰি এদিন এনেকৈয়ে তেওঁৰ সপোনটোৱে সাকাৰ ৰূপ পায়। শৈশৱ/কৈশোৰৰ সকলো বাধা নেওচি অলেখ সংগ্ৰামৰ অন্তত ইমানখিনি সুযোগ লাভ কৰাৰ পিছত আৰম্ভ হয় গ্ৰন্থখনৰ তথা তেওঁৰ সফল জীৱনৰ আটাইতকৈ দুখজনক খণ্ড—'দেউতাৰ অসুখ'।

Phd ৰ বাবে আমেৰিকাত থকা ডেৰ বছৰৰ পিছত তেওঁ বায়েকৰ বিয়াৰ উদ্দেশ্যে ঘৰলৈ যায়। তেওঁ নথকা দিনবোৰত ভিতৰত তেওঁলোকৰ অতি ভিতৰুৱা গাওঁখনে উন্নতিৰ দিশত এখোজমান হ'লেও আগবঢ়া দেখি মনত ক্ৰিয়া কৰা ভাৱসমূহো গ্ৰন্থখনিত সাৱলীল ভাৱে বিদ্যমান। আগৰ পঁজাঘৰ ভাঙি নতুনকৈ ডাঙৰ ঘৰ সজোৱাৰ পিছতো তেওঁ গাঁৱলৈ গৈ পুৰণি ঘৰটোলৈ মনত পৰা কথায়ে সূচায় তেওঁৰ গাঁৱৰ সৈতে থকা আৱেগিক সম্পৰ্কৰ কথা। সেইবাৰ ঘৰৰ পৰা ঘূৰি অহাৰ পিছতেই দেউতাকৰ অসুখৰ খবৰ পায়। ককায়েকে পঠোৱা ভিডিঅ এটাত কঁকাল পৰা, হাতত কঁপনি উঠা, হাড়ে-ছালে লগা দেউতাকক দেখি অত্যন্ত কষ্ট পাইছিল। বহুতো নামী-দামী চিকিৎসাৰ অন্ততো "Parkinsons like symptoms" ত ভোগা দেউতাকৰ সু-স্বাস্থ্য ঘূৰাই আনিব পৰা নগ'ল।

লেখকৰ জীৱনৰ আটাইতকৈ দুখজনক কথাটি হৈছে যিটো ৰোগৰ ওপৰত তেওঁ গৱেষণা কৰি নিজকে




সংগ্ৰামেৰে ভৰপূৰ এটা সফল জীৱনৰ আধাৰত ৰচিত গ্ৰন্থখনিয়ে যথেষ্ঠ অনুপ্ৰেৰণা আৰু উৎসাহ মূলক বাৰ্তা কঢ়িয়াই আনিছে যদিও আৰম্ভণিতে লেখকৰ বংশৰ পূৰ্বৰ মাটি-ভেঁটিৰ বিষয়ে কোৱা কথাখিনিয়ে প্ৰথমতেই অলপ আমনিদায়ক কৰি তুলিছিল বুলি ক'লেও ভুল কোৱা নহ'ব

”

প্ৰতিষ্ঠা কৰিবলৈ অহৰহ যুঁজ দি আছিল, সেইটো ৰোগতেই তেওঁৰ দেউতাকে জীৱন মৰণৰ যুঁজ দি আছিল। "Parkinsons like symptoms" – হায়! বিধিৰ কি বিড়ম্বনা! এনেকুৱাতে এদিন আমেৰিকাত থাকোতে তেওঁৰ ঘৰৰ পৰা আহিছিল অভিশপ্ত খবৰটো—"দেউতা আৰু নাই..."। দেউতাকৰ মৃত্যুৰ কিছুদিন পিছত ঘৰলৈ আহি মৰাশালিটো চাফা কৰি চাকি এগছ জ্বলাই সেৱা কৰে আৰু লগে লগেই শোকত ভাগি পৰে। লেখকৰ মতে দেউতাকৰ জীৱিত কালত প্ৰকাশ কৰিব নোৱাৰা কৃতজ্ঞতাবোৰেই হয়তো প্ৰকাশৰ বাট বিচাৰি সেই সময়ত হুকহুকাই উঠিছিল।

দেউতাকৰ মৃত্যুৰ পিছত গাঁৱৰ পৰা যথেষ্ট ইতিবাচক চিন্তা লৈ ড° ৰুবুল মাউত আমেৰিকালৈ গুচি গৈছিল আৰু এনেকৈয়ে গ্ৰন্থখনিৰ যৱনিকা পৰিছিল—

"সপোন প্ৰত্যেকৰে আছেই। অভাৱ অনাটনে শীণ কৰা আমাৰ সমাজৰ কোটি কোটি মানৱৰ স্পন্দন সপোনবোৰ যেন মোৰ কাণত প্ৰতিধ্বনিত হ'লহি। বুকুত গুপুতে পুহি ৰখা এই জীয়া সপোনবোৰৰ গৰাকীয়ে মোক যেন ৰিঙিয়াই কৈছিল মোৰো এটা সপোন আছে"।

সংগ্ৰামেৰে ভৰপূৰ এটা সফল জীৱনৰ আধাৰত ৰচিত গ্ৰন্থখনিয়ে যথেষ্ঠ অনুপ্ৰেৰণা আৰু উৎসাহ মূলক বাৰ্তা কঢ়িয়াই আনিছে যদিও আৰম্ভণিতে লেখকৰ বংশৰ পূৰ্বৰ মাটি-ভেঁটিৰ বিষয়ে কোৱা কথাখিনিয়ে প্ৰথমতেই অলপ আমনিদায়ক কৰি তুলিছিল বুলি ক'লেও ভুল কোৱা নহ'ব, সেইখিনিয়ে গ্ৰন্থখনিৰ কলেৱৰ বঢ়োৱাৰ বাহিৰে আন বিশেষ অৱদান যোগোৱা নাই যেনেই মনে ধৰে। কিন্তু পিছলৈ লেখকৰ প্ৰত্যাহ্বান জড়িত জীৱন কাহিনীয়ে সেই আমনিক সম্পূৰ্ণৰূপে ছেৰ পেলাই গ্ৰন্থখনিক যথেষ্ঠ মনোগ্ৰাহী কৰি তুলিছে। মুঠতে কঠোৰ সংগ্ৰামেৰে পাৰ কৰা ড° মাউতৰ শৈশৱ-কৈশোৰ তথা জীৱনৰ ঘাট -প্ৰতিঘাত, আমেৰিকাত কৰা বৈজ্ঞানিক উদ্ভাৱন আৰু শয্যাগত পিতৃৰ সৈতে সম্পৰ্কিত এক সংবেদনশীল কাহিনীৰে পৰিপুষ্ট "মোৰো এটা সপোন আছে" গ্ৰন্থখন সমাজৰ সকলো শ্ৰেণীৰ লোকেৰে, বিশেষভাৱে ছাত্ৰ-ছাত্ৰীৰ এখন অতি পঠন উপযোগী গ্ৰন্থ হিচাপে বিবেচিত হৈছে।


গ্ৰন্থখনিৰ কেইটামান বিশেষ শাৰী তলত উল্লেখ কৰা হ'ল—

—"মোক যদি এতিয়া সোধা যায় জীৱনটোনো কেনেকুৱা বস্তু, তেন্তে মই একেষাৰে উত্তৰ দিম যে - জীৱন এটা অতি সুন্দৰ বস্তু। জীৱনৰ সুন্দৰতা খিনিয়ে মইয়ে ভোগ কৰিছে নোপোৱাৰ পাছতো পোৱাৰ আনন্দৰ যোগেদি।" (পৃষ্ঠা- ৬৬)

"—সঁচা কথা ক'বলৈ হ'লে নতুন ঘৰটোত মই আৰামেৰে থাকিব নোৱাৰিলো। পুৰণা ঘৰটোলৈ মনত পৰিল বাৰে বাৰে 'ফটা মূধচ হলেও সেইটা ঘৰত থকাৰ আৰামেই বেলেগ আছিল....।" (পৃষ্ঠা-১২৮)

"—আমেৰিকাত থাকিলে কি হ'ল, মই দেখোন গাঁৱৰে ল'ৰা। উপায়ন্তৰত মই আঁতৰি আঁতৰি থাকিবলৈ ধৰিলোঁ। (পৃষ্ঠা-১২৯)

"— এখন অখ্যাত গাঁৱৰ এটি কিশোৱে উৰিবলৈ বিছাৰিছিল অক্ষম দেউতাকে নানা সংঘাটৰ মাজেদি কিশোৰটোক দুহাতেৰে ধৰি যেন ওপৰলৈ তুলি দিছিল, যাতে সি উৰিব পাৰে। কিশোৰটি উৰি গ'ল আৰু দেউতাকজনে আকাশত তাৰ উৰণ চাই চাই তাতেই বৈ গ'ল। আৰু এই মাত্ৰ সন্তানৰ উৰণ চাই গৌৰান্বিত হোৱা সেই দেউতাকজন এই পৃথিৱীৰ পৰা আঁতৰি গ'ল।" (পৃষ্ঠা ১৫৪)




গ্ৰ. স্থ. আ. লো. চ. না

# ড° সাগৰ বৰুৱাৰ 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসম'

**অৰ্চনা বৰুৱা**
বুৰঞ্জী বিভাগ


অলেখ মুক্তিকামী নৰ-নাৰীৰ ত্যাগ, প্ৰাণাহুতি আৰু যাতনা ভোগৰ বিনিময়ত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা মাজনিশা ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰিছিল। যিসকলৰ ত্যাগ আৰু আত্মোৎসৰ্গাৰ ফলস্বৰূপে আমি স্বাধীনতা লাভ কৰিলোঁ, সেইসকল আমাৰ চিৰনমস্য আৰু পথ প্ৰদৰ্শক। লেখকৰ মতে— তেখেতসকলৰ ত্যাগৰ মহিমাক অনুধাৱন কৰিব নোৱাৰাটো হ'ব স্বাধীনতাৰ প্ৰকৃত অৰ্থ বুজি নোপোৱাৰ সমতুল্য। লেখকে সেইসকল মহান ব্যক্তিক স্মৃতিচাৰণ কৰি তেওঁলোকৰ ত্যাগক উচিত মূল্য দিয়াৰ উদ্দেশ্যেৰে আৰু বিদ্ৰোহসমূহৰ গতি, প্ৰকৃতি, স্বৰূপ আৰু চৰিত্ৰ বিশ্লেষণ কৰাটোৱেই হ'ল এই গ্ৰন্থখনৰ অন্যতম উদ্দেশ্য।

উক্ত গ্ৰন্থখনত অসমৰ স্বাধীনতা সংগ্ৰামৰ দ্বিতীয় পৰ্ব অৰ্থাৎ ১৯০০ চনৰ পৰা ১৯৪৭ চনলৈকে সমগ্ৰ সময়ছোৱাৰ আৰ্থ-সামাজিক, ৰাজনৈতিক ঘটনাৱলীৰ নিৰ্মোহ বিচাৰ-বিশ্লেষণ কৰা হৈছে। তলত গ্ৰন্থখনে সামৰি লোৱা বিষয়বস্তুসমূহ আলোচনা কৰা হ'ল—

গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত অসমত কেনেদৰে আইন অমান্য আন্দোলনৰ সূচনা হৈছিল সেই বিষয়ে আলোচনা কৰা হৈছে। বিভিন্ন ৰাজনৈতিক নেতা, দল-সংগঠন, সাধাৰণ প্ৰজাৰ আন্দোলনত কেনে ধৰণৰ ভূমিকা পালন কৰিছিল সেই বিষয়ে উল্লেখ আছে। ১৯২৮ চনৰ ছাইমন বিদ্ৰোহী আন্দোলন আৰু অসমত ইয়াৰ প্ৰভাৱ, ১৯২৭ চনত মাদ্ৰাছত বহা কংগ্ৰেছ অধিৱেশন পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ, প্ৰথম ঘূৰণীয়া মেজমেল, লাহোৰ অধিৱেশনত অসমৰ তৰুণৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী আদিয়ে অসম কংগ্ৰেছৰ হৈ অংশগ্ৰহণ, নেহৰু ৰিপৰ্ট, নবীন চন্দ্ৰ বৰদলৈৰ হাতত অসম কংগ্ৰেছ, ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ ঘোষণা আৰু অসমত ইয়াৰ প্ৰভাৱ, চৰকাৰী দমন নীতি, জাতীয় সৈনিকসকলৰ দুৰৱস্থা, ১৯৩১ চনৰ গান্ধী-আৰউইনৰ চুক্তি আদিৰ আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টো হ'ল— 'আইন অমান্য নৱীকৰণ।' এই অধ্যায়টোত গান্ধী-আৰউইন চুক্তিয়ে অসমত সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে। এই চুক্তিৰ বিষয়ে আলোচনা কৰিবলৈ ১৯৩১ চনৰ ২৯ মাৰ্চ তাৰিখে কৰাচীত কংগ্ৰেছ অধিৱেশন বহিছিল। লীলাধৰ বৰুৱা, চন্দ্ৰপ্ৰভা শইকীয়ানী প্ৰমুখ্যে ভালেমান কংগ্ৰেছ কৰ্মীয়ে অসম প্ৰদেশ কংগ্ৰেছৰ হৈ অংশগ্ৰহণ কৰিছিল। ২৯ আগষ্টত গান্ধীজী ঘূৰণীয়া মেজমেলৰ বাবে লণ্ডন অভিমুখে যাত্ৰা আৰম্ভ কৰে। কিন্তু গান্ধীজীৰ এই যাত্ৰাৰ উদ্দেশ্য সফল নহ'ল। ইয়াৰ পিছত বিভিন্ন পৰিস্থিতিৰ ফলত পুনৰ আইন অমান্য আন্দোলন আৰম্ভ হৈছিল। ১৯৩২ চনত মহাত্মা গান্ধী আৰু চৰ্দাৰ বল্লভভাই পেটেলক চৰকাৰে গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ বাতৰিয়ে সমগ্ৰ দেশৰ লগতে অসমতো প্ৰতিবাদৰ জোৱাৰ তুলিছিল। ধুবুৰী আৰু নগাঁও চহৰত শোভাযাত্ৰা কৰি জনতাই ১৪৪ ধাৰা ভংগ কৰিছিল। শংকৰ বৰুৱাই এটা সেৱাদল বাহিনী গঠন কৰি মদ, কানি, ভাঙৰ দোকানত পেকেটিং, বিদেশী বৰ্জন, অস্পৃশ্যতা দূৰীকৰণ আদিৰ দৰে কাম কৰাইছিল। শংকৰ বৰুৱাই 'স্বৰাজ সংগীত' নামৰ এখন গীতৰ পুথি প্ৰকাশ কৰিছিল। অসমৰ প্ৰতিখন জিলাৰ মহিলাসকলৰ ভূমিকাৰ বিষয়ে বহলাই আলোচনা কৰিছে।

তৃতীয় অধ্যায়ত 'কানিংহাম চাৰ্কুলাৰ বিৰোধী সংগ্ৰাম'ৰ বিষয়ে আলোচনা কৰা হৈছে। এই আন্দোলনে কিদৰে যুৱ-ছাত্ৰসকলৰ মাজত প্ৰভাৱ পেলাইছিল, ১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখে গুৱাহাটীৰ জুবিলী পাৰ্কত অনুষ্ঠিত পতাকা উত্তোলন, কটন কলেজৰ ছাত্ৰৰ ভূমিকা, স্কুলীয়া ছাত্ৰসকলৰ মাজত আইন অমান্য আন্দোলনৰ প্ৰভাৱ, গান্ধীজীৰ লোণ আইন ভংগ কৰিবলৈ দাণ্ডীলৈ যাত্ৰা। মুঠতে ছাত্ৰসকলৰ কানিংহাম চাৰ্কুলাৰ বিৰোধী সংগ্ৰামে কংগ্ৰেছৰ আইন অমান্য আন্দোলন কাৰ্যসূচীৰ সফল ৰূপায়ণত অশেষ বৰঙণি আগবঢ়াইছিল।




চতুৰ্থ অধ্যায়টো হ'ল— 'গণ আন্দোলনৰ পথত'। আইন অমান্য আন্দোলনৰ স্থগিতকৰণ ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ ইতিহাসত আছিল এক বিস্ময়কৰ ঘটনা। ই ভাৰতীয় জনতাৰ মাজত বৃদ্ধি পোৱা ৰাজনৈতিক সচেতনতাৰ কথা প্ৰকাশ কৰি দেখুৱালে। Congress Socialist Party, Congress Nationalist আদি ৰাজনৈতিক দলৰ গঠন, আইন অমান্য আন্দোলন সামৰণি মৰাৰ পিছত কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ মাজত যি মতবিৰোধ ঘটিছিল, তাৰ প্ৰভাৱ কেনেধৰণে অসমত পৰিছিল সেই বিষয়ে এই অধ্যায়টোত আলোচনা কৰা হৈছে। অসমৰ জনতাৰ মাজৰ পৰা আন্দোলনমুখী মনোভাব আঁতৰি গৈছিল ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন, ছাদুল্লা মন্ত্ৰীসভাৰ গঠন, ১৯৩৪ চনৰ এপ্ৰিল মাহত মহাত্মা গান্ধীয়ে হৰিজন আন্দোলনৰ উদ্দেশ্যে কৰা অসম ভ্ৰমণ, সত্যাগ্ৰহ আন্দোলন আৰু অসমত ইয়াৰ প্ৰভাৱ, ক্ৰিপছ মিছনৰ ব্যৰ্থতা, ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত আদিৰ বিষয়ে অধ্যায়টোত আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত '৪২ৰ গণ বিপ্লৱৰ বিষয়ে আলোচনা কৰা হৈছে। কৃষক-বনুৱাৰ অংশগ্ৰহণে ভাৰত ত্যাগ আন্দোলনক গণ আন্দোলনলৈ ৰূপান্তৰ কৰিছিল। গ্ৰাম্যাঞ্চলৰ পৰা হাজাৰ হাজাৰ লোক চহৰলৈ ওলাই আহিছিল। গান্ধীজীৰ অহিংস পন্থাই সকলো শ্ৰেণীৰ লোকক আন্দোলনত অংশগ্ৰহণ কৰাত সহজসাধ্য কৰি তুলিছিল। কুশল কোঁৱৰ আছিল '৪২ৰ গণ আন্দোলনত ব্ৰিটিছ চৰকাৰৰ ষড়যন্ত্ৰৰ বলি হৈ ফাঁচীকাঠত উঠা দেশৰ ভিতৰত একমাত্ৰ ব্যক্তি। নগাঁৰৰ একাংশ যুৱক-কৰ্মী নেতাজীৰ আজাদ হিন্দ ফৌজৰ প্ৰতি আকৃষ্ট হৈছিল যদিও গান্ধীজীৰ অহিংস আন্দোলনত তথা কংগ্ৰেছৰ নীতিৰ পৰা আঁতৰি অহা নাছিল। নগাঁৰৰ কবি-সাহিত্যিক কমলানন্দ ভট্টাচাৰ্য আৰু বৰপেটাৰ প্ৰসন্নলাল চৌধুৰীৰ দৰে ব্যক্তিয়েও যুদ্ধৰ সময়ত ব্ৰিটিছৰ পক্ষতেই ৰৈছিল। পুৰস্কাৰৰ আশাত এচাম দেশীয় কৰ্মচাৰীয়ে বিদেশী চৰকাৰক আন্দোলন দমনৰ নামত নিৰীহ জনতাৰ ওপৰত অত্যাচাৰ চলাবলৈ উচটনি দিছিল। কিন্তু চৰকাৰী নিৰ্যাতনৰ ওচৰত অসমৰ জনতাই মূৰ নোদোঁৱালে। বৰঞ্চ নিৰ্যাতনক প্ৰত্যাহ্বান জনাই আন্দোলন সফল কৰি তোলাতহে মনোনিৱেশ কৰিছিল।

ষষ্ঠ অধ্যায়ত 'ব্ৰিটিছ শাসনৰ পৰিসমাপ্তি'ৰ বিষয়ে আলোচনা কৰা হৈছে। এক দীঘলীয়া সংগ্ৰামৰ অন্তত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল। কিন্তু স্বাধীনতা লাভৰ মুহূৰ্তত সংঘটিত হোৱা সশস্ত্ৰ সাম্প্ৰদায়িক সংঘৰ্ষই ভাৰতবাসীৰ মন ম্লান কৰিছিল। অসহযোগ আন্দোলনৰ সময়ত হিন্দু-মুছলমানৰ মাজত যি সম্প্ৰীতিৰ ভাব গঢ়ি উঠিছিল সি স্বাধীনতা লাভৰ সময়লৈ ভাগি পৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা স্বাধীনতা লাভৰ বিজয় উৎসৱৰ দিনা মহাত্মা গান্ধী বংগদেশৰ সংঘৰ্ষ অধ্যুষিত অঞ্চলত সম্প্ৰীতি প্ৰতিষ্ঠাৰ কামত ব্যস্ত হৈ পৰিছিল। হৰেন্দ্ৰ নাথ বৰুৱাই 'Reflections on Assam cum Pakistan' নামেৰে এখন কিতাপ লিখি সমগ্ৰ ভাৰতত

প্ৰচাৰ কৰিছিল। ভাৰতৰ অন্যান্য প্ৰদেশৰ লগতে অসমে স্বাধীনতা অৰ্জনৰ ক্ষেত্ৰত এনেধৰণৰ কাৰ্যব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এচাম কৰ্মী তথা জনতাৰ অক্লান্ত পৰিশ্ৰম, দুখ-লাঞ্ছনা, জীৱনৰ সৰ্বস্ব ত্যাগৰ বিনিময়ত দেশে স্বাধীনতা লাভ কৰিছিল। লেখকৰ মতে, সেই ত্যাগৰ মহত্বক উপলব্ধি কৰিব নোৱাৰাটোৱেই স্বাধীন ভাৰতবৰ্ষৰ নৱ প্ৰজন্মৰ বাবে এক বিৰাট অপৰাধ হৈ ৰ'ব।


গ্ৰন্থখন অধ্যয়ন কৰি দেখা যায় যে লেখকে তথ্যসমূহ সানমিহলি নকৰি পাঠকৰ সুবিধাৰ বাবে প্ৰণালীবদ্ধভাৱে উল্লেখ কৰিছে। লেখকে ভাৰতবৰ্ষৰ পৰিস্থিতি আৰু অসমৰ পৰিস্থিতি দুয়োটা পৃথকে পৃথকে আৰু একাদিক্ৰমে উল্লেখ কৰিছে। গ্ৰন্থখনত প্ৰত্যেকটো বিষয়বস্তুৰেই লেখকে প্ৰণালীবদ্ধভাৱে উল্লেখ কৰা দেখা গৈছে।

লেখক ড° সাগৰ বৰুৱাই উক্ত গ্ৰন্থখন প্ৰণয়ন কৰোঁতে নিৰপেক্ষ দৃষ্টিভংগী গ্ৰহণ কৰা যেন অনুমান হয়। কিয়নো তেখেতে কেৱল সমাজৰ উচ্চ জাতি, গণ্য-মান্য ব্যক্তি বা নেতাসকলক গুৰুত্ব প্ৰদান নকৰি, আন্দোলনত সাধাৰণ জনগণৰ ভূমিকা, তেওঁলোকৰ দুখ-দুৰ্গতি, অৰ্থনৈতিক অৱস্থা, কৃষকসকলৰ ভূমিকা, আন্দোলনত অসমৰ মহিলাসকলৰ ভূমিকাৰ বিষয়েও উল্লেখ কৰিছে। তদুপৰি তেওঁ কেৱল এখন জিলাক বা একোটা অঞ্চলক বা বিশেষ কোনো ৰাজনৈতিক দলক বিশেষভাৱে প্ৰাধান্য দিয়া দেখা নাযায়।

গ্ৰন্থখনত বহুতো ভাল দিশ দেখা যায়। যেনে— ভাৰতৰ স্বাধীনতা আন্দোলন যিহেতু এক ব্যাপক বিষয়, সেয়েহে এখন গ্ৰন্থত সকলো বিষয় সামৰি নথৈ পাঠকৰ সুবিধাৰ বাবে দুটা খণ্ডত লেখকে গ্ৰন্থখন প্ৰকাশ কৰিছে। আন লেখকসকলৰ গ্ৰন্থত সাধাৰণতে দেখা পোৱা নাযায়। গ্ৰন্থখনৰ তথ্যসমূহ স্পষ্টভাৱে আৰু প্ৰণালীবদ্ধভাৱে উল্লেখ কৰিছে। ভুল হোৱা শব্দসমূহৰ শুধৰণি ৰূপ গ্ৰন্থখনৰ শেষৰ ফালে উল্লেখ কৰিছে। এখন গ্ৰন্থত থাকিবলগীয়া প্ৰায়বোৰ বৈশিষ্ট্যই উক্ত গ্ৰন্থখনতো থকা দেখা গৈছে। পাদটীকা (footnotes), সহায়ক গ্ৰন্থপঞ্জীৰ নাম, সাংকেতিক চিহ্ন, লেখকৰ একাষাৰ, তালিকা, সূচীপত্ৰ আদি সকলো আছে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিষয়টো যিহেতু এক ব্যাপক বিষয়, ইয়াৰ পৰিসৰ অতি বহল। সেয়েহে এখন গ্ৰন্থত সকলো বিষয়বস্তু অন্তৰ্ভুক্ত কৰাটো কেতিয়াও সম্ভৱ নহয়। লেখকে অতি গুৰুত্বপূৰ্ণ বিষয়বোৰহে গ্ৰন্থখনত উল্লেখ কৰিছে। স্বাধীনতা আন্দোলনৰ কিছু কিছু দিশ তেওঁ আওকান কৰা দেখা গৈছে। এইচ, কে, বৰপূজাৰীৰ 'Assam in the days of the company', সুভাষ সাহাৰ 'অসমৰ স্বাধীনতা সংগ্ৰাম' আদি গ্ৰন্থসমূহত স্বাধীনতা সংগ্ৰামৰ বিষয়ে অধিক বিষয়ে অধিক বহলভাৱে পোৱা যায়। তদুপৰি গ্ৰন্থখনত Index, কোনো মানচিত্ৰ আদি থকা দেখা নাযায়। গ্ৰন্থখনত সেই সময়ৰ অসমৰ আৰ্থ-সামাজিক দিশতকৈ ৰাজনৈতিক দিশৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰা দেখা গৈছে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ওপৰত লিখা আন লেখকসকলৰ গ্ৰন্থসমূহৰ লগত মিলাই দেখা যায় যে উক্ত গ্ৰন্থখনত লেখকে উল্লেখ কৰা তথ্যসমূহ শুদ্ধ আৰু সত্য। কিন্তু কোনো কোনো ঠাইত তাৰিখৰ অমিল হোৱা দেখা যায়। লেখকৰ গৱেষণাৰ বিষয়ো যিহেতু ভাৰতৰ স্বাধীনতা আন্দোলনৰ ওপৰতে আছিল, সেয়ে তেওঁ নিশ্চয়কৈ তথ্যসমূহ বহুতো অধ্যয়ন, গৱেষণা আৰু অনুসন্ধান কৰিহে গ্ৰন্থখনত উল্লেখ কৰিছে। সেয়ে গ্ৰন্থখনত উল্লেখ থকা তথ্যসমূহ সত্য বুলি প্ৰতিপন্ন কৰিব পাৰি।




এখন গ্ৰন্থত ভাষাই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গ্ৰন্থ এখন পৰ্যালোচনা কৰোঁতে আমি ইয়াৰ ভাষাৰ প্ৰতিও গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয়। গ্ৰন্থখনৰ কিছু কিছু ঠাইত বানান ভুল থকা দেখা গৈছে। কিন্তু লেখকে ভুল শব্দসমূহৰ বানান শুধৰাই শুদ্ধ শব্দসমূহ গ্ৰন্থখনৰ শেষৰফালে উল্লেখ কৰিছে।


স্বাধীনতা সংগ্ৰামৰ ইতিহাস আমাৰ দেশৰ আধুনিক বুৰঞ্জীৰ এক গৌৰৱোজ্জ্বল অধ্যায়। এই স্বাধীনতা সংগ্ৰামত অসমৰ যি ভূমিকা তাক বিষয় হিচাপে লৈ লেখক ড° সাগৰ বৰুৱাই 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসম' শীৰ্ষক গ্ৰন্থখন লিখি উলিয়াইছে। গ্ৰন্থখনৰ শিৰোনামৰ লগত গ্ৰন্থখন সামৰি লোৱা বিষয়বস্তুৰ সম্পূৰ্ণ থল থকা দেখা গৈছে। গ্ৰন্থখনৰ শিৰোনামৰ দৰেই লেখকে ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ ভূমিকাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। লেখকে গ্ৰন্থখন যি উদ্দেশ্য লৈ সংকলন কৰিছিল তাত সফল হৈছে বুলি ক'ব পাৰি। তেওঁ গ্ৰন্থখন প্ৰণালীবদ্ধভাৱে সজাই তুলিবলৈ সক্ষম হৈছে আৰু এই গ্ৰন্থখনে পাঠক সমাজক বিভিন্ন ধৰণে সহায় কৰিছে। লগতে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়বস্তুসমূহ গ্ৰন্থখনত সন্নিৱিষ্ট কৰিবলৈ সক্ষম হৈছে। গ্ৰন্থখনত বহুতো সীমাবদ্ধতা থকা দেখা গৈছে। কিন্তু আন বহু গ্ৰন্থত উল্লেখ নথকা বিভিন্ন বিষয়বস্তু উক্ত গ্ৰন্থখনত উল্লেখ থকা দেখিবলৈ পোৱা গৈছে। মুঠতে গ্ৰন্থখনৰ জৰিয়তে সমসাময়িক অসমীয়া সমাজৰ এক স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়।

**সহায়ক গ্ৰন্থপঞ্জী ঃ-**

(১) অসমৰ স্বাধীনতা সংগ্ৰাম— সুভাষ সাহা।

(২) History of the Non-Cooperation Movement in Assam– Dr. Sagar Boruah

(৩) Assam in the days of the company– H.K. Borpujari.



# শৈশৱ কাল

**ৰিতুমণি পাৰে**
একাদশ শ্ৰেণী, কলা শাখা

ল'ৰালিৰ সেই দিনবোৰ কিমান যে মধুৰ আছিল।
তামোল গছৰ ঢকুৰাৰে গাড়ী বনাই খেলা
চেংগুটি, কাবাডী খেলা
এতিয়া সেই দিনবোৰ সেই খেলবোৰ বিলুপ্ত প্ৰাণীৰ দৰে
লোপ পাব ধৰিছে।
এতিয়াতো সকলোৰে হাতে হাতে ম'বাইল ফোন
কোন ক'ত গৈছে, কাৰ কি হৈছে
কাৰোৰে যেন খবৰ ল'বলৈ আহৰি নাই।
গৰম দিনত ৰাতি চোতালত বহি
আইতাৰ পৰা সাধু শুনাৰ মজাই বেলেগ
ৰাতি আকাশৰ জোন-তৰাবোৰ চাই
কিমান যে ভাল লাগিছিল
ল'ৰালিৰ দিনবোৰলৈ মনত পৰিছে অ'...
সকলোৰে একগোট হৈ
জলফাই, বৰটেঙা, বগৰী, আম খোৰা
আজি বৰকৈ মনত পৰিছে।
বিহু, পূজা মানেই নতুন কাপোৰ, পুতলা, গাড়ী, বেলুন
কিমান যে হেঁপাহ...
ঘূৰি যাব বিচাৰোঁ সেই
সোণালী দিনবোৰলৈ।

# এটি নতুন দিন

**পূৰ্বাশ্ৰী বৰা**
উদ্ভিদ বিজ্ঞান বিভাগ

ৰৈ আছোঁ মই এটি নতুন দিনৰ অপেক্ষাত
অধীৰ আগ্ৰহেৰে...
অমাৱস্যাৰ কালৰাতিৰ অন্তত নতুন সূৰুযে দেখা দিব
যিদিনা পূব আকাশত নতুনত্বৰ বতৰা লৈ,
য'ত নাথাকিব কোনো হিংসা, ভেদা-ভেদ, ব্যভিচাৰ
থাকিব নাচি শান্তিৰ সুগন্ধি পখিলা,
যিদিনা নেকি শান্তিৰ বগা পাৰজনীয়ে ঋণ দিব নিৰ্ভয়ে
সেই দিনটোলৈ বাট চাই আছোঁ মই
আজি অধীৰ আগ্ৰহেৰে...



# অস্থিৰতা

**কৃষ্ণা ছেত্ৰী**
উদ্ভিদ বিজ্ঞান বিভাগ

অস্থিৰতাৰে ভৰা এই জীৱনটো
কেতিয়াবা ভাবোঁ মই এই জীৱনটোক লৈ
কোন বাটে গৈছে নো?
কেতিয়াবা মনে কয়
যি হয় হ'বলৈ দে,
আকৌ কেতিয়াবা মনে
বহু এৰি অহা ক্ষণক খুঁচৰি ফুৰে।
মনৰ এই খেল যেন ক্ষণস্থায়ী
আকৌ ঘূৰি আহোঁ বাস্তৱলৈ
মনৰ কথাক চেৰ পেলাই
ঘূৰি আহোঁ সেই একেই অস্থিৰতালৈ।

# অতীতৰ দিনবোৰ

**ৰিতুমণি পাৰে**
একাদশ শ্ৰেণী, কলা শাখা

অতীতৰ দিনবোৰলৈ ঘূৰি যাব বিচাৰোঁ
অ, যাব বিচাৰোঁ মই সেই সোণালী দিনবোৰলৈ
য'ত নাই কোনো টেনচন, নাই কোনো দুখ
না কান্দোনেৰে ভৰা দুচকুক
হাঁহিৰে ঢাকি ৰাখিব লাগিছিল।
মাথোঁ হাঁহি-ধেমালিৰে ভৰা
এখন সোণোৱালী জগত।
সেউজীয়া ধৰণীত যেন এপাহ
ৰঙা গোলাপ ফুল,
আজি সেই ফুল মৰহিব ধৰিছে
পখিলা খেদি ফুৰা দিনবোৰ
ক'ত বা থমকি ৰ'ল?

# জীৱন গাঁথা

**হিমাদ্ৰী সোণোৱাল**
উদ্ভিদ বিজ্ঞান বিভাগ

সদ্যস্নাতা পুৱাৰ কিৰণৰ জিলিকনি
শব্দবোৰৰ আৱেশত তাড়নাৰ সৃষ্টি
মোৰ বাবে শ্ৰুতিমধুৰ।
জীৱন জাগৃতি যদি নোপোৱা বুজি
শব্দহীন ভাষাৰে হৃদয়ৰ কথাৰে
তেন্তে নাগাঁথিবা বকুলৰ মালা।
নাম নিদিবা তাক জীৱনৰ বিধ্বস্ত প্ৰেমিকা।
বৈ যাবলৈ দিয়া সময় নামৰ নদীখনিক জীৱন সংগীতৰ
সপ্তক হৈ ৰ'ব বিলম্বিতৰ তান
এয়া যেন জীৱনৰ মনোৰম একাঁ-বেঁকা বাট।
জীৱন হ'ব খোজা নাই তোৰ কবি
ভালপাওঁ তোক ভাল পাই যাম
এই জীৱনৰ অন্তিম ইতিহাস
মই তোৰ আজন্ম প্ৰেমিকা
জীৱন তোক ভালপাই যাম।
জনঅৰণ্যৰ কোনোবাখিনিত
বকুল তলৰ নিয়ৰ বুটলিম,
সজাই তুলিম দে মামৰে নধৰা ঘূণেও নোখোৱা
মোৰ আধালিখা জীৱনৰ দস্তাবেজ।



# কেৰালাৰ মন্নিপুৰমৰ গৰ্ভৱতী হাতীজনী

**লিজা কোঁৱৰ**
গাৰ্হস্থ্য বিজ্ঞান বিভাগ

কি ভুল আছিল তাইৰ?
কিয় তাইৰ কণমানিটোক
এই পৃথিৱী দেখা পৰা
বঞ্চিত কৰিলে সিহঁতে?
এনে হাজাৰটা প্ৰশ্নৰ তাই
উত্তৰ বিচাৰে, কিন্তু
হয়তো সময় নিষ্ঠুৰ
বাবেই তাই
কণমানিৰ সৈতে ত্যাগ কৰিছে
এই পৃথিৱী।
ভোকত ব্যাকুল হৈ পৰা তাই
বিচাৰিছিল আপোনজনৰ
সঁহাৰি।
কিন্তু তাৰ বিনিময়ত সিহঁতে
দিলে তাইক মাথোঁ যন্ত্ৰণা আৰু যন্ত্ৰণা।
তথাপিও তাইৰ মানৱৰ প্ৰতি নাছিল
একো ভ্ৰূক্ষেপ কিম্বা প্ৰতিশোধ
পূৰণৰ ভাৰ।
এইয়া আমাৰ মানৱ যিয়ে
কিছু টকাৰ বাবেই হত্যা কৰিলে
তাইক আৰু তাইৰ আহিবলগীয়া
কণমানিক।

# জনমৰ ঠাইখন

**ৰশ্মি শইকীয়া**
ইংৰাজী বিভাগ

মলয়া বতাহৰ শিহৰণে
কঢ়িয়াই আনে যেন
সেউজী শ্যামলা
প্ৰকৃতিৰ ছবিবোৰ
যাৰ দেখা পাওঁ
জনমৰ প্ৰথম ক্ষণত।
দেৱতাৰ অৱদানবোৰ
মোৰ ঠাইখন
শিহৰণ জাগে
মোৰ কোমল হিয়াত
য'ত দেখোঁ
সম্প্ৰীতিৰ ছবি।
শাৰী শাৰীকৈ ৰোৱা
তামোলৰ লিহিৰি
পাতবোৰেদি সৰে
ৰূপালী নিয়ৰ
জোনৰ জোনাক
মুকুতাৰ ৰূপ পায়।
যেতিয়া দেখা পাওঁ
বৰ নামঘৰৰ ভেটিত
সংস্কৃতিৰ ৰোল
তেতিয়া জাগ্ৰত হয়
মোৰ প্ৰাণ
নামি আহে সৰগী সুষমা।
আঘোণৰ সোণালী ধান
পুৱতিৰ হেঙুলত
জক্‌মক্‌াই পাৰিজাত হৈ
পকা ধান বিচাৰি
টুনি চৰাইবোৰে
উৰা মাৰে ৰামধেনু হৈ
এনে এক অপৰূপ
জন্মৰ ঠাই মোৰ
নহয় মাথোঁ এক
সামান্য মৰত
শতবাৰ প্ৰণামো মই
এইখন শ্যামলী সৰগ।

# জনতাৰ আশাৰ ৰেঙণি

**মিনাক্ষী শইকীয়া**
বুৰঞ্জী বিভাগ

বিশ্ব এতিয়া শান্তিৰ
যুদ্ধপথৰ যাত্ৰাত
আজি বিশ্বৰ আকাশে
জনতাৰ আশাৰ চাকি
পাবনে আকৌ ঘূৰাই
হাঁহি-ধেমালিৰ সেই
নিৰ্মল নিঃস্বাৰ্থ পৰিৱেশ
নাই...
মানৱ দেহত অনবৰতে
জ্বলা জীয়া জুই
সদায় জ্বলি থাকিব নোৱাৰে
সূৰুযৰ পাহি মেলিবলে'
আকাশত সৌন্দৰ্য বিলাবলে'
বতাহৰ টৌত ৰেণু সানিবলৈ
আজি এই জনতাৰ আশাৰ ৰেঙণি
আকৌ প্ৰাণ পাই উঠিব
বিশ্বৰ সেউজীয়া বনত
পুনৰ সজীৱ হৈ উঠিব
জনজীৱনৰ এক
অভিনৱ ৰূপ।



# মোৰ মৰমৰ সৰু ভনী

**কাকুমণি নেওগ**
ভূগোল বিভাগ

সৰু ভনী তইনো কিয় গৈছিলি
সেইটো বাটেদি...
তই গমেই নাপালি নেকি
সেইটো বাটত...
মানুহৰূপী সুবিধালোভী পিশাচৰ দল বৈ আছিল।
তোৰ কোমল মনটোক
সিহঁতে বুজি নাপালে।
সৰুভনী...
তই ছাগৈ ভবাই নাছিলি
ঘূৰি আহি সেই পখিলাজনীৰ লগত
খেলিবলৈ নাপাম বুলি...?
মইতো তোক কৈছিলোঁ
সেই বাটে নাযাবি
সেই বাটত মানৱৰূপী দানৱ থাকে।
সৰুভনী, মায়ে তোৰ কাৰণে...
তই ভালপোৱা তৰকাৰী-ভাত বনাই
থৈছিল জান...
কিন্তু, তোৰ ভাত খাবলৈ
সময়ে নহ'ল।
তই বহুত সৰু হৈ আছিলি অ'ই।
সিহঁতে তোক পখিলা খেলা বয়সত
ধৰ্ষণ কৰিলে।
কেনেকৈ বুজাম সিহঁতক?
তই যে আমাৰ মৰমৰ সৰুভনী আছিলি।
সেইবোৰ ডাঙৰ মানুহৰ ল'ৰা
তোৰ মৰমলগা দেহটো
শেষ কৰি দিলে।
তোৰ দেহটো চাই চকুলো টোকাৰ বাহিৰে
আমি একো কৰিব নোৱাৰোঁ অ'...
সিহঁত ডাঙৰ মানুহৰ ল'ৰা।
আৰু আমি...?

# বন্ধুত্ব

**উদ্দীপ্তা বৰা**
দৰ্শন বিভাগ

মৰম আৰু বিশ্বাসৰ
এনাজৰীৰে বান্ধ খাই থকা
এটা মিঠা মৰম লগা
স্বৰ্গীয় সম্পৰ্ক বন্ধুত্ব।
ভিন্নজনৰ অভিন্ন সংজ্ঞাৰে
হৃদয় প্ৰতিষ্ঠিত।
কোনো ভাষাৰে বুজাব নোৱাৰা
অনুভৱৰ অনুভূতি,
জীৱন বাটৰ সৌন্দৰ্য।



# এল জি চিৰ ছোৱালীজনী

**বৰ্ণালী ভূঞা**
ৰাজনীতি বিজ্ঞান বিভাগ

হিয়াত নিবন্ধিত এটি মিচিকিয়া হাঁহিৰে...
সেউজীয়া দোপাট্টাৰ সৈতে
কৃষ্ণচূড়াৰ দেশত তাইৰ পূৰ্ণতাৰ হাঁহি,
যাৰ হৃদয়ত আছে সেউজীৰ বিশাল পৃথিৱী
দুচকুত আছে নীলা আকাশৰ অলেখ সপোন,
কৃত্ৰিমতাই যেন ঢুকি পোৱা নাই তাইৰ সৰলতাক
স্বপ্নৰ সাগৰত মুকুতা বিচাৰি।
তাই আজি কৃষ্ণচূড়াৰ দেশত
সেউজী ধৰণীত তই মোৰ বৰ আপোন অ'
অজস্ৰ হেঁপাহেৰে আঁজুৰি আন স্বপ্নৰ ভেটি,
চিৰদিন মৰম লগা হাঁহিটোৰে জিলিকি থাক
কৃষ্ণচূড়াৰ দেশত।



# গহ্বৰ

**উপাসনা বনিয়া**
হিন্দী বিভাগ

এইযে আমি প্ৰত্যেকেই
এপিয়লা বিষত কক্‌বকাই আছোঁ,
এয়া আমাৰ পঞ্চ তন্মাত্ৰত
বিলাসী বিৰহৰ ৰাগি;
কেতিয়াও মুক্ত হ'ব নোখোজা
এই বিষ মাথোঁ চিৰমিথ্যা তন্দ্ৰা।

মই মূৰ্তি,
তুমি মূৰ্তি,
আমি প্ৰত্যেকেই একো একোটা মূৰ্তি;
এই যে মূৰ্তিবোৰ খহি পৰাৰ পাছত
যদি আমাৰ প্ৰতিমূৰ্তি নাবান্ধে
সেয়া আমাৰ ব্যৰ্থতা
কাৰোবাৰ হৃদয়ত ৰৈ যোৱাটো
এক অমৰ প্ৰাৰ্থনা...

# অভিমান

**পূৰ্বাশ্ৰী বৰা**
উদ্ভিদ বিজ্ঞান বিভাগ

জ্বলি জ্বলি ছাই হৈ যায়,
এমুঠি নিঃশব্দ প্ৰহৰ।
অভিমানবোৰেই হয়তো বিচ্ছিন্ন কৰে দুটি মন।
বিচ্ছেদৰ ধুমুহাই অন্তৰাত্মা কঁপাই তোলে অ'।
মই জানো,
মোৰ কবিতা অসহনীয় এতিয়া তোমাৰ বাবে।
আৰু মই?
হাঃ হাঃ, মাথোঁ এক অপ্ৰয়োজনীয়।
তোমাৰ ওচৰত আজি পৰাজিত।
নাই নিলিখিম আৰু বন্ধুত্বৰ কবিতা,
সঁচাই নিসংগতাই একমাত্ৰ মোৰ প্ৰিয় বান্ধৱী।

# আন্ধাৰ

**জ্যোতি বৰুৱা**
শিক্ষাতত্ত্ব বিভাগ

চকুলোবোৰ গোট মৰাৰ পাছত
আনন্দবোৰ শেষ হোৱাৰ পাছত
বহুদিন হ'ল নহঁহা আৰু কান্দিব নোৱাৰা
শুকাই শিল যেন হোৱা অন্তৰৰ
অনুভূতিবোৰ আজি
কোনেও বুজি নাপায়
বুজি নাপায় দুচকুৰ ভাষা
সেয়েহে মই নাহাঁহোঁ আৰু নাকান্দো।

মনৰ এক নিজান কোণত বাজি থাকে
হতাশাৰ পৰাণ কঁপোৱা সুৰবোৰ
হিয়া উজাৰি আনন্দ কৰিলে
দুখৰ বতৰাই
হৃদয়ত ঠাই বিচাৰি ৰৈ থাকে।
হেৰাই যাওঁ কেতিয়াবা বৰ্তমানৰ পৰা
লৈ যাব খোজো জীৱনৰ সমস্ত ক্ৰোধ,
আক্ষেপ আৰু বেদনা
সেইবাবেই মই কথা পাতোঁ
তমসা নিশাৰ আন্ধাৰৰ সৈতে
হেৰাই যাব খোজো আন্ধাৰৰ বুকুত
কাৰণ ডাৱৰৰ আঁতৰৰ জোনাকতকৈ
আন্ধাৰেই ভাল।

# দৃশ্যপট

**পম্পী ভাগৰতী**
ৰসায়ন বিজ্ঞান বিভাগ

সাগৰৰ ঢৌ খেল দেখা নাই
দেখা নাই বতাহৰ তীব্ৰতা
দেখিছোঁ সাগৰৰ ঢৌৰ দৰে
এলানি মানুহ
ভিৰ ঠেলি আগবাঢ়ি
অহা এজাক মানুহ।
নিষ্ঠুৰ নিয়তিৰ কোবাল সোঁতত
হাবাথুৰি খোৱা এজাক মানুহ,
যুগৰ পৰিৱৰ্তন নহ'ল
এইজাক মানুহৰ অভাৱ।
খুদকণ খোৱাৰ বাবে
ৰ'দে-বতাহে পথৰ দাঁতিত
শূন্য ভিক্ষা পাত্ৰ লৈ থকা,
মৃতপ্ৰায় কংকালসদৃশ
পদপথত শুই থকা এজাক মানুহ।
গৃহহীন, অধিকাৰহীন, অৰ্থহীন জীৱন সিহঁতৰ
হাঁহিবলৈ সাহস নকৰা
মনৰ নীৰৱতা, গধুৰ হুমুনিয়াহ
লৈ ফুৰা এজাক মানুহৰ দৃশ্য,
বাচিবৰ বাঞ্ছাত আজিও
যুঁজি থকা এই এজাক মানুহ।

# জীৱন


**ইন্দ্ৰানী খাউণ্ড**
অসমীয়া বিভাগ

জীৱনৰ নাট ভাও
কিমান যে কৰিলোঁ
কিমান যে ৰচিলোঁ গান
সুখ হৈ বৈ গ'ল হাঁহি হৈ জুৰি গ'ল
জীৱনৰ আধা লিখা তান
কত যে দুখৰ বোজা
কঢ়িয়াই ফুৰিলোঁ
জীৱনৰ একা-বেঁকা বাট
সময় থমকি ৰ'ল হৃদয় ভাগি গ'ল
ৰ'ল মাথোঁ বিষাদৰ গান।

# বন্ধুত্বৰ এনাজৰী

**পূৰ্বাশ্ৰী বৰা**
উদ্ভিদ বিজ্ঞান বিভাগ

বন্ধু
জিলিকি ৰোৱা
ৰামধেনুৰ সাতোৰঙী ৰং হৈ
তুমি নাজানা
তোমাৰ বন্ধুত্বৰ আলোকক
নুবুজিবা হয়তো
মোৰ বাবে থকা তোমাৰ প্ৰয়োজনীয়তা।
মই মাথোঁ
হৃদয়ৰ আন্তৰিকতাক
তোমাৰ আত্মাত প্ৰতিষ্ঠা কৰিব খুজিছোঁ
নাভাবিবা পিছে
বন্ধুত্বৰ পিঞ্জৰাৰ মাজত
আৱদ্ধ কৰিছোঁ।
প্ৰাণখোলা হাঁহিৰে তুমি
মুক্ত আকাশত বিচৰণ কৰা।
বন্ধুত্বৰ প্ৰতিশ্ৰুতিৰে ভৰা
মোৰ হৃদয়খন স্থবিৰ হৈয়ে ৰ'ব
আজিৰ দৰে
তুমি সন্দিহান নকৰিবা বন্ধু,
তোমাৰ হৃদয়ৰ পৰা
হওঁ যদি নিশ্চিহ্ন,
ৰ'ম সৰ্বহাৰা, নিঃস্ব
মৰুময় পথৰ পথিক হৈ।



# বৰশী

**ধৰিত্ৰী বৰুৱা**
প্ৰাণী বিজ্ঞান বিভাগ

ল'ৰালিৰ উশাহতে বাগৰিছিল সুখ
জলফাইৰঙী সপোনে ছানি ধৰিছিল আকাশ,
এজাৰবোৰে দুখ কি জনা নাছিল
মাথোঁ হিচাপত আছিল বৰশীৰ মাছ।
টোকোৰা চৰাইৰ সাধুবোৰে আজিও আঁকে
সোলা মুখৰ হাঁহি,
ৰজা-ৰাণীৰ কাহিনী আজি তেনেই চিনাকি
মাথোঁ মই ৰজা কিম্বা ৰাণী।
সোণালী অতীত এনেকুৱাই সুখ আঁকি গুচি যায়,
চম্পাৱতী আজি ক'ত হেৰাল
ময়ো নাজানো।
হাঁহিবোৰনো কেতিয়া বিষাদ হ'ল
বৰষুণবোৰনো কেতিয়া ধুমুহা হ'ল
একো নাজানো।
কাৰণ আমিবোৰ কংক্ৰিত।
য'ত আমি ত'ত নাই সুখৰ ছবি
য'ত আছিল মমতাজৰ এমোকোৰা হাঁহি।



# জোনাকৰ সপোন

**প্ৰাংগণা গোস্বামী**
বুৰঞ্জী বিভাগ

ঠিক এনেদৰেই পাৰ হৈ যাওক
সময়ৰ হেঙুল-হাইতাল
হেমন্তৰ ৰাতি পাৰ হৈ যাওক
হেমন্তৰ আবিৰসনা নিশা
তোমাৰ আঙুলিত আঙুলি তিয়াই
পাৰ হ'ম ভৰা লুইত...
তোমাৰ দুচকুত চকু থৈ
বান্ধিম নাও লুইতৰ বালিত
কাষৰ সৰিয়হডৰাত মুখ ঢাকিম
পাৰ কৰিম সোণোৱালী আবেলি
লুইতৰ পাৰৰ জোনাকী নিশাত
দুয়ো তিতিম জোনাকৰ বৰষুণত
এই জোনোৱালী বৃষ্টিত তিতি আকৌ মেলিম নাও
এনে স্বপ্নৰ বৰষুণত তিতি বিলীন হ'ম তুমি মই
পাৰ হৈ যাব দিন-ৰাতি
আশাৰ ৰূপালী স্বপ্নত
হৃদয়ত বাজিব
অচিন বীণৰ সুৰ।

# প্ৰতিশ্ৰুতি

**বিদিশা গগৈ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

সকলো প্ৰতিশ্ৰুতিয়ে এদিন
হৈ পৰে সোঁৱৰণী
চিৰজীৱন একেলগে থাকিম বুলি
কোৱাৰ পিছতো
হেৰাই যাবলগীয়া হয়।
নিজৰ অগোচৰে আপোনজনৰ কাষত
আজীৱন থকাৰ প্ৰতিশ্ৰুতিৰে
পাৰি জানো থাকিব?
সকলো হেৰাই যোৱা সম্পৰ্কক
নীৰৱে সমৰ্থন কৰিব লাগিব
নতুনত্বৰ আগমনৰ বাবে
কিন্তু
জীৱনৰ কোনো বেলাত
নিশ্চয় আমনি কৰিব
সেই পুৰণি প্ৰতিশ্ৰুতিবোৰে।

# কৰুণতাৰ জিলিকনি

**স্মৃতিৰেখা নাথ**
প্ৰাণীবিজ্ঞান বিভাগ



সময়ৰ লগে লগে মনবোৰ
সলনি হৈ যায়,
দুখবোৰ ক্ৰমান্বয়ে কাষ চাপি আহে,
জীৱনৰ কাল দোমোজাৰ সোঁতত
মনবোৰ অশান্ত হৈ উঠে।
মন-মগজুত চিন্তা-ভাবনাৰ
অলেখ খলকনি উঠে।
জীৱনৰ আঁতডাল বিচাৰি নোপোৱা হয়
তেতিয়াই ভাঙি টুকুৰা টুকুৰ হৈ পৰে,
মনত সংগোপনে পুহি ৰখা সপোনবোৰ, হেঁপাহবোৰ
আৰু আশাবোৰ।
বুকুত নকৈ পাহি মেলিব
খোজা আজন্ম সপোনবোৰে
ৰূপ লয় এপাহ সৰি পৰা
শেৱালিৰ দৰে।
মনত ভাবি থকা অজস্ৰ উন্মাদনাবোৰ,
পৰিৱৰ্তন হয় বিষণ্ণতালৈ।
বন্দীত্বৰ শিকলিৰে বান্ধ খাই থকা
এটি পঁজাৰ মইনাটিৰ দৰে।

# অনুভৱ

**আছিফা শ্বামচি**
ৰাজনীতি বিজ্ঞান বিভাগ

নিসংগতাৰ ক'লা ডাৱৰ আৱৰি থকা
মোৰ মন আকাশত
ধ্ৰুৱতৰাৰ দৰে জিলিকিছিলা তুমি
এক মিঠা অনুভূতিয়ে চুই গৈছিল
মোৰ হৃদয়ৰ প্ৰতিটো প্ৰান্তক।

দুচকুত আশাৰ বন্যা
বুকুত এসাগৰ মৰম
আৰু
মিঠা অনুভৱবোৰৰ
মৃদু যন্ত্ৰণা...

কিন্তু, তুমিতো জানাই
মই
মোৰ সমাজ, মোৰ পৰম্পৰা
আৰু সংস্কাৰৰ বিৰোধিতা কৰিব নোৱাৰোঁ
তুমি ভাল পাবা বুলি।

# এজাক বৰষুণ লাগে

**ৰিকুশ্ৰী চেতিয়া**
**অসমীয়া বিভাগ**

এজাক বৰষুণ লাগে
ডবাপিটা বৰষুণ।
যিজাক বৰষুণে
ধুই নিকা কৰিব
পৃথিৱীৰ জীৱজগতৰ ওপৰত
অন্ধবিশ্বাস, হিংসা, হত্যা আদিক।
জ্বলি থকা তপত জুইকুৰা
নিমিষতে ধুই লৈ যাব
এজাক ডবাপিটা বৰষুণে।

# সোঁৱৰণী সুবাস

**দিপ্তী গগৈ**
অসমীয়া বিভাগ

মোক আৰু আমনি নকৰিবা সোঁৱৰণী
মোৰ চকু চিৰাচিৰ কৰি
ৰোপণ নকৰিবা যন্ত্ৰণাৰ শস্যৰ বীজ
সিদিনা মই আঁতৰি আহিছিলোঁ
হেৰুৱাই পাইছিলোঁ শৰতৰ মিঠা সুখবোৰ
মোৰ মনৰ জুইত জ্বলি উঠিছিল
স্মৃতিৰ পাহৰি যোৱা সোঁৱৰণী
তোমাক পাহৰা দিন ধৰি
বুকুত সাঁচি ৰাখিছোঁ শূন্যতা আৰু নিঃসংগতা
কলিজাৰ কেঁচা কঁপনি
গোমা আকাশৰ ষড়যন্ত্ৰ ফালি
ৰামধেনুৰ ৰঙেৰে সজাব খোজো
জীৱনটো নতুন ৰূপত সেয়ে
মোক আমনি নকৰিবা তুমি
যি বাটে যাব বিচৰা, মোৰ সুবাস বাটে বাটে
মই হেৰুৱাব নিবিচাৰোঁ মোৰ
বুকুৰ মাজত লুকাই থকা
মিঠা আৰু সুবাসিত সুখবোৰ।

# মুক্তি

**ৰিকুশ্ৰী চেতিয়া**
অসমীয়া বিভাগ

আজি তাণ্ডৱী নিশা
ভাগি পৰিল মোৰ
ভগা পঁজা।
মই মুক্ত হৈ যাম
বতাহৰ দৰে
উভালি মোহবন্ধনৰ শিপা।
মোৰ আগত আৰু নানাচিবা
পেখম ধৰি,
নাগাবা নিচুকনি গীত
নক'বা বাৰে বাৰে
নিশাৰ শেষত উঠা
সূৰুযৰ কথা
নভৰে আৰু মোৰ চিত।

# এচাটি ধূলিয়ৰি বতাহ

**ৰিছা ফুকন**
ৰসায়ন বিজ্ঞান বিভাগ

কিমান আৰু দুহাতেৰে সাজিম
ভঙা পঁজাৰ আঁচল
কুৰুকি কুৰুকি বাট লওঁতেই
ৰ'দছাটিয়ে দিলে পছুখেদা।
মোৰ সীমনাত যদি
বাজি উঠে অগ্নি শংকাৰ ৰণডংকা
তথাপিও শুই নপৰোঁ
শেতেলি পৰা কোঠালি দুৱাৰত।
বৰষুণজাক আহিছিল
ধূলিয়ৰি বতাহছাটিৰ কান্ধত উঠি
অজানিতে এন্ধাৰৰ অবাধ দখল
কেনি যাওঁ ভাবোঁতেই মই চাই ৰ'লোঁ
খিৰিকীৰ পৰা ক'লাবৰণীয়া
এখনি অচিন আকাশ।
ভাবনাৰ অস্তিত্বক হত্যা কৰি
অচিন আকাশত কিদৰে চাইছোঁ
পোৱা-নোপোৱাৰ গণনা ভুল হ'ল।
সময়বোৰ কেনি গুচি যায়
মোৰ অজানিতে
একা-বেঁকা আলিত জীৱনৰ থৰকাছুটি
লিখো-নিলিখোঁ ভাবনাৰে
লিখিয়েই থ'লোঁ
এচাটি ধূলিয়ৰি বতাহত
মৃত্যু হোৱা দিনৰ কথা।



# ফাগুন এটি নিৰ্যাস

**হাবিবা আখতাৰ বেগম**
প্ৰাণী বিজ্ঞান বিভাগ

ফাগুন,
তোৰ গাঁথাৰে
মোৰ এই মালিতা
আঁচল উৰুৱাই নিয়া
ভ্ৰষ্ট চৰিত্ৰৰ কথাকে লিখোঁ তোৰ
মোৰ মালিতাত।
সৰাপাতৰ উচুপনিত
মোৰ ধূলিয়ৰি পদূলি
এখন্তেক উদাস হয়
তোৰ গুমৰাগৰ ছেও দেখি
খৰ-মৰ-খৰ-মৰ
শিমলুৰ মুঠি মুঠি সেন্দূৰৰ
আবিৰেৰে কিয় ৰাঙলী কৰ মোৰ কপাল
তাৰ পাছতেই মই জোৰোঁ মালিতা
পলাশ-মদাৰৰ বিষণ্ণতা

ন পযেকৰ জোনটোৰ লগত
মোক আৰু বেছিকৈ বাউল নকৰিবি
উদ্বাউল মই।
মই হাড়ে-হিমজুৰে ফাগুনৰ কবি।

# অচিন চিঠি

**অলকা সেনাপতি**
একাদশ শ্ৰেণী, বিজ্ঞান বিভাগ

মই অনুসন্ধিৎসু
তোমাৰ হাতেৰে লিখা
নীলা আখৰবোৰৰ অৰ্থ বিচাৰি
স্বপ্ৰেৰিত তোমাৰ
চিঠিৰ লেফাফাত মোৰ নাম আৰু ঠিকনা
খিৰিকীৰে,
বাহিৰলৈ চাই ভাবিবলৈ অহোপুৰুষাৰ্থ কৰোঁ
ক'ৰপৰা আহে এই চিঠিবোৰ?
এনেতে এজাক কোমল বতাহে
মন যেন সূক্ষ্ম কৰি তোলে,
হৃদয় মসৃণ হৈ পৰে।
চৰাইৰ কাকলিত যেন,
সজীৱ হৈ উঠে মোৰ আশা।
ফুলৰ গোন্ধত যেন,
পূৰ্ণ হৈ পৰে মোৰ সপোন।
ক'ৰ অচিন চিঠিয়ে,
হঠাতে, জীৱন দি গ'ল মোৰ জীৱহীন দেহক?

# শান্তিৰ সন্ধানি বাট

**লস্মীতা বৰা**
প্ৰাণীবিজ্ঞান বিভাগ

নীৰৱে বৈ থকা নদীখনৰ
পাৰত বহি
শান্তিৰ অপেক্ষা...
ফাগুনৰ বতাহজাকে
আনিছে আশাৰ বতৰা।
আকাশ চুমিব খোজা
এটি উৰণীয়া পক্ষী মই...
সপোনৰ টুকুৰাবোৰ বুটলি
খোজ দিছোঁ শান্তিৰ সন্ধানি বাটত...
শৈশৱৰ ভৱিষ্যৎ পৰিকল্পনাবোৰ যেন
আজি মোৰ বাবে পঞ্চতন্ত্ৰৰ সাধু
ভৱিষ্যতৰ ভয়ে যেন ধুই থৈ যায়
মোৰ বৰ্তমানৰ হাঁহিবোৰ।
মাথোঁ দি যায় এক বুজাব নোৱাৰা
ব্যাকুলতা...
ৰামধেনুৰ সাতো ৰঙীণ ৰংবোৰৰ দৰে ৰঙীণ সপোনবোৰে ৰিঙিয়াই
মাতে...
উৰিব খোজো এই বিশাল মুক্ত আকাশৰ তলত।
কিন্তু,
ভয় লাগে সেই ধুমুহাজাকৰ সন্মুখীন হ'বলৈ
ভয় লাগে সেই অচিন চিনাকি বৰযুণ জাকলৈ...
গোপন ভয়
আৰু চকুত অযুত সপোন লৈ
খোজ দিছোঁ উজ্জ্বল ভৱিষ্যতৰ সন্ধানি বাটত...

বিষয় ঃ প্ৰেম বিষয় জীৱন ঃ সংজ্ঞা অথবা সংজ্ঞাৰ পৰিৱৰ্তে

# প্ৰেম ঃ হৃদয়ৰ পৰা হৃদয়লৈ...

**দৰ্শনা শইকীয়া**
প্ৰাণী বিজ্ঞান বিভাগ

এদিন আহিবা
তোমাৰ কোলাত শুবলৈ দিবা
নিচুকনি গীতৰ ৰাগিত জিৰাবলৈ দিবা
প্ৰেমে হৃদয়ত সঞ্জীৱিত কৰে প্ৰেমৰ প্ৰতি বিশ্বাস... প্ৰেমে আনি
দিয়ে ব্যাকুলতা, প্ৰেমে সিঁচি দিয়ে সপোনৰ খেলা। সংজ্ঞাৰ গণ্ডীৰ
বাহিৰত বিচৰণ কৰা প্ৰেমে জীৱন দিবও পাৰে জীৱন নিবও পাৰে।
কথা নাছিল ভালপোৱাৰ
কথা নাছিল তোমাৰ হোৱাৰ
কথা নাছিল উলাহত তোমাক...
নভবাকৈয়ে হৈ যায় কথাবোৰ হৃদয়ে হৃদয়ে
'প্ৰেম' —দুটি বৰ্ণৰ এই শব্দটোতনো আছে কি? যি হৃদয়ত অংকন কৰে
সুখৰ মদিৰা, যি কৰি তোলে হৃদয় চঞ্চল, যি মানিব নোখোজে কোনো
সামাজিক বাধা, প্ৰেমে মাথোঁ বিচাৰে হৃদয়খন জোকাৰি থৈ
যোৱা এক ঐশ্বৰিক আমেজ। প্ৰেমে জীৱন জীপাল কৰাৰ
মানসিকতাৰে প্ৰেম মাথোঁ প্ৰেম, কি যাদুকৰী মোহিনী শক্তি
আছে এই দুটা বৰ্ণৰ শব্দটোত যাৰ বাবে সৃষ্টি হ'ল লাইলা-মজনু,
জংকি-পানৈ, ৰোমিঅ'-জুলিয়েটৰ দৰে ইতিহাসৰ পাতৰ প্ৰেম
বিজয়ী প্ৰেমিক-প্ৰেমিকাৰ জীৱন বিভীষিকাৰ জ্বলন্ত ৰূপ।
তোমাক ভালপাওঁ বাবেই
চঞ্চল হয় মোৰ মন
একাঁঠু বোকাৰে লুটি-পুতি
মোৰ মৰমে বিচাৰে
প্ৰেম, প্ৰেম, মাথোঁ প্ৰেম...
আমাৰ জীৱনলৈ প্ৰেমৰ অবাধ গতি, তথাপি চিন্তাশক্তিৰ দুৱাৰে
খুলিব নোৱাৰে প্ৰেমৰ সংজ্ঞা, প্ৰেমৰ সংজ্ঞা বিচাৰি কৌতূহল, বিস্ময়
অতৃপ্তিৰ অন্ত নাই। প্ৰেম যাৰ শব্দৰ স্পন্দন ৰোমাঞ্চিত কিন্তু যাৰ অৰ্থৰ অংক গভীৰ। মাথো ক'ব পাৰি— প্ৰেম দুটি
বৰ্ণৰ এক
ঐন্দ্ৰজালিক সমষ্টি, যি হৃদয়ৰ একছত্ৰী ৰাজত্বৰ ইচ্ছা, এখন হৃদয়ে
আন এখন হৃদয়ক আপোন কৰি লোৱাৰ এক গোপন
সূক্ষ্ম আকাংক্ষা, নিঃস্বাৰ্থ প্ৰেমৰ অনুভূতি ভাৱাৰ্থৰে সমৃদ্ধ

এখন হৃদয়েহে অনুভৱ কৰিব পাৰে প্ৰেমৰ পৰিসৰ।
তোমাৰ শপত...
ভালপোৱাতেই সঁপি দিব পাৰোঁ
জীয়াই থকাৰ হেঁপাহ
প্ৰেম কোনো নিৰ্ধাৰিত সময় বা বয়সৰ পৰিপন্থী নহয়। সময় আৰু বয়সৰ বান্ধোনৰ পৰা প্ৰেম মুক্ত। প্ৰেম হৃদয়ৰ ভাষাৰে আবৃত
য'ত প্ৰেমে বিচাৰে কেৱল প্ৰিয়জনৰ সান্নিধ্য
মোৰ জীৱনলৈ প্ৰেমৰ অবাধ গতি
তথাপিও অতৃপ্ত
হৃদয়খনে খান্দি চাব বিচাৰে প্ৰেমৰ গভীৰতা
প্ৰেম এক ৰমণীয় স্বৰ্গীয় অনুভূতি, যিয়ে জীৱনক দিয়ে পৰিপূৰ্ণতা
জীৱনৰ প্ৰতি জগাই তোলে মমতা আৰু আত্মাক সঞ্জীৱিত কৰে
জীৱন যুঁজত জয়ী হোৱাৰ সাহস তথা জীয়াই থকাৰ অদম্য হেঁপাহ
প্ৰেম শ্বাশ্বতঃ অবিনাশী অনুভূতি তথা অনাবিল প্ৰেৰণাৰ উৎস।
সঁচা প্ৰেম জীৱনৰ সঞ্জীৱনী শক্তি। বিবাহেই প্ৰেমৰ পূৰ্ণ অৱস্থা নহয়। প্ৰেমত স্পৰ্শ অনুভূতিৰ প্ৰয়োজন নাই। এনে কোনো কথা হ'বই নোৱাৰে যদিহে সেই স্পৰ্শ কেৱল যৌন ক্ষুধাতেই আৱদ্ধ নহৈ বিশাল দৃষ্টিভংগীৰে হৃদয়ৰ নিঃস্বাৰ্থ ভালপোৱা হয়।
যৌৱনৰ অসংযত চৰম ভুলটোৰ বাবে তোমাৰ আলিংগন মোক নালাগে
সেয়া দেখোন বেশ্যায়ো মোক দিব পাৰে হৃদয়ে হৃদয়খন জোকাৰি থৈ যোৱাৰ
পৰিপূৰ্ণ মুহূৰ্তহে মোৰ প্ৰেমক লাগে।
প্ৰেম মানুহৰ জীৱন গঢ়াৰ প্ৰথম প্ৰেৰণা, প্ৰেমে কল্পনাৰ
কাৰেংঘৰ সাজি প্ৰেমিক-প্ৰেমিকাৰ জীৱন বৰ্তমানৰ যান্ত্ৰিক পৰিৱেষ্টনীৰ
পৰা বাহিৰ কৰি সুন্দৰ কৰি তোলে।
পোৱা-নোপোৱাৰ বাসনাতেই শেষ হয় অপূৰ্ণ মুহূৰ্তবোৰ
যদিও তৃপ্ত তথাপি থাকি যায় বহুতো
'প্ৰেম' বৰ্তমান কিছুমান যুৱক-যুৱতীৰ শাৰীৰিক আত্মতৃপ্তিৰ
এক আধুনিক ফেশ্বন। যাৰ অৰ্থ যৌন ক্ষমতাৰ হিচাপ দাখিল কৰা।
হৃদয়ৰ আকৰ্ষণৰ তীব্ৰ প্ৰতিক্ৰিয়া দেহত ৰঞ্জিত হোৱাটোৱেই প্ৰেম। কিন্তু প্ৰেম দিবহে পাৰি, কাঢ়ি বা আঁজুৰি নিজৰ কৰিব নোৱাৰি। টেনিচনে কৈছিল— 'প্ৰেম নোপোৱাতকৈ পাই হেৰুওৱাটোৱেই বেছি ভাল।'



# সময়

**বেবী দত্ত**
**একাদশ শ্ৰেণী, কলা শাখা**

সময় সঁচাকৈ বৰ নিষ্ঠুৰ,
কেতিয়াবা হুঁহুৱায়, কেতিয়াবা কন্দুৱায়।
হাঁহি-কান্দোনৰ মাজেৰে পাৰ কৰিছোঁ মোৰ জীৱনটো
কেতিয়াবা ভয় হয় সময়ৰ গতিত ময়ো
মোৰ আপোন মানুহবোৰক হেৰুৱাই পেলাম নেকি?
জীৱনটোত বহুত পালোঁ, বহুত হেৰুৱালোঁ
পোৱা বস্তুক লৈ আনন্দ কৰিলোঁ, হেৰুৱাবোৰক লৈ
হিঁয়া উজাৰি কান্দিলোঁ।
মই এতিয়া মোৰ আনন্দত, দুখত মোৰ মা-দেউতা আৰু
আপোন মানুহবোৰ কাষত আছে,
ভৱিষ্যতে থাকিবনে বাৰু এনেকৈ? যে সময়ৰ
গতিত মই হেৰুৱাই পেলাম মোৰ আপোন মানুহবোৰক?

# অকবিতা

**ৰিছা ফুকন**
ৰসায়ন বিজ্ঞান বিভাগ

সময়ক নুসুধিবা
এই জীৱন কাৰ বাবে
সময়ক নুসুধিবা
এই ক্ষণ কাৰ বাবে
সময়ক মাথোঁ সোধা
তোমাৰ শেষত
সময়ে চকুলো টুকিবনে?
সময়ে তোমাক আকৌ দিবনে?
এৰি অহা তোমাৰ শৈশৱ।
কালি অতীত আছিল
আজি বৰ্তমান
আৰু কাইলৈ ভৱিষ্যৎ
সময়ৰ সোঁত আৰু জীৱন-মৃত্যু
এই দুয়োৰে সোঁ-মাজত মই।



# একাদিক্ৰমে সময়

**জেচমিন গগৈ**
পদাৰ্থ বিজ্ঞান বিভাগ

**স্তৱক-১**
আইৰ পুৰণি জপাটোত ওলাইছিল সেইদিনা
ৰামধেনুৰ ৰঙেৰে বোৱা
খনীয়া কাপোৰখন।
পিতাইৰ প্ৰেমৰ আবিৰত তিতি বৈ পেলাইছিল হেনো।
বুকুৰ সমস্ত সেউজীয়াৰে সামৰি থ'লোঁ
চন্দুকৰ একোণত।
হিয়ালৈ যেতিয়া খৰাং নামিব,
তেতিয়া সেউজীয়াবোৰে শৰৎ আনিব
—এই আশাত।

**স্তৱক-২**
বহুদিনৰ মূৰত সেইদিনা
চহৰৰ পৰা জীজনী আহিছিল।
দেউতাকৰ মৰমেৰে মইনা চৰাই হোৱা
এজনীয়ে চেনেহৰ জী।
হঠাতে দেখিলোঁ তাইৰ দুহাতত
আইতাৰ ৰামধেনুৰঙী খনীয়া কাপোৰখন
দুহাতেৰে মেৰিয়াই পৰিণত কৰিলে জাবৰৰ দ'মত।
হঠাতে সকলো ধূলিয়ৰি হ'ল।
বিৱৰ্ণ হ'ল সেউজীয়া
দুচকুৰ কোণত পৰি ৰ'ল
আইৰ চেনেহী মুখখন।

# অলিখিত

**উপাসনা বনিয়া**
হিন্দী বিভাগ

কি নো লিখিম?
সাপ হৈ বগাই ফুৰা
ৰাতিবোৰ পাৰ কৰি,
পুৰা বেলি ফুলাৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
মৃত্যুৰ শোকত ডুবি ডুবি
জীৱনৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
পংগু দুচকু, পংগু দুহাত লৈ
সপোন অঁকাৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
শাসকৰ ৰুগীয়া আশ্বাসত
শাসিতৰ জেলেঙা বিশ্বাসৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
হেংদাং লোৱা ডেকাৰ হাতত
হাত কেৰেয়াৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
এশ-এবুৰি বাক-বিতণ্ডাৰ পাছতো
প্ৰতিশ্ৰুতিহীনতাৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
নীৰৱ শ্ৰুতিৰ পাছত
মূক হৈ পৰাৰ কথাতো
লিখিব নোৱাৰোঁ...
কিনো লিখিম?
কবি নোহোৱাকৈ
কবিতাৰ কথাতো
লিখিব নোৱাৰোঁ...

# চাদৰ

**ধৰিত্ৰী বৰুৱা**
প্ৰাণী বিজ্ঞান বিভাগ

ফুটপাথটোৱে দাঁত নিকটাই
মোক সোধে
চাদৰৰ মূল্য কিমান?
উজাগৰী নিশাটোৱে জোকাৰি পেলায়
যৌৱন লিখাৰ গান।
বাউসীটোৱে ওফৰাই ইস্ত্ৰিৰ থিয়জাঁপ
কি ঠিকনা কিমান ৰাতিত
বেদনা সৰে?
আন্ধাৰে পোতে নিজৰ মুখ,
হাঁহিবোৰ হেৰায় ঠিক ফাগুনৰ দৰে
জাপ পতা চাদৰৰো অভিমান
পিনবোৰ খহি পৰে,
উত্তৰত ঠিকনা হেৰায় ভ্ৰূণৰ
শুই পৰে মৰম, দয়া কিম্বা মমতা।

# প্ৰেৰণা কিম্বা প্ৰেম

**হাবিবা আখতাৰ বেগম**
প্ৰাণী বিজ্ঞান বিভাগ

নুশুনো দিয়া
তোমাৰ বাঁহীৰ বন্যা
সুৰৰ অন্তৰংগ সোঁত
ছন্দপৰা পথাৰৰ
শেলুৱৈ পৰা বুকুত
দুখবোৰে মাৰল বান্ধিছে
জীয়নীয়া উশাহবোৰক।
দেহৰ এবকলা
নিঃকিন হ'লেও
দুৰ্বাৰ প্ৰেৰণা পাইছোঁ
বিনিদ্ৰ ৰাতিৰ
নিহালীৰ উমত।
প্ৰেম কি?
হাজাৰটা প্ৰশ্ন
প্ৰেম কি?
প্ৰেম এক ক্লেদাক্ত অতীত
মিঠা বৰ্তমান



# শৰৎ

**ইন্দ্ৰানী খাউণ্ড**
অসমীয়া বিভাগ

শেৱালি ফুলৰ সুগন্ধিত
মেঘমল্লাৰ মিঠা হাঁহিত
আকৌ আহিল শৰৎ।
বালিমাহীজনীৰ নাচোনৰ তালে তালে
মৰমে ধোৱা মাটিক,
নৃত্যৰতা পৃথিৱীৰ গান শুনাবলৈ
শ্যামলী মেঘৰ সেমেকা সন্ধ্যাত
জীৱন জীপাল কৰিবলৈ।
অ' মলিন এটা নিকা পথেৰে
আলোকৰ যাত্ৰা কৰিবলৈ।
বিষাক্ত মাটি, পানী আৰু মানুহক
শুভ্ৰতাৰ পোহৰ বিলাবলৈ
আকৌ আহিল শৰৎ।
এখন বুকুৰ পৰা আন এখন বুকুলৈ
বৈ অহা প্ৰেমৰ সৰগীয় পৃথিৱীত
নিয়ৰসিক্ত বুকুত, লেচেৰি বোটলা
জীৱনৰ গান শুনাবলৈ
তোক আদৰিবলৈ মই
সময় খোজৰ এটি ধুনীয়া
হাঁহি হ'ব খোজোঁ
নতুন ভাষাৰে, নতুন আশাৰে
মাটি, পানী আৰু মানুহৰ বাবে।

# হায় অসম

**মনীষা দলে**
গণিত বিভাগ

হে, বীৰাংগনা
তোমাৰ দেশ অথলে গ'ল
অথলে গ'ল তোমাৰ ত্যাগ
দেশত আজি
আতংকৰ অন্ধকাৰ
বৰ বৰ নেতাবোৰৰ
জিঘাংসাৰ নিৰ্দয়তা
নিছিদ্ৰ অন্ধকাৰত আজি
জাতিৰ আৰ্তনাদ।
ধৰ্ষণ, শোষণ, হত্যা, লুণ্ঠনত
আজি ভূপতিত দেশৰ সন্মান।
মিছা হ'ব নেকি
ৰসৰাজ, নলিনীবালাৰ সেই অসম
এনে হ'লে
অসম এদিন হেৰাই নাযাবনে?
তেতিয়াহে আমাৰ মুখত
শব্দ আহিব
হায়, অসম
হায় মোৰ মৰমৰ অসম।





# মানৱ ৰূপী দানৱ

**কাশ্মিৰী শইকীয়া**
ইংৰাজী বিভাগ

মা, আজিও মনত পৰে জাননে?
তোৰ বুকুৰ উমেৰে পাৰ কৰা প্ৰতিটো দিন...
প্ৰতিটো পল...
মানুহবোৰ সঁচাই নিষ্ঠুৰ অ'...
আই, মোক মনত পেলাই চকুলো নুটুকিবি
বৰ কষ্টকৰ হ'ব অ'
তোৰ অশ্ৰুভৰা মুখখন চাবলৈ...।
হে মোৰ প্ৰিয়তম প্ৰেয়সীজনী
সপোনবোৰ পূৰ কৰিবলৈ মই নোৱাৰিলোঁ...
ভাগি নপৰিবা।
জীয়াই থকাৰ প্ৰয়াস বাৰুকৈয়ে কৰিছিলোঁ
কিন্তু...
কিন্তু জাননে???
নিষ্ঠুৰ মানৱৰূপী দানৱকেইটাই
নুশুনিলে আমাৰ কথা...
বহুবাৰ কৈছিলোঁ অ' আই
'আমি অসমীয়া আমাক নামাৰিবা'
কিন্তু...
উহ, কিমান কষ্টকৰ আছিল সিহঁতৰ কোব...
তথাপিও...
শেষ উশাহলৈকে কৈছিলোঁ...
'আমি অসমীয়া আমাক নামাৰিবা।'

# আঘোণী, সপোনটি আৰু তেওঁ

**কৌমুদী দেৱী**
উদ্ভিদ বিজ্ঞান বিভাগ

সজাঁল সেউজীয়াবোৰৰ
আঁৰত
থোক ধৰা
সোণগুটি হেঁপাহ...
বুকুৰ লুংলুঙীয়া আলিটোৰে
আঘোণী সপোন এটাৰ
সঘন আহ-যাহ
কঙালী বুকুৰ শূন্যতা গুচাই
গেঁৰ ধৰা পথাৰখনে
ঘৰ সাজে।
মিঠাতেলৰ চাকিৰ
টিমিকি পোহৰত
সোণালী সপোনটো বুকুত
সোণাৰু হৈ ফুল।
ওঁঠত ওলমি ৰোৱা
হালধীয়া হাঁহিটোৰেও
যেন কৈ যায়...
বুকুত সোণাৰু ফুলাৰ কথা...
ভঁৰালত সোণগুটি চপোৱাৰ কথা...।

# আঘোণ

**কৰিশ্মা বৰুৱা**
প্ৰাণী বিজ্ঞান বিভাগ

আঘোণৰ সোণোৱালী পথাৰৰ
গেঁৰ ধৰা ধাননি
নতুন সপোনৰ পোখা মেলা
পিতাইৰ ছিৰালফটা হাত-ভৰি
আৰু ৰ'দে পোৰা দেহাটি
অব্যক্ত আনন্দৰ আইৰ মুখখনি
বহুদিনৰ মূৰত দেখা শেঁতা পৰা হাঁহিটি
ভঁৰালৰ লখিমীক দান কৰাৰ বিনিময়ত
থকা আমাৰ বহুৰঙী হেঁপাহৰ আশাৰ ৰেঙণি
শাওণৰ বাৰিষাৰ ঢল আৰু নাকত লাগি থকা
কেঁচা মাটিৰ মিঠা গোন্ধটিৰ
বাস্তৱায়িত ৰূপেই এই আঘোণ তুমি
তোমাৰ আগমনতেই নিগৰিত হোৱা
পকা ধানৰ মাজে মাজে গোৱা
বনগীতৰ বেদনাবোৰ
হেঙুলি আভাৰ লগত ছন্দ মিলাই যোৱা
পিতাইৰ কান্ধৰ ডাঙৰীভাৰ
পাছে পাছে যোৱা আমি ঘৰমুৱা পখী
শেষলৈ হোৱা বিনিদ্ৰ নৰা পেঁপাৰ বিননি
ৰবাব টেঙাজোপাৰ দুখৰ কাহিনী
আৰম্ভ হোৱা ভগ্ন হৃদয়ৰ ৰিক্ত অথচ
চিনাকি কেঁচা ঘামৰ শেষ নোহোৱা যাত্ৰাৰ লগৰী।



# তৌলৈ...

**ছাফিয়া গগৈ**
পদাৰ্থ বিজ্ঞান বিভাগ

বৰ লুইতখন বাঢ়ি আহিছে
বাপধন কাই নাওখন লৈ
গ'ল যি গ'লেই, আজিও
একো খবৰে নাই,
তই এইবাৰ নাহিলি??
ন ভাত খোৱাৰ দিনা
তৌলৈ বৰকৈ মনত পৰিছিল অ'।
এইবাৰ টানি-টুনি নিয়মটোকে
পালন কৰিলোঁ, তহঁত নাই যে...
আইৰ বুকুত তোৰে ধ্বনি
তই আহিবি,
তোৰ স্পৰ্শত প্ৰাণ পাব
আইৰ শেঁতা পৰা মুখ,
তই আহিলে নৈৰ কাষৰ
কঁহুৱাবোৰেও খিলখিলাই হাঁহিব,
পদূলিমুখৰ কৰবীজোপাত
ফুলি উঠিব,
বিষণ্ণ হৈ থকা মইজনীকো
তয়ে জীয়াব লাগিব।
তই আহিবি,
দুখৰ ৰাতি বীণা বজাবলৈ
তই আহিবিনে...?



# আঘোণ

**ধৰিত্ৰী বৰুৱা**
প্ৰাণী বিজ্ঞান বিভাগ

মেলেঙা হাঁহিটোত লাগি থাকে
এমখা ৰঙা পিক্,
তেওঁ গুচি যায় এনেকৈয়ে
আঘোণৰ প্ৰতিটো আবেলিত।
তেওঁৰ হাতত কুঁৰলী তেতিয়াও লাগি থাকে,
জাৰে বিন্ধে, তথাপিও দীঘল খোজৰ মৃত্যু নহয়।
বেলিটোৰে আকৌ মিচিকিয়াই
লাহে লাহে আঘোণৰ চোলাটোত ওলমে
এজাক ৰ'দ-মুকুতা
কঁকালত ওঁঠৰঙী তামোলৰ হেঁচা-ঠেলা
টেঙাৰ দুপৰীয়াটো তেওঁৰ নিজৰ
কাঁচিখনৰ বুকুত নতুন গোন্ধটোৰে হেঁচা মাৰি ধৰে
আঙুলি মূৰত উদ্‌যাপিত হয়
পোৱা-নোপোৱাৰ একুৰি হিচাপ
ৰান্ধনি বেলিক বিদায় মাগে তেওঁ
উত্তৰত আকৌ এবাৰ ছটিয়াই দিয়ে
এজাক পুহ বিন্ধা জাৰে ফুটা কুঁৰলী।

# জীৱন

**গায়ত্ৰী চাংমাই**
প্ৰাণী বিজ্ঞান বিভাগ

কি ক'ম জীৱন তোৰ গাঁথা
সেইযে আইৰ গৰ্ভৰ পৰা যিদিনা উপজিলোঁ,
সেইদিনাই আৰম্ভ হৈছিলি তই।
বিষাদ যন্ত্ৰণাৰ নামেই হ'ল জীৱন
জীৱন, তই কিয় ইমান আকলুৱা
তোৰ বাবেই আজি এচামৰ করুণ আৰ্তনাদ,
আন এচামৰ আকৌ বিলাসিতাৰ নাচোন
তয়েই শিকাই দিলি যন্ত্ৰণা কি?
এফালে ভোকাতুৰৰ কাতৰ চিঞৰবোৰ
নুশুন জানো তই
তোৰ জহতেই আজি বন্দী সকলো
তই থকালৈকে হাঁহি আৰু কান্দোন
যিদিনাই তোৰ শেষ হয় সেইদিনাই
কিয় দিয়া হয় মুখাগ্নি?
সকলো দেখিও মানুহৰ নিশ্চুপ সেইদিনা তই।
কেতিয়াও শেষ নোহোৱা তোৰ এক নীৰৱ গতি।
জীৱন, নদীৰ সোঁতৰ দৰেই সঁচাই তোৰ গতি
এক ধাৰাসাৰ গতি, হয়তো কোনেও নোৱাৰে ৰুধিব।
এৰা কিনো ক'ম,
জীৱন তই সঁচাই অভূতপূৰ্ব
এবাৰতেই শিকাই থৈ যাৰ সকলো
কেতিয়াও পৰিসমাপ্তি নোহোৱা এক যাত্ৰা
ফুটপাথত বাস কৰা জনৰ পৰা
অট্টালিকাৰ ৰাগিৰ মাতালজনকো শিকাই
থৈ যাৰ তোৰ সংজ্ঞা
সঁচাই, কিয়ে অপৰিসীম তোৰ লীলা
এক অন্তহীন তোৰ গাঁথা
সঁচায়েই এক অবুজ সাঁথৰ
এক মায়াময় শব্দ, তয়েই জীৱন
অন্তহীন অসাৰ শব্দ তই জীৱন।

# জীৱন

**অনিন্দিতা বৰুৱা**
গাৰ্হস্থ্য বিজ্ঞান বিভাগ

বাটেৰে গৈ আছোঁ
কিজানিবা লগ পাওঁ
অসীম পথ লক্ষ্য
জীৱন সীমনা।
আন্ধাৰ এচুকত ৰৈ
জুমি চাইছিলোঁ
উজান মেঘৰ
ক'লা পোছাক।
দূৰণিত মুকুতাবিহীন
এটি ভোটাতৰা
লক্ষ্যহীন হৈ
গৈ আছোঁ
গৈ আছোঁ...।

# दुखो का बाजार

**यमुना बरूवा**
सहकारी अध्यापिका, हिन्दी विभाग

आशाओं की महफिल लगी है आज
बिका गया होसला और साहस
विश्वासों का अन्देखा सच
सब कुछ जो दिलों के कोने में है
भावना, प्रेरणा, दया, ममता...।
आसूओं के बूंदो की तुलना
पैसों पर की गयी...
एक रूपया दो रूपया
हर बूंद दर्द का आँसू।
खरीदार नहीं कोई भी सुखों का
बस नीलम है आज दुखों का।
दर्द का बाजार मूल्यों का बाजार
खुणों से लथपथ बेवसी का बाजार।
कितना मिला? पूरे सौ...॥
पचास जनों के आँसू और
पचास जनों के लहू...सिर्फ सौ रूपया॥

# जिन्देगी एक पहेली

**जेसमिना बेगम**
हिन्दी विभाग

जिन्देगी एक पहेली है
जिसे सुलझाना हमारी बस की नहीं है
जिन्देगी को अगर जिना चाहों तो
उसे सुलझाने की जरुरत ही नहीं है।
सुख-दुःख दोनो को स्वीकार करना सिखो
सुख आपको आनन्द देता है
दुःख आपको अपनों से मिलाता है।
अपनों की पहचान सुख में साथ देने से नहीं
बल्कि अपके दुःख में साथ देने से होता है।
हर नाकामीओं को कामयावि में बदल दो
जिन्दगी में खुदकी अलग पहचान बनाओं
हर नामुमकिन को मुमकिन करों
जिन्दगी जिने की प्रयास तो करों।
जिन्दगी एक अजीव किस्सा है
जिना-मरना उसका ही हिस्सा है
इंसान वह नहीं जिसमें कामयावि ही हो
इंसान तो वह है जिसमें इंसानियत भी हो।





# नारी शक्ति है सम्मान है

**बिनया देवी**
हिन्दी विभाग

नारी गौरव है, अभिमान है
नारी ने ही ये रचा विधान है
हमारा नतमस्तक इसको प्रणाम है
नारी शक्ति...
ये लक्ष्मी ये सरस्वती
यही दुर्गा का अवतार है
ये अनुसूया, यही सावित्री
यही काली रूप का वैभव है
नारी शक्ति...
लक्ष्मीबाई जैसा प्रेम है
पद्मावती जैसा जौहर इसमें
दुर्गावती जैसा पराक्रम है
नारी शक्ति...
कदम से कदम मिलाकर चलना
सैन्स, पराक्रम में पीछे न हटना
बुलंद हौसलों का परिचय देकर
अरूणिमा, नीरजा का हो रहा गान है
नारी शक्ति...
यही इंदिरा, यही सरोजनी
यही टेरेसा जैसी नारी है
बेदी जैसी कड़क, सुष्मिता जैसी प्यारी है
नारी शक्ति...
सुर संगम का सार लता का
सुंदरता में एश्वर्या है
ठुआ आसमान को ऐसी आयशा
खेल के मैदान में मिताती है
नारी शक्ति...
यही पालन हार हमारी
यही दमारी जननी है
इसका कदम है विकाश के पथ में
यही हमारी धन की देवी है
नारी शक्ति...
विश्वस्वरूपा, जगजननी
यही हमारी भार्या
यही हमारी अर्धांगिनी
इसके चरणों की रज को
मस्तक पे हमने लगाया है
नारी के सम्मान के खातिर
एक कदम हमने बढ़ाया है
नारी सक्ति है सम्मान है
नारी गौरव है, अभिमान है।

# पृथ्वी का अंत

**मेघना शील**
हिन्दी विभाग

अंत निकट आया है सबका
तप रही धरती भी है,
सुख गला गया है इसका
और अव ये मरने को ही है।
सुरज भी आग बरसा रहा
दुगनी हुई शक्ति भी है,
पहले शीतल था ये थोड़ा
पर अव तो ज्वालामूखी ही है।
गर्भ इसकी तप रही
थोड़ा भी बहुत है हो रही
आंदास करके मौत का
धरती भी है रो रही।
पर अव आँसु भी रहे नही
पीड़ा को कैसे बयाँ करे,
कुछ बुँद भी जो इसकी बँची
उसको ये सब पी गयें।
थोड़ा तो डर ऐ इंसान
कुछ रहा नही अव रोने को,
वजह हो तुम इस हाल का
और होगा अब अंत इसका।

# Success

**Harshita Kaushik**
Dept. of English

*Define what success means to you.
Some people need first life,
Others want a slower phrase of life,
And there is no right or wrong.
What matter is that you reflect?
And you decide for yourself.
What success looks to you?
Just imagine!
Then you set to achieve it.*

*Stop caring what people think of you
You just learn not to take everything
personally.
Moreover, love yourself
Make sure that you are strong enough.
Love and impress who you are,
Because you don't need other people
to tell you what you worth.
You should know how wonderful and
Awesome life you have.
And that should come from within!
Stop being paranoid,
We think that we were so important to
the world,
But when we look up the reality,
We found that people are only busy
with themselves, and that's acceptable.
So, don't waste your time and energy
by explaining yourself to others.
People already have an idea
of what they want to believe,
So they only hear what they want to hear,
And everything else just
subconsciously filter out.
Work hard think large, live simple,
Define what you are through your
work, your personality
And fly out with colorful wings.
Everyone have the capacity to shine,
You just put a little effort.
And reflect like a rainbow.*

# Ode to beauty

**Himashri Hatiboruah**
Dept. of English

*Do you find beauty in the rain, or in
the stars that melt with moonlight
in the sky; do you look into
the eyes of the lost, and see their pain?
Have you made the most of happy times,
and sometimes suffered through the bad?
Taken every despair to heart
untill you thought you would
never be anything in this life, but sad?
Do you immerse yourself in music
and lyrics and the sound of nature,
that express the emotions
of your heart and soul?
Are these the things that
make you whole, all the tragedy
and beauty of this world?*

# Imaginations

**Namasya S Khandayatray**
Dept. of English

*Imagine a world with no boundaries
And the entire globe surrounded,
with the garland of benevolences.
Imagine armies making peace
On the no-man's land.
Is it not fair just to imagine?
Think of a world with people making peace.
And a festival that everyone can rejoice
It is beautiful to see dreams
And even more beautiful to make them a reality
You definitely see happy faces all around.
As, is it not fair just to imagine?
Is it not fair to think of a world
With no war and only love?
A world full of toxic industries
And fuse of yellow daffodils and lilies.
Is it not fair just to imagine?
Because mind is a beautiful sky.
And imaginations are the birds that fly.
Let your bird fly and make
The world a better place.*

# The Enthusiastic Environment

**Punam Das**
Dept. of English

*Oh lord! What a lovely blow*
*The leaves are blooming, with a flowery smell*
*The sun is shining, like a gold.*
*Birds are chirping around the tree*
*Oh lord! What a lovely blow,*
*What a beauty scene a sky have!*
*Fleshy smell touches the heart of farmer.*
*What a dreedy sound, with a beauty*
*Sight! Does a river have.*
*Oh lord! What a lovely blow,*
*Need a rest in a peace nature*
*Oh lord! What a lovely blow*
*The hard work ends with the peachy*
*Smell and natural greenery love.*
*Oh lord! What a lovely blow.*

# Humans

**Jennifer Hussain**
Dept. of English

*Off you go*
*On the long dark roads,*
*Chasing the flames*
*You lost times unknown.*
*Pawers are we*
*In this journey of demise,*
*Where demons and angels*
*Are both alike.*
*Greed, wrath, gluttony*
*And four others accompaning*
*Has captured the minds*
*Of the said human beings.*
*Humanity, kindness and love*
*Might be talks of the part,*
*But if united we stand*
*Future of our earth will last.*

# The soldier

**Tribeni Payeng**
Dept. of English

*To you, My mother!*
*Never let your eyes wet,*
*Whenever you miss me.*
*To you, my darling Mistress!*
*Never let your hopes decliere*
*If your don't get a call.*
*To you, my child!*
*Never get angry*
*If I don't wish or your birthday.*
*Yes mother, I am your*
*Soldier son.*
*Yes my love, I am your*
*Soldier husband.*
*Yes my child, I am your*
*Soldier father.*
*Oh lord! I musr praise you*
*for my birth.*
*I am proud of what you made me.*
*I am proud of being as Indian.*
*Oh lord! forgive me*
*If I loose my breath soon!*
*And forgive me,*
*If I fail to save my 'Mother land'.*

# Love

**Parboti Das**
Dept. of English

*One love is the only one treasure on earth*
*that count when you are down and*
*one love is the magic and spendout of God.*
*No, Heart aches of earth can rout*
*It mellows and grows and deepens*
*with time through truggles and*
*heart aches that mount when fortunes*
*and friends are lost or astray.*
*One love is the only treasure that counts.*

# লি. মা. ৰি. ক


**ইচনাৰা বেগম**
ইংৰাজী বিভাগ


(১)
হোটেলত গৈ খাবা অসমীয়া সাঁজ
ইতিমধ্যে বাংলাদেশীয়ে কৰিবহি ৰাজ
কংগ্রেছৰ ভেঙুচালি
বিজেপিয়েনো কিডাল দিছে ফালি।
নিজ দেশত ভূমিপুত্ৰৰ নাই কাজ।

(২)
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী
দেখা-শুনাত বৰ ৰূপহী
গেটখন হ'ল বন্ধ
ছাত্ৰীৰ মাজতেই হৈছে কন্দল
কেম্পাছ লাইব্ৰেৰী সকলো উখল-মাখল
ম'বাইল ফোনো উলিয়াব নোৱাৰি
ছোৱালীবোৰৰ গালবোৰ ফুলি হৈছে বিলাহী।

(৩)
বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী তনয়া
হ'বলৈ মন মেলিছে মহাশয়া
তায়ো এদিন হ'বগৈ বালিকা মহাবিদ্যালয়ৰ হেড
দায়িত্বভাৰ গ্ৰহণ কৰিয়েই উন্মুক্ত কৰিব কলেজ গেট।
ওচৰতে মহাবিদ্যালয় উত্তৰ লক্ষীমপুৰ
হিংসাত নাই তত্ কলেজখন বোলে স্বাধীনতাৰ ঈশ্বৰপ্ৰদত্ত দয়া।

(৪)
ৰিমঝিমৰ ভৱিষ্যতক লৈ অজস্ৰ সপোন
ফেচবুক, হোৱাটছ্আপ তাইৰ বৰ আপোন
কলেজলৈ আহিয়েই কমনৰুমলৈ প্ৰস্থান
ফৰ্ম ফিল-আপৰ সময়ত বহুত আৱেদন আদান-প্ৰদান
খৰিকাত ৰৈ আছে প্ৰিয় বন্ধু নিপুন।

(৫)
লক্ষীমপুৰৰ এটি অতি পৱিত্ৰ স্থান
দূৰ্গা মন্দিৰ, গণেশ মন্দিৰ লক্ষীমপুৰৰ মান
পুৱা নিশা মানুহৰ অজস্ৰ ভিৰ
ছেলফীত উঠিবলৈহে দেৱীমাৰ লগত মিতিৰ।
আশীৰ্বাদ নল'লেও ষ্টেটাছত মন্দিৰৰ নাম।

(৬)
পাহি, ৰূপহী আৰু কৰবী
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খন কেতিয়া এৰিবি
তিনি বছৰ উকলি কেতিয়াবাই গ'ল
এনাজৰীৰ বান্ধোন এতিয়াও নিছিগিল
প্ৰতিটো ছেমিষ্টাৰ বেক্ নালাগিলে
বয়সো উকলিছে বিয়াতে বহিবি।




**ৰিকৃষ্ণা এছ বৰা**
ৰসায়ন বিজ্ঞান বিভাগ


(১)
চকুত কাজল, ওঁঠখন লাল
ভণ্টী তোমাৰ কি যে চাল।
সোমাই আহিলা গেটেৰে
খৰখৰকৈ খোজেৰে
ভাবিছা তোমাক লাগিছে ভাল।

(২)
শুৱনি আমাৰ লক্ষীমপুৰখনি গছ-লতাৰে ভৰা
বজাৰৰ মাজতহে পাবা তুমি গাই আৰু দমৰা।
খায় ভাল পায় প্লাষ্টিক
নাখায় ঘাঁহ-বন
বজাৰৰ মাংস-মাছৰ মাজত বিন্দাছ হৈ ঘূৰা।

(৩)
গাৰ্লছ কলেজৰ তুমি ধুনীয়া ভণ্টী
মোৰ কথাষাৰ শুনাচোন মন দি
চুলি তোমাৰ ষ্ট্ৰেইট
লিপষ্টিক লগোৱা মেট
কোনটো ধুনীয়া ডেকা ল'ৰাক দি থৈছা মনটি।



## মৌচুমী কোঁৱৰ

ৰাজনীতি বিজ্ঞান বিভাগ

(১)
মাননীয় নেতাসকলৰ বৰ কোমল অন্তৰ
বাংলাদেশীৰ ডিঙিত ওলমাই দিছে বাখৰ
ভূমিপুত্ৰৰ লৈছে নাম
অসমীয়াক ঠগি কাম
জাতি-ভেটি বচাবলৈ লাগিছে চিঞৰ-বাখৰ।

(২)
অত বছৰে তহঁতে লুটি-পুটি খালি
সেয়ে সবে ভাবিলোঁ বেলেগক দিওঁ গাদী
হাতত দিলোঁ ক্ষমতা
আমাক হ'লি নমতা
লংকাত গৈ ৰাৱণ হ'লি লগাই কু-বুদ্ধি।

(৩)
আজিকালি ডেকাহঁতৰ থুঁতৰিত গজিছে দূৱৰি
লাওপানী গিলি সোমাই ঘৰত চুঁচৰি-বাগৰি
জেঠ-আহাৰতো ঢোল বজাই
তিনিআলিত মন্দিৰ বনাই
চান্দাৰ নামত ভিক্ষা মাগিবলৈ যায় ল'ৰি-ঢাপৰি।

(৪)
অসমীয়া গানবোৰত লাগিছে নতুন ৰং
জুবিন, পাপন ফেনবোৰৰ আকৌ ইটোৱে সিটোলৈ খং
জ্যোতি-ৰাভাক বাদ দিলোঁ
ভূপেনদাকো পাহৰিলোঁ
চুলাই খাই ৰেপ বিহু গাই হ'ম টলং-ভটং।

(৫)
ডি এছ এল আৰে কৰি দিছে সকলোতে চমৎকাৰ
সেয়েহে আপীসকলৰ ফেচবুকত জয় জয়কাৰ
ধলা-শদিয়াত ছেলফী উঠিম
বগীবিলতো প'জ দিম
টিক্‌টক্‌তো ৰিপ্ৰেজেণ্ট কৰি আঁজুৰি আনিম অস্কাৰ।

## হাবিবা আখতাৰ বেগম

প্ৰাণী বিজ্ঞান বিভাগ

(১)
এন আৰ চিক লৈ অশান্ত হৈছে অসম
বাংলাদেশীৰ খেদাৰ সকলোৱে লৈছে কচম
টেলিভিছনত চলিছে চৰ্চা
কিছুমানে উলিয়াইছে মৰ্চা
লিগেচী নাপাই কান্দি আছে তৎসম।

(২)
আমাৰ দাদা টে'ট্ চাকৰিয়াল
পেডেল মাৰি মাৰি দেহা আহুকাল
চাকৰিও পালে ঘোকোট গাঁৱত
দৰমহা পাই থাকে চালত
ঘৰখনত আকৌ নভৰাই দুই-এক মাল।

(৩)
ছেমিষ্টাৰ ছেমিষ্টাৰ মূৰ খোৱা ছেমিষ্টাৰ
পঢ়াত লগাব নোৱাৰোঁ চিক্সাৰ
পঢ়াবোৰ বুজি নাপাওঁ
পঢ়িবলৈ সময় নাপাওঁ
সেয়ে পৰীক্ষাত মাৰোঁ ফেইলাৰ।



# ৰিছা ফুকন

ৰসায়ন বিজ্ঞান বিভাগ

(১)
পোন্ধৰ বছৰৰ বিশ্বাস
চৌদিশে আজি বিকাশ আৰু বিকাশ
উদ্যোগবোৰ মৰিছে, নিবনুৱাও বাঢ়িছে
চোৰ-ডকাইতে চকুৰ আগতে সকলো শেষ কৰিছে
কিবা বোলে যে, মেট্ৰিক মানেই সৰ্বনাশ।

(২)
এশিঙীয়া গঁড় থাকে য'ত
চোৰাং চিকাৰীয়েও ঘৰ সাজে ত'ত
নেতাৰ ঘৰতে চোৰৰ বাস
এইবাৰৰ নিৰ্বাচনত সকলো নিমিলা বিন্যাস।

(৩)
নতুন নতুন ম'বাইল আৰু নতুন নতুন ছিম
ভাইটিকেইটাক দেখিলে, দেহা কৰে আমাৰো ৰিম্‌জিম্
চাও, ক'ফী, মম' খুৱাই
ভণ্টীহঁতক ল'লে পটাই
ভেলেণ্টাইন ডে' পালেহিয়েই কাক কিনো দিম।

(৪)
সকলোৰে জানে তেওঁক, কলেজ চাৰিআলিৰ লীডাৰ বুলি
দাদাজনৰ এখন কাণত চাৰিপাতকৈ ফুলি।
বাপেকৰ পকেটৰ পইচা আনি
নিতৌ খায় ৰঙাপানী
থুঁতৰিৰ দাড়িৰে তেওঁক আকৌ ভোৱালাটোৰ দৰে দেখি।


(৫)
দুচকীয়া বাহন উৰাই ফুৰা দাদাহঁতৰ একশ্বন
ক্লাছতহে ধৰি থাকে বাধ্য ছাত্ৰৰ ভেশচন
কলেজ চাৰিআলিত মজলিছ
মাকে খুৱাই হৰলিক্স
বাবাটোৰ গাত বল হওক পঢ়াৰ ইমান টেনশ্বন।



(৬)
তাহানিতে শুনিছিলোঁ সৰস্বতী হেনো বিদ্যাৰ দেৱী
পূজাত পূজিছিলোঁ মা মোক ভালে-কুশলে পাছ কৰাই দিবি
খাইছিলোঁ কেঁচা বুটমাহ
মনত বাঢ়িছিল বাৰুকৈয়ে সাহ
এতিয়া ছাত্ৰীয়ে পূজে
মা সৰস্বতীৰ ধুনীয়া ছোৱালীৰ এইবাৰৰ খিতাপটো
পাৰিলে মোৰ মূৰতে পিন্ধোৱাবি।

(৭)
ৰাইজ বোলে আজি ভাৰৰীয়া
কলগছৰ ভূৰ সাজি নাৱৰীয়া
আঢ়ৈ টকাত ভাত খায়
সূতা-কম্বলো ফ্ৰীতে পায়
লোকসভাৰ নিৰ্বাচন হ'বগৈ বঢ়িয়া।





# কেলেণ্ডাৰ ঃ এটা জীয়া কাহিনী

**জেচমিন গগৈ**
পদাৰ্থ বিজ্ঞান বিভাগ




চলচ্চিত্ৰ এখনক পূৰ্ণতা প্ৰদান কৰা উপাদানসমূহৰ ভিতৰত কিছুমান হ'ল ইয়াৰ কাহিনী, সাৱলীলতা, অভিনেতা-অভিনেত্ৰীৰ নিখুঁত অভিনয়শৈলী, আৱহ সংগীত আদি। দৰ্শকক মানসিক তৃপ্তিৰ খোৰাক যোগোৱাৰ লগতে সময়োপযোগী এটা পজিটিভ বাৰ্তা প্ৰেৰণ কৰিব পৰাতে ছবিখনৰ সাৰ্থকতাৰ সৰহ অংশ সোমাই থাকে। ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত শুভমুক্তি লাভ কৰা 'কেলেণ্ডাৰ' হ'ল তেনে এখন সুন্দৰ অসমীয়া ছবি। নব্বৈ মিনিট দৈৰ্ঘ্যৰ চুটি ছবিখনৰ কাহিনী আমাৰ গতানুগতিক জীৱনটোৰ পৰাই তুলি লোৱা, ছবিখন উপভোগ কৰোঁতে হয়তো বহুতে নিজক বিচাৰি পাইছে কাহিনীৰ মাজত, কিন্তু কাহিনীৰ অভূতপূৰ্ব উপস্থাপনে ছবিখনক অন্য এটা স্তৰলৈ লৈ গৈছে। অতি মনোগ্ৰাহী আৰু দৰ্শকৰ হৃদয়ত সাঁচ বহুওৱাৰ লগতে কেলেণ্ডাৰ এখন উন্নত মানৰ ভাল অসমীয়া ছবি। ছবিখনৰ পৰিচালনাত আছে হিমজ্যোতি তালুকদাৰ। 'কেলেণ্ডাৰ' হিমজ্যোতি তালুকদাৰৰ প্ৰথম প্ৰচেষ্টা যদিও ছবিখন উপভোগ কৰোঁতে সেয়া মুঠেও অনুভৱ কৰিব নোৱাৰি। দৰাচলতে কম বাজেট, নতুন চিন্তা-ধাৰণা, শব্দ-কেমেৰাৰ অভিনৱ প্ৰয়োগেৰে তেওঁ অসমীয়া ছবি জগতক এখন পৃথক উচ্চ মানসম্পন্ন ছবিহে উপহাৰ দিছে।

কেৱল চাৰিটা মুখ্য চৰিত্ৰৰে নিৰ্মাণ কৰা ছবিখনত অভিনয় কৰিছে ক্ৰমে অৰুণ নাথ (হিতেশ কাকতি), মলয়া গোস্বামী (মনোৰমা কাকতি), গুঞ্জন ভৰদ্বাজ (অৰুণাভ কাকতি) আৰু ৰিমঝিম ডেকা (ফাতেমা)। নতুন আৰু পুৰণি এই দুইচামৰ অভিনেতা-অভিনেত্ৰীসকলৰ নিখুঁত ফ্ল'লেছ অভিনয়শৈলীয়ে কেলেণ্ডাৰৰ কাহিনীটোক জীৱন্ত ৰূপ দিছে।

কাহিনী মূলতঃ এখন মধ্যবিত্ত অসমীয়া ঘৰৰ বিষয়ে। এটি সৰু পৰিয়াল, বয়সস্থ পিতৃ-মাতৃ আৰু চাকৰিসূত্ৰে একমাত্ৰ পুত্ৰ পৰিবাৰৰ সৈতে দিল্লীত থাকে। অনা-অসমীয়া বোৱাৰীগৰাকী প্ৰথমবাৰৰ বাবে

মাঘৰ বিহুত পুতেকৰ সৈতে ঘৰলৈ অহাৰ কথা। ফোনযোগে কথাষাৰ পুতেকৰ পৰা গম পাই বয়সিয়াল মানুহ হালৰ উলাহে নধৰা হয়, দুজনীয়া নিমাওমাও ঘৰখনত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। পুৰণি হৈ যোৱা ঘৰটো ৰং কৰাবলৈ বাপেকৰ খৰখেদা লগোৱা, বোৱাৰীৰ বাবে মাকৰ পাট-মুগাৰ




কাপোৰৰ যোগাৰ —এইবোৰে মানুহহালক ৰঙিয়াল কৰি তুলিছে। অতি স্বাস্থ্য সচেতন হিতেশ কাকতিৰ চৰিত্ৰই বহু সময়ত হাঁহিৰ খোৰাকো যোগাইছে। এই সৰু সৰু মুহূৰ্তৰ টুকুৰাবোৰৰ মাজতে দেখুওৱা যায় কাহিনীৰ মূল পৰিচায়ক কেলেণ্ডাৰখন। য'ত মনোৰমা কাকতিয়ে বিশেষ কিছুমান দিনত ৰঙা দাগ দি যোৱা দেখুওৱা হয়। কৰ্মক্ষেত্ৰৰ অসুবিধাৰ হেতুকে অৱশেষত বোৱাৰীয়েক আহিব নোৱাৰিলে যদিও পুতেক আহিল। বোৱাৰীয়েকক লৈ থকা মানুহহালৰ উলাহৰ অন্ত পৰে। ঘৰলৈ আহোঁতেই পুতেকে মাকৰ আগত কৰ্মক্ষেত্ৰত মুখামুখি হোৱা সংকটৰ কথা অৱগত কৰে যদিও দেউতাকৰ পৰা গোপনে ৰাখে। মাকেও দেউতাকে নজনাকৈ পুতেকক সহায় কৰিবলৈ থিৰ কৰে। এনেকৈয়ে ঘটনাক্ৰমে কাহিনী আগবাঢ়ে। কাহিনীৰ শেষত হিতেশ কাকতিক এখন বৃদ্ধাশ্ৰমলৈ যোৱা দেখুওৱা হয়, যিখন বৃদ্ধাশ্ৰমৰ কথা মৃত্যুৰ পূৰ্বে মনোৰমা কাকতিয়ে তেওঁক কৈছিল।

হৃদয়স্পৰ্শী কাহিনীটোক বয়সস্থ মানুহ হালৰ মাজত থকা মৰম, ইজনে-সিজনৰ প্ৰতি থকা আদৰ-যত্ন, বজাৰৰ বাবে দুয়ো পুৰণি স্কুটাৰখনত উঠি যোৱা, বাটতে স্কুটাৰৰ পুৰণি বেমাৰ উক দিয়াৰ ফলত ঠেলি অনাৰ দৃশ্য আদিবোৰে পূৰ্ণতা প্ৰদান কৰিছে। উল্লেখযোগ্য যে ছবিখনত মুভী কেমেৰাৰ ব্যৱহাৰ কৰা নাছিল, ষ্টুডিঅ'ৰ লাইট ব্যৱহাৰ কৰা হৈছিল। ছবিখনৰ চিত্ৰনাট্য আৰু সম্পাদনাত আছে ঝুলনকৃষ্ণ মহন্ত আৰু শান্তনু ৰৌমূৰীয়া। সংগীতত আছে তৰালী শৰ্মা আৰু সিদ্ধাৰ্থ হাজৰিকা। খুব অৰ্থৱহ সংগীতেৰে কাহিনীক আগুৱাই নিয়া কেলেণ্ডাৰত ব্যৱহৃত হৈছে এটি মিঠা সুহুৰি। তদুপৰি ছবিখনৰ শব্দ আৰু কেমেৰাৰ অভূতপূৰ্ব ব্যৱহাৰৰ কথা নক'লে হয়তো ই আধৰুৱা হৈ ৰ'ব। বিশেষকৈ উৰুকাৰ নিশাৰ দৃশ্যটোত শব্দ ব্যৱস্থাপনাকাৰীৰ বুদ্ধিমত্তাক প্ৰশংসা কৰিবলগীয়া। আবেলিৰ ৰান্ধনি বেলিৰ আভাই উজলাই তোলা সময়ত মসৃন

"কৰ্মক্ষেত্ৰৰ অসুবিধাৰ হেতুকে অৱশেষত বোৱাৰীয়েক আহিব নোৱাৰিলে যদিও পুতেক আহিল। বোৱাৰীয়েকক লৈ থকা মানুহহালৰ উলাহৰ অন্ত পৰে। ঘৰলৈ আহোঁতেই পুতেকে মাকৰ আগত কৰ্মক্ষেত্ৰত মুখামুখি হোৱা সংকটৰ কথা অৱগত কৰে যদিও দেউতাকৰ পৰা গোপনে ৰাখে।"

পথেদি হিতেশ কাকতিৰ পুৰণি স্কুটাৰখন চলাই যোৱাৰ দৃশ্য, মনোৰমা কাকতিৰ উল গোঁঠাৰ দৃশ্য, ফাতেমাৰ ডলাত বগৰী ৰ'দোৱাৰ দৃশ্য আদিবোৰ খুব সুন্দৰভাৱে কেমেৰাত আবদ্ধ কৰিছে। ছবিখনৰ দৃশ্যগ্ৰহণ দেৰগাঁও, গোলাঘাট আৰু জখলাবন্ধাত কৰা হৈছিল। ২০১৮ বৰ্ষৰ উত্তৰ-পূব প্ৰাগ চিনে এৱাৰ্ডছ্‌ত ছবিখনে বিভিন্ন শিতানত সাতটাকৈ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। মুখ্য চৰিত্ৰ ৰূপায়ণ কৰা অৰুণ নাথে ছেকেণ্ড গুৱাহাটী ইণ্টাৰনেশ্বনেল ফিল্ম ফেষ্টিভেলত 'কেলেণ্ডাৰ'ত কৰা অভিনয়ৰ বাবে জুৰিৰ বিশেষ বঁটা লাভ কৰে।

শেষত ক'ব পাৰি, 'কেলেণ্ডাৰ'ৰ নিচিনা পৃথক ছবিসমূহে আমাৰ অসমীয়া ছবি উদ্যোগটোক বহু উচ্চস্তৰলৈ লৈ যাব। ছবিখনে আমাৰ সমাজখনৰ বহু দিশ প্ৰতিফলিত কৰাৰ লগতে আমাৰ জনমানসলৈও এটা সজাগতা প্ৰেৰণ কৰিছে। কেৰিয়াৰ বা কৰ্মক্ষেত্ৰৰ তাগিদাৰ হেতুকে আমাৰ প্ৰজন্মৰ মানুহৰ হাতত বৃদ্ধ পিতৃ-মাতৃৰ বাবে মৰমৰ নাটনি হয়। তাৰ ফলস্বৰূপে তেওঁলোকে বিভিন্ন সমস্যা, হীনমন্যতা আদিৰ সন্মুখীন হয়। কেলেণ্ডাৰে এইক্ষেত্ৰত আমাৰ ব্যস্ত সমাজখনক কিছু পৰিমাণে হ'লেও ভবাই তুলিলে বুলি ভাবিব পাৰি।




**চ. ল. চ্চি. ত্র আ. লো. চ. না**

# দ্য এক্সিডেণ্টেল প্ৰাইম মিনিষ্টাৰ ঃ এটি আলোচনা

**আছিফা শ্বামচি**
ৰাজনীতি বিজ্ঞান বিভাগ

১১ জানুৱাৰী, ২০১৯ চনত মুক্তিলাভ কৰা 'দ্যা এক্সিডেণ্টেল প্ৰাইম মিনিষ্টাৰ' এখন ব্যতিক্ৰমধৰ্মী ছবি। ৰোমাণ্টিকতাত গুৰুত্ব আৰোপ কৰি অহা বলিউডত এইবাৰ নিৰ্মিত হৈছে এইখন বাস্তৱবাদী ব্যতিক্ৰমধৰ্মী চিনেমা। এনেকুৱা বোলছবি বলিউডত এয়াই প্ৰথম নহয় যদিও ইয়াৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বৈশিষ্ট্যসমূহ তলত চমু অৱলোকন কৰা হৈছে—

বোলছবিখন যথেষ্ট বাস্তৱবাদী। ভাৰতৰ ৰাজনৈতিক পটভূমিত নিৰ্মিত ছবিখনে ভাৰতৰ ৰাজনীতিৰ প্ৰকৃত স্বৰূপ উদঙাই ধৰিছে। ভাৰতীয় ৰাজনীতিত নিজ স্বাৰ্থলাভৰ দৃশ্যকটু কূটনীতি আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ দলীয় স্বাৰ্থৰ মৌন যুদ্ধ ছবিখনত ফুটি উঠিছে।

ছবিখনৰ নায়ক ড° মনমোহন সিং। ড° মনমোহন সিঙৰ চৰিত্ৰ ৰূপায়ণ কৰা বিখ্যাত অভিনেতা অনুপম খেৰ আৰু মনমোহন সিঙৰ মিডিয়া এড্‌ভাইজৰ সঞ্জয় বাৰো, অক্ষয় খান্নাৰ অভিনয়ে দৰ্শকক আপ্লুত কৰিছে। ইয়াৰ উপৰি অন্যান্য চৰিত্ৰসমূহৰ অভিনয়ো যথেষ্ট বাস্তৱ যেন অনুভৱ কৰিছে দৰ্শকসকলে। প্ৰতিটো চৰিত্ৰ ৰূপায়ণ কৰা শিল্পীসকলৰ চেহেৰাৰো যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয় প্ৰকৃত নায়কসকলৰ সৈতে। ইয়ে ছবিখন অধিক উপভোগ্য কৰি তুলিছে।

ছবিখনে সাম্প্ৰতিক সমাজখনলৈ এক গুৰুত্বপূৰ্ণ বাৰ্তা কঢ়িয়াই আনিছে। ছবিখনৰ দ্বাৰা বিশেষকৈ ৰাজনৈতিকভাৱে সচেতন ব্যক্তিসকল লাভান্বিত হৈছে।

ছবিখন বাণিজ্যিকভাৱে এখন সফল ছবি যদিও ই সম্পূৰ্ণ সমালোচনাৰ ঊৰ্দ্ধত নহয়। বহুতে ইয়াক সমালোচনা কৰি কয় যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতি জনসাধাৰণৰ ধাৰণাক প্ৰভাৱিত কৰাৰ বাবে চিনেমাখন নিৰ্মাণ কৰা হৈছে। বিজেপিক সমৰ্থন কৰি ছবিখন নিৰ্মাণ কৰা হৈছে বুলি বহুতে ক'ব খোজে। সেয়া যি নহওক, 'দ্য এক্সিডেণ্টেল প্ৰাইম মিনিষ্টাৰ' সাম্প্ৰতিক সময়ৰ এক প্ৰাসংগিক বোলছবি।

# URI :
# THE SURGICAL STRIKE




**Namasya S Khandayatray**
Dept. of English

After two flop movies including Aakrosh (2010) and Tezz (2012), director Aditya Dhar returned with a massive hit, Uri : The Surgical Strike in the year 2019 an action movie based on the 2016 Uri attack in PoK. It is pretty obvious that no Vicky Kaushal fan would have missed watching the movie. His appearance as Kamalesh (the humorous yet innocent and truthful character) in Sanju. Iqbal (the grave yet loving Pakistani Officer) in Raazi and his never forgetting role as a Dalit named Deepak Kumar in the award winning debut film, Masaan has made him a big heartthrob! Apart from these movies, he is also playing roles of varied personalities in the Netflix series, Love per Square Foot and Lust Stories. The versatile actor has been successful in showing another side of his personality by acting as a sincere Army Major in attack, which follows Major Vihaan Singh Shergil of the Indian Army, who plays a leading role in organizing the surgical strike.

Apart from Vicky Kaushal, the cast also comprises of Paresh Rawal as National Security Advisor Govind Bhardwaj (character based on Ajit Doval), Yami Gautam as Pallavi Sharma/Jasmine Almedia (a RAW Agent), Mohit Raina as Major Karan Kashyap, Kirti Kulhari as Seerat Kaur (an IAF Officer), Rajit Kapur as Prime Minister of India (based on Narendra Modi) and many more.

The story revolves around Vihaan Singh Shergil (Vicky Kaushal) who is a Major in the Indian Army. In an attack at the Uri army based in 2016, his brother-in-law (Mohit Raina) is among the killed soldiers. Vihaan thus vows to take revenge for both his brother-in-law and the country.

Produced by Ronnie Screwvala and by RSVP Production Ltd., the movie was released officially on 11th January, 2019. Having a medium budget of Rs. 45 crore, the movie crossed the limit and made a massive Rs. 211.14 crore in the box office making the movie a great hit. Releasing on the same day with Accidental Prime Minister, Uri : The Surgical Strike was such a movie which could not be skipped. With loads of action and valour, the film does not bore the audience at any moment. The scenes bring goosebumps and fill the eyes of the audience at some points of time. The 'How's a josh' of Vihaan Singh Shergil definitely raised the patriotic feeling among the viewers and the josh remained always 'High Sir'!

চ. ল. চ্চি. ত্ৰ আ. লো. চ. না




# ক থা ন দী

**মমী নাথ**
ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান সময়ত চলচ্চিত্ৰ নিৰ্মাণ একে সময়তে এটা শিল্প আৰু উদ্যোগ। এটা জাতি বা প্ৰজন্মই চলচ্চিত্ৰক নিজা বৈশিষ্ট্যপূৰ্ণ ৰূপত তুলি ধৰে আৰু চলচ্চিত্ৰয়ো এখন সমাজক প্ৰভাৱান্বিত কৰাৰ ক্ষমতা ৰাখে। চলচ্চিত্ৰই একে সময়তে ছবি, শব্দ, সংলাপ আদি সকলোকে সামৰি লয় বাবে ই যোগাযোগৰ এক প্ৰভাৱশালী মাধ্যম হিচাপেও খ্যাতি লাভ কৰিছে। সেয়ে চলচ্চিত্ৰই সফল মনোৰঞ্জন আৰু জ্ঞানৰ ক্ষমতাশালী বাহক হিচাপে কাম কৰিব পাৰে। মনোৰঞ্জনৰ বাহিৰেও চলচ্চিত্ৰই শিক্ষামূলক, কাহিনীভিত্তিক, এবষ্ট্ৰেক্ট (Abstract) বা বিশেষ উদ্দেশ্যধৰ্মীও হ'ব পাৰে। বিখ্যাত চলচ্চিত্ৰ সমালোচক জুফোৰে পৰিচালকক যিদৰে দুটা ভাগত ভাগ কৰিছে, সেইদৰে চলচ্চিত্ৰসমূহকো দুই ধৰণে ভাগ কৰিব পাৰি।

প্ৰথম ভাগত নিৰ্দিষ্ট এক লক্ষ্য বা উদ্দেশ্যৰ দ্বাৰা সমাজ সংস্কাৰত বিশেষভাৱে গুৰুত্ব দিয়া হয়। আনহাতে, দ্বিতীয় ভাগত পৰিচালকে কোনো গুৰুদায়িত্ব আগত লৈ চলচ্চিত্ৰ নিৰ্মাণ কৰা দেখা নাযায়। তেওঁলোকে কেৱল ৰসাত্মক বা ব্যংগাত্মক সৃষ্টিৰে দৰ্শকৰ সঁহাৰি

লাভ কৰাতে ব্যস্ত থাকে।

চলচ্চিত্ৰৰ জগতৰ বহুলভাৱে চৰ্চিত এখন চলচ্চিত্ৰ হৈছে ২০১৬ চনত মুক্তি লাভ কৰা অসমীয়া কথাছবি 'কথানদী'। এই কথাছবিখনে অসমীয়া চলচ্চিত্ৰ উদ্যোগলৈ বহুতো আশাৰ বতৰা কঢ়িয়াই আনিছে।

পৰিচালক ভাস্কৰ হাজৰিকাৰ 'কথানদী' হৈছে অসমৰ প্ৰাচীন লোক-সাহিত্য সাধুকথাক প্ৰধান সমল হিচাপে লৈ নিৰ্মাণ কৰা এখন অগতানুগতিক কথাছবি। যদিও পূৰ্বে অসমীয়া চিনেমাত সাধুকথাক সমল হিচাপে লৈ তেজীমলা, তুলা আৰু তেজা, তীখৰ আদি কথাছবি নিৰ্মাণ কৰা হৈছিল কিন্তু ২০১৬ বৰ্ষত মুক্তিলাভ কৰা 'কথানদী' এখন বহুচৰ্চিত প্ৰতিনিধিত্বকাৰী কথাছবি। যিয়ে পূৰ্বৰ ধাৰাটোক এক মান্যতা প্ৰদান কৰিলে।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ চাৰিটা সাধু ক্ৰমে— তেজীমলা, ঔ-কুঁৱৰী, চম্পাৱতী আৰু তাৰৈৰেকৰ সাধুৰ সমাহাৰেৰে নিৰ্মিত কথাছবি— 'কথানদী' এখন উৎকৃষ্ট অসমীয়া কথাছবি। ইয়াৰ মূল উৎস হ'ল বেজবৰুৱাৰ একমাত্ৰ সাধুকথাৰ পুথি 'বুঢ়ী আইৰ সাধু'। মৌখিক সাহিত্যৰ দিনৰে পৰাই আজিপৰ্যন্ত অসমীয়া মানুহৰ মানত শিপাই থকা সাধুবোৰকে পৰিচালক হাজৰিকাই আধুনিক ব্যাখ্যা, আধুনিক শৈলী, নব্য বিশ্লেষণ তথা ন-ৰহনেৰে 'কথানদী'ত উপস্থাপন কৰিছে। কাহিনীকেইটা একেডাল সূতাৰে আঁটিবলৈ যাওঁতে নাট্যকাৰে প্ৰতিটো কাহিনীৰে কিছু কিছু সালসলনি ঘটোৱাটো স্বাভাৱিক। উক্ত সাধুকেইটাই কথাছবিখনত নতুন ৰূপ-লাৱণ্য আৰু আভিজাত্য লাভ কৰিছে। চাৰিওটা কাহিনীৰ মাজত আন্তঃসম্পৰ্ক সুন্দৰভাৱে চিত্ৰায়ন কৰাত পৰিচালক সফল হৈছে বুলিব পাৰি।

মৌখিক সাহিত্য তথা সাধুকথাক মূল বিষয়বস্তু হিচাপে লৈ চলচ্চিত্ৰখনৰ জৰিয়তে সমাজ সংস্কাৰৰ চেতনাটো প্ৰত্যক্ষভাৱে জড়িত হৈ আছে।

চলচ্চিত্ৰখনত অসমীয়া সমাজৰ ভালেমান দিশ প্ৰস্ফুটিত হৈছে। ইয়াৰ চৰিত্ৰবোৰৰ সাজ-পাৰ, চাল-চলন, খাদ্যাব্যাস, ভাব-ভাষা আদি সকলোবোৰ সাধুকথাত বৰ্ণিত সময়ৰ যেন কৰিবলৈ চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত পৰিচালকগৰাকী যথেষ্ট পৰিমাণে সফল হৈছে। তেনেদৰে কাহিনীৰ চৰিত্ৰবোৰকো আওপুৰণি ৰূপত ৰাখিছে। 'কথানদী'ৰ মাজেৰে হাজৰিকাই মৌকিক সাহিত্য চলচ্চিত্ৰৰ মাধ্যমেৰে পুনৰ নিৰ্মাণ শৈলীৰ ছাঁৰে সৃষ্টি কৰিছে। অৰ্থাৎ, মূল কাহিনীৰ সাৰ অংশ লৈ স্থান-কাল, পাত্ৰৰ কিছু হীন পৰিৱৰ্তন ঘটাইছে।



মৌখিক সাহিত্য তথা সাধুকথাক মূল বিষয়বস্তু হিচাপে লৈ চলচ্চিত্ৰখনৰ জৰিয়তে সমাজ সংস্কাৰৰ চেতনাটো প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। 'কথানদী'ৰ মুখ্য চৰিত্ৰবোৰ নাৰীকেন্দ্ৰিক আৰু চৰিত্ৰবোৰ গতিশীল। ছবিখনত প্ৰতিফলিত হৈছে নাৰী সমাজৰ ঈৰ্ষা, দুখ, লালসা, ব্যৰ্থতা, মমতা, আক্ৰোশ আদি দিশবোৰ। তদুপৰি সাধুবোৰো বহু পৰিমাণে অলৌকিকতা, কাল্পনিক আৰু অধিঃবাস্তৱতাই আগুৰি আছে। সেয়ে ছবিখনতো এই গুণ পৰিলক্ষিত হয়। কিন্তু এই অলৌকিকতাকো পৰিচালকে অতি নিখুঁতভাৱে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। চৰিত্ৰবোৰৰ নামকৰণ পৰিচালকৰ নিজা আৰু প্ৰতিটো কাহিনীৰে মূল জঁকাটোৰ ইফাল-সিফাল কৰি পৰিচালকে নিজা শৈল্পিক প্ৰতিভাৰে কথাছবিখন নিৰ্মাণ কৰি উলিয়াইছে। এই কথাছবিখন অসমীয়া ছবিৰ এক সম্পৰীক্ষা। প্ৰথমবাৰৰ বাবে পৰিচালক ভাস্কৰ হাজৰিকাই অসমীয়া কথাছবিত এই ধাৰাটো আৰম্ভ কৰে।

'কথানদী'ৰ আটাইতকৈ ডাঙৰ কৃতিত্ব হ'ল যে ইয়াত প্ৰথমাৱস্থাৰ পৰা শেষলৈকে অসমীয়া লোক-বাদ্য যেনে— খোল, বৰকাঁহ, তাল, পেঁপা, নেগেৰা আদিৰ সুৰ আৰু ধ্বনিক আৱহ সংগীত হিচাপে ব্যৱহৃত কৰা হৈছে। সেইদৰে ঠায়ে ঠায়ে ঢেঁকীৰ কটৰাৰ মাতটোও ব্যৱহাৰ কৰা হৈছে।

'কথানদী'ৰ মুখ্য চৰিত্ৰবোৰ নাৰীকেন্দ্ৰিক হোৱা হেতুকে মাতৃত্বৰ বিভিন্ন দিশ আৰু চৰিত্ৰৰ পাৰ্থক্য ইয়াত বৰ্ণিত হৈছে।

ছবিখনৰ প্ৰথম দৃশ্যটোৰেই 'পোনা'ই সদ্যজাত সন্তানটিক হাবিৰ মাজলৈ নি জীয়াই জীয়াই পুতি থৈ আহিছে। এই কাম তেওঁৰ তাৰৈয়েকৰ কথামতে সম্পন্ন কৰে বুলি কথাছবিখনত দেখুওৱা হৈছে। 'পোনা' চৰিত্ৰত অভিনয় কৰে কপিল বৰাই। ৰাতিৰ ৰহস্যময়তা আৰু জয়াল পৰিৱেশক গভীৰ কৰি তুলিবলৈ মকৰাৰ জাল দেখুওৱা হৈছে। 'তাৰৈয়েকৰ সাধু'ত এগৰাকী মাতৃৰ নিজ সন্তানৰ প্ৰতি থকা মৰম আৰু দুখবোধ প্ৰকাশ পাইছে। তাৰৈয়েকৰ আজ্ঞামতে পোনাই তিনিটাকৈ ল'ৰা সন্তান হত্যা কৰে। এই কাৰ্যত মালতী যথেষ্ট হতাশ আৰু মৰ্মাহত হয়। ইয়াত মালতীৰ চৰিত্ৰ ৰূপায়ণ কৰিছে আশা বৰদলৈয়ে। চতুৰ্থ

সন্তানৰ নাম দিছে ভাগ্যৱতী। কিয়নো তাৰৈয়েকে চতুৰ্থ সন্তানক (কন্যা) সৌভাগ্য বুলি বিধান দিয়ে।

দ্বিতীয়তে, 'ঔ-কুঁৱৰী' সাধুটোৰ মাজেৰে এগৰাকী অসহায় তিৰোতাৰ কৰুণ জীৱন-গাঁথাৰ প্ৰতিফলন হৈছে। তেজ-মঙহৰ এজনী মানুহে এটা ঔ-টেঙা জন্ম দি স্বামীৰ পৰা ককৰ্থনাৰ সন্মুখীন হৈছে। দুৰ্ভগীয়া কেতেকীয়ে স্বামীৰ পৰা খেদা খাই আশ্ৰয় লৈছেহি এখন মিচিং গাঁৱত। ইয়াত 'কেতেকী' চৰিত্ৰত অভিনয় কৰিছে উৰ্মিলা মহন্তই। কেতেকীৰ স্বামীৰ মদগৰ্বী চৰিত্ৰটোক ছবিখনত দেখুওৱাৰ লগতে কেতেকীক ত্যাগ আৰু মমতাৰ প্ৰতীক ৰূপত দেখুওৱা হৈছে। সাউদে বেপাৰ-বাণিজ্য কৰিবলৈ আহি কেতেকীক সহায় কৰিবলৈ মন মেলে আৰু কয় যে মানুহৰ পেটৰ পৰা ঔ-টেঙা জন্ম হোৱাটো কোনো ডাঙৰ কথা নহয়। ইয়াত পৰিচালকে সাধুকথাৰ দিনৰ কাল্পনিক সমাজখন ধৰি ৰাখিবলৈ সক্ষম হৈছে।

তৃতীয়তে, 'তেজীমলা' সাধুটোত মাহীমাকৰ কপটতা আৰু বন্য আচৰণ দেখুওৱা হৈছে। নাৰীয়ে কিদৰে সন্তানক অন্যায়, অত্যাচাৰ কৰিব পাৰে তাৰ বিৱৰণ ইয়াত পোৱা যায়। 'তেজীমলা'ৰ মাহীমাকৰ চৰিত্ৰত অভিনয় কৰিছে জেৰিফা ৱাহিদে। ৱাহিদে মাহীমাকৰ চৰিত্ৰটো সফলভাৱে ফুটাই তুলিছে। মূল সাধুত তেজীমলাক সখীয়েকৰ বিয়ালৈ পঠিয়াওঁতে কাপোৰযোৰৰ মাজত নিগনি আৰু জুইৰ অঙঠা ভৰাই দিয়া বুলি পোৱা যায় যদিও 'কথানদী'ত কেৱল নিগনিটোৰ কথাহে পোৱা যায়। কাৰণ, অঙঠা আৰু নিগনি একেলগে ভৰাই দিলে জুইৰ উত্তাপত নিগনিটো মৰি থাকিব। এই ক্ষেত্ৰত পৰিচালকৰ বিজ্ঞানমনস্কতাৰ উমান পোৱা যায়। ছবিখনত ঢেঁকীৰে তেজীমলাক খুন্দি মৰা দৃশ্যটো হৃদয়বিদাৰক। নৱাগতা শিশুশিল্পী কাচভি শৰ্মাৰ (তেজীমলা) অভিনয় শলাগ ল'বলগীয়া। শেষত, তেজীমলা সত্য পথত থকাৰ বাবে তাইৰ কায়িক মৃত্যু হৈও পূৰ্ণজন্ম হৈছে এটি গছপুলিৰ মাজেৰে। এই কাৰ্যই তেজীমলাৰ সত্ত্বাৰ ওচৰত অসৎ অভিপ্ৰায়ে বশ্যতা স্বীকাৰ কৰা যেন লাগে।



ধনেশ্বৰী চৰিত্ৰত অভিনয় কৰা সীমা বিশ্বাসৰ বলিষ্ঠ অভিনয়ে 'কথানদী'ক পূৰ্ণমাত্ৰাই সবল ৰূপত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছে।

শেষত 'চম্পাৱতী' কাহিনীটোত মাতৃৰ/নাৰীৰ ভোগ লালসা, সম্পত্তিৰ প্ৰতি অগাধ মোহত পৰি এগৰাকী মাতৃয়ে সন্তানক কেনেদৰে মৃত্যুমুখলৈ ঠেলি দিব পাৰে, তাৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। ইয়াত ধনেশ্বৰীয়ে কেৱল আ-অলংকাৰৰ বাবে নিজৰ জী বনলতিকাক এটা অজগৰৰ লগত বিয়া দিবলৈ ওলাইছে। কাৰণ ধনেশ্বৰীৰ সতিনীৰ জীয়েক চম্পাৱতীক এডাল অজগৰে বিয়া পাতি সোণ-ৰূপেৰে ওপচাই দিছিল। কিন্তু কোনেও এই কথা জনা নাছিল যে চম্পাৱতীৰ গিৰিয়েক এজন অজগৰৰূপী দেৱতাহে আছিল। যিহেতু বনলতিকাকো এডাল অজগৰ ধৰি আনি বিয়া পাতি দিয়া হৈছিল। তাৰ পৰিণতিস্বৰূপে তাইৰ কৰুণ মৃত্যু ঘটিছিল। ধনেশ্বৰী চৰিত্ৰত অভিনয় কৰা সীমা বিশ্বাসৰ বলিষ্ঠ অভিনয়ে 'কথানদী'ক পূৰ্ণমাত্ৰাই সবল ৰূপত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছে।

'কথানদী' চলচ্চিত্ৰত প্ৰাচীন অসমৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, অন্ধবিশ্বাস, প্ৰবাদ-প্ৰবচন আদিৰ সমাহাৰ দেখা যায়। কথাছবিখনত সৰহসংখ্যক দৃশ্যতে অসমীয়া স্বভাৱ-চৰিত্ৰৰ পূৰ্ণ প্ৰয়োগ দেখা যায়। ইয়াত অসমীয়া পুৰণি সাজপাৰ, চেলেং-চাদৰ, চুৰীয়া আদিৰ পূৰ্ণ ব্যৱহাৰ হৈছে। তদুপৰি গ্ৰাম্য চিকিৎসা যেনে— গৰম পানীৰে সেক দিয়া কাৰ্য তেজীমলা চৰিত্ৰৰ মাজেৰে দেখুওৱা হৈছে। ইয়াত মিচিং ঐনিতমৰ লগতে অসমীয়া লোক-গীতৰ বহুল প্ৰয়োগ পৰিলক্ষিত হয়।

অৰূপা পটংগীয়া কলিতা এগৰাকী নাৰীবাদী সাহিত্যিক। তেওঁ 'কথানদী'ত সংলাপ প্ৰয়োগ কৰিছে। তেওঁৰ সংলাপখিনি বলিষ্ঠ আৰু প্ৰতীকধৰ্মী।

পৰিশেষত ক'ব পাৰি যে সামগ্ৰিকভাৱে 'কথানদী'ত সমুদায় দোষ-গুণ কম-বেছি পৰিমাণে দেখা যায়। দুই-এক দিশত পৰিচালকৰ দুৰ্বলতাও দেখা যায়। অসমীয়া হিচাপে অসমীয়া কথাছবিৰ ভুল সমালোচনা কৰাৰ ইচ্ছা অকণো নাই। তথাপি, ইয়াৰ এটা দৃশ্য নাৱত তেজীমলাৰ মাহীমাক আৰু বাঁকৰ বহি থকা দৃশ্যৰ প্ৰতিবিম্বত বাঁকৰ প্ৰতিবিম্বটো নথকাহেঁতেন বেছি শিহৰণকাৰী হ'লহেঁতেন।

'কথানদী' অসমীয়া চলচ্চিত্ৰৰ সঁচাকৈয়ে কলাত্মক এক ছবি। অসমীয়া চলচ্চিত্ৰত সাধুকথাক মূল বিষয় হিচাপে লৈও যে এখন অতি সুন্দৰ ছবি নিৰ্মাণ কৰিব পাৰি, সেই কথা 'কথানদী'য়ে স্পষ্টৰূপে প্ৰতিফলিত কৰিছে।

শেষত, 'কথানদী' ছবিখন অন্যান্য পৰিচালকৰ যাতে আদৰ্শস্বৰূপ হয় আৰু এক কালজয়ী ছবিৰূপে সমাদৰ লাভ কৰে তাকে কামনা কৰিছোঁ।

# সম্পাদকীয় প্ৰতিবেদন

লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ছাত্ৰী একতা সভা, ২০১৯-২০ বৰ্ষ



# President's Report

**Namasya S Khandayatray**

At the outset I extend my heartfelt regards to the esteemed Principal, Vice Principal, teachers and the office staff of this glorious centre of women's education, certainly the biggest women's college in the north bank of the Brahmaputra, under Dibrugarh University.

A passion to do something for this institution prompted me to contest for the post of President of L.G.C.S.U. A negative campaign against me only emboldened my resolve and the overwhelming support of the students catapulled me to the post of President.

Being a student of Kendriya Vidyalaya, I had little knowledge of Assamese. But I took the challenge of learning Assamese and this helped me in addressing the issues before me more confidently. I tried my best to do my duty as the Students' Union President of this glorious college. I am really grateful to our esteemed Principal sir, Vice Principal sir and advisors of the students' union, my respected teachers for their valuable advices and suggestions. However, without the support and the cooperation of the secretaries of L.G.C.S.U, it would not have been possible for me to discharge my duty. I extend my heartiest thanks to Chayanika Dutta the General Secretary of our union body, who had always sought my suggestions and had cooperated with me in all the events.

During our tenure, L.G.C.S.U had organized different events like:

1. Saraswati Puja
2. Freshmen Social
3. Independence Day
4. Teachers' Day
5. Shankardev Tithi
6. Fateha - e - daaz daham
7. Republic Day
8. College Week

Besides, I also shouldered the additional

responsibility of Debating and Gymnasium secretary.

Some of the achievements of our students' union include:

1. Installation of a proper drinking water facility.
2. Installation of sanitary pad dispenser.
3. Installation of generator in college hostel.
4. Allotment of a new room for the Union Body.
5. Appealed for pad incinerator.
6. Construction of a new and renovated common room for the students.
7. Appealed for the installation of street lights in the college road.
8. Raised fund for the flood victims.
9. Management of parking space for the students' vehicles.

I have always tried to raise the concerns of the students by creating a smooth bridge of communication between teachers and students; managed all the events and ceremonies.

I know that nobody is perfect and Alexander Pope says, "to err is human". I might have committed some errors or mistakes. I may be pardoned for that.

Saluting once again my esteemed teachers and this glorious institute.

Jayatu Lakhimpur Girls' College Students' Union! ●



# Vice-President's Report

## Rashna Doley

First and Foremost, praise and thanks to the God, the Almighty, for His showers of Blessings throughout my endeavor.

Before I get into thick of things I would like to express my gratitude to all those great people who have contributed to the growth of the College. Lakhimpur Girls’ College has produced successful women who have established themselves and have brought honor to this prestigious institution. I am not only proud, but also privileged to be a part of this College.

Whatever has been accomplished and whatever has been the result of my endeavor, there is a great source of encouragement, guide, support and gracious blessings from many wonderful people. I am extremely thankful to the authorities, faculties, staffs,

and the students who recognized me as someone who is suitable for the post of a Vice President. I felt good knowing that I was chosen to serve the bridge between the students and the authorities.

I am really grateful that I had the kind association as well as supervision of Dr. Surajit Bhuyan, Principal, Lakhimpur Girls' College ; Mr. Upen Chandra Pujari, Vice Principal. In my tenure as a member of the Student Council, I was mentored by Jayantajit Bordoloi Sir, Dulen Kr. Gogoi Sir,Bikash Das Sir,Nipon Panging Sir, Dr. H.M.A. Shahid, Durlav Raj Taid Sir, Gubin Chandra Boruah Sir & Nabami Bhuyan Ma'am. I feel really lucky to be able to work under their direction.

For me, the college experience has been about development in all areas. From being a first semester student, trying to adapt to the LGC culture, to becoming the Vice President of the Student Council, my aspiration to see the growth of my college and evaluating the big doors of possibilities never failed. Listening to my dad's experience as the General Secretary of his college was just one of the thing that motivated me to the run for the office bearer post.

My pivotal role as the Vice President along with the President included representing the college. One of the major plans I was working on, which was at a ground-level to make the Student Council more approachable.

After taking charge of the Student Council, I had the responsibility to organize various events under my tenure. I would like to highlight some of the important events and achievements of the Council.

## STUDENT COUNCIL 2019-20: END-OF -YEAR REPORT

Our Student Council was elected by the end of October 2018.

On 7th February, 2019, the first meeting of our Student Council was convened by the Principal and the previous Union Body. We were officially handed over the charge in present of the authorities and the teachers.

After taking charge, the first major event organized by our Student Council was Saraswati Puja.With the cooperation and help from all the faculties, staffs and students, the event turned out to be a success.

A 3 day Book Fair was held along with the Sarwaswati Puja Celebration and we received overwhelming response from everyone.

The National Science Day was celebrated on 28th February, 2019 at our College.

The Student Council installed a proper drinking water facility at our college. A International Women's day, 8th March. Put up notices, created awareness, organized essay competition to promote this day.

The Council raised fund for the flood victims.

An essay competition was organized on the occasion of World Environment Day.

Work began in earnest for the Freshman Social event. On 28 June 2019, the College was filled with excitement, joy, music, laughter and happiness. The event started with a welcome speech by our Principal, Dr. Surajit Bhuyan, followed by cultural dance. We formally welcomed the fresher's into the LGC family.

A Sanitary Pad Vending Machine was installed at our College Library under our Student Council. The vending machine was installed to ensure an effective, safe and convenient mode for anytime access to the sanitary napkins.

An awareness rally was taken out against Drug Abuse.

We celebrated the 73rd Independence Day of India to pay tribute and remember all the freedom fighters who had contributed a lot for the Independence of our country. The day consists of morning assembly at the College campus in present of the teachers and the students. The Principal hoist the tricolor followed by National Anthem. Like every year, the NCC cadets of our college had prepared themselves for the parade at A Team field. A cultural dance group from our college also took part in the event.

As has been the tradition year after year, On 2nd of September 2019, the Student Council, authorities and the College together celebrated "Srimanta Sankardeva Tithi" on the College Campus. Naam Prasanga by a group of devotees from NaamGhar were the events of the celebration followed by students presenting Naam Sankirtan.

Our Student Council arranged the Teachers' Day celebration in our college. The students performed special Cultural program on the event.

With the guidance of Bhaskarjit Borah Sir, the Student Council arranged the Viswakarma Puja celebration at our college campus. On the auspicious occasion, members of our Student Council and teachers visited the special school for Physically Impaired childrens at Cinatolia.We distributed prasad and sweets among the children.

The Student Council for the academic year 2020-21 was elected.

The annual Mega-event of a weeklong celebration of Cultures, Games & Sports, Literary and endless creativity and showcasing talents of the students of Lakhimpur Girls' College were embarked in the College Week Celebration-2020.The celebration begins with a cultural theme presentation by all the respective departments. The weeklong celebration ended by witnessing several indoor and outdoor events and activities.

Lakhimpur Girls' College witnessed the celebration of the 71st Republic Day on 26th January; 2020.The student took pride in glorifying and celebrating the spirit of unity. The NCC cadets took part in March-past and the Dance Group of our college presented a patriotic dance.

On 25th February 2020, our council officially handed over the charge to the new Student Council.

I would like to thank everyone for their support and help in the activities during my session. The role as the Vice President made me realize that being their for others and empathizing with them is the best way to lead when tough decision is to be taken.Another thing I have learned is that constructive criticism is something I should learn to accept because it helps me to deliver the best results. I hope I performed all my duties as a student representative and made a positive difference in the student community. ●



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

**চয়নিকা দত্ত**

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিকসুঁৱৰিব খুজিছোঁ, যিসকলৰ মহান ত্যাগৰ বিনিময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান এই লখিমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠিছে।

মহাবিদ্যালয়খনৰ সেউজীয়া পৰিৱেশটোৱে বাৰুকৈয়ে মোক আকৰ্ষিত কৰি মহাবিদ্যালয়খনৰ প্ৰতি এটা বিশেষ টানৰ সৃষ্টি কৰিছিল। ফলত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত দেখা সপোনটো পূৰাবলৈ সুযোগ পালোঁ স্নাতক শাখাৰ প্ৰথম ষাণ্মাসিকত। সপোনটো আছিল মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা পদটোত থাকি মহাবিদ্যালয়ৰ বাবে যৎপৰোনাস্তি চেষ্টা

কৰি সামান্য হ'লেও কিবা এটা কৰাৰ। শিক্ষাগুৰুসকলৰ আশীৰ্বাদ, অগ্ৰজসকলৰ দিহা-পৰামৰ্শ, মৰম-চেনেহ আৰু সহপাঠী আৰু অনুজসকলৰ অকৃত্ৰিম সহযোগৰ ফলত স্নাতক দ্বিতীয় ষাণ্মাসিকত সাধাৰণ সম্পাদিকা পদৰ দায়িত্ব গ্ৰহণ কৰোঁ।

এই ক্ষণতে মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্য-সদস্যালৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। প্ৰতিক্ষণতে মোক ন ন দিহা-পৰামৰ্শ দি উপকৃত কৰা আৰু সহযোগ কৰা বাইদেউ, সহপাঠী বান্ধৱী আৰু অনুজ ভণ্টী সকলোলৈকে মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আপোনালোকৰ অবিহনে এই প্ৰতিবেদনখনি লিখাৰ সুযোগ মোৰ সপোনৰো অগোচৰ।

মোৰ এবছৰীয়া কাৰ্যকালত অনুষ্ঠিত কৰা অনুষ্ঠানসমূহত সকলো সম্পাদিকাৰ সহায়-সহযোগিতা তথা সভানেত্ৰী নমস্যা এছ খাণ্ডায়াত্ৰায়ৰ সহযোগিতাক বাৰুকৈয়ে শলাগ ল'বলগীয়া।

মোৰ কাৰ্যকালৰ চমু খতিয়ান তলত দাঙি ধৰা হ'ল—

**(১) সৰস্বতী পূজা ঃ** ৭ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে শপত গ্ৰহণৰ পাছত আমাৰ ছাত্ৰী একতা সভাৰ প্ৰথম কাৰ্যসূচী আছিল সৰস্বতী পূজাৰ আয়োজন কৰা। সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰীৰ সহযোগত উলহ-মালহেৰে সৰস্বতী পূজাভাগ পালন কৰা হয়। যিহেতু সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী, গতিকে তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো ছাত্ৰীক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে সতীৰ্থ গ্ৰন্থমেলা ৩ দিনীয়াকৈ অনুষ্ঠিত কৰা হয়।

**(২) নৱাগত আদৰণী সভা ঃ** লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ সেউজীয়া দলিচাখনত জিৰাব বিচৰা নতুন পক্ষীজাকক আদৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হয় নৱাগত আদৰণী সভা। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিত ভূঞা ছাৰৰ সভাপতিত্বত সভাখন আয়োজন কৰা হয়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ বিশিষ্ট সংগীতজ্ঞ, গীটাৰবাদক চৈয়দ ছাদুল্লা দেৱ আৰু তেখেতৰ সহধৰ্মিণী জুৰি ৰহমান বাইদেউ। তদুপৰি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ বাবে উপস্থিত থাকে নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবৰ সভাপতি শৈলেন বৰুৱাদেৱ।

আমাৰ ছাত্ৰী একতা সভাই নৱাগত আদৰণী সভাত লোৱা আটাইতকৈ আদৰণীয় পদক্ষেপটো আছিল এখন অনাথ আশ্ৰমৰ বাবে লঘু আহাৰৰ যোগান ধৰা ।শিক্ষকসকলৰ সহায়ত ইয়াত আমি ১০০ শতাংশই সফলতা লাভ কৰিছিলোঁ।

**(৩) শিক্ষক দিৱস ঃ** মহাবিদ্যালয়ৰ শিক্ষকসকলক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে ৫ ছেপ্টেম্বৰ অৰ্থাৎ শিক্ষক দিৱসৰ দিনা সকলো ছাত্ৰী একতা সভাৰ সদস্যা তথা মহাবিদ্যালয়ৰ সকলো ছাত্ৰীৰ সহযোগত উক্ত দিনা শিক্ষকসকলক শ্ৰদ্ধা জ্ঞাপন কৰা হয়।

**(৪) শংকৰদেৱৰ তিথি ঃ** শ্ৰীশ্ৰীশংকৰদেৱৰ বিশেষ অনুষ্ঠানটিত সকলো ছাত্ৰীৰ সহযোগত অনুষ্ঠিত হোৱা দিহানাম আৰু বৰগীত প্ৰতিযোগিতাই অনুষ্ঠানটিৰ প্ৰাচুৰ্য বৃদ্ধি কৰি তুলিছিল।

**(৫) শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলৰ দ্বাৰা প্ৰদৰ্শিত ভাওনা ঃ** মহাবিদ্যালয় স্থাপিত হোৱা দিনাৰে পৰা এই বৰ্ষত হোৱা ব্যতিক্ৰম অনুষ্ঠানটো আছিল শিক্ষক-কৰ্মচাৰীসকলৰ দ্বাৰা প্ৰদৰ্শিত হোৱা ভাওনা। মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰীসকলৰ সহযোগত সুন্দৰভাৱে উপস্থাপন হৈছিল 'কুৰুসন্ধ্যা' নাটখন। এই সময়খিনিত মহাবিদ্যালয়খন সোমাই পৰিছিল এক আধ্যাত্মিক ভাবত। মহাবিদ্যালয়খনত কেৱল শৈক্ষিক বাতাৱৰণেই যে বিৰাজমান নহয়, তাৰ আভাস সেই দিনকেইটাত প্ৰত্যেকগৰাকী ছাত্ৰীয়ে লাভ কৰিছিল।

**(৬) মহাবিদ্যালয় সপ্তাহ ঃ** লখিমপুৰৰ মাজমজিয়াৰ আগশাৰীৰ লখিমপুৰ বালিকা মহাবিদ্যালয়খন যে শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশৰ বাবে আগ্ৰহী, তাৰ প্ৰতি ছাত্ৰীসকলক সজাগ কৰিবৰ বাবে অনুষ্ঠিত কৰা হয় মহাবিদ্যালয় সপ্তাহ। সপ্তাহটি সুন্দৰকৈ পৰিচালনা কৰিছিল প্ৰত্যেকগৰাকী সম্পাদিকাই। এই বৰ্ষত কেইটামান নতুন প্ৰতিযোগিতা সংযোজন কৰা হৈছিল, যেনে— মূকাভিনয়, একক অভিনয়, অনুকৰণ প্ৰতিযোগিতা, গগনা, ঢোলবাদন, বিহুনাম পৰিৱেশন আদি। সকলো প্ৰতিযোগিতাতে ছাত্ৰীসকলৰ অপূৰ্ব সঁহাৰিয়ে আমাক দুগুণ উৎসাহিত কৰিছিল।

**(৭) যুৱ মহোৎসৱ ঃ** ২০১৯-২০ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ ১৬জনীয়া এটি দলে অংশগ্ৰহণ কৰিছিল।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ কাৰ্যকালত কেইবাখনো কাৰ্যনিৰ্বাহক সভা আয়োজন কৰা হৈছিল। এই সভাসমূহত হোৱা আলোচনাবোৰ সাধ্য অনুসাৰে ৰূপায়ণ কৰাৰ চেষ্টা কৰিছিলোঁ। তাৰে এটা চমু আভাস হ'ল—

(ক) মহাবিদ্যালয়ত এটা Sanitary Pad Machine-ৰ ব্যৱস্থা কৰা।

(খ) বিশুদ্ধ খোৱাপানীৰ বাবে ফিল্টাৰৰ ব্যৱস্থা কৰা।

(গ) মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসত জেনেৰেটৰ স্থাপন কৰা।

(ঘ) দুচকীয়া বাহন ৰখাৰ বাবে ফলকৰ ব্যৱস্থা কৰা।

(ঙ) ছাত্ৰী একতা সভাৰ এটা নিজা কোঠা লোৱা।

(চ) জাননী ফলকৰ সংখ্যা বৃদ্ধি কৰা।

(ছ) Street light-ৰ ব্যৱস্থাৰ বাবে আৱেদন জনোৱা, ইত্যাদি।

সকলোৰে আহ্বানমৰ্মে মহাবিদ্যালয় প্ৰাংগণত উপস্থিত হৈছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ ডাঙৰীয়া, জনপ্ৰিয় অভিনেতা যতীন বৰা, বৰষাৰাণী বিষয়াৰ লগতে বহুকেইজন শিল্পী।

কাৰ্যকালৰ এটা বছৰত শিক্ষক-কৰ্মচাৰী, ছাত্ৰীসকলৰ সহযোগিতা বিশেষকৈ অধ্যক্ষ ড° সুৰজিত ভূঞা ছাৰ আৰু

তত্ত্বাৱধায়কসকলৰ সহায়ে আমাৰ প্ৰত্যেকগৰাকী সম্পাদিকাক উৎসাহিত কৰি আহিছে। ছাত্ৰী একতা সভাৰ নমস্যা এছ. খাণ্ডায়াত্ৰায় আৰু প্ৰত্যেকগৰাকী সম্পাদিকাৰ সহায়ে ছাত্ৰী একতা সভাখন সম্পূৰ্ণ বৰ্ষটো একত্ৰিত হৈ কাম কৰাৰ মানসিকতা সকলোৰে মাজত গঢ়ি তুলিছিল।

লখিমপুৰৰ নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান হিচাপে এই সেউজীয়াৰ মাজৰ বালিকা মহাবিদ্যালয়খন অসম তথা ভাৰতৰ এক নামজ্বলা মহাবিদ্যালয়ৰ স্থানত যাতে জিলিকি ৰয়, তাৰ কামনা সদায় কৰিম। ●



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

**চয়নিকা দত্ত**

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিব বিচাৰিছোঁ যিসকল ব্যক্তিৰ নিঃস্বাৰ্থ শ্ৰম আৰু ত্যাগৰ বিনিময়ত আজি এই মহাবিদ্যালয়খনিয়ে লখিমপুৰ জিলাৰ স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। লগতে মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ যাচিছোঁ সশ্ৰদ্ধ প্ৰণাম। এগৰাকী ছাত্ৰী হিচাপে এনে এক শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিবলৈ পাই মই গৌৰৱবোধ কৰিছোঁ।

লখিমপুৰৰ খেলমাটিত অৱস্থিত ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনিত ২০১৯-২০ বৰ্ষত ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে সহঃ সাধাৰণ সম্পাদিকাৰ পদত সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ। এনে এখন মহাবিদ্যালয়ৰ সকলো ছাত্ৰীৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰা ছাত্ৰী একতা সভাৰ সদস্যৰূপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনত সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ বাবে স্মৰণীয় বিষয়। মহাবিদ্যালয়খনৰ দায়িত্বভাৰ গ্ৰহণ কৰা দিনৰে পৰা মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিৱেশ বজাই ৰখাৰ লগতে সৰ্বাংগীণ উন্নয়নৰ বাবে চেষ্টা কৰিছিলোঁ।

মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হিচাপে নৱাগত আদৰণী সভা, শংকৰদেৱৰ তিথি, সৰস্বতী পূজা আৰু মহাবিদ্যালয় সপ্তাহ আদি অনুষ্ঠানসমূহত মই মোৰ ফালৰ পৰা যিমানদূৰ পাৰিছিলোঁ, সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

মোৰ কাৰ্যকালত সকলো সময়তে মোক সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বান্ধৱী প্ৰেৰণা, শিৱানী, চয়নিকা, পলী, আস্থা আদিক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। শেষত আমাৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে লখিমপুৰ বালিকা মহাবিদ্যালয় সকলো ক্ষেত্ৰতে আগবাঢ়ি যাওক— তাৰে কামনা কৰিলোঁ। ●



# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

**আস্থা সন্দিকৈ**

সময়ৰ আহ্বানত আজিৰ পৰা ৪৮ বছৰৰ আগতে কেইগৰাকীমান প্ৰজ্ঞাবান ব্যক্তিৰ প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত নাৰী শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে প্ৰাণ পাই উঠিছিল লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। সেইসকল প্ৰজ্ঞাবান ব্যক্তি আজি আমাৰ পৰা বহু আঁতৰত, হ'লেও এই শুভক্ষণত তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

দুচকুত অযুত সপোন জ্ঞানৰ পোহৰ বিচাৰি ভৰি দিছিলো এই সেউজীয়াৰ বুকুত। অতি কম সময়তে মহাবিদ্যালয়খনৰ প্ৰতিটো দিশেই মোক খুবেই আকৰ্ষণ কৰিছিল। বগা সাজযোৰৰ লগত সেউজীয়া দুপাত্তাখনে দিয়া নতুন পৰিচয়টোৰ সৈতে মহাবিদ্যালয়খনৰ বাবে কিবা এটা কৰাৰ হেঁপাহ জাগি উঠিছিল মনত। তাৰ পিছতেই এঞ্জেলা বা, প্ৰত্যাশা বা, নিকিতা বা, পৰিস্মিতা বা, কংকণা বা, জুপিতৰা বা, দৰ্শনা বা সকলোৰে সাহস আৰু পৰামৰ্শতে প্ৰথম ষাণ্মাষিকতেই সাহিত্য আৰু আলোচনী বিভাগৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়ী হৈছিলো। এই সুযোগতেই মোক আৰ্শীবাদ সাহস আৰু মৰম দিয়া শিক্ষাগুৰুসকল,অগ্ৰজসকল আৰু মোক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা সহপাঠী, অনুজ সকলোলৈকে মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সাহিত্য দিশৰ লগত জড়িত প্ৰতিটো ক্ষেত্ৰত ছাত্ৰীসকলক আগবঢ়াই নিবলৈ চেষ্টা কৰিছিলো। কিমান দূৰ সফল হ'ব পাৰিছো সেইয়া আপোনালোকৰ বিচাৰ্য। যদিও সকলো কাৰ্য সফল হৈ নুঠিল আশা কৰো মোৰ পৰৱৰ্তী আলোচনী সম্পাদিকাই কামসমূহ সফল কৰি তুলিব।

মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সক্ৰিয় সদস্যা হিচাপে সাহিত্য বিভাগৰ উপৰিও মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতেই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীৰ সহযোগিতাই আমাক কাম কৰি যোৱাত উৎসাহ যোগাইছিল।

৮ ফেব্ৰুৱাৰী ২০১৯ বৰ্ষ এই দিনটোতেই সেউজীয়া দুপাত্তাখনত নীলা নামফলকৰ টুকুৰাটোৰে নতুন দায়িত্বভাৰ হাতত লৈছিলো। দায়িত্বভাৰ গ্ৰহণৰ পিছত আলোচনী বিভাগৰ প্ৰথম কাৰ্যসূচী আছিল নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰা। প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰাত সকলো সময়তে মোক দিহা-পৰামৰ্শ আগবঢ়োৱা সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক নিপন পাংগিং ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২৮ জুন, ২০১৯ তাৰিখে নৱাগত আদৰণি সভাৰ প্ৰাক্‌ক্ষণতে সাংবাদিক শ্ৰীযুত শৈলেন বৰুৱাই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে। এই সুযোগতেই ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ নিয়মিত সাহিত্য চৰ্চাৰ উদ্দেশ্যে 'নিনাদ' নামৰ দৈনন্দিন প্ৰাচীৰ পত্ৰিকা এখনিও উন্মোচন কৰা হয়।

ইয়াৰ উপৰিও প্ৰত্যেকটো গুৰুত্বপূৰ্ণ দিৱসৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়ত ছাত্ৰীসকলৰ বাবে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। কিন্তু প্ৰতিযোগিতাসমূহত কেইগৰাকীমান নিৰ্দিষ্ট ছাত্ৰীৰ বাহিৰে বাকীসকল ছাত্ৰীৰ সহঁাৰি আছিল তেনেই কম। এইটো মহাবিদ্যালয়খনৰ লগতে আমাৰ বাবেও আছিল দুখৰ বিষয়। গতিকে ছাত্ৰীসকলক ভৱিষ্যতে সহঁাৰি জনাবলৈ ইয়াৰ দ্বাৰা পুনৰ অনুৰোধ জনালো। প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ —

১. বিজ্ঞান দিৱস উপলক্ষে বেনাৰ বনোৱা প্ৰতিযোগিতা

২. শিক্ষক দিৱস উপলক্ষে ৰচনা লিখা প্ৰতিযোগিতা

৩. মাতৃ দিৱস উপলক্ষে ৰচনা লিখা প্ৰতিযোগিতা আদি।

মহাবিদ্যালয় সপ্তাহ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ বাবে আছিল অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান। ২২ জানুৱাৰী ২০২০ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত আমি ছাত্ৰীসকলৰ সহায় সহযোগিতাতে সাহিত্য আৰু সুকুমাৰ কলাৰ প্ৰতিযোগিতাসমূহ আয়োজন কৰিছিলো। এইক্ষেত্ৰত ছাত্ৰীসকলৰ সহঁাৰি আছিল শলাগ ল'বলগীয়া। সাহিত্য আৰু সুকুমাৰ কলা প্ৰতিযোগিতাৰ ফলাফলসমূহ আছিল এনেধৰণৰ—

**পূৰ্বে প্ৰস্তুত চিত্ৰাংকন প্ৰতিযোগিতা ঃ**

স্থিৰচিত্ৰ ঃ প্ৰথম - পল্লৱী বৰা
দ্বিতীয় - ৰাখী ভূএগ
তৃতীয় - হিমাদ্ৰী কছাৰী

প্ৰতিকৃতি ঃ প্ৰথম - পল্লৱী বৰা
দ্বিতীয় - আফ্ৰুজা ৰহমান
তৃতীয় - চিত্ৰলেখা টাইড

কাৰ্টুন ঃ প্ৰথম - ৰাখী ভূএগ
দ্বিতীয় - চিত্ৰলেখা টাইড
তৃতীয় - পল্লৱী বৰা

**ঠাইতে অকাঁ চিত্ৰাংকন প্ৰতিযোগিতাঃ**

কাৰ্টুন ঃ প্ৰথম - দুলুৱাণী বৰগোহাঁই
দ্বিতীয় - চিত্ৰলেখা টাইড
তৃতীয় - পল্লৱী বৰা

স্থিৰ চিত্ৰ ঃ প্ৰথম - হিৰন্ময়ী শৰ্মা
দ্বিতীয় - পল্লৱী বৰা

লেণ্ডস্কেপ ঃ প্ৰথম - মিনাক্ষী শইকীয়া
দ্বিতীয় - পল্লৱী বৰা
তৃতীয় - হিৰন্ময়ীশৰ্মা

**কবিতা আবৃত্তি ঃ**

অসমীয়া ঃ প্ৰথম - ৰেডিয়েন্ট গগৈ
দ্বিতীয় - ৰিতুপ্ৰিয়া নেওগ
তৃতীয় - পাহি গগৈ

হিন্দী ঃ প্ৰথম - আছিফা শ্বামচি
দ্বিতীয় - নমস্যা এছ. খাগুয়াত্ৰেয়
তৃতীয় - ধনাঞ্জলি বৰা

ইংৰাজী ঃ প্ৰথম - নমস্যা এছ. খাগুয়াত্ৰেয়
দ্বিতীয় - আছিফা শ্বামচি
তৃতীয় - কৌশিকি পুৰুকায়স্থ

**বাতৰি পঠন ঃ**

অসমীয়া ঃ প্ৰথম - আছিফা শ্বামছি
দ্বিতীয় - ৰিঞ্জু ৰিয়ম
তৃতীয় - ৰেডিয়েন্ট গগৈ

ইংৰাজী ঃ প্ৰথম - নমস্যা এছ. খাগুয়াত্ৰেয়
দ্বিতীয় - ৰেডিয়েন্ট গগৈ
তৃতীয় - কাজল হাজৰিকা

**পূৰ্বে প্ৰস্তুত সাহিত্য প্ৰতিযোগিতা ঃ**

অসমীয়া কবিতা ঃ
প্ৰথম - কৰিষ্মা বৰুৱা
দ্বিতীয় - কৃষ্ণা বৰুৱা আৰু গীতাৰ্থী শইকীয়া

ইংৰাজী কবিতা ঃ
প্ৰথম - নমস্যা এছ. খাগুয়াত্ৰেয়
দ্বিতীয় - কণ্মিতা দত্ত

ৰস ৰচনা ঃ প্ৰথম - মিতালী গগৈ
দ্বিতীয় - আছিফা শ্বামছি
তৃতীয় - ৰিছা ফুকন

লিমাৰিক ঃ প্ৰথম - আছিফা শ্বামছি
দ্বিতীয় - গৰিমা বৰুৱা
তৃতীয় - নমস্যা এছ. খাগুয়াত্ৰেয

প্ৰবন্ধ ঃ প্ৰথম - নমস্যা এছ. খাগুয়াত্ৰেয়
দ্বিতীয় - আফ্ৰুজা ৰহমান
তৃতীয় - আছিফা শ্বামছি আৰু কবিতা গগৈ

চুটি গল্প ঃ প্ৰথম - দৃষ্টিদৰ্শনা বৰুৱা
দ্বিতীয় - আফ্ৰুজা ৰহমান
তৃতীয় - আশাজ্যোতি ভূএগ

**সমালোচনা ঃ**

চিত্ৰ ঃ প্ৰথম - মমী নাথ
দ্বিতীয় - আশাজ্যোতি ভূএগ

গ্ৰন্থ ঃ প্ৰথম - অৰ্চনা বৰুৱা
দ্বিতীয় - কৌমুদী দেৱী

**ঠাইতে লিখা সাহিত্য প্ৰতিযোগিতা ঃ**

অসমীয়া কবিতা ঃ
প্ৰথম - ঋতুপৰ্ণা ভৰালী, ৰেডিয়েন্ট গগৈ
দ্বিতীয় - গীতাশ্ৰী কোঁচ, প্ৰণামী বৰুৱা
তৃতীয় - হিমাদ্ৰী সোণোৱাল

ইংৰাজী কবিতা ঃ
প্ৰথম - নমস্যা এছ. খাগুয়াত্ৰেয়

দ্বিতীয় - নাফিছা মাচুম
তৃতীয় - লক্ষীমাই পাঠৰি, মেঘনা বৰুৱা

অসমীয়া লিমাৰিক ঃ
প্ৰথম - ৰিছা ফুকন
দ্বিতীয় - ইন্দ্ৰানী খাউণ্ড
তৃতীয় - অনুৰূপা শইকীয়া

ইংৰাজী লিমাৰিক ঃ
প্ৰথম - ত্ৰিবেণী পায়েং
দ্বিতীয় - নমস্যা এছ. খাণ্ডায়াত্ৰেয়
তৃতীয় - জেনিফাৰ হুছেইন

অসমীয়া চুটিগল্প ঃ
প্ৰথম - অবিবেচিত
দ্বিতীয় - ঋতুপৰ্ণা ভৰালী, ৰেডিয়েন্ট গগৈ
তৃতীয় - ময়ূৰী তামুলী আৰু কৰিষ্মা বৰুৱা

ইংৰাজী চুটিগল্প ঃ
প্ৰথম - মেঘনা বৰুৱা
দ্বিতীয় - জেনিফাৰ হুছেইন
তৃতীয় - নমস্যা এছ. খাণ্ডায়াত্ৰেয়

প্ৰবন্ধ ঃ
প্ৰথম - নাফিছা মাচুম
দ্বিতীয় - তুলিকা শইকীয়া, কাজল হাজৰিকা
তৃতীয় - নমস্যা এছ. খাণ্ডায়াত্ৰেয়

**কৃতজ্ঞতা স্বীকাৰ ঃ**

২০১৯-২০ বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ গধুৰ দায়িত্ব ভাগ মোক অৰ্পণ কৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়,উপাধ্যক্ষ মহোদয়,শিক্ষাগুৰু আৰু ছাত্ৰীসকলে মোৰ ওপৰত যি আস্থা দেখুৱালে তাৰ বাবে সকলোলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিশেষকৈ দায়িত্বভাৰ গ্ৰহণ কৰা দিনৰ পৰাই বৰ্তমানলৈকে মৰম,শাসন,পৰামৰ্শৰে প্ৰতিটো সৰু-ডাঙৰ ক্ষেত্ৰত মোক উৎসাহ দিয়া সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক নিপন পাংগিং ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো ছাৰৰ পৰামৰ্শৰ অবিহনে এই গুৰু দায়িত্ব সুচাৰুৰূপে পালন কৰা মোৰ সপোনৰো অগোচৰ আছিল।

দায়িত্বভাৰ গ্ৰহণ কৰা দিনৰ পৰাই ছাত্ৰী একতা সভাৰ প্ৰত্যেকগৰাকী সদস্যাৰ একতা আৰু সহযোগিতাই আমাক কাম কৰি যোৱাত সহায় কৰিছিল লগতে প্ৰেৰণা, হিৰন্ময়ী, পলি, সুৰভি, লস্মীতা, ৰাখী, দেৱাশ্ৰী, বনশ্ৰী অন্যান্য সকলোকে মোৰ প্ৰতিটো কাৰ্যত মোৰ সাহস হৈ থিয় দিয়াৰ বাবে অশেষ ধন্যবাদ জনালো। তেওঁলোকৰ সাহসৰ বাবেই মই সকলো অনুষ্ঠান সফল কৰি তুলিবলৈ সক্ষম হ'লো।

**ক্ষমা প্ৰাৰ্থনা ঃ** বিগত বৰ্ষত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে কিমান নিৰ্ভুল আৰু নিৰ্দোষীভাৱে কাৰ্য পৰিচালনা কৰিলো নাজানো,তথাপিও অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিলো।

**মোৰ আশা ঃ** মোৰ কাৰ্যকালত আশা কৰিও বিভিন্ন সমস্যাৰ বাবে কিছু কাম সফল কৰিব নোৱাৰিলো।আশা কৰিছো সাহিত্য আৰু আলোচনী বিভাগৰ আগন্তুক সকলো সম্পাদিকাই বিভাগটোক সফলতাৰ দিশত আৰু আগুৱাই নিব। ●

# Cultural Secretary's Report

## **Rashna Doley** (In-charge)



At the very outset of my secretarial report, I would like to extend my sincere & heartfelt obligation towards all the personages who believed in me and helped me in this endeavor. Without their active guidance, help ,cooperation and encouragement ,I would not have able to carry out the new responsibility shouldered on me. It was unfortunate that due to inevitable circumstances, Dibyashree Saikia , the elected Cultural Secretary of Lakhimpur Girls' College Students' Union 2019-20 had to resign from her post and I was appointed as the functioning Cultural Secretary for the upcoming days of the session.

Just a few days after taking charge, I started preparing for our participation at the 73rd Independence Day. A cultural dance group from our college took part in the glorious occasion. I also had the opportunity to take some of the students of our college to participate in a District Level Patriotic Singing Competition which was held at North Lakhimpur

College (Autonomous) on 13th August,2019 where Kuhelika Hazarika of B.A. 5th semester managed to secure the 3rd position. The transition to being the new Cultural Secretary was smooth with the conscientious guidance from Jayantajit Bordoloi Sir, who is the Professor In Charge of the Cultural Department and the overwhelming support from all the members of our Student Council.

As the Cultural Secretary, my next major task was to organize the Annual College Week. Along with the other members of student council, I was responsible to ensure that the students had a healthy participation in all the events. I believe that every student must be given the choice to choose and excel in their own fields of interest. Taking the suggestion of Jayantajit Bordoloi Sir, we introduced some new solo and group events to the cultural activity list. It is my proud privilege to express a deep sense of gratitude to Dr. Surajit Bhuyan Sir, Principal, Lakhimpur Girls' College ; Upen Chandra Pujari Sir, Vice Principal; Dulen Kr. Gogoi Sir, whose timely support and guidance helped the cultural events to function smoothly.The following events were conducted under my period :

**1. Singing Competition (Solo Events)**

**Borgeet :**

1st Position : Shrawana Sharma
2nd Position : Mayuri Tamuli
3rd Position : Jishmrita Saikia

**Lok Geet( Folk Song) :**

1st Position : Namasya S. Khandayatray
2nd Position : Shrawana Sharma
3rd Position : Prangana Goswami & Pranjumoni Gogoi

**Jyoti Sangeet :**

1st Position : Pranjumoni Gogoi
2nd Position : Pinki Bora
3rd Position : Shrawana Sharma

**Bishnu Rabha Sangeet :**

1st Position : Rashmi Gogoi
2nd Position : Jishmrita Saikia
3rd Position : Indrani Khound & Shrawana Sharma

**Bhupendra Sangeet :**

1st Position : Namasya S. Khandayatray
2nd Position : Pinki Bora
3rd Position : Rashmi Gogoi & Pranjumoni Gogoi

**Parbati Prasad Geet :**

1st Position : Namasya S. Khandayatray
2nd Position : Shrawana Sharma
3rd Position : Indrani Khound

**Jayanta Hazarika Sangeet :**

1st Position : Rashmi Gogoi
2nd Position : Namasya S. Khandayatray
3rd Position : Pinki Bora & Kuhelika Hazarika

**Adhunik Geet (Modern Song) :**

1st Position : Namasya S. Khandayatray
2nd Position : Rashmi Gogoi
3rd Position : Shrawana Sharma & Popi Bora

**Bihu Nam :**

1st Position : Indrani Khound
2nd Position : Puja Gogoi & Rashmi Gogoi
3rd Position : Podmini Dutta

**2. Singing Competition (Group Events)**

**Biya Nam :**

1st Position : Department of Assamese
2nd Position : Department of Philosophy
3rd Position : Department of English & Department of Chemistry

**3. Folk Instrumental (Solo Event)**

**Gogona :**

1st Position : Puja Gogoi
2nd Position : Podmini Dutta
3rd Position : Rashmi Gogoi

**4. Theatre (Solo Event)**

**Mono Act :**

1st Position : Prastuti Chutia
2nd Position : Kajal Saikia
3rd Position. : Bonoshree Konch

**Mimicry :**

1st Position : Lashmita Bora
2nd Position : Surabhi Gogoi
3rd Position : Priyanka Buragohain

**5. Theatre (Group Event)**

**Mime :**

1st Position : Department of Chemistry
2nd Position : Department of English & Department of Physics
3rd Position : Department of Botany

**6. Dance Competition (Solo Event)**

**Classical Dance :**

Special Jury Award : Ankita Borah

**Creative Dance :**

| | | |
|---|---|---|
| 1st Position | : | Ruli Saikia |
| 2nd Position | : | Tarali Gogoi |
| 3rd Position | : | Neha Acharjee |

**7. Dance Competition (Group Event)**

| | | |
|---|---|---|
| 1st Position | : | Department of Physics |
| 2nd Position | : | Department of English |
| 3rd Position | : | Department of Maths & HS 2nd Year |
| Special Jury Award | : | Department of Chemistry |

As cultural fests are a great outlet for one's creativity. Dibrugarh University Inter College Youth Fest is a wonderful opportunity to promote various talents. This year the fest was held at Gargaon College, Sivasagar. Like every year, the students of our College took active participation in most of the solo and group events. Even though we didn't managed to bring any prize to the College, the words from Nipon Panging Sir has always motivated us to keep on participating without failing.

During my tenure, I initiated to form an orchestra team for our College. I have been a part of a girls band group during my school days and through my role I wanted to give back to the student community here to explore their talents. But the Covid-19 pandemic brought a lot of uncertainty and I had to keep my aid of forming a new Orchestra Team on hold. Unfortunately this was a role I could perform for only few months. I believe that the next half of my remaining works will be efficiently fulfilled by the upcoming Cultural Secretary. Additionally, I hope to work together with the new Student Council and execute my ideas.

At last but not the least gratitude goes to all the faculties, students, staffs of Lakhimpur Girls' College for their active support.I also acknowledge a deep sense of reverence, my gratitude towards my parents,friends and family members who have always supported me morally.The role as a Cultural Secretary has helped me a lot to develop my skills and knowledge.I will cherish this experience of mine for lifetime.I sincerely apologize for any inefficiency in living up to the dynamic of the college and the position. ●

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

**পলি বৰঠাকুৰ**



সৰ্বপ্ৰথমে মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিৱেদন কৰিছোঁ, যিসকলৰ আপ্ৰাণ প্ৰচেষ্টাত আজি মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ঐতিহ্যমণ্ডিত লখিমপুৰ বালিকা মহাবিদ্যালয়ে জন্ম আৰু বিকাশ লাভ কৰিলে।

প্ৰতিবেদনৰ আৰম্ভণিতে মই এই শিক্ষানুষ্ঠানৰ অধ্যক্ষ, উপাধ্যক্ষ মহোদয়ৰ লগতে সমূহ শিক্ষাগুৰু, কৰ্মকৰ্তা আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীক এই সুযোগতে মান্য অনুসাৰে কৃতজ্ঞতা তথা প্ৰণিপাত জনাইছোঁ

এই আগশাৰীৰ মহাবিদ্যালয়খনত অধ্যয়ন কৰিবলৈ পাই মই নিজকে ধন্য মানিছোঁ। মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হ'বলৈ পাই আৰু ছাত্ৰীসকলৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিবলৈ পাই নিজকে সৰ্বাংগীণ উন্নয়নৰ সংকল্প লৈ আগবঢ়া সকলো কামত ছাত্ৰীসকলৰ সহযোগিতা পাই নিজকে ধন্য মানিলোঁ।

শৰীৰ চৰ্চা বিভাগৰ সম্পাদিকা হিচাপে দায়িত্ব লৈ প্ৰথমে আলাপ-আলোচনাৰ মাধ্যমেৰে মহাবিদ্যালয়ৰ নামভৰ্তিকৰণৰ সময়ত ছাত্ৰীসকলক এই বিভাগটোৰ বিষয়ে বুজাই বিভাগত

যোগদান কৰাইছিলোঁ। আমি কেইগৰাকীমান ছাত্ৰীৰ সহযোগত যোগচৰ্চাৰ শ্ৰেণীসমূহ সুচাৰুৰূপে চলাই নিবলৈ এটা শুভাৰম্ভণী অনুষ্ঠানৰ আয়োজন কৰিছিলো। সেই অনুষ্ঠানটোত উপস্থিত আছিল প্ৰশিক্ষক আজাদ হাজৰিকা ছাৰ, অধ্যাপক তথা শৰীৰ চৰ্চা বিভাগৰ তত্ত্বাৱধায়ক দুৰ্লভৰাজ টাইড ছাৰ আৰু অধ্যাপক ৰাজেন দত্ত ছাৰ। ইয়াৰ পাছৰ কাৰ্যসূচীত আমি মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰীসকলৰ সহযোগত ২১ জুন তাৰিখে যোগ দিৱস উদ্‌যাপন কৰিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ স্থল মহাবিদ্যালয় সপ্তাহ ২১/০১/২০২০ৰ পৰা ৩০/০১/২০২০ লৈকে অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহত আমাৰ বিভাগৰ খেলসমূহ আছিল—

(ক) যোগাসন আৰু

(খ) ভাৰোত্তোলন

ছাত্ৰীসকলৰ সহায়-সহযোগিতাত এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। শৰীৰ চৰ্চা বিভাগৰ স্থানপ্ৰাপ্ত প্ৰতিযোগীসকল হ'ল—

**(ক) যোগাসন ঃ-**

| | | |
|---|---|---|
| প্ৰথম | ঃ | দীপশিখা পামেগাম |
| দ্বিতীয় | ঃ | লনী টায়েং |
| তৃতীয় | ঃ | জুৰি পেগু |

**(খ) ভাৰোত্তোলন**

| | | |
|---|---|---|
| প্ৰথম | ঃ | চুনী দেউৰী |
| দ্বিতীয় | ঃ | দীপশিখা পামেগাম |
| তৃতীয় | ঃ | জুৰি পেগু |

মোৰ কাৰ্যকালৰ সময়ছোৱাত আন্তঃমহাবিদ্যালয় শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহ ডিব্ৰুগড় চিটি কলেজত অনুষ্ঠিত হৈছিল, য'ত মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰীক অংশগ্ৰহণ কৰিবলৈ সুযোগ প্ৰদান কৰা হৈছিল আৰু কেইগৰাকীমান ছাত্ৰীয়ে স্থান পাবলৈ সক্ষম হৈছিল। স্থানপ্ৰাপ্ত প্ৰতিযোগীসকল হ'ল—

**ভাৰোত্তোলন**

| | | |
|---|---|---|
| দ্বিতীয় | ঃ | জুৰি পেগু |
| তৃতীয় | ঃ | চুনী দেউৰী, দীপশিখা সোণোৱাল |

এই সুযোগতে বিশেষকৈ মোৰ সকলো কামতে দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ তত্ত্বাৱধায়ক মহোদয় শ্ৰীযুত দুৰ্লভৰাজ টাইড ছাৰ, যোগ প্ৰশিক্ষক আজাদ হাজৰিকা ছাৰ আৰু মোৰ প্ৰতিটো কামতে সহায় আগবঢ়োৱা জ্যেষ্ঠ আৰু বান্ধৱীসকলক মোৰ ফালৰ পৰা ধন্যবাদ জনাইছোঁ।

শেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ●

# বহিঃক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

**চয়নিকা দত্ত** (ভাৰপ্ৰাপ্ত)



মোৰ এই প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিব বিচাৰিছোঁ, যিসকলৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত লখিমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠিছে।

লখিমপুৰ জিলাৰ খেলমাটিত অৱস্থিত ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনিত ২০১৯-২০২০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ বহিঃক্ৰীড়া বিভাগৰ সম্পাদিকা কৰিশ্মা দলেৰ অনুপস্থিতিৰ বাবে মই এই দায়িত্বভাৰ গ্ৰহণ কৰিবলগীয়া হ'ল।

ছাত্ৰীসকলৰ মাজত থকা প্ৰতিভাবোৰ বিকাশৰ অৰ্থে পাৰ্যমানে চেষ্টা চলোৱাৰ লগতে ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ যত্ন কৰিছিলোঁ। মোক সহায় কৰিছিল বিভাগীয় তত্ত্বাৱধায়ক ড° এইচ এম এ ছাহিদ ছাৰ আৰু আৰু তেখেতলৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰীসকলৰ লগতে শিক্ষাগুৰুসকলৰ আগ্ৰহো আছিল যথেষ্ট। সেয়েহে শিক্ষাগুৰু আৰু সম্পাদিকাৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছিল। মহাবিদ্যালয়ৰ সপ্তাহৰ বহিঃক্ৰীড়া বিভাগৰ খেলসমূহৰ শুভ আৰম্ভণী অনুষ্ঠানটি

সকলোৰে সহায়-সহযোগিতাত সুকলমে হৈ যোৱাৰ পাছতে আৰম্ভ হৈছিল বিভাগীয় প্ৰতিযোগিতাসমূহ।

মোৰ এই দায়িত্ব পালন কৰাত সহায় কৰা বিভাগীয় তত্ত্বাৱধায়ক ড° এইচ এম এ ছাহিদ ছাৰৰ লগতে মোৰ সকলো কামতে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বান্ধৱী প্ৰেৰণালৈ থাকিল মোৰ আন্তৰিক শুভকামনা। কিছু ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা সীমান্ত দা, বনিয়া খুড়া, মিঠু দা, দাদু দা, হীৰেন দাকো ধন্যবাদ জ্ঞাপন কৰিলোঁ। ●

# আন্তঃক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

## বিদিশা কলিতা



প্ৰতিবেদনৰ আৰম্ভণিতে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ হকে শ্ৰম আৰু ত্যাগ স্বীকাৰ কৰা সকলো ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। কৃতজ্ঞতা জনাইছোঁ সেইসকল ব্যক্তিক যাৰ আৰ্থিক-কায়িক-মানসিক অৰিহণাৰে পৰিপুষ্ট হৈ আমাৰ মহাবিদ্যালয়খন আজিৰ পৰ্যায়ত উপনীত হ'বলৈ সক্ষম হৈছে।

৮ ফ্ৰেব্ৰুৱাৰী, ২০২০ বৰ্ষৰ তাৰিখটো মোৰ মনত চিৰসেউজ হৈ ৰ'ব। এই দিনটোতে ২০১৯-২০ বৰ্ষৰ লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ দৰে এটি উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানটিৰ আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰা বিগত বছৰৰ সামগ্ৰিক দিনপঞ্জী শেষ জীৱনৰ চিৰস্মৰণীয় অধ্যায়।

কাৰ্যকালৰ আৰম্ভণিতে সৰ্বপ্ৰথম সৰস্বতী পূজা পালন কৰোঁ। আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰা মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ২২ জানুৱাৰী, ২০২০ৰ পৰা ৩০ জানুৱাৰী, ২০২০ লৈ অনুষ্ঠিত কৰা হয়।

আন্তঃক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনা আৰু প্ৰতিটো পদক্ষেপৰে উপদেষ্টা শ্ৰী বিকাশ দাস ছাৰক মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা আৰু আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মোৰ এই কাৰ্যত সহায় কৰা মোৰ সহপাঠী, অগ্ৰজ, অনুজ সকলোলৈকে এই ক্ষণতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ২০১৯-২০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ আন্তঃক্ৰীড়া শাখাৰ সম্পাদিকা পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ নিৰ্বাচনী কমিটীৰ শ্ৰদ্ধাৰ বিষয়ববীয়াসকলক প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত কৰ্তব্যৰ খাতিৰত বা অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ আৰু ছাত্ৰী একতা সভাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি এই প্ৰতিবেদন সামৰিছোঁ।

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

দুলুৰাণী বৰগোহাঁই



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল বৰণ্য ব্যক্তিক শ্ৰদ্ধা নিবেদিছোঁ, যিসকলৰ অক্লান্ত চেষ্টা, অহোপুৰুষাৰ্থৰ ফলত উজনি অসমৰ অগ্ৰণী নাৰী শিক্ষাৰ প্ৰতিষ্ঠান লখিমপুৰ বালিকা মহাবিদ্যালয়ে প্ৰাণ পাই উঠিছিল। জ্ঞানৰ পম খেদি বহু দূৰ-দূৰণিৰ পৰা এই মহাবিদ্যালয়লৈ ছাত্ৰীসকল অধ্যয়ন কৰিবলৈ আহে। তাৰ মাজৰে এগৰাকী সৌভাগ্যৱান ছাত্ৰী আছিলোঁ মই। সুদূৰ ধেমাজিৰ পৰা আহি এই মহাবিদ্যালয়ৰ স্নাতক শাখাৰ হিন্দী বিভাগত অধ্যয়ন কৰি থকা অৱস্থাত মোৰ সৌভাগ্য ঘটিছিল মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হোৱাৰ। মই ২০১৯-২০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ 'সমাজ সেৱা' বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মোৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। ছাত্ৰী একতা সভাৰ এগৰাকী সক্ৰিয় সদস্যা হিচাপে মই মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিলোঁ আৰু সম্পূৰ্ণ উদ্যমেৰে নিজৰ কাৰ্যকাল চলাই নিছিলোঁ। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ অনুষ্ঠান হিচাপে মহাবিদ্যালয় সপ্তাহত গুৰু দায়িত্ব পালন কৰিছিলোঁ।

তলত মই মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ খতিয়ান দাঙি ধৰিলোঁ—

**সমাজ সেৱা বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম স্থান ঃ নৃতত্ব বিভাগ

দ্বিতীয় স্থান ঃ অসমীয়া বিভাগ, গণিত বিভাগ

তৃতীয় স্থান ঃ দৰ্শন বিভাগ, উদ্ভিদ বিজ্ঞান বিভাগ

এই এবছৰীয়া কাৰ্যকালত মোক সহায়-সহযোগিতা আগবঢ়োৱা প্ৰত্যেকজন ব্যক্তিৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম আৰু এই এবছৰীয়া কাৰ্যকালত মোৰ অজানিতে হৈ হোৱা ভুলৰ বাবে সকলোৰে আগত ক্ষমা বিচাৰিছোঁ। শেষত লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰিলোঁ। ●

**List of Ex-Editors**
**Lakhimpur Girls' College Magazine**
**North Lakhimpur (1982 - 2020)**

| | |
|---|---|
| 1982 - 1983 : | Ms. Ranjana Konwar |
| 1983 - 1984 : | Ms. Bharati Hazarika |
| 1984 - 1985 : | Ms. Swapna Saikia |
| 1985 - 1986 : | Ms. Mayashri Goswami |
| 1986 - 1987 : | Ms. Nandita Saikia |
| 1987 - 1988 : | Ms. Seemarani Phukan |
| 1988 - 1989 : | Ms. Surabhi Borah |
| 1989 - 1990 : | Ms. Miju Hazarika |
| 1990 - 1991 : | Ms. Purabi Saikia |
| 1991 - 1992 : | Ms. Babyjyoti Baruah |
| 1992 - 1993 : | Ms. Shakuntala Borpatra |
| 1993 - 1994 : | Ms. Nanu Bharali |
| 1994 - 1995 : | Ms. Dulumoni Gogoi |
| 1995 - 1996 : | Ms. Sanjiva Boruah |
| 1996 - 1997 : | Ms. Smita Hazarika |
| 1997 - 1998 : | Ms. Sikharani Gogoi |
| 1998 - 1999 : | Ms. Pallavi Phukan |
| 1999 - 2000 : | Ms. Banti Mahanta |
| 2000 - 2001 : | Ms. Jamini Boruah |
| 2001 - 2002 : | Ms. Jipulina Gogoi |
| 2002 - 2003 : | Ms. Hemalakhi Gogoi |
| 2003 - 2004 : | Ms. Sunpahi Morang |
| 2004 - 2005 : | Ms. Rijum Phukan |
| 2005 - 2006 : | Ms. Dipsikha Duari |
| 2006 - 2007 : | Ms. Rajashree Bora |
| 2007 - 2008 : | Ms. Sangeeta Pawe |
| 2008 - 2009 : | Ms. Deepasri Borpatra Gohain |
| 2009 - 2010 : | (Not published) |
| 2010 - 2011 : | Ms. Priyanka Borgohain |
| 2012 - 2013 : | Ms. Junmoni Neog |
| 2013 - 2014 : | Ms. Pankhi Bharali |
| 2014 - 2015 : | Ms. Susmita Bora |
| 2015 - 2016 : | Ms. Papori Gogoi |
| 2016 - 2017 : | Ms. Nabanita Konch |
| 2017 - 2018 : | Ms. Puja Bhuyan, Joyshree Pawe |
| 2018 - 2019 : | Ms. Joyshree Phukan |
| 2019 - 2020 : | Ms. Astha Handique |



অংকন ঃ ৰিমঝিম কৌশিক